সটীক

# নাম-ঘোষা

মহাপুৰুষ—

শ্ৰীশ্ৰীমাধৱদেৱ বিৰচিত

[ নাম-ঘোষাৰ সৰল ব্যাখ্যা ]

COTTON COLLEGE
GAUHATI

ব্যাখ্যা কৰোঁতা

হৰিনাৰায়ণ দত্তবৰুৱা, সাহিত্যৰত্ন

মূল্য—৫·০০ টকা

প্ৰকাশক :
শ্ৰীমুনীন্দ্ৰনাৰায়ণ দত্তবৰুৱা, এম্-এ,
দত্তবৰুৱা এণ্ড কোম্পানী
নলবাৰী : গুৱাহাটী

৫ম সংস্কৰণ
ইং ১৯৭০ চন

*64550*

মুদ্ৰণ :
উমা প্ৰেছ
নলবাৰী : অসম

# স্মৃতি-তৰ্পণ

আমাৰ নাম-ঘৰত **গীতাই** যদিও আসনৰ সেৱাৰ বস্তু আৰু অতি প্ৰাচীন কালৰপৰা আমাৰ বংশত গীতা কণ্ঠস্থ ৰখা ৰীতি যদিও চলি আহিছিল, তথাপি **ঘোষা** শাস্ত্ৰ আমাৰ পূৰ্ব্বপুৰুষৰ মূৰ শোভা কৰা **গুৰু-নিৰ্ম্মালি** আৰু **জপৰ-মালা** স্বৰূপ আছিল। আমাৰ প্ৰথম পূজ্যতম পৰমাৰাধ্য স্বৰ্গীয় পিতৃদেৱতাই অন্তিম কালত ঘোষা শুনি শুনিয়েই গতিলাভ কৰিছিল।

আমি কম বয়সৰপৰাই **ঘোষা** পঢ়িছিলোঁ। আমাৰ পূজ্যপাদ কৰ্ণধাৰ-গুৰু স্বৰূপ স্বৰ্গীয় **যজ্ঞৰাম মহন্ত** জেঠাই মাজে সময়ে ঘোষা ব্যাখ্যা কৰি আমাক শুনাইছিল; কিন্তু আমাৰ দুৰ্ভাগ্য-বশতঃ সকলোবোৰ ঘোষাৰ ব্যাখ্যা আমি তেওঁৰ শ্ৰীমুখৰপৰা শুনিবলৈ নাপালোঁ।

আমাৰ মধ্যম-সহোদৰ **কালিনাৰায়ণে** ("চানা বাপাই") মাজে সময়ে ঘোষাৰ অৰ্থ আমাক সুধিছিল; এওঁৰ তৃপ্তিৰ অৰ্থেই আমি জয় জয়তে ১৯২০ চনত কেইটামান ঘোষাৰ অৰ্থ লিখিছিলোঁ। তেওঁ এই ঘোষা কেইটাৰ অৰ্থ নিজে পঢ়ি আৰু আনক শুনাই আনন্দ লাভ কৰিছিল।

১৯২১ চনত মোৰ সহধৰ্ম্মিণী **৺ভবানী দেবী** মোৰ লগত যোৰহাটত থাকোঁতে নাম-ঘোষাৰ ব্যাখ্যা সম্পূৰ্ণ কৰিবলৈ ঘনাই উচতাই আছিল, কিন্তু দৈৱ-দুৰ্ব্বিপাকত সি তাৰ পাচৰ বছৰৰ তেওঁৰ মৃতাশৌচৰ এমাহ পাচতহে সম্পূৰ্ণ হৈ উঠিছিল।

এই কাৰণত **সটীক নাম-ঘোষা** মোৰ পুণ্যস্মৃতি। আমাৰ বংশৰ স্বৰ্গগত আত্মাসকলৰ তৃপ্তিৰ অৰ্থে আজি ইয়াকেই অঞ্জলিত লৈ তৰ্পণ কৰিব লগাত পৰিলোঁ। ভগৱানৰ শ্ৰীচৰণ-পদ্মত কামনা কৰোঁ, যেন তেওঁৰ কৰুণাত সাধন হোৱা এই কৰ্ম্মদ্বাৰা স্বৰ্গগত আত্মাসকলৰ তৃপ্তি-সাধন হয় আৰু পৃথিবীৰ নৰ-নাৰীৰ মনতো আনন্দ লাগে।

আমাৰ এই **তৰ্পণৰ** জল-ফুল গোটাওঁতে পৰম পূজ্যপাদ **শ্ৰীল শ্ৰীযুক্ত দক্ষিণপটীয়া সত্ৰাধিকাৰে** পঞ্চাশ টকা, পৰম পূজ্যপাদ **শ্ৰীল শ্ৰীযুক্ত আউনিআটীয়া সত্ৰাধিকাৰে** পঁচিশ টকা আৰু যোৰহাটৰ পৰম শ্ৰদ্ধাস্পদ দানশীল **ৰায় বাহাদুৰ শ্ৰীযুক্ত-শিৱপ্ৰসাদ বৰুৱা** ডাঙৰীয়াই ডেৰ শ টকা সহায় কৰি আমাক কৃতজ্ঞতাপাশে আবদ্ধ ৰাখিছে। এইসকলৰ সহায়-উৎসাহ নাপালে ৰাইজে আমাৰ অকিঞ্চিৎকৰ কাৰ্য্য দেখা নাপালেহেঁতেন।

এই পুথিখনি ছপাখানাত দিয়াৰ আগতে নলবাৰী সত্ৰাধিকাৰ পৰম পূজ্যপাদ **শ্ৰীল শ্ৰীযুক্ত প্ৰতাপচন্দ্ৰ গোস্বামী দেৱে** এবাৰ পঢ়ি মাজে মাজে কাট-কূট কৰি দিছিল; এই কাৰণে এইজনা উৎসাহদাতা জ্ঞানী-গুৰুৰে যাচি কৰা সহায়ৰ বাবে চিৰ-কৃতজ্ঞ থাকিলোঁ।

যোৰহাট<br>২০ মাঘ, ৪৭৯ শঙ্কৰাব্দ।

তৰ্পণ কৰোঁতা—<br>**শ্ৰীহৰিনাৰায়ণ দত্ত বৰুৱা**

---

## ২য় সংস্কৰণ

নানা কাৰণত **সটীক নাম-ঘোষাৰ** ২য় সংস্কৰণ উলিয়াবপৰা হোৱা নাছিল। **শ্ৰীমান কালিৰাম বৈশ্য,** অধ্যাপক **চন্দ্ৰধৰ বৰা, শ্ৰীমান নগেন্দ্ৰনাথ চৌধুৰী** আৰু **শ্ৰীযুত কৃষ্ণৰাম মেধি** ডাঙৰীয়াই পুথিখনি একোবাৰ চাই দিছিল, সেইবাবে তেওঁলোকক ধন্যবাদ জনালোঁ।

২৭।৬।৫২<br>নলবাৰী

বিনীত—<br>**শ্ৰীহৰিনাৰায়ণ দত্ত বৰুৱা**

সটীক

# নামঘোষা

## ভজন

যে মুক্তাৱপি নিস্পৃহাঃ প্ৰতিপদ প্ৰোন্মীলদানন্দদাং
যামাস্থায় সমস্তমস্তকমণিং কুৰ্ব্বন্তি যং সেৱনং ।
তান্ ভক্তানপি তাঞ্চ ভক্তমপি তং ভক্তপ্ৰিয়ং শ্ৰীহৰিং
ৱন্দে সন্তমৰ্থয়েহনুদিৱসং নিত্যং শৰণ্যং ভজে ॥

[ ১ ]

মুক্তিতো নিস্পৃহ যিটো সেহি ভকতক নমো
ৰসময়ী মাগোঁহো ভকতি ।
সমস্ত মস্তকমণি নিজ ভকতৰ বশ্য
ভজো হেন দেৱ যদুপতি ॥

নিস্পৃহ—আসক্তিশূন্য ।
ৰসময়ী—ৰসেৰে পৰিপূৰ্ণ ।
সমস্ত মস্তকমণি—সকলোৰে মস্তকৰ মণি স্বৰূপ, সৰ্ব্বশ্ৰেষ্ঠ ।

ভকতি—ভক্তি ; ই নবিধ—শ্ৰৱণ, কীৰ্ত্তন, অৰ্চ্চন, বন্দন, দাস্য, সখিত্ব, স্মৰণ, পদসেৱা আৰু আত্মনিবেদন।

মুক্তি—পাঁচবিধ। যেনে—সালোক্য, সামীপ্য, সাযুজ্য, সাৰূপ্য আৰু লীন বা নিৰ্ব্বাণ।

### মুক্তি সম্বন্ধে গীত।

(ৰাগ—বসন্ত)

মুকুতি নালাগে প্ৰভু তুৱা পদ বিনা।
যাৰ যেন মন প্ৰভু জানাহা আপুনা॥
সালোক্য নালাগে প্ৰভু একে লোকে বাসা।
সমান ঐশ্বৰ্য্যশালী নকৰোহ আশা॥
নালাগে সামীপ্য প্ৰভু নিকটত স্থিত।
সাৰূপ্য সমান ৰূপ নকৰো বাঞ্ছিত॥
সাযুজ্য আপোন মানি সুখ অভিপ্ৰায়।
চঞ্চল মুৰুখ মতি সনাতনে গায়॥

ইহলৌকিক আৰু পাৰলৌকিক সকলো প্ৰকাৰ সুখৰ হাত এৰাই সকলো অৱস্থাতে অবিচলিত ভাৱে থকা অৱস্থাকে মুক্তি বোলে। সকলো সাধকৰ এই মুক্তিয়েই চৰম লক্ষ্য ; মুক্ত হব পাৰিলেই সাধকৰ সকলো পুৰুষাৰ্থ সিদ্ধি হয়। আচলতে কবলৈ গলে এই মুক্তি সুখ-দুখৰ অতীত হোৱা এটা স্থুলবৎ অৱস্থা ; এই অৱস্থা পালে সাধক অৱশ্যে সকলো সময়তে অনুদ্বিগ্ন আৰু অবিচলিত থাকিব পাৰে ; কিন্তু জীৱৰ মুখ্য উদ্দেশ্য ৰস বা 'আনন্দ

উপভোগ কৰা নহবও পাৰে। সেইদেখি যিসকল একান্ত ভক্ত, তেওঁলোকে এনেকুৱা মুক্তিকো আকাঙ্ক্ষা নকৰে। তেওঁলোকে ভাৱে, ভক্তি হলে ৰস স্বৰূপ ভগৱানক ভজিলে মুক্তি আপুনি আহি লগ লব। ভক্তি ৰাণী, মুক্তি তাৰ দাস। শ্ৰুতিত কয়, "ৰসো বৈ সঃ"—ৰসেই ভগৱন্ত। গতিকে ৰসময় ভগৱন্তত ভক্তি অৰ্থাৎ প্ৰেম উপজিলে সাধক সদায় ৰস স্বৰূপ হৈ আনন্দ ভোগ কৰি থাকিব। যি সাধক পৰমেশ্বৰৰ প্ৰেমত মতলীয়া হৈ সদানন্দ স্বৰূপ হৈ থাকে, তেওঁ যে সকলো প্ৰকাৰ দুখৰ অতীত, তাক কবই নালাগে ; গতিকে ভক্তিৰ সাধন কৰি ভক্তি সিদ্ধ হলেই মুক্তি আপুনি দাসীৰ নিচিনা আহি লগ লয় অৰ্থাৎ ভক্তে সকলো প্ৰকাৰ দুখৰ অতীত হৈ সকলো অৱস্থাতে অবিচলিত থাকিব পৰা শক্তি লাভ কৰিব পাৰে। সেইদেখি যি সকল পৰমেশ্বৰৰ একান্ত ভক্ত, সিবিলাকে আচল তত্ত্ব বুজি মুক্তিৰ বাঞ্ছা নকৰি ভক্তিৰহে সাধন কৰে ; অৰ্থাৎ নিষ্কাম ৰসিক ভক্ত যি তেওঁক নমস্কাৰ কৰোঁ *।

কাৰো প্ৰতি পৰম অনুৰাগ বা পৰম প্ৰেমেই ভক্তি। ঈশ্বৰ ৰসস্বৰূপ, সকলো ৰসৰ আধাৰ ; গতিকে পৰমেশ্বৰৰ প্ৰতি জন্মা প্ৰেম বা ভক্তি ৰসময়ী হোৱাটো স্বাভাৱিক। মই সেই ৰসময়ী ভক্তি মাগোঁ বা প্ৰাৰ্থনা কৰোঁ। হে প্ৰভু পৰমেশ্বৰ, হে ৰসাধাৰ, মোক ৰসময়ী ভক্তি দান কৰি কৃতকৃত্য কৰা।

পৰমেশ্বৰ সকলোৰে মস্তক মণি, সকলোতকৈ ডাঙৰ ; অৰ্থাৎ সৰ্ব্বময়, সৰ্ব্বশক্তিমান, সৰ্ব্বকৰ্ত্তা, সৰ্ব্বাশ্ৰয়, সৰ্ব্বত্ৰ স্বাধীন। পৰমেশ্বৰ

* গ্ৰন্থৰ আৰম্ভতে গ্ৰন্থকাৰ মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱে গুৰু শ্ৰীমন্ত শঙ্কৰদেৱক মুক্তিত নিস্পৃহ ভক্ত বুলি বন্দনা কৰিছে।

সৰ্ব্বশক্তিমান, সৰ্ব্বত্র স্বাধীন আদি হলেও তেওঁ নিজ ভকতৰ বশ্য; অৰ্থাৎ পৰমেশ্বৰে একান্ত ভক্তৰ সকলো কামনা, সকলো প্ৰয়োজন সিদ্ধ কৰে, সকলো পাপ হৰণ কৰে। ভক্ত আৰু ভগৱান অভিন্ন; পৰমেশ্বৰৰ এই ভক্তাধীন ভাব লক্ষ্য কৰিয়েই ভক্তসকলে "গোপীৰ পাতেনি কান্ধত বহিলা হৰিএ" বুলি স্তুতি কৰে। সেই ভক্তাধীন ভগৱান পৰম দেৱতা যদুপতি বা কৃষ্ণক মই ভজনা কৰোঁ।

ঘোষাত পৰমেশ্বৰৰ আন নাম নিদি কৃষ্ণাৱতাৰসূচক যদুপতি নাম উল্লেখ কৰাৰো অৰ্থ আছে। পৰমেশ্বৰৰ শ্ৰীকৃষ্ণ অৱতাৰত ভক্তাধীন ভাব থাকিলেও কৃষ্ণাৱতাৰৰ নিচিনা পৰিস্ফুট নহয়। সেই কাৰণে মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱে ঘোষাত ঈশ্বৰৰ আন নাম নিদি কৃষ্ণ অৱতাৰসূচক "যদুপতি" নাম প্ৰয়োগ কৰিছে; আৰু ঘোষাত যদুপতি শব্দ প্ৰয়োগ কৰাৰপৰা ভক্তৰ উপাস্য যে সাকাৰ ভগৱান, তাকো ইঙ্গিত কৰিছে বা অৱতাৰ স্বীকাৰ কৰিছে।

এইদৰে প্ৰথম ঘোষাতেই সমস্ত ঘোষা শাস্ত্ৰৰ সাৰমৰ্ম্ম নিহিত আছে।

যন্নামধেয়েন ভৱাব্ধিং তৰ্য্যা সমুত্তীৰ্য্য নৰঃ পৰংপদং।
প্ৰাপ্নোতি পাতক্যপি তং সনাতনং সদা সদানন্দমুপাস্মহে হৃদি॥

[ ২ ]

যাৰ ৰাম-কৃষ্ণ নাম নাৱে ভৱসিন্ধু তৰি
পাৰে পৰম্পদ পাপী যত।
সদানন্দ সনাতন হেনয় কৃষ্ণক সদা
উপাসা কৰোহো হৃদয়ত॥

ভৱসিন্ধু তৰি—জন্ম-মৃত্যুৰ হাত সাৰি, মুক্তি লাভ কৰি।

পৰম্পদ—শ্ৰেষ্ঠপদ, বৈকুণ্ঠ, মুক্তি।

সনাতন—চিৰস্থায়ী, অনন্তকাল থাকা।

সদানন্দ—সৎ-আনন্দ; সদাকৰ্ত্তা সদাহৰ্ত্তা সদগতি; সদায় চলি থকা আনন্দ।

কৃষ্ণ— { কৃষ্—পৃথিৱী / ণ—আনন্দ } সকলো প্ৰকাৰ আনন্দ দিওঁতা।

নাৱেৰে সাগৰ পাৰ হোৱাৰ দৰে যাৰ ৰাম-কৃষ্ণ আদি নাম ৰূপ নাৱেৰে পাপীসকলে * সংসাৰ স্বৰূপ সাগৰ পাৰ হৈ পৰম্পদ লাভ কৰে, অৰ্থাৎ জন্ম-মৃত্যুৰ হাত সাৰি মুক্তি লাভ কৰে; তেনে আনন্দ স্বৰূপ চিৰকাল সকলোতে থকা, সকলো প্ৰকাৰ আনন্দ দিওঁতা পৰম ব্ৰহ্মক মোৰ হৃদয়-মন্দিৰত আৰাধনা বা সেৱা কৰোঁ।

বেদানুদ্ধৰতে জগন্তিং বহতে ভূগোলমুদ্বিভ্ৰতে।
দৈত্যান্ দাৰয়তে বলিং ছলয়তে ক্ষত্ৰক্ষয়ং কুৰ্ব্বতে॥
পৌলস্ত্যং জয়তে হলং কলয়তে কাৰুণ্যমাতন্বতে।
ম্লেচ্ছান্ মূৰ্চ্ছয়তে দশাকৃতি কৃতে কৃষ্ণায় তুভ্যং নমঃ॥

[ ৩ ]

মৎস্য কূৰ্ম্ম নৰসিংহ বামন পৰশুৰাম
হলীৰাম বৰাহ শ্ৰীৰাম।
বুদ্ধ কল্কী নামে দশ আকৃতি ধৰিছা কৃষ্ণ
তযু পাৱে কৰোহো প্ৰণাম॥

* ৰত্নাকৰ, অজামিল আদি পাপীসকলক ইঙ্গিত কৰিছে।

(১) ভগৱানে মৎস্যৰূপ ধৰি প্ৰলয় পয়োধি জলত নিমগ্ন হৈ থাকা বেদ উদ্ধাৰ কৰে।

(২) ভগৱানে কূৰ্ম্ম অৱতাৰ ধৰি সাগৰ মন্থনত দেৱতাসকলক সহায় কৰিছিল।

(৩) ভগৱানে বৰাহ অৱতাৰ ধৰি ডুবি থকা পৃথিৱী দাঁতেৰে ওপৰলৈ তুলিছিল আৰু হিৰণ্যাক্ষক বধ কৰিছিল।

(৪) হিৰণ্যকশিপুক বধ কৰিবলৈ ভগৱানে নৃসিংহ অৱতাৰ ধৰিছিল।

(৫) বলি ৰজাক ছলি দেৱতাৰ সহায়ৰ অৰ্থে ভগৱানে বামন অৱতাৰ ধৰিছিল।

(৬) ক্ষত্ৰিয়বিলাক অত্যাচাৰী হোৱাত সিবিলাকক ধ্বংস কৰিবলৈ পৰশুৰাম অৱতাৰ ধৰিছিল।

(৭) ৰাৱণক মাৰিবলৈ ভগৱানে শ্ৰীৰাম ৰূপে অৱতীৰ্ণ হৈছিল।

(৮) দ্বিবিদ আদি অসুৰক বধিবলৈ হলীৰাম অৱতাৰ হৈছিল।

(৯) জীৱহিংসা আঁতৰাবলৈ ভগৱান বুদ্ধৰূপে অৱতীৰ্ণ হয়।

(১০) ভগৱানে কলিকালৰ শেষত কল্কী ৰূপে অৱতীৰ্ণ হৈ সত্য-ধৰ্ম্ম প্ৰচাৰ কৰে।

[স্কন্দপুৰাণৰ মতে বিষ্ণুৰ দশ অৱতাৰ; কিন্তু মহা ভাগৱত পুৰাণৰ মতে চতুৰ্ব্বিংশতি অৱতাৰ। প্ৰভু শ্ৰীশঙ্কৰে "কীৰ্ত্তনত" এই চতুৰ্ব্বিংশতি অৱতাৰৰ কথা বৰ্ণাইছে। কিছুমান বৈজ্ঞানিক পণ্ডিতে মৎস্য (মাছ), কূৰ্ম্ম বৰাহ, নৰসিংহ (আধা মানুহ আধা সিংহ), বামন (বাওনা), পৰশুৰাম (হলধৰ), শ্ৰীৰাম (সৰ্ব্ব গুণান্বিত আৰু ন্যায়বন্ত ৰজা), হলীৰাম (দুষ্ট দমন কৰোঁতা), বুদ্ধ (দয়া ধৰ্ম্ম প্ৰচাৰ কৰোঁতা) আৰু কল্কী (ম্লেচ্ছ নিৰ্ম্মূল কৰোঁতা),

এই দহ অৱতাৰ বা উপৰি উক্ত চতুৰ্ব্বিংশতি অৱতাৰক প্ৰাণীৰ ক্ৰমোন্নতি বুলিও ঠাৱৰাব। গীতাৰ বিভূতি যোগৰপৰাও ভগৱান সকলোৰে সত্তা বুলি বুজিব পাৰি।]

হে প্ৰভু, তুমি মৎস্য, কূৰ্ম্ম, বৰাহ, নৰসিংহ, বামন, পৰশুৰাম, শ্ৰীৰাম, হলীৰাম, বুদ্ধ, কল্কী আদি ৰূপ ধৰি এই বিনন্দীয়া সৃষ্টি হৈছা বা তুমিয়েই এই পৃথিৱীৰ পাপ হৰণ কৰি সৃষ্টি ৰক্ষা কৰিছা; সেই অৱতাৰ ধৰোঁতা নিৰাকাৰ কৃষ্ণ তোমাৰ চৰণত মই প্ৰণাম কৰোঁ।

নাহং তিষ্ঠামি বৈকুণ্ঠে যোগীনাং হৃদয়ে ন চ।
মদ্ভক্তা যত্র গায়ন্তি তত্র তিষ্ঠামি নাৰদ॥

[ ৪ ]

একান্ত ভকত সবে নিৰ্গুণ কৃষ্ণৰ গুণ
গাৱে সদা বসিয়া যথাত।
বৈকুণ্ঠকো পৰিহৰি যোগীৰ হৃদয় এৰি
থাকা হৰি সাক্ষাতে তথাত॥

[ গুণ তিনটা—সত্ত্ব, ৰজ আৰু তম। সত্ত্ব গুণৰ প্ৰভাৱত মানুহৰ হৃদয় সত্য, ভক্তি, দয়া, ক্ষমা আদি গুণৰ আধাৰ হয়; গতিকে — গুণৰ প্ৰভাৱতে জগত প্ৰতিপালিত হৈছে বুলিব পাৰি।

ৰজ গুণৰ কাম হৈছে ইচ্ছা বা চেষ্টা। ইয়াৰ প্ৰভাৱত হিংসা, অহঙ্কাৰ, দম্ভ আদি ভাৱ উৎপন্ন হয়; গতিকে এই গুণৰ পৰাই জগত সৃষ্টি বা উৎপন্ন হৈছে।

তম গুণৰ প্ৰভাৱত এলেহুৱা আৰু মোহমগ্ন হয়; সেয়ে এই গুণে সৃষ্টিক ধ্বংসৰ পথলৈ নিয়ে বুলি ধৰিব পাৰি। ৰজগুণে ব্ৰহ্মা---তেওঁ সৃষ্টি কৰে, সত্ত্ব গুণে বিষ্ণু—তেওঁ সৃষ্টি পালন কৰে আৰু তম গুণে মহেশ্বৰ—তেওঁ সৃষ্টি সংহাৰ কৰে। এই নিৰাকাৰ নিৰ্ব্বিকাৰ ভগৱানৰ এই তিনিটা বিভিন্ন মূৰ্ত্তি ভগৱানৰ গুণবোৰৰ সৃষ্টি কৰোঁতা, সেয়ে কোনো গুণে তেওঁৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰে। এই কাৰণে ভগৱানক গুণাতীত বা নিৰ্গুণ বোলে *।

ভগৱান সৰ্ব্বত্ৰ বিৰাজিত, যেয়ে য'তে ভাবে, ত'তে তেওঁক পাব পাৰে; তথাপি বৈকুণ্ঠধাম বিষ্ণুৰ অৰ্থাৎ ভগৱানৰ প্ৰিয় ঠাই। যোগীসকলে নিজৰ হিয়াত ভগৱানক আৰাধনা কৰে, সেই কাৰণে যোগীৰ হৃদয়ো ঈশ্বৰৰ প্ৰিয় ঠাই বুলি উল্লিখিত হৈছে।]

মাক হেৰোৱা দামুৰিয়ে মাকক পাবলৈ হেমেলোৱাৰ দৰে একান্ত মনে ভগৱানক ভক্তি কৰোঁতা ভকতসকলে সত্ত্ব, ৰজ আৰু তমো গুণে পীড়িব নোৱাৰা সকলো গুণৰ আধাৰ ভগৱন্তক যি ঠাইতে বহি আৰাধনা নকৰক, বা তেওঁৰ গুণ-গান নকৰক, তেওঁ অকল তেওঁৰ সেই প্ৰিয় ঠাই বৈকুণ্ঠ আৰু যোগীৰ হৃদয়তে নাথাকি ভকতৰ হৃদয়তো দৰ্শন বা সাক্ষাত দিয়েহি; অৰ্থাৎ একান্ত মনে পৰমেশ্বৰৰ নাম ললে নিজৰ হৃদয়ত ভগৱানৰ সত্তা উপলব্ধি হয়।

[ প্ৰথমে গুৰুপদ সেৱা, তাৰ পাচত গুৰুৰ কৃপাত দেৱতাৰ পৰিচয়, দেৱতাৰ পৰিচয়ত দেৱৰ নাম শ্ৰৱণ-কীৰ্ত্তন, তাৰ ফলতে ভকুত প্ৰীতি জন্মে। ওপৰৰ ঘোষাৰ প্ৰথম ঘোষাৰে সমস্ত মস্তক

* গীতা—১৪শ অধ্যায়।

মণি অর্থাৎ সকলোতকৈ শ্ৰেষ্ঠ অথচ নিজ ভকতৰ বশ্য জগত— গুৰুক ভজন কৰিলে। দ্বিতীয় ঘোষাৰে কৃষ্ণ নামেৰে ভৱসাগৰ ত্ৰাণকৰ্ত্তা দেৱতাৰ উপাসনা কৰিলে, তৃতীয় ঘোষাৰে কৃষ্ণ নামৰ মহিমা ঘোষণা কৰি নামত শৰণ ললে আৰু ৪র্থ ঘোষাৰে একান্ত অৰ্থাৎ এক কৃষ্ণ শৰণীয়া ভকতৰ গুণ কীৰ্ত্তন কৰিলে। যেনে—

(১)

"শঙ্কৰদেৱেও পুনৰূপ দেখাইলন্ত।
নাম-ভক্ত-দেৱ-গুৰু চিনাই দিলন্ত॥"১৪৮৩

(২)

প্ৰথমতে মহন্তৰ সেৱা কৰিবেক।
শুদ্ধভাৱ দেখি তান কৃপা মিলিবেক॥
কহিবন্ত ধৰ্ম্ম ধৰিবেক শুদ্ধমতি।
হৰিকথা শ্ৰৱণত কৰি দৃঢ়মতি॥২১২৮
কৃষ্ণত হুইবেক প্ৰেম দৃঢ় ভক্তি জাত,
দেহ ব্যতিৰেকে আত্মা জানিবা সাক্ষাত॥
কৃষ্ণৰ পৰম কৃপা হইবে তান প্ৰতি।
সৰ্ব্বজ্ঞাত আদি গুণ জানিবা সম্প্ৰতি॥"২১২৯

ৰামচৰণ ঠাকুৰ— গুৰু-চৰিত।

অব্যক্তস্য কথং পূজা ব্যাপকে কিং বিসৰ্জ্জনম্।
অমূৰ্ত্তত্বাৎ কথং ধ্যানং নামমাত্ৰাৎ শুচিৰ্ভবেৎ॥

[ ৫ ]

অব্যক্ত ঈশ্বৰ হৰি কিমতে পূজিবা তাঙ্ক
ব্যাপকত কিবা বিসৰ্জ্জন।
এতাৰন্ত মূৰ্ত্তিশূন্য কেনমতে চিন্তিবাহা
ৰাম বুলি শুদ্ধ কৰা মন॥

অব্যক্ত—অপ্ৰকাশিত, লুকাই থকা, অতি সূক্ষ্ম, ব্ৰহ্ম।
ঈশ্বৰ—ঈশ (আধিপত্য বিস্তাৰ কৰা) শ্ৰেষ্ঠ, সকলোতকৈ বৰ, স্বামী।
হৰি—দুখ হৰণ কৰে যি, পৰমেশ্বৰ।
ব্যাপক—সৰ্ব্বত্ৰ বিৰাজমান।
কিবা বিসৰ্জ্জন—বিসৰ্জ্জন কেনেকৈ হব পাৰে ?

সৰ্ব্ব দুখ হৰণ কৰোঁতা সৰ্ব্বশ্ৰেষ্ঠ ভগৱান অতি সূক্ষ্ম বস্তু, তেওঁক স্থূল চকুৰে দেখা পোৱা নাযায়, হাতেৰে তেওঁক ধৰিব নোৱাৰি, তেওঁৰ বাক্যও কাণেদি শুনিবলৈ পোৱা নাযায়। আন পক্ষে আকৌ তেওঁ সৰ্ব্বব্যাপক; ব্ৰহ্মাণ্ডৰ যত বস্তু আছে, সকলোতে তেওঁ বিৰাজমান; এনে অতি সূক্ষ্ম, অথচ সকলোতে সদায় থাকা বস্তুক আহ্বান কৰি আনি পূজা কৰে। কেনেকৈ? আৰু তেওঁ সকলোতে সদায় থাকে যেতিয়া, পূজাৰ অন্তত বিসৰ্জ্জনী পদ গাই বিদায় বা দিওঁ কেনেকৈ? এনে বিশ্বজুৰি থাকা অতি সূক্ষ্ম বা আকাৰহীন ভগৱানক কেনেকৈ চিন্তা কৰোঁ বুলি আকুল হোৱাৰ আৱশ্যক নাই। ভগৱান চৈতন্যৰূপে তোমাৰ অন্তৰতো আছে যেতিয়া, তেওঁৰ নাম লোৱা—নাম লওঁতে লওঁতে তোমাৰ মন শুদ্ধ হলেই তুমি তেওঁক লাভ কৰিব পাৰিবা বা তেওঁৰ অস্তিত্ব তোমাৰ অন্তৰত বোধ হব।

তথা ন তে মাধৱ তাৱকাঃ ক্বচিৎ।
ভ্ৰশ্যন্তি মাৰ্গাৎ ত্বয়ি বদ্ধ সৌহৃদাঃ ॥
ত্বয়াভিগুপ্ত্যা বিচৰন্তি নিৰ্ভয়াঃ।
অনেক বৈনায়ক মূৰ্দ্ধসু প্ৰভো ॥

[ ৬ ]

**যিটো জনে শুদ্ধভাৱে হৰিত শৰণ লৈয়া**
**হৰিক সুহৃদ বুলি আছে।**
**হৰিৰ প্ৰসাদে সিটো বিঘ্নিৰ মুণ্ডত ভৰি**
**দিয়া হৰি গুণ গায়া নাচে ॥**

শুদ্ধ—পৱিত্ৰ, স্বাৰ্থ বা কামনাৰ চেকা নথকা।
শুদ্ধভাৱে—বিষয়ৰ ভাৱনা এৰি, অকপট ভাৱে।
সুহৃদ বুলি আছে—পৰম বন্ধু বুলি বিশ্বাস কৰে।
বিঘ্নি—আপদ, বাধা।

[ মন স্থিৰ কৰা টান—সি সদায় বিষয়ৰ নানা ভাৱনা লৈ নানা ফালে ধাৱিত হব খোজে। ] যিলোকে বিষয়ৰপৰা মন আনি একান্ত ভাৱে অকপট চিত্তে নিজৰ হিয়াত থকা ভগৱানৰ আশ্ৰয় লৈ তেওঁকে পৰম বন্ধু বুলি বিশ্বাস কৰে, তেওঁক ভগৱানে কৃপা কৰে; অৰ্থাৎ সেইজন লোকে সৰ্ব্বদুখহৰণকৰোঁতা ভগৱানক উপলব্ধি কৰি পৰম আনন্দ লাভ কৰিব পাৰে; ৰোগ, শোক, জৰা, মৃত্যু আদি সংসাৰৰ কোনো ভয়ে তেওঁৰ চিত্তৰ সেই আনন্দ হৰণ কৰিব নোৱাৰে।

হৃদিস্থোঽপ্যতি দূৰস্থঃ কৰ্ম্ম বিক্ষিপ্তচেতসাম্ ।
আত্মশক্তিভিৰগ্ৰাহ্যোপ্যন্ত্যপেতো গুণাত্মনাম্ ॥

[ ৭ ]

কৰ্ম্মত বিশ্বাস যাৰ হিয়াত থাকন্তে হৰি
অতিশয় দূৰ হন্ত তাৰ,
দূৰত বিদূৰ হন্ত তাৰ,
অহঙ্কাৰ থাকন্তেও সাক্ষাতে কৃষ্ণক পাৱে
শ্ৰৱণ-কীৰ্ত্তন ধৰ্ম্ম যাৰ ॥

কৰ্ম্ম—আগম আৰু দশকৰ্ম।
অহঙ্কাৰ—জীৱাত্মা।

আগম পথৰ দশকৰ্মৰ কামবোৰ সকাম কৰ্ম; এইবোৰ কৰ্ম কৰোঁতে পুৰুষৰ নিষ্কাম কৰ্মৰ জ্ঞান জন্মিব পাৰে; পাচত অনাসক্ত ভাৱে কৰ্ম কৰি জীৱে মুক্তি লাভ কৰিব পাৰে। এনে অৱস্থাত সেই ক্ৰিয়াকাণ্ড কৰিলেই গতি বা মুক্তি হয় বুলি যি বিশ্বাস কৰে, পৰমেশ্বৰ যদিও নিজৰ হিয়াত আছে, তথাপি সেই ক্ৰিয়াকাণ্ডই ভগৱৎ প্ৰাপ্তি নঘটায়, কিন্তু দ্বৈত মাৰ্গৰ ভক্তিৰে সহজতে ভগৱৎ প্ৰাপ্তি ঘটাব পাৰে, অৰ্থাৎ শ্ৰৱণ, কীৰ্ত্তন আদি নৱবিধ ভক্তিৰে ভক্তই কৃষ্ণৰ সাক্ষাত পায়।

অহঙ্কাৰ ৰক্ষা কৰি (ভক্ত আৰু ভগৱানক পৃথক ৰাখি) ভক্তি পন্থেৰে ভগৱৎ প্ৰাপ্তি হয়। ভক্তিপন্থ শুদ্ধ দ্বৈতবাদ; দ্বৈতবাদত ভক্ত আৰু ভগৱান চিৰকালেই পৃথক। ভক্তে সেৱ্য-সেৱক ভাৱ লৈ শ্ৰৱণ-কীৰ্ত্তন কৰি তেওঁক পাব পাৰে।

মধুৰং মধুৰমেতন্মঙ্গলং মঙ্গলানাং
সকলনিগমবল্লী সৎ ফলং চিৎস্বৰূপং ।
সকৃদপি পৰিগীতং শ্ৰদ্ধয়া হেলয়া বা
ভৃগুবৰঃ নৰমাত্ৰং তাৰয়েৎ কৃষ্ণনাম ॥

[ ৮ ]

সকল নিগম লতা তাৰ অবিনাশী ফল
কৃষ্ণ নাম চৈতন্য স্বৰূপ ।
সুমধুৰ সুমঙ্গল শ্ৰদ্ধায়ে হেলায়ে লৈয়া
নৰমাত্ৰ তৰে ভৱকূপ ॥

নিগম—বেদাদি শাস্ত্ৰ ।

চৈতন্য—চেতনা, সংজ্ঞা ।

কৃষ্ণনাম চৈতন্য স্বৰূপ—ব্ৰহ্ম স্বৰূপ কৃষ্ণ নাম অৰ্থাৎ ভগৱানৰ নামেই ব্ৰহ্ম, সচ্চিদানন্দ ।

ভৱকূপ—সংসাৰ ৰূপ গাঁত ; গাঁতৰপৰা উঠা যেনে কষ্টকৰ, সংসাৰৰ মায়ামোহ এৰাই মুক্তি লাভ কৰাও তেনে টান ।

[ বেদান্ত, উপনিষদ আদি নিগম শাস্ত্ৰবোৰ লতাৰ নিচিনা। লাউ-কোমোৰা আদি লতাবোৰে যিদৰে কিছুদূৰ বগাই ফল ধৰে, নিগম শাস্ত্ৰতো পৰমেশ্বৰৰ স্বৰূপ ঠিক কৰিবলৈ নানাৰূপ যুক্তি আদি দেখুৱাই শেষত "হৰিনামেই সত্য বা ব্ৰহ্ম" সিদ্ধান্ত কৰিছে । ] সেই নিমিত্তে লতাৰ নিচিনা নিগম শাস্ত্ৰবোৰৰ অক্ষয়, অব্যয় বা নিত্যফল হৈছে ব্ৰহ্মস্বৰূপ "কৃষ্ণ নাম" ।

কৃষ্ণ নাম যিমানে লোৱা যায়, সিমানে ভাল লাগে, সিমানে লবলৈ ইচ্ছা যায়; সেয়ে সি বৰ মিঠা। নাম ললে বা নামত ৰতি বহিলে সংসাৰৰ দুখ, বিপদ, ৰোগ, শোকে জীৱক পীড়া কৰিব নোৱাৰে; সেই কাৰণে তাক মঙ্গলদায়কো বোলা যায়। গতিকে বৰ মিঠা আৰু মঙ্গলদায়ক ভগৱন্তৰ নাম আগ্ৰহেৰে বা অনিচ্ছাত লৈ লৈ তাত ৰতি বহালে বা অভ্যাসত অহা কৰিলে দ গাঁতৰপৰা জৰীত ধৰি ওপৰলৈ উঠিব পৰাৰ দৰে সেই নামকে আশ্ৰয় কৰি সংসাৰৰপৰা মানুহ উদ্ধাৰ হব পাৰে; অৰ্থাৎ জন্ম-মৃত্যুৰ হাত সাৰিব বা মুক্তিলাভ কৰিব পাৰে।

স্নাতং তেন সমস্ততীৰ্থসলিলে দত্তা চ পৃথ্বীং দ্বিজে,
যজ্ঞানাঞ্চ হুতং সহস্ৰমযুতং দেৱাশ্চ সম্পূজিতাঃ।
সন্তপ্তেন সুতৰ্পিতাশ্চ পিতৰঃ স্বৰ্গঞ্চ নীতাঃ পুনঃ,
যস্য ব্ৰহ্ম বিচাৰণে ক্ষণমপি প্ৰাপ্নোতি ধৈৰ্য্যং মনঃ॥

[ ৯ ]

**যিটো জনে কৃষ্ণ কথা বিচাৰ সময় মনে**
**ধৈৰ্য্য ধৰি ক্ষণেক থাকয়।**
**যত তীৰ্থ স্নান দান দেৱ পিতৃ যজ্ঞ যাগ**
**যোগাদিৰো ফলক পাৱয়॥**

তীৰ্থ—পুণ্যক্ষেত্ৰ, পাপ মোচনৰ কাৰণে মানুহ যি ঠাইলৈ যায়। তীৰ্থ তিনি বিধ—মানস, জঙ্গম আৰু স্থাবৰ।

মানস তীৰ্থ—সত্য, ক্ষমা, দয়া, মদ, দান, ইন্দ্ৰিয়-নিগ্ৰহ, সৰলতা, সন্তোষ, ব্ৰহ্মচৰ্য্য, মিষ্টবাক্য, জ্ঞান, ধৈৰ্য্য, পুণ্য, মনশুদ্ধি।

জঙ্গমতীৰ্থ—নিৰ্ম্মলচিত্ত আৰু সৰ্ব্বকামপ্ৰদ ব্ৰাহ্মণসকল।

স্থাবৰ বা ভৌম তীৰ্থ—ভূমিৰ অদ্ভুত প্ৰভাৱত, পানীৰ গুণ আৰু মুনিসকলৰ দ্বাৰা সেৱিত হোৱাত পবিত্ৰ কাশী, গঙ্গা, পুষ্কৰাদি।

যোগ—জীৱাত্মা আৰু পৰমাত্মাৰ সংযোগ, ধ্যান। যোগ আঠ বিধ বা যোগৰ অঙ্গ আঠটা। যেনে—যম, নিয়ম, আসন, প্ৰাণায়াম, প্ৰত্যাহাৰ, ধ্যান, ধাৰণা আৰু সমাধি।

ভগৱানৰ কথা আলোচনা কৰোঁতে যি লোকে অলপ সময়ো স্থিৰ মনে থাকি বিশ্বাসেৰে তাক শুনিব পাৰে, সেই লোকে সংসাৰৰ মানস, জঙ্গম, স্থাবৰ আদি যিমান তীৰ্থ আছে, সকলো তীৰ্থত স্নান আৰু নিয়ম আদি পালন কৰাৰ ফল পায়; সৎ ব্ৰাহ্মণ, দুখী-দৰিদ্ৰক কৰা দানৰ ফল লাভ কৰে; দেৱতা আৰু পিতৃলোকৰ তৃপ্তিৰ অৰ্থে কৰা হোম, শ্ৰাদ্ধ আৰু নিজে প্ৰাণায়ামাদি সাধন কৰি কৰা যোগৰ ফলো তেওঁ পায়।

বিহায় সৰ্ব্বকৰ্ম্মাণি যে কুৰ্ব্বন্তি হৰৌ ৰতিং।
আস্ফোটয়ন্তি বল্গন্তি তেষাং পিতৃ-পিতামহৌ॥

[ ১০ ]

যাৰ পুত্ৰ সবে ঐত হৰিত শৰণ লৈয়া
হৰিগুণ গাৱে শুদ্ধ ভাৱে।
দধি দুগ্ধ ঘৃত মধু নদীৰ জলক পিয়া
পিতৃগণে তৃপিতিক পাৱে॥

[ হিন্দুৱে পিতৃ-পিতামহসকলৰ আত্মাৰ তৃপ্তিৰ নিমিত্তে দধি, দুগ্ধ, ঘিউ, মৌ আৰু পৱিত্ৰ তীৰ্থৰ জলেৰে পিণ্ড দান কৰে। ] পৰলোক-প্ৰাপ্ত পিতৃ-পিতামহসকলৰ যি সতি-সন্ততিয়ে এই পৃথিৱীত থাকি ভগৱানক আশ্ৰয় কৰি একান্ত মনে অকপট ভাৱে তেওঁৰ নাম-গুণ গায়, তাতেই পৰলোকত থকা পিতৃ-পিতামহৰ আত্মাই দধি, দুগ্ধ, ঘিউ, মৌৰে দিয়া পিণ্ড পাই তৃপ্তি পোৱাৰ দৰে সন্তোষ লাভ কৰে; সেই কাৰণে ভক্তিমাৰ্গৰ বৈষ্ণৱসকলে নাম-কীৰ্ত্তন কৰি বিষ্ণু প্ৰসাদেৰে পিতৃতৰ্পণ আদি কৰে।

তেনাধীতং শ্ৰুতং তেন তেন সৰ্ব্বমনুষ্ঠিতং।
যেনাশাং পৃষ্ঠতঃ কৃত্বা নৈৰাশ্যমৱলম্বিতম্॥

[ ১১ ]

**সেহিসে সকল শাস্ত্ৰ পঢ়িলে শুনিলে সি সি**
**অনুষ্ঠান সকলে কৰিল।**
**নিৰাশা ঈশ্বৰ কৃষ্ণ তাহাঙ্ক সমুখ ভৈলা**
**আশাক যিজনে পিঠি দিল॥**

সমুখ ভৈল—আগত ওলাল, দেখা দিলে, শৰণ ললে।
নিৰাশা ঈশ্বৰ কৃষ্ণ—নিৰাশা স্বৰূপ ঈশ্বৰ কৃষ্ণ; পৰমেশ্বৰ তিনি গুণৰ বাহিৰ; সেয়ে তেওঁক নিৰাশা বোলা যায়।

[ পৰমেশ্বৰৰ তত্ত্ব থকা পুথিৰ শেষ সিদ্ধান্ত হৈছে—নিষ্কাম ভাৱে ভগৱন্তক ভজা আৰু তাৰ ফলত মুক্তি লাভ কৰা। পুথি পঢ়া বা শুনা নাইবা সেইমতে চলা একে কথা; কিয়নো শাস্ত্ৰ পঢ়িলে বা

শুনিলে নাইবা সেইমতে চলিলে নিষ্কাম ভাৱে পৰমেশ্বৰক ভজনা কৰাৰ ফলত লোক তৰিব পাৰে।] যি মানুহে নিষ্কাম ভাৱে গুণাতীত ভগৱানত শৰণ লয়, তেওঁ ধৰ্ম্মতত্ত্ব সম্বন্ধীয় সকলো শাস্ত্র পঢ়ি আয়ত্ত্ব কৰাৰ দৰে হয়; অৰ্থাৎ সেইবোৰ শাস্ত্র শুনা আৰু সেইমতে চলাৰদৰে হয়।

অপৱিত্রঃ পৱিত্রো বা সৰ্ব্বাৱস্থাং গাতাঽপিবা।
যঃ স্মৰেৎ পুণ্ডৰীকাক্ষং স বাহ্যাভ্যন্তৰঃ শুচিঃ॥

[ ১২ ]

অপৱিত্র যিটো অতি পৱিত্র হোৱে বা যদি
সমস্ত অৱস্থা আছে পায়া।
কমললোচন যিটো স্মৰে তাৰেসে শুদ্ধ
বাহিৰে ভিতৰে হোৱে কায়া।

অপৱিত্র—অশুচি, অপৰিষ্কাৰ আৰু আচাৰভ্ৰষ্ট।
পৱিত্র—শুদ্ধ, গা ধুই নিকা কাপোৰ পিন্ধি ফুল চন্দন লোৱা, আচাৰ পালি চলা অৱস্থা।
অৱস্থা—দশা। দশা চাৰি প্ৰকাৰ—বাল্য, কৌমাৰ, যুবা আৰু বাৰ্দ্ধক্য।
আছে পায়া—পাইছে অৰ্থাৎ পাই গৈছে।
কমল-লোচন—(লোচন কমল সদৃশ, অৰ্থাৎ পদ্ম ফুলৰ পাহিৰ চিন থকা চকু) ঈশ্বৰ। ভক্তই সাকাৰ ভাৱে ঈশ্বৰক চিন্তাকৰোঁতে তেওঁৰ চকু কমল লোচন বুলি ধাৰণা কৰে; আৰু সেই চকুৰপৰা অনন্ত জ্যোতি বিস্তাৰিত হোৱা বুলি কল্পনা কৰে।

যি মানুহ অশুচি, ধৰ্ম্মৰ আচাৰ নিয়ম আদি মানি নচলে আৰু যদি কোনোবা অতি সদাচাৰী হয় আৰু যদি সেই সদাচাৰ ৰক্ষা কৰি তেওঁ বাল্য, কৌমাৰ, যুবা আৰু বাৰ্দ্ধক্য সকলো অৱস্থা পাৰ হয়, তথাপি তাৰে তেওঁ শুদ্ধ হব নোৱাৰে। যি লোকে সৰ্ব্ব জ্যোতিৰ মূল কমল-লোচনক অৰ্থাৎ ভগৱানক স্মৰণ কৰে, তেওঁৰহে অন্তৰ বাহিৰ সকলো শুদ্ধ হয়।

[আচাৰ মানি চলিলে পৱিত্ৰ হয়, নামানিলে অপৱিত্ৰ হয়, ই কেৱল বাহ্যিক। ভগৱানক একান্ত মনে ভাবিব পাৰিলেহে মানুহৰ অন্তৰ পৱিত্ৰ হয়; অকল আচাৰ মানি চলি থাকিলে মানুহৰ অন্তৰ পৱিত্ৰ হব নোৱাৰে। আচাৰে মানুহক ঈশ্বৰ চিন্তাত আগ-বঢ়াই দিয়ে মাত্ৰ।]

অহো হি লোকে চতুৰো পৰে যে পাপস্য পুণ্যস্য নিদানভূতে।
উচ্চাৰণাদেৱ মুনীন্দ্ৰ মুখ্যা নাৰায়ণ নাম তথাৰ্থবাদঃ ॥

[ ১৩ ]

সেহিসে চতুৰ সিটো পুণ্যৰ নিদানভূত
নাৰায়ণ নামক সুমৰে।
অচতুৰ সিটো অতি পাপৰ নিদানভূত
নামে অৰ্থবাদ যিটো কৰে।

নাৰায়ণ—নাৰা (পানী) অয়ন (আশ্ৰয়) পানী যাৰ আশ্ৰয়। পৰমেশ্বৰে প্ৰথমতে পানী সৃষ্টি কৰি তাত প্ৰকাশিত হৈ আছিল; তাৰ পাচতহে প্ৰাণীৰ সৃষ্টি হয়—সেয়ে নাৰায়ণ অৰ্থে আদি পুৰুষ ব্ৰহ্মা।

চতুৰ—নিপুণ, বুধিয়ক, জ্ঞানী।

নিদান—কাৰণ।

পুণ্যৰ নিদানভূত—পুণ্যৰ কাৰণে জন্মা।

পুণ্য—সুকৃতি, পৰলোকত সদ্গতি পোৱা কাম।

পুণ্যৰ নিদানভূত নাৰায়ণ নাম—সুকৰ্ম্ম কৰোঁতে কৰোঁতে জন্মা পুণ্য-লাভৰ উপায় স্বৰূপ ভগৱন্তৰ নাম।

অৰ্থবাদ—অৰ্থ লৈ তৰ্ক, অৰ্থ বিচাৰ, কোনো কথাৰ অৰ্থত আপত্তি কৰি আন অৰ্থ, কৰা।

পাপৰ নিদানভূত নামে অৰ্থবাদ—নানা বেয়া কাম কৰাৰ ফলত, নামৰ অৰ্থ লৈ কৰা তৰ্কবাদ। নামত অৰ্থবাদ কৰিলে পাপ জন্মে, সেই কাৰণে নামৰ অৰ্থবাদ কৰাটো পাপৰ কাৰণ বুলি কৈছে।

[ নানা প্ৰকাৰ সৎকৰ্ম্ম কৰোঁতে কৰোঁতেহে লোকে আদি পুৰুষ ভগৱানৰ নাম অকপটে স্মৰণ কৰিব পাৰে; আৰু যিবিলাক মানুহে নানাবিধ কুকৰ্ম্ম কৰে, সেইবিলাকে ভগৱানৰ নামৰ অৰ্থত নানা আসোঁৱাহ উলিয়াই তৰ্ক কৰে। এই কাৰণে আগৰ বিধ লোকক চতুৰ আৰু পাচৰ বিধক অচতুৰ বোলা যায়। ] যি লোকে অশেষ সুকৃতিৰ ফল স্বৰূপ নাৰায়ণ নাম স্মৰণ কৰে, সেয়েহে বুধিয়ক বা জ্ঞানী; তেওঁৰেই মনুষ্য জন্ম সাৰ্থক। যি মানুহে নানা কুকৰ্ম্মৰ ফল স্বৰূপ নামৰ অৰ্থ লৈ তৰ্ক-বিতৰ্ক কৰি সময় কটায়, সি অজ্ঞান বা হীনবুদ্ধিৰ লোক; অৰ্থাৎ দুষ্কৰ্ম্মৰ ফলতহে "নাম ললে নো কি হব, অমুক নামৰ অৰ্থ দেখোঁ অমুকটোহে, ই নো মানুহৰ কি হিত সাধিব ?" ইত্যাদি ভাৱবোৰ জন্মে, গতিকে এইবিলাক লোকক জ্ঞানী বুলিব নোৱাৰি।

ৰকাৰাদীনি নামানি শৃণ্বতো মম পাৰ্ব্বতি।
মনঃ প্ৰসন্নতামেতি ৰামনামাভিশঙ্কয়া ॥

[ ১৪ ]

**মহেশে বোলন্ত মোৰ ৰকাৰাদি নাম শুনি**
**পৰম প্ৰসন্ন হোৱে মন।**
**শুনিয়ো পাৰ্ব্বতী মই মনত শঙ্কায়ো ৰঙ্গে**
**ৰাম বুলিবেক ইটো জন ॥**

শঙ্কায়ো—( সংস্কৃত মূল "অভিশঙ্কয়া )=শঙ্কা কৰোঁ অৰ্থাৎ আশা-কৰোঁ।

[ বাৰজন বৈষ্ণৱৰ ভিতৰত সদাশিৱ এজন। সদাশিৱে এসময়ত তেওঁৰ ভাৰ্য্যা পাৰ্ব্বতীৰ আগত কৈছিল :—] পৰ্ব্বতী, ৰকাৰ আগত থকা শব্দৰ 'ৰ' শুনিলেই মোৰ মনত বৰ আনন্দ লাগে, কিয়নো সেই সময়ত মোৰ এনে আশা হয়, যেন ৰকাৰ উচ্চাৰণ কৰা মানুহে "ৰাম" হে বুলিব ; অৰ্থাৎ ৰকাৰ আদিতে থকা পৰমেশ্বৰৰ ৰাম আদি নাম মোৰ এনে আনন্দদায়ক, যে গোটেই শব্দটো নালাগে তাৰ অংশ কেৱল "ৰকাৰ" শুনিলেই ৰাম বুলিব বুলি মোৰ মন আনন্দত নাচি উঠে।

প্ৰবিষ্টঃ কৰ্ণৰন্ধ্ৰেণ স্বানাং ভাব সৰোৰুহং ;
ধূনোতি শমলং কৃষ্ণঃ সলিলস্য যথা শৰৎ ॥

[ ১৫ ]

কর্ণপথে ভকতৰ হিয়াত প্ৰবেশি হৰি
দুৰ্ব্বাসনা হৰে সমস্তয় ।
জলৰ যতেক মল যেহেন শৰৎ কালে
স্বভাৱতে নিৰ্ম্মল হোৱয় ॥

ভকত—অনুৰক্ত, সেৱক, দেৱতাৰ উপাসক, ভগৱন্তক ভজনা কৰোঁতা।
বাসনা—কামনা, ইচ্ছা, কল্পনা।
দুৰ্ব্বাসনা—আত্মজ্ঞান বিৰোধী ভাৱ; বিষয়-বাসনা।
হৰি—মানুহৰ শোক, দুখ হৰণ কৰোঁতা।

মানুহৰ হৃদয় জলৰ দৰে স্বচ্চ; কিন্তু গ্ৰীষ্ম, বৰ্ষা আদি ঋতুত পানীৰ যিদৰে স্বচ্চতা গুচে আৰু শৰত কালত পানী আপোনা-আপুনি স্বচ্চ হৈ উঠে, সেইদৰে মানুহৰ নিৰ্ম্মল হৃদয়ো কু-প্ৰবৃত্তিয়ে মলযুক্ত কৰে; একান্ত ভকতসকলে শ্ৰদ্ধাৰ সৈতে ভগৱানৰ গুণ-চৰিত্ৰ শুনিলে অৰ্থাৎ জীৱৰ ভগৱানত ভক্তি জন্মিলে, ভগৱান কাণেৰে সোমাই অন্তৰ পোৱাৰ দৰে, সেই হৰিকথাই ভক্তৰ হিয়াৰ কু-প্ৰবৃত্তি-বোৰ নাশ কৰে, অৰ্থাৎ হৰিত ভক্তি জন্মিলে শৰৎ কালত জল নিৰ্ম্মল হোৱাৰদৰে অন্তৰৰ বেয়া ভাব আপোনা-আপুনি আঁতৰি যায়, বিষয় ভাৱে তেওঁক আকুল কৰিব নোৱাৰে।

যমূৰ্দ্ধীশ্চ সদা নাথো মহেশোঽপি দিগম্বৰঃ।
জটিলো ভস্ম লিপ্তাঙ্গ স্তপস্বী বীক্ষ্যতে জনৈঃ।
ততোঽধিকোঽস্তি কো দেৱো লক্ষ্মীকান্ত মধুদ্বিষঃ ॥

[ ১৬ ]

হুয়া দেৱ দিগম্বৰ ভস্মে বিভূষিত অঙ্গ
শিৰত ধৰিয়া জটা ভাৰ ।
মহেশে সেৱন্ত যাক হেন হৰি বিনে আন
কোন শ্রেষ্ঠ দেৱ আছে আৰ ॥

দিগম্বৰ—দিক্‌ৰূপ অম্বৰ, বিবস্ত্র, উলঙ্গ, দশোদিকে হৈছে যাৰ কাপোৰ, মহাদেৱ।

মহেশ—সদাশিৱ।

[ সদাশিৱ সৰ্ব্বত্যাগী দেৱ, তেওঁ ভগৱানক ভাবোঁতে ভাবোঁতে তেওঁৰ ভক্তি ইমান চৰম সীমা পাইছিল, যে তেওঁ দিগম্বৰ দেৱতা হৈছিল, অঙ্গ ভস্মেৰে বিভূষিত হৈছিল আৰু তেওঁৰ মূৰৰ চুলি জটাজুট হৈছিল। ] সদাশিৱে সকলোকে ত্যাগ কৰি উলঙ্গ হৈ শৰীৰত ছাই ঘঁহি মূৰত জটা লৈ যি হৰিক ভক্তি কৰিছিল, সেই সৰ্ব্বদেৱ পূজ্য হৰিৰ বাহিৰে আৰু কোন শ্রেষ্ঠ দেৱতা আছে? অৰ্থাৎ হৰিয়েই ঈশ্বৰ, তেওঁতকৈ বৰ কোনো নাই।

ব্রহ্মাদয়ো বহুতিথং যদপাঙ্গমোক্ষকামস্তপঃ সমাচৰণ্ ভগৱৎপ্রপন্নাঃ।
সাশ্রীঃ স্বৱাসমৰবিন্দবনং বিহায়, যৎপাদ সৌৰভমলং ভজতেঽনুৰক্তা ॥

[ ১৭ ]

ব্রহ্মা আদি দেৱগণে নিশ্চল সম্পত্তি মনে
লক্ষ্মীক সেৱন্ত তপ কৰি ।

লক্ষ্মীয়ো সেৱন্ত যাক হেন মহেশ্বৰ বিষ্ণু
আন কোন দেৱ তাঙ্ক সৰি ॥

নিশ্চল—অচল, সদায় থাকা। মহেশ্বৰ—সবাতকৈ বৰ।

[ সৃষ্টিৰ ভিন ভিন শক্তিক বেলেগ বেলেগ নাম দি হিন্দুৱে পূজা কৰে, এইবোৰেই হিন্দুৰ দেৱতা। এই ব্ৰহ্মা, ইন্দ্ৰ, বায়ু, বৰুণ আদি দেৱতাসকলক ত্ৰিগুণী বুলি আমি ভাবোঁ।

লক্ষ্মীক হিন্দুৱে সৌভাগ্য-দেৱী বা বিষ্ণুৰ ভাৰ্য্যা বুলি কল্পনা কৰে। লক্ষ্মী ত্ৰিগুণী ; তেওঁৰ গাত সত্ত্ব আৰু ৰজগুণ আছে বুলি ভাবা যায়। পুৰাণত এটা গল্প আছে, যে এসময়ত ইন্দ্ৰৰ ওপৰত দুৰ্ব্বাসাৰ কোপ হোৱাত ত্ৰৈলোক্যৰপৰা লক্ষ্মী আঁতৰি গৈ সমুদ্ৰৰ গৰ্ভত আশ্ৰয় লয়। পাচত দেৱতাসকলে সমুদ্ৰ মন্থন কৰাতহে লক্ষ্মী সমুদ্ৰৰপৰা উঠে। ] ব্ৰহ্মা আদি দেৱতাসকলে অচলা-লক্ষ্মী কামনা কৰি সৌভাগ্য-দেৱী লক্ষ্মীক আৰাধনা কৰে, এনে ব্ৰহ্মা আদি দেৱতাসকলৰ আৰাধনা লক্ষ্মীয়েও স্বামী বুলি যাক সেৱা কৰে, বিষ্ণু এনে হেন সকলোতকৈ ডাঙৰ দেৱতা ; তেওঁৰ সমান আন কোনো ডাঙৰ দেৱতা নাই। অৰ্থাৎ সকলো শক্তিৰ বিকাশেই সৌন্দৰ্য্য বা শ্ৰী আৰু এই শ্ৰীৰ কাৰণ হৈছে অনাদি কাৰণ ত্ৰিগুণাতীত বিষ্ণু বা ভগৱান, তেঁৱেই অদ্বিতীয় ; তেওঁৰ সমান কোনো নাই।

সৰ্ব্ববেদান্ত সাৰং হি শ্ৰীভাগৱতমুচ্যতে।
তদ্ৰসামৃততৃপ্তস্য নান্যত্ৰ স্যাদ্ৰতিঃ কচিৎ ॥

[ ১৮ ]

সমস্ত বেদান্ত সাৰ শ্ৰীভাগৱত শাস্ত্ৰ
ইহাৰ অমৃত ৰস পাই।
পৰম সন্তোষে পান কৰিলে যি জনে তাৰ
অন্যত্ৰ ৰসত ৰতি নাই॥

[ ঋক্, যজুঃ, সাম আৰু অথৰ্ব্ব হিন্দুৰ এই চাৰি বেদ। কৃষ্ণ দ্বৈপায়ণ ব্যাসে বেদৰ মূল বস্তু ব্ৰহ্মক লৈ ব্ৰহ্মৰ স্বৰূপ নিৰ্ণয় কৰি বেদান্ত শাস্ত্ৰ ৰচনা কৰে। বেদান্ত কঠিন দৰ্শন শাস্ত্ৰ; সৰ্ব্ব সাধাৰণৰ সি বোধগম্য নহয়। সেয়ে এই বেদান্তৰ সাৰভাগ অৰ্থাৎ পৰমেশ্বৰ এজনহে, এওঁক মাত্ৰ নিষ্কাম ভাৱে সেৱা-পূজা কৰিব লাগে, ইয়াক দেখুৱাই শেষত মহাভাগৱত পুৰাণ ব্যাসদেৱে ৰচনা কৰে। ] মহা-ভাগৱত পুৰাণ গোটেই বেদান্তৰে সাৰভাগ, যি লোকে এই শাস্ত্ৰ পঢ়ি বা শুনি তাৰ আস্বাদ লব পাৰিছে, অৰ্থাৎ এই শাস্ত্ৰত থকা এক দেৱক বিশ্বাস কৰি তেওঁৰ সেৱাত মন লগাব পাৰিছে, তেওঁ সেই ৰসতে মগ্ন থাকে; সেই এক দেৱ সেৱা ৰস এৰি, বহুত দেৱ-দেৱীৰ পূজা-সেৱাৰ বিধান থকা অন্য শাস্ত্ৰ পঢ়িবলৈ বা শুনিবলৈ ইচ্ছা তেওঁ নকৰে।

ভক্তিং লব্ধৱতঃ সাধোঃ কিমন্যদৱশিষ্যতে।
পিত্বা পীয়ূষমমৃতং পাতব্যং নাৱশিষ্যতে॥

[ ১৯ ]

মহা ভাগৱত ৰস মাধৱৰ নাম যশ
আৰু পান কৰিল যিজনে।

কৃষ্ণৰ চৰণে চিত্ত দিয়া মোক্ষ আদি ৰসে
ৰতি আন নকৰয় মনে ॥

কৃষ্ণৰ চৰণে চিত্ত দিয়া—ভগৱানৰ ওচৰত মন লগাই বা ভগৱানক থিৰ কৰি ধৰি।

ৰতি আন নকৰয় মনে—অন্য ইচ্ছা নকৰে।

যশ—মাহাত্ম্য।

[পৰমেশ্বৰৰ নাম-গুণেই ভাগৱত শাস্ত্ৰ ভৰা; ভাগৱত শাস্ত্ৰ পঢ়িলে পৰমেশ্বৰৰ নাম গুণৰ মাহাত্ম্য বুজিব পাৰি।] ভগৱানৰ নাম-মাহাত্ম্যই মহাভাগৱত পুৰাণৰ সাৰ বস্তু। যি মানুহে এই ভাগৱতত গুণ বৰ্ণোৱা ভগৱানৰ নাম ৰস পান কৰে, অৰ্থাৎ একান্ত মনে নাম লওঁতে লওঁতে যাৰ নামত ৰতি জন্মে, সেই মানুহে ভগৱানকে ঠিক কৰি ধৰি ভক্তিৰস পান কৰি থাকে বা ভক্তিতে মজি থাকে, তেওঁ আৰু মুক্তি আদি অন্য কামনা নকৰে বা কোনো কামনা তেওঁৰ মনলৈ নাহে।

অহো বাঢ়ং! হৰেৰ্ন্নাম কীৰ্ত্তয়ন্তি চ যে নৰাঃ।
নিষ্কামো বা সকামো বা ন কলিৰ্ব্বাধতে ক্বচিৎ ॥

[২০]

কৃষ্ণৰ নামক সদা কীৰ্ত্তন কৰয় যিটো
মনে দৃঢ় কৰিয়া নিশ্চয়।
নিষ্কাম হোক বা যদি সকাম হোৱয় তাক
কদাচিতো কলি নবাধয় ॥

কলি—মিছা, বেশ্যা, নিদ্রা, প্ৰমাদ, হিংসা, শোক, মোহ, ভয়, দৈন্য এইবোৰ কলিৰ দোষ বা স্বভাৱ।

মনে দৃঢ় কৰিয়া নিশ্চয়—মনত সাৰ কৰি।

ভগৱানৰ নাম-কীৰ্ত্তন কৰিলেই সকলো সিদ্ধি হয় বুলি, যি লোকে মনত নিশ্চয় কৰি লৈ তেওঁৰ নাম সদায় কীৰ্ত্তন কৰে, সেই কীৰ্ত্তন সকাম ভাৱেই হওক বা নিষ্কাম ভাৱেই হওক, ত'ক কলিৰ দোষবোৰে কেতিয়াও বাধা দিব নোৱাৰে; অৰ্থাৎ যি মানুহে দৃঢ় চিত্তে পৰমেশ্বৰকে স্থিৰ কৰি মুক্তি আদি পাবৰ আশাৰে সকাম ভাৱে হওক বা আত্মতৃপ্তিৰ বাবে নিষ্কাম ভাৱেই হওক, সদায় পৰমেশ্বৰৰ গুণ-কীৰ্ত্তন কৰে, সেই মানুহক মিছা, বেশ্যা, শোক, ভয়, হিংসা আদি কলিৰ দোষবোৰে হৰি-কীৰ্ত্তনৰপৰা নিবৃত্ত কৰাব নোৱাৰে—কলিৰ দোষবোৰ তেওঁৰ ওচৰ চাপিব নোৱাৰে।

কিং বৰ্ণয়ে তব বিভো যদুদীৰিতা স্যুঃ।
সংস্পন্দতে তমসু বাঙ্মন ইন্দ্ৰিয়াণি॥

[ ২১ ]

চাণ্ডাল পৰ্য্যন্ত কৰি জগতৰ উপকাৰী
নাহি নাম গুণ বিনে আন।
সেহিসে কাৰণে হৰি নিজ যশ প্ৰিয় ভৈল
ভগৱন্ত ভকতৰ প্ৰাণ॥

জগতৰ—জগতৰ সকলো লোকৰ।

ভগৱন্ত—জ্ঞানাদি ষড়ৈশ্বৰ্য্যশালী; বিশ্বপতি।

নিজ যশ প্ৰিয় ভৈল - নিজৰ গুণ-গান শুনি ভাল পোৱা হল।

নিজৰ গুণ-গান, স্বাৰ্থ ভাল পোৱাটো নিম্ন-স্তৰৰ লোকৰ এটা সাধাৰণ বৃত্তি; ভগৱানে ভক্তৰ প্ৰতি দয়াশীল হৈ নিজযশপ্ৰিয়তা ৰূপ সাধাৰণ বৃত্তিকো ধাৰণ কৰিছে।

প্ৰাণ—শৰীৰৰ সাৰ বস্তু।

[ আকাশৰপৰা বায়ু, বায়ুৰপৰা তেজ, তেজৰপৰা জল আৰু জলৰ পৰা পৃথিৱীৰ উৎপত্তি হৈছে। অস্থি, মাংস, নখ, চাল আৰু লোম এই পাঁচটা পৃথিৱীৰ গুণ। শুক্ৰ, শোণিত, মজ্জা, মল আৰু মূত্ৰ এই পাঁচটা পানীৰ গুণ। টোপনি, ভোক, পিয়াহ, ক্লান্তি আৰু এলাহ এই পাঁচটা তেজৰ গুণ। ধাৰণ, চলন, ক্ষেপন, সঙ্কোচ আৰু প্ৰসাৰণ বা বিস্তাৰ এই পাঁচোটা বায়ুৰ গুণ। কাম, ক্ৰোধ, লোভ, মোহ আৰু লাজ এই পাঁচটা আকাশৰ গুণ। আকাশাদি সূক্ষ্ম পঞ্চভূতৰ সত্ত্ব গুণৰপৰাই অন্তঃকৰণৰ উৎপত্তি। সেই অন্তঃকৰণ বৃত্তি ভেদে দুই প্ৰকাৰ—মন আৰু বুদ্ধি। সংশয়াত্মক বৃত্তিৰ নাম মন আৰু নিশ্চয়াত্মিকা বৃত্তিৰ নাম বুদ্ধি আকাশৰ সত্ত্ব গুণৰপৰা কাণ, বায়ুৰ সত্ত্ব গুণৰপৰা চাল, তেজৰ সত্ত্ব গুণৰপৰা চকু, জলৰ সত্ত্ব গুণৰপৰা জিভা আৰু পৃথিৱীৰ সত্ত্ব গুণৰপৰা ঘ্ৰাণেন্দ্ৰিয় উৎপন্ন হৈছে। আকাশৰ ৰজো গুণৰপৰা বাক্য, বায়ুৰ ৰজো গুণৰপৰা হাত, তেজৰ ৰজো গুণৰপৰা পদ, জলৰ ৰজো গুণৰপৰা পায়ু আৰু পৃথিৱীৰ ৰজো-গুণৰপৰা উপস্থ ইন্দ্ৰিয়ৰ উৎপন্ন হৈছে। ওপৰত উল্লেখ কৰা পঞ্চভূত-সমূহৰ ৰজো গুণৰপৰাই প্ৰাণৰ উৎপত্তি। প্ৰাণ বৃত্তি ভেদে পাঁচ প্ৰকাৰ :—প্ৰাণ, অপান, সমান, উদান আৰু ব্যান। নাকত থকা বায়ুক প্ৰাণ, পায়ুত থকা বায়ুক অপান, উদৰত থকা বায়ুক সমান, কণ্ঠত থকা বায়ুক উদান আৰু সমস্ত শৰীৰ ব্যাপি থকা বায়ুক ব্যান বোলা যায়। ]

সদাচাৰী ব্ৰাহ্মণৰপৰা কদাচাৰী চণ্ডাললৈকে যিমান প্ৰকৃতিৰ মানুহ আছে, সকলোৰে পক্ষে ভগৱানৰ নাম-গুণ কীৰ্ত্তনৰ বাহিৰে আন একো উপকাৰী বস্তু নাই; অৰ্থাৎ পৰমেশ্বৰৰ নাম-গুণে যিদৰে সকলো শ্ৰেণীৰ লোকক পৱিত্ৰ কৰে, আন একোৱে কাকো তেনেকৈ পৱিত্ৰ কৰিব নোৱাৰে; সেই কাৰণেই ঈশ্বৰে নিজৰ গুণ-কীৰ্ত্তন শুনিলে ভাল পায়, অৰ্থাৎ একান্ত মনে নাম লওঁতাক তেওঁ দেখা দিয়ে; আৰু ভক্তৰ মনত ভগৱন্ত প্ৰাণ-স্বৰূপ; অৰ্থাৎ পঞ্চভূতৰপৰা উৎপন্ন হোৱা প্ৰাণ দেহৰ ভিতৰত থকাৰদৰে ভক্তে ভগৱানক নিজৰ দেহৰ ভিতৰত থকা উপলব্ধি কৰে (ভগৱানৰ ভাৱত তন্ময় থাকে)।

স্পন্দতি বৈ তনুভৃতামজ সৰ্ব্বয়োশ্চ।
স্বস্থাপ্যথাপি ভজতামসি ভাৱবন্ধু ॥
(২২—২৩)

[২২]

যিহেতু চৈতন্যপূৰ্ণ পৰমাত্মা ৰূপে হৰি
হৃদয়ত আছন্ত প্ৰকাশি।
তাতেসে ইন্দ্ৰিয়গণ ভূত প্ৰাণ বুদ্ধি মন
প্ৰৱৰ্ত্তে যতেক জড়ৰাশি ॥

ইন্দ্ৰিয়গণ—কৰ্ম্মেন্দ্ৰিয় আৰু জ্ঞানেন্দ্ৰিয়। কৰ্ম্মেন্দ্ৰিয়—হাত, ভৰি, মুখ, শৌচদ্বাৰ আৰু মূত্ৰদ্বাৰ। জ্ঞানেন্দ্ৰিয়—চকু, কাণ, নাক, জিভা আৰু চাল।

ভূত—মাটি, পানী, বায়ু, তাপ আৰু আকাশ।

**শৰীৰৰ গঠন এনেকুৱা ঃ—**

পঞ্চভূত [ ক্ষিতি, অপ, তেজ, মৰুৎ, ব্যোম। ]

পঞ্চতন্মাত্ৰ [ গন্ধ, ৰস, ৰূপ, স্পৰ্শ, শব্দ। ]

পঞ্চ কৰ্ম্মেন্দ্ৰিয় [ বাক্, পাণি, পাদ পায়ু, উপস্থ ]

পঞ্চ জ্ঞানেন্দ্ৰিয় [চকু, কাণ, নাক, জিভা, ছাল ]

মন

বুদ্ধি

অহঙ্কাৰ ( জীৱ )

প্ৰকৃতি

পুৰুষ ( জীৱাত্মা )

ওপৰৰ ঘোষাত বুদ্ধিৰ লগত অহঙ্কাৰ ধৰিছে ; আৰু জীৱাত্মাকে প্ৰাণ বুলিছে।

[ সূৰ্য্যৰ পোহৰ নপৰিলে যিদৰে প্ৰকাশ নাই, সেইদৰে পৰমাত্মাৰ অভাৱত জীৱৰ চৈতন্য নাই—প্ৰাণ, মন, অহঙ্কাৰ, বুদ্ধি, পঞ্চভূত আদি সকলো জড় ; পৰমাত্মাইহে এইবোৰৰ চৈতন্য সম্পাদন কৰে। পৰমাত্মাই সকলোৰে মূল। তাৰ পৰাই সকলোৰে উদ্ভৱ হৈছে আৰু তেৱেঁই সকলোকে চলাইছে। ] ভগৱান চৈতন্যপূৰ্ণ ; তেওঁ পৰমাত্মাৰূপে আমাৰ হৃদয় প্ৰকাশ কৰি আছে, অৰ্থাৎ তেওঁ বিশ্ব চৰাচৰ পৰিব্যাপ্ত হোৱাৰ লগে লগে আমাৰ শৰীৰৰ ভিতৰত থকাত আমাৰ চেতনা ঘটিছে। তাৰ ফলতহে আমাৰ দেহৰ দহ ইন্দ্ৰিয়, পঞ্চভূত, মন, বুদ্ধি, প্ৰাণ সকলোবোৰে তাগৰ কাম ভাগে কৰিব পাৰিছে। চৈতন্যময় পৰমাত্মাৰ অভাৱত মন, বুদ্ধি, প্ৰাণ,

ইন্দ্ৰিয় আদি একো নাথাকে, সকলোবোৰেই জড়। যেনেকৈ ৰঙা, নীলা আদি কোনো ৰঙৰ ওচৰত কাঁচৰ মণি থলে সেই মণিয়েও সেই সেই ৰং ধৰে, তেনেকৈ আমাৰ দেহত পৰমাত্মাৰ প্ৰতিবিম্ব পৰাৰ ফলত ইন্দ্ৰিয়াদি সক্ৰিয় হয় আৰু প্ৰকৃতিয়ে জীৱাত্মা নাম পায়। কিন্তু ৰং আৰু কাঁচমণিৰ বিভিন্ন হোৱাৰদৰে পৰমাত্মা আৰু প্ৰকৃতি বিভিন্ন।

[ ২৩ ]

ৰাম কৃষ্ণ হৰি নাম সৰ্ব্ব ধৰ্ম্ম অনুপাম
সকল নিগমে সত্ত্ব সাৰ।
যাত পৰে ধৰ্ম্ম নাহি আৰ।
হেন নাম নুসুমৰি কমন ভৰসা কৰি
ৰৈয়া আছা ভৱ তৰিবাৰ॥

পৰমেশ্বৰৰ তত্ত্ব থকা সকলো নিগম শাস্ত্ৰৰ সাৰ মৰ্ম্ম হৈছে—পৰমাত্মা বা ভগৱানৰ ৰাম, কৃষ্ণ, হৰি আদি নাম; এই নামধৰ্ম্মক আন কোনো ধৰ্ম্মৰ লগত তুলনা কৰিব নোৱাৰি, ই সকলো ধৰ্ম্মতকৈ শ্ৰেষ্ঠ। এনে হেন সহজসাধ্য পৰম শ্ৰেষ্ঠ নাম স্মৰণ নকৰি সংসাৰ তৰিবলৈ অৰ্থাৎ মুক্তিলাভ কৰিবলৈ কিহৰ আশা কৰি বহি আছা? অৰ্থাৎ ৰাম নামেই কলিকালত মুক্তি লাভ কৰাৰ প্ৰধান উপায়, এনে নাম লবলৈ হেলা কৰা উচিত নহয়।

তথাপি যৎপাদনখাবসৃষ্টং জগদ্বিৰিঞ্চ্যোপহৃতাৰ্হনাম্ভঃ।
শেষং পুণাত্যন্যতমো মুকুন্দাৎ কো নাম লোকে ভগৱৎ পদাৰ্থঃ॥

[ ২৪ ]

বিষ্ণু পাদোদকী গঙ্গা মহেশে সহিতে ইটো
জগতকে পৱিত্ৰ কৰয় ।
হেন কৃষ্ণ বিনে কোন ভগৱন্ত হেন ইটো
শৱদৰ স্বৰূপ আছয় ॥

বিষ্ণু পাদোদকী গঙ্গা মহেশে সহিতে ইটো জগতকে পৱিত্ৰ কৰয়—গঙ্গাই মহেশক আৰু জগতকো পৱিত্ৰ কৰে, অৰ্থাৎ মহেশে সৈতে সমস্ত জগতক পৱিত্ৰ কৰে। [ বিষ্ণু পুৰাণত এটা উপাখ্যান আছে। সৰস্বতীৰ ৰাগিণীত বিষ্ণুৰ শৰীৰপৰা ঘাম ওলাইছিল; সেই ঘাম লক্ষ্মী আৰু সৰস্বতীয়ে কুম্ভত ভৰাই থৈছিল। পাচত ভগৱানৰ বামন অৱতাৰত ব্ৰহ্মাই সেই ঘাম-জলেৰে তেওঁৰ পাদ প্ৰক্ষালন কৰে। বিষ্ণুৰ পাদ প্ৰক্ষালনৰ জল বৈ যোৱা দেখি ব্ৰহ্মাই তাক কমণ্ডলুত ভৰাই থয়। বহুত কালৰ পাচত সগৰ ৰজাৰ বংশৰ ভগীৰথে তাক ভূ-তললৈ নমাই নিয়াত তাৰে এধাৰা শিৱৰ জটাত সোমাই ৰয়। এই উপাখ্যানৰপৰা এনে বোধ হয়, ভগৱন্তৰ প্ৰতি জন্মা ভক্তৰ প্ৰেমৰসেই গঙ্গা; শিৱ এজনা পৰম ভক্ত; ভক্তি তেওঁক শুদ্ধ কৰিছে। ভূ-তলৰ অন্যান্য লোককো ভগৱন্তৰ ভক্তিয়ে পৱিত্ৰ কৰে। ]

বিষ্ণুৰ পাদ-প্ৰক্ষালন কৰা গঙ্গাই মহেশৰ সৈতে সমস্ত জগতক পৱিত্ৰ কৰে, শব্দ স্বৰূপ থকা এনে ভগৱন্ত কৃষ্ণৰ বাহিৰে আৰু কোন আছে ?

পৰমেশ্বৰ নিৰাকাৰ আৰু নিৰাময়; তেওঁ বায়ুতকৈও অতি সূক্ষ্ম ভাৱে বিশ্বত পৰিব্যাপ্ত আছে। এই ভগৱন্তৰ নাম একান্ত মনে

লওঁতে লওঁতে তেওঁৰ প্ৰতি যি প্ৰেম জন্মে, সেই প্ৰেমে মহেশৰ নিচিনা শ্ৰেষ্ঠ নিষ্কাম ভক্তকো পৱিত্ৰ কৰিছে; জগতবাসীও সেই প্ৰেমৰসকে পান কৰি পৱিত্ৰ হয়; এনে সৰ্ব্বদেৱ পূজ্য ভগৱানতকৈ শ্ৰেষ্ঠ বস্তু একো নাই।

পুণ্যাৰণ্যে নৃসিংহৈক নাম সিংহো বিৰাজতে।
যন্নাদতঃ পলায়ন্তে মহাকল্মষকুঞ্জৰাঃ ॥২৫

[ ২৫ ]

**পুণ্য অৰণ্যৰ মাজে মাধৱৰ নাম সিংহ**
**প্ৰকাশ কৰয় অতি ৰৱে।**
**যাৰ ধ্বনি শুনি ভয়ে মহা পাপ হস্তীচয়**
**পালয় অতি ত্ৰাসত লৰৱে ॥**

পুণ্য—সৎকৰ্ম্ম, যিবোৰে ইহ আৰু পৰকালত জীৱৰ হিত সাধে; যাগ, যোগ, হোম, পূজা, নাম-কীৰ্ত্তন আদি।

মাধৱ—[ মা—লক্ষ্মী, ধৱ—পতি ] লক্ষ্মীৰ পতি বা ঐশ্বৰ্য্যৰ গৰাকী ভগৱান।

ত্ৰাস—ভয়।

অতি ত্ৰাসত লৰৱে—আতুৰত পৰি লৰ দিয়ে; আপদ আশঙ্কা কৰি প্ৰাণৰ ভয়ত লৰি পলায়।

[ অৰণ্য বুলিলে অৰণ্যৰ বাঘ, ভালুক, বৰা, সিংহ আদি হিংস্ৰ জন্তুবোৰ আৰু অৰণ্যৰ নিৰ্জনতালৈ মনত পৰে। এই সকলোৰে ভিতৰত সিংহই শ্ৰেষ্ঠ। হোম, যাগ, যোগ, পূজা, নাম-কীৰ্ত্তন

আদি পুণ্য কামবোৰ অৰণ্য বুলি তুলনা দিয়া হৈছে। জন্তুবোৰৰ ভিতৰত যেনে সিংহ শ্ৰেষ্ঠ, পুণ্য কৰ্ম্মবোৰৰ ভিতৰতো তেনেকৈ নাম-ধৰ্ম্ম শ্ৰেষ্ঠ। ] হাবিৰ সকলো জন্তুৰ ভিতৰত সিংহ শ্ৰেষ্ঠ হোৱাৰ দৰে হোম, যাগ, যোগ, পূজা, নাম-কীৰ্ত্তন আদিৰ ভিতৰত নাম ধৰ্ম্ম আটাইতকৈ শ্ৰেষ্ঠ। সিংহৰ গোজৰণিত যিদৰে হাতী, বাঘ আৰু আন জন্তুবোৰে আপদ আশঙ্কা কৰি প্ৰাণৰ ভয়ত লৰি পলায়, সেইদৰে সৰ্ব্বধৰ্ম্মশিৰোমণি ভগৱানৰ নাম-কীৰ্ত্তন হলেও সকলো ৰকমৰ পাপ দূৰ হয়, অৰ্থাৎ ভগৱানৰ পৰম পৱিত্ৰ নাম-কীৰ্ত্তন কৰিলে পাপ ভাৱ মনলৈ আহিব নোৱাৰে, অপকৰ্ম্ম কৰিবলৈ প্ৰবৃত্তি নজন্মে, বাসনাই জীৱক সংসাৰত আবদ্ধ কৰি ৰাখিব নোৱাৰে।

আত্মৈৱ হ্যাত্মনো বন্ধুৰাত্মৈৱ ৰিপুৰাত্মনঃ।
হন্তি ৰক্ষতি চৈবাত্মা হ্যসৎ সাধু সমাগমে॥

(২৬—২৭)

[ ২৬ ]

আপুনি আপোন বন্ধু আপুনি আপোন শত্ৰু
আপুনি আপোন ৰাখে মাৰে।
হৰিক নভজি নৰ আপুনি হোৱয় নষ্ট
হৰি ভজি আপোনাক তৰে॥

[ যি যেনে ব্যৱহাৰ কৰে সি আনৰপৰা তেনে ব্যৱহাৰ পায়; পৰিশ্ৰমী মানুহৰ ভাত-কাপোৰৰ আকাল নাই; আৰু ন্যায় পথত চলিলে সংসাৰৰ আপদ আহকালে মানুহক কষ্ট দিব নোৱাৰে। এইবোৰ সাধাৰণ কথা; ইয়াক সকলো সংসাৰীয়ে বুজি পায়। ]

সেইদৰে মানুহে নিজে পৰম আনন্দদায়ক কৃষ্ণক ভজনা কৰি আনন্দৰ অধিকাৰী হয়, জন্ম-মৃত্যুৰ হাত সাৰে; আৰু নিজে ভগৱন্তক ভজনা নকৰি আনন্দপৰা বঞ্চিত হয়, পুনঃ পুনঃ সংসাৰত জন্মি, ৰোগ, ব্যাধি, মৃত্যু আদি নানা যন্ত্ৰণাত অশেষ লদাত ভোগ কৰে। এতেকে জীৱ নিজেই নিজৰ মিত্ৰ আৰু নিজেই নিজৰ শত্ৰু; ইচ্ছা কৰিলে জীৱে ভগৱন্তক ভজি আনন্দৰ অধিকাৰী হব পাৰে আৰু তাকে নকৰিলে বাসনাৰ হাত সাৰিব নোৱাৰাৰ ফলত কোটি কোটি কালে নানা ৰূপ দুখ-যন্ত্ৰণাকে ভোগ কৰি থাকিবলগীয়া হয়।

[ ২৭ ]

দুৰ্ল্লভ মনুষ্য জন্ম লভিয়া পশুৰ যোগ্য
বিষয়ৰ আশা পৰিহৰা।
সন্তৰ সঙ্গত বসি সুখে হৰিগুণ গায়া
সন্তোষে অমৃত পান কৰা॥

**দুৰ্ল্লভ মনুষ্য জন্ম**—গছ-বিৰিখ, চৰাই-চিৰিকতি, পোক-পৰুৱা, পশু আদি চৌৰাশী লক্ষ যোনি ভ্ৰমণৰ পাচত জীৱে নৰজন্ম লাভ কৰে, সেই কাৰণে মনুষ্য জন্মক জীৱৰ দুৰ্ল্লভ জন্ম বোলে।

চৌৰাশী চক্ৰ ( বিষ্ণু পুৰাণ ) :—

স্থাৱৰং বিংশতে লক্ষং জলজং নব লক্ষকং
কূৰ্ম্মাশ্চ নব লক্ষঞ্চ দশ লক্ষঞ্চ পক্ষিণঃ।
ত্ৰিংশল্লক্ষং পশূনাঞ্চ চতুৰ্লক্ষঞ্চ বানৰাঃ
ততো মনুষ্যতাং প্ৰাপ্য ততঃ কৰ্ম্মাণি সাধয়েৎ॥

বহুত জন্মৰ মূৰত নানা কষ্ট ভোগ কৰি মনুষ্য জন্ম লাভ কৰিছা; [গতিকে] পশুৰ নিচিনা বিষয় আশা অৰ্থাৎ ৰূপ, ৰস, গন্ধ স্পৰ্শ, শব্দ আদি ইন্দ্ৰিয়ৰ ভোগ্য বস্তুবোৰৰ আসক্তি এৰা, পশুৱেহে কেৱল বিষয়কে সুখ মানি চলে। [তুমি মানুহ হৈ জন্ম ধৰিছা, তোমাৰ বুদ্ধি আছে।] অমৃত খাই অজৰ-অমৰ হোৱাৰ দৰে তুমি সাধুৰ সঙ্গ লৈ মহা সুখে হৰি-কীৰ্ত্তন কৰি সন্তোষ লাভ কৰা; আৰু লগে লগে জন্ম-মৃত্যুৰ হাত সাৰা অৰ্থাৎ মুক্তি লাভ কৰা।

ন কালনিয়মঃ কশ্চিন্নদেশনিয়মস্তথা।
নাশৌচাদৌ নিষেধঃ স্যাদ্ধৰেৰ্নামনি লুব্ধকঃ ॥২৮

[ ২৮ ]

হৰি নাম কীৰ্ত্তনৰ নাহি কাল দেশ পাত্ৰ
নিয়ম সংযম একো বিধি।
হৰিত শৰণ লৈয়া কেৱলে হৰিৰ নাম
কীৰ্ত্তন কৰন্তে হোৱে সিদ্ধি ॥

নিয়ম—ব্যৱস্থা, বিধি, ৰীতি, ধাৰা। নিয়ম পাঁচ বিধ :—অক্ৰোধ, গুৰু-শুশ্ৰূষা, শৌচ, আহাৰ, লাঘৱ আৰু সদায় অপ্ৰমাদ।

সংযম—ব্ৰতাদিৰ পূৰ্ব্বে হবিষ্য ভোজন আদিৰ নিচিনা বিধি; সমাধি, ধ্যান।

ভগৱন্তৰ নাম-গুণ লবলৈ সময় অসময় একো নাই, যেতিয়াই তেতিয়াই তাক লব পাৰি; নাম লবলৈ ঠাইৰো বিচাৰ নাই, য'তে ত'তে লব পাৰি; হৰি-নাম লবলৈ একো বিধি ব্যৱস্থাও নাই,

যেনে তেনে ভাৱেই ললেই হয়; আৰু পৰমেশ্বৰৰ নাম লব লাগিব বুলি আগদিনা সংযম হৈ থকাৰো দৰকাৰ নাই; পৰমেশ্বৰক একান্ত মনে আশ্রয় কৰি যেতিয়াই তেতিয়াই য'তে ত'তে যেনে ভাৱেই হওক তেওঁৰ নাম-গুণ ললেই সিদ্ধি লাভ কৰিব পাৰি।

যোঃগুত্তৰেঽপি ভোগাদি সম্পাদনং শক্যং।
জ্ঞানার্থং তত্ৰৈব যতিতব্যমিত্যাহ ॥২৯

## শঙ্কা

[ ২৯ ]

বিষয় সম্বন্ধ সুখ সমস্ত যোনিত পায়
হৰি সেৱা এক স্থানে নাই।
হৰিৰ সেৱাৰ যোগ্য কেৱলে মনুষ্য জন্ম
জানি ফুৰা হৰি গুণগাই ॥

সমস্ত যোনি—সকলো জন্ম।

বিষয় সম্বন্ধ সুখ—ভোগ্য বস্তুৰ আৰু মিলনৰ সুখ।

জীৱে পশু, কীট, পতঙ্গ, মানুহ সকলো জন্মতে চৰ্ব্য, শোষ্য, লেহ্য, পেয় আদি ভোগ্য বস্তুৰ আৰু ৰতি সম্ভোগৰ ক্ষণিক সুখ পায়। মানৱ জন্মত জীৱে এইবোৰ পোৱাৰ উপৰিও জ্ঞান, বুদ্ধি বিবেচনা বৰ বেচিকৈ পায়। এই জন্মত জীৱে ইচ্ছা কৰিলে চিন্তা কৰি নিজক চিনি পাব পাৰে। আত্ম চিন্তা কৰোঁতে কৰোঁতে জীৱে ভগৱানৰ দৰ্শন লাভো কৰিব পাৰে। আনবোৰ জন্মত ঈশ্বৰ

চিন্তা নহয়, কেৱল বিষয় ভাৱতে জীৱৰ কাল অতিবাহিত হয়; গতিকে মানৱ দেহ পোৱাৰ সময়টোৱেই জীৱৰ ঈশ্বৰ চিন্তাৰ উপযুক্ত কাল, ইয়াকে বুজি সদায় হৰি নাম লোৱা।

মৃত্যোর্ম্মুখে সম্পতিতো মনুষ্যো জীলাং
হৰের্গায়ন্তি নো কথং বৈ॥
ন হ্যস্ত্যপায়োঽন্যতৰঃ প্ৰতৰ্ত্তুং
মৃত্যুং হৰেঃ কীৰ্ত্তনমন্তৰেণ॥

[ ৩০ ]

**মৃত্যুৰ মুখত পৰি আছে যিটো সিটো নৰে**
**হৰি গুণ কীৰ্ত্তন নকৰে।**
**মৃত্যু তৰিবাৰ জানা নাহিকে উপায় আন**
**হৰি নাম কীৰ্ত্তনত পৰে॥**

[জন্ম হলেই মৰণ আছে; সংসাৰত যিবোৰ জীৱ জন্মিছে, সকলো মৰিব লাগিব। এই কাৰণে মানুহে মৰণক আগত লৈ থকা বুলিব পাৰি।] যি মানুহে নানা যাতনাপূৰ্ণ মৃত্যুক সন্মুখত দেখিও বিষয় ভোগত মত্ত থাকি হৰি-কীৰ্ত্তন নকৰে, সেই মানুহে পুনঃ পুনঃ সংসাৰত নানা যোনিত উপজি বাৰ বাৰ সংসাৰত দুখ ভোগ কৰিব লাগে। জন্ম-মৃত্যুৰ হাত সাৰিবৰ উপায় কেৱল হৰিনাম কীৰ্ত্তন। ইয়াৰ বাহিৰে আনে জীৱক মুক্তি দিব নোৱাৰে।

সন্ত্যপায়া বহবশ্চ সৰ্ব্বে তে বিঘ্নদূষিতাঃ।
কেৱলং বিঘ্নৰহিতং শ্ৰীহৰেৰ্নাম কীৰ্ত্তনম্ ॥৩১

[ ৩১ ]

মৃত্যু তৰিবাৰ আন আছয় উপায় যত
বিঘিনি দূষিত নিৰন্তৰে।
বিঘিনি ৰহিত যত মাধৱৰ গুণ কৰ্ম্ম
কীৰ্ত্তন কৰিয়া সুখে তৰে ॥

[ যোগ, তপস্যা আদিৰে মানুহে মুক্তি লাভ কৰিব পাৰে; কিন্তু এইবোৰ কৰিবলৈ নানা বিধি-ব্যৱস্থা আছে; বিধিমতে যোগ, তপস্যা আদি নকৰিলে সিদ্ধিলাভ কৰিব নোৱাৰি। সেই কাৰণেই মুক্তিৰ এই উপায়বোৰক বিঘিনি দুষ্ট বা বিঘিনিৰে পূৰ্ণ বুলিব পাৰি। হৰিনাম কীৰ্ত্তন কৰিবলৈ কোনো বিধি-ব্যৱস্থাৰ আৱশ্যক নাই, গতিকে এই পথ কণ্টকহীন। ] মুক্তি লাভ কৰিবলৈ আগম, তন্ত্ৰ আদি যিবোৰ ব্যৱস্থা আছে, তাৰ ভিতৰত হৰিনাম কীৰ্ত্তনৰ বাহিৰে আনবোৰ ব্যৱস্থা বিঘিনি পূৰ্ণ; পৰমেশ্বৰৰ নাম-গুণ কীৰ্ত্তন ধৰ্ম্ম মাত্ৰ বিঘিনি শূন্য; হৰিনাম একান্ত মনে কীৰ্ত্তন কৰিলে সহজতে মুক্তি লাভ কৰিব পাৰি। মুক্তি লাভ কৰিবলৈ আন উপায়-অৱলম্বন কৰিলে নিয়ম-মতে তাৰ ব্যৱস্থা প্ৰতিপালন নোহোৱাৰ ফলত মুক্তি লাভ নহবও পাৰে।

গুপ্তবিত্তং হৰেৰ্নাম লুব্ধবুদ্ধেৰ্ন চাপৰং।
অন্যাশাং ত্যজ কৃষ্ণস্য কীৰ্ত্তনং কুৰু তত্ত্বতঃ ॥ ৩২

[ ৩২ ]

লুব্ধমতি মনুষ্যৰ হৰি কীৰ্ত্তনত পৰে
নাহিকে ৰহস্য বিত্ত আৰ।
আন আশা পৰিহৰি মাধৱক মনে ধৰি
হৰিৰ কীৰ্ত্তন কৰা সাৰ॥

ৰহস্য—গূঢ়, গোপনীয়।
বিত্ত—ধন।
লুব্ধমতি—লুভীয়া।
আন আশা পৰিহৰি—বিষয় বাসনা এৰি, ধন দিয়া, পুত্ৰ দিয়া আদি ভাৱ এৰি।

[ ধন, ধান, পুত্ৰ, ভাৰ্য্যা আদি লোভনীয় বস্তুবোৰে মানুহক মুগ্ধ কৰি ৰাখে; চোৰক যেনেকৈ গোপনীয় বা পুতিথোৱা ধনে নাটে, মানুহে সেই মোহত পৰি পৰমেশ্বৰক পাহৰে; আৰু ধন দিয়া, পুত্ৰ দিয়া বুলি নানা দেৱ-দেৱীক পূজা কৰে; আৰু তাৰ ফলত জীৱে বাসনাৰ হাত সাৰিব নোৱাৰি সংসাৰত ঘূৰি ফুৰে। ] বিষয়ত ভোল যোৱা মানুহৰ সংসাৰ তৰিবৰ উপায় একমাত্ৰ হৰি-নাম কীৰ্ত্তন, ইয়াৰ বাহিৰে পৰম গূঢ় ধন আৰু সিবিলাকৰ নাই; এতেকে বিষয় আশা ত্যাগ কৰি লক্ষ্মীপতি ভগৱন্তকেই সত্য বুলি সুদৃঢ় বিশ্বাস কৰি হৰিনাম-কীৰ্ত্তন কৰাকে নিশ্চয় কৰি ধৰা; অৰ্থাৎ নিষ্কাম ভাৱে নাম-কীৰ্ত্তন কৰাকে শ্ৰেষ্ঠজ্ঞান কৰি তাক অভ্যাস কৰা।

[ ৩৩ ]

শুনা পৰমাৰ্থ তত্ত্ব শ্ৰীমন্ত শঙ্কৰ মত
ধৰিয়োক সজ্জন সকল।
হৰিৰ কীৰ্ত্তন কৰি সুখে সংসাৰক তৰি
পাইবা ভক্তি পৰম নিৰ্ম্মল ॥

হে সাধুসকল, শ্ৰীমন্ত শঙ্কৰে প্ৰচাৰ কৰা ধৰ্ম্মৰ গূঢ় ৰহস্য শ্ৰৱণ-কীৰ্ত্তন ধৰ্ম্মক সকলোৱে ধৰা। হৰিৰ কীৰ্ত্তন কৰিলে পৰম নিৰ্ম্মল ভক্তি উপজিব আৰু কোনো কষ্ট নোহোৱাকৈ অতি সহজে এই সংসাৰৰপৰা উদ্ধাৰ হব পাৰিবা অৰ্থাৎ মুক্তি লাভ কৰিব পাৰিবা।

[ ৩৪ ]

শুনা সভাসদচয় নেৰিবা শাস্ত্ৰৰ লয়
হৰি গুণ ভাগৱত সাৰ।
সাধু সঙ্গ অনুসৰা শ্ৰৱণ কীৰ্ত্তন কৰা
পৰিহৰা পাষণ্ড আচাৰ ॥

লয় বা নয়—মত।

হে সমজুৱাসকল, ভাগৱতত কৈছে—হৰিৰ নাম-গুণ, শ্ৰৱণ-কীৰ্ত্তন কৰিলে সংসাৰ তৰিব পাৰি। [ মুক্তিলাভ কৰিব পাৰি ]। এতেকে শাস্ত্ৰৰ মত অৱহেলা নকৰিবা ; [ তুমি প্ৰথমতে ] সাধুৰ সঙ্গ লৈ [ তেওঁৰ পদ সেৱি, তেওঁৰপৰা ধৰ্ম্ম-তত্ত্ব শিক্ষা কৰি ] একান্ত মনে পৰমেশ্বৰৰ নাম-গুণ, শ্ৰৱণ-কীৰ্ত্তন কৰা। ইয়াকে কৰিলে পাষণ্ড-

আচাৰবোৰৰ অৰ্থাৎ বিষয়-বাসনাৰ ভাৱবোৰ আপোনা-আপুনি এৰা পৰিব। [ তোমাক ৰাগ, দ্বেষ, লোভ, মোহে পীড়িব নোৱাৰে। ]

ন বৈৰাগ্যাৎ পৰং ত্যাগং, ন প্ৰবোধাৎ পৰং সুখং।
ন হৰেঃ পৰতস্ত্ৰাতা, ন সংসাৰাৎ পৰো ৰিপুঃ ॥৩৫

[ ৩৫ ]

**বৈৰাগ্যত পৰে ভাগ্য নাহি প্ৰবোধত পৰে**
**সুখ আৰ নাহি পুৰুষৰ।**
**হৰি বিনে পৰিত্ৰাণ কৰ্ত্তা আন নাহি জ্ঞানা**
**ৰিপু নাহি সংসাৰত পৰ ॥**

বৈৰাগ্য—সংসাৰৰ প্ৰতি অনাশক্তি ; স্বাৰ্থবিহীনতা।
প্ৰবোধ—মনক দিয়া সান্ত্বনা ; নচেৎ পৰমাৰ্থতত্ত্ব জ্ঞান। ( প্ৰকৃষ্টবোধ, প্ৰবোধ )।
সংসাৰ—বিষয় বাসনা।

সংসাৰৰ প্ৰতি অনাসক্তি ভাৱ ৰাখি অৰ্থাৎ বাসনা এৰি যি কাম কৰিব পাৰে, সেয়ে ভগৱান আৰু মানুহে কাম কৰি যেতিয়াই যি ফল পায়, তাতে সন্তুষ্ট থাকি মনক সান্ত্বনা দিয়াৰ সমান মানুহৰ সুখ নাই। অথবা, পৰমাৰ্থ তত্ত্বজ্ঞানৰ দৰে সুখদায়ক বস্তু আৰু নাই। বাসনাৰ সমান জীৱৰ ডাঙৰ শত্ৰু নাই, কিয়নো ই জীৱক সংসাৰত আৱদ্ধ ৰাখে। ভগৱানৰ বাহিৰে আন দেৱ-দেৱীয়ে জীৱক মুক্তি দিব নোৱাৰে। সকাম ভাৱে ভগৱানক ভাবিলেও আকৌ জীৱে মুক্তি নাপায়। সেই নিমিত্তে বৈৰাগ্যই জীৱৰ পৰম ভাগ্য আৰু

প্ৰবোধেই পৰম সুখ [ গতিকে যি মানুহ যি অৱস্থাত পৰে, তাতে সন্তুষ্ট থাকি নিষ্কাম ভাৱে ভগৱানৰ নাম-কীৰ্ত্তন কৰা উচিত। ]

কিমলভ্যং ভগৱতি প্ৰসন্নে নিকেতনে।
তথাপি তৎ পৰা ৰাজ ন হি বাঞ্ছন্তি কিঞ্চন ॥ ৩৬

[ ২৬ ]

লক্ষ্মীপতি ভগৱন্ত যাহাৰ প্ৰসন্ন ভৈল
তাহাৰ দুৰ্ল্লভ কিছু নাই।
নাৰায়ণ পৰ ভৈলে তথাপি কিঞ্চিতো আৰ
নবাঞ্চয় সেৱা-সুখ পায় ॥

ভগৱন্ত—[ ভগ—ঐশ্বৰ্য্য + ৱন্ত—থকা ] = ঐশ্বৰ্য্যশালী।
দুৰ্ল্লভ—দুষ্প্ৰাপ্য, পাব নোৱাৰা।

ভগৱন্ত লক্ষ্মীপতি অৰ্থাৎ সমস্ত ঐশ্বৰ্য্যৰ গৰাকী; যিজনে এনে হেন ঈশ্বৰ পুৰুষৰ গুণ-গান কৰি তেওঁক সন্তুষ্ট কৰিব পাৰে, সেই মানুহক আৰু সংসাৰত পাব নোৱাৰা বস্তু একো নাথাকে অৰ্থাৎ তেওঁ মনত যিহকে বিচাৰে, সেয়ে আহি আপোনা-আপুনি মিলে। কিন্তু মানুহ যেতিয়া ভগৱৎপৰায়ণ হয়, সদায় ভগৱানক ভক্তি কৰি থকা হয়, তেতিয়া যদিও তেওঁৰ প্ৰতি ভগৱান প্ৰসন্ন— তেওঁ যি বিচাৰে তাকে পাব পাৰে, তথাপি সেৱা-সুখ পাই ভক্তিৰস পান কৰি তাতে বিভোৰ হৈ তেওঁৰ ওচৰত আৰু একো নিবিচাৰে। [ গুড়ৰ কলহত পৰা মাখিৰদৰে তেওঁৰ আৰু অন্য ভাব নাথাকে— ভক্ত ভক্তিতে সন্তুষ্ট থাকে। ]

শ্রিয়ো নিবাসো যস্যোৰঃ পানপাত্রং মুখং দৃশাং।
বাহবো লোকপালানাং শাৰঙ্গাণাং পাদাম্বুজম্ ॥ ৩৭

[ ৩৭ ]

কৃষ্ণৰ হৃদয় চাৰু লক্ষ্মীৰ নিবাস স্থান
মুখ নয়নৰ পান পাত্র।
দিকপাল সমস্তৰ আশ্রয় কৃষ্ণৰ বাহু
ভকতৰ পাদ-পদ্ম মাত্র ॥

চাৰু—অসাধাৰণ, সুন্দৰ।

দিকপাল—ইন্দ্র, অগ্নি, যম, নৈঋত, বৰুণ, বায়ু, কুবেৰ, মহাদেৱ, ব্রহ্মা আৰু অনন্ত, পূৰ্ব্বাদিক্রমে দশদিকপাল। সূৰ্য্য, শুক্র, মঙ্গল, ৰাহু, শনি, সোম, বুধ আৰু বৃহস্পতি পূৰ্ব্বাদিক্রমে অষ্টদিকপাল।

[ দয়া, ক্ষমা, কৰুণা আদি গুণবোৰ আৰু অনন্ত জ্যোতিপূৰ্ণ বিশ্বৰ সৌন্দৰ্য্য লক্ষ্মীৰূপে কল্পিত। বিশ্ব জুৰি থকা মহাশক্তিক দিকপাল-ৰূপে কল্পনা কৰা হৈছে।] ভগৱন্তৰ মনোহৰ হৃদয়খন লক্ষ্মী-আইৰ থকা ঠাই, তেওঁৰ মুখখন লক্ষ্মী-আইৰ চকুৰ তৃপ্তিদায়ক সামগ্ৰী, তেওঁৰ বাহু দিকপালসকলৰ আশ্রয়, ভক্তৰ নিমিত্তে কেৱল তেওঁৰ পাদ-পদ্মহে। অর্থাৎ সেৱক ভাবেহে ভক্তে তেওঁক ভজে বা সেৱা কৰে; গতিকে নামধৰ্ম্মই কলিকালৰ শ্রেষ্ঠ ধৰ্ম্ম।

[ ভগৱান গোটেই বিশ্ব জুৰি আছে; আৰু লক্ষ্মীৰূপ সৌন্দৰ্য্য তাত শোভা পাইছে। তেওঁ লীলা কৰি দিকপাল স্বৰূপে আকৌ

বিশ্বখন ৰক্ষা কৰিছে; ভগৱান এনে সূক্ষ্ম বস্তু। তেওঁৰ ৰূপ ধ্যান-ধাৰণা কৰা অসম্ভৱ; সেয়ে ভক্তে দাস ভাৱে একান্ত মনে তেওঁৰ আশ্রয় লৈ তেওঁৰ নাম-গুণ কীৰ্ত্তন কৰে। ]

ৰহুগণৈতপসা ন যাতি, নচেজ্যয়া নির্ব্বাপনাদ্ গৃহাদ্বা।
ন ছন্দসা নৈব জলাগ্নি সূৰ্য্যৈর্বিনা মহৎ পাদৰজোঽভিষেকং ॥৩৮

[ ৩৮ ]

পৰম ঈশ্বৰ দেৱ কৃষ্ণক নপায় লাগ
তপ জপ যাগ যোগ দানে।
একান্ত ভক্তৰ পদ ৰেণু শুদ্ধ চিত্তে মাথে
অভিষেক নকৰয় মানে ॥*

পদৰেণু—পদধূলা।
অভিষেক—মূৰত, গাত সিঁচি দিয়া।

[ তপ, জপ, যাগ, যোগ আদি কৰ্ম্মবোৰ কলিকালৰ নহয়, কিয়নো কলিৰ অল্পায়ু হীনবীৰ্য্য লোকে সেইবোৰ বিধিমতে কৰিব নোৱাৰে। ভগৱন্তৰ একান্ত সেৱকৰ আশ্রয় লৈ তেওঁৰপৰা তত্ত্ব কথা লাভ কৰিহে ভগৱানক পাব পাৰি। সেই কাৰণে কৈছে।] তপ, জপ, যাগ, যোগ, দান আদি কৰ্ম্ম কৰিলে ভগৱানক পোৱা নাযায়; ভগৱন্তৰ একান্ত ভক্তৰ পদ সেৱি, তেওঁৰপৰা শিক্ষা উপদেশ লাভ কৰি আৰু ভগৱানক ভজিহে পৰমেশ্বৰক পাব পাৰি।

* গীতাৰ শ্লোক—তদ্বিদ্ধি প্ৰণিপাতেন······ ঌ

যস্ত্বমশ্লোকগু ণানুবাদঃ প্রস্তূয়তে গ্রাম্যকথা বিঘাতঃ।
নিসেব্যমানোঽনুদিনং মুমুক্ষোঃ সতীং মতিং যচ্ছতি বাসুদেৱে ॥৩৯

[৪১]

গ্রাম্য কথা বিনাশন উত্তম শ্লোকৰ গুণ
প্ৰসৰয় সাধুৰ সঙ্গত।
তাক অনুদিনে যিটো সেৱে তাৰ সতী মতি
হোৱে বাসুদেৱ চৰণত ॥

গ্রাম্যকথা—বিষয় ভাৱৰ কথা। *দৈনন্দিন জীৱনৰ কথা; যেনে—আহাৰ, নিদ্ৰা আদিৰ কথা।
গুণ—গৌৰৱ, মহিমা, মাহাত্ম্য।
উত্তম শ্লোক—পৰমেশ্বৰৰ তত্ত্ব কথা।

বিষয় ভাৱ নাশ কৰা, পৰমেশ্বৰৰ তত্ত্বৰ মহিমা সাধুৰ লগত সদায় প্ৰকাশ হয় অৰ্থাৎ সাধুৱে সদায় বিষয় বিৰোধী ভগৱানৰ তত্ত্ব কথাবোৰ আলোচনা কৰি থাকে। যি মানুহে সাধুৰ সঙ্গ লাভ কৰি তাক সদায় অনুকৰণ কৰে অৰ্থাৎ সাধুৰ উপদেশ মতে সদায় চলে তেওঁৰ মন শুদ্ধ হয়। আৰু সেই শুদ্ধ মন পৰমেশ্বৰৰ চৰণত ৰয়। [তেওঁ সদায় ভগৱানৰ গুণ-কীৰ্ত্তন কৰি থাকিবলৈ ভাল পোৱা হয়।]

তদ্দিনং দুৰ্দ্দিনং মন্যে মেঘাচ্ছন্নং ন দুৰ্দ্দিনং।
যদ্দিনং হৰিসংলাপকথাপীযূসবৰ্জ্জিতম্ ॥৪০

[ ৪০ ]

সেহিসে দিনক ভাই দুৰ্দ্দিন বুলিয়া মানি
মেঘাচ্ছন্ন নোহয় দুৰ্দ্দিন।
হৰি কথা অমৃতৰ সম্যক আলাপ ৰসে
যিটো দিন হোৱয় বিহীন ॥

[ আকাশ মেঘে ঢাকি পৃথিবী অন্ধকাৰ কৰা দেখিলে ধুমুহা-ৰতাহ আহি বা ব'দৰ অভাৱ ঘটাই মানুহক পয়মাল কৰিব বুলি সেই দিনক আমি সচৰাচৰ দুৰ্দ্দিন বোলোঁ ) আচলতে এইবোৰ ক্ষণিকহে হয়, কিন্তু সংসাৰ-বন্ধনত পৰি পুনঃ পুনঃ জন্মি আৰু মৰি জীৱে বহুত যন্ত্ৰণা ভোগ কৰে। সেই কাৰণে মেঘাচ্ছন্ন দিনৰ লগত হৰি-কথা আলাপ বিহীন দিনক তুলনা কৰি কোৱা হৈছে। ]

যিদিনা ভগৱানৰ অমৃতময় কথাৰ সম্পূৰ্ণৰূপে আলাপ ৰস নোপজে অৰ্থাৎ ভগৱানৰ গুণ-চৰিত্ৰ আলোচনা কৰোঁতে কৰোঁতে যিদিনা প্ৰেম নজন্মে, সেই দিনেই আচলতে দুৰ্দ্দিন, তাৰ লগত মেঘে ঢাকা দুৰ্য্যোগ আকাশ তুলনাই হব নোৱাৰে, অৰ্থাৎ ওপৰৰ বিধৰ তুলনাত সি একো দুৰ্দ্দিনেই নহয়। [ হৰি কথা এনে অমৃতময়, যে তাৰ আলোচনা কৰিলে পৰমেশ্বৰলৈ ভক্তি নজন্মি নোৱাৰে ; যদি কোনো দিন হৰি-কথা আলোচনাত প্ৰেম নজন্মে, সেই দিনহে আচলতে বৰ দুৰ্ভাগ্যৰ দিন। ]

আত্মানং সতত্তং প্ৰাপ্তং হ্যপ্ৰাপ্তবদবিদ্যয়া।
তন্নাশে সত্যবদ্ভাতি স্বকণ্ঠাভৰণং যথা ॥৪১

[ ৪১ ]

আত্মা ঈশ্বৰক লাগ প্ৰত্যক্ষে সততে পায়
নাপায় জানা তাঙ্ক অবিদ্যাত।
অবিদ্যা নাশিলে লাগ কৃষ্ণক পাৱয় যেন
কণ্ঠলগ্ন বস্তুক সাক্ষাত ॥

[ ব্ৰহ্মাণ্ডৰ চেতন অচেতন যিমানবোৰ বস্তু আছে, সকলোবোৰৰ সত্তা ভগৱান। ভগৱান শক্তিৰ আত্ম-স্বৰূপ। তেৱেঁই বিবিধ প্ৰকাৰে এই সৃষ্টি কৰি প্ৰাণীৰ কূটস্থ চৈতন্য ৰূপে আছে। এই জীৱ চৈতন্যই জীৱাত্মা। আত্মাৰ আশ্ৰয়স্থান দেহ। দেহ তিনি বিধ—স্থূল দেহ, সূক্ষ্ম দেহ আৰু কাৰণ দেহ। ভৌতিক আৱৰণক স্থূল দেহ বা শৰীৰ বোলে। জ্ঞানেন্দ্ৰিয়, কৰ্ম্মেন্দ্ৰিয়, পঞ্চপ্ৰাণ, মন আৰু বুদ্ধিক লিঙ্গ বা সূক্ষ্ম দেহ বোলে। সকলো শক্তিৰ যি কাৰণ, সেয়ে কাৰণ শৰীৰ বা আদ্য শক্তি; ইয়াক প্ৰকৃতিও বোলে। জীৱ বা আত্মা কাৰণৰ মহা কাৰণ। এইদৰে জীৱদেহ তিনি ভাগত বিভক্ত; স্থূল, সূক্ষ্ম আৰু কাৰণ। শুদ্ধ আত্মা বা ব্ৰহ্ম ইয়াৰ ওপৰত।

শুদ্ধ আত্মা নিৰ্লিপ্ত; তেওঁত যদিও মায়া আছে সত্ত্ব, ৰজ, তম গুণে তেওঁক চুব নোৱাৰে; কাৰণ এই কেইটা শৰীৰহে গুণ। কাঁচত নানা ৰঙৰ কাপোৰ দিলে নানা ৰং দেখা যায়, কাঁচৰ কিন্তু সেইবোৰ নিজা ৰং নহয়; সেইদৰে মায়া বা প্ৰকৃতিৰ বা জড়ৰ তিনি গুণে আত্মাক বিকাৰ ঘটাব নোৱাৰে। আত্মা নিগু'ণ। এয়ে আত্মাৰ স্বৰূপ। দেহক আত্মবুদ্ধি কৰাই অজ্ঞান বা অবিদ্যা। আত্মাৰ স্বৰূপত মন ৰাখাকে জ্ঞান বোলে।

স্বচ্ছ বস্তুৰ প্ৰতিবিম্ব যিদৰে স্বচ্ছ বস্তুত প্ৰকাশ হয়, তেনেকৈ আত্মা সকলোতে থাকিলেও সকলোতে প্ৰকাশ নহয়; একমাত্ৰ বুদ্ধিতেই প্ৰকাশ হয়। সূৰ্য্যৰ প্ৰতিবিম্ব পানী আদি স্বচ্ছ বস্তুত যিদৰে প্ৰকাশিত হয়, মাটি আদি মলিন বস্তুৰ সেইদৰে প্ৰতিফলিত নহয়। এই কাৰণেই শিল আদি নিৰ্জীৱ বস্তুত আত্মাৰ সত্তা দেখা নাযায়।

ৰজাৰ শক্তিত যিদৰে ৰাজঘৰীয়া বিষয়াৰ ক্ষমতা পৰিচালিত হয়, সেইদৰে আত্মাৰ প্ৰভাৱতেই দেহ আৰু ইন্দ্ৰিয় আদিৰ কাম হয়। আত্মা নাথাকিলে এইবোৰৰ একো ক্ৰিয়া নাথাকে। এই কাৰণে আত্মা দেহ, ইন্দ্ৰিয়, মন, বুদ্ধি আৰু প্ৰকৃতিৰপৰা সদায় পৃথক; তাক সকলোৰে সাক্ষীহে বুলিব পাৰি।

জোনাক নিশা চন্দ্ৰৰ তলেদি মেঘ দৌৰিলে যিদৰে চন্দ্ৰ দৌৰা বোধ হয়, সেইদৰে ইন্দ্ৰিয়বোৰ নিজ বিষয়ত প্ৰবৃত্ত হলে অজ্ঞানী লোকে সেইবোৰ আত্মাৰ ক্ৰিয়া বুলি ভাবে। এইটো মনত ৰখা উচিত, যে আমি যিদৰে সূৰ্য্যৰ পোহৰত নিজৰ কৰ্ত্তব্য কৰি লওঁ, সেইদৰে দেহ, ইন্দ্ৰিয়, মন, বুদ্ধি আদিয়ে আত্ম-চৈতন্য অৱলম্বন কৰিয়েই নিজ নিজ কাম কৰে।

পানী লৰিলে তাত প্ৰতিফলিত চন্দ্ৰক লৰা বা কঁপা দেখি, সেইদৰে আমি আচল তত্ত্ব নুবুজি মনৰ কামবোৰকেই আত্মাৰ কাম বুলি ভাবোঁ। মই কৰিছোঁ, মোৰ ভোক লাগিছে ইত্যাদি কামবোৰ মনৰ; আত্মাৰ নহয়। সেইদৰে সুখ-দুখ বুদ্ধিৰ গুণ, আত্মাৰ নহয়। জ্ঞানীসকলে আত্মাক নিৰ্মল, আনন্দ, জ্ঞান আৰু বিশ্বৰ সত্তা বোলে। আন্ধাৰত জৰীক সাপ বুলি ভ্ৰম হোৱাৰ দৰে, অবিদ্যাৰ গুণে আমি মনৰ কামবোৰকেই আত্মাৰ কাম বুলি ভুল কৰোঁ।

মায়া দূৰ হলে শৰীৰত থকা আত্মাক জীৱে চকুৰ আগতে সদায় দেখা পায়; কিন্তু যেতিয়ালৈ জীৱে মায়াৰ হাত এৰিব নোৱাৰে, তেতিয়ালৈ তাক বুজিব বা অনুভৱ কৰিব নোৱাৰে। জ্ঞানৰ প্ৰভাৱত মায়াৰ জাল ছিন্ন হলে উঙিত থকা বস্তু বিচাৰি কষ্ট পাব নলগাৰ দৰে সদায় ভগৱানক দেখি থাকিব অৰ্থাৎ অনুভৱ কৰিব পাৰে; অৰ্থাৎ জীৱৰ পৰমাত্মা আৰু জীৱাত্মা এক ভাৱ হয়।

নাৰায়ণেতি শব্দোঽস্তি বাগস্তি বশবৰ্ত্তিনী।
তথাপি নৰকে ঘোৰে পতন্তীতি কিমদ্ভুতম্ ॥৪২

[ ৪২ ]

**নাৰায়ণ হেন ইটো শৰদ আছয় মুখে**
**বশৱৰ্ত্তী বচন আছয়।**
**তথাপি অদ্ভুত কিনো ঘোৰ নৰকত মজি**
**মলমতি মনুষ্য মৰয় ॥**

নৰকত মজি—সংসাৰত ডুব গৈ, বিষয়ত আবদ্ধ থাকি নানা যন্ত্ৰণা ভোগ কৰি।

মলমতি—পাপমতি।

নাৰায়ণ নামটো মুখতে আছে অৰ্থাৎ উচ্চাৰণ কৰিবলৈ অতি সহজ। কথা ভাৱৰ অধীন—ভাৱ হলেই ওলাই পৰে, মানুহে ইচ্ছা কৰিলেই অন্তৰত ভগৱানৰ ভাব উদয় হয় আৰু নাৰায়ণ শব্দ

মুখৰপৰা আপুনি ওলায়। [এইদৰে ভাব হলে আৰু ঈশ্বৰৰ নাম ললে জীৱে সহজে মুক্তি লাভ কৰিব পাৰে।] এনে অৱস্থাত কি আচৰিত কথা, যে পাপলৈ মন কৰা জীৱে বিষয়ত আসক্ত থাকি পুনঃ পুনঃ জন্মি আৰু মৰি নানা শোক, তাপ, জৰা, যন্ত্ৰণা ভোগ কৰি সংসাৰত ঘুৰি ফুৰে।

তৰ্কশাস্ত্ৰং মহাব্যাঘ্ৰী, পতিস্তত্ৰ বিশাৰদঃ
তচ্ছিষ্যাস্তৎ সুতপ্ৰায়া, ভক্ষকোপনিষদ্ গবাং ॥৪৩

[ ৪৩ ]

তৰ্ক শাস্ত্ৰ মহা ব্যাঘ্ৰী তাহান নিপুণপতি
তাৰ শিষ্য ভৈল পুত্ৰ প্ৰায়।
সংসাৰ বনত পশি পতি পুত্ৰ সমন্বিতে
উপনিষদ্ধেনু ধৰি খায় ॥

উপনিষদ—বেদ শিৰোভাগ, ব্ৰহ্মবিদ্যা, ঈশ্বৰৰ তত্ব নিৰূপণ কৰা বেদৰ শেষ অংশ, বেদান্ত, জ্ঞানকাণ্ড।

ধেনু—গাই।

তৰ্ক শাস্ত্ৰ মহা ব্যাঘ্ৰী স্বৰূপ ; তাত যিবিলাক পাৰ্গত, সেইসকল সেই ব্যাঘ্ৰীৰ পতি স্বৰূপ ( বাঘৰ দৰে ) ; তাৰ শিষ্যবিলাক অৰ্থাৎ তৰ্ক শাস্ত্ৰ মতে চলা দাৰ্শনিক মতাৱলম্বী ( বাঘ পোৱালীৰ দৰে ) বাঘ, বাঘিনী আৰু বাঘ পোৱালীবোৰে বনত সোমাই তাত চৰি ফুৰা গৰু ধৰি খোৱাৰ দৰে তৰ্ক শাস্ত্ৰ, তাত পাৰ্গত লোক

আৰু সেইমতে চলা মানুহে সংসাৰত ফুৰি ঈশ্বৰৰ তত্ত্ব থকা উপনিষদ আদি পুথি নষ্ট কৰে অৰ্থাৎ এই শাস্ত্ৰবোৰত থকা ঈশ্বৰ-তত্ত্বৰ যুক্তিবোৰত নানা মিছা আশঙ্কা উলিয়াই তৰ্ক কৰি মানুহক জড়বাদী কৰি নষ্ট কৰিব খোজে; [ তাৰ অৰ্থ নিজেও গ্ৰহণ নকৰে আৰু আনে গ্ৰহণ কৰাতো বাধা দি ফুৰে। ]

"ভক্তিত মিলয় হৰি তৰ্কে বহু দূৰ"

সৰ্ব্বশ্ৰুতি শিৰোৰত্ন ভাগৱতাৰণ্যে
হৰিনাম সিংহো বিৰাজতেঽধ্বনি।
তৎ শব্দং শ্ৰুত্বা স নিজপতিপুত্ৰা-
স্তৰ্কব্যাঘ্ৰী তূৰ্ণং ত্ৰাসাদ্ দ্ৰৱতি ॥৪৪

[ ৪৪ ]

**সৰ্ব্ব শ্ৰুতি শিৰোৰত্ন ভাগৱত বনমাজে**
**হৰিনাম সিংহ প্ৰকাশয়।**
**তাৰ মহা ধ্বনি শুনি নিজ পৰিবাৰ সমে**
**তৰ্ক ব্যাঘ্ৰী পলায় হুয়া হয় ॥**

শ্ৰুতি—কাণে কাণে চলি আহা, পাচত লিখি ৰাখা শাস্ত্ৰ; বেদ। সৰ্ব্বশ্ৰুতি শিৰোৰত্ন—বেদৰ সাৰ ভাগ।

সকলো শ্ৰুতি শাস্ত্ৰৰ অৰ্থাৎ বেদৰ সাৰ ভাগ হৈছে ভাগৱত; বনত সিংহ থাকি যিদৰে বনভূমিৰ আন আন জন্তুৰ ওপৰত প্ৰভুত্ব বঢ়ায়, সেইদৰে ভাগৱতৰ ভিতৰতো হৰি নামেইহে গৌৰৱ প্ৰকাশ

কৰে। সিংহৰ গোজৰণিত বাঘ-বাঘিনী আদি বনৰপৰা পলোৱাৰদৰে হৰি নাম-কীৰ্ত্তন কৰিলে তৰ্ক, তাৰ্কিক আৰু তৰ্কমতে চলা লোক-বিলাকৰ মনৰ অশঙ্কাবোৰ কেনিবা উফৰি যায়। [হৰিনাম সুদৃঢ় বিশ্বাস কৰি একান্ত মনে কীৰ্ত্তন, জপ আৰু চিন্তা কৰিলে ব্ৰহ্মজ্ঞান উদয় হয়, তেতিয়া আৰু কোনো আশঙ্কাই হৃদয় অধিকাৰ কৰিব নোৱাৰে।]

স্মৰ গোবিন্দং বদ গোবিন্দং ভজ গোবিন্দং মূঢ়মতে।
প্ৰাপ্তে সন্নিহিতে মৰণে ন হি ন হি ৰক্ষতি ডুকৃঞ্ কাৰণে ॥৪৫

[ ৪৫ ]

স্মৰহু গোবিন্দ মূঢ় বোলহু গোবিন্দ মূঢ়
ভজহু গোবিন্দ সৰ্ব্বক্ষণে।
মৰণ সময় পাইলে গোবিন্দেসে ৰাখিবন্ত
নাৰাখিবে "ডুকৃঞ্" কাৰণে ॥

গোবিন্দ—[ গো—বেদ, গায়ত্ৰী; বিদ—জানা ] ঈশ্বৰ।

"ডুকৃঞ" কাৰণে—( ব্যাকৰণ সিদ্ধ ধাতুপাঠ ) কৰ্ম্মাৰ্থক "কৃ" ধাতু।

হে মূঢ়, গোবিন্দক স্মৰণ কৰে, গোবিন্দৰ নাম উচ্চাৰণ কৰ আৰু গোবিন্দক সদায় আশ্ৰয় কৰ; ব্যাকৰণত পাৰ্গত হৈ "কৃ" ধাতুৰ ৰূপ সাধিব পৰা হলেও অৰ্থাৎ অকল শাস্ত্ৰাদিত পণ্ডিত হলেও গতি পাব নোৱাৰ; কিয়নো পৰমেশ্বৰক আশ্ৰয় কৰি তেওঁৰ নাম লৈ লৈ থাকিলেহে মৃত্যুৰ পাচত তেওঁ গতি দিয়ে। অকল ব্যাকৰণৰ

শব্দ-ৰূপ, ধাতু-ৰূপ সাধি থাকিলে অৰ্থাৎ পাণ্ডিত্যৱে সি মুক্তি দিব নোৱাৰে। [অথবা "কৃ" ধাতুৰপৰা সিদ্ধ হোৱা কৰ্ম্মই গতি দিব নোৱাৰে।] এই ঘোষাত মহাপুৰুষ মাধৱদেৱে তেওঁৰ সৈতে নানা খেলি মেলি ব্যাকৰণৰ তৰ্ক কৰা পণ্ডিতসকলক ইঙ্গিত কৰা যেনও বুজা যায়।

অন্য দেৱ সমং বিষ্ণুং যে বদন্ত্যল্পমেধসঃ
তেষাং বৈ নিৰয়ে বাসঃ পাপযোনিষু চোদ্ভৱঃ ॥৪৬

[ ৪৬ ]

ঈশ্বৰ কৃষ্ণক যিটো অন্য দেৱতাৰ সম
বোলয় অধম মূঢ়মতি।
চৌৰাশী নৰক ভুঞ্জি পাপৰ যোনিত সিটো
অৱশ্যে হুইবেক উতপতি॥

পাপৰ যোনি—যোনিৰ পৰাই জন্ম লাভ কৰে; জন্মিলে পুনৰ বিষয় বাসনাই লাগ দিয়ে; সেয়ে পাপৰ যোনি বুলিছে।

চৌৰাশী নৰক—নৰক পাপ ভোগৰ স্থান। মৃত্যুৰ পাচত যি ঠাইলৈ গৈ পাপীবিলাকে পাপ ভোগ কৰিব লাগে। যেতিয়া আমাৰ এই দেহ ভস্মীভূত হয়, তেতিয়া আমাৰ সূক্ষ্ম শৰীৰে স্বৰ্গ-নৰক ভোগ কৰে। নৰকৰ সংখ্যা সম্বন্ধে নানা শাস্ত্ৰৰ নানা মত। ভাগৱতৰ মতে নৰক একৈশখন, ব্ৰহ্মবৈবৰ্ত্ত পুৰাণৰ মতে

ছয়াশীখন নৰককুণ্ড। ভাগৱতৰ মতে নৰক পৃথিৱীৰ দক্ষিণফালে মাটিৰ তলত পানীৰ ওপৰত; তাত যম সপৰিবাৰে আছে। মানুহ মৰাৰ পাচত যমে জীৱবোৰ তালৈ নি পাপ-পুণ্যৰ বিচাৰ কৰে। নৰকবোৰ তাতেই আছে বুলি কয়। [চৌৰাশী নৰক অৰ্থে অসংখ্য নৰক ধৰাই বোধ কৰো ভাল হব।

## কেইখনমান নৰকৰ বিবৰণ তুলি দিয়া হল ঃ—

**তামিশ্র নৰক :**—ঘিটমিটীয়া আন্ধাৰ; পাপী ইয়াত পৰি খাবলৈ ভাত-পানী একো নাপায়; যমদূতে টঙনিয়ায়। পৰ-ধন, পৰ-স্ত্ৰী আৰু পৰ-পুত্ৰ যি হৰণ কৰে, সি সেই নৰক ভোগ কৰিবলৈ পায়।

**অন্ধতামিশ্র নৰক :**—এই নৰকত পাপীৰ বুদ্ধি নষ্ট আৰু স্মৃতি ভ্ৰম হয়। যমদূতে ইয়াত পাপীক নানা যাতনা দিয়ে। যি পতিক বঞ্চনা কৰি নিজে সুখ ভোগ কৰে, সি এই নৰক পায়।

**ৰৌৰৱ নৰক :**—সাপতকৈও এক প্ৰকাণ্ড খঙাল প্ৰাণী আছে তাক ৰুৰু বোলে। এই নৰকত পাপীক ৰুৰুৱে খোটে। যি মানুহে "এই শৰীৰেই মই", "এইবোৰ ধন মোৰ" এনে অজ্ঞানত মুগ্ধ হৈ প্ৰাণীৰ অনিষ্ট কৰে সি মৰাৰ পাচত এই নৰক ভোগ কৰে।

কুম্ভীপাক নৰক :—তপত তেলত পেলাই দিয়া নৰক। যি যৰ খণ্ডাৰ আৰু যি জীৱবিলাকৰ নিমিত্তে পশু বা পক্ষী মাৰি ফুৰে, সি এই নৰকত পৰে।

অসিপত্ৰ নৰক :—যমদূতৰ প্ৰহাৰত পাপী অস্থিৰ। যিবিলাকে স্বধৰ্ম্ম আৰু বেদপথ এৰে, সি এই নৰক ভোগ কৰে।

শূকৰমুখ নৰক :—যি ৰজা বা বিষয়াই দণ্ড পাবলগীয়া দোষীক দণ্ড নিদিয়ে, সেই ৰজা বা বিষয়া এই নৰকত পৰে। পাপীক ইয়াত কুঁহিয়াৰ শালত কুঁহিয়াৰ চেপাৰদৰে চেপে।

বিশসন নৰক :—যি অহঙ্কাৰ কৰি নিজৰ গৌৰৱ বঢ়াবলৈ যজ্ঞ কৰে আৰু পশু বলি কাটে, সি এই নৰকত পৰে। ইয়াত যমদূতে পাপীক নানা ক্লেশ দি পাপীৰ অঙ্গ ছেদ কৰে।

যিবিলাক পুৰুষে অগম্যা স্ত্ৰী-গমন কৰে আৰু যিবিলাক স্ত্ৰী অগম্য পুৰুষৰ লগত সঙ্গম কৰে, পৰকালত এই দুইক যমদূতে প্ৰথমতে টঙনিয়ায়, পাচত পুৰুষক তপত লোৰ স্ত্ৰী-প্ৰতিমাৰে আৰু স্ত্ৰীক তপত লোৰ পুৰুষ-প্ৰতিমাৰে আলিঙ্গন কৰায়।

[ ঈশ্বৰেহে গতি বা মুক্তি দিব পাৰে। আন দেৱ-দেৱীয়ে নোৱাৰে। ] যি মানুহে পৰমেশ্বৰক আন দেৱ-দেৱীৰ সমান বুলি ভাৱে সি একো নাজানে আৰু অতি নীচ। সি হৰিক নভজাৰ কাৰণে মুক্তিলাভ কৰিব নোৱাৰে; পাপৰ ফলত কিছুদিন নৰক ভোগ কৰি আকৌ জন্ম ধৰে; এই জন্মতো বাসনাই লাগ ধৰাত পুনৰ নৰক ভোগ কৰে, আকৌ জন্ম ধৰে। এইদৰে পাপ কৰ্ম্মৰ ফল স্বৰূপ নানা যোনিত জন্ম লাভ কৰি অসংখ্য নৰক ভোগ

কৰি সেই জীৱ ঘূৰি ফুৰে ; সি কেতিয়াও মুক্তি লাভ কৰিব নোৱাৰে।

মায়াদয়ো জড়াঃ সৰ্ব্বে কৃষ্ণস্তু শুদ্ধচিদ্ ঘনঃ।
জড়ং ভজন্তি তং ত্যক্ত্বা অহো মূঢ়া ব্ৰজন্ত্যধঃ॥

[ ৪৭ ]

মায়া আদি কৰি যত সমস্ত জগত জড়
কৃষ্ণেসে চৈতন্য আত্মা শুদ্ধ।
চৈতন্য কৃষ্ণক এৰি জড়ক ভজিয়া মৰে
কিনো লোক অধম মুগুধ॥

আমাৰ দেহৰ ভিতৰত যি মন, বুদ্ধি ভূত, ইন্দ্ৰিয়, মায়া বা প্ৰকৃতি আৰু বাজত যিবোৰ স্থূল-সূক্ষ্ম বস্তু দেখোঁ, সকলোবোৰে জড়, সকলোবোৰে শুদ্ধ-আত্মা কৃষ্ণহে মাত্ৰ ; তেওঁহে চৈতন্য ; অৰ্থাৎ ভগৱানৰ বাহিৰে জগতত যিমান বস্তু দেখোঁ আৰু আছে বুলি ধাৰণা কৰোঁ সকলোবোৰ জড়, কাৰো নিজা চৈতন্য নাই। ভগৱানৰ দ্বাৰা সকলোবোৰ চৈতন্যময় হৈছে। ভগৱান সকলোৰে চৈতন্যময় সত্তা ; যত দেখোঁ সকলো বস্তু তেজৰপৰা উদ্ভৱ হৈছে আৰু তেওঁতে লীণ যায়। [এবাঁ গাখীৰ দৈ মৰাৰ নিচিনা যিমান দেৱ-দেৱী ; কীট-পতঙ্গ পশু-পক্ষী আছে সকলো জড়।] এনে অৱস্থাত মানুহ কেনে অজ্ঞান যে, জগতৰ সত্তা চৈতন্যময় ভগৱানক আশ্ৰয় নকৰি, মায়াৰধাৰা হোৱা আন দেৱ-দেৱীক পূজা কৰি অবাৰত দিন নিয়ায়।

যাগ যোগ যজ্ঞ দান তপো জপ তীৰ্থ ব্ৰতান্ত
স্বগমে ন স্মৰন্তি।
সৰ্ব্বে ম্ৰিয়মাণং জনং মধ্যং কৃত্বা ৰামমুচ্চৈকচ্যতাং
তস্য হেলা ন কৰ্ত্তব্যা ॥৪৮

[ ৪৮ ]

তপ, জপ তীৰ্থ, ব্ৰত, যাগ, যোগ, যজ্ঞ, দান
কাকো নুস্মৰে মৃত্যু বেলা।
মৰন্তা জনক বেঢ়ি বোলে সবে ৰাম বোল
হেন নামে এতিক্ষণে হেলা ॥

তপ, জপ, যাগ, যোগ আদি যিমান বিধ ধৰ্ম্মাৰ্থে কৰণীয় কাম আছে, মানুহ মৰিবৰ আগখিনি সময়ত তাৰ কোনো এবিধকে কৰিব নোৱাৰে ; [ সেই সময়ত কেৱল সহজ ঈশ্বৰৰ নামকে লব পাৰি। ] সেই কাৰণে মৰিব ওলোৱা মানুহক আত্মীয় কুটুম্বে বেঢ়ি ধৰি "ৰাম বোল ৰাম বোল" হে কৰে। অন্তিম কালতো লব পাৰা এনে সহজ নাম ভালে থাকা অৱস্থাত নবলৈ হেলা কৰা উচিতনে? [ শ্ৰীশঙ্কৰদেৱ আৰু মাধৱদেৱৰ সময়ত যিসকল পণ্ডিতে নামক প্ৰাধান্য নিদি তপ, জপ, কৰ্ম্ম ব্যাখ্যা প্ৰচাৰ কৰিছিল, সেই-বিলাকেও চিৰকাল চলি অহা প্ৰথামতে মৰিবৰ সময়ত বন্ধু-বান্ধৱৰ নামকেহে স্মৰণ কৰাইছিল। এই ঘোষাৰে তেনে লোকসকলক ইঙ্গিত কৰিছে।

সর্ব্বং ত্যক্ত্বা প্ৰাণৰোধে বন্ধু হৰিনামং স্মৰেৎ।
তন্নাম কলুষী কৃত্বা কিন্নু স্মৰন্তি সর্ব্বদা ॥৪৯

[ ৪৯ ]

পৰলোক সময়ৰ বান্ধৱ হৰিৰ নাম
সব এৰি যিহেতু সুমৰে।
এতিক্ষণে কি কাৰণে হেনয় হৰিৰ নাম
মলমতি নৰে নুসুমৰে ॥

বান্ধৱ—লগৰীয়া, সম্বল।

মৰণ কালত তপ, জপ, যজ্ঞ আদি আচৰণ কৰা সম্ভৱ নহয়, সেই সকলোকে মানুহে এৰি সেই সময়ত কেৱল হৰিনামহে লয়। হৰিনাম লৈয়েই জীৱে মুক্তি লাভ কৰে। এনে অৱস্থাত ভালে থকা সময়তনো কিয় পাপমতি মানুহে এনেকুৱা পৱিত্ৰ আৰু সহজ নাম লবলৈ হেলা কৰে?

অপহায় হৰের্ন্নাম ঘোৰ সংসাৰ ভেষজং।
আত্মনো লভতে মুক্তিং কেনোপায়েন পণ্ডিতঃ ॥৫০

[ ৫০ ]

দুৰ্ঘোৰ সংসাৰ ইটো ব্যাধিৰ ঔষধ মহা
ত্যজি হৰি-নামক সম্প্ৰতি।
কমন উপায়ে আন পণ্ডিতসকলে আৰো
লভিবেক আপোন মুকুতি ॥

দুৰ্ঘোৰ—ভয়লগা।

সম্প্ৰতি—বৰ্ত্তমান, এতিয়া, এই জীৱনত।

[ সংসাৰ বা বিষয় বাসনাক ব্যাধিৰ লগত আৰু হৰিনামক ঔষধৰ লগত তুলনা কৰিছে। [ ব্যাধিয়ে যেনেকৈ মানুহক নানা যন্ত্ৰণা দিয়ে বিষয় বাসনায়ো জীৱক সংসাৰত পুনঃ পুনঃ জন্ম দি অশেষ কষ্ট দিয়ে; আৰু ঔষধে ব্যাধি আৰোগ্য কৰাৰ দৰে হৰিৰ নামেও জীৱক সংসাৰ বন্ধনৰপৰা মুক্ত কৰে। সংসাৰ ৰূপ ব্যাধিৰ মহা ঔষধ হৰিনাম [অশেষ যোনি ঘূৰি পোৱা] এই মনুষ্য জন্মত নলৈ, শাস্ত্ৰ আদি জানা লোকসকলেনো আন কি উপায়ে নিজৰ মুক্তি লাভ কৰিব ?

পণ্ডিতং মানুষং লব্ধ্বা ন গতিং সাধয়েন্নৰঃ।
দুঃখং ভুঙ্‌ক্ত্বা জন্ম কোটিং সংসাৰে মজ্জতি পুনঃ ॥৫১

[৫১]

লভিয়া মনুষ্য তনু যিসব পণ্ডিত নৰে
নসাধিলে গতি আপোনাৰ।
কোটি জনমক লাগি সংসাৰ সাগৰে মজ্জি
ফুৰিবেক ভুঞ্জিয়া নিকাৰ ॥

যিসকল পণ্ডিত লোকে জানি শুনি অসংখ্য জন্মৰ সুকৃতিৰ ফলস্বৰূপ সকলো জন্মতকৈ শ্ৰেষ্ঠ মনুষ্যজন্ম লাভ কৰি নিজৰ গতি নাসাধিলে, অৰ্থাৎ ভগৱানক ভাবি মুক্তিলাভ নকৰিলে, তেওঁলোকে

[এই জন্মতো বিষয়ত আৱদ্ধ থকাৰ কাৰণে] কোটি কেটিবাৰ সংসাৰত নানা জীৱৰূপে জন্মি সংসাৰত আৰু কু-কৰ্ম্মৰ ফলত নৰকত নিকাৰ ভোগ কৰি ঘূৰি ফুৰিব লাগিব।

অনাৰাধিত গোবিন্দঃ কো বা কুত্র সুখী ভবেৎ।
ইতি ৰৌতি চ দাত্যূহঃ কো বা কো বা ক্ব বা ক্ব বা ॥৫২

## নমস্কাৰ

[ ৫২ ]

গোবিন্দক নাৰাধিয়া কোন কালে কদাচিতো
সুখী হুয়া আছে কোন জন।
হেন শিক্ষা মনে ধৰি ডাউকে বোলয় সদা
কো বা কো বা ক্ব বা ক্ব বচন।

কো বা কো বা ক্ব বা ক্ব বচন—ডাউক চৰাইয়ে কৰা শব্দ।
( কঃ+বা=কো বা ; অৰ্থাৎ কোন মানুহ।
ক্ব বা=ক'ত বা কোন কালত। বচন—বাক্য,
কথা। )—কবিৰ কল্পনাপ্ৰসূত শব্দ।

সত্য, ত্ৰেতা, দ্বাপৰ, কলি কোনো যুগতে কেতিয়াও ভগৱানক আৰাধনা নকৰাকৈ মানুহ সুখী হব পৰা নাই। [ ডাউক নামে চৰাইে সদায় "কোবা কোবা" কৰে ; তাকে দেখি কবিয়ে কল্পনা

কৰি কৈছে ] ডাউকে এনে শিক্ষাকে লৈ [ অৰ্থাৎ ঈশ্বৰক নভজি কোনোৱে কেতিয়াও সুখী হব পৰা নাই এইটো বুজি ] "কোবা কোবা" শব্দেৰে "কোন বা, কোন বা, সুখী হৈছে" ? বুলি সদায় কয়। অৰ্থাৎ গোবিন্দক আৰাধনা নকৰাকৈ কোন মানুহে ক'ত বা কোন কালত কেতিয়া সুখী হৈছে ?

কেশবায় পৰো দেৱো ন নায়ঃ ধৰ্ম্ম উত্তম ঃ।
শঙ্কৰায় পৰো গুৰুঃ ন ভক্তিঃ সজ্জনাদ্বিনা ॥৫৩

[ ৫৩ ]

শঙ্কৰেসে শুদ্ধ মত ঈশ্বৰ ভক্তিৰ তত্ত্ব
প্ৰচাৰিলা শাস্ত্ৰ সাৰ জানি।
ইহাক নজানি নৰে জীৱিকাৰ অৰ্থে ফুৰে
আপোনাৰ মহত্ত্ব বখানি ॥

[ যি সময়ত অসমত তন্ত্ৰৰ বিকৃত মত বহল ৰূপে চলিছিল, লোকে ক্ৰিয়াকাণ্ডকে সাৰটি ধৰিছিল ; সেই সময়ত কেৱল ] শ্ৰীমন্ত শঙ্কৰেহে হিন্দুৰ বেদ-বেদান্ত, পুৰাণ-তন্ত্ৰ, উপনিষদ আদি শাস্ত্ৰবোৰৰ সাৰ মৰ্ম্ম বুজি পৰমেশ্বৰৰ ভক্তিৰ সনাতন শুদ্ধমত আৰু তত্ত্ব সত্বগুণাত্মক শাস্ত্ৰৰপৰা আনি প্ৰচাৰ কৰিলে। কিছুমান লোকে এই মত আৰু তত্ত্ব লাভ নকৰাকৈয়ে জীৱিকাৰ নিমিত্তে নিজে সকলো জানে, এই নিচিনা ভাৱ দেখুৱাই আপোন গৌৰৱ বখানি ফুৰে ; অৰ্থাৎ নিজে ধৰ্ম্মতত্ত্ব নাজানি মিছাকৈ জনাৰ ভাৱ দেখুৱাই জীৱিকাৰ নিমিত্তে সমাজত গুৰুগিৰি কৰি ফুৰে।

সত্ত্বগুণৰ শাস্ত্ৰ যথা—বিষ্ণুপুৰাণ, নাৰদীয়, ভাগৱত, গীতা, গৰুড় পুৰাণ, পদ্মপুৰাণ আদি।

তস্যোপদেশমাশ্ৰিত্য বহবো মনুজস্তদা।
ভৱবন্ধ বিনিৰ্ম্মুক্তা যাস্যন্তি কেশৱালয়ম্ ॥

( ৫৪—৫৫ )

[ ৫৪ ]

শঙ্কৰে সংশয় ছেদি শাস্ত্ৰৰ তত্ত্বক ভেদি
প্ৰচাৰিলা কৃষ্ণৰ ভকতি।
তাঙ্ক এৰি কি কাৰণে আনক বোলয় গুৰু
কিনো লোক মহা মূঢ়মতি ॥

শ্ৰীমন্ত শঙ্কৰেহে বিভিন্ন শাস্ত্ৰৰ বিভিন্ন মতবোৰ বুজি সকলো সংশয় ভঞ্জন কৰি ( সকলোৰে সামঞ্জস্য ঘটাই ) একমাত্ৰ ভগৱন্তৰ ভক্তি জগতত প্ৰচাৰ কৰিলে; এনে অৱস্থাত সেই তত্ত্বজ্ঞ পুৰুষক গুৰু বুলি নধৰি তত্ত্ব অনভিজ্ঞ আনলোকৰ চাতুৰিত ভোল গৈ কিয় সিবিলাকক গুৰু বুলি ধৰে? মানুহবিলাক কি মহামূঢ়? [ গুৰু বুলিলে কেৱল মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰকে বুজিব লাগে। পৰৱৰ্ত্তী উপদেশদাতাসকলেও শ্ৰীমন্ত শঙ্কৰকে গুৰু বুলি চিনাব লাগে।]

[ ৫৫ ]

নাজানে শাস্ত্ৰৰ লয় যেহি আসে তাকে কয়
ছেদিবাক নপাৰে সংশয়।

গুৰু বোলাই তথাপিতো ফুৰিয়া লোকৰ মাজে
মান্য সতকাৰ খুজি লয় ॥

লয়—তত্ত্ব, শাস্ত্ৰ-সমন্বয়।

[এনে কিছুমান গুৰু-নামধাৰী লোক আছে] তেওঁলোকে ধৰ্ম্ম শাস্ত্ৰবোৰৰ সামঞ্জস্য ঘটাব নোৱাৰে বা তত্ত্ব নুবুজে, মুখত যেতিয়াই যি আহে তাকে কয়, তেওঁলোকে মানুহৰ (শিষ্যৰ) মনৰ আশঙ্কাবোৰো আঁতৰাব নোৱাৰে; তথাপি এই নিচিনা ধৰ্ম্মতত্ত্ব নুবুজা মানুহেও নিজকে গুৰু বুলি দেখুৱাই লোক সমাজত ফুৰে; আৰু সকলোৰে পৰা মান সৎকাৰ পাবলৈ আশা কৰে]. [নিজে একো নাজানিলে, সাধাৰণ মানুহক ভুৱা দি নিজকে গুৰু বুলি চিনোৱা লোকবিলাক বঞ্চক।

বাচা বদেদ্ধৰেৰ্নাম চেতোঽন্যো দেৱতাং ভজেৎ।
ন স সিদ্ধিমবাপ্নোতি তস্য ন তুষ্যতি হৰিঃ ॥৫৬

[৫৬]

বচনে কেৱল মাত্ৰ হৰিত শৰণ লয়
চিত্তে আন দেৱক ভজয়।
জানিবাহা কদাচিতো সিদ্ধি সিটো নলভয়
হৰি তাৰ সন্তোষ নহয় ॥

[যি মানুহে মন থিৰ কৰি একান্তমনে ভগৱানক আশ্ৰয় নলয়, কেৱল কথাত ভগৱানক আশ্ৰয় কৰা দেখুৱায় অৰ্থাৎ মনত

আন কথা ভাবি আৰু মুখত আন ৰূপ ধ্যান কৰি "হৰি হৰি ৰাম ৰাম" কৰে, সেই মনুহে কেতিয়াও ঈশ্বৰক পাব নোৱাৰে, ঈশ্বৰ সেই লোকৰ প্ৰতি সন্তুষ্ট নহয়। [এনেকুৱা মানুহৰ ভক্তি ব্যভিচাৰী হয়। ঈশ্বৰক পাবলৈ হলে ঐকান্তিকতা লাগে; একান্ত মনে তেওঁকে আশ্ৰয় কৰি মনত তেওঁক ধ্যান কৰি মুখত তেওঁৰ নাম লব লাগে আৰু যিবোৰ সংসাৰৰ কাম কৰা যায়, সকলোবোৰ তেওঁৰ বুলি বোধ কৰিব লাগে। মুখত ঈশ্বৰৰ নাম লৈ অন্তৰত যদি আন কথা ভাবা যায়, আৰু সংসাৰৰ কামবোৰ নিজে কৰা ফল আকাঙ্ক্ষা কৰা হয়, তেন্তে সেইলোক ঈশ্বৰৰ প্ৰিয়পাত্ৰ হব নোৱাৰে, ঈশ্বৰক তেওঁ নাপায়; তেওঁৰ নাম লোৱা অথলে যায়।

অতএব ত্বাং বহুধা বৰ্ণয়ন্তি তত্ত্বন্তু কেঽপি ন জানন্তি ইত্যাহ।

ত্বাং ব্ৰহ্ম কেচিদবয়াস্ত্যত ধৰ্ম্মমেকে,<br>
একে পৰঃ সদসতোঃ পুৰুষং পৰেশং।<br>
অন্যে বদন্তি নবশক্তি যুতং পৰং ত্বাং<br>
কেচিন্মহাপুৰুষমব্যয়মাত্মতত্ত্বং ॥৫৭

[ ৫৭ ]

আগম নিগম তৰ্ক পুৰাণ ভাৰত যত<br>
ইতিহাস তন্ত্ৰ-মন্ত্ৰচয়।<br>
হে হৰি তোমাতেসে খেলায় কেৱল বাদ<br>
তোমাৰ তত্ত্বক নজানয় ॥

আগম—তন্ত্ৰাদি শাস্ত্ৰ, শিৱে কোৱা, পাৰ্ব্বতীয়ে শুনা আৰু বাসুদেৱে অনুমোদন কৰা পুথি। ক্ৰিয়াকাণ্ড বুজোৱা বেদৰ অঙ্গবোৰ বা কৰ্ম্মকাণ্ড।

নিগম—শ্ৰুতি বা বেদৰ জ্ঞানকাণ্ড] বেদান্ত, উপনিষদ।

হে হৰি, বেদ, বেদান্ত, দৰ্শন, পুৰাণ, মহাভাৰত, ইতিহাস, তন্ত্ৰ, মন্ত্ৰ আদি বিভিন্ন বিভিন্ন শাস্ত্ৰত তোমাৰ বিভিন্ন প্ৰকাৰৰ বৰ্ণনা দি তোমাৰ নিগূঢ় তত্ত্ব প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছে; কিন্তু তুমি যেন মহান আৰু সূক্ষ্মতম, তাক এই শাস্ত্ৰবোৰে কেনেকৈ প্ৰকাশ কৰিব? তোমাক লৈ বিভিন্ন শাস্ত্ৰে বিভিন্ন প্ৰকাৰ কেৱল তৰ্কবাদহে খেলাইছে। কোনো শাস্ত্ৰে কিন্তু তোমাৰ আচল স্বৰূপ প্ৰকাশ কৰিব পৰা নাই। [বেদ-বেদান্ত আদি শাস্ত্ৰ জানিলে ঈশ্বৰক জনা নহয়; ঈশ্বৰ জ্ঞান শাস্ত্ৰবো অতীত; তেওঁ কেৱল অনুভৱৰ বস্তু; অৰ্থাৎ ভক্তিৰেহে আৰ্জিব পৰা ধন।]

ভোগৈশ্বৰ্য্যমদোন্মত্ততত্ত্বজ্ঞানপৰাঙ্মুখ।
সংসাৰাব্ধৌ মহাপঙ্কে জীৰ্ণা গৌৰিব মজ্জতি ॥৫৮

[ ৪৮ ]

ঐশ্বৰ্য্য ভোগৰ মদে মত্ত হুয়া ঈশ্বৰত
পৰাঙ্মুখ ভৈল যিটো জন।
যেন জীৰ্ণা গাই অতি দুৰ্ঘোৰ সংসাৰ মহা
পঙ্কে পৰি হোৱয় মগন ॥

পৰাঙ্মুখ ভৈল—পিঠি দিলে।

মদ—অহঙ্কাৰ।

যি মানুহে ধন, ঐশ্বৰ্য্য, বিদ্যা আৰু বুদ্ধিৰ অহঙ্কাৰত ঈশ্বৰলৈ পিঠি দিয়ে, সেই মানুহ জীৰ্ণা ( হাড়-ছাল ওলোৱা ক্ষীণা ) গাই বোকাত পৰি উঠিব নোৱাৰাৰ দৰে সংসাৰত আৱদ্ধ হৈ অৰ্থাৎ বিষয় বাসনাত লিপ্ত হৈ সংসাৰতে ঘূৰি থাকে; সেই জীৱে কেতিয়াও মুক্তিলাভ কৰিব নোৱাৰে; [ ঈশ্বৰক চিন্তা নকৰা লোকে মুক্তি লাভ কৰিব নোৱাৰে, সংসাৰত পুনঃ পুনঃ জন্মে আৰু নানা প্ৰকাৰ যন্ত্ৰণা ভোগ কৰে। ]

হৰেৰ্নাম ধ্বজীকৃত্য ত্যক্ত্বা বৈ বেদপদ্ধতিং।
শিশ্নোদৰপৰো ভ্ৰষ্টঃ স ইহামুত্ৰ নজ্জতি ॥৫৯

[ ৫৯ ]

হৰি নাম ধ্বজা কৰি বেদ পথ পৰিহৰি
ফুৰে আতি পাষণ্ডসকল।
ইহ পৰলোকে ভ্ৰষ্ট হুয়া পেট পুষি মাত্ৰ
ফুৰিবেক পৰম নিষ্খল॥

ধ্বজা—পতাকা চিন।

নিষ্খল—নিলাজ, ক্ৰূৰ।

দুষ্ট প্ৰকৃতিৰ মানুহবিলাকে হৰি নামৰ পতাকা লৈ অৰ্থাৎ ৰাজহুৱা হৰিনাম কৰা দেখুৱাই শাস্ত্ৰে দেখুৱা বাট এৰি ব্যভিচাৰ

কৰি ফুৰে। [হৰিনামেই সত্য, "ষত বেদ বেদান্ত, হৰি-নামে কৰে সবাকে সসাঙ্গ" ইত্যাদি বচন মুখত বুলি অৰ্থাৎ বাজত পৰম ভক্তিৰ ভাৱ দেখুৱাই বেদ বিহিত কৰ্ম্মবোৰ কৰিবলৈ এৰি নানাবিধ অনাচাৰ কৰি ফুৰে *। এই নিলাজ লোকবিলাকৰ ইহকাল-পৰকাল দুয়োকাল ভ্ৰষ্ট অৰ্থাৎ তেওঁলোকে এই জন্মতো শান্তি নাপায় আৰু দুষ্কৰ্ম কৰাৰ ফল-স্বৰূপ পৰজন্মতো সুখ নাপায় নানা নৰক ভোগ কৰে, নানা যোনিত জন্ম লয়]। তেওঁলোকে কেৱল এই দুৰ্লভ মনুষ্য জন্ম লাভ কৰি কেৱল পেট পুহিহে জীৱন কটায়।

যদা পৰমানন্দ গুৰু ভবৎপদে পদং মনো মে ভগৱল্লভতে।
তদা নিৰস্তাখিল সাধন শ্ৰমঃ শ্ৰয়েয়ং সৌখ্যং ভবতঃ কৃপাতঃ ॥৬০

## প্ৰাৰ্থনা

[ ৬০ ]

হে ভগৱন্ত গুৰু তযু পদে মন মোৰ
যি কালত স্থিতিক লভয়।
তোমাৰ কৃপাত তেৱে সকল সাধন শ্ৰম
এৰাই সুখী হৈবোহু নিশ্চয় ॥

* সহজীয়া, দিগম্বৰী, ৰাতিখোৱা, গোপীধৰা আদি তন্ত্ৰ ; বৌদ্ধ আৰু বৈষ্ণৱ ধৰ্ম্মৰ বিকৃত সানমিহলি মতবোৰলৈ আঙুলিয়াইছে।

গুৰু—ধৰ্মৰ উপদেশ দিওঁতা, আচাৰ্য্য, অধ্যাপক, পূজনীয় লোক, শ্ৰেষ্ঠ, আৰাধ্য জন।

হে মোৰ আৰাধনাৰ বস্তু ভগৱান, তোমাৰ পদত দি সময়ত মোৰ মন লাগি থাকে, [ সেই সময় মোক দিয়া ; অৰ্থাৎ মোৰ মন তোমাৰ চিন্তাত যাতে নিবিষ্ট থাকে, তেনে কৃপা মোক কৰা। ] এইখিনি কৃপা মই পালে, তোমাক পাবলৈ কৰা মোৰ সকলো দুখ-কষ্ট আঁতৰ হব অৰ্থাৎ তোমাক পাই সেইবোৰ মই পাহৰিম, তেতিয়া মই নিশ্চয় সন্তোষ লাভ কৰিব পাৰিম। [ ভগৱানক ভাবোঁতে ভাবোঁতে সদায় তেওঁত মন লাগি থকা হলে, ঈশ্বৰ লাভৰ অৰ্থে নিয়ম, সংযম, কৰ্ম আদি একোৰে আৱশ্যক নোহোৱা হয়, তেতিয়া জীৱৰ পৰম সন্তোষ বা আনন্দ ভাৱৰ উদয় হয়। এই ঘোষাত সেই অৱস্থা কামনা কৰিছে। ]

চৰণ-স্মৰণ প্ৰেম্না তব দেৱ সুদুৰ্ল্লভং।
যথাকথঞ্চিন্নৃহৰে মম ভূয়াদহৰ্ন্নিশং ॥৬১

[ ৬১ ]

হে প্ৰভু নৰহৰি তোমাৰ চৰণে দুইকো
প্ৰেম ভাৱে স্মৰণ দুৰ্ল্লভ।
যথা কথঞ্চিত ৰূপে অহৰ্নিশে প্ৰভু মোৰ
সুমৰণ হওক সুলভ ॥

নৰসিংহ—নৰসিংহ অৱতাৰ ; নৰৰ দুখ হৰণ কৰোঁতা।

যথাকথঞ্চিতৰূপে—নিজৰ ক্ষুদ্ৰ শক্তি অনুসাৰে, অতি সামান্য ভাৱে।

হে নৰহৰি প্ৰভু, "তুমি মোৰ প্ৰিয়তম" বুলি তোমাক ভালপোৱা ভাৱত, তোমাৰ পদ স্মৰণ কৰা বা তোমাক ধাৰণা কৰা বৰ টান ; সেই কাৰণে মোৰ ক্ষুদ্ৰশক্তি অনুসাৰে অতি সামান্য ভাৱে যাতে মই তোমাক সদায় ভাবিব পাৰোঁ, তেনে কৃপা মোক কৰা ; [ সদায় তোমাক মই মনত ৰাখি চলা অভ্যাস মোত জন্মোৱা বা সহজতে যাতে মই তোমাক সদায় মন কৰি চলিব পাৰোঁ তেনে কৃপা কৰা । ]

তন্নঃ প্ৰভো ত্বং কু-কলেৱৰাৰ্পিতাং
ত্বন্মায়য়াহম্মমতামধোক্ষজ ॥
ভিন্দ্যাম যেনাশু বয়ং সুদুৰ্ভিদাং ।
বিধেহি যোগং ত্বয়ি নঃ স্বভাৱজং ॥
( ৬২—৬৬ )

[ ৬২ ]

**হে প্ৰাণবন্ধু কৃষ্ণ কৃপাৰ সাগৰ হৰি**
**কৃপা দৃষ্টি চাহিয়োক মোক ।**
**সহজ বাসনা ৰূপে শৰণ দিয়োক নাথ**
**মোৰ অহঙ্কাৰ দূৰ হোক ॥**

সহজ বাসনা—স্বভাৱতে তোমাক ভজিবলৈ অভিলাষ হোৱাকৈ ।

হে প্ৰাণবন্ধু কৃষ্ণ, হে দয়াময় হৰি, মোক অনুগ্ৰহ দৃষ্টিৰে চোৱা, প্ৰভু ! মোৰ মনে যেন স্বাভাৱিকে তোমাত আশ্ৰয় লয় অৰ্থাৎ মোৰ মনে তোমাত লাগি থকা যেন অভ্যাস জন্মে, তোমাক

নাভাবাকৈ যেন মোৰ মন থাকিব নোৱাৰে; মোৰ 'মই' ভাৱ যেন লোপ হয়। [প্ৰভু, তুমি মোক কৃপা কৰা, যেন মই তোমাক নাভাবি থাকিব নোৱাৰা হওঁ; মোৰ 'মইবৰ ভাৱ' লোপ হয় আৰু সি গৈ তোমাত মিলি যায়।

[ ৬৩ ]

নমো ৰাম কৃষ্ণ হৰি নাৰায়ণ নিৰঞ্জন
নমো দেৱ দৈৱকী দায়াদ।
পৰম অনাথ আমি তোমাৰ চৰণে নমি
মাগো প্ৰভু ভকতি প্ৰসাদ ॥

দায়াদ—[ দায়—পৈত্ৰিক ধন, + আ + দা = গ্ৰহণ কৰা। ]
ধনভাগী, পুত্ৰ।
প্ৰসাদ—প্ৰসন্নতা, অনুগ্ৰহ, দেৱতা-গুৰুৰ খাই এৰা বস্তু।

হে ৰাম-কৃষ্ণ, হৰি, নাৰায়ণ, নিৰঞ্জন, দৈৱকী-নন্দন, তোমাক প্ৰণাম কৰো; মই অতি নিৰাশ্ৰয়, প্ৰভু তোমাৰ চৰণত সেৱা কৰি ভক্তি ৰূপ প্ৰসাদ ভিক্ষা কৰোঁ অৰ্থাৎ তোমাৰ আশ্ৰয় লৈ অতি কাকুতি ভাৱে তোমাৰ ভক্তি পাবলৈ বাঞ্ছা কৰোঁ।

[ ৬৪ ]

ব্ৰহ্মা হৰ পুৰন্দৰ আদি দেৱ নিৰন্তৰ
যাত সদা পশয় শৰণে,
আন আৰ নাহি ত্ৰিভুৱনে।

ভকত জনৰ বন্ধু কেৱল করুণা সিন্ধু
মোৰ গতি তোমাৰ চৰণে ॥

ব্ৰহ্মা, হৰ, ইন্দ্ৰ আদি দেৱতাসকলে যিজনত সদায় আশ্ৰয় লয়, যিজনৰ বাহিৰে স্বৰ্গ, মৰ্ত্ত্য, পাতাল তিনি লোকত আৰু শ্ৰেষ্ঠ দেৱতা নাই; হে হৰি! তুমিয়েই ভকতৰ বন্ধু আৰু পৰম কৃপালু সেই দেৱতা; তোমাৰ চৰণত মোৰ গতি হওক অৰ্থাৎ তুমি কৃপা কৰা, যেন মই তোমাক আশ্ৰয় কৰিব পাৰোঁ।

[ ৬৫ ]

মায়াৰ নিগ্ৰহে মই পৰম আতুৰ ভৈলো
প্ৰাণ যদুপতি জীৱন যদুপতি।
অনাথৰ নাথ হৰি তুমি কৃপাময় বিনে
মোৰ আৰ নাহি আন গতি ॥

নিগ্ৰহ—পীড়া।

হে মোৰ প্ৰাণ প্ৰিয়তম যদুপতি, মই মায়াত পৰি বৰ আতুৰ হলোঁ। [ মোক স্ত্ৰী, পুত্ৰ, ধন আদিৰ মোহে এনেকৈ পীড়া কৰিছে, যেন কোনোমতে মোৰ মন সেইবোৰৰপৰা আনি তোমাৰ চিন্তাত লগাব নোৱাৰোঁ; সেইবোৰৰ চিন্তাতে মোৰ মন বৰ অস্থিৰ, মোৰ মনত অলপো শান্তি নাই। ] হে সৰ্ব্বদুখ হৰণ কৰোঁতা হৰি! তুমিয়েই নিৰাশ্ৰয়ৰ আশ্ৰয় আৰু পৰম দয়ালু; তোমাৰ বাহিৰে মোৰ আৰু আশ্ৰয়ৰ স্থল নাই। [ প্ৰভু! মোক তুমি এনে কৃপা কৰা, যেন মই মোৰ মন সংসাৰৰপৰা আনি তোমাত লগাব পাৰোঁ। ]

[ ৬৬ ]

হে প্ৰভু ভগৱন্ত ইটো সংসাৰত যত
আছে পাপী তাৰ মই সীমা।
চৰণে থাপিয়ো মোক পতিত পাৱন নিজ
দেখায়োক নামৰ মহিমা॥

হে ভগৱন্ত প্ৰভু, এই সংসাৰত যিমান পাপী আছে, ময়ে তাৰ ভিতৰত আটাইতকৈ বেচি পাপী; হে পতিত পাৱন, মোক তোমাৰ চৰণত আশ্ৰয় দিয়া, তোমাৰ নামৰ মাহাত্ম্য দেখুৱা; অৰ্থাৎ তুমি পতিত পাৱন—তোমাৰ নাম ললে পাপী উদ্ধাৰ হয়। মই হেন নিকৃষ্টতম পতিতক উদ্ধাৰ কৰি তোমাৰ পতিতপাৱন নাম সাৰ্থক কৰা।

জয় জয়াজিত জহ্যগজঙ্গমাবৃতিমজামুপনীত মৃষা গুণাম্।
নহি ভগৱন্তমৃতে প্ৰভৱন্ত্যমী নিগম গীত গুণাৰ্ণৱতা নব॥
(৬৭—৭১)

[ ৬৭ ]

তোমাত বিমুখ হৰি হৈবাক দেখিয়া মায়া
মোৰ মতি কৰিলে মোহিত।
এবে হৰি তযু পদ সেৱাত যিমতে ৰহো
হেন কৃপা কৰিতে উচিত॥

হে হৰি, মই তোমাক পাহৰা দেখি অৰ্থাৎ তোমাৰ নাম-গুণ লোৱা নেদেখি ( সেই ছেগতে ) মায়াই মোৰ মন আচ্ছন্ন কৰিলে। [বিষয়ত মই ভোল গৈ থাকিলোঁ ] হে হৰি, যেনেকৈ মই তোমাৰ সেৱাত ৰব পাৰোঁ, এতিয়া মোক তেনে কৃপা কৰা।

[ ৬৮

নমো নমো নাৰায়ণ প্ৰসন্ন হুয়োক হৰি
কৰিয়োক মায়াক নিৰ্য্যাণ।
আপোনাৰ মহিমাক আপুনি বেকত কৰি
জীৱক কৰিয়ো পৰিত্ৰাণ ॥

হে নাৰায়ণ ! তোমাক প্ৰণাম কৰোঁ, মোৰ প্ৰতি তুমি প্ৰসন্ন হোৱা, মোৰ মায়া আঁতৰোৱা, তোমাৰ নিজৰ মহিমা নিজে প্ৰকাশ কৰি মোৰ জীৱক মুক্তি দিয়া। সংসাৰ মায়াত মুগ্ধ হৈ মই তোমাক পাহৰিছোঁ, তুমি নিৰ্ম্মায়া—মায়াই তোমাক পীড়িব নোৱাৰে; প্ৰভু, মোৰ প্ৰতি তুমি সন্তুষ্ট হৈ মোৰ মায়া গুচাই তোমাৰ মাহাত্ম্য প্ৰকাশ কৰা, মোৰ জীৱ উদ্ধাৰ হওক।

[ ৬৯ ]

তোমাৰ মায়ায়ে হৰি কপট গুণক ধৰি
মোহি আছে আমাক সমূলি।
গুচায়োক মায়া স্বামী তোমাৰ চৰণে আমি
ভজিলোহো জয় জয় বুলি ॥

হে হৰি, তোমাৰ মায়াই কপটীয়া ভাৱে ( বাহিৰত ভাল যেন দেখুৱাই ) মোক তেনেই মুহি পেলাইছে—মায়াৰ জাল ছিঙি তোমাক দেখা নোপোৱাত পৰিছোঁ; হে স্বামী, তোমাৰ নামৰ জয় হওক বুলি একান্ত মনে তোমাত মই আশ্ৰয় ললোঁ, মোৰ মায়া আঁতৰোৱা। তোমাৰ নামৰ জয়েই হৈছে মায়াৰ পৰাজয়। [ তোমাৰ নাম ললে মায়াৰ বান্ধোন শুলকি পৰে; মই তোমাক আশ্ৰয় কৰি তোমাৰ নাম লৈছোঁ, তোমাৰ নামৰ জয় হওক প্ৰভু, মোৰ মায়া আঁতৰোৱা। ]

[ ৭০ ]

মই অনাথক দয়া কৰাহা পৰমানন্দ
দাস বুলি ধৰিয়ো মনত,
থৈয়ো নিজ ভৃত্যৰ সঙ্গত।
আঙ্গুলি মুখত কৰো দান্তে তৃণ তুলি ধৰো
কেশ ছিণ্ডি দেওঁ চৰণত ॥

হে পৰমানন্দ, মই নিৰাশ্ৰয়—মোৰ সহায় সাৰথি কেও নাই; তোমাকে মই আশ্ৰয় কৰিছোঁ প্ৰভু, মোক তোমাৰ সেৱক কৰি লোৱা। আঙ্গুলি মুখত ধৰোঁ, দাঁতেৰে তৃণ তুলি লওঁ আৰু চুলি ছিঙি চৰণত দিওঁ অৰ্থাৎ অতি কাতৰ ভাৱে মই মোৰ শৰীৰ অৰ্পণ কৰিছোঁ; প্ৰভু, মোক তোমাৰ ভৃত্যৰ লগত থোৱা অৰ্থাৎ মোকো সেৱকৰ শাৰীত ভুক্ত কৰা; [ তোমাৰ পদ সেৱা কৰিবলৈ মোৰ অন্তৰত ভক্তি দিয়া। ]

[ ৭১ ]

অপৰাধ বিনাশন তযু নামে নাৰায়ণ
জানি নামে পশিলো শৰণে,
আন গতি নাহিকে মৰণে।
অপৰাধ ক্ষমা কৰি তুমি দয়াশীল হৰি
মোক ৰক্ষা কৰিয়ো চৰণে॥

হে নাৰায়ণ, [ দিনে-ৰাতিয়ে কিমান নকৰিব লগা কাম কৰি দোষ কৰোঁ তাৰ সংখ্যা নাই।] তোমাৰ নাম ললে অপৰাধ মৰ্ষণ হয় বুলি জানি তোমাৰ নামক আশ্ৰয় কৰিলোঁ। মৰণৰ সময়তো তোমাৰ নামৰ বাহিৰে আৰু মোৰ সম্বল নাই, [ সেই সময়ত নামৰ বাহিৰে আৰু অন্য ধৰ্ম্ম আচৰিব নোৱাৰি ; সেই গতিকে এতিয়াৰপৰা মই নামকে আশ্ৰয় কৰিলোঁ।] হে দয়াময় হৰি, মোৰ অপৰাধ ক্ষমা কৰি তোমাৰ চৰণত আশ্ৰয় দি মোক উদ্ধাৰ কৰা।

ত্বদীক্ষণ বশ ক্ষোভ মায়া থোধিত কৰ্ম্মভিঃ।
জাতান্ সংসাৰতঃ খিন্নান্ নৃহৰে পাহি নঃ পিতঃ॥৭২

[ ৭২ ]

তোমাৰেসে অবিদ্যায়ে আমাক মুহিলে হৰি
নাজানোহো তোমাৰ তত্ত্বক।

তোমাৰ চৰণে হৰি শৰণ পশিয়া সাৰ
কৰিলোহো তোমাৰ নামক ॥

[অবিদ্যা বা মায়া ভগৱানৰে সৃষ্টি; ভগৱানৰ মায়াৰ দ্বাৰাই এই জগতৰ উদ্ভৱ হৈছে, যেন এৰাঁগাখীৰ দৈ মাৰা। মায়াত হোৱা বস্তুবোৰ স্থায়ী নহয়—আজি আছে কালি নাই; চিৰকাল থকা সত্য বস্তু মাত্র ভগৱান, সমস্ত বিশ্বত বায়ুতকৈ সূক্ষ্ম ভাৱে তেওঁ আছে।] হে হৰি, তোমাৰ মায়াৰপৰা হোৱা এই বস্তুবোৰ সঁচা বুলি ভাবি সেইবোৰৰ কামনাতে মই আবদ্ধ হলোঁ; আৰু তাৰ ফলতে মই তোমাৰ স্বৰূপ অনুভৱ কৰিব নোৱাৰাত পৰিলোঁ। হে সংসাৰৰ মায়া হৰণ কৰোঁতা হৰি, তোমাত আশ্রয় লৈ, মই তোমাৰ নামকে সাৰ কৰিলোঁ অর্থাৎ তোমাক সুদৃঢ় বিশ্বাস কৰি তোমাৰ নাম-কীর্ত্তন কৰাকে নিশ্চয় কৰিলোঁ। [হে প্রভু, মোৰ অবিদ্যাৰ মোহ-জাল গুচোৱা, তোমাক যেন মই চিনিব পাৰোঁ।]

কৃষ্ণ ত্বং হি চিৎ স্বৰূপং নিত্যজ্ঞানমখণ্ডিতং।
ত্বদ্বিনোদৰূপমজ্ঞন্মায়া কল্পং চৰাচৰং ॥ (৭৩—৭৫)

[৭৩]

হে কৃষ্ণ তুমি মাত্র চৈতন্য স্বৰূপ নিত্য
সত্য শুদ্ধ জ্ঞান অখণ্ডিত।
আৰৰ যতেক ইটো তোমাৰ বিনোদ ৰূপ
চৰাচৰ মায়াৰ কল্পিত ॥

বিনোদ—আমোদিত কৰা, আনন্দদায়ক।

হে ভগৱান, ব্ৰহ্মাণ্ডত যত বস্তু দেখোঁ সকলোবোৰ অস্থায়ী—আজি আছে কালি নাই, কেৱল মাত্ৰ তুমিয়েই স্থায়ী বা সত্য বস্তু, তোমাৰ জন্ম-মৃত্যু নাই; তুমি চৈতন্যৰূপ—তুমি জগতজুৰি থকাৰ কাৰণে প্ৰাণী আৰু উদ্ভিদ আদিৰ জন্ম আৰু বৃদ্ধি দেখিছোঁ। অতি সূক্ষ্মভাৱে বিশ্ব জুৰি থকাৰ কাৰণে তোমাক খণ্ড খণ্ড কৰি ভাগো কৰিব নোৱাৰি; আৰু প্ৰভু, তুমি জ্ঞানস্বৰূপ অৰ্থাৎ ভক্তৰ অন্তৰত তোমাৰ যি বোধ হয়, সেই বোধ বা জ্ঞানেই তুমি; ইয়াৰ উপৰিও বিশ্বত যিবোৰ গছ, লতা, প্ৰাণী, দেৱ, দেৱী, চন্দ্ৰ, সূৰ্য্য, তৰা আদি দেখোঁ, সকলো তোমাৰ মায়াৰূপৰাই হৈছে; (গতিকে) চাৰিওফালে যত দেখোঁ সকলোবোৰ প্ৰভু, তোমাৰেই আনন্দদায়ক ৰূপকে দেখিবলৈ পাওঁ অৰ্থাৎ সকলোবোৰ তোমাৰেই মোহন লীলা।

[ ৭৪ ]

তযু গুণ নাম হৰি কেৱল নিৰ্গুণ মাত্ৰ
আৰৰ সমস্তে গুণময়।
এতেকে জানিয়া হৰি তোমাৰ নামক মাত্ৰ
কৰিলোহো সাৰ কৃপাময়॥

হে হৰি, তুমি সত্ত্ব, ৰজ, তম তিনি গুণৰ অতীত; তোমাৰ নাম-গুণ শ্ৰৱণ-কীৰ্ত্তন কৰিলে এই তিনি গুণৰ হাত সাৰি সংসাৰৰ পৰা মুক্তি লাভ কৰিব পাৰি। অন্যান্য দেৱ-দেৱীসকলৰ গুণময়; গতিকে দেৱ-দেৱীৰ পূজা-সেৱা সকলো গুণময় অৰ্থাৎ সেইবিলাকক

পূজা কৰিলে তিনি গুণৰ হাত এৰাব নোৱাৰাৰ ফলত ভোগ-সুখহে মিলে, গতিকে জন্ম-মৃত্যুৰ হাত এৰাব নোৱাৰি জীৱে স্বৰ্গ-নৰক ঘুৰি ফুৰে। সেই কাৰণে হে সৰ্ব্বদুখ হৰণ কৰোঁতা কৃপাময় হৰি, মই ইয়াক বুজিব পাৰি, তোমাৰ নামকে নিশ্চয় কৰিলোঁ অৰ্থাৎ তোমাৰ নাম-গুণ, শ্ৰৱণ-কীৰ্ত্তন কৰাকে সাৰ কৰি ধৰিলোঁ।

[ ৭৫ ]

কৃষ্ণ পদ পঙ্কজৰ সেৱাৰ মহিমা কথা
শুনি বৰ আনন্দ মিলয়।
যাৰ ভকতৰ সঙ্গে সৰ্ব্ব পুৰুষাৰ্থ শিৰে
চৰি অতি কৌতুক কৰয় ॥

**পঙ্কজ**—পদ্ম।
**পদ-পঙ্কজ**—পদ্ম-পত্ৰৰ চিন থকা পদ।
**চৰি**—উঠি।
**পুৰুষাৰ্থ শিৰে**—পুৰুষাৰ্থৰ মূৰত।
**পুৰুষাৰ্থ**—ধৰ্ম্ম, অৰ্থ, কাম, মোক্ষ।

ভগৱন্তৰ পদ সেৱাৰ ফলৰ কথা শুনিলে মনত বৰ আনন্দ লাগে; তেওঁৰ পদ সেৱাৰ ইমান মাহাত্ম্য যে—ই (সেই মাহাত্ম্য) ধৰ্ম্ম, অৰ্থ, কাম, মোক্ষ এই চাৰি পুৰুষাৰ্থৰ মূৰত উঠি আনন্দ কৰে অৰ্থাৎ ভক্তসকলে নাম মাহাত্ম্য-জানি সেই চাৰি পুৰুষাৰ্থকো তুচ্চ ভাব কৰে, তেওঁলোকৰ সংসাৰত ৰাম নাম ভিন্ন আৰু লোভনীয় বস্তু একো নাথাকে।

ইচ্ছসি চেদ্‌যদি তৱ ভয়ভঙ্গং
কুৰু সততং ভো সজ্জন সঙ্গং
ক্ষণমপি সজ্জন সঙ্গতিৰেকা
ভৱতি ভৱাৰ্ণৱ তৰণে নৌকা ॥ ( ৭৬—৮০ )

[ ৭৬ ]

যদি ভৱ-ভয় ভঙ্গ মনে ইচ্ছা কৰা ভাই
সাধু সঙ্গ সদা কৰা সাৰ।
একক্ষণ মানে মাত্ৰ কেৱল সাধুৰ সঙ্গ
হোৱে নাও ভৱ তৰিবাৰ ॥

ভৱ—সংসাৰ।

ভয়—সংসাৰ ভয়, জন্ম-মৃত্যুৰ ভয়, সংসাৰত পুনঃ পুনঃ জন্মি-মৰি নানাৰূপ লাঠি ভুঞ্জিবৰ ভয়।

ভৱ-ভয় ভঙ্গ—ভৱ-ভয়ৰ নিবাৰণ।

হে ভাই, যদি তুমি সংসাৰৰ জন্ম-মৃত্যুৰ ভয়ৰপৰা উদ্ধাৰ হবলৈ লগৰীয়া বা সহায় বিচৰা অৰ্থাৎ যদি তুমি মুক্তি লাভ কৰিবলৈ সহায় লাগে বুলি ভাবা, তেন্তে সদায় সাধুৰ আশ্ৰয় লোৱা। কিয়নো অলপ সময় সাধুৰ আশ্ৰয়ে সংসাৰ-সাগৰ পাৰ হোৱা নাওৰ দৰে হয় অৰ্থাৎ অলপ সময় সাধুৰ লগত থাকি তেওঁৰপৰা উপদেশ লৈ তেওঁৰ আৰ্হিৰে চলিলে লোকে মুক্তি লাভ কৰিব পাৰে ; [ এতেকে এনে হেন স্পৰ্শ-মণি স্বৰূপ সাধুৰ লগত সদায় থাকিবলৈ নিশ্চয় কৰা। ]

[ ৭৭ ]

হৰি-কীৰ্ত্তনৰ মহা আনন্দ-সুখক আশে
কতো কতো সব মহাজনে।
মুকুতি সুখক তেজি মহন্তজনৰ সঙ্গ
খোজে আতি কৃষ্ণৰ চৰণে ॥

মুকুতি সুখ—জীৱে মুক্তি পালে জন্ম-মৃত্যুৰপৰা পোৱা দুখৰ হাত সাৰে; গতিকে মুক্তি দুখ-সুখৰ এটা অতীত অৱস্থা হলেও, ইয়াত সংসাৰ-দুখ নথকাত সুখ বুলিব পাৰি।

ভগৱানৰ নাম-গুণ, শ্ৰৱণ-কীৰ্ত্তন কৰিলে মনত অপাৰ আনন্দ লাগে; বহুত সাধুৱে এই আনন্দ-সুখক আশা কৰি, মুক্তিলৈও পিঠি দি সদায় হৰি-কীৰ্ত্তন কৰি ভক্তি-ৰস পাবৰ অৰ্থে, ঈশ্বৰৰ ওচৰত সাধুৰ সঙ্গহে কামনা কৰে।

[ ৭৮ ]

কিন্তু ইটো মহা ধৰ্ম্ম মাধৱৰ জন্ম কৰ্ম্ম
বেদে যাৰ নাজানে মহিমা।
হৰি নাম কীৰ্ত্তনত মিলে মোক্ষ আদি যত
কীৰ্ত্তন সুখৰ নাহি সীমা ॥

[ বেদে যাৰ মহিমা নাজানে অৰ্থাৎ কৈ শেষ কৰিব পৰা নাই, ( সেই ) মাধৱৰ জন্ম-কৰ্ম্মই কিন্তু ( বস্তুতঃ ) মহাধৰ্ম্ম ; মোক্ষ আদি য'ত আছে, সকলো হৰি-কীৰ্ত্তনত মিলে, কীৰ্ত্তন সুখৰ সীমা নাই।]

ভগৱন্তৰ মহিমা বেদে প্ৰকাশ কৰিব পৰা নাই অৰ্থাৎ ভগৱন্তৰ স্বৰূপ কি, তেওঁৰ কৰ্ম্মই বা কি, এইবোৰ বেদতো সম্পূৰ্ণৰূপে প্ৰকাশ হোৱা নাই [ভগৱান এনে অব্যক্ত বস্তু]। কিন্তু ভগৱানৰ অৱতাৰৰ যিবোৰ লীলা চৰিত্ৰ আছে, সেইবোৰ কথন-মথন আলাপন আদি কীৰ্ত্তনেই মহা ধৰ্ম্ম। তেওঁৰ নাম-কীৰ্ত্তন কৰিলে ধৰ্ম্ম, অৰ্থ, কাম, মোক্ষ আদি সকলো লাভ হয়; আৰু মনতো অপাৰ আনন্দ লাগে।

[ ৭৯ ]

মধুৰৰো সুমধুৰ হৰিৰ-কীৰ্ত্তন ৰস
মঙ্গলৰো পৰম মঙ্গল।
এতেকেসে মুকুতিকো ত্যজি হৰি-গুণ গাই
ফুৰে মহা মহন্তসকল॥

হৰিনাম-কীৰ্ত্তন কৰোঁতে কৰোঁতে যি আনন্দ জন্মে, সি অতি মধুৰ আৰু তেওঁৰ নাম-কীৰ্ত্তন কৰিলে সংসাৰৰ দুখ-কষ্টেও মানুহক পীড়িব নোৱাৰে, সেয়ে সি অতি মঙ্গলদায়কো; এই কাৰণে সাধুসকলে মুক্তিকো কামনা নকৰি কেৱল তেওঁৰ নাম-কীৰ্ত্তন কৰি কাল কটায়।

[ ৮০ ]

পৰম নিপুণ সবো বুজিয়া শাস্ত্ৰৰ তত্ত্ব
হৰি-পদ-পঙ্কজে ভজিয়া।

হৰি-কীৰ্ত্তনৰ মহা নিৰ্ভৰ আনন্দে মজি
থাকে সুখে মুকুতি তেজিয়া ॥

অতি সুচতুৰ, জ্ঞানী লোকসকলে শাস্ত্ৰৰ গূঢ়-তত্ত্ব বুজি হৰিত আশ্ৰয় লয় আৰু সংসাৰৰ বিপদ-আপদে চুব নোৱাৰা হৰি-কীৰ্ত্তনৰ আনন্দত ভোল গৈ [অৰ্থাৎ হৰিনাম-কীৰ্ত্তন কৰিলে সংসাৰৰ দুখ-সুখে মানুহক পীড়িব নোৱাৰে, হৃদয়ত অপাৰ আনন্দ জন্মে; হৰি-কীৰ্ত্তন কৰোঁতালোকে আনন্দত ভোল গৈ] মুক্তিকো কামনা নকৰি হৰিনাম-কীৰ্ত্তন কৰি পৰম সুখত থাকে।

প্ৰয়াগতঃ স্ববীৰ্য্যাণি তাৎপাদ প্ৰিয়শ্ৰবাঃ।
আহুত ইবমে শীঘ্ৰং দৰ্শনঃ যাতি চেতসি ॥৮১

[ ৮১ ]

গোবিন্দৰ নাম-গুণ কীৰ্ত্তন কৰন্তে জানা
কিঞ্চিতেকো নাহিকে প্ৰয়াস।
গুণলুব্ধ প্ৰভু হৰি কীৰ্ত্তন কৰন্তে আসি
হৃদয়ত হোৱন্ত প্ৰকাশ ॥

ঈশ্বৰৰ নাম-গুণ, কীৰ্ত্তন কৰাত অলপো দুখ-কষ্ট নালাগে; ঈশ্বৰ গুণ-লুব্ধ, অৰ্থাৎ তেওঁৰ গুণ-গান কৰিলে তেওঁ ভাল পায়! একান্ত মনে তেওঁৰ নাম-কীৰ্ত্তন কৰি থাকোঁতে তেওঁ আহি হৃদয়ত দেখা দিয়ে অৰ্থাৎ ঈশ্বৰৰ নাম একান্ত মনে লৈ থাকোঁতে থাকোঁতে ভক্তে নিজৰ হৃদয়তে ঈশ্বৰক উপলব্ধি কৰিব পাৰে।

যে তু ত্বদীয় চৰণাম্বুজ কোষ গন্ধং
জিঘ্রন্তি কৰ্ণবিৱৰৈঃ শ্ৰুতিবাত নীতং।
ত্যক্ত্বা গৃহীত চৰণাঃ পৰয়া চ তেষাং
নাপৈষি নাথ, হৃদয়াম্বুৰুহাৎ স্বপুংসাং॥

(৮২—৮৪)

[৮২]

যিসব চতুৰ নৰে মাধৱৰ নাম-গুণ
কীৰ্ত্তন কৰন্ত সাৱধানে।
দেৱৰ দেৱতা হৰি তাহাৰ হৃদয় এৰি
যাইবাক নপাৰে আন স্থানে॥

হৰিৰ নাম, গুণ, কীৰ্ত্তন কৰা চতুৰ লোকসকলে সাৱধানে অৰ্থাৎ সুদৃঢ় বিশ্বাস কৰি একান্ত মনে ঈশ গুণ-গান কৰে; তাৰ ফলত সকলো দেৱতাৰ প্ৰভু ভগৱন্ত পুৰুষ সেই ভক্ত লোকসকলৰ অন্তৰৰপৰা আন ঠাইলৈ যাব নোৱাৰে অৰ্থাৎ সেই ভক্তসকলে সিবিলাকৰ নিজ নিজ হৃদয়ত সদায় ভগৱানক অনুভৱ কৰি থাকিবলৈ পায়।

[৮৩]

যিটো দেৱ ভগৱন্ত বেদে যাক নজানন্ত
তেন্তে নিজ কীৰ্ত্তনত বশ্য।
জানি মাধৱৰ নাম কীৰ্ত্তন কৰিয়ো সদা
ইটো সব শাস্ত্ৰৰ ৰহস্য॥

ভগৱন্ত এনে প্ৰকাশ নোহোৱা আৰু মাহাত্ম্যপূৰ্ণ, যে বেদেও কৈ অন্ত কৰিব পৰা নাই, তথাপিও কিন্তু তেওঁ নিজ কীৰ্ত্তনৰ বশ অৰ্থাৎ একান্ত মনে তেওঁক ভ'বিলে ভাবোঁতাৰ হৃদয়ত দেখা নিদি নোথাকে। এই নিমিত্তে সকলোৱে সদায় ঈশ্বৰৰ নাম-গুণ কীৰ্ত্তন কৰা উচিত; সকলোবোৰে ধৰ্ম্ম-শাস্ত্ৰৰ গূঢ় তত্ত্ব বা সাৰ মৰ্ম্ম এয়ে।

[ ৮৪ ]

হৰি ভক্তি সৰোবৰে সন্তোষ অমৃত জলে
কৃষ্ণ পাদ-পদ্ম প্ৰকাশয়।
ৰাম নাম ৰাজহংস ছানিয়া আবাৰ কৰে
শুনি বৰ কৌতুক মিলয়॥

যিদৰে পুখুৰীত পানী থাকে, সেইদৰে ভক্তৰ হিয়াত ভক্তি-ৰস জন্মে আৰু ভক্তৰ মনত সন্তোষ ভাব উদয় হয়; পুখুৰীৰ পানীত যি দৰে পদুমফুল ফুলে, ভক্তৰ ভক্তিভাৱ গাঢ় হলে সেইদৰে ঈশ্বৰে দেখা দিয়ে; পুখুৰীত ৰাজহাঁহ পৰি পদুমৰ চাৰিওফালে যিদৰে কল কল শব্দ কৰি ঘুৰি ফুৰে, সেইদৰে ভক্তৰ অন্তৰত ঈশ্বৰে দেখা দিলে ভক্তে উচ্চাৰণ কৰা বা মনতে লোৱা ৰাম-নামৰ ধ্বনি হৃদয়ত বাজি উঠে; [ ভক্তৰ অন্তৰত ভক্তিভাৱ জন্মিলে ভক্তে ভগৱানক হিয়াত অনুভৱ কৰিব পাৰে, সেই সময়ত নাম চেতন হয়; আৰু ভক্তে সেই নামৰ ধ্বনি শুনিবলৈ পায়। ]

স স্নাতঃ সর্ব্বতীর্থেষু সর্ব্বযজ্ঞেষু দীক্ষিতঃ।
সর্ব্বদান ফলং প্রাপ্তো যস্তু সংকীর্ত্তয়েদ্ধরিং ॥৮৫

[ ৮৫ ]

সমস্ত তীর্থত স্নান কৰিলেক সৰ্প যজ্ঞে
দীক্ষিত ভৈলেক যিটো জন।
সমস্ত দানৰ ফল সি সি জনে পাইলে আতি
যিটো কৰি হৰিৰ কীৰ্ত্তন ॥

যি মানুহে একান্ত মনে হৰিৰ নাম-গুণ কীৰ্ত্তন কৰে, তেওঁ সকলো তীৰ্থত স্নান কৰাৰ, বিবিধ যাগ-যজ্ঞত দীক্ষা গ্ৰহণ কৰি নানা তপ-জপ আচৰণ কৰাৰ আৰু গৰু, সোণ, দাস-দাসী, ভূমি আদি দান কৰাৰ ফল লাভ কৰে অৰ্থাৎ যিজনে হৰি-কীৰ্ত্তন কৰে, তেওঁহে সমস্ত তীৰ্থত স্নান কৰিলে, সৰ্ব্ব যজ্ঞত দীক্ষিত হল আৰু সমস্ত দানৰ ফল পালে।

কৃষ্ণ কৃষ্ণেতি কৃষ্ণেতি যে মাং স্মৰন্তি নিত্যশ।
জলং ভিত্বা যথা পদ্মং নৰকাদুদ্ধৰাম্যহম্ ॥৮৬

[ ৮৬ ]

মাধৱে বোলন্ত মোক কৃষ্ণ কৃষ্ণ কৃষ্ণ বুলি
সদায় সুমৰে যিটো জনে।
জল হন্তে যেন পদ্ম নৰকৰ পৰা তাক
আপুনি উদ্ধাৰো ৰঙ্গমনে ॥

ভগৱানে শাস্ত্ৰত কৈছে :--পানীত জন্মা পদ্ম যেনে লোকৰ প্ৰিয়, আৰু সেই মনোমোহা পদ্মফুল যিদৰে মানুহে নানা যত্ন কৰি পানীৰপৰা আনে, সেইদৰে যিলোকে সদায় মোক কৃষ্ণ কৃষ্ণ বুলি স্মৰণ কৰে অৰ্থাৎ একান্ত মনে মোৰ নাম লয়, সেইবিলাকক পানাৰপৰা পদ্মফুল অনাৰদৰে নৰকৰপৰা ( বিষয় বাসনাৰপৰা ) নিজে আনন্দ মনে উদ্ধাৰ কৰি মোৰ লগলৈ আনোঁ অৰ্থাৎ মুক্তি দিওঁ।

অস্তি মহা প্ৰভাৰা পৰম যোগিনী বিষ্ণু ভক্তিঃ।
সাপি যদি কলিনা বিৰল প্ৰসাৰিতা, তথাপি
তদৱলোকিতান্ লোকান্ বয়মপ্যৱলোকয়ামঃ॥

( ৮৭—৮৮ )

[ ৮৭ ]

যদ্যপি দুৰ্জ্জন কলি হৰিৰ ভকতি পথ
কৰিলেক বিৰল প্ৰচাৰ।
একান্ত শৰণে যিটো শ্ৰৱণ-কীৰ্ত্তন কৰে
ওচৰো নাচাপে কলি তাৰ॥

মিছা, বেশ্যা, খং, হিংসা আদি পূৰ্ণ কলিকালত, যদিও ঈশ্বৰ ভক্তি প্ৰচাৰ বৰ কম অৰ্থাৎ অতি কম লোকেহে ঈশ্বৰক আচলকৈ ভক্তি কৰিব পাৰে, তথাপি যি মানুহে একান্ত ভাৱে ঈশ্বৰত শৰণ লৈ তেওঁৰ নাম-গুণ, শ্ৰৱণ-কীৰ্ত্তন কৰে ; সেইলোকৰ ওচৰলৈ কলি আহিব নোৱাৰে অৰ্থাৎ কলিৰ পাপবোৰে সেই লোকক ভ্ৰষ্ট কৰিব নোৱাৰে।

[ ৮৮ ]

পৰম পুৰুষ হৰি　　　পৰম কাৰণ প্ৰভু
পৰম ঈশ্বৰ ভগৱন্ত ।
সদানন্দ সদাশিৱ　　　সত্য সনাতন হৰি
জয় জয় অচিন্ত্য অনন্ত ॥

পৰম পুৰুষ—প্ৰধান পুৰুষ, পৰব্ৰহ্ম, পৰমেশ্বৰ।
সনাতন—চিৰস্থায়ী।
অনন্ত—অক্ষয়, ব্ৰহ্ম।
পৰম কাৰণ—সৰ্ব্বশ্ৰেষ্ঠ, মূল, সমস্তৰে মূল; যাৰ পৰাই সকলো উদ্ভৱ হৈছে।

হে প্ৰভু ভগৱন্ত, তুমি সকলোতকৈ ডাঙৰ, তোমাৰ পৰাই বিশ্ব উদ্ভৱ হৈছে। তুমিয়েই সকলোৰে গৰাকী, তুমি আনন্দময়; কিয়নো দুখ বেজাৰ আদি ভাৱে তোমাক পৰশিব নোৱাৰে; তুমি মঙ্গলময়; কিয়নো জগতৰ যিবোৰ হৈছে, সেইবোৰে জগতৰ হিতৰ বাহিৰে বেয়া কাম কৰা নাই। তুমি সত্য, কিয়নো বিশ্ব স্থায়ী নহয়—আজি আছে কালি নাই—এই বিশ্ব তোমাৰদ্বাৰা উদ্ভৱ হৈছে, মহা প্ৰলয়ৰ সময়ত তোমাতেই আশ্ৰয় লব। তুমি সনাতন, কিয়নো তুমি সৃষ্টিৰ আদিতে আছিলা, এতিয়াও আৰু আছা, আগলৈও থাকিবা। হে অচিন্ত্য, ( চিন্তা কৰি পাৰ নোপোৱা ) অক্ষয় সংসাৰ দুখ হৰণ কৰোঁতা হৰি, তোমাৰ জয় হওক অৰ্থাৎ তোমাৰ গুণ-কীৰ্ত্তন শ্ৰেষ্ঠ বুলি যেন আমি সুদৃঢ় বিশ্বাসে লব পাৰোঁ, [ এনে কৃপা আমাক কৰা ]।

হে জিহ্বে ! ৰস সাৰজ্ঞে সৰ্ব্বদা মধুৰ প্ৰিয়ে ।
নাৰায়ণাখ্যমমৃতং পিব জিহ্বে নিৰন্তৰং॥৮৯

[ ৮৯ ]

হে জিহ্বা সদা তোৰ মধুৰেসে মাত্ৰ প্ৰিয়
জান তই ৰসৰ সাৰক ।
আন তেজি নিৰন্তৰে কৰিয়ো মাত্ৰ পান
নাৰায়ণ নাম অমৃতক ॥

জিহ্বাৰে বস্তুৰ আস্বাদ লোৱা যায় । ভক্তসকলে হৰিনাম কীৰ্ত্তন কৰোঁতে যিমান আনন্দ পায়, আন একোতে নাপায় ; অতি সোৱাদ বস্তু যেনেকৈ সদায় খাই থাকিবৰ মন যায়, ভক্তসকলে সেইদৰে সদায় নামকে উচ্চাৰণ কৰিবলৈ ভাল পায় ; সেই কাৰণে ভক্তে নিজৰ জিহ্বাক সম্বোধন কৰি কৈছে । ] হে জিহ্বা, কি ৰস ভাল তই তাক ধৰিব পাৰ—তই মিঠা ৰসৰহে আস্বাদ লবলৈ ভাল পাৱ ; এতেকে আন কথাৰ আলোচনা এৰি অমৃতৰ নিচিনা নাৰায়ণৰ নাম মাত্ৰ উচ্চাৰণ কৰি তাৰ আস্বাদ ল ; অৰ্থাৎ জিভা, তই মিঠা ৰস ভাল পাৱ, নাৰায়ণ নামত অমৃতৰ নিচিনা মিঠা ৰস আছে, তই আন কথাৰ আলোচনা এৰি একান্ত মনে সেই অমৃতৰ নিচিনা নাম লবলৈ ধৰ ।

হে জিহ্বে ! ময়ি নিঃস্নেহে হৰিং কিং ত্বং ন ভাসসে ।
হৰীতি বদ কল্যাণি ! সংসাৰাৰ্ণৱ নৌৰ্হৰি : ॥৯০

[ ৯০ ]

হে জিহ্বা সদা তই আমাত নির্দ্দয়া ভৈলি
কেনে নোবোলস ৰাম বাণী।
সংসাৰ সাগৰে ইটো হৰিসে সুদৃঢ় নাও
জানি হৰি বুলিয়ো কল্যাণী॥

হে জিভা, তই সদায় মোৰ প্ৰতি নিষ্ঠুৰ হৈছ—তই ৰাম নাম কিয় উচ্চাৰণ নকৰ; এই সংসাৰ সাগৰ পাৰ হবলৈ অৰ্থাৎ মুক্তি লাভ কৰিবলৈ হৰিনামেই নিৰাপদ নাৱৰ নিচিনা; ইয়াকে জানি হে শুভদায়িনী, হৰি বোল, হৰিৰ নাম একাগ্ৰমনে উচ্চাৰণ কৰ।

[ ৯১ ]

হে কৰ্ণ সদা তোৰ শব্দেসে মাত্ৰ প্ৰিয়
তই শব্দ মধুৰ জানস।
কোটি অমৃততোধিক পৰম মধুৰ শব্দ
শুনা সদা কৃষ্ণ নাম যশ॥

[ কাণেৰে শব্দ শুনা যায়; কাণে শুৱলা শব্দ শুনিবলৈ ভাল পায়; ভক্তসকলৰ কাণত ঈশ্বৰৰ নাম অমৃতৰদৰে বাজে; সেই কাৰণে কাণক সম্বোধন কৰি কৈছে ] হে কাণ, তই শব্দ শুনিবলৈ ভাল পাৱ—কি শব্দ শুনিবলৈ শুৱলা তই তাক জান; কৃষ্ণ-নাম-যশ কীৰ্ত্তনৰ শব্দ অমৃততকৈও কোটি গুণ মিঠা; এনে অমৃততকৈও বেচি মিঠা কৃষ্ণ-গুণ-নাম সদায় শ্ৰৱণ কৰ।

[ ৯২ ]

হে মন তোৰ কাম সঙ্কল্প বিকল্প ধৰ্ম্ম
তেজি মিছা কামনাসকল।
সদায় সঙ্কল্প মাত্ৰ কৰিয়ো সুহৃদ মন
কৃষ্ণ-নাম পৰম মঙ্গল ॥

সঙ্কল্প—[ সম-কপ ( কল্পনা কৰা ) + অল ] অভিলাষ, মনোৰথ, মানস-কৰ্ম্ম।

বিকল্প—বিভিন্ন কামনা, ভেদ-বুদ্ধি ভ্ৰম, সংশয়, বিবিধ কল্পনা।

[ মনৰ স্বভাৱ কামনা কৰা আৰু নানাকালে যোৱা, সি নিষ্কামভাৱে স্থিৰ হৈ থাকিব নোখোজে। সেই নিমিত্তে তাৰ যেনে স্বভাৱ, সেই স্বভাৱ অনুসৰি তাক কৈছে ] হে মন, তোৰ স্বভাৱ কামনা কৰা আৰু নানাকালে যোৱা, তই তোৰ সংসাৰৰ কালে যোৱা অসাৰ কামনাবোৰ এৰি দে; হে প্ৰিয়তম মন, পৰমেশ্বৰৰ নামেই জীৱৰ পৰম হিত সাধে ( জীৱক সংসাৰৰপৰা মুক্তি দিয়ে ); এতেকে সদায় তাক মাত্ৰ লবলৈ কামনা কৰা। [ মন স্থিৰ নহলে একো সিদ্ধি নহয়, বিবেক মনক বাহিৰা বিষয়ৰপৰা আনি যেতিয়ালৈ অন্তৰ্মুখী নকৰে, তেতিয়ালৈ আত্মচিন্তা আৰম্ভ নহয়, আত্মচিন্তা কৰি আত্ম অনুভৱ কৰিবলৈ মন প্ৰধান সাৰথি, সেই কাৰণে মনক সুহৃদ বা বান্ধৱ বুলিছে। ]

[ ৯৩ ]

শুনিও হৃদয় হেৰ ব্ৰহ্মাণ্ড ভিতৰে যত
বস্তু আছে তোক নোজোৰয়।

তাক তেজি কৃষ্ণ-নাম অক্ষয় অমৃত পিয়া
সন্তোষক লভিয়ো হৃদয় ॥

[ আকাশাদি পঞ্চভূতৰ সত্ত্ব গুণৰপৰা হৃদয় বা অন্তঃকৰণৰ উৎপত্তি। মন আৰু বুদ্ধি, অন্তঃকৰণৰ দুটা ভাগ বা ইহঁত দুটাৰ ভিত্তি হৈছে অন্তঃকৰণ। মন সংশয়াত্মক বৃত্তি, বুদ্ধি নিশ্চয়াত্মিকা বৃত্তি। মন-বুদ্ধিৰ ক্রিয়াৰ ফলত সমস্ত কামনা আৰু সিদ্ধান্ত হৃদয়ত ওপজে। সেই কাৰণে হৃদয়ক সকলো কামনাৰ ভাণ্ডাৰ বুলিব পাৰি। ]

[ বাসনাৰ নিবৃত্তি নহলে সন্তোষ নোপজে; এটা কাম্য বস্তু মিলাৰ পাচত আৰু এটা নতুন কাম্য বস্তু ওলাই পৰে; এইদৰে জীৱ বাসনাৰ হাত সাৰিব নোৱাৰাৰ ফলত সংসাৰত ঘূৰি ফুৰে। ভাৱৰ জন্ম স্থান হৃদয়; সেয়ে হৃদয়ক সম্বোধন কৰি কৈছে। ]

হে হৃদয়, মোৰ কথা শুন। ব্ৰহ্মাণ্ডৰ ভিতৰত যিমান বস্তু আছে, সেইবোৰ পালেও তই সন্তুষ্ট নহ, তোৰ কামনা পূৰ্ণহোৱা অসম্ভৱ। এতেকে সংসাৰৰ সেই ভোগ্য বস্তুৰ কামনা এৰি অমৃতৰদৰে মিঠা আৰু লৈ থাকিলেও অন্ত নোহোৱা অক্ষয় হৰিনাম লৈ সন্তোষ লাভ কৰ।

[ ৯৪ ]

শুনিয়োক বুদ্ধি তোৰ কেৱল নিশ্চয় ধৰ্ম্ম
তেজি সবে বিনাশী বিষয়।
সদা শুদ্ধ সুমঙ্গল অক্ষয় কৃষ্ণৰ নাম
তাকে মাত্ৰ কৰিয়ো নিশ্চয় ॥

[ অন্তঃকৰণৰ ভাগ দুটা ; এটা মন, আনটো বুদ্ধি। সংশয়াত্মক বৃত্তিৰ নাম মন আৰু নিশ্চয়াত্মিকা বৃত্তিৰ নাম বুদ্ধি। মন নানা বিষয়লৈ গৈ আশঙ্কা জন্মাই দিয়ে আৰু বুদ্ধিয়ে বিচাৰ কৰি ঠিক কৰি দিয়ে। সেই কাৰণে বুদ্ধিৰ ধৰ্ম্ম বা স্বভাবক নিশ্চয়াত্মক বোলা যায়। বুদ্ধিক সম্বোধন কৰি কোৱা হৈছে, [ হে বুদ্ধি, শুন, বিচাৰ কৰি কোনো বিষয় ঠিক কৰি ধৰাই তোৰ স্বভাৱ ; এতেকে অনিষ্টকাৰী বিষয় তাৰবোৰ এৰি যি কৃষ্ণ-নাম অক্ষয় ( লৈ থাকিলেও অন্ত নহয় ) সেই সদা পৱিত্ৰ ( যি নাম ললে পাপী-তাপী পৱিত্ৰ হয়, পাপ-তাপে যাক মলিয়ন কৰিব নোৱাৰে ) আৰু পৰম মঙ্গলময় ( যি নাম ললে মুক্তিৰূপ মঙ্গল ঘটে ) ভগৱানৰ নামকে নিশ্চয়কৈ ধৰ।

[ ৯৫ ]

শুন হেৰ অহঙ্কাৰ নিচিন্ত আপোন মাৰ
মিছা অহম্মমক তেজিয়ো।
পৰম ঈশ্বৰ কৃষ্ণ হুয়োক তাহান দাস
সাধু সঙ্গে কৃষ্ণক ভজিয়ো॥

অহঙ্কাৰ—অহংভাৱ, মই মোৰ ভাৱ।
অহম্মম—অহম্ + মম = মই, মোৰ, গৰ্ব্বভাৱ।
মাৰ—মৃত্যু, অমঙ্গল।

[ মই ভাৱ লৈয়েই জীৱে সকলো কাম কৰে ; ই বেচি হলে সি অহম্মম বা মইবৰ ভাৱত পৰিণত হয়। মানুহে মইবৰ ভাৱত মতলীয়া হৈ ঈশ্বৰলৈ পিঠি দিয়ে। সেই কাৰণে অহঙ্কাৰক সম্বোধন কৰি কৈছে ] হে অহঙ্কাৰ, তই শুন—তোৰ নিজৰ অমঙ্গল

নিজে চিন্তা নকৰিবি, তোৰ মিছা মইবৰ ভাব এৰ (এই ভাৱত জীৱে মুক্তি লাভ কৰিব নোৱাৰাৰ ফলত সংসাৰত ভ্ৰমি নানা যাতনা ভোগ কৰে); কৃষ্ণ পৰম ঈশ্বৰ, তই তেওঁৰ সেৱক হ, অৰ্থাৎ দাসভাৱে তেওঁৰ আশ্ৰয় ল অৰু সাধুৰ লগলাগি পৰমেশ্বৰক ভক্তি কৰে।

চিন্তং ন মে স্মৰন্তি তে চৰণৌ কদাচিৎ।
তস্মাত্বমস্তু শৰণ্যঃ মম দীনবন্ধো॥
অচ্যুতঃ কল্পবৃক্ষোঽসাবনন্তঃ কামধেনবঃ।
চিন্তামণিশ্চ গোবিন্দো হৰিনাম বিচিন্তয়েৎ॥
ক্বাহং বুদ্ধ্যাদি সংৰুদ্ধঃ ক চ ভূমান্ মহস্তব।
দীনবন্ধো দয়াসিন্ধো ভক্তিং মে নৃহৰে দিশ॥

[ ৯৬ ]

শুনিয়োক চিত্ত হেৰ পৰম ৰহস্য বাণী
তুমি শুদ্ধ জ্ঞানৰ আলয়।
কৃষ্ণ নিত্য শুদ্ধ বুদ্ধ পৰম ঈশ্বৰ দেৱ
নছাৰিবা তাহান আশ্ৰয়॥

শুদ্ধ—পৱিত্ৰ।
বুদ্ধ—জ্ঞানময়।

[আকাশাদি পঞ্চভূতৰ সত্ত্ব গুণৰপৰা চিত্তৰ উৎপত্তি; ইয়াক সাধাৰণতে হৃদয় বা অন্তঃকৰণ বোলা যায়] ইয়াৰ পৰাই মন

আৰু বুদ্ধিৰ উৎপত্তি; ইয়াক মন-বুদ্ধিৰ ভেটি বুলিব পাৰি। জ্ঞান আদি এই হৃদয়তে জন্মে বুলি আমি ভাবোঁ। সেই কাৰণে হৃদয়ক সম্বোধন কৰি কৈছে :— ] হেৰা চিত্ত, তুমিয়েই পৱিত্ৰ জ্ঞানৰ মন্দিৰ অৰ্থাৎ তোমাতেই জ্ঞান ওপজে; পৰম গুপুত কথা শুনা, ভগৱানেই একমাত্ৰ নিত্য ( সদায় থকা, এতিয়া আছে, আগেও আছিল আৰু আগলৈও থাকিব ) পৱিত্ৰ ( একোৱে মলিয়ন কৰিব নোৱাৰা )। জ্ঞানময় আৰু তেৱেঁই সকলোৰে ঈশ্বৰ; সেই হেন নিত্য, পৱিত্ৰ, জ্ঞানময় ঈশ্বৰৰ আশ্ৰয় তুমি লৈৰিবা।

[ ৯৭ ]

কৃষ্ণ নিজ ইষ্ট দেৱ আত্ম প্ৰিয়তম গুৰু
সুহৃদ সোদৰ বন্ধু জন।
কৃষ্ণ মোৰ গতি মতি কৃষ্ণত ভকতি ৰতি
কৃষ্ণপাৱে নিমজোক মন ॥

[ কৃষ্ণ বা ভগৱান সকলোৰে আত্মস্বৰূপে আছে, সেই কাৰণে ] কৃষ্ণই মোৰ উপাস্য দেৱতা, মোৰ আত্মা তেৱেঁই, মোৰে সকলোতকৈ প্ৰিয়গুৰুও তেওঁ আৰু ভাই-বন্ধু, আত্মীয়-কুটুম্ব যদি কোনোবা মোৰ আছে, সেইজন কৃষ্ণহে অৰ্থাৎ কৃষ্ণই মোৰ সকলো—কৃষ্ণৰ বাহিৰে মোৰ জগতত একো নাই। কৃষ্ণই মোৰ আশ্ৰয়—মোৰ মন সদায় কৃষ্ণতে; এতেকে কৃষ্ণত মোৰ ভক্তিৰ ৰতি বহক আৰু তেওঁতে মোৰ মন মোহ গৈ থাকক।

শান্তেঽনন্ত মহিম্নি নির্ম্মল চিদানন্দে তৰঙ্গাবলৌ।
নির্ম্মুক্তেঽমৃত সাগৰাম্ভসি মমাপ্যল্পোপি নাচাম্যতি ॥১৮

[ ৯৮ ]

শান্ত চিদানন্দ শুদ্ধ অনন্ত মহিমান্বিত
নির্ম্মল তৰঙ্গচয় হীন।
হেনয় পৰমানন্দ অমৃত সাগৰে মজি
আচান্ত নকৰে বুদ্ধি ক্ষীণ ॥

শান্ত—সমগুণযুক্ত, শিষ্ট। ( ইয়াত ইন্দ্রিয়াতীত বুজাইছে। )
চিদানন্দ—চিৎ ( চৈতন্য বা জ্ঞান ) স্বৰূপ আৰু আনন্দ স্বৰূপ যি
চিত সেয়ে চিদানন্দ।
আচান্ত—আচমন, মুখধোৱা।

পৰমেশ্বৰ ইন্দ্রিয়াতীত—ইন্দ্রিয়ই তেওঁক বশীভূত কৰিব নোৱাৰে। তেওঁ জ্ঞান স্বৰূপ, তেওঁ বিশুদ্ধ তেওঁৰ মহিমা অনন্ত আৰু তেওঁ ঢৌহীন নির্ম্মল সাগৰৰদৰে গম্ভীৰ; এনে পৰম আনন্দদায়ক ভগৱানক ভক্তি কৰি ভক্তিৰসৰ সাগৰত মগ্ন হৈ আচমন নকৰা লোক ( ভক্তিৰ ৰস পান নকৰা লোক ) বুদ্ধিহীন অর্থাৎ বুদ্ধি থকা মানুহে এনে ভগৱানক ভক্তি নকৰি নাথাকে।

নিঃসাৰে মৃগতৃষ্ণিকার্ণৱ জলে শ্রান্তো বিমূঢ়ঃ।
পিৱত্যাচমত্যৱগাহতেঽভিৰমতে মজ্জত্যথোন্মজ্জতি ॥১৯

[ ৯৯ ]

হে হৰি সাৰ শূন্য মৃগতৃষ্ণার্ণৱৰ জলে
শ্ৰান্ত হুয়া মহা মোহ পাওঁ।
স্নান পান আচমন কৰোহো ৰমণ তাতে
কতোহো ওপঙ্গো তল যাওঁ ॥

মৃগতৃষ্ণা—মৰীচিকা, মৰুভূমি আদিত জলভ্ৰম।

মৃগতৃষ্ণার্ণৱ—মৰীচিকাৰ সাৰ।

ৰ'দত মৰুভূমিৰ ওপৰৰ বায়ুমণ্ডলত দূৰৰ ছাঁয়া পৰি বিল বা সাগৰ থকা যেন দেখায়, প্ৰকৃততে কিন্তু তাত কোনো জলাশয় নাথাকে।

হে হৰি, অসাৰ মৰীচিকাৰ জল ভ্ৰমত পৰি মৃগ আদি জন্তুবোৰে সেই জলত স্নান কৰা, খোৱা, মুখ-হাত ধোৱা, ডুব দিয়া, সাঁতোৰা আদি মিছা আশা কৰি দৌৰি ভাগৰি কষ্ট পোৱাৰদৰে, মই মিছা মায়াত পৰি তাকে আচল বুলি ধৰিছোঁ; আৰু তাৰ ফলত সংসাৰ-মায়া এৰাব নোৱাৰি মিছা আমোদ-প্ৰমোদ কৰি নানা যাতনা ভোগ কৰোঁ। [কথা ঘোষা মতে এই পদত ভগৱন্তৰ মায়া কি তাক চাওঁ বুলি মাৰ্কণ্ডেৰ ঋষিয়ে যি প্ৰলয় সমুদ্ৰত হাবুডুবু খালে তাক সূচাইছে।]

[ ১০০ ]

পৰম অমূল্য ৰত্ন হৰিৰ নামৰ পেড়া
আতি গুপ্ত স্বৰূপে আছিলা।

লোকক কৃপায়ে হৰি শঙ্কৰ স্বৰূপে আসি
মুদ ভাঙ্গি সমস্তকে দিল ॥

মূল্য দি পাব নোৱাৰা দুৰ্লভ বস্তু স্বৰূপ হৰিনামৰ ভঁৰাল বেদাদি শাস্ত্ৰৰ ভিতৰত লোকে ধৰিব নোৱাৰা ভাৱে লুকাই আছিল; (তাৰ কলত সৰ্ব্বসাধাৰণ মানুহে নাম বস্তু বিচাৰি পোৱা টান আছিল); সেয়ে ভগৱন্ত প্ৰভুৱে জীৱৰ প্ৰতি কৃপা পৰৱশ হৈ শঙ্কৰৰূপ ধৰি পৃথিৱীত অৱতীৰ্ণ হল; আৰু শাস্ত্ৰাদি আলোচনা কৰি তাৰপৰা হৰি-নাম উলিয়াই জগতক বিলাই দিলে। [ইয়াত শ্ৰীমন্ত শঙ্কৰক অৱতাৰ স্বীকাৰ কৰিছে।]

[ ১০১ ]

হৰি-নাম প্ৰেমৰস অমৃত নিধিক বান্ধি
গুপ্ত কৰি থৈলা দেৱগণে।
দয়ালু শঙ্কৰে পাই তুলি মুদ ভাঙ্গি দিল
সুখে পান কৰা সৰ্ব্বজনে ॥

দেৱগণ—শাস্ত্ৰ ৰচনা কৰোঁতা ঋষি-মুনি।
মুদভাঙ্গি দিলা—মুৰ ভাঙি দিলে বা ঢাকনি গুচাই দিলে।

শাস্ত্ৰ ৰচনা কৰোঁতে ঋষি-মুনিসকলে অমৃতৰ ভঁৰাল স্বৰূপ যি নামৰ প্ৰেম-ৰস [নাম লৈ থাকোঁতে যি তৃপ্তি বোধ হয়—নাম লৈ থাকিবলৈ হোৱা ইচ্ছা] শাস্ত্ৰৰ ভিতৰত লুকাই থৈছিল; শঙ্কৰৰূপে অৱতাৰ হোৱা ভগৱানে শাস্ত্ৰৰ মাজৰপৰা হৰিনাম বিচাৰি উলিয়াই ভগৱৎ প্ৰেমৰ ওপৰত দিয়া নানা কৰ্ম্মৰ আৱৰণবোৰ

[ যাগ, যজ্ঞ, পূজা, হোম আদি কৰ্ম্ম কৰোঁতে কৰোঁতে ঈশ্বৰ-প্ৰেম জন্মে; এই কৰ্ম্মবোৰকে আবৰণ বুলি ধৰা হৈছে ] গুচাই দিলে বা শাস্ত্ৰৰ ওপৰত বান্ধি থোৱা নামৰ টোপাৰ ( টোমৰ ) মূৰ ভাঙি দিলে ; জগতৰ স্ত্ৰী, শূদ্ৰ, আদি সকলো শ্ৰেণীৰ লোকে অতি সহজে সেই হৰিনাম লৈ ভগৱানৰ প্ৰেম-ৰসৰ আস্বাদ লোৱা। [ ভগৱানৰ প্ৰেম বিচাৰি, নানা শাস্ত্ৰমতে নানা কৰ্ম্ম কৰাৰ আৱশ্যক নাই।

কিং তস্য দানৈঃ কিং তীৰ্থৈঃ কিং তপোভিঃ কিমধ্বৰৈঃ।
যো নিত্যং ধ্যায়তে দেৱং নৰাণাং মনসি স্থিতম্ ॥

[ ১০২ ]

হৰি-নাম গুপ্ত ভৈলা মনুষ্যত পূজা বৈলা
বুলি ৰঙ্গ কৰে দেৱ সৰ্ব্ব।
হেন হৰিনাম ধৰ্ম্ম শঙ্কৰে বিদিত কৰি
চূৰ কৈলা দেৱতাৰ গৰ্ব্ব ॥

মনুষ্যত পূজা বৈল—মানুহ সমাজত পূজা বল। অৰ্থাৎ মানুহক দেৱতা বুলি পূজা কৰিবলৈ নানা বিধান দিলে।

দেৱসৰ্ব্ব—শাস্ত্ৰকাৰসকল।

ৰঙ্গকৰে—গৌৰৱবোধ কৰে।

শাস্ত্ৰকাৰসকলে, মানুহে দেৱ-দেৱীক পূজিবলৈ নানা বিধান দিলে আৰু নাম-ধৰ্ম্ম তাৰ মাজত লুকাই ৰাখিলে অৰ্থাৎ লোকে

নানা ভাৱে নানা দেৱতাক পূজা কৰি তাৰ মাজেদি ঈশ্বৰক পোৱা পন্থা নিৰ্দ্দেশ কৰিলে—সহজ নাম-ধৰ্ম্ম মুকলিকৈ নুবুজালে; আৰু ইয়াকে কৰি তাত তেওঁলোকৰ বেচি পাণ্ডিত্য প্ৰকাশ হোৱা বুলি গৌৰৱবোধ কৰিলে; কিন্তু শঙ্কৰ-স্বৰূপে অৱতাৰ হোৱা ভগৱানে সেই নাম-ধৰ্ম্ম প্ৰকাশ কৰি শাস্ত্ৰকাৰসকলৰ গৰ্ব্ব চূৰ কৰিলে।

## প্ৰশংসা

[ ১০৩ ]

বেদৰ বিহিত যত আছে ধৰ্ম্ম সংসাৰত
সবে হৰিনামৰ কিঙ্কৰ।
হেন জানি যিটো জনে নামৰ কীৰ্ত্তন কৰে
সেহিসে পৰম সাধু নৰ॥

মানুহৰ ধৰ্ম্মৰ অৰ্থে সংসাৰত যিবোৰ কৰিবলগীয়া কামৰ কথা বেদত উক্ত আছে, সেইবোৰ হৰি-নামৰ দাসৰ স্বৰূপ অৰ্থাৎ হৰিনাম-কীৰ্ত্তন কৰিলেই ধৰ্ম্মৰ অৰ্থে সকলো কাম কৰা হয়। ইয়াকে নিশ্চয় কৰি যি মানুহে আন সকলোকে এৰি কেৱল হৰিনাম-কীৰ্ত্তন কৰে, তেওঁকেহে পৰম সাধুলোক বোলে।

যত্র যত্র প্ৰহৰিণঃ পাত্ৰ-মিত্ৰাদয়ঃ স্থ্যা।
মুৰাৰেৰ্ভগৱদ্দ্বাৰি তত্ৰ নো ভয় কাৰণং ॥১০৪

[ ১০৪ ]

হৰিৰ গৃহৰ দ্বাৰে বেত্ৰৰ প্ৰহাৰ যোগ্য
ব্ৰহ্মা ইন্দ্ৰ আদি দেৱজাক।
হেনয় দ্বাৰত বেত্ৰ প্ৰহাৰ পাইবাৰ যোগ্য
হওঁ আমি কমন বৰাক ॥

হওঁ আমি কমন বৰাক—আমি কিমান ডাঙৰ হওঁনো ?

[ শ্ৰীক্ষেত্ৰৰ মহা প্ৰভুৰ মন্দিৰত আৰু গয়াধাম আদিৰ বিষ্ণু-মন্দিৰত প্ৰভুৰ পৰিচালকসকলে যাত্ৰীসকলক বেতেৰে কোবায়। বৈকুণ্ঠতো এইদৰে হৰিমন্দিৰৰ সম্মুখত বেতৰ কোব খাব লাগে বুলি কল্পনা কৰা হয় ]। ব্ৰহ্মা, ইন্দ্ৰ আদি দেৱতাসকলে হৰিদৰ্শনৰ নিমিত্তে তীৰ্থযাত্ৰীৰূপে বৈকুণ্ঠৰ হৰি-মন্দিৰত উপস্থিত হোৱাত বেতৰ কোব খাবলগীয়া হয়, হৰিনাম-কীৰ্ত্তন কৰি জীৱেও তেনেকৈ বৈকুণ্ঠত উপস্থিত হৈ বেতৰ কোব খাবৰ উপযুক্ত হয়, তেনেহলে আমি হৰিনাম-কীৰ্ত্তন কৰি কিমান শ্ৰেষ্ঠ পদ পাব পাৰোঁ ভাবি চোৱা।

## নাম

অচ্যুতং কেশবং বিষ্ণুং হৰিং সত্যং জনাৰ্দ্দনং।
হংসং নাৰায়ণঞ্চৈব বিষ্ণোৰ্নামাষ্টকং শুভং ॥১০৫

[ ১০৫ ]

অচ্যুত কেশৱ বিষ্ণু নাম সত্য জনাৰ্দ্দন
হংস নাৰায়ণ অষ্ট নাম।
পৰম মঙ্গল ৰূপ যিটো অহর্নিশে লৱে
তাৰ পূর্ণ হোৱে মনস্কাম ॥

অচ্যুত—ন চ্যুত ( ক্ষৰণ ) যি স্থিৰ বা যাৰ পতন নাই, বিনাশ-শূন্য, অবিনশ্বৰ।

জনাৰ্দ্দন—জন ( লোক ) অৰ্দ্দ ( যাচ্ঞা কৰা—অনট্ ) মানুহে যাক যাচ্ঞা কৰে। জন ( অসুৰ ) অৰ্দ্দি ( পীড়িত কৰা—অন ) যি জন নামক অসুৰক পীড়ন কৰিছিল ; বিষ্ণু।

হংস—পৰমব্ৰহ্ম বিষ্ণু। "সোঽহং" ( তেওঁৱেই মই ) ওলোটালে "হংস" হয়।

ঈশ্বৰৰ অচ্যুত, কেশৱ, বিষ্ণু, হৰি, সত্য, জনাৰ্দ্দন, হংস, নাৰায়ণ এই আঠ নাম পৰম মঙ্গল স্বৰূপ, যি মানুহে এই আঠ নাম দিনে-ৰাতিয়ে লয়, তাৰ মনস্কামনা পূর্ণ হয়।

## পৰমাৰ্থসাৰ

মাধৱো মাধৱো বাচি মাধৱো মাধৱো হৃদি।
স্মৰন্তি সাধৱঃ সৰ্ব্বে সৰ্ব্বকাৰ্য্যেষু মাধৱম্ ॥

( ১০৬—১১২ )

[ ১০৬ ]

মাধৱ মাধৱ নাম বচনত উচ্চৰয়
মাধৱ মাধৱ হৃদয়ত।
নিৰন্তৰে সাধু সবে মাধৱ মাধৱ নাম
উচ্চৰন্ত সমস্ত কাৰ্য্যত॥

সাধুসকলে মুখত আৰু অন্তৰত মাধৱৰ নাম উচ্চাৰণ কৰে অৰ্থাৎ মুখেদিয়েও ঈশ্বৰৰ নাম লয় আৰু হৃদয়তো ঈশ্বৰৰ নাম উচ্চাৰণ কৰা অনুভৱ কৰে; আৰু সকলো কাম কৰোতে সদায় ঈশ্বৰৰ নাম উচ্চাৰণ কৰিহে আৰম্ভ কৰে অৰ্থাৎ তেওঁলোকে যি কৰে সকলো ঈশ্বৰৰ আদেশ বুলি ভাৱে [ ১১২ পৰ্য্যন্ত মাধৱ সপ্তক ]

[ ১০৭ ]

পৰম মঙ্গল ৰূপ মাধৱ মাধৱ নাম
যিটো মহাজনে উচ্চাৰয়।
তাৰ অমঙ্গল ৰূপ গুচয় সংসাৰ ভয়
মাধৱৰ নিকট পাৱয়॥

যি সাধুলোকে ঈশ্বৰৰ পৰম মঙ্গলদায়ক 'মাধৱৰ নাম একান্ত মনে উচ্চাৰণ কৰে, সেই লোকৰ অমঙ্গল স্বৰূপে সংসাৰ ভয় গুচে

অৰ্থাৎ তেওঁৰ সংসাৰৰ ৰোগ, জৰা, মৃত্যুলৈ ভয় নাথাকে আৰু ঈশ্বৰ প্ৰাপ্তি ঘটে।

[ ১০৮ ]

দুঃস্বপ্ন নাশন ইটো মাধৱ মাধৱ নাম
দুষ্ট গ্ৰহ ভয় বিনাশন।
পৰম সম্পদ ৰূপ জানি মাধৱৰ নাম
সৰ্ব্বদায়ে কৰিয়ো কীৰ্ত্তন ॥

( সুস্থিৰ মনৰ বেয়া সপোনে ভৱিষ্যৎ আপদ সূচায়।) মাধৱ নামে বেয়া সপোন নাশ কৰে অৰ্থাৎ মাধৱ নাম জপ কৰিলে বেয়া সপোনৰ ফল ভোগ কৰিব নালাগে, মাধৱ নামে আপদ আঁতৰায়। মাধৱ নামে কুপিত গ্ৰহৰ ভয়ো গুচায় অৰ্থাৎ মাধৱ নাম জপ কৰিলে কুপিত হোৱা গ্ৰহৰ দৃষ্টিত মানুহৰ অমঙ্গল হব নোৱাৰে। এই কাৰণে মাধৱ নাম সৰ্ব্বমঙ্গলদায়ক বুলি নিশ্চয় কৰি ধৰি সদায় তেওঁৰ নাম লোৱা।

[ ১০৯ ]

মাধৱেসে আত্মা নিজ মাধৱেসে ইষ্ট গুৰু
মাধৱেসে দেৱতা পৰম।
পৰম ঈশ্বৰ স্বামী জানি মাধৱক ভজা
মনুষ্যৰ ইসে শ্ৰেষ্ঠ ধৰ্ম্ম ॥

ভগৱান বা মাধৱেই পৰম'আত্মৰূপে সকলোৰে হৃদয়ত আছে; তেৱেঁই সকলোৰে উপাস্য দেৱতা, তেৱেঁই সকলো দেৱতাৰ ভিতৰত শ্ৰেষ্ঠ, সকলোতকৈ তেৱেঁই বৰ, সকলোৰে গৰাকী তেৱেঁই; ইয়াকে জানি সেই মাধৱক পূজা কৰা [সৰ্ব্বশ্ৰেষ্ঠ একমাত্ৰ ভগৱানক উপাসনা কৰা]; এই ধৰ্ম্মই মানুহৰ উৎকৃষ্ট ধৰ্ম্ম।

[ ১১০ ]

পৰম চতুৰ সি সি বুদ্ধিত কৌশল অতি
যিটো মাধৱৰ গুণ গাৱে।
মিছা কলেৱৰ গোটে মুকুতি বাণিজ কৰি
ভৱ তৰি মাধৱক পাৱে ॥

মিছা—ক্ষণভঙ্গুৰ, নশ্বৰ, অস্থায়ী।

মিছা কলেৱৰ গোটে মুকুতি বাণিজ কৰি—ক্ষণভঙ্গুৰ শৰীৰেৰে মুক্তিৰ বেপাৰ কৰি।

যি মানুহে মাধৱৰ নাম-গুণ কীৰ্ত্তন কৰে, সেই লোকেই অতি চতুৰ আৰু তেওঁ বুদ্ধিতো নিপুণ; তেওঁলোকে এই নশ্বৰ শৰীৰেৰে মাধৱৰ নাম লৈ মুক্তি কিনি (লাভ কৰি) সংসাৰৰপৰা উদ্ধাৰ হৈ পৰমেশ্বৰক লাভ কৰিব পাৰে।

[ ১১১ ]

যিজনে একান্ত চিত্তে মাধৱক ভজি নিতে
ফুৰে মাধৱৰ গুণ গাই।

দুৰ্ল্লভ অমৃত যেন সিজনে কৰিলে পান
মধুৰ পিবাক আৰ নাই ॥

যি মানুহে নিতৌ একান্ত মনে মাধৱক ভজি মাধৱৰ নাম-গুণ গাই ফুৰে, সেইজনে দুৰ্ল্লভ অমৃতৰ দৰে পৰম ৰসযুক্ত ভক্তি-ৰস লাভ কৰে ; এই ভক্তি-ৰস ইমান উপাদেয় আৰু তৃপ্তিকৰ যে তাতকৈ আৰু বেচি ৰসযুক্ত তৃপ্তিকৰ বস্তু জগতত নাই ; গতিকে তাকে পাই ভক্ত সন্তুষ্ট থাকে, আন একোলৈ তেওঁলোকৰ হেঁপাহ নাথাকে।

[ ১১২ ]

ভজ ভাই মাধৱক স্মৰ ভাই মাধৱক
গাৱ ভাই মাধৱৰ গুণ।
নিচিন্ত আপোন মাৰ সুখে আপোনাক তাৰ
হুয়ো ভাই পৰম নিপুণ ॥

মাৰ—মৰণ।

হে ভাই, মাধৱক সেৱা বা আশ্ৰয় কৰা, তেওঁক সততে অনুভৱ কৰা আৰু তেওঁৰ নাম গুণ কীৰ্ত্তন কৰা। তেওঁক নাভাবি

নিজৰ অমঙ্গল নকৰিবা; তেওঁক ভজি পৰম আনন্দে মুক্তি লাভ কৰি চতুৰতাৰ অৰ্থাৎ সুবুদ্ধিৰ চিনাকি দিয়া।

---

## সাৰ নিৰ্ণয়

ভগৱদ্‌গুণ-সন্দোহং শ্ৰোতুং যশ্চ সমুদ্যতঃ।
ভবেন্নিৰ্ম্মৎসৰঃ শুদ্ধঃ শ্ৰোতুং কিং বৰ্ণয়াম্যহম্ ॥১১৩

[ ১১৩ ]

ভগৱন্ত ঈশ্বৰৰ গুণ সমূহক যিটো
শুনিতে উদ্যম কৰে নৰ।
তেখনৰে পৰা সিটো জানিবা নিশ্চয় কৰি
ভৈল অতি শুদ্ধ নিৰ্ম্মৎসৰ ॥

নিৰ্ম্মৎসৰ—মাৎসৰ্য্যৰহিত, গৰ্ব্বৰহিত।

জ্ঞানাদি ষড়্ ঐশ্বৰ্য্যৰ গৰাকী ঈশ্বৰৰ গুণবোৰ যি মানুহে শুনিবলৈ যত্ন কৰে অৰ্থাৎ ঈশ্বৰৰ গুণবোৰ শুনি আৰু আলাপ কৰি ভাল পোৱা হয়, তেতিয়াৰপৰা সেই মানুহ নিৰহঙ্কাৰী হৈ উঠে। [ ঈশ্বৰৰ লীলা-গুণ শুনি ঈশ্বৰৰ তত্ত্ব আগ বঢ়াৰ লগে লগে মানুহৰ মইৰৰ ভাৱ বিলোপ হৈ যায়।]

ঈশ্বৰঃ পৰমো দেৱো মম তন্নাম তাৰকং।
ইতি যো নিশ্চিতো নিত্যং কৃতিনং তং পৰং বিদুঃ ॥১১৪

[ ১১৪ ]

ঈশ্বৰ কৃষ্ণেসে নিষ্ঠ পৰম আৰাধ্য দেৱ
মোৰ তান নামে নিজ গতি।
হেন নিশ্চয় সিটো কৰিলেক নিতে আতি
সি সি জন পৰম প্ৰকৃতি ॥

পৰম প্ৰকৃতি—পৰম কৃতী [ সং—মূলত আছে 'কৃতিনং পৰং তং বিদুঃ' ]

একমাত্ৰ ঈশ্বৰ কৃষ্ণই নিশ্চয় মোৰ একমাত্ৰ আৰাধনাৰ দেৱতা অৰ্থাৎ কৃষ্ণৰ বাহিৰে মোৰ পূজা কৰিবলগীয়া দেৱতা আৰু নাই; আৰু তেওঁৰ নামেই মোৰ আশ্ৰয়। যি মানুহে এনে ভাৱ সদায় মনত ৰাখি নিশ্চয় কৰি ললে অৰ্থাৎ এনে ভাবে যি সদায় তেওঁকে ভাবিবলৈ অভ্যাস কৰিলে, তেৱেঁই কৃতী বা তেওঁৰ স্বভাৱেই উত্তম।

অপি চেৎ শ্বপচো নাম সংসাৰেন্দ্ৰস্য চাবশাৎ।
যদি গৃহ্ণাতি সোঽপ্যত্ৰ যজ্ঞায় পৰিকল্প্যতে।১১৫

[ ১১৫ ]

সংসাৰৰ ইন্দ্ৰ কৃষ্ণ তাহান নামক যিটো
অজ্ঞানতো চণ্ডালে লৱয়।

হেনসে পৱিত্ৰ সিটো জানিবা যজ্ঞত আনি
পাত্ৰ পাতিবাৰ যোগ্য হয় ॥

পাত্ৰ—প্ৰধান লোক, আচাৰ্য্য।

কৃষ্ণই সংসাৰৰ ভিতৰত শ্ৰেষ্ঠ ; ৰদি নীচ জাতিৰ লোকেও পোনভে তেওঁৰ তত্ত্ব নোপোৱাকৈয়ে একান্ত মনে তেওঁৰ নাম লয়, সেই লোকে পৰমেশ্বৰৰ নাম লোৱা হেতু ভক্তি ভাৱত এনে পৱিত্ৰ হয় যে তেওঁক আনি যজ্ঞত আচাৰ্য্য পাতিব পাৰি।

ৰাম ৰামেতি ৰামেতি যস্য বক্তে্‌ ভবত্যলং।
ন তস্য তুল্যতাং যাতি চিৰ তীৰ্থাটনং মহৎ ॥১১৯

[ ১১৬ ]

ৰাম ৰাম ৰাম বাণী পৰম মঙ্গল ৰূপ
যাৰ মুখে প্ৰকাশ কৰয়।
চিৰকাল মহাতীৰ্থ কৰিয়া পৱিত্ৰ হুয়া
তাৰ কদাচিতো তুল নয় ॥

যি মানুহৰ মুখত পৰম মঙ্গল স্বৰূপ ৰাম নাম প্ৰকাশ পায় অৰ্থাৎ যি মানুহে সদায় পৰমেশ্বৰৰ নাম লৈ থাকে, তেওঁৰ সমান আজীৱন তীৰ্থ কৰি শুদ্ধ হোৱা মানুহো হব নোৱাৰে।

[ পৱিত্ৰ হোৱাৰ আশাৰে তীৰ্থ পৰ্য্যটন কৰাৰ দৰকাৰ নাই, ৰাম নাম একান্ত মনে লৈয়েই মানুহ পৱিত্ৰ হব পাৰে। ]

যদীচ্ছসি জগদ্ধাম ধামাব্যয়মনুত্তমং।
ভগৱত্যম্বুজাক্ষে চ সদৈক শৰণো ভব॥

(১১৭—১১৯)

[ ১১৭ ]

জগত ঈশ্বৰ কৃষ্ণ তাহান অব্যয় স্থান
তাক প্রতি আছে যেবে মন।
ভগৱন্ত ঈশ্বৰৰ চৰণ পঙ্কজে সদা
হুয়ো তেৱে একান্ত শৰণ॥

অব্যয়—অক্ষয়, নিত্য। অব্যয়স্থান—নিত্যধাম, বৈকুণ্ঠ।

জগতৰ ঈশ্বৰ কৃষ্ণক বা তেওঁৰ চিৰবাস বৈকুণ্ঠ লাভ কৰিবৰ বাঞ্ছা থাকিলে অর্থাৎ তেওঁৰ সেই অক্ষয় স্থান পাব খুজিলে, অন্য ভাব এৰি একান্তমনে তেওঁৰ চৰণত আশ্রয় লোৱা। ভগৱন্তৰ চৰণত মন মজিলে ভক্ত ভগৱানত লীন হয় আৰু তেনে ভক্ত পৰম পুৰুষৰ লগত বৈকুণ্ঠবাসী হয়।

[ ১১৮ ]

পৰম নির্ম্মল ধর্ম্ম হৰি নাম কীর্ত্তনত
সমস্ত প্রাণীৰ অধিকাৰ।
এতেকেসে হৰি নাম সমস্ত ধর্ম্মৰ ৰাজা
এহি সাৰ শাস্ত্রৰ বিচাৰ॥

হৰিৰ নাম কীৰ্ত্তন পৰম পবিত্ৰ ধৰ্ম্ম ; এই ধৰ্ম্ম সকলো শ্ৰেণীৰ, সকলো জাতিৰ মানুহে আচৰণ কৰিব পাৰে ; অৰ্থাৎ ঈশ্বৰৰ নাম লবলৈ জাতি-অজাতি, স্ত্ৰী-শূদ্ৰৰ বিচাৰ নাই, এই কাৰণে ঈশ্বৰৰ নাম ধৰ্ম্ম সকলো ধৰ্ম্মৰ ভিতৰতে শ্ৰেষ্ঠ, শাস্ত্ৰ বিচাৰৰ এয়ে সাৰ অৰ্থাৎ শাস্ত্ৰাদি আলোচনা কৰিলে তাৰ সাৰ মৰ্ম্ম "হৰিনামেই শ্ৰেষ্ঠ ধৰ্ম্ম" বুলি পোৱা যায়।

[ ১১৯ ]

বৰ্ণাশ্ৰম ধৰ্ম্ম যত যাৰ যেন বিধি আছে
তাৰেসে কেৱল অধিকাৰ।
হৰিনাম কীৰ্ত্তনৰ নাহিকে নিয়ম একো
এতেকেসে ধৰ্ম্ম মাজে সাৰ।

আশ্ৰম—গৃহী, ভিক্ষু, ব্ৰহ্মচাৰী, বানপ্ৰস্থ এই চাৰি আশ্ৰম।
বৰ্ণাশ্ৰম ধৰ্ম্ম—চাৰি জাতিৰ বিভিন্ন কৰ্ম্ম, যেনে—ব্ৰহ্মণৰ যাজন-যজন আদি, ক্ষত্ৰিয়ৰ যুদ্ধ আদি, বৈশ্যৰ কৃষি-বাণিজ্য আদি আৰু শূদ্ৰৰ পদসেৱা।

জাতি অনুসৰি ধৰ্ম্ম আচৰণ কৰাৰ বেলেগ বেলেগ ব্যৱস্থা আছে ; সেই ব্যৱস্থামতে বেলেগ বেলেগ জাতিয়ে বিভিন্ন বিধিমতে ধৰ্ম্ম আচৰণ কৰিব লাগে ; কিন্তু হৰিনাম কীৰ্ত্তন কৰিবলৈ সেইদৰে বেলেগ বেলেগ শ্ৰেণীৰ লোকৰ বাবে বিভিন্ন নিয়ম নাই ; সকলোৱে বিনা বাধাই হৰিনাম লব পাৰে ; সেই কাৰণে সকলো ধৰ্ম্মৰ ভিতৰত নামধৰ্ম্মই শ্ৰেষ্ঠ।

দোষান্ পৰেষাং হি গুণেষ্বসাধৱে,

গৃহ্ণাতি কেচিন্নভৱা দৃশাদ্বিজ।

গুণাঞ্চ ফল্গূন্ বহূনি কৰিষ্ণবো,

মহত্তমাস্তেষু বিদন্তাবানঘম্ ॥১২০

[ ১২০ ]

অধমে কেৱল দোষ লৱয় মধ্যমে গুণ-

দোষ লৱে কৰিয়া বিচাৰ।

উত্তমে কেৱলে গুণ লৱয় উত্তমোত্তমে

অল্প গুণ কৰয় বিস্তাৰ।

[ সংসাৰৰ ভাল বেয়া ছুলিঠি। কিছুমানে ভাল আদৰ্শ লৈ ভাল হয়, কোনোৱে বেয়া আদৰ্শ লৈ বেয়া পথে চলে। ] নীচ প্ৰকৃতিৰ মানুহে বেয়াটোহে লয়, মধ্যম প্ৰকৃতিৰ লোকে ভাল বেয়া আলোচনা বা বিচাৰ কৰি ভালটোহে গ্ৰহণ কৰে, উত্তম স্বভাৱৰ লোকে বেয়াৰ ওচৰলৈ নাযায়, তাৰ আলোচনা নকৰে—কেৱল ভালটো গ্ৰহণ কৰে; আকৌ সৰ্ব্বোত্তম লোকে অলপ গুণকে নিজে চিন্তা কৰি বহলাই গ্ৰহণ কৰে,। [ চালনীয়ে গুটি বাদ দি জাবৰ ৰাখে; নীচলোকেও তাকে কৰে, কুলাই জাবৰ ঠেলি গোট ৰাখে; সাধুৱে তেনে কৰে। ]

কলের্দোষনিধে ৰাজন্নস্তি হ্যেকো মহাগুণঃ।

কীৰ্ত্তনাদেৱ কৃষ্ণস্য মুক্তবন্ধঃ পৰং ব্ৰজেৎ ॥১২১

[ ১২১ ]

দোষৰ সাগৰ কলি তাকো পৰীক্ষিত ৰাজা
গুণ দেখি কৰিলা ৰক্ষণ ।
মহা পাপী অন্ত্য জাতি তৰয় কলিত সুখে
মুখে কৰি হৰিৰ কীৰ্ত্তন ॥

কলিকাল দোষে ভৰা ; অৰ্থাৎ কলিকালত মানুহ সহজতে মিছা ফাঁকি, প্ৰবঞ্চনা আদিত লিপ্ত হয় ; তথাপি এই কালতো দুৰ্ঘোৰ পাপী আৰু নীচ জাতিৰ মানুহেও মুখেৰে হৰিনাম কীৰ্ত্তন কৰি মুক্তি লাভ কৰিব পাৰে। সত্য, ত্ৰেতা, দ্বাপৰ আদি কালত মানুহে তপ, যাগ, যজ্ঞ আদি কৰিহে ভগৱানক লাভ কৰিব পাৰিছিল ; কলি কালত সেই ধৰণৰ কঠোৰ বিধি-ব্যৱস্থা মানি তপ, যাগ আদি নকৰি হৰিনাম একান্তমনে লৈয়েই তেওঁক পাব পাৰে ; কলি কালৰ এয়ে এটা বিশেষ গুণ। এই গুণ দেখিয়েই চন্দ্ৰবংশী পৰম বৈষ্ণৱ পৰীক্ষিত ৰজাই কলিক ধ্বংস নকৰিলে ।

উপাখ্যান—পৰীক্ষিতে হস্তিনাপুৰত কিছুদিন ৰাজত্ব কৰাৰ পাচতেই কলি প্ৰবেশ কৰে। তাকে দেখি তেওঁ কলিক বিচাৰি ফুৰে আৰু লগতে জম্বুদ্বীপ জয় কৰে। পৰীক্ষিতে দিগ্বিজয় কৰি কুৰুক্ষেত্ৰ পাওঁতেই তাত দেখিলে, ৰাজ পোছাক পিন্ধা এক শূদ্ৰই এক ঠেঙীয়া এটা ষাঁড় আৰু এজনী গাইক টঙনিয়াব ধৰিছে ; তেওঁ দূৰৈৰপৰা শূদ্ৰক গৰ্জ্জি কাষ চাপিল। পৰীক্ষিতে সেই ষাঁড়টোৰ লগত কথা হৈ বুজিব পাৰিলে, যে ষাঁড়টোৱেই ধৰ্ম্ম গাইজনী পৃথিৱী আৰু ৰজাৰ পোছাক পিন্ধা শূদ্ৰটো কলি।

তেতিয়া ৰজাৰ খং উঠিল আৰু কলিক বধ কৰিবলৈ উদ্যত হ'ল। কলিয়ে নানা কাকুতি-মিনতি কৰি ৰজাৰ চৰণত ধৰিলে। কলিৰ কাৰুণ্যত ৰজাৰ দয়া উপজিল। তেতিয়া—

"ৰজা মনে ভাবে আত আছে মহা গুণ।
ইচ্ছা মাত্রে কলিত উপজে যত পুণ্য ॥২৮৫
মনত আলচে নতু হৰি বোলে আসি।
এতেকে উপজে মহা মহা পুণ্য ৰাশি ॥
কৰিলেক সিজে পাপ হেন গুণ জানি।
প্ৰাণে নমাৰিলন্ত কলিক মহামানী" ॥ ২৮৬

তাৰ পাছত কলিক ৰাজ্যৰপৰা গুলাই যাবলৈ কয়, কলিয়ে তেতিয়া কয়—"সসাগৰা পৃথিৱী দেখো তোমাৰ, তাৰ বাহিৰেতো আৰু ঠাই নাই ; মই ক'লৈ যাওঁ মহাৰাজ ?" এইদৰে আকৌ কাকুতি কৰাত ৰজাই কয়—

"নৃপতি বোলন্ত কলি তোক দিলোঁ স্থান।
যৈত খেলে জুৱা-পাশা কৰে মদ্যপান ॥
স্ত্রী পঞ্চসূনা * গৃহস্থৰ থাকে যৈত।
এহি চাৰি ঠাই দিলো বঞ্চ গৈয়া তৈত ॥"

(ভাগৱত প্ৰথম খণ্ড।)

জ্ঞাননিষ্ঠো বিৰক্তো বা মদ্ভক্তো ন পেক্ষকঃ।
স লিঙ্গান্নাশ্ৰমাংস্ত্যক্ত্বা চৰেদবিধিগোচৰঃ ॥

---

* পঞ্চসূনা—চৌকা, শিলপাটা, লেচা, বাঢ়নি আৰু পানীৰ কলহ।

নাধীত বেদ শাস্ত্ৰোঽপি ন কৃতং চাপসব্যবৎ।
যো ভক্তিং বহতে বিষ্ণৌ তেন সৰ্ব্বং কৃতং ভবেৎ ॥
অন্তৰ্যন্তা সৰ্ব্বলোকস্য গীতঃ শ্ৰুত্যা যুক্ত্যা চৈব মেবাৱমেয়ঃ।
যঃ সৰ্ব্বজ্ঞঃ সৰ্ব্বশক্তি নৃসিংহঃ শ্ৰীমন্তং চৈতন্যৈবাৱলম্বে ॥
(১২২—১২৮)

[ ১২২ ]

অবিদ্যা জনিত সুখ সত্য লোক আদি কৰি
আত নিৰপেক্ষ নিৰন্তৰ।
কেৱল চিদাঙ্গ শুদ্ধি কাৰণেসে মাত্ৰ জানা
পুৰুষাৰ্থ মুমুক্ষু জনৰ ॥

অবিদ্যা—অজ্ঞান, মায়া, "দেহেই মই" এনে যি জ্ঞান, তাকে
মায়া বোলে।
লোক—স্বৰ্গ, মৰ্ত্ত্য, পাতাল ত্ৰিলোক।
ভূঃ, ভুবঃ, স্বঃ, মহ, জন, তপ আৰু সত্য এই সাত লোক।
নিৰপেক্ষ—স্বতন্ত্ৰ, স্বাধীন, উদাসীন।
মুমুক্ষু—মোক্ষ লাভ কৰিবলৈ ইচ্ছুক, সন্ন্যাসী।
চিদাঙ্গ—( চিৎ+অঙ্গ ) মনৰ ভাগ; জ্ঞানবৃত্তি।

[ সত্য আদি সাতলোক মায়াৰপৰা হোৱা; মানুহে এইবোৰ লোক কামনা কৰি যাগ-যজ্ঞ আদি কৰিলে সেইবোৰ লাভ হয়। এইবোৰ মায়াৰদ্বাৰা সৃষ্টি হোৱা বাবে পুণ্যৰ ক্ষয়ৰ অন্তত সেইবোৰ লোকৰপৰা পুনঃ সংসাৰত পতন হোৱাৰ সম্ভৱ আছে। ]

মুক্তিকামীলোকসকলে মায়াৰপৰা উদ্ভৱ হোৱা সত্য আদি লোকৰ প্ৰতি উদাসীন থাকে অৰ্থাৎ সেইবোৰ কামনা নকৰে। তেওঁলোকে দেহ, মন শুদ্ধ কৰাকে পৰম পুৰুষাৰ্থ বুলি ধৰে অৰ্থাৎ হৰিনাম-কীৰ্ত্তন কৰি কৰি মায়াৰ হাত সাৰি মন শুদ্ধ কৰাকেই প্ৰধান কৰ্ম্ম বুলি বিশ্বাস কৰে আৰু সেইমতে চলে।

[ ১২৩ ]

বিদ্যা-অবিদ্যা জন্য সুখে নিৰপেক্ষ হুয়া
কৰিল আপোন মন স্থিৰ।
বাসুদেৱময় মাত্ৰ সকলে জগত ইটো
পুৰুষাৰ্থ জানিবা জ্ঞানীৰ ॥

বিদ্যা—তত্ত্বজ্ঞান "মই দেহ নহওঁ, আত্মা" এনে বোধৰপৰা জ্ঞানমাৰ্গীৰ যি সুখ ওপজে।"
পুৰুষাৰ্থ—পুৰুষৰ ধৰ্ম্ম, অৰ্থ, কাম, মোক্ষৰূপ প্ৰয়োজন; প্ৰযত্ন।
বিদ্যা-অবিদ্যাজন্য সুখ—আত্মজ্ঞানৰপৰা হোৱা সুখ আৰু মায়াৰপৰা হোৱা সুখ।

[ধন, জন, ঐশ্বৰ্য্যত মানুহৰ মনত সুখ জন্মে; এই সুখক অবিদ্যাৰপৰা হোৱা সুখ বোলা যায়। তত্ত্বজ্ঞান জন্মিলে বা পৰমাৰ্থ পালেও মানুহৰ মনত সুখ জন্মে; এই সুখক বিদ্যাৰ সুখ বোলা যায়।] যি মানুহে মায়াৰপৰা হোৱা সুখ বা তত্ত্বজ্ঞানৰপৰা হোৱা সুখৰ প্ৰতি উদাসীন হৈ অৰ্থাৎ কোনো বিধ সুখতে আসক্ত নহৈ নিজৰ মন স্থিৰ ৰাখিব পাৰে, তেওঁৰ মনত গোটেই জগৎ কৃষ্ণময়;

কিয়নো জ্ঞানীসকলৰ পক্ষে গোটেই বিশ্বকে কৃষ্ণময় দেখাই ধৰ্ম, অৰ্থ, কাম, মোক্ষ চতুৰ্বৰ্গ সাধন বা এয়ে সিবিলাকৰ জীৱনৰ উদ্দেশ্য।

[ ১২৪ ]

সমস্ত সুখক তেজি পুৰুষোত্তমৰ প্ৰেম
ভকতিক কৰিল আশ্ৰয়।
ভকতসবৰ এহি পুৰুষাৰ্থ মনোনীত
আনো সুখ অধিকে পাৱয় ॥

যিসকলে বিদ্যা-অবিদ্যাৰপৰা হোৱা সুখলৈ পিঠি দি একমাত্ৰ ভক্তিকে আশ্ৰয় কৰে অৰ্থাৎ বিষয়-সুখলৈ আসক্তি এৰি তত্ত্বজ্ঞানলৈও মন নকৰি কেৱল ভগৱন্তৰ প্ৰেমত মুগ্ধ হৈ তেওঁকে ভজে ( ভগৱানৰ নাম শ্ৰৱণ-কীৰ্ত্তন-স্মৰণ কৰে ) তেওঁ সকলো প্ৰকাৰ সুখৰ অধিকাৰী হয়; ভক্তসকলৰ এই পুৰুষাৰ্থই মনোনীত অৰ্থাৎ ভক্তসকলে এইদৰেহে চলে বা চলিবলৈ ভাল পায় নাইবা এয়ে ভক্তৰ লক্ষণ।
( ইয়াত জ্ঞানতকৈ ভক্তিমাৰ্গৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰিছে )

[ ১২৫ ]

মুমুক্ষু জনৰ যেৱে অবিদ্যা জনিত সুখে
বিৰকতি ভৈল অতিশয়।
কেৱল আত্মাত মাত্ৰ সদায় ৰমণ কৰে
তেৱে বিধি কিঙ্কৰ গুচয় ॥

বিধি—শাস্ত্র বিধান।

মোক্ষলাভ কৰিবলৈ ইচ্ছা কৰা লোকৰ যি সময়ত মায়াৰপৰা হোৱা সুখলৈ (বিষয় সুখলৈ) অতি বিৰক্তি জন্মে আৰু সদায় আত্ম-তত্ত্বত মন নিমগ্ন ৰাখিব পৰা হয়, তেতিয়া তেওঁ শাস্ত্ৰ বা সমাজৰ বিধি বিধানৰ সকলো ব্যৱস্থাৰপৰা বাদ পৰে; অৰ্থাৎ তেনে লোকৰ কোনো প্ৰকাৰ বিধি পালনৰ আৱশ্যক নথকা হয়; আৰু তেনে পুৰুষ বিধাতাৰ লিখনৰপৰাও মুক্ত হয়।

[১২৬]

জ্ঞাননিষ্ঠ জনে বিদ্যা অবিদ্যা জনিত দুয়ো
সুখে বিৰকতি ভৈল যেৱে।
বাসুদেৱময় মাত্ৰ দেখয় জগত ইটো
বিধিৰ কিঙ্কৰ গুচে তেৱে॥

জ্ঞাননিষ্ঠজন—তত্ত্বদৰ্শী, ব্ৰহ্মজ্ঞান থকা, জ্ঞানী।

জ্ঞানী আকৌ যেতিয়া তত্ত্বজ্ঞান আৰু মায়াৰ (বিষয়ৰ) পৰা ওপজা এই দুয়োবিধ সুখৰপৰা উদাসীন হয় অৰ্থাৎ জ্ঞানীৰ যেতিয়া উক্ত কোনোবিধ সুখলৈ ভাব নথকা হয়, আৰু তেওঁ গোটেই জগতকে ব্ৰহ্মময়ৰূপে দেখা পায় (তেওঁৰ মনত সকলো অভেদ হয়), তেতিয়া আৰু তেওঁ সংসাৰৰ বিধি বিধানৰ ভিতৰত নাথাকে অৰ্থাৎ সমাজত চলা ৰীতি-নীতিলৈ তেওঁৰ দৃষ্টি নাথাকে।

[ ১২৭ ]

পুৰুষোত্তমৰ প্ৰেম ভকতি সুখক মাত্ৰ
নিশ্চয় কৰিল যিটো জন।
শৰণ কালৰপৰা বিধিৰ কিঙ্কৰ গুচি
কৰে সদা শ্ৰৱণ-কীৰ্ত্তন ॥

নিশ্চয় কৰিলে—সুদৃঢ় বিশ্বাস কৰি ধৰিলে।

যি মানুহে আকৌ ভগৱন্ত প্ৰভুৰ প্ৰেম-ভক্তিৰপৰা উপজা সুখকে মাত্ৰ সুদৃঢ় বিশ্বাস কৰি ধৰে অৰ্থাৎ ভগৱানক ভজিলে যি সুখ পোৱা যায়, তাকে মাত্ৰ যি মানুহে আশা কৰে, তেওঁ ভগৱন্ত প্ৰভুৰ একান্ত শৰণ লোৱা সময়ৰ পৰাই বিধি-ব্যৱস্থাৰ হাত সাৰে; অৰ্থাৎ ভক্তি কামনাকাৰীয়ে একান্তমনে ভগৱানক আশ্ৰয় লোৱা সময়ৰপৰাই বিধি মানি নচলিলে দোষ নঘটে।

[ ১২৮ ]

ভাৰত ৰত্নৰ দ্বীপ মনুষ্য শৰীৰ নৌকা
ৰাম নাম মহাৰত্ন সাৰ।
হেনয় বাণিজ্য পাই যিটো জনে নকৰয়
তাত পৰে দুখী নাহি আৰ ॥

---

**বিঃ দ্ৰঃ**—১২৫ ঘোষাত—মুমুক্ষু, ১২৬ ঘোষাত—জ্ঞাননিষ্ঠ, ১২৭ ঘোষাত—পুৰুষোত্তমৰ প্ৰেম এই তিনিজনৰ পৰমাৰ্থ লাভত কোনে কিমান দূৰ আগবাঢ়িছে তাৰ তুলনা কৰি দেখুৱাইছে।

ভাৰত—ভাৰতবৰ্ষ।

এই ভাৰতবৰ্ষ ৰত্নৰ দ্বীপ স্বৰূপ; সংসাৰৰ মহা ৰত্নৰ সাৰ ৰাম-ৰাম ইয়াতেই প্ৰকাশ পায়—ইয়াৰপৰাই পৃথিৱীৰ সকলো মূলধৰ্ম্ম বিস্তাৰিত হৈছে। মানুহৰ শৰীৰ নৌকা স্বৰূপ। নাৱেৰে সাগৰ পাৰ হৈ বাণিজ্য কৰি ৰত্নদ্বীপৰপৰা ৰত্ন আনিব পৰাৰ দৰে মানুহৰ শৰীৰেৰে ৰাম নাম লৈ এই ভাৰততেই ঈশ্বৰক লাভ কৰিব পাৰে। এনে অৱস্থাত সুন্দৰ বাপতীয়া পণ্য বস্তু (বেপেকৰা বেহানি) পাই যি মানুহে বাণিজ্য নকৰে অৰ্থাৎ এই শৰীৰ খটাই ৰাম-নাম-ধনেৰে ভগৱানক নিকিনে (লাভ নকৰে), তাতকৈ আৰু দুৰ্ভগীয়া লোক কোন আছে?

## প্ৰাৰ্থনা

নমো বিজ্ঞানৰূপায় পৰমানন্দৰূপিণে।
কৃষ্ণায় গোপীনাথায় গোবিন্দায় নমো নমঃ॥

(১২৯—১৩২)

[ ১২৯ ]

তুমি চিত্ত বৃত্তি মোৰ প্ৰৱৰ্ত্তক নাৰায়ণ
তুমি নাথ মই নাথৱন্ত।
চৰণ ছত্ৰৰ ছায়া দিয়া দূৰ কৰা মায়া
কৰা দয়া মোক ভগৱন্ত॥

হে নাৰায়ণ, তুমি মোৰ চিত্তৰ কাম, ক্ৰোধ, দয়া, ক্ষমা আদি বৃত্তিবোৰ চলাওঁতা; আৰু তুমি বিশ্ব ব্ৰহ্মাণ্ডৰ গৰাকী হোৱাৰ লগতে মোৰো তুমি গৰাকী বা স্বামী, আৰু মই তোমাৰ দাস, মই মালিকবিহীন বা অনাথ, নিৰাশ্ৰয় নহয়; এতেকে তোমাৰ চৰণত মোক আশ্ৰয় দি মোৰ মায়া ( বিষয় বাসনা ) আঁতৰোৱা। হে প্ৰভু, পৰম ঐশ্বৰ্য্যশালী ভগৱান, মোক এইখিনি অনুগ্ৰহ কৰা।

[ ১৩০ ]

তুমি মোৰ অন্তৰ্য্যামী তযু ভৃত্য ভৈলো আমি
জানি কৃপা কৰা হৃষীকেশ।
দান্তে তৃণ তুলি লওঁ যিমতে সেৱাত ৰওঁ
দিয়া মোক সেহি উপদেশ ॥

অন্তৰ্য্যামী—অন্তৰ জানোঁতা বা বুজোঁতা।
হৃষীকেশ—ইন্দ্ৰিয়ৰ অধিপতি।

হে প্ৰভু, তুমি মোৰ অন্তৰ বুজোঁতা, মোৰ অন্তৰ কেনে তাক তুমি জানা, মই একান্তমনে তোমাৰ চৰণত আশ্ৰয় লৈছোঁ। তুমি মোৰ ইন্দ্ৰিয়ৰ অধিপতি—মন, বুদ্ধি, অহঙ্কাৰ আদিৰ নিয়ামক তুমি। প্ৰভু, মই তোমাত আশ্ৰয় লেৱো তুমি জানিছা, এতেকে তুমি মোক কৃপা কৰা অৰ্থাৎ মোৰ এই ইন্দ্ৰিয়বোৰ সৎ-পথে চলোৱা। মই অতি কাতৰ ভাৱে প্ৰাৰ্থনা কৰোঁ, যাতে মই তোমাৰ সেৱাত ৰব পাৰোঁ; অৰ্থাৎ সদায় যাতে মোৰ মন তোমাৰ চৰণত থাকে, মোক সেই উপদেশ দিয়া বা মোক সেইমতে চলোৱা।

[ ১৩১ ]

তুমি ভক্ত কল্পতৰু বাহিৰে ভিতৰে গুৰু
তুমি বিনে নাহি মোৰ আৰ।
কৃপা কৰা হে হৰি চৰণত ৰক্ষা কৰি
দিয়া মোক সেৱা ৰস সাৰ ॥

তুমি ভক্তৰ মনত কল্পবৃক্ষ স্বৰূপ; অৰ্থাৎ ভকতে তোমাত একান্তমনে যি খোজে তুমি তেওঁক তাকে দিয়া; তুমিয়েই আমাৰ অন্তৰ্জ্জগত আৰু বহিৰ্জ্জগতৰ গুৰু অৰ্থাৎ তুমিয়েই সংসাৰৰ সকলো প্ৰাণীক বায়ু, পানী, তাপ, আহাৰ আদি দি ৰক্ষা কৰিছা আৰু সকলো প্ৰাণীৰ অন্তৰৰ বৃত্তিবোৰ চলাইছা; এতেকে প্ৰভু, তোমাৰ বাহিৰে মোৰ আৰু আশ্ৰয়স্থল নাই।

হে দুখ হৰণকৰোঁতা হৰি, মোক তোমাৰ চৰণত আশ্ৰয় দি ৰাখা; আৰু তোমাৰ সেৱা-ৰস সাৰ বা ভক্তি দিয়া; অৰ্থাৎ সেৱা কৰি মই যাতে আস্বাদ লব পাৰোঁ মোক তেনে অনুগ্ৰহ কৰা।

[ ১৩২ ]

তুমি হৰি কৃপাময় বাহিৰত গুৰু ৰূপে
অনুগ্ৰহ কৰি আছা মোক ।
অন্তৰ্য্যামী গুৰু ৰূপে তাকে সত্য কৰা মোৰ
তযু নামে সদা ৰতি হোক ॥

অন্তৰ্য্যামী—অন্তৰাত্মা, অন্তৰৰ কথা যোনে জানিব পাৰে। (১৩০ চোৱাঁ)
তাকে সত্য কৰা—বিশ্বাস জন্মোৱা, উপলব্ধি কৰোৱা।

হে দুখহাৰী হৰি, তুমি পৰম দয়ালু ; তুমি বাহিৰত মোক নানা ভাৱে ৰক্ষা কৰিছা অৰ্থাৎ তোমাৰ কৰুণাতে মই সংসাৰত চলি ফুৰিছোঁ বা বৰ্ত্তি আছোঁ ; তুমি মোৰ অন্তৰ্যামী গুৰু ৰূপেও যে অন্তৰত আছা, তোমাৰ নামত মোৰ ৰতি জন্মাই তাকে সত্য কৰোৱা অৰ্থাৎ মই তোমাৰ নাম লবলৈ ইচ্ছা কৰোঁ। তুমি অন্তৰ্যামী যেতিয়া—তুমিতো মোৰ ভাব জানিব পাৰিছাই, এতিয়া তুমি যদি তোমাৰ নামত মোৰ ৰতি জন্মোৱা, তেন্তে তুমি যে অন্তৰ্যামী সেইটো মোৰ বিশ্বাস হব।

কৃষ্ণায় বাসুদেৱায় দৈৱকীনন্দনায় চ।
নন্দগোপকুমাৰায় গোবিন্দায় নমো নমঃ ॥১৩৩

[ ১৩৩ ]

**হে কৃষ্ণ বাসুদেৱ দৈৱকী নন্দন হৰি**
**নমো নন্দগোপৰ কুমাৰ।**
**কৃপাময় শ্ৰীগোবিন্দ তযু পদ অৰবিন্দ**
**কৰো মই লক্ষ নমস্কাৰ ॥**

হে কৃষ্ণ, হে বাসুদেৱ, হে দৈৱকীনন্দন, হে নন্দগোপকুমাৰ হৰি, তোমাক সেৱা কৰোঁ। হে দয়াময় শ্ৰীগোবিন্দ, তোমাৰ চৰণ-পদ্মত মই লক্ষ লক্ষ বাৰ নমস্কাৰ কৰোঁ।

নমঃ পঙ্কজনাভায় নমঃ পঙ্কজমালিনে।
নমঃ পঙ্কজনেত্ৰায় নমস্তে পঙ্কজাঙ্ঘ্ৰয়ে ॥ ১৩৪

[ ১৩৪ ]

পদ্ম সম নাভি যাৰ প্ৰণামোহো বাৰম্বাৰ
নমো দিব্য পদ্ম মালাধাৰী।
নমো পদ্ম সম নেত্ৰ পদ যাৰ শত পত্ৰ
নমো ভকতৰ ভয়হাৰী ॥

শতপত্ৰ—পদ্ম।

যাৰ নাভি পদ্মৰ নিচিনা তেওঁক বাৰ বাৰ প্ৰণাম কৰোঁ; আৰু অপৰূপ পদ্মৰ মালা ধাৰণ কৰোঁতাক নমস্কাৰ কৰোঁ; যাৰ চকু পদ্মপত্ৰৰ নিচিনা, পদ যাৰ পদ্মৰ নিচিনা, তেওঁক নমস্কাৰ কৰোঁ; আৰু যি ভক্তৰ দুখ গুচায়, তেওঁক সেৱা কৰোঁ; অৰ্থাৎ পৰমেশ্বৰ ইমান মনোহৰ, সুশ্ৰী আৰু কোমল, যে সাকাৰভাৱে তেওঁক ভাবিলে নাভি, চকু, পদ পদ্মৰ লগত হে তুলনা কৰিব পাৰি। তেওঁ ইমান সুশ্ৰী, সৌন্দৰ্য্যযুক্ত আৰু শান্ত প্ৰকৃতিৰ যে তেওঁ যেন সকলোকে শান্তি দিবলৈ পদ্মফুলৰ মালাহে পিন্ধি বিশ্বত শোভা পাইছে।

বসুদেৱসুতং দেৱং কংসচাণূৰমৰ্দ্দনং।
দৈৱকীপৰমানন্দং কৃষ্ণং বন্দে জগদ্গুৰুং ॥১৩৫

[ ১৩৫ ]

বসুদেৱ সুত কৃষ্ণ তুমি ভকতৰ ইষ্ট
কংস চাণূৰাদি বিমৰ্দ্দন।

দৈৱকী হৃদয়ানন্দ জগতৰ গুৰু কৃষ্ণ
তযু পাৱে কৰোহো বন্দন ।

চাণূৰ—দৈত্য বিশেষ ; মথুৰাৰ ৰজা কংসৰ মাল ; কংসৰ ধনুৰ্যজ্ঞৰ সময়ত এই দৈত্যক শ্ৰীকৃষ্ণে মাৰিছে ।

হে বসুদেৱৰ পুত্ৰৰূপে অৱতাৰ হোৱা কৃষ্ণ, তুমি দুষ্ট ৰজা কংস-চাণূৰ আদি দৈত্যদমনকাৰী আৰু ভকতৰ 'একমাত্ৰ ইষ্টদেৱতা তুমি। হে দৈৱকীৰ হৃদয়ৰ আনন্দকাৰী জগতৰ গুৰু কৃষ্ণ, তোমাৰ চৰণ মই বন্দন কৰোঁ।

মৎ সম নাস্তি পাতকী তৎ সম নাস্তি পাপহা।
ইতি বিজ্ঞায় গোবিন্দ যথা যোগ্যং তথা কুৰু ॥ ১৩৬

[ ১৩৬ ]

মোৰ সম পাপী লোক নাহিকে ই তিনি লোক
তুমি সম নাহি পাপহাৰী ।
ই জানি গোবিন্দ মোক যেন যুৱাই কৰিয়োক
তুৱা পদে কৰোহো গোহাৰি ॥

যুৱাই—যুগুত হয় ।

স্বৰ্গ, মৰ্ত্ত্য, পাতাল এই তিনিওলোকত মোৰ সমান পাপী নাই আৰু তোমাৰ সমান পাপহৰণ কৰোঁতাও কোনো নাই ; সেই কাৰণে হে জ্ঞানময় গোবিন্দ, তোমাৰ চৰণত প্ৰাৰ্থনা কৰোঁ—

তুমি মোক যেনে ভাল দেখা তাকে কৰা। অৰ্থাৎ তুমি পাপহাৰী বুলি জানি মই পাপীয়ে তোমাৰ চৰণত আশ্ৰয় লৈছোঁ, তুমি যেনে উচিত বিবেচনা কৰা, মোৰ প্ৰতি তেনে ব্যৱস্থা কৰা।

অপৰাধং সহস্ৰাণি ক্ৰিয়ন্তেঽহৰ্নিশং ময়া।
দাসোঽহমিতি মাং মত্বা ক্ষমস্ব পৰমেশ্বৰ ॥১৩৭

[ ১৩৭ ]

সহস্ৰ সহস্ৰ আতি অপৰাধ দিনে ৰাতি
কৰো মই মহা মূঢ়জন।
আমি প্ৰভু তয়ু দাস আকে মানি জগবাস
ক্ষমিয়োক শ্ৰীমধুসূদন॥

শ্ৰীমধুসূদন—মধু নামে দৈত্যবধকাৰী বিষ্ণু। (সৃষ্টিৰ আদিতে বিষ্ণুৰ কাণৰ মলৰপৰা মধুদৈত্য উপজি ব্ৰহ্মাক মাৰিব খোজাত বিষ্ণুৱে বাধা দি মধু আৰু কৈতভক তেওঁ নিজে মাৰে।)

মই অতি মূৰ্খ; দিনে-ৰাতিয়ে মই হাজাৰ হাজাৰ অপৰাধ কৰোঁ। প্ৰভু, মই তোমাৰ দাস অৰ্থাৎ মই তোমাৰ আশ্ৰয় লৈছোঁ; ইয়াকে মানি অৰ্থাৎ মোক দাস বুলি গ্ৰহণ কৰি, হে জগত পালন কৰোঁতা, মধুদৈত্য বধকাৰী স্বামী, মোক ক্ষমা কৰা অৰ্থাৎ মোৰ দোষ মৰ্ষণ কৰি তোমাৰ চৰণত আশ্ৰয় দিয়া।

জানামি ধৰ্ম্মং ন চ মে প্ৰবৃত্তিঃ
জানাম্যধৰ্ম্মং ন চ মে নিবৃত্তিঃ।
ত্বয়া হৃষীকেশ হৃদি স্থিতেন
যথা নিযুক্তোঽস্মি তথা কৰোমি ॥১৩৮

[ ১৩৮ ]

ধৰ্ম্মক জানোহো মই তথাপি প্ৰবৃত্তি নাই
অধৰ্ম্মত নিবৃত্তি নোহয়।
হৃদি স্থিত হুয়া তুমি যেন কৰাবাহা স্বামী
হৃষীকেশ কৰিবো তেহ্নয় ॥

হৃষীকেশ—( হৃষীকৰ ঈশ, হৃষীক ইন্দ্ৰিয় ;) ইন্দ্ৰিয়ৰ অধিপতি। মানুহৰ মন, বুদ্ধি আদিক চলাওঁতা।

কি কৰিলে বা কি প্ৰকাৰে চলিলে ধৰ্ম্ম হয়, তাক মই জানোঁ, তথাপি ধৰ্ম্ম কামলৈ মোৰ মন নাযায় ; কি কৰিলে অধৰ্ম্ম হয় তাকো বুজোঁ, তথাপি অধৰ্ম্মত চলিবলৈ অনিচ্ছা নহয় বা অধৰ্ম্ম আচৰণ নকৰি থাকিব নোৱাৰোঁ। হে হৃষীকেশ, তুমি মোৰ মন বুজা আৰু তুমিয়েই মোৰ গৰাকী বা মোক চলাওঁতা, এতেকে তুমি মোৰ হিয়াত থাকি মোক যেনেকৈ চলাবা, মই তেনেকৈ চলিম।

আৱাহনং ন জানামি নৈব জানামি পূজনং।
বিসৰ্জ্জনং ন জানামি ত্বং গতিঃ পৰমেশ্বৰ ॥১৩৯

[ ১৩৯ ]

নজানোহো আৱাহন নজানোহো বিসৰ্জ্জন
পূজা মন্ত্ৰ নাজনো কিঞ্চিত।
এতেকে পৰমেশ্বৰ দাস ভৈলো চৰণৰ
মোৰ গতি সাধিবে উচিত॥

তোমাক কেনেকৈ মাতিব লাগে মই নাজানোঁ; আৰু পূজাৰ অন্তত কিৰূপে তোমাক বিদায় দিব লাগে তাকো নাজানোঁ; পূজা কিৰূপে কৰিব লাগে আৰু সেই পূজাৰ মন্ত্ৰ বা কি অলপো নাজানোঁ। সেই কাৰণে (উপায় নাপাই) হে সকলোৰে অধিপতি ভগৱান, মই তোমাৰ দাস হলোঁ। মোৰ উচিত গতি সাধিবা অৰ্থাৎ মই তোমাৰ একান্ত দাস হোৱাৰ ফলত মই যিহৰে উপযুক্ত হওঁ তাকে মোক দিবা।

[মই একো নাজানোঁ, কেৱল একান্ত মনে ভগৱানৰ আশ্ৰয় লৈছোঁ; তাৰ ফলত যি হয় হওক—একো কামনা নকৰোঁ।]

## নামান্বয়

কৃষি ভূর্ব্বাচকঃ শব্দো ণশ্চ নিৰ্বৃত্তিবাচকঃ।
যয়োৰ্বাক্যাৎ পৰব্ৰহ্ম কৃষ্ণ ইত্যভিধীয়তে॥
(১৪০—১৪২)

[ ১৪০ ]

কৃষ্ হেন শব্দ ইটো পৃথিৱী বাচক ভৈলা
ণ আনন্দত প্ৰৱৰ্ত্তয়।
দুইৰ এক পদ ভৈল পৰব্ৰহ্মৰূপ কৃষ্ণ
নাম আনন্দক মাত্ৰ কয়॥

'ণ' আনন্দত প্ৰৱৰ্ত্তয়—'ণ' ই আনন্দত প্ৰৱৰ্ত্তন কৰে বা চলে অৰ্থাৎ আনন্দ বুজায়;

'কৃষ্' শব্দে পৃথিৱীক বুজায়; 'ণ' ই আনন্দ বুজায়। 'কৃষ্' আৰু 'ণ' দুয়ো লগলাগি পৰম ব্ৰহ্মৰ ৰূপ 'কৃষ্ণ' নাম হৈছে আৰু ই কেৱল আনন্দকে বুজায়; অৰ্থাৎ ভগৱানৰ 'কৃষ্ণ' নামে পৃথিৱী-বাসীক আনন্দ দিয়ে বা পৃথিৱীবাসীয়ে ভগৱানৰ 'কৃষ্ণ' নাম লৈ আনন্দ পায়; সেই কাৰণে পৰম ব্ৰহ্মৰ ৰূপ কৃষ্ণ নামৰ ( নামেই ব্ৰহ্ম ) অৰ্থ আনন্দ।

[ ভগৱান আনন্দ স্বৰূপে বিশ্বত পৰিব্যাপ্ত; সেয়ে তেওঁৰ নাম কৃষ্ণ ]

[ ১৪১ ]

ঈশ্বৰৰ পদ সেৱা কৰন্তে জীৱৰ যত
কৃষতা গুচয় নিৰন্তৰ।
এহি হেতুতেসে জানা ঈশ্বৰক বুলি কৃষ্ণ
প্ৰসিদ্ধ অন্বয় মনোহৰ॥

কৃষতা—ক্লেশ।

অন্বয়—ভাঙনি, অৰ্থ, ব্যাখ্যা।

ভগৱানৰ পদ সেৱা কৰোঁতে কৰোঁতে (অৰ্থাৎ নাম লওঁতে লওঁতে) জীৱৰ পাৰ্থিৱ দুখ খণ্ডন হয় বা আনন্দ অৰ্থাৎ মুক্তি হয়; এই কাৰণেই ঈশ্বৰক কৃষ্ণ বোলে। কৃষ্ণ নামৰ এইটোৱেই মনোহৰ ভাঙনি বা অৰ্থ।

[ ১৪২ ]

নিৰন্তৰে নিজানন্দ সুখ পৰিপূৰ্ণ ৰূপ
অখণ্ড আনন্দ সুগুচয়।
এতেকেসে সদানন্দ নিত্যানন্দ নাম ইটো
ঈশ্বৰক বুলিয়ো নিশ্চয় ॥

নিজানন্দ—আনন্দময়, ঈশ্বৰ।

আনন্দময় ঈশ্বৰ সদায় সুখে ভৰপূৰ হৈ থাকে; তেওঁৰ সদায় আনন্দ, তেওঁৰ আনন্দৰ কেতিয়াও হানি নহয়; এই কাৰণেই ঈশ্বৰৰ সদানন্দ আৰু নিত্যানন্দ নাম হৈছে।

কো ব্ৰহ্ম ঈশঃ ৰুদ্ৰঃ তো আত্মনি স্বৰূপে
ৰয়তি,প্ৰলয়কালে উপাধিৰূপমূৰ্ত্তিত্ৰয়ং
মুক্ত্বা একমাত্ৰ পৰমাত্মস্বৰূপেনাবতিষ্ঠতে ॥১৪৩

[ ১৪৩ ]

ক ঈ শ পদে ব্ৰহ্মা বিষ্ণু মহেশ্বৰ
প্ৰতি প্ৰতি তিনিৰো অন্বয় ।
ৱ পদে নাৰায়ণ তিনিকো আছয় ছান্দি
এহি হেতু কেশৱ বোলয় ॥

'ক' অৰ্থে ব্ৰহ্মা, 'ঈ' অৰ্থে বিষ্ণু আৰু 'শ' অৰ্থে মহেশ্বৰক বুজায় । 'ৱ' অৰ্থে নাৰায়ণ—'ৱ' টো ক+ঈ+শ ৰে সৈতে যোগ হৈ "কেশৱ" হৈছে । অৰ্থাৎ ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ আশ্ৰিত হৈ নাৰায়ণ হৈছে । 'ৱ' টো নহলে 'কেশ' হলহেঁতেন ; 'কেশৱ' হৈ ভগৱানক বুজাব নোৱাৰিলেহেঁতেন ; এতেকে 'ৱ' টোৱেই 'ক' 'ঈ' 'শ' ক অৰ্থাৎ তিনিৰো অৰ্থক আগুৰি থকাবদৰে হৈছে ।

সৃষ্টি, স্থিতি, প্ৰলয়কাৰী—ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ তিনিও "নাৰায়ণক" ছান্দি থকাৰ কাৰণে তিনিওজন দেৱতা "কেশৱ" শব্দত সোমাইছে । সেই কাৰণে ঈশ্বৰক "কেশৱ" বোলে ।

ন চ্যবন্তে মহাভক্তা মহতাং প্ৰলয়াদপি ।
অতোঽচ্যুতোঽখিলে লোকে ভগৱান্ পৰিকীৰ্ত্ত্যতে ॥
( ১৪৪—১৪৭ )

[ ১৪৪ ]

ঈশ্বৰ কৃষ্ণৰ পদ সেৱন্তে জীৱৰ চ্যুতি
গুচয় সংসাৰ অদভুত ।

এহি হেতুতেসে জানা যতেক মহন্তসবে
ঈশ্বৰক বোলয় অচ্যুত ॥

চ্যুতি—পতন, হানি, নাশ।
অচ্যুত—বিনাশশূন্য, স্থিৰ।

ঈশ্বৰ কৃষ্ণক উপাসনা কৰোঁতে কৰোঁতে জীৱৰ পতন-ভয় গুচে অৰ্থাৎ জীৱে মুক্তি পায়—নানা বিপত্তি ভুগিব লগা অদ্ভুত সংসাৰলৈ পুনৰ আহিব নালাগে। এই কাৰণেই সাধুসকলে ঈশ্বৰক অচ্যুত বোলে।

[ ১৪৫ ]

ঈশ্বৰ কৃষ্ণৰ পদ ভজিয়া অধমসবো
অতিশয় হোৱয় উত্তম।
এহি হেতুতেসে জানা লোকত প্ৰসিদ্ধ ভৈল
ঈশ্বৰৰ নাম নৰোত্তম ॥

পাপীজনেও পৰমেশ্বৰক একান্তমনে ভজি উত্তম হব পাৰে; এই কাৰণেই লোক সমাজত ঈশ্বৰৰ "নৰোত্তম" নাম প্ৰখ্যাত হল।

[ ১৪৬ ]

ঈশ্বৰক জানি নৰে ভজিয়া মায়াক তৰে
সিংহ যেন ভ্ৰময় নিৰ্ভয়।
এতেকেসে ঈশ্বৰৰ নাম নৰসিংহ ভৈল
মহাজনসকলে কহয় ॥

মানুহে গুৰুৰপৰা ঈশ্বৰৰ তত্ত্ব উপদেশ লৈ ভগৱন্তৰ পদসেৱা কৰে ; আৰু তাৰ ফলত মায়াৰ হাত সাৰি অৰ্থাৎ নিস্পৃহভাৱে কৰ্ম্ম কৰি এই প্ৰলোভনপূৰ্ণ সংসাৰত সিংহৰদৰে নিৰ্ভয় চিত্তে জীৱন নিৰ্ব্বাহ কৰে। এই কাৰণে ঈশ্বৰৰ নাম নৰসিংহ হল বুলি সাধুসকলে কয়।

[ ১৪৭ ]

ঈশ্বৰৰ পাদপদ্ম ভজি শুদ্ধ চিত্ত হুয়া
অধমো তেজয় বামানয়।
এহি হেতুতেসে থাকি নিৰন্তৰে মহাজনে
ঈশ্বৰক বামন বোলয়॥

বামানয়—অসুৰৰ নিমিত্তে শুক্ৰাচাৰ্য্য বিৰচিত শাস্ত্ৰ বিশেষ ; বৌদ্ধ-তান্ত্ৰিক শাস্ত্ৰ।

বামাচাৰ—বাওঁফালে যি নিয়ে।

অসুৰৰ নিচিনা নীচ প্ৰকৃতিৰ মানুহেও পৰমেশ্বৰক শুদ্ধ চিত্তে (একান্ত মনে) ভজি বৌদ্ধ অনাচাৰী মত এৰে অৰ্থাৎ নাস্তিক মত বা ঈশ্বৰ বিমুখী ভাব এৰে ; এই কাৰণে সাধুসকলে ভগৱানক 'বামন' বোলে।

ঈশ এবহিমত্যৰ্থং ন চ মামীশতে পৰে।
দদামি চ ষড়ৈশ্বৰ্য্যমীশ্বৰস্তেন কীৰ্ত্ত্যতে ॥১৪৮

[ ১৪৮ ]

মোক্ষ আদি কৰি সুখ        ঈশ্বৰ সেৱাৰ জানা
অণু একো নুহি সমসৰ।
এহি হেতু মহাজনে        জানিবা পৰমানন্দ
নাম ধৰি আছন্ত ঈশ্বৰ ॥

ঈশ্বৰক একান্তমনে ভক্তি কৰিলে যি ভক্তি-ৰস বা আনন্দ পোৱা যায়, মোক্ষ আদি সুখ তাৰ লগত তুলনা কৰিলে তাৰ নিচেই অলপমানৰ সমানো নহয় অৰ্থাৎ ভক্তি-ৰসৰ আনন্দৰ লগত মোক্ষ সুখ তুলনা নহয়। হে সাধুসকল, এই কাৰণেই ঈশ্বৰে পৰমানন্দ নাম লৈছে বা তেওঁক পৰমানন্দ বোলে।

কৃষ্ণনাম জগৎসত্যং জীৱানাং কাৰণং পৰম্।
জীৱনং শৰণং কৃষ্ণ নামৈব বিপুলং ধনম্ ॥
ৰ শব্দো বিশ্বৱচনো মশ্চাপীশ্বৰবাচকঃ।
বিশ্বানামীশ্বৰো যো হি তেন ৰামঃ প্ৰকীৰ্ত্তিতঃ ॥

( ১৪৯—১৫২ )

[ ১৪৯ ]

যিহেতু কৃষ্ণেসে আত্মা        এতেকেসে জীৱৰাশি
নিৰন্তৰে আনন্দ লভয়।
এহি হেতু সৰ্ব্বানন্দ        নাম ধৰি আছা হৰি
মহাজনে জানিবা নিশ্চয় ॥

যিহেতু কৃষ্ণই সকলোৰে আত্মা ; মানুহে তেওঁক ভজি সেইকাৰণে সদায় আনন্দ লাভ কৰিব পাৰে। ভগৱানক অৰ্থাৎ নিজৰ আত্মাক চিন্তা কৰি মানুহে আনন্দ লাভ কৰিব পাৰে দেখি, হে সাধুসকল, পৰমেশ্বৰে সৰ্ব্বানন্দ নাম পাইছে বা তেওঁক সৰ্ব্বানন্দ বোলে।

[ ১৫০ ]

যি কাৰণে নাৰায়ণে পঞ্চভূতে পঞ্চবৰ্ণে
মালা পিন্ধি প্ৰকাশ কৰন্ত।
এহি হেতু নিৰন্তৰে জানিবাহা বনমালী
নাম ধৰি আছা ভগৱন্ত ॥

বনমালী—বনমালিন্ শব্দ। ব=বৰুণ বা পানী; ন=নভঃ বা আকাশ; ম=মৰুৎ বা বায়ু; অ=অনল বা তেজ; ল= পৃথিৱী। বৰুণ, নভঃ, মৰুৎ, অনল আৰু পৃথিৱী এই পাঁচ ভূতৰ পাঁচ আখৰ, ব+ন+ম+অ+ল যোগ হৈ 'বনমাল' হয় আৰু ই পাঁচ ভূতক বুজায়; তাত 'ইন্' যোগ হলে বনমালিন্ শব্দ হয় আৰু তাত বিভক্তি যোগ হৈ 'বনমালী' হয় আৰু সি ভগৱন্তক বুজায়। পৰমাত্মা পঞ্চভূতৰ মাজত আছে বা পঞ্চভূত পৰমাত্মাৰ ভিতৰত আছে, বনমালী শব্দটোৱে তাকে বুজায়।

ভগৱানে পঞ্চভূতৰ ব, ন, ম, অ, ল এই পাঁচ আখৰেৰে গঁঠা মালা পিন্ধাৰদ্বাৰে চৰাচৰ বিশ্বৰ পঞ্চভূতত শোভা পাইছে অৰ্থাৎ ভগৱান সৰ্ব্বব্যাপী ; গতিকে পঞ্চভূতেৰে সৃষ্ট হোৱা বিশ্বত তেওঁ

অৱস্থিতি কৰাত বিশ্বৰ পঞ্চভূতক নিজৰ অঙ্গশোভাৰ অলঙ্কাৰ কৰাৰ দৰে হৈছে; সেই কাৰণে ভগৱানক বনমালী বোলে।

[ ১৫১ ]

ঈশ্বৰ সেৱাৰ সুখ লভিয়া ইন্দ্ৰিয় জন্ত
সুখ জীৱে অধস্কৃত কৰে।
এহি কাৰণত সবে জানিবাহা অধোক্ষজ
নাম ধৰি আছা দামোদৰে ॥

অধস্কৃত—পৰাভূত, পৰাজয়, তুচ্ছজ্ঞান কৰি এৰি দিয়া।

অধোক্ষজ—বিষ্ণু, ইন্দ্ৰিয়াতীত, অতীন্দ্ৰিয়।

জীৱে ঈশ্বৰ সেৱাৰ সুখ লাভ কৰি অৰ্থাৎ ভক্তিৰস পান কৰি ইন্দ্ৰিয়ৰপৰা হোৱা সুখক তুচ্ছজ্ঞান কৰি এৰি দিয়ে। এই কাৰণেই ঈশ্বৰে অধোক্ষজ বা ইন্দ্ৰিয়াতীত (ইন্দ্ৰিয়ৰ বাহিৰ) নাম লৈছে।

[ ভগৱান ইন্দ্ৰিয়াতীত; জীৱ তেওঁৰ লগত মিলিব খুজিলে, তেওঁক ভজি ইন্দ্ৰিয়-সুখলৈ পিঠি দিব লাগিব। জীৱে ইন্দ্ৰিয়-সুখ ত্যাগ কৰি ভগৱানক সেৱা কৰিহে সুখলাভ কৰিব পাৰে। ]

[ ১৫২ ]

চৈতন্যত কৰি পৰ মায়াত উপজি যত
আছে তাক ৰমাৱন্ত হৰি।

এহিসে কাৰণে জানা পৰম ঈশ্বৰ প্ৰভু
পৰশুৰাম নাম আছা ধৰি ॥

চৈতন্ত—আত্মা, ব্ৰহ্ম, পৰমাত্মা, ঈশ্বৰ।
পৰ—( আত্মাতকৈ ) ভিন্ন, বাহিৰা। 'পৰ'ত 'শু' যোগ হলে পৰশু হয়।
পৰশু—( আত্মাতকৈ ) বেলেগ বস্তুবোৰ।
পৰশুৰাম—আত্মাৰ বাহিৰে অন্য বস্তুবোৰ সক্ৰিয় কৰে।
ৰমাৰন্ত—ৰমণ কৰে, সক্ৰিয় কৰে।

বস্তু আৰু তাৰ ছাঁয়া যেনে, চৈতন্ত আৰু মায়াও তেনে। চৈতন্ত বা ভগৱানে একো নকৰে, তেওঁৰ সৃষ্টি যি মায়া, তাৰ দ্বাৰাহে এই সৃষ্টি হৈছে। বস্তু নাথাকিলে যেনেকৈ ছাঁয়া নাথাকে, ভগৱান নাথাকিলেও মায়াৰ উদ্ভৱ নহলহেঁতেন। উৎপত্তি, স্থিতি আৰু নাশ যি দেখোঁ, সেইবোৰ মায়াৰ কাৰ্য্য; কিন্তু মায়া ভগৱানৰে সৃষ্ট; গতিকে মায়াৰ সৃষ্ট বস্তুবোৰো ভগৱানেই সক্ৰিয় বা প্ৰকাশ কৰে।

চৈতন্তৰ বাহিৰে মায়াৰপৰা উদ্ভৱ হোৱা যিবোৰ বস্তু দেখোঁ, এইবোৰো ভগৱানে সক্ৰিয় কৰে অৰ্থাৎ ভগৱান সকলোৰে ভিতৰত আছে, সেই কাৰণেহে সকলোৰে স্থিতি ঘটিছে। আত্মাৰ বাহিৰে অন্য সকলো বস্তু সক্ৰিয় কৰা বাবেই ভগৱানৰ এটা নাম পৰশুৰাম।

ৰমন্তে যোগিনোঽনন্তে নিত্যানন্দে চিদাত্মনি।
তেন ৰাম পদেনাঽসৌ পৰব্ৰহ্মাভিধীয়তে ॥

( ১৫৩—১৫৪ )

[ ১৫৩ ]

চৈতন্য শক্তিৰ দ্বাৰে ইটো জড় জগতক
ৰমাৱন্ত কৰ্ম্ম অনুৰূপে।
এতেকেসে ঈশ্বৰৰ পৰম প্ৰসিদ্ধ ৰাম
নাম আক জানিবা স্বৰূপে ॥

দ্বাৰে—দ্বাৰাই।
জড়জগত—জড় পদাৰ্থসমূহ।

(ভগৱানেই চৈতন্যময়; সমস্ত জগত জড়।) ভগৱানে চৈতন্য শক্তিৰ দ্বাৰাই সকলো জড় বস্তুক কৰ্ম্ম অনুসাৰে চলাইছে বা জড়ৰ ভিতৰত তেওঁ চৈতন্যৰূপে থাকি লীলা কৰিছে; এই কাৰণেহে ঈশ্বৰৰ বিখ্যাত 'ৰাম' নাম হল; ইয়াক সকলোৱে নিশ্চয়কৈ মানিবা বা বিশ্বাস কৰিবা।

[ ১৫৪ ]

অনন্ত চৈতন্য আত্মা সদানন্দ ঈশ্বৰত
যোগীগণে সদায় ৰময়।
এহিহেতু ৰাম পদে পৰমব্ৰহ্ম স্বৰূপত
কহে ৰাম নামৰ অন্বয় ॥

ঈশ্বৰ অনন্ত, তেওঁ চৈতন্যময়, তেওঁ বিশ্বৰ আত্মা, তেওঁ সদায় প্ৰফুল্ল; যোগীসকলে তেওঁক ধ্যান-ধাৰণা কৰোঁতে সদায় তেওঁৰ লগতে ৰমণ কৰে বা মিলে অৰ্থাৎ যোগীয়ে ঈশ্বৰক ধ্যান

কৰাত ঈশ্বৰ তেওঁৰ হৃদয়ত উদয় হৈ সদায় আনন্দ দিয়ে। এই কাৰণে "ৰাম" পদে আচলতে পৰম ব্ৰহ্মকে বুজায়; শাস্ত্ৰত থকা ৰাম নামৰ এয়ে অৰ্থ।

## আত্ম-উপদেশ

কদ্ৰৰূপেণ সংহৰ্ত্তা বিশ্বানামপি নিত্যশঃ।
ভক্তানাং পাৰকো যো হি হৰিস্তেন প্ৰকীৰ্ত্তিতঃ॥১৫৫

### দুলড়ী

[ ১৫৫ ]

স্মৰণ মাত্ৰকে যিহেতু দুৰ্ঘোৰ
সংসাৰ দুঃখ হৰন্ত।
এহি হেতুতেসে ঈশ্বৰক হৰি
বোলয় যত মহন্ত॥

পৰমেশ্বৰৰ নাম স্মৰণ কৰিলে (একান্তমনে মনত ভাবিলে) সংসাৰ দুখ গুচে অৰ্থাৎ সংসাৰত জন্মি ৰোগ, শোক, দুখ, তাপ ভুঞ্জিব নালাগে বা মুক্তি হয়; এই কাৰণেই সাধুসকলে ঈশ্বৰক দুখ হৰণ কৰোঁতা "হৰি" বোলে। [স্মৰণ মাত্ৰকে গজেন্দ্ৰৰ দুখ মোচন কৰিবলৈ হোৱা অৱতাৰৰ নাম "হৰি"।]

যস্মাদ্বিশ্বমিদং সৰ্ব্বং তস্য শক্ত্যা মহাত্মনঃ।
তস্মাদেবোচ্যতে বিষ্ণুৰ্বিশ ধাতোঃ প্ৰবেশনাৎ ॥ ১৫৬

[ ১৫৬ ]

আত্মাৰূপে জানা ইটো জগতত
আছন্ত হুয়া প্ৰবেশ।
এহি হেতুত্তেসে ঈশ্বৰক বিষ্ণু
বুলিয়া নাম বিশেষ ॥

বিষ্ণু—[ বিশ্ ( ব্যাপক ) + ণক্ ] সত্ব গুণময় ব্যাপক দেৱ ; জগতৰ সকলো বস্তুতে তেওঁ আত্মাৰূপে আছে, সেয়ে ভগৱানক বিষ্ণু বোলে।

( জগতৰ সত্তা ভগৱান—ভগৱান আছে সেয়ে জগতৰ উদ্ভৱ হৈছে ; ঈশ্বৰ নাথাকিলে এই দৃশ্যমান জগতৰ উদ্ভৱ নহলহেঁতেন। ) ভগৱান এই জগতৰ সকলো বস্তুতে আত্মৰূপে আছে, এই কাৰণে ঈশ্বৰক বিষ্ণু নামেৰে বিশেষ কৰি বুজায়।

[ ১৫৭ ]

ইন্দ্ৰিয়বৰ্গত যিহেতু ঈশ্বৰ
আছন্ত হুয়া প্ৰবেশ।
এতেকে মহন্ত সকলে বোলয়
ঈশ্বৰক হৃষীকেশ ॥

(হৃষীক শব্দৰ অৰ্থ জ্ঞানেন্দ্ৰিয়); চকু, নাক, কাণ, জিভা আৰু ছাল এই পাঁচবিধ জ্ঞানৰ দুৱাৰ বা জ্ঞানেন্দ্ৰিয়। দৰ্শন, ঘ্ৰাণ, শ্ৰৱণ, আস্বাদন আৰু স্পৰ্শন এই পাঁচবিধ জ্ঞানৰ বিষয়। জ্ঞান কিন্তু এটা বস্তু—পাঁচটা তাৰ বিভাগহে। ভগৱান জ্ঞানময়; ভগৱান আমাৰ শৰীৰত আছে, এই কাৰণেই আমাৰ ইন্দ্ৰিয়বোৰে জ্ঞান পাইছে; সেই কাৰণে ভগৱানক ইন্দ্ৰিয়বোৰৰ অধিপতি বুলিব পাৰি। ভগৱানক হৃষীকেশ (হৃষীক+ঈশ) বোলাৰ কাৰণ এয়ে। চকু, কাণ, নাক, জিভা আদি ইন্দ্ৰিয়বোৰক ভগৱানে চলায়, সেই কাৰণে সাধুসকলে তেওঁক হৃষীকেশ বোলে।

[ ১৫৮ ]

অন্তৰ্য্যামীৰূপে যিহেতু জীৱক
সুখ-দুখ ভুঞ্জাৱন্ত।
এতেকেসে পৰ- মাত্মা নাম ধৰি
আছন্ত প্ৰভু অনন্ত ॥

অন্তৰ্য্যামী—জীৱৰ প্ৰবৃত্তি নিবৃত্তি নিয়ামক।

পৰমেশ্বৰ জীৱৰ প্ৰবৃত্তি-নিবৃত্তিৰ নিয়ম কৰোঁতা; অৰ্থাৎ তেৱেঁই জীৱৰ অন্তৰ বুজি কৰ্ম্মত ইচ্ছা-অনিচ্ছা জন্মায়; এই দুই বৃত্তিৰ ওপৰতেই মানুহৰ কৰ্ম্মফল নিৰ্ভৰ কৰে। সৎকৰ্ম্মত প্ৰবৃত্ত হলে জীৱৰ সুখ অৰ্থাৎ মুক্তি, আৰু অসৎ কৰ্ম্মত প্ৰবৃত্ত হলে জীৱৰ দুখ অৰ্থাৎ বন্ধন হয়—জীৱে সংসাৰত ঘূৰি লটি-ঘটি হয়। ভগৱান অন্তৰ্য্যামী; তেওঁ জীৱৰ অন্তৰ আৰু তাৰ প্ৰাক্তন কৰ্ম্মফল বুজি

জীৱক সৎ-অসৎ কৰ্ম্মত প্ৰবৃত্ত কৰাই জীৱক সুখ-দুখ দিয়ে; সকলো জীৱৰ অন্তৰত তেওঁ থাকি এইদৰে জীৱক চলোৱা বাবে সেই অনাদি অনন্ত প্ৰভুৱে পৰমাত্মা নাম পাইছে।

[ ১৫৯ ]

পৰম ঈশ্বৰ স্বৰূপে জীৱৰ
আছন্ত হুয়া আশ্ৰয়।
এতেকেসে তাঙ্ক বুলি নাৰায়ণ
নামৰ দিবা অন্বয়॥

[ নাৰ—জল; অয়ন—আশ্ৰয়; ভগৱানে আদি কালত জলত আশ্ৰয় কৰিছিল বা জলৰূপী তেওঁ নাৰায়ণ হৈছিল। জল সৃষ্টিৰ আদি অৰ্থাৎ জলৰ পৰাই এই সৃষ্টি হৈছে আৰু চলিছে; এই কাৰণে ভগৱানক নাৰায়ণ বোলে ]।

ভগৱান, সকলোতকৈ ডাঙৰ হৈ সকলো জীৱকে আশ্ৰয় দি ৰক্ষা কৰিছে; এই কাৰণে তেওঁক নাৰায়ণ বোলে। পানী সৃষ্টি ৰক্ষাৰ প্ৰধান সম্বল; পানীক আশ্ৰয় কৰিহে সৃষ্টি ৰক্ষা পৰিছে; গতিকে ভগৱানেই জলক লৈ সৃষ্টি ৰক্ষা কৰাত তেওঁ নাৰায়ণ নাম পাইছে।

[ ১৬০ ]

অহঙ্কাৰ আদি একোৱে উপাধি
কৰিতে নপাৰে ছন্ন।

সেহিসে কাৰণে মহন্তসকলে
বোলে তাঙ্ক নিৰঞ্জন ॥

উপাধি—উপনাম আদি।
নিৰঞ্জন—নিঃ ( নাই ) + অঞ্জন ( মলি ) নির্ম্মল।

অহঙ্কাৰ, দম্ভ, দ্বেষ আদি জীৱৰ গাত লগা উপাধি বা দোষ। ই জীৱক অধোগামী কৰে। পৰমেশ্বৰৰ গাত এইবোৰ দোষ নাই। গতিকে এইবোৰে তেওঁক দুষ্ট কৰিব নোৱাৰে, সাধুসকলে এই কাৰণে পৰমেশ্বৰক নিৰঞ্জন বোলে।

[ ১৬১ ]

সত্ত্ব ৰজ তম তিনি গুণ বৃত্তি
লুপ্ত তাঙ্ক নকৰয়।
সেহিসে কাৰণে বেদশাস্ত্ৰগণে
বোলে তাঙ্ক নিৰাময় ॥

নিৰাময়—নিঃ ( নাই ) আময়=ৰোগ ; ৰোগবিহীন ; নিৰ্গুণ।

সত্ত্ব, ৰজ, তম এই তিনি গুণ কম বেচি পৰিমাণে মানুহৰ গাত থাকি মানুহক সত্ত্বগুণী বা ৰজোগুণী নাইবা তমোগুণী কৰে ; পৰমেশ্বৰক কিন্তু এই তিনি গুণে পীড়িব নোৱাৰে অর্থাৎ মানুহৰ দৰে তেওঁক সেই সেই গুণৰ গুণযুক্ত কৰিব নোৱাৰে ; সেই কাৰণে জ্ঞানপূর্ণ শাস্ত্ৰবোৰে তেওঁক নিৰাময় অর্থাৎ নিৰ্গুণ বুলি ব্যাখ্যা কৰে।

[ ১৬২ ]

যতেক প্ৰাকৃত আকাৰ বৰ্জ্জিত
ভৈলন্ত যিহেতু হৰি।
সেহি হেতুতেসে নিৰাকাৰ নাম
আছন্ত ঈশ্বৰে ধৰি॥

প্ৰাকৃত– প্ৰকৃতি সম্বন্ধীয়, প্ৰকৃতিৰপৰা হোৱা।

গছ-লতা, পশু-পক্ষী, গ্ৰহ-নক্ষত্ৰ আদিক প্ৰকৃতিৰ অঙ্গবিলাকক প্ৰকৃত বোলে। আমি চৰাচৰ বিশ্বজগতত যিবিলাক প্ৰাকৃত আকাৰ দেখোঁ, ভগৱান সেইবিলাকৰ কোনোটোৰে আকাৰবিশিষ্ট নহয়। তেওঁ সকলো প্ৰাকৃত আকাৰ বৰ্জ্জিত, সেইবাবে তেওঁক নিৰাকাৰ বোলা হয়।

মা লক্ষ্মীস্তস্যা ধবঃ মায়া বিদ্যয়া ধব ইতি বা।
জনান্ ভক্তস্য মায়াম্মৰ্দ্দয়তীতি জনাৰ্দ্দনঃ॥
(১৬৩—১৬৪)

[ ১৬৩ ]

মা পদে লক্ষ্মী- দেৱীক বোলয়
তাহান স্বামী ঈশ্বৰ।
এতেকেসে তাঙ্ক বোলয় মাধৱ
মহাজনে নিৰন্তৰ॥

মা—লক্ষ্মী, ধৱ পতি,—মাধৱ=লক্ষ্মীপতি।

মা অর্থে লক্ষ্মী বা ঐশ্বর্য্য বুজায়; লক্ষ্মী বা ঐশ্বর্য্যৰ গৰাকী ভগৱান। এই কাৰণে সাধুসকলে ভগৱানক 'মাধৱ' বোলে।

[ ১৬৪ ]

জনা পদে মায়া দেৱীক বোলয়
ভক্তৰ মায়া মৰ্দ্দন্ত।
এহি হেতুতেসে জনাৰ্দ্দন নাম
ধৰি আছা ভগৱন্ত ॥

'জনা' পদে মায়াক বুজায়; ভগৱন্তৰ আৰাধনা কৰিলে ঈশ্বৰে ভক্তক মায়া বন্ধনৰপৰা মুক্ত কৰে অৰ্থাৎ একান্তমনে ঈশ্বৰক ভজিলে জীৱৰ বিষয় বাসনা গুচে আৰু মুক্তি হয়—মায়াই জীৱক সংসাৰত বন্ধ কৰিব নোৱাৰে। এই কাৰণে ভগৱানৰ নাম জনাৰ্দ্দন।

[ ১৬৫ ]

মধুমতী মায়া উন্মত্ত কৰায়া
আছে যত জীৱগণ।
ভক্তৰ মায়াক পীড়ন নিমিত্তে
বোলয় মধুসূদন ॥

মধুসূদন—মধু ( দৈত্য ) সূদন ( বধকৰা ), মধুদৈত্যক বধ কৰিছিল, সেই কাৰণে বিষ্ণুক মধুসূদন বোলে।

[ বিষ্ণুৰ কাণৰ মলৰপৰা মধুদৈত্য জন্ম হোৱা কথা পুৰাণত পোৱা যায়। মধু দৈত্য জন্মিয়েই ব্ৰহ্মাক মাৰিবলৈ উদ্যত হোৱাত বিষ্ণুৱে দৈত্যক বধ কৰে। ইয়াৰ ভাব হৈছে এই—মায়াই বিষ্ণুৰ কাণৰ মল; মায়াৰ পৰাই সকলোৰে জন্ম আৰু এই মায়াৰপৰা জন্মা মোহত পৰিয়েই জীৱ অহঙ্কাৰী হৈ উঠে; ভগৱান দৰ্পহাৰী; তেওঁ জীৱৰ অহঙ্কাৰ চূৰ্ণ কৰে। ]

মোহ জন্মোৱা মায়াই জীৱবোৰক বিষয়ত আসক্তি জন্মাই বলিয়া কৰাৰদৰে কৰে; কিন্তু পৰমেশ্বৰক যি একান্তমনে ভজে, সেই ভক্তৰ মায়া ভগৱানে আঁতৰায় অৰ্থাৎ ঈশ্বৰক ভজিলে মায়া আপুনি আঁতৰে। সেই কাৰণে পৰমেশ্বৰক মধুসূদন বোলে।

[ ১৬৬ ]

গো পদে বেদ ইন্দ্ৰিয়ক বুলি
কৰন্ত তাক পালন।
এতেকেসে তাঙ্ক বোলয় গোপাল
জানিবাহা মহাজন ॥

গোপাল—[ গো—( বেদ, ইন্দ্ৰিয়, গায়ত্ৰী ) পাল—( পালন কৰা ) ]
বেদৰক্ষক, ইন্দ্ৰিয় চলাওঁতা।

গো অৰ্থে বেদ আৰু গো অৰ্থে ইন্দ্ৰিয়ক বুজায়। পৰমেশ্বৰ জ্ঞান স্বৰূপ, বেদৰ প্ৰতিপাদ্য বিষয় তেৰেঁই; গতিকে তেওঁ বেদ-ৰক্ষক। আমাৰ ইন্দ্ৰিয়বোৰো তেৰেঁই চলাইছে; এই কাৰণেই সাধুসকলে তেওঁক ‘গোপাল’ বোলে।

অহং কিলেন্দ্ৰো দেৱানাং ত্বং গবামিন্দ্ৰতাং গতঃ।
গোবিন্দ ইতি লোকাস্ত্বাং স্তোষ্যন্তি ভুবি শাশ্বতম্॥ ১৬৭

[ ১৬৭ ]

ইন্দ্ৰ আদি দেৱে গোৰ ইন্দ্ৰপাতি
কৰিলন্ত অভিষেক।
পৰম প্ৰসিদ্ধ গোবিন্দ নামক
ধৰিলা হৰি প্ৰত্যেক॥

গোৰ ইন্দ্ৰপাতি—বেদৰ ৰজা পাতি।
গোবিন্দ—বেদজ্ঞ।

বেদ ভগৱানৰ তত্ত্বমূলক গ্ৰন্থ। বেদৰ সূক্তবোৰ ইন্দ্ৰ আদি দেৱতাসকলৰ স্তুতি গান। গতিকে ইন্দ্ৰ আদি দেৱতাসকলে বেদত ভগৱানক স্থাপন কৰি নানা স্তুতি গানেৰে তেওঁক অভিষিক্ত কৰাবদৰে ( ৰজা পতাবদৰে ) হৈছে। ভগৱান বেদত আছে, তেওঁ বেদজ্ঞ ; এই কাৰণেই তেওঁ গোবিন্দ নাম লৈছে বা তেওঁক গোবিন্দ বোলেঁ।

[ ১৬৮ ]

দেশে কালে তাঙ্ক একোৰে প্ৰকাৰে
কৰিতে নপাৰে অন্ত।
এহি হেতুতেসে ঈশ্বৰৰ নাম
প্ৰসিদ্ধ ভৈল অনন্ত॥

দেশ—স্থান।

কাল—সময়।

দেশ আৰু কাল ক'ত আৰম্ভ হৈছে আৰু ক'ত শেষ হৈছে তাক ঠিক কৰা টান। আমি ফুৰা এখন ঠাইক সেই অনন্ত অসীম স্থানে তাৰ সীমা নিৰূপণ কৰি দিব পাৰে; সেইদৰে অনন্ত কালেও আমাৰ জীৱন কালৰ বা আমি কল্পনা কৰা এটা মহা যুগৰ সীমা নিৰূপণ কৰি দিব পাৰে; কিন্তু ভগৱানক সেই অনন্তকালে বা অনন্ত স্থানে তেওঁৰ বিচৰণ কৰা স্থানৰ বা স্থিতি কৰা কালৰ সীমা নিৰূপণ কৰি দিব নোৱাৰে অৰ্থাৎ দেশ কালে তেওঁৰ অন্ত পেলাব নোৱাৰে। তেওঁ অনন্ত, দেশ-কালৰো অতীত।

[ ১৬৯ ]

যত বেদবাদী বেদক বিচাৰি
কৰিতে নপাৰে আদি।
এতেকেসে তান পৰম প্ৰখ্যাত
হুই আছে নাম অনাদি॥

বেদবাদী—বেদ-শাস্ত্ৰত পণ্ডিত, বেদজ্ঞ।

বেদ পৰমেশ্বৰৰ বাণী; ই তেওঁৰ তত্ত্বেৰে ভৰা শাস্ত্ৰ। কিন্তু বেদ জনা পণ্ডিতসকলে বেদ আলোচনা কৰি পৰমেশ্বৰৰ আদি অৰ্থাৎ তেওঁৰ জন্ম বা উৎপত্তিৰ বিষয়ে একো জানিব নোৱাৰে; সেইকাৰণে পৰমেশ্বৰৰ নাম 'অনাদি' বুলি প্ৰখ্যাত হৈছে .অৰ্থাৎ ভগৱানক অনাদি বোলে।

[ ১৭০ ]

অধম পুৰুষো হোৱয় উত্তম
ভজিয়া যাৰ চৰণে।
পুৰুষোত্তম নামক ধৰিয়া
আছন্ত এহি কাৰণে॥

নানা প্ৰকাৰ অমোঘ পাপাচাৰী নীচ স্বভাৱৰ মানুহেও ভগৱানক একান্তমনে উপাসনা কৰি শুদ্ধ বা উত্তম হব পাৰে অৰ্থাৎ পাপীসকলে ভগৱানক ভজি পাপ ধুই পৱিত্ৰ হয়, সেইকাৰণে ভগৱানে পুৰুষোত্তম নাম লৈছে বা তেওঁক 'পুৰুষোত্তম' বোলা হয়।

যস্মাৎ ক্ষৰমতীতোঽহমক্ষৰাদপি চোত্তমঃ।
অতোঽস্মি লোকে বেদে চ প্ৰথিতঃ পুৰুষোত্তমঃ॥ ১৭১

[ ১৮১ ]

ক্ষৰ পদে ইটো দেহক বোলয়
অক্ষৰ শবদে ব্ৰহ্ম।
দুইতো কৰি হৰি উত্তম নিমিত্তে
প্ৰখ্যাত পুৰুষোত্তম॥

ক্ষৰ—বিনাশশীল, নশ্বৰ, জহিপৰা, এতেকে দেহ;
অক্ষৰ—অনশ্বৰ, ব্ৰহ্ম।

দেহ বা শৰীৰ তিনি বিধ—স্থূলশৰীৰ, সূক্ষ্মশৰীৰ আৰু কাৰণশৰীৰ। মাটি, পানী, তাপ, বায়ু, আকাশ এই পঞ্চভূতৰ ৰূপান্তৰৰ পৰিণতি চকুৰে দেখা কায়াটোকে স্থূলশৰীৰ বোলা যায়।

প্ৰাণ, অপান, সমান, উদান, ব্যান এই পঞ্চপ্ৰাণ, চকু, কাণ, নাক, জিভা, ছাল এই পঞ্চজ্ঞানেন্দ্ৰিয়, হাত, ভৰি, মুখ, শৌচ দুৱাৰ, মূত্ৰদুৱাৰ এই পাঁচ কৰ্ম্মেন্দ্ৰিয়, মন আৰু বুদ্ধি এই সোতৰবিধ অঙ্গেৰে গঠিত হোৱা দেহক লিঙ্গ বা সূক্ষ্মশৰীৰ বোলে।

যাৰ আদি নাই, কথাৰে যাক প্ৰকাশ কৰিব নোৱাৰি, সেই অবিদ্যা বা মায়াক কাৰণদেহ বোলে।

দেহৰ খলপ পাঁচটা—তাক পঞ্চকোষ বোলে। যেনে—অন্নময়কোষ, প্ৰাণময়কোষ, মনোময়কোষ, বিজ্ঞানময়কোষ আৰু আনন্দময়কোষ।

পিতৃ-মাতৃয়ে খোৱা অন্নৰপৰা উৎপন্ন হোৱা আৰু অন্নেৰে বঢ়া স্থূলশৰীৰক অন্নময়কোষ বোলে।

ওপৰত উল্লেখকৰা প্ৰাণাদি পঞ্চবায়ু আৰু পঞ্চকৰ্ম্মেন্দ্ৰিয়ৰ দ্বাৰা দেহৰ কৰ্ম্ম সাধন হয়; সেইকাৰণেই এই দহোটাৰ সমষ্টিক প্ৰাণময়-কোষ বোলে। "মই কৈছোঁ, মোৰ পিয়াহ লাগিছে" ইত্যাদি প্ৰাণময়কোষৰ ধৰ্ম্ম।

পঞ্চজ্ঞানেন্দ্ৰিয়ৰ সৈতে মনক মনোময়কোষ বোলে। মনোময় কোষৰ ধৰ্ম্ম হৈছে সন্দেহ।

পঞ্চজ্ঞানেন্দ্ৰিয়ৰ সৈতে বুদ্ধিৰ নাম বিজ্ঞানময়কোষ। এই কোষৰ দ্বাৰাই "মই কৰিছোঁ, মই খাইছোঁ" আদি অভিমান জন্মে।

কাৰণ শৰীৰকে আনন্দময়কোষ বোলে; এই কোষৰদ্বাৰা হৰ্ষ, আমোদ জন্মে; অৰ্থাৎ হৰ্ষ, আমোদ আদি মায়াৰ ধৰ্ম্ম।

জীৱাত্মা ক্ষৰ বা দেহৰপৰা বিভিন্ন; তাক উচ্চাৰণ কৰিব নোৱাৰি; তাৰ নাম নাই, ৰূপ নাই; সি তেজ নহয়, অন্ধকাৰ নহয়, তাক বাক্যেৰে প্ৰকাশ কৰিব নোৱাৰি, শব্দেৰে বুজাব নোৱাৰি। ইয়াৰ ক্ষয় নাই আৰু উদয় নাই; সেই কাৰণে ইয়াক অক্ষয় বোলে।

ধান বানিলে যিদৰে তুঁহবোৰ গুচে আৰু চাউল ওলায়, সেইদৰে চিন্তা কৰিলে দেহৰ পঞ্চ আৱৰণ স্থূলকি পৰে—আত্মবোধ হয়।

জন্মৰ আগত এই স্থূলদেহ নাছিল; মৃত্যুৰ পাছতো এই দেহ নাথাকিব। শৰীৰৰ পঞ্চপ্ৰাণো সেই একেই। কাম, ক্ৰোধ আদিৰে মনৰ বিকাৰ জন্মে, গতিকে মনো আত্মা নহয়। টোপনিত নিজৰ মায়া বা কাৰণশৰীৰ বোধ নাথাকে, গতিকে বুদ্ধিও আত্মা নহয়। আৰু সমাধিৰ সময়ত সকলো বৃত্তি লয় হয়, গতিকে কাৰণ শৰীৰে আত্মা নহয়। এইদৰে আত্মা পঞ্চকোষৰপৰা সম্পূৰ্ণ বিভিন্ন।

স্বচ্চ বস্তুৰ প্ৰতিবিম্ব, স্বচ্ছ বস্তুতহে প্ৰকাশ হয়; সেইদৰে আত্মা সকলোতে পৰিব্যাপ্ত হলেও কেৱল বুদ্ধিত হে প্ৰকাশ হয়। ৰজাৰ শক্তিত ৰাজপুৰুষসকলৰ ক্ষমতা পৰিচালিত হোৱাৰদৰে আত্মাৰ প্ৰভাৱতেই দেহ আৰু ইন্দ্ৰিয় আদিৰে কাম নিৰ্ব্বাহ হয়; আত্মা নাথাকিলে এইবোৰৰ একো কাম হব নোৱাৰে। এই কাৰণেই আত্মা দেহ, ইন্দ্ৰিয়, মন, বুদ্ধি আৰু প্ৰকৃতিৰ পৰা পৃথক; আত্মাক এইবোৰৰ সাক্ষী হে বুলিব পাৰি। আত্মাই নিজে একো নকৰে।

নজনা মানুহে মেঘ লৰা দেখি চন্দ্ৰ লৰা বুলি ভবাৰদৰে, অজ্ঞানলোকে ইন্দ্ৰিয়বোৰৰ কামকেই আত্মাৰ কাম বুলি ভাবে। সূৰ্য্যৰ পোহৰত যিদৰে আমি নিজৰ নিজৰ কৰ্ত্তব্য সাধন কৰোঁ,

সেইদৰে দেহ, ইন্দ্ৰিয়, মন, বুদ্ধিয়েও আত্ম-চৈতন্য অৱলম্বন কৰি নিজৰ নিজৰ কাম সাধন কৰে মাত্ৰ; কিন্তু সিহঁত স্বয়ংসিদ্ধ হৈ কাম কৰাৰ ক্ষমতা সিহঁতৰ নাই।

আকাশৰ কোনো বৰণ নাই; কিন্তু আমি জলীয় ভাপ, সূৰ্য্যৰ কিৰণৰ খেলা, পোহৰৰ অভাৱ আদিত আকাশ নীলা, হালধীয়া, ৰঙা, কলা দেখাৰদৰে, দেহ, ইন্দ্ৰিয়আদিৰ কামবোৰকেই আত্মাৰ বুলি ভাবোঁ। পানী লৰিলে আকাশৰ চন্দ্ৰ, তৰা লৰাৰদৰে মনৰ কল্পনা বা অৱস্থাবোৰেই আত্মাৰ বুলি আমি ভুল কৰোঁ। "মোৰ ভোক লাগিছে, মই কাম কৰিছোঁ" আদি এইবোৰ মনৰ কল্পনা; সেইদৰে সুখ-দুখ বুদ্ধিৰ গুণ, সেইবোৰ আত্মাৰ নহয়।

আত্মাৰ স্বভাৱ সত্তা, জ্ঞান, আনন্দ আৰু নিত্য নিৰ্ম্মলতা। আত্মাৰ বিকাৰ নাই। চাকিয়ে সকলোকে পোহৰ কৰাৰদৰে আত্মাই ইন্দ্ৰিয়, বুদ্ধি আদিক প্ৰকাশ কৰে। অন্যান্য বস্তুৱে চাকিক পোহৰ কৰিব নোৱাৰাৰ দৰে ইন্দ্ৰিয় আদিয়েও আত্মাক প্ৰকাশ কৰিব নোৱাৰে; আৰু যেনেকৈ চাকিক পোহৰ কৰিবলৈ অন্য চাকিৰ দৰকাৰ নাই, সেইদৰে জ্ঞানময় আত্মাক জানিবলৈ অন্য জ্ঞানৰ আৱশ্যক নকৰে। আত্মাই নিজে নিজেই প্ৰকাশ হয়, আৰু সি আনক প্ৰকাশ হে কৰে।

শৰীৰ আদি চকুৰে দেখা ভৌতিক বস্তুবোৰ পানীৰ ভিমাৰদৰে নশ্বৰ। আত্মা নিৰ্ম্মল বস্তু, তাৰ শৰীৰ নাই। আত্মাৰ দেহ নাই দেখিয়েই তাৰ জন্ম, জৰা, কৃষতা বা লয় আদি একো নাই। আৰু সি ইন্দ্ৰিয়শূন্য, ৰূপ, ৰস, গন্ধ, স্পৰ্শ আদিৰ লগত তাৰ একো সম্বন্ধও নাই। আত্মাৰ দেহ নাই দেখি মনো নাই; গতিকে দুখ, খং, হিংসা আৰু ভয় আদিও তাৰ নাই। আত্মাৰ কোনো

গুণ নাই, ক্রিয়া নাই, ধ্বংস নাই ; আৰু সি অবিদ্যাৰে মলিও নপৰে। তাৰ কোনো আকাৰ বিকাৰ নাই ; সি নিত্য, মুক্ত আৰু নির্ম্মল ; কিন্তু দেহত থকা সময়ত আমি তাক জীৱাত্মা নাম দিওঁ।

যাৰ ওপৰ, তল আৰু মধ্য সমুদায় শূন্য অর্থাৎ যাৰ ওপৰত আকাশ মাত্র, তাত চন্দ্র-সূর্য্য, গ্রহ-নক্ষত্র আদি একো নাই, যাৰ তলত পৃথিবী আদি কোনো পদার্থ নাই, যাৰ মধ্য অর্থাৎ দেহাদি নাই, এই ৰকমে যি সর্ব্বশূন্য সেয়ে পৰমাত্মা। এওঁ সর্ব্বশূন্য হৈয়ো আকৌ ওপৰ, তল, মধ্য সকলো ফালে তেওঁ পূর্ণ অর্থাৎ ওপৰে চন্দ্র, সূর্য্য, নক্ষত্র আদিয়ে ভৰা বিশাল আকাশ ব্যাপি তেওঁ আছে, তলৰ সহস্র সহস্র জীৱে ভৰা বিশাল পৃথিবীৰ সকলোতে তেওঁ বাহিৰে ভিতৰে আছে আৰু অনন্ত কোটি ব্রহ্মাণ্ডৰ ভিতৰে বাহিৰে সকলো ঠাইতে তেওঁ বিৰাজ কৰিছে। পৰমাত্মা এনে সর্ব্বব্যাপী, নির্ম্মল আৰু সূক্ষ্ম বস্তু।

ওপৰৰ ঘোষাত "হৰি" শব্দে পৰমাত্মাক বুজাইছে। (ঘোষাৰ অর্থ) দেহ আৰু জীৱাত্মাতকৈ পৰমাত্মা উত্তম ; অর্থাৎ দেহটো নশ্বৰ। জীৱাত্মাতো অবিদ্যাৰ উপাধি পৰে, কিন্তু পৰমাত্মা অবিদ্যাৰ ভিতৰতো প্রবেশ নকৰে, গতিকে সি উত্তম ; এই কাৰণেই ভগৱানৰ আন এটা নাম পুৰুষোত্তম বা ভগৱান পুৰুষোত্তম বুলি প্রখ্যাত।

[ ১৭২ ]

কর্ম্ম অনুসাৰে ইটো জগতক
পালন্ত হৰি সাক্ষাত।

এহি হেতুকেসে জগন্নাথ নাম
আছন্ত হুয়া প্ৰখ্যাত ॥

কৰ্ম্মই জীৱৰ মুক্তি আৰু বন্ধনৰ মূল। ঈশ্বৰত আত্মসমৰ্পণ কৰি অনাসক্তভাৱে কৰ্ম্ম কৰিলে জীৱৰ মুক্তি ঘটে আৰু মই কৰ্ত্তা বুলি যি সকাম কৰ্ম্ম কৰে, সেই জীৱে বাসনাৰ হাত এৰাব নোৱাৰি ৰথৰ চকাৰদৰে সংসাৰত যাতায়াত কৰে।

মূঠ কথা, জীৱে ইহ জন্মৰ শুভ-অশুভ কৰ্ম্মৰ ফল অনুসৰি শুভ-অশুভ ফল লাভ কৰে আৰু সেয়েই জীৱৰ সুখ-দুখৰ কাৰণ হয়। জ্ঞানৰ অভাৱত জীৱে শুভ-অশুভ ফল ভোগ কৰিবলৈ শৰীৰ ধাৰণ কৰে আৰু পুনৰ কাম্য কৰ্ম্ম কৰি সংসাৰত ঘুৰে।

মূৰত বান্ধা গামোছা পাহৰিলে যিদৰে গামোছাখন নথকা বোধ হয়, আৰু মনত পৰিলে থকা বোধ হয়, সেইদৰে আত্মা শৰীৰত থকাতো জ্ঞানৰ অভাৱত তাৰ অস্তিত্ব বোধ নহে তাৰ ঠাইত অহং ভাবে দেখা দিয়ে আৰু সেয়ে কাম্যকৰ্ম্মৰ সৃষ্টি কৰে; এই কাম্যকৰ্ম্মই জীৱৰ বন্ধনৰ হেতু; কিন্তু অবিদ্যা নাশ হলে অৰ্থাৎ আত্মজ্ঞান জন্মিলে জীৱে কৰ্ম্মৰ হাত সাৰি ভগৱানত লীন হয়।

এইবোৰৰ নিয়ামক ভগৱান। ভগৱানে এই জগতৰ সকলো প্ৰাণীক নিজ নিজ কৰ্ম্ম অনুসাৰি ফল দান কৰি এই বিনন্দীয়া সৃষ্টিখন ৰক্ষা কৰিছে; সেইকাৰণে তেওঁক জগন্নাথ বোলে।

পৰমাত্মা পৰব্ৰহ্ম নিৰ্গুণং প্ৰকৃতে পৰঃ।
কাৰণং কাৰণানাঞ্চ শ্ৰীকৃষ্ণো ভগৱান্ স্বয়ম্ ॥১৭৩

[ ১৭৩ ]

প্ৰকৃতি পুৰুষ দুইতো কৰি পৰ
দুয়োৰে নিজ কাৰণ।
পৰম ঈশ্বৰ নামক ধৰিয়া
আছা তাতে নাৰায়ণ॥

প্ৰকৃতি—জগতৰ ত্ৰিগুণাত্মক মূল কাৰণ।
পুৰুষ—আত্মা।

পঞ্চভূতময় দেহ বা জগতৰ সত্ব, ৰজ, তমগুণ যুক্ত জড়ক প্ৰকৃতি বোলে; এই প্ৰকৃতিৰ ওপৰত জীৱাত্মাই বাস কৰে। জীৱাত্মা আৰু প্ৰকৃতি দুয়ো পৰমাত্মাৰ সৃষ্ট বস্তু বা এই দুইৰ মূল কাৰণ অৰ্থাৎ পৰমাত্মা আছে, সেইবাবেহে এই দুটা বেলেগ নামৰ বস্তুৰ অস্তিত্ব আছে, গতিকে পৰমাত্মা বা নাৰায়ণ দুইৰো পৰা বিভিন্ন। এই নাৰায়ণ বা পৰমাত্মা প্ৰকৃতি-পুৰুষ দুয়োৰো গৰাকী হোৱা বাবেই তেওঁক পৰমেশ্বৰ বোলে।

[ ১৭৪ ]

ঈশ্বৰৰ সেৱা কৰন্তে জীৱৰ
গুচয় মায়াৰ ভ্ৰম।
ব্ৰহ্মপদে শুদ্ধ জীৱক বুলিয়
ঈশ্বৰ পৰম ব্ৰহ্ম॥

ভগৱানত একান্তমনে আশ্রয় কৰি তেওঁক আৰাধনা কৰিলে জীৱৰ সংসাৰ ভ্ৰম গুচে। মেঘে ঢকা আকাশৰ পৰা মেঘ আঁতৰিলে যিদৰে সূৰ্য্য ওলাই পৰে, সেইদৰে মায়া আঁতৰিলে জীৱৰ আত্ম-দৰ্শন ঘটে। দুভোখৰ কাঠ ঘঁহিলে যিদৰে জুই উৎপন্ন হয়, সেই-দৰে ভগৱানৰ নাম একান্তমনে জপ কৰিলে জীৱে নিজক চিনি পায়। তেতিয়া আৰু জীৱৰ ৰাগ, দ্বেষ, ভোক, পিয়াহ আদি একোৰে বোধ নাথাকে।

ঈশ্বৰক ভাবিলে জীৱ শুদ্ধ হয়, মায়াৰ বান্ধোন সুলকি পৰে; ব্ৰহ্ম শব্দৰ অৰ্থ শুদ্ধ জীৱ অৰ্থাৎ মায়াৰ ঢেকা নথকা বা মুক্ত জীৱ; ঈশ্বৰ সকলো জীৱৰ অধিপতি, সেইকাৰণে তেওঁক পৰম-ব্ৰহ্ম বোলে।

[ ৪৭৫ ]

**অন্তৰ্য্যামী ৰূপে জীৱ আদি কৰি**
**নিয়ামন্ত সমস্তক।**
**এহি হেতুতেসে পৰমাত্মা পদে**
**বুলি জানা ঈশ্বৰক॥**

ঈশ্বৰে অন্তৰ্য্যামীৰূপে সকলোতে থাকি জীৱ আৰু বিশ্বৰ সকলোকে চলায় অৰ্থাৎ সকলোকে নিজ নিজ কৰ্ম্মফল ভোগ কৰায়; এই কাৰণেই ঈশ্বৰক পৰমাত্মা বোলে।

উৎপত্তিঞ্চ বিনাশঞ্চ লোকানামগতিং গতিং
বেত্তি বিদ্যামবিদ্যাঞ্চ স বাচ্যো ভগৱানিতি ॥১৭৬

[ ১৭৬ ]

ব্ৰহ্ম পৰমাত্মা কৰিয়া যিহেতু
ঐশ্বৰ্য্যৰ নাহি অন্ত।
এহি হেতু মহা মহন্তসকলে
বোলে তাঙ্ক ভগৱন্ত ॥

ঐশ্বৰ্য্য—অনিমা, লঘিমা, ব্যাপ্তি, প্ৰাকাম্য, মহিমা, ঈশিত্ব, বশিত্ব, কামাবসায়িতা এই আঠবিধ।

ভগৱন্ত—ভগযুক্ত জ্ঞানাদি ষড়ৈশ্বৰ্য্যশালী।

ব্ৰহ্ম—জীৱাত্মা (শুদ্ধ)।

ব্ৰহ্ম, পৰমাত্মা আদি ঈশ্বৰৰ নামবোৰৰদ্বাৰা বুজোৱা অনন্ত ঐশ্বৰ্য্যৰ গৰাকী হোৱাৰ কাৰণে ভক্তসকলে তেওঁক ভগৱন্ত বোলে। চৰাচৰ বিশ্বত যত বস্তু, যত শক্তি আছে, সকলোৰে গৰাকী তেওঁ; এই কাৰণেই মহা সাধুসকলে তেওঁক ভগৱন্ত বোলে।

[ ১৭৭ ]

নিজ ভক্তপদে গৰুড়ক ধ্বজ
কৰিলা হৰি যিহেতু।
সেহিসে কাৰণে মহন্তে হৰিক
বোলয় গৰুড়কেতু ॥

ধ্বজ—পতাকা, নিচান, বাহন।

কেতু—পতাকা, চিন।

(যি সকলোতকৈ প্ৰিয় তাকেহে মানুহে লগৰপৰা নেৰে। গৰুড় বিষ্ণুৰ অতি প্ৰিয় আৰু বাহন। সেইকাৰণে কৈছে—ঈশ্বৰে নিজৰ ভক্তৰ ভিতৰত গৰুড়ক বাহন বা ধ্বজ স্বৰূপে সদায় লগত ৰাখি তেওঁৰ প্ৰিয়তম ভক্তৰ পদত ঠাই দিয়া বাবে তেওঁক সাধুসকলে গৰুড়কেতু বোলে।

১৭৮ ]

কাল মায়া আদি যাহাৰ মনক
কৰিতে নপাৰে কুণ্ঠ।
এহিসে কাৰণে ঈশ্বৰৰ নাম
প্ৰসিদ্ধ ভৈল বৈকুণ্ঠ॥

কুণ্ঠ—কুণ্ঠিত, জড়, বিকৃতি, মূৰ্খ, অকৰ্ম্মণ্য, সঙ্কুচিত, ভোঁতা। বৈকুণ্ঠত—বি (বিগত) হৈছে কুণ্ঠা যাৰ=বিকুণ্ঠ। বিকুণ্ঠ+ বৈকুণ্ঠ, বিষ্ণুপুৰী।

পৰমেশ্বৰ অনাদি, নিৰ্গুণ আৰু নিৰাময়; তেওঁক কাল, মায়া আদিয়ে বিকৃত কৰিব নোৱাৰে অৰ্থাৎ কোনো কালে তেওঁৰ পৰিবৰ্ত্তন নহয়, মায়াই তেওঁক স্পৰ্শ কৰিব নোৱাৰে; এই কাৰণেই ভগৱানৰ নাম বৈকুণ্ঠ।

সৰ্ব্বত্ৰাসৌ সমস্তঞ্চ বসত্যত্ৰেতি বৈ জগৎ।
অতোঽসৌ বাসুদেৱেতি বিদ্বদ্ভিঃ পৰিকীৰ্ত্তিতঃ॥১৭৯

[ ১৭৯ ]

জগতত কৰি আছন্ত নিবাস
জগত তাতে ৰময়।
এতেকেসে তাঙ্ক বুলি বাসুদেৱ
নামৰ ইটো অন্বয় ॥

ৰময়—ৰমণ কৰে।

বাসুদেৱ—[ বস্ ( বাস কৰা ) উণ = বাসু ( সৰ্ব্বনিবাস ) সৰ্ব্বভূতৰ বাসস্থান ]।

পৰমেশ্বৰ সৰ্ব্বব্যাপী; সেই কাৰণে তেওঁ জগতত থকা আৰু জগতখন তেওঁতেই থকা হৈছে; এই কাৰণেই ভগবানক বাসুদেৱ বোলে। বাসুদেৱ নামে ঈশ্বৰ জগতত থকা আৰু জগতখন তেওঁতে থকাহে বুজাইছে।

ৰা শব্দো বিশ্ব বচনো মশ্চাপীশ্বৰ বাচকঃ।
বিশ্বানামীশ্বৰো যো হি তেন ৰামঃ প্ৰকীৰ্ত্তিতঃ ॥
ৰমতে ৰময়া সাৰ্দ্ধং তেন ৰামং বিদুৰ্ব্বুধাঃ।
ৰমানাং ৰমণস্থানং ৰামঃ ৰামবিদো বিদুঃ ॥

( ১৮০—১৮১ )

[ ১৮০ ]

সদানন্দ আত্মা চৈতন্য অনন্তে
যিহেতু যোগী ৰময়।

এতেকেসে ৰাম পদে পৰম ব্ৰহ্ম
ৰূপক বুলি নিশ্চয় ॥

আত্মা সদানন্দ বা আনন্দময় ; সি চৈতন্য আৰু অনন্ত। যোগীসকলে পাঞ্চভৌতিক দেহক কাশীক্ষেত্ৰ, জ্ঞানক ত্ৰিভুবন ব্যাপিনী গঙ্গা আৰু ভক্তি শ্ৰদ্ধাক গয়া তীৰ্থ বুলি নাম দিয়ে। আৰু গুৰুৰ চৰণ ধ্যানযুক্ত স্থান অৰ্থাৎ ইড়া, পিঙ্গলা আৰু সুষুম্না তিনি নাড়ীৰ সঙ্গমৰূপ মূল স্থান বা ব্ৰহ্মস্থানক, গঙ্গা, যমুনা আৰু সৰস্বতীৰ সঙ্গমৰূপ প্ৰয়াগ তীৰ্থ বোলে। জীৱাত্মা স্বৰূপ চৈতন্যই বিশ্বেশ্বৰ। এইদৰে ভাবি যোগীসকলে কোনো কৰ্ম্ম বা তীৰ্থ পৰ্য্যটন আদি নকৰি এঠাইতে বহি বাহিৰা চিন্তা এৰি জীৱাত্মাক পৰমাত্মাৰ লগত মিলাই অপাৰ আনন্দ লাভ কৰে। ইয়াকেই যোগীয়ে ৰমণ কৰা বুলি এই ঘোষাত উল্লেখ কৰিছে। যোগীসকলে চিত্ত স্থিৰ কৰি নিজৰ হৃদয়ত সদায় ৰমণ অৰ্থাৎ জীৱাত্মাক পৰমাত্মাৰ লগত মিলন কৰে। এই কাৰণেই 'ৰাম' পদটো পৰম ব্ৰহ্মৰ ৰূপক অৰ্থাৎ পৰমব্ৰহ্ম যি 'ৰাম' পদটোও সেয়ে।

[ ১৮১ ]

চৈতন্য স্বৰূপে যিহেতু সদায়ে
ৰমাৱন্ত জগতক।
এতেকেসে ৰাম সুমধুৰ পদে
বুলি জানা ঈশ্বৰক ॥

পৰমেশ্বৰ চৈতন্য স্বৰূপে গোটেই জগতকে ৰমণ কৰি আছে অৰ্থাৎ সমস্ত বিশ্বত তেওঁ চৈতন্য স্বৰূপে লীন হৈ আছে; এই কাৰণে 'ৰাম' এই সুমধুৰ পদে ঈশ্বৰক বুজায়।

[ ১৮২ ]

**হৰি পদে সেৱা নকৰে নিমিত্তে**
**মায়ায়ে বান্ধি ফুৰাৱে।**
**তাৱত মায়াক নকৰে ৰহিত**
**শৰণ নলৱে যাৱে॥**

পৰমেশ্বৰক সেৱা বা ভক্তি নকৰাৰ বাবে জীৱক মায়াই আবদ্ধ কৰি ৰাখে অৰ্থাৎ পৰমেশ্বৰক ভক্তি নকৰিলে জীৱ মায়াত আবদ্ধ হৈ পুনঃ পুনঃ জন্মি সংসাৰত নানাৰূপ বিকাৰ ভুঞ্জিব লাগে; এই নিমিত্তে যেতিয়ালৈকে জীৱে একান্তমনে পৰমেশ্বৰত আশ্ৰয় নলয়, তেতিয়ালৈ জীৱ মায়াৰ হাত সাৰিব নোৱাৰে। ভগৱানত একান্তমনে আশ্ৰয় ললেহে জীৱ লাহে লাহে বিষয় বাসনাৰপৰা মুক্ত হয় বা জীৱৰ গতি হয়।

## শ্ৰৱণ

নমো নৰকসন্ত্ৰাসৰক্ষামণ্ডলকাৰিণে।
সংসাৰ নিম্নগাবৰ্ত্ত-তৰি কাষ্ঠায় বিষ্ণৱে॥

ভজামি পুৰুষোত্তমং পৰমং পুৰুষং পৰমানন্দং স্বামিনং।
ভগৱন্তং নৰোত্তমনন্তমীশ্বৰং পৰমদেৱতাং বন্দে ॥

(১৮৩—১৮৭)

[ ১৮৩ ]

মই দুৰাচাৰ কেৱলে তোমাৰ
অপৰাধী নাৰায়ণ।
ক্ষমিয়োক হৰি লৈয়ো দাস কৰি
পশিলো হেৰা শৰণ ॥

মই যিমতে চলিব লাগে, এই মায়াময় সংসাৰত পৰি সেইমতে মই চলিব পৰা নাই, মায়াত পৰি মই তোমাত মন ৰাখি চলিব পৰা নাই; প্ৰভু, মই তোমাৰ কেৱল অপৰাধহে কৰিছোঁ। হে ভগৱান, মই তোমাক আশ্ৰয় কৰিলোঁ, মোৰ এই সকলো দোষ ক্ষমা কৰি তোমাৰ সেৱক কৰি লোৱা।

[ ১৮৪ ]

হে কৃষ্ণ স্বামী তযুপদে আমি
কেৱল শৰণ চাওঁ।
কৰা অনুগ্ৰহ মায়াৰ নিগ্ৰহ
তেৱেসে প্ৰভু এৰাওঁ ॥

হে মোৰ গৰাকী কৃষ্ণ, মই কেৱল তোমাৰ অভয় পদতে আশ্রয় বিচাৰোঁ, তুমি কৃপা কৰি মোক আশ্রয় দিয়া। তুমি আশ্রয় দিলেহে মায়াৰ পীড়নৰপৰা ৰক্ষা পৰিব পাৰিম অৰ্থাৎ তুমি অনুগ্ৰহ নকৰিলে মই একান্তমনে তোমাক ভজিব নোৱাৰিম আৰু তাৰ, ফলতেই মায়াত পৰি মই লটি-ঘটি হ'ম বা বাসনা এৰিব নোৱাৰাৰ ফলত সংসাৰত ভ্ৰমি নানা লালাত ভোগ কৰিম—মুক্তি লাভ কৰিব নোৱাৰিম।

[ ১৮৫ ]

হে যদুপতি মই মূঢ়মতি
নাজানো সেৱা তোমৰ।
কেৱল তোমাৰ চৰণ পঙ্কজ
শৰণ কৰিলো সাৰ ॥

[ শ্রীকৃষ্ণ ভগৱানৰ পূৰ্ণ অৱতাৰ; তেওঁ যদুকুলত উপজিছিল; সেই কাৰণে ভগৱানৰ এটা নাম যদুপতি।] হে যদুপতি, মই অতি অজ্ঞান, তোমাক কেনেকৈ সেৱা-পূজা কৰিব লাগে মই নাজানোঁ অৰ্থাৎ তোমাৰ নাম মন্ত্ৰ আদিৰ মোৰ একো বোধ নাই; সেই কাৰণে তোমাৰ চৰণ-পঙ্কজত আশ্রয় লোৱাকে অৰ্থাৎ একান্তমনে তোমাক ভবাকেই মই নিশ্চয় কৰিলোঁ। [ প্ৰভু, তুমি মোৰ গৰাকী বুলি বুজি তোমাত মোৰ চিত্ত সমৰ্পণ কৰাকে শ্ৰেষ্ঠ বুলি ধৰিলোঁ।]

[ ১৮৬ ]

পুৰুষ উত্তম পৰম পুৰুষ
পৰম আনন্দ স্বামী।
তযু পাদ-পদ্ম মকৰন্দ আশে
শৰণ পশিলো আমি॥

পুৰুষ উত্তম—পুৰুষ শ্ৰেষ্ঠ।
পৰম পুৰুষ—পৰমাত্মা।
পৰম আনন্দ—আনন্দময়।
মকৰন্দ—ফুলৰ মৌ, সুমধুৰ ৰস, ফুলৰ ৰেণু।

হে পুৰুষশ্ৰেষ্ঠ, পৰমাত্মা আনন্দ স্বৰূপ মোৰ স্বামী, তোমাৰ চৰণৰূপ পদ্মফুলৰ সুমিষ্ট ৰস পাবলৈ আশা কৰি অৰ্থাৎ তোমাক সেৱা কৰি সেৱা-ৰস বা ভক্তি-ৰস পাবলৈ তোমাক আশ্ৰয় কৰিলোঁ।

[ ১৮৭ ]

প্ৰভু ভগৱন্ত অনন্ত ঈশ্বৰ
প্ৰপন্ন জন তাৰণ।
তুমি প্ৰিয়তম পৰম দেৱতা
জানিয়া লৈলো শৰণ॥

প্ৰপন্ন—শৰণাগত, আশ্ৰিত।

হে প্ৰভু, তুমি চৰাচৰ বিশ্বৰ গৰাকী—যত বস্তু আছে সকলো তোমাৰ; তোমাৰ আদি-অন্ত নাই, তুমি সকলোতকৈ ডাঙৰ, আশ্ৰিত

জীৱৰ উদ্ধাৰকৰ্ত্তা তুমিয়েই। তুমি মোৰ অতি প্ৰিয়, তুমি সকলো দেৱতাৰ ওপৰত আৰু আটাইৰে গৰাকী ; ইয়াকে জানি প্ৰভু, মই তোমাৰ আশ্ৰয় ললোঁ।

## ভজন

জিতং তেন জিতং তেন জিতং তেন ৰমাদ্বয়ং।
জিহ্বাগ্রে বৰ্ত্ততে যস্য হৰিৰিত্যক্ষৰদ্বয়ং ॥১৮৮

[ ১৮৮ ]

জয় জয় জয় কৃষ্ণ কৃপাময়
ভজিলো তোমাৰ পাৱে।
তোমাৰ চৰণ পঙ্কজত মন
মজোক মোৰ স্বভাৱে ॥

জয়—মঙ্গলদাতা, সিদ্ধিদাতা, বিপক্ষক হেৰুৱা।

মন মজোক মোৰ স্বভাৱে—মোৰ মন আপোনা আপুনি তোমাৰ চৰণত লাগক বা তোমাৰ চৰণত মোৰ মন থকা অভ্যাস হওক।

[ পৰমেশ্বৰৰ নাম ললে কাম-ক্ৰোধ আদি শত্ৰুবোৰ কাষ চাপিব নোৱাৰে—বিষয় ভাৱ ভয়ত আঁতৰে ; সেই কাৰণে পৰমেশ্বৰৰ

নামৰ আগত 'জয়' তিনিবাৰ দিয়া হৈছে।] হে সিদ্ধিদাতা কৃপাময় কৃষ্ণ, তোমাত মই একান্তে শৰণ ললোঁ, তোমাৰ পদ্মৰ চিন থকা চৰণত মোৰ মন বিষয়ৰপৰা গৈ যেন মগ্ন হৈ থাকে অৰ্থাৎ তুমি মঙ্গলদাতা করুণাময় প্ৰভু, তোমাত মই শৰণ লৈছোঁ, তুমি মোক এনে কৃপা কৰা, যেন মই সংসাৰ ভয়ৰপৰা উদ্ধাৰ হৈ তোমাক ভবাটো মোৰ সহজ হয়।

[ ১৮৯ ]

জয় জয় ৰাম জগত কাৰণ
জগত জীৱন স্বামী।
পৰম দেৱতা জানিয়া তোমাৰ
চৰণে ভজিলো আমি ॥

হে সিদ্ধিদাতা ৰাম, তোমাৰপৰাই জগতৰ উদ্ভৱ হৈছে, তুমি জগতৰ প্ৰাণ স্বৰূপ আৰু তুমিয়েই জগতৰ গৰাকী। তুমি সৰ্ব্বদেৱ শ্ৰেষ্ঠ; প্ৰভু, মই ইয়াক বুজিব পাৰি তোমাৰ চৰণত আশ্ৰয় ললোঁ।

[ ১৯০ ]

অনাদি অনন্ত হে ভগৱন্ত
ভজো কৰি প্ৰণিপাত।
মুকুতি ৰসকো তেজি মহাজনে
শৰণ লৱে তোমাত ॥

হে প্ৰভু, সাধুসকলে মুক্তিলাভ কৰা সুখকো ত্যাগ কৰি অৰ্থাৎ মুক্তিকো কামনা নকৰি তোমাৰ আশ্ৰয় লয় বা তোমাক সেৱা কৰি সেৱা-ৰসত মগ্ন থাকে; তাকে বুজিহে আদি-অন্ত-হীন চৰাচৰ বিশ্বৰ গিৰি ভগৱান, মই কাতৰভাৱে তোমাৰ চৰণত আশ্ৰয় লওঁ।

## নমস্কাৰ

[ ১৯১ ]

নমো কৃষ্ণদেৱ পাপী বুলি কেৱ
মোক মোৰ নোবোলয়।
পতিত পাৱন জানিয়া তোমাত
আপুনি গৈলো বিক্ৰয়॥

হে কৃষ্ণদেৱ, মই তোমাক প্ৰণাম কৰো অৰ্থাৎ মই তোমাত আশ্ৰয় ললোঁ। আন কেৱে মোক পাপী বুলি লব বা আশ্ৰয় দিব নোখোজে; তুমি পতিতক পৱিত্ৰ কৰোঁতে, তাক মই ভালদৰে জানি, তোমাত বেচা গলোঁ, মোক তুমি গ্ৰহণ কৰা।

[ ১৯২ ]

নমো হৰিপদ পঙ্কজ যুগল
বিমল সুখ সাগৰ।

অনাদি অনন্ত সন্ত সদাশিৱ
ভগৱন্ত ভয়হৰ ॥

ভগৱান অনাদি, অনন্ত, সন্ত, সদা মঙ্গলময় আৰু ভয়হাৰী; তেওঁক ভক্তি কৰিলে বিমল সুখ পোৱা যায়; মই সেই নির্ম্মল সুখ-সাগৰ স্বৰূপ হৰিৰ পদ-পঙ্কজত নমস্কাৰ কৰোঁ।

মো-মা-ৰা-ম-ম-কা-দ-দ্বে-হ-স্যা-গ-দ-ল-ম-স্ত-ষাঃ।
এতে যত্র ন বিদ্যন্তে তং গুৰুং প্রণমাম্যহম্ ॥
প্রসীদ পৰমানন্দ প্রসীদ পৰমেশ্বৰ।
আধি-ব্যাধি ভুজঙ্গেন দষ্টং মামুদ্ধৰ প্রভো ॥

(১১৩—১১৬)

[ ১৯২ ]

মোহ মায়া ৰাগ মদ মল কাম
দম্ভ দ্বেষ আদি ভাৱ;
যি গুৰুজনত ইসৱ নাথাকে
প্রণামো তাহান পাৱ ॥

মদ—মত্তমত্ত, অহঙ্কাৰ।

যি গুৰুৰ গাত মোহ, মায়া, আসক্তি, অহঙ্কাৰ, পাপ, কাম, দম্ভ, হিংসা আদি নাথাকে অর্থাৎ এইবোৰে যি গুৰুক পীড়িব নোৱাৰে, তেওঁৰ চৰণত মই প্রার্থনা কৰোঁ।

[ ভগৱানৰ গাতহে এইবোৰ দোষ নাই বা এইবোৰে তেওঁক পীড়িব নোৱাৰে ; তেনে নিৰ্ম্মল ভগৱানক মই সেৱা কৰোঁ। ]

[ ১৯৪ ]

জয় যদুপতি গোপাল গোবিন্দ
যাদৱ মাধৱ ৰাম ।
ভকতৰ ধন জীৱৰ জীৱন
কৰোঁহো পাৱে প্ৰণাম ॥

হে বিঘ্ননাশন যদুপতি গোপাল গোবিন্দ যাদৱ মাধৱ ৰাম, হে ভক্তৰ হৃদয় ধন জীৱৰ জীৱন স্বৰূপ প্ৰভু, মই তোমাৰ পাৱত প্ৰণাম কৰোঁ।

[ ১৯৫ ]

নমো নিত্যানন্দ জগত কাৰণ
বাসুদেৱ ভগৱন্ত ।
নিত্য শুদ্ধ বুদ্ধ কাম অনিৰুদ্ধ
পুৰুষ প্ৰভু অনন্ত ॥

কাম—ইচ্ছা।
অনিৰুদ্ধ—অনিবাৰিত, বাধা দি ৰাখিব নোৱাৰা।
কাম অনিৰুদ্ধ—অনিৰুদ্ধ কাম, ভক্তৰ মনস্কামনা পূৰণত অসীম ক্ষমতাশীল ।

হে প্ৰভু, তুমি সদানন্দ, জগত তোমাৰ পৰাই হৈছে ; তুমি বাসুদেৱ আৰু ভগৱন্ত। তুমি সদায় আছা। তুমি শুদ্ধ। সংসাৰৰ

পাপে তোমাক স্পৰ্শ কৰিব নোৱাৰে। তুমি জ্ঞানময়, তুমি ভক্তৰ মনস্কামনা পূৰণত অসীম ক্ষমতাশালী। তুমিয়েই পুৰুষ, জগতৰ সত্তা, তোমাৰ আদি-অন্ত নাই। হে সদানন্দ, জগতৰ কাৰণ স্বৰূপ বাসুদেৱ ভগৱন্ত প্ৰভু, তোমাক মই সেৱা কৰোঁ।

[ ১৯৬ ]

ৰাম নিৰঞ্জন দানৱ গঞ্জন
ভকত ৰঞ্জন দেৱ।
তুমিসে পৰম গুৰু নাৰায়ণ
তুৱা পাৱে কৰো সেৱ।

নিৰঞ্জন—নিৰ্ম্মল, পৰমব্ৰহ্ম।

হে ৰাম! হে নিৰঞ্জন! হে দুষ্ট দানৱনিধনকাৰী! হে ভকতৰ চিত্তবিনোদকাৰী হৰি! হে নাৰায়ণ! একমাত্ৰ তুমিহে মোৰ পৰম গুৰু! তোমাৰ চৰণত সেৱা কৰোঁ।

## উপদেশ

নামাপৰাধযুক্তানাং নামান্যেৱ হৰন্ত্যঘং।
অবিশ্ৰান্তি প্ৰযুক্তানি তান্যেৱাৰ্থকৰাণি যৎ॥১৯৭

ৰাম কৃষ্ণ নাম ধৰ্ম্ম অনুপাম
হৃদয়ে যিটো স্মৰে।

যত অপৰাধ নাম অপৰাধ
সবে মসিমূৰ কৰে ॥

নাম অপৰাধ—পৰমেশ্বৰৰ নামৰ প্ৰতি অৱজ্ঞা দেখুৱা দোষ। এই দোষ বৰ গুৰুতৰ।
মসিমূৰ—ধ্বংস ; সমূলি নাশ।

পৰমেশ্বৰৰ ৰাম-কৃষ্ণ আদি নাম স্মৰণেই পৰম ধৰ্ম্ম ; যি লোকে সেই ৰাম-কৃষ্ণ আদি নাম একান্তমনে হৃদয়ত বিশ্বাস কৰি জপ কৰে, তেওঁৰ সকলো প্ৰকাৰ দোষ বা পাপ আনকি নাম অপৰাধো ধ্বংস হয় অৰ্থাৎ তেওঁক কোনো দোষে স্পৰ্শ কৰিব নোৱাৰে, তেওঁ শুদ্ধ জীৱ হৈ উঠে।

[ ১৯৮ ]

ঘোৰ সংসাৰৰ ঔষধ হৰিৰ
নামক তেজি সম্প্ৰতি।
আৰৰ কমন উপায়ে পণ্ডিতে
লভিবে আপোন গতি।

কাম, ক্ৰোধ, লোভ আদি ৰোগে পীড়া কৰা এই সংসাৰৰ ঔষধ হৈছে হৰি-নাম অৰ্থাৎ হৰিনামেৰে সংসাৰৰ জন্ম-মৃত্যুৰ হাত সাৰিব পাৰি ; এনে উপকাৰী হৰিনাম এতিয়া ত্যাগ কৰি (একান্তমনে নলৈ) কি উপায়েৰে পণ্ডিতসকলে মুক্তি লাভ কৰিব খুজিছে কব নোৱাৰোঁ।

[ ১৯৯ ]

মোৰ ভক্তিযুক্ত যোগীয়ো জানিবা
মোতেসে চিত্ত যাহাৰ।
জ্ঞান-কৰ্ম্ম বিনে কেৱল ভক্তিত
পাৰয় সংসাৰ পাৰ ॥

জ্ঞান কৰ্ম্ম বিনে—জ্ঞান চৰ্চ্চা নকৰাকৈ বেদৰ নিৰ্দ্দিষ্ট কৰ্ম্ম নকৰি। বেদ দুভাগ—(১) জ্ঞানকাণ্ড, (২) কৰ্ম্মকাণ্ড, এই দুয়োভাগ আলোচনা নকৰি।

(গীতাত পৰমেশ্বৰে কৈছে) মোক ভক্তি কৰা যোগীসকলেও যি সকলে অন্তৰত কেৱল মোকে একান্তমনে তাৱে সেই সকলে) বেদৰ কৰ্ম্ম আৰু জ্ঞান চৰ্চ্চা নকৰি কেৱল মোক ভক্তি কৰিয়েই মুক্তি লাভ কৰিব পাৰে।

তস্মান্মদ্ভক্তিযুক্তস্য যোগিনো বৈ মদাত্মনা।
ন জ্ঞানং ন চ বৈৰাগ্যং প্ৰায়ঃ শ্ৰেয়ো ভবেদিহ ॥২০০

[ ২০০ ]

কেৱল ভকতি পুৰুষক তাৰে
সহায় কাৰো নচাৰে।
জ্ঞান-কৰ্ম্ম তাৰে তাৰিতে নপাৰে
ভকতি নপাৰে যাৰে ॥

তাৰে—তেতিয়ালৈ।

যাৰে—যেতিয়ালৈ।

[ অকল ভক্তিয়েই জীৱক উদ্ধাৰ কৰিব পাৰে; পৰমেশ্বৰৰ প্ৰতি ভক্তি জন্মিলে মুক্তি পাবলৈ জীৱৰ জ্ঞানাৰ্জ্জন আৰু কৰ্ম্মানুষ্ঠানৰ একো আৱশ্যক নাই। যেতিয়ালৈ জীৱে ভক্তিযুক্ত নহয় তেতিয়ালৈ জ্ঞানাৰ্জ্জন কৰ্ম্মানুষ্ঠানে জীৱক মুক্তি দিব নোৱাৰে। ]

[ জীৱ শুদ্ধ হবলৈ জ্ঞান আৰু কৰ্ম্মৰ লগত জীৱক ভক্তি লাগে; অকল ভক্তি হলেও জীৱে মুক্তি লাভ কৰিব পাৰে। ]

কলিনা দুষ্ট সৰ্পেন দষ্টানামিহ ভেষজং।
নাস্তি নাস্ত্যেব নাস্ত্যেব ৰামনামামৃতং বিনা ॥২০১

[ ২০১ ]

দুষ্ট কলি সৰ্পে সবাকো দংশিলে
হৰাইল চেতন জ্ঞান।
ইহাৰ ঔষধ সুধা-ৰামনাম
বিনে নাহি নাহি আন ॥

চেতন জ্ঞান—( চেতন—সংজ্ঞা ) সংজ্ঞা স্বৰূপ জ্ঞান।

সুধা—অমৃত।

বিশাল সাপে খুটিলে যিদৰে মানুহৰ জ্ঞান হেৰায়, সেইদৰে কাল কালত জীৱ মোহত পৰাও মিছা, ফাঁকি, প্ৰবঞ্চনা, কাম, ক্ৰোধ আদিয়ে জীৱক পীড়া কৰিছে আৰু তাৰ ফলত সংজ্ঞা

হেকুৱাবদৰে জীৱে নিজক পাহৰিছে অৰ্থাৎ মোহত পৰি জীৱে ইহজন্মৰ সুখ-দুখকে খামোচ মাৰি ধৰি পৰজন্মৰ কথালৈ পিঠি দিছে। অমৃত পান কৰি অজ্ঞানলোক সজ্ঞান হোৱাৰদৰে কলিৰ গৰাহত পৰা লোকৰ পক্ষে অমৃতময় হৰিনামেই ঔষধ স্বৰূপ। পৰজন্মলৈ পিঠি দিয়া কলিৰ লোকে হৰিনাম লৈ নিজক চিনিব পাৰি গতি লাভ কৰিব পাৰে। কলিৰ লোকৰ উদ্ধাৰ হোৱা সম্বল হৰিনামৰ বাহিৰে একো নাই।

ইদং হি পুংসস্তপসঃ শ্ৰুতস্য বা
স্বিষ্টস্য সুক্তস্য চ বুদ্ধিদত্তয়োঃ।
অবিচ্যুতোঽৰ্থঃ কবিভিৰ্নিৰূপিতো
যদুত্তমশ্লোক গুণানুবৰ্ণনম্ ॥ ২০২

[ ২০২ ]

সকল পুণ্যৰ অবিনাশী ফল
হৰিগুণ-নাম সাৰ।
হৰিক সন্তোষ কৰাইবাৰ হেতু
নাম বিনে নাহি আৰ ॥

পুণ্যকৰ্ম—যিবোৰ কৰ্ম কৰিলে জীৱ শুদ্ধ হয়।
হেতু—উপায়।

হৰি নাম সকলো পুণ্যকৰ্ম্মৰ সাৰ—পুণ্যকৰ্ম্মবোৰ কৰিলে তাৰ অবিনাশী ফল স্বৰূপ হৰিগুণ নামকে পোৱা যায় আৰু হৰিক সন্তুষ্ট কৰিবলৈ তেওঁৰ নাম শ্ৰৱণ কীৰ্ত্তনৰ বাহিৰে আন উপায় নাই।

বেদে ৰামায়ণে চৈৱ পুৰাণে ভাৰতে তথা।
আদি মধ্যাৱসানেষু হৰিঃ সৰ্ব্বত্ৰ গীয়তে ॥২০৩

[ ২০৩ ]

বেদে ৰামায়ণে পুৰাণে ভাৰতে
আদি মধ্য অৱসানে।
হৰিকেসে মাত্ৰ কহয় নিশ্চয়
জানা তত্ত্ব এহিমানে ॥

ঋক, যজু, সাম আদি বেদ, ৰামায়ণ, ভাগৱত আদি পুৰাণ আৰু মহাভাৰত আদি শাস্ত্ৰৰ আদি, মধ্য আৰু শেষত সকলোতে হৰিৰহে নাম-কীৰ্ত্তন কৰে, অৰ্থাৎ সকলো গ্ৰন্থতে হৰিৰ কথাকেহে কৈছে বা তেওঁৰ মাহাত্ম্য বৰ্ণনা কৰিছে। শাস্ত্ৰবোৰৰ এয়ে গূঢ়তত্ত্ব।

বহ্নি সদসতোৰ্ম্মধ্যং যন্মধ্য চিতিজাড্যয়োঃ।
তস্মিনঃ প্ৰোচ্যতে ৰাজন্ ! দ্বয়ং দোলায়তে হৃদি ॥
(২০৪—২০৫)

[ ২০৪ ]

সত অসতৰ জড় চৈতন্যৰ
মাজত যিটো প্ৰকাশে।
তাকে বুলি মন সেহি সিটো পাৱে
যিজনে তাক উপাসে ॥

সত্য—সত্য, নিত্য ।

অসত—নশ্বৰ, মিছা।

ভগৱান সৎ, নিত্য, চৈতন্যময়; সৃষ্টি অসৎ, অনিত্য। জড় বা প্ৰকৃতিৰ চৈতন্য নাই। কিন্তু এই অনিত্য চৈতন্যহীন প্ৰকৃতিৰে যি বিনন্দীয়া সৃষ্টিখন হৈ নিত্যানন্দৰ ভঁড়াল হৈছে, তাৰ কাৰণ হৈছে সচ্চিদানন্দ ভগৱান।

ভগৱান সৎ বা চৈতন্য আৰু অসৎ বা জড়ৰ মাজত প্ৰকাশ কৰিছে। এনে সূক্ষ্ম নিৰাকাৰ সৰ্ব্বব্যাপী ভগৱানক যি উপাসনা কৰে, তেওঁৰ মনকে শুদ্ধ মন বোলে আৰু সেই জীৱেই ভগৱানক লাভ কৰিব পাৰে।

[ ২০৫ ]

মায়া আদি কৰি সমস্তে অসন্ত
জানিবা জড় নিশ্চয়।
হৰি মাত্ৰ সত্য চৈতন্য ঈশ্বৰ
পৰম তত্ত্ব নিৰ্ণয় ॥

অসন্ত—অসৎ, জড়।

মায়া, মন, বুদ্ধি আদি জড়বিলাক ক্ষণভঙ্গুৰ অৰ্থাৎ সকলোৰে বিনাশ আছে; কেৱল ভগৱানেই সত্য আৰু চৈতন্যময়, তাৰ বিনাশ নাই, সি চিৰকাল আছে আৰু থাকিব; এতেকে ভগৱানেই সকলোতকৈ শ্ৰেষ্ঠ, ধৰ্ম্মশাস্ত্ৰৰ গূঢ় অৰ্থ এয়ে।

বাসুদেৱ বাসুদেৱ বাসুদেৱেতি যো বদেৎ।
তস্য বৈৱস্বতো ৰাজা কৰোতি লিপি মাৰ্জ্জনম্ ॥২০৬

[ ২০৬ ]

বাসুদেৱ বাসু- দেৱ বাসুদেৱ
বুলিয়া যিটো স্মৰে।
সিটো পুৰুষৰ জানা যমৰাজা
লিখন মাৰ্জ্জনা কৰে ॥

(আমাৰ শাস্ত্ৰমতে যম মৃত্যুৰ অধিকাৰী; কোন কিমানদিন থাকিব লাগে, কোন কেতিয়া মৰিব লাগে, যম ৰজাই তাৰ হিচাব ৰাখে বুলি আমি বিশ্বাস কৰোঁ।) যি মানুহে 'জগত ধাৰণ কৰোঁতা ভগবানৰ বাসুদেৱ আদি নাম একান্তমনে শ্ৰদ্ধাৰে সৈতে লয়, সেই মানুহৰ জন্ম-মৃত্যুৰ হিচাব যম ৰজাই মচি পেলায় অৰ্থাৎ একান্তে ভগৱানৰ নাম লোৱা মানুহে জন্ম-মৃত্যুৰ হাত সাৰে বা সেই জীৱ মুক্ত হয়।

সহস্ৰনাম্নাং দিব্যানাং ত্ৰিৰাবৃত্ত্যা তু যৎ ফলং।
একাবৰ্ত্তেন কৃষ্ণস্য নামৈকং তন্নিয়চ্ছতি ॥২০৭

[ ২০৭ ]

দিব্য সহস্ৰেক নাম তিনি বাৰ
পঢ়ি পাৱে যিটো ফল।

একবাৰ কৃষ্ণ নাম উচ্চাৰিলে
পাৱয় তাক সকল ॥

পুৰোহিতৰ হতুৱাই বিষ্ণুৰ সহস্ৰ নাম তিনিবাৰ পাঠ কৰালে যি ফল পায়, কায়মনোবাক্যে নিজে কৃষ্ণ-নাম এবাৰ ললে তাৰ সমান ফল পায়। [ঈশ্বৰ প্ৰীতিৰ অৰ্থে আনৰ হতুৱাই নাম-কীৰ্ত্তন কৰোঁৱাতকৈ নিজে শ্ৰদ্ধাৰে একান্তমনে নাম-জপ কৰাই শ্ৰেষ্ঠ।]

ত্ৰিবিধং নৰকস্যেদং দ্বাৰং নাশনমাত্মনঃ।
কাম-ক্ৰোধস্তথা লোভস্তস্মাদেতৎ ত্ৰয়ং ত্যজেৎ ॥

(২০৮—২০৯)

[২০৮]

যতেক অনৰ্থ আছে সংসাৰত
তাতে তিনি বিধ সাৰ।
কাম-ক্ৰোধ-লোভ আপোন নাশন
জানি কৰা পৰিহাৰ ॥

অনৰ্থ—অমঙ্গলকৰ।

জীৱক অধোগামী কৰা যিমানবোৰ ৰিপু আছে, তাৰ ভিতৰত কাম, ক্ৰোধ আৰু লোভ এই তিনি বিধেই বেছি শত্ৰু। এতেকে হে তাই, এই তিনি ৰিপুক নিজৰ অনিষ্টকাৰী বুলি বুজি ত্যাগ কৰা; অৰ্থাৎ ইইঁতক নিজৰ তলত বাধি চলোৱা, তোমাক পীড়িবলৈ নিদিবা।

১২

[ ২০৯ ]

আত্ম-নাশ হেতু কাম-ক্রোধ-লোভ
নৰকৰ তিনি দ্বাৰ।
জানি আক তেজি কেৱল কৃষ্ণৰ
ভকতিক কৰা সাৰ॥

হেতু— কাৰণ।

আত্মাক আধোগামী কৰাৰ কাৰণ বা মূল হৈছে কাম, ক্রোধ, লোভ; অর্থাৎ কাম, ক্রোধ আৰু লোভৰ উদ্গনিতেই জীৱে দুষ্কর্ম্ম কৰি আত্মাক কলুষিত কৰে; গতিকে এই তিনিয়েই নৰকলৈ নিয়া বা কর্ম্মবন্ধনত পেলাই জীৱক সংসাৰত ঘূৰাই লৈ ফুৰোৱা তিনিখন দুৱাৰমুখৰ নিচিনা; এতেকে ভাই, কাম, ক্রোধ লোভৰ মহিমা বা শক্তি বুজি সিহঁতক ত্যাগ কৰা; আৰু একান্তমনে ভগৱানক ভক্তি কৰিবলৈ ঠিক কৰা।

এতৈর্ব্বিমুক্তঃ কৌন্তেয় তমো দ্বাৰৈস্ত্রিভিৰ্নৰৈঃ।
আচৰত্যাত্মনঃ শ্রেয়ঃ ততো যাতি পৰাং গতিম্॥২১০

[ ২১০ ]

কাম-ক্রোধ-লোভ তেজি যিটো জন
ভজয় কৃষ্ণৰ পাৱে।
কৃষ্ণৰ কৃপাত হোৱয় কৃতার্থ
সুখে মুকুতিক পাৱে॥

কৃতার্থ—কৰা কামৰ ফল লাভ কৰা; সফলকাম।
সুখে—সহজতে, অনায়াসে।

যি মানুহে নিজৰ পৰম শত্রু, আত্ম-কলুষিতকাৰী কাম, ক্রোধ, লোভ এৰি একান্তমনে ভগৱান কৃষ্ণক আশ্রয় কৰে, সেই মানুহেই ভগৱানৰ কৃপা লাভ কৰি কৃতার্থ হয় আৰু অনায়াসে মুক্তিলাভ কৰে

মাঞ্চ যোঽব্যভিচাৰেণ ভক্তিযোগেন সেৱতে।
সগুণান্ সমতীত্যৈতান্ ব্রহ্মভূয়ায় কল্প্যতে ॥২১১

[ ২১১ ]

কৃষ্ণকেসে মাত্র ভজে যিটো জন
অব্যভিচাৰী ভকতি।
তিনি গুণ অতি- ক্রমি ব্রহ্মৰূপ
পাৱে সিটো মহামতি ॥

অব্যভিচাৰী ভকতি—একমাত্র ঈশ্বৰত কৃষ্ণত ৰতি। মুখত একমাত্র কৃষ্ণ কথা কৈ মনত আন বহু দেৱতাক স্থান দিলে নাইবা আপদে বিপদেও আন দেৱতাক সেবা-পূজা কৰিলে ভক্তি ব্যাভিচাৰী হয়।

যি মানুহে একান্তমনে বিশুদ্ধভাৱে অকপট চিত্তে কেৱল কৃষ্ণকে ভক্তি কৰে, সেই সাধুলোকে সত্ত্ব ৰজ, তম, এই তিনি গুণৰ হাত সাৰি বা এই গুণ থকা সংসাৰৰপৰা মুক্ত হৈ ব্রহ্মৰূপ পাৱে নাইবা ব্রহ্মপদ লাভ কৰে—ব্রহ্মই হয়।

[ ২১২ ]

তিনি গুণময় যত জ্ঞানকৰ্ম্ম
কেৱল বন্ধ কাৰণ।
জানি তাক তেজি একান্ত ভকতি
ভজিয়ো কৃষ্ণ চৰণ ॥

জ্ঞানকৰ্ম্ম---ঈশ্বৰ-জ্ঞান লাভৰ অৰ্থে কৰা কাম।

ঈশ্বৰ-জ্ঞান লাভৰ অৰ্থে কৰা কামবোৰ সত্ব, ৰজ, তম গুণমূলক অৰ্থাৎ আমি যি যাগ, যজ্ঞ আদি কৰোঁ, সেইবোৰ গুণমূলক সকাম কৰ্ম্ম; এইবোৰ কৰিলে ঈশ্বৰ-জ্ঞান হব পাৰে; কিন্তু তাৰ লগত ভক্তিৰ যোগ নহলে সি কেৱল উন্নততৰ জীৱন বা স্বৰ্গসুখ আদিহে দিব পাৰে, মুক্তি দিব নোৱাৰে; গতিকে ভক্তিহীন জ্ঞান-কৰ্ম্মবোৰ বন্ধনৰহে হেতু; ইয়াকে জানি ভক্তিহীন জ্ঞান-কৰ্ম্মবোৰ এৰা; একান্তমনে ভগৱানত আশ্ৰয় লৈ তেওঁক ভক্তি কৰা।

[ ২১৩ ]

ৰজো গুণ তম গুণময় বৃত্তি
কেৱল আসুৰী ভাৱ।
শুদ্ধ সত্ব বৃত্তি দেৱৰ সম্পত্তি
লৈয়া ভজা কৃষ্ণ পাৱ ॥

ৰজ—এই গুণৰ প্ৰভাৱত অভিমান, অহঙ্কাৰ দাম্ভিকতা জন্মে।
তম—এই গুণৰ প্ৰাধান্যত আলস্য, নিদ্ৰা, অসূয়া আদিৰ প্ৰাবল্য হয়।
সত্ব—এই গুণৰ প্ৰভাৱত মানুহৰ অন্তৰত সত্য, দয়া, ভক্তি আদি জন্মে।

ৰজ গুণৰপৰা উৎপন্ন হোৱা অভিমান, অহঙ্কাৰ আদি আৰু তম গুণৰপৰা উৎপন্ন হোৱা আলস্য, নিদ্ৰা, অসূয়া আদি বৃত্তিবোৰ আসুৰী ভাৱৰহে অৰ্থাৎ এই বৃত্তিবোৰ মানুহৰ নহয়; অসুৰৰহে—এইবোৰে মানুহক অসুৰত পৰিণত কৰে। সত্য, ভক্তি, দয়া আদি শুদ্ধ বৃত্তি; এইবোৰ দেৱতাৰ বা স্বৰ্গীয়; এইবোৰে মানুহক দেৱতাৰ আসন দিয়ে। এতেকে ভাই, ৰজ-তমগুণৰ আসুৰী বৃত্তিবোৰ এৰি সত্বগুণৰ দেৱভাৱ লৈ একান্তমনে ভগৱানক আশ্ৰয় কৰি তেওঁক ভক্তি কৰা।

[ ২১৪ ]

মহন্তৰ সঙ্গে হৰি কথা ৰসে
মনক ভজিয়ো ভাই।
মায়াক এৰিয়া হৰি পাইবাৰ
উপায় আৰব নাই॥

হে ভাই, সাধুৰ লগলাগি হৰি-কথা আলাপ কৰি বা হৰিৰ গুণ চৰিত্ৰ আলোচনা কৰি সেই আলাপতে নিজৰ মন মজাই দিয়া যেন মনে আন কথা শুনিবলৈ ভাল নোপোৱা হয়, আন আলোচন কৰিবলৈ বেয়া পোৱা হয়; কিয়নো সংসাৰথন মৰুভূমিৰ মৰীচিকাৰ

দৰে মায়া; এই মায়াৰ মোহৰপৰা অৰ্থাৎ বিষয় বাসনাৰ হাতৰপৰা মুকলি হৈ ভগৱানক লাভ কৰাৰ আন উপায় নাই।

[হৰি কথাত ৰতি হোৱাটোৱেই মায়া এৰি ভগৱান পোৱাৰ প্ৰধান উপায়।

[ ২১৫ ]

হৰি গুণ-নাম শ্ৰৱণ-কীৰ্ত্তন
ভজিয়ো হৰি চৰণ।
মনুষ্য হুইবাৰ এহি মানে মাত্ৰ
জানা নিজ প্ৰয়োজন ॥

তাই, পৰমেশ্বৰৰ নাম-গুণ, শ্ৰৱণ-কীৰ্ত্তনেৰে পৰমেশ্বৰত আশ্ৰয় লোৱা; জীৱে মানুহ জন্ম ধৰাৰ উদ্দেশ্য এয়ে, অৰ্থাৎ হৰি গুণ-নাম শ্ৰৱণ-কীৰ্ত্তন কৰি তেওঁত আশ্ৰয় লবলৈ হে, বা মুক্তিলাভ কৰিবলৈহে জীৱে অসংখ্য জন্মৰ পাছত বুদ্ধি-বিবেক থকা মানুহ জন্ম ধৰিছে। শয়ন-ভোজন আদি কাম জীৱে আন আন জন্মতো কৰিবলৈ পায়, কিন্তু আত্ম-চিন্তা অন্য'ন্য জীৱনত জীৱৰ নঘটে। কেৱল শ্ৰেষ্ঠ জন্ম এই মনুষ্য জীৱনতহে জীৱে এই সুযোগ পাইছে। জীৱে মানৱ-জন্ম ধৰা আচল উদ্দেশ্য হৰিনাম কীৰ্ত্তন কৰি ভগৱানক ভজনা কৰাটোৱে।

[ ২১৬ ]

যাহাৰ জিহ্বাত থাকয় সতত
হৰিৰ নাম মঙ্গল।

সেহিসে মহন্ত তাৰাৰেসে মাত্ৰ
সিজয় ধৰ্ম্ম সকল ॥

যাৰ জিভাত সদায় হৰিৰ মঙ্গলময় নাম থাকে, অৰ্থাৎ যি সদায় হৰিৰ নামকে একান্তমনে উচ্চাৰণ কৰে, তেওঁকেই মহন্ত বোলে ; আৰু তেওঁ ভগৱানৰ নাম সদায় লৈ থকাৰ কাৰণেই ধৰ্মৰ অৰ্থে কৰা সকলো প্ৰকাৰ দান, তপ, যাগ, যজ্ঞ আদি কাম কৰাৰদৰে হয়। সদায় হৰিনাম লৈ থকা মানুহে ধৰ্মাৰ্থে কৰিবলগীয়া সকলো কাম কৰাৰ ফললাভ কৰে।]

[ ২১৭ ]

সমস্ত শাস্ত্ৰৰ তত্ত্বক জানিয়া
নেৰয় নাম মুখত।
সিটো মহাজনে অপ্ৰয়াসে তৰে
সংসাৰ ঘোৰ দুখত ॥

আমাৰ সকলো ধৰ্ম্মশাস্ত্ৰৰ তাৎপৰ্য্য হৈছে হৰিনাম-কীৰ্ত্তন ; যি লোকে ইয়াকে বুজি সদায় একান্তমনে ভগৱানৰ নাম লয়, তেওঁকেই মহাজন বোলে আৰু সেই মহাজন বা সাধুৱে সদায় হৰিনাম লোৱাৰ ফলত সংসাৰৰ ঘোৰ দুখৰপৰা উদ্ধাৰ হয় .অৰ্থাৎ সেই জীৱ পুন: পুনঃ সংসাৰত জন্মি নানা জ্বালাত ভোগ কৰা আৰু মৃত্যু যন্ত্ৰণা পোৱাৰ পৰা উদ্ধাৰ হয় নাইবা মুক্তি পায়।

[ ২১৮ ]

ৰাম কৃষ্ণ ৰাম কৃষ্ণ বোল ভাই
তেজিয়া লাজ আলাস।
শাস্ত্ৰ আচাৰ্য্যৰ উপাসা কৰিয়া
বাসনা কৰা বিনাশ ॥

ধৰ্ম্ম শাস্ত্ৰত হৰিনামৰ মাহাত্ম্যকে বৰ্ণনা কৰিছে আৰু ধৰ্ম্মাচাৰ্য্য অৰ্থাৎ গুৰুৰেও হৰিনাম লবলৈ আদেশ কৰে; এই নাম ললে জীৱে বিষয় বাসনা এৰিব পাৰে। এতেকে ভাই, লাজ, এলাহ কাতি কৰি থৈ পৰমেশ্বৰৰ ৰাম-কৃষ্ণ আদি নাম একান্তমনে লোৱা আৰু ধৰ্ম্মশাস্ত্ৰ আৰু উপদেষ্টা গুৰুৰ চৰণত ভক্তি ৰাখি অৰ্থাৎ শাস্ত্ৰৰ নিৰ্দ্ধাৰিত মত ৰক্ষা কৰি পৰমেশ্বৰত আশ্ৰয় লৈ বিষয় বাসনা ত্যাগ কৰা। শাস্ত্ৰ আৰু গুৰুৰমতে চলি হৰিনাম ললে বিষয় বাসনা আপুনি এৰা দিয়ে। ]

[ ২১৯ ]

হৰিৰ কীৰ্ত্তন যিজনে নকৰে
তাত পৰে নাহি দুখী।
হৰি গুণ-নাম সন্তোষ অমৃত
পিয়ে যিটো সিটো সুখী ॥

পৰমেশ্বৰ সংসাৰৰ আশ্ৰয়; ৰোগ, শোক, পীড়া, দুখ আদিত তেওঁৰ নামকে লৈ জীৱে অলপ শান্তি পায়; তদুপৰি ঈশ্বৰ-বিশ্বাসী

লোকে একান্ত চিত্তে পৰমেশ্বৰত বিশ্বাস ৰাখি নিৰাপদে সংসাৰত চলে। যি ঈশ্বৰক বিশ্বাস নকৰে তেওঁ আশ্ৰয়হীন; গতিকে তেওঁ সংসাৰত আটাইতকৈ দুখীয়া। ঈশ্বৰ-বিশ্বাসীয়ে ভগৱানৰ নাম লোৱাৰ ফলত তেওঁক দুখ-বেজাৰে পীড়িব নোৱাৰে; তেওঁৰ অন্তৰত সদায় সন্তোষভাৱে ঠাই লয়, তেওঁ চিৰ সুখী।

[ ২২০ ]

হৰিসে চৈতন্য আত্মা জ্ঞানময়
আৰৰ সমস্তে জড়।
বেদ বেদান্তৰ সমস্ত শাস্ত্ৰৰ
এহিসে বিচাৰ বৰ ॥

হৰিয়েই জ্ঞানময় চৈতন্য স্বৰূপ আত্মা অৰ্থাৎ জগতৰ চৈতন্যই ভগৱান, তেওঁ জ্ঞানময় আত্মাৰূপে জগতত পৰিব্যাপ্ত; তেওঁত বাদে সকলো জড়। ভগৱান জগতৰ স্ৰষ্টা; তেৱেঁই চৈতন্যৰূপে জগতত জিলিকি আছে, তেওঁৰ বাহিৰে বাকী সমস্ত জড়—মায়াৰ সৃষ্টি। বেদ-বেদান্ত আদি যিবোৰ আমাৰ ধৰ্মগ্ৰন্থ আছে, সেইবোৰত এই জ্ঞানময় চৈতন্য আত্মাৰেই গভীৰ আলোচনা আছে।

[ ২২১ ]

দেৱৰ দুৰ্ল্লভ ঈশ্বৰ কৃষ্ণক
ভকতিসে কৰে বৈশ্য।
আগম নিগম গীতা ভাগৱতে
শাস্ত্ৰৰ ইটো ৰহস্য ॥

সর্ব্বশ্রেষ্ঠ ভগৱান দেৱতাসকলোবো দুর্লভ অর্থাৎ দেৱতাসকলেও বহুত কষ্ট কৰিহে তেওঁক পাব পাৰে; তেনে দেৱতাৰ দুৰ্লভ ঈশ্বৰক ভক্তিয়ে অধীন কৰে অর্থাৎ জীৱে ভক্তি কৰি ঈশ্বৰক নিজৰ কৰি লব পাৰে। আগম, নিগম, গীতা, ভাগৱত আদি ধর্ম্ম-গ্রন্থবোৰৰ গূঢ় অর্থ এয়ে; অর্থাৎ শাস্ত্ৰবোৰত সাৰ কথা ইয়াকেহে কৈছে।

[ ২২২ ]

যম কাল মায়া মৃত্যুয়ে বেঢ়িয়া
আছে বাঘজালি কৰি।
হেনয় জীৱক কোনে ৰাখিবেক
বিনে কৃপাময় হৰি ॥

যম, কাল, মায়া, মৃত্যু এইসকলে বাঘ জালি কৰি জীৱক বেঢ়ি আছে; অর্থাৎ বাঘে চুপি থকাৰদৰে যম, কাল আদিয়ে জীৱক কেতিয়া ধৰোঁ, কেতিয়া ধৰোঁ কৰি চাৰিওফালে আগুৰি আছে। এইদৰে চাৰি শত্ৰুৱে সদায় বেঢ়ি ৰখা জীৱক পৰম দয়ালু ভগৱানৰ বাহিৰে আন কোনে ৰক্ষা কৰিব? অর্থাৎ ভগৱানেহে কেৱল মৃত্যুৰ হাতৰপৰা ৰক্ষা কৰিব পাৰে অর্থাৎ মুক্তি দিব পাৰে; আন কোনো দেৱতাই ৰক্ষা কৰিব নোৱাৰে। ভগৱানক আশ্ৰয় নকৰিলে যম, কাল, মৃত্যু, মায়াৰপৰা উদ্ধাৰ হব নোৱাৰি অর্থাৎ মুক্তি লাভ কৰিব নোৱাৰাৰ ফলত সংসাৰত পুনঃ পুনঃ জন্মি যম, কাল আদিৰ হাতত সদায় লটি-ঘটি হব লাগে।

[ ২২৩ ]

পাপ সাগৰত তল নিয়াইলেক
বলে কলি দুৰাচাৰ।
ৰাম নামবিনে পাপ এৰাইবাৰ
উপায় নাহিকে আৰ ॥

[ কলিকালৰ এটা প্ৰধান দোষ এই,—এই কালত জীৱ লোভত পৰি অৰ্থাৎ মায়াত মোহ গৈ নিজক ( আত্মতত্ব ) পাহৰে। সেইকাৰণে কলিকালক দোষ দি কৈছে ] দুষ্ট কলিকালে জীৱক লোভত পেলাই পাপত লিপ্ত কৰিলে। জীৱে এই পাপ; ৰাম-নামৰ বাহিৰে আনেৰে গুচাব নোৱাৰে; অৰ্থাৎ একান্তমনে ভগৱানৰ নাম লৈহে জীৱে কলিৰ পাপৰপৰা উদ্ধাৰ হব পাৰে বা তাত নপৰাকৈ থাকিব পাৰে।

[ ২২৪ ]

হৰিত শৰণ লৈয়া যিটো জন
সদা ৰামনাম গাৱে।
হোক বা সকাম নিষ্কাম তথাপি
কলিৰ দোষে নাপাৱে ॥

যি মানুহে একান্তমনে হৰিত আশ্ৰয় লৈ সকাম ভাৱে হওক বা নিষ্কাম ভাৱেই হওক, সদায় তেওঁৰ নাম লয়, তেওঁক কলিৰ

মিছা, ফাকি, প্ৰবঞ্চনা আদিয়ে চুব নোৱাৰে ; তেওঁ একান্তমনে ভগৱানৰ নাম লোৱাৰ ফলত শুদ্ধ হৈ উঠে।

[ ২২৫ ]

হৰি গুণ-নাম অমৃত সাগৰে
মজ্জায়ো মন নিপুণ।
সুখে সংসাৰৰ পাপ এৰাইবাহা
নছাৰিবা হৰি গুণ ॥

হে চতুৰ বা বুদ্ধিবান, তুমি হৰিৰ নাম-গুণ একান্তমনে লৈ নাম ৰস স্বৰূপ অমৃত সাগৰত তোমাৰ মন মগ্ন কৰা অৰ্থাৎ তুমি নাম লৈ নামতে তৃপ্ত হোৱা। হৰি নাম-গুণ লবলৈ নেৰিবা ; হৰি নাম একান্তমনে ললে অনায়াসে সংসাৰৰ পাপ এৰিব পাৰিবা অৰ্থাৎ সংসাৰৰ পাপে তোমাক স্পৰ্শ কৰিব নোৱাৰিব—তুমি পৱিত্ৰ হাব।

[ ২২৬ ]

সদায়ে ভাবিয়ো ৰাম নাৰায়ণ
আলাস কেনে কৰস।
মুখ মাজে হৰি নামৰ নিবাস
ভুলিয়া কেমনে ৰস ॥

পৰমেশ্বৰৰ ৰাম-নাৰায়ণ আদি নাম সদায় চিন্তা কৰা ; নাম লবলৈ কিয় এলাহ কৰা ? মুখতেই হৰিনাম আছে ; এনে অৱস্থাত নাম লবলৈ পাহৰি কেনেকৈ থাকা ? অৰ্থাৎ নাম লবলৈ পৰিশ্ৰম

কৰি দূৰলৈ যাব নালাগে, নিজৰ মুখতেই হৰিনাম আছে, তুমি ইচ্ছা কৰিলেই নাম লব পাৰা; এতেকে হেলা নকৰি নাম লোৱা।

[ ২২৭ ]

গোপাল গোপাল গোপাল গোপাল
গোপাল গোবিন্দ হৰি।
ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ
বুলিয়ো আনন্দ কৰি॥

পৰমেশ্বৰৰ গোপাল, গোবিন্দ, হৰি, ৰাম, কৃষ্ণ আদি নাম আনন্দমনে লোৱা।

[ ২২৮ ]

শীঘ্ৰ কৰিয়া বোলা ৰাম হৰি
বিলম্ব নকৰা ভাই।
কোননো নায়ক যমৰ দায়ক
হৰিক সুহৃদ পাই॥

যমৰ-দায়ক—যমৰ যাতনা বা উৎপীড়ন।

হে ভাই, ভগৱানক প্ৰিয়তম বন্ধুৰূপে গ্ৰহণ কৰি শীঘ্ৰে ৰাম, হৰি আদি ভগৱানৰ নাম একান্তমনে লোৱা; কিয়নো তেওঁৰ নাম ললে এই বিশ্বত এনে কোন শক্তিশালী পুৰুষ আছে, যি

জীৱক যমৰ অধীন কৰিব পাৰে? [ হৰিনাম ললে যমৰ দায়ৰপৰা সাৰা যায়। ]

[ ২২৯]

নমো নিৰঞ্জন দানৱ গঞ্জন
ভকত ৰঞ্জন ৰাম।
গোপাল গোবিন্দ মুকুন্দ মুৰাৰি
বোলা ভাই অবিশ্ৰাম ॥

হে নিৰ্ম্মল, দুষ্ট দমনকাৰা ভকতক আনন্দ দিওঁতা ৰাম, তোমাক প্ৰণাম কৰোঁ। ভাইসকল, সকলোৱে ভগৱানৰ গোপাল, গোবিন্দ, মুকুন্দ, মুৰাৰি আদি নাম সদায় একান্তমনে লোৱা।

[ ২৩০ ]

হৰিপদে ধৰ অন্যায় নকৰ
দুৰ্জ্জন মন পামৰ।
সাক্ষী হুয়া হৰি হিয়াৰ ভিতৰে
আছে দেৱ দণ্ডধৰ ॥

হেৰ দুৰ্জন পামৰ মন, ভগৱানৰ চৰণত আশ্ৰয় ল, নিজে নিজৰ অহিত নকৰিবি অৰ্থাৎ বাহিৰত হৰিক ভজা দেখুৱাই অন্তৰত অন্য ভাৱনা নকৰিবি, সৰল চিত্তে ভগৱানক চিন্তা কৰ; কিয়নো ভগবান দণ্ডধৰ স্বৰূপে অৰ্থাৎ পাপ-পুণ্যৰ বিচাৰক হিচাবে সকলোৰে অন্তৰত সাক্ষী হৈ আছে, তেওঁক ফাঁকি দিয়া তোৰ অসম্ভৱ।

[ ২৩১ ]

সদা ৰাম কৃষ্ণ হৰি বোল ভাই
তেজিয়া মনে কপট।
হৰিৰ তলব লৈয়া যমদূতে
চাপিয়া আছে নিকট॥

কপট—বেঁকা ভাব, বাহিৰত এটা, ভিতৰত আন এটা।

তলব—আদেশ পত্ৰ।

হে ভাই, মনৰপৰা বেঁকা ভাব আঁতৰাই সৰলমনে সদায় ৰাম, কৃষ্ণ, হৰি আদি নাম লোৱা; কিয়নো এই দেহা অস্থায়ী, কেতিয়া পৰে ঠিক নাই; মৃত্যুৰ অধিকাৰী যম ৰজাৰ দূতে হৰিৰ আদেশপত্ৰ হাতত লৈ পাপীসকলক নিবলৈ ওচৰত ৰৈ আছে; অৰ্থাৎ .জীৱক নিউ নিউ কৰি যমৰ দূতে চাই আছে অৰ্থাৎ তুমি কেতিয়া মৰা ঠিক নাই; এতেকে একান্তমনে হৰিনাম লোৱা আৰু আগলৈ তুমি যমৰ দায়ৰ বা মৃত্যুৰ হাত সাৰা।

[ ২৩২ ]

ৰাম কৃষ্ণ ৰাম কৃষ্ণ বোলা ভাই
নামে নকৰিবা হেলা।
হৰিৰ নামৰ মাজত সমস্তে
ভকতি সুখৰ মেলা॥

ভকতি সুখৰ মেলা—ভক্তিৰসৰ ভঁড়াল।

হে ভাই, ভগৱানৰ ৰাম, কৃষ্ণ আদি নাম লবলৈ হেলা নকৰিবা; কিয়নো ভগৱানক ভক্তি কৰিলে অন্তৰত যি অপৰিমেয় সুখ পোৱা যায়, সেই ভক্তিৰসৰ সুখ নামৰ ভিতৰতে আছে।

[ ২৩৩ ]

ৰাম কৃষ্ণ হৰি ৰাম কৃষ্ণ হৰি
ভাবিয়ো ভাৱক ভাই।
ৰাম কৃষ্ণ হৰি গোবিন্দ বুলিয়া
বঞ্চিয়ো যমৰ দায় ॥

বঞ্চিয়ো—উদ্ধাৰ হোৱা, হাতসাৰ।
যমৰ দায়—যমৰ যাতনা।
ভাৱক—চিন্তাশীল।

[ মানুহ ভাবুক অৰ্থাৎ চিন্তা কৰা মানুহৰ স্বভাৱ; এতেকে অন্য ভাৱনা নাভাবি ] হে চিন্তাশীল ভাই, ৰামকৃষ্ণকে ভাবা; অৰ্থাৎ ভগৱানৰ নাম স্মৰণ আৰু চিন্তন কৰা; আৰু তেওঁৰ নাম শ্ৰদ্ধাৰে লৈ যমৰ যাতনাৰ হাত সাৰা বা মুক্তি লাভ কৰা।

[ ২৩৪ ]

ৰাম কৃষ্ণ হৰি ৰাম কৃষ্ণ হৰি
ৰাম কৃষ্ণ হৰি ৰাম।
ৰাম কৃষ্ণ হৰি বুলিয়া তেজিয়ো
ধৰ্ম্ম অৰ্থ মোক্ষ কাম ॥

ধৰ্ম্ম—পুণ্য।

অৰ্থ—সম্পত্তি।

কাম—কাম্য কৰ্ম্ম।

মোক্ষ—মুক্তি।

[ধৰ্ম্ম, অৰ্থ, কাম, মোক্ষ এই চাৰিবিধ সাধনকেই জীৱৰ পৰম পুৰুষাৰ্থ বোলে। ইয়াকে চতুৰ্ব্বৰ্গ সাধনো বোলে। মানুহে এই চতুৰ্ব্বৰ্গ সাধনৰ নিমিত্তে সকলো ৰকমৰ কষ্ট স্বীকাৰ কৰে। ভগৱানৰ ৰাম, কৃষ্ণ আদি নাম একাত্মমনে শ্ৰদ্ধাৰেসৈতে ললে উক্ত চতুৰ্ব্বৰ্গ সাধনৰ ফল লাভ হয়। সেয়ে কৈছে] ভগৱানৰ ৰাম, কৃষ্ণ, হৰি আদি নাম লৈ ধৰ্ম্ম, অৰ্থ, কাম, মোক্ষলৈ চিন্তা এৰা; অৰ্থাৎ ভগৱানৰ নাম লোৱা, তাতেই তোমাৰ চতুৰ্ব্বৰ্গ সাধনৰ ফল লাভ হব—চতুৰ্ব্বৰ্গ সাধনৰ নিমিত্তে আৰু বেলেগ চেষ্টাৰ দৰ্কাৰ নাই।

[২৩৫]

অজ্ঞান আন্ধাৰে পৰিয়া জীৱৰ<br>
জ্ঞান পথ ভৈলা নাশ।<br>
নাম অঞ্জনীয়া বিনে আনমতে<br>
নপাৰে হৰিৰ পাশ॥

অঞ্জনীয়া—চকুত অঞ্জন দিওঁতা; পোহৰ কৰোঁতা।

নাম-অঞ্জনীয়া—নামৰূপ অঞ্জনীয়া বা পোহৰ কৰোঁতা।

অজ্ঞান বা মোহত পৰাত জীৱে জ্ঞানৰ বা মুক্তিৰ পথ নেদেখা হল; এনে অৱস্থাত নামৰূপ অঞ্জনীয়াৰ বাহিৰে আন উপায়ে জীৱে

সহজে ভগৱানৰ কাষ চাপিব নোৱাৰে; অৰ্থাৎ নামে বাট পোহৰাই (জীৱক শুদ্ধ কৰি) লৈ নগলে আনে জীৱক মায়া-বন্ধনৰপৰা মুক্ত কৰি ঈশ্বৰৰ লগত মিলন ঘটাব নোৱাৰে।

তৎ কথামৃতপয়োধৌ বিহৰন্তো মহামুদঃ।
কুৰ্ব্বতি কৃতিনঃ কেচিচ্চাতুৰ্ব্বৰ্গং তৃণোপমম ॥২৩৬

[ ২৩৬ ]

ৰাম কৃষ্ণ নাম অমৃত সাগৰে
যিটো জনে কৰে কেলি।
তৃণ সম কৰি সিটো মহাজনে
মুকুতিকো থৰে ঠেলি ॥

কলি—ক্ৰীড়া, বিহাৰ।

যি মানুহে একান্তমনে ভগৱানৰ নাম লৈ নাম-ৰসত বিহাৰ কৰে অৰ্থাৎ সদায় নাম লৈ লৈ নামৰ ৰসতে মগ্ন থাকে, সেই সাধুলোকে মুক্তিকো তৃণ জ্ঞান কৰি তালৈ পিঠি দিয়ে বা মুক্তিৰ বিষয় অলপো নাভাবে [ৰাম নামত মত্ত থকা লোকৰ পাচে পাচে মুক্তি দাসী হৈ ফুৰে।]

[ ২৩৭ ]

হৰি পদ মহা থালী ৰাম নাম
অমৃত আছে ভৰিয়া।

কপট ঢাকন ভাঙ্গি আৰে ভাই
সন্তুষ্ট হুয়োক পিয়া ॥

হৰি পদৰূপ মহা থাল্ৰী ৰাম নামৰূপ অমৃতে ভৰি আছে; আৰু সি কপটৰূপ ঢাকোনেৰে ঢাক খাই আছে; হে ভাই, সেই ঢাকোন এতিয়া ভাঙি ৰামনাম পান কৰি সন্তুষ্ট হোৱা। অৰ্থাৎ ভগৱানক এতিয়া চিন্তা কৰিলে তেওঁৰ নাম মনলৈ আহে আৰু সেই নাম যিমানে লোৱা যায়, সিমানে মনত আনন্দ লাগে; কিন্তু কপট ভাবে আমাৰ হৃদয়ৰ হৰিপদ ঢাকি ৰাখে অৰ্থাৎ আমি মুখে-পেটে এক হৈ হৰিক চিন্তা কৰিব নোৱাৰা বাবে তেওঁক ধাৰণা কৰিব নোৱাৰোঁ। সেইকাৰণে কৈছোঁ হে ভাই, তোমাৰ মনৰ বেঁকা ভাব গুচোৱা, মুখে-মনে এক হৈ ভগৱানৰ নাম লৈ অমৃত পান কৰাৰদৰে সন্তোষ লাভ কৰা আৰু অমৰ হোৱা বা মুক্তি লাভ কৰা।

[ ২৩৮ ]

মহন্তসবৰ সঙ্গে ৰামনাম
লৈয়ো অঞ্জনীয়া কৰি।
কপট ছুৱাৰ চুড়িয়া হৃদয়
ভাণ্ডাৰে দেখিয়ো হৰি ॥

অঞ্জনীয়া—অঞ্জনৰ নিচিনা জ্যোতি বঢ়োৱা বস্তু; অন্তৰ পোহৰ কৰা বস্তু; যিজনে শৰণীয়া মানুহক আচাৰ-নীতি শিকায়।

অঞ্জনীয়া করি লৈয়ো—জ্ঞানৰ বা মুক্তিৰ পথ দেখুৱাই দিয়া স্বৰূপে লোৱা।

চুড়িয়া—ভাঙি।

মহন্তসকলৰ লগত ৰাম নামকে মুক্তিৰ পথ দেখুৱাই দিয়া সম্বল স্বৰূপে লোৱা অৰ্থাৎ ভগৱানৰ নামকেই মুক্তিৰ বাট দেখুৱাই দিয়া কৰি লৈ ভক্তৰ লগত একান্তমনে ৰাম নাম লোৱা; আৰু হৃদয়ৰ কপট ঢাকোন অৰ্থাৎ বেঁকা ভাৱ এৰি একান্তমনে শ্ৰদ্ধাৰে সৈতে নাম লৈ নিজৰ হৃদয়ৰূপ ভঁৰালত ভগৱানক চোৱা। [এক মনে ভগৱানৰ নাম ললে নিজৰ হৃদয়তে ভগৱানক দেখা পাবা।]

[ ২৩৯ ]

ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ
ৰাম কৃষ্ণ ৰাম হৰি।
আলাস তেজিয়া জপিও হৰিক
জানি এক মন কৰি॥

এলাহ এৰি ভগৱানৰ ৰাম, কৃষ্ণ, হৰি আদি নাম একান্তমনে লোৱা।

[ ২৪০ ]

মহন্তৰ সঙ্গে সদায় মুখত
নছাৰিবা হৰি বাণী।
তেবেসে চঞ্চল দুৰাচাৰ মন
হৈবে আসি এক জানি॥

সাধুসকলৰ লগত সদায় মুখেৰে ভগৱানৰ নাম "হৰি" বাক্য বুলিবলৈ নেৰিবা অৰ্থাৎ সদায় সাধুসকলৰ লগত ভগৱানৰ নাম লবা ; তেনেহলেহে পাপলৈ যাব খোজা চঞ্চল মন এক হবহি অৰ্থাৎ মুখেৰে ভগৱানৰ নাম লওঁতে মনটো ভগৱানৰ ভাৱত যুক্ত থাকিব।

[ ২৪১ ]

বোলা ৰাম হৰি গোপাল গোবিন্দ
মুকুন্দ যদু মুৰাৰি।
নিত্য নিৰঞ্জন যাৰ এক নাম
ভৱ তৰিবাক পাৰি ॥

যি ভগৱানৰ এক নাম একান্তমনে উচ্চাৰণ কৰি মুক্তি লাভ কৰিব পাৰি, সেই ভগৱানৰ ৰাম, হৰি, গোপাল, গোবিন্দ, মুকুন্দ, যদু, মুৰাৰি, নিত্য-নিৰঞ্জন আদি নাম উচ্চাৰণ কৰা।

আদিত্যশ্চন্দ্ৰাবনিলো নলশ্চ দ্যৌৰ্ভূমিৰাপো
হৃদয়ং যমশ্চ।
অহশ্চ ৰাত্ৰিশ্চ উভে চ সন্ধ্যে ধৰ্ম্মশ্চ জানাতি
নৰস্য বৃত্তম্ ॥২৪২

[ ২৪২ ]

ৰাম কৃষ্ণ হৰি বোলা শুনা ভাই
অন্যায় নকৰ মনে।

চৈধ্য সাক্ষী সমে যমৰ দেৱান
দেখিয়োক সৰ্ব্বক্ষণে ॥

চৈধ্য সাক্ষী—চন্দ্ৰ, সূৰ্য্য, বায়ু, বৰুণ, অগ্নি, আকাশ, ভূমি, হৃদয়, যম, ধৰ্ম্ম, দিবা ৰাতি আৰু উভয় সন্ধ্যা।

দেৱান—মন্ত্ৰী।

যমৰ দেৱান—যমৰ মন্ত্ৰী, চিত্ৰগুপ্ত। চিত্ৰগুপ্তই অনাদি বিদ্যাৰ সাক্ষীসহ মানুহৰ পাপপুণ্য লিখি থয়।

হে ভাই শুনা, ভগৱানৰ ৰাম, কৃষ্ণ, হৰি আদি নাম উচ্চাৰণ কৰা; কিন্তু মুখেৰে নাম উচ্চাৰণ কৰি মনত অন্যভাৱে নাভাবিবা অৰ্থাৎ সৰল চিত্তে শ্ৰদ্ধাৰেসৈতে মুখেদি নাম উচ্চাৰণ কৰা আৰু মনতো ভগৱানক ভাবা; চন্দ্ৰ, সূৰ্য্য, বায়ু, বৰুণ আদি চৈধ্য সাক্ষী আৰু চিত্ৰগুপ্তলৈ সদায় মনত ৰাখিবা; কিয়নো যদি তুমি মুখেদি নাম উচ্চাৰণ কৰি অন্য বিষয় ভাৱা, তেন্তে অন্তৰে বাহিৰে থকা চৈধ্য সাক্ষীয়ে দেখা পাব আৰু বিদ্যাৰ সাক্ষী লৈ চিত্ৰগুপ্তই তোমাৰ এই কপটতাৰ পাপ লিখি ৰাখিব, তুমি মুখেৰে নাম লোৱাৰ একো সাৰ্থক নহব।

[ ২৪৩ ]

ভজিয়ো হৰিৰ চৰণ পঙ্কজে
তেজিয়ো অন্যত্ৰ কাম।
সমস্ত ধৰ্ম্মৰ ফল ৰূপ জানি
লৈৰিবা হৰিৰ নাম ॥

অন্য কামনা এৰি অৰ্থাৎ ফলৰ আশা কৰি অন্য দেৱ-দেৱীক পূজা-সেৱা নকৰি ভগৱানৰ চৰণ-পদ্মত শৰণ লোৱা। ভগৱানৰ নাম সকলো প্ৰকাৰ ধৰ্ম্ম-কৰ্ম্মৰ ফল স্বৰূপ জানি তেওঁৰ নাম লবলৈ হেলা নকৰিবা। [ঈশ্বৰৰ নাম শ্ৰদ্ধাৰে ললে সকলো প্ৰকাৰ ধৰ্ম্ম-কৰ্ম্ম কৰাৰ ফল লাভ হব।]

[ ২৪৪ ]

পিয়্ পিয়্ ভাই ভাৱকসকল
হৰি নাম ৰস সাৰ।
আক পায়া মহা মহন্তে কৰয়
মুকুতিকো পৰিহাৰ ॥

হে ভাবুক ভাইসকল, অন্য ভাবনা এৰি হৰি নাম-ৰস পান কৰা অৰ্থাৎ হৰি নাম লৈ নাম ৰসৰপৰা জন্ম প্ৰেম-ৰসৰ আস্বাদ লোৱা। মহা মহা সাধুসকলে এই ভক্তি-ৰস পাই মুক্তিকো কামনা নকৰে। [নাম ললে অন্তৰত যি ভক্তিৰস জন্মে, সেই প্ৰেমত সাধুসকলে ইমান মুগ্ধ হয়, যে অন্য কামনাতো তেওঁলোকৰ অন্তৰত নাথাকেই, আনকি মুক্তি কামনাও তেওঁলোকৰ হিয়াত উদয় নহয়।]

[ ২৪৫ ]

শুনিয়ো সজ্জন ভজা নাৰায়ণ
এৰিয়া বিষয় ৰাগ।

হৰি সুস্মৰে আনক আচৰে
সেহিসে যমৰ ভাগ ॥

ৰাগ—আসক্তি।

হে সাধুজন শুনা, বিষয়ৰ মোহ বা ৰাগী এৰি অৰ্থাৎ বিষয় সুখৰ কামনা ত্যাগ কৰি নিষ্কাম ভাবে ভগৱানক উপাসনা কৰা। যি মানুহে ভগৱানক চিন্তা নকৰি ফল কামনা কৰি অন্য দেৱ-দেৱীক উপাসা কৰে, সেইলোক যমৰ ভাগৰ অৰ্থাৎ সেইলোক সকাম কৰ্ম্ম কৰাৰ ফলত সংসাৰ বন্ধনৰ হাত সাৰিব নোৱাৰে, পুনঃ পুনঃ জন্মে আৰু পুনঃ পুনঃ মৰে, মুক্তি নাপায়।

[ ২৪৬ ]

গোপাল গোবিন্দ মুকুন্দ শ্ৰীৰাম
জয় সনাতন হৰি।
নিগম নিগূঢ় শ্ৰীহৰিৰ নাম
লৈয়োক যতন কৰি ॥

নিগম—বেদাদি শাস্ত্ৰ।

গোপাল, গোবিন্দ, মুকুন্দ, শ্ৰীৰাম, সনাতন হৰি আদি ভগৱানৰ নামৰ জয় হওক অৰ্থাৎ এই নামবোৰ জীৱে লৈ জীৱৰ মঙ্গল সাধন কৰক। (কিয়নো) এই নামবোৰ ঈশ্বৰৰ তত্ত্ব থকা বেদ-ভাগৱত আদি শাস্ত্ৰৰ সাৰ-মৰ্ম্ম অৰ্থাৎ ঈশ্বৰৰ এই নামবোৰ একান্তমনে ললেই সকলো সিদ্ধি হয় বুলি বেদাদি শাস্ত্ৰত উল্লেখ কৰিছে।

[ ২৪৭ ]

কৰা কোন কাম বোলা ৰাম ৰাম
তেজিয়ো মুখে আলাস ।
ভকতৰ সঙ্গে হৰি গুণ গাই
বৈকুণ্ঠে কৰিয়ো বাস ॥

অন্য কামনা এৰা ভগৱানৰ নাম লোৱা ; এলাহ এৰি ৰাম ৰাম মুখেৰে উচ্চাৰণ কৰা। ভকতৰ লগ লাগি বা সাধু-সঙ্গ হৈ হৰিনাম শ্ৰৱণ-কীৰ্ত্তন কৰি বৈকুণ্ঠবাসী হোৱা মুক্তি লাভ কৰা।

[ ২৪৮ ]

আন ধৰ্ম্ম যত হৰিৰ নামৰ
ৰেণুকো নোহে সমান ।
হেন হৰিনাম অমৃত সাগৰে
সন্তোষে কৰিয়ো পান ॥

অন্য দেৱ-দেৱীৰ পূজা-সেৱাৰ লগত হৰিৰ নাম-কীৰ্ত্তনৰ তুলনা নহয়, অৰ্থাৎ হৰিৰ নাম-কীৰ্ত্তন ধৰ্ম্ম সকলো ধৰ্ম্মতকৈ শ্ৰেষ্ঠ ; এনে সৰ্ব্বশ্ৰেষ্ঠ হৰিনাম একান্তমনে লৈ পৰম আনন্দে নামৰূপ অমৃত সাগৰত পৰি তাক পান কৰা অৰ্থাৎ শ্ৰদ্ধাৰেসৈতে সদায় নাম লৈ সন্তোষ লাভ কৰা।

[ ২৪৯ ]

হৰিৰ আশ্ৰয় জানিবা নিশ্চয়
সুখৰ মূল কাৰণ।
হৰিত বিমুখ দুখৰ কাৰণ
জানিবা নিষ্ট বচন ॥

ভগৱানক আশ্ৰয় কৰিলে সুখ জন্মে, তেওঁক এৰিলে সকলো প্ৰকাৰে দুখে আহি লগ ধৰে। ৰোগ, শোক, তাপ আদিয়ে সংসাৰী লোকক দুখ দিয়ে; তদুপৰি মুক্তি লাভেই হৈছে জীৱৰ আচল সুখ। ৰোগ, শোক, তাপত ধৈৰ্য্য ধৰি মনত সন্তোষ ৰাখিবলৈ আৰু মুক্তি লাভ কৰি প্ৰকৃত সুখ লাভ কৰিবলৈ ভগৱানৰ বাহিৰে আৰু জীৱৰ আশ্ৰয় স্থল নাই। যি মানুহে ঈশ্বৰলৈ পিঠি দিয়ে, তেওঁত শৰণ নলয়, সি সংসাৰত থকা কালডোখৰত শান্তি নাপায়, আৰু মৃত্যুৰ পাচতো মুক্তি লাভ কৰিব নোৱাৰে, পুনঃ পুনঃ সংসাৰত জন্মি নানা যাতনা ভোগ কৰে।

[ ২৫০ ]

বিধিৰ কিঙ্কৰ যতেক সাধন
তাক পাশ কৰি থৈয়ো।
বিধিৰ ঈশ্বৰ হৰি গুণ নাম
তাহাতে শৰণ লৈয়ো ॥

যিবোৰ ধৰ্ম্ম সম্বন্ধীয় ক্ৰিয়াকাণ্ড নিৰ্দ্দিষ্ট বিধি মানি কৰিব লাগে, সেইবোৰ আচৰণ কৰাৰ তোমাৰ আৱশ্যক নাই; কিয়নো নিৰ্দ্দিষ্ট বিধি মানি কৰিব নোৱাৰিলে সেইবোৰে শুভফল নিদিয়ে। হৰি গুণ-নাম বিধিৰ ওপৰত অৰ্থাৎ হৰিনাম লবলৈ কোনো বিধি বিধান মানি চলিব নালাগে; এনে সহজে সকলোৱে লবপাৰা হৰিনাম লবলৈ তুমি অভ্যাস কৰা।

[ ২৫১ ]

মুকুতসকলে গাৱে ৰামনাম
ৰসত অধিক জানি।
মৃত্যুৰ মুখত পৰি ৰাম নাম
নলৈবেক কোন প্ৰাণী॥

যিসকল জীৱন্মুক্ত সংসাৰ বিৰাগী, যাৰ ধৰ্ম্ম সম্বন্ধীয় কোনো কৰ্ম্ম কৰাৰ আৱশ্যক নাই, সেই সকলেও ভগৱানৰ নামত ৰস পাই তেওঁৰ নাম লয়, এনে অৱস্থাত বিবিলাক আকৌ মৃত্যুৰ মুখত পৰি আছে (কেতিয়া মৰে ঠিক নাই) বিষয়ীলোকসকলে যদি ৰাম নামৰ মোল বুজে, তেন্তে তাক নোলোৱাকৈ তেওঁলোকৰ কোন থাকিব পাৰে?

[ ২৫২ ]

ৰামনাম বিনা মৃত্যু এৰাইবাৰ
আৰৰ উপায় নাই।

মৃত্যু তৰিবাৰ ইচ্ছা আছে যাৰ
ফুৰা ৰামনাম গাই ॥

মুক্তি কেৱল ভগৱানে দিয়ে; সেয়ে ভগৱানৰ নাম বাহিৰে মুক্তি পোৱা আৰু উপায় নাই; (এতেকে) যাৰ মুক্তি লাভ কৰিবৰ ইচ্ছা আছে, সেইসকলে একান্তমনে ৰামনাম গাই ফুৰা।

ন শাস্ত্রেণাপি গুৰুণা দৃশ্যতে পৰমেশ্বৰঃ।
দৃশ্যতে চাত্মনৈবাত্মা স্বয়া সত্ত্বস্থয়া ধিয়া ॥২৫৩

[ ২৫৩ ]

শাস্ত্র গুৰু উপ- দেশে শিষ্যসবে
ঈশ্বৰক নেদেখয়।
বুদ্ধিক সত্ত্বস্থ কৰিয়া আপোন
আত্মাক দেখে নিশ্চয় ॥

সত্ত্বস্থ—স্থিৰ।

শাস্ত্র পঢ়িলে আৰু গুৰুৰ উপদেশ ললে শিষ্যসকলে ঈশ্বৰৰ সাক্ষাৎ লাভ কৰিব নোৱাৰে। শাস্ত্র পঢ়ি আৰু সৎ গুৰুত শৰণ লৈ নিজৰ বুদ্ধিক স্থিৰ বা স্বাভাৱিক অৱস্থাত ৰাখিহে আত্মাৰূপী ভগৱানক নিশ্চয় দেখা পায়; নহলে শাস্ত্রেও ভগৱানক দেখাব নোৱাৰে আৰু গুৰুৱেও ভগৱানক দেখাব নোৱাৰে; নিজৰ বুদ্ধিয়েই হৈছে আচল, শাস্ত্র আৰু গুৰু সহায় মাত্র।

উপদেশ ক্রমো ধাম ব্যৱস্থা মাত্র পালনং।
জ্ঞানস্য কাৰণং শুদ্ধা শিষ্যপ্ৰজ্ঞৈৱ কেৱলং ॥২৫॥

[ ২৫৪ ]

শাস্ত্র গুৰু উপ- দেশ ক্রম ৰাম
ব্যৱস্থা মাত্ৰ পালন।
কেৱল শিষ্যৰ শুদ্ধ বুদ্ধি মাত্র
জ্ঞানৰ হোৱে কাৰণ॥

শাস্ত্র আৰু গুৰুৰ উপদেশ অনুসাৰে ব্যৱস্থা পালন কৰা হয় মাত্র; অৰ্থাৎ এটা প্ৰণালীবদ্ধ ভাৱে উলমূল নোহোৱাকৈ সাধন পথত অগ্ৰসৰ হোৱা যায়; আচলতে কিন্তু শিষ্যৰ নিজৰ শুদ্ধ বুদ্ধিয়েই তত্ত্ব-জ্ঞানৰ কাৰণ অৰ্থাৎ শিষ্য বুদ্ধি শুদ্ধ হলেহে তত্ত্বজ্ঞান লাভ কৰিব পাৰে; শাস্ত্র আৰু গুৰুৱে তাত মাত্র সহায় কৰে।

[ ২৫৫ ]

গুৰুৰ উপদেশ লব্ধ শিষ্যসবে
উপদেশ সাৰ ধৰা।
যেৱে ঈশ্বৰক পাইবা যত্ন কৰি
বুদ্ধিক সত্ত্বস্থ কৰা॥

( এতেকে ) গুৰুৰপৰা ঈশ্বৰৰ শৰণ-ভোজন বিষয়ে শিক্ষা পোৱা শিষ্যসকলে এই সাৰ উপদেশ লোৱা—যদি ঈশ্বৰ দৰ্শন কৰিবলৈ বা

তেওঁক উপলব্ধি কৰিবলৈ তোমালোকৰ ইচ্ছা আছে, তেন্তে যত্ন কৰি নিজ বুদ্ধি সত্ত্বস্থ অৰ্থাৎ ধৰ্ম্ম, সত্য, দয়া আদি সাত্বিক ভাবাপন্ন কৰা।

[ ২৫৬ ]

শাস্ত্ৰ গুৰুসবে শিষ্যক কৃপায়ে
শুদ্ধ উপদেশ দিব।
শিষ্যসবে শুদ্ধ- ভাৱে নাচৰিলে
তাৰাসবে কি কৰিব ॥

শাস্ত্ৰত সৎ উপদেশ আছে, পঢ়িলব পাৰে; গুৰুৱেও অনুগ্ৰহ কৰি শিষ্যক ভাল উপদেশ দিব পাৰে, কিন্তু শিষ্যসকলে শুদ্ধভাৱে, শাস্ত্ৰ আৰু গুৰুৰ সেই উপদেশ গ্ৰহণ নকৰিলে শাস্ত্ৰ আৰু গুৰুৱে তেওঁলোকৰ কি হিত সাধিব?

[ ২৫৭ ]

শিষ্যসবে যেৱে মহা শুদ্ধভাৱে
উপদেশ আচৰয়।
শাস্ত্ৰ গুৰু আপো- নাকো সিটো শিষ্য
তিনিকো ৰক্ষা কৰয় ॥

শিষ্যসকলে যদি শ্ৰদ্ধাবৈসেতে শাস্ত্ৰ আৰু গুৰুৰ উপদেশ গ্ৰহণ কৰি সেইমতে কায়মনোবাক্যে চলে, তেনেহলে সেই শিষ্যসকলে শাস্ত্ৰ আৰু গুৰুৰ মান ৰক্ষা কৰা হয়, আৰু নিজকো বিষয় বাসনাৰপৰা মুক্ত কৰা হয়।

[ ২৫৮ ]

হৃদয় স্তম্ভত কৃষ্ণ চৰণক
প্ৰেম-জৰী দিয়া ছান্দা।
পৰম সুদৃঢ় ৰাম কৃষ্ণ নাম
কৱচ গলত বান্ধা॥

স্তম্ভ—খুটা।
ছান্দা—বান্ধা।
সুদৃঢ়—কঠিন, একোৱে অনিষ্ট কৰিব নোৱাৰা।
কৱচ—মন্ত্ৰপূত সূতাৰ মাদুলী।

হে ভাই, জৰীৰে কেনে জন্তু খুটাত বান্ধি থোৱাৰদৰে ভগৱানক ভক্তি কৰি ভক্তি-ৰূপ জৰীৰে নিজৰ হৃদয়ত তেওঁক বান্ধি থোৱা অৰ্থাৎ নিজৰ হিয়াত সদায় তেওঁক উপলব্ধি কৰা; আৰু কৱচ ডিঙিত পিন্ধাৰদৰে ভগৱানৰ 'ৰাম, কৃষ্ণ আদি নাম সদায় একান্তমনে উচ্চাৰণ কৰা।

[ ২৫৯ ]

ৰাম কৃষ্ণ নাম অভেদ্য কৱচ
সদায় যিটো পিন্ধয়।
তিনি গুণ বৃত্তি অস্ত্ৰৰ প্ৰহাৰে
তাক আৰু নিবিন্ধয়॥

কৱচ—শৰীৰ আচ্ছাদনকাৰী পোছাক।

যিলোকে ৰাম-কৃষ্ণ নামৰূপ একোৱে অনিষ্ট কৰিব নোৱাৰা কৱচ সদায় পিন্ধে অৰ্থাৎ সদায় ৰাম-কৃষ্ণ নাম লয়, তেওঁক সত্ত্ব, ৰজ, তম তিনি গুণে পীড়িব নোৱাৰে। অভেদ্য কৱচ পিন্ধিলে যিদৰে অস্ত্ৰৰ আঘাত গাত নালাগে, সেইদৰে ৰাম-কৃষ্ণ নাম ললে সংসাৰিক পীড়া কৰা উক্ত তিনিগুণে লোকৰ অধীৰ কৰিব নোৱাৰে।

[ ২৬০ ]

হিৰণ্যকশিপু প্ৰহ্লাদপুত্ৰক
নানান দুৰ্গতি দিল।
হৰিনাম মহা কৱচ প্ৰভাৱে
তান নোম নলৰিল॥

( হিৰণ্যকশিপু নামে দৈত্য ৰজাই হাক দিয়া স্বত্বেও তেওঁৰ পুত্ৰ প্ৰহ্লাদে যেতিয়া হৰি-নাম লবলৈ এৰা নাছিল, সেই সময়ত ) তেওঁ পুত্ৰ প্ৰহ্লাদক নানা দুৰ্গতি দিয়ে : কিন্তু প্ৰহ্লাদে হৰি নামৰূপ অভেদ্য কৱচৰ সহায় লোৱাত সিমান শাস্তিতো তেওঁৰ শৰীৰত কোনো ৰকমৰ আঘাত লগা নাছিল। [প্ৰহ্লাদে একান্তমনে হৰি-নাম লৈ আছিল ; বাপেকে নানা শাস্তি দিয়াতো তেওঁৰ গাত কোনো শাৰীৰিক দুখ লগা নাছিল।]

[ ২৬১ ]

একান্ত শৰণে যিটো নাম লবে
ফুৰা তাঙ্ক হৰি ৰাখি।

ইহাতে যদ্যপি সঞ্জাত নযোৱা
লোৱা প্ৰহ্লাদত সাক্ষী ॥

যি লোকে একমনে হৰিকে আশ্ৰয় কৰি মুখত তেওঁৰ নাম লয় আৰু অন্তৰতো তেওঁৰ ধ্যান ধাৰণাকে কৰে, ভগৱানে সেই-লোকক সকলো সঙ্কট আপদত ৰক্ষা কৰি ফুৰে। (শাস্ত্ৰৰ) এই কথাত যদি তুমি পতিয়ন নোযোৱা তেন্তে প্ৰহ্লাদতে তাৰ প্ৰমাণ লোৱা ; অৰ্থাৎ পৰম ভক্ত প্ৰহ্লাদে একান্তমনে ভগৱানক আৰাধনা কৰাৰ ফল কিদৰে হৰি-বৈৰী পিতৃৰ সকলো প্ৰকাৰৰ অত্যাচাৰ অনায়াসে সহ্য কৰিছিল, সেই কথালৈ মন কৰা।

[ ২৬২ ]

জ্ঞানে বা অজ্ঞানে মাধৱৰ নাম
যিজনে ফুৰে সুমৰি।
তাক মোৰ বুলি হাতে চক্ৰ ধৰি
ৰাখিয়া ফুৰন্ত হৰি ॥

পৰমেশ্বৰৰ তত্বজ্ঞান পায়েই হওক বা নোপোৱাকৈয়ে হওক, যিবিলাকে তেওঁক সদায় স্মৰণ কৰি ফুৰে অৰ্থাৎ ভগৱানক সততে মনত ৰাখি চলে, ভগৱানে সেই মানুহক আপোনজন বুলি ভাবি তেওঁৰ চক্ৰেৰে সততে ৰক্ষা কৰে। [ হৰিনাম একান্তে লোৱাৰ ফলত মানুহক বিপদে-আপদে পীড়িব নোৱাৰে।]

তং বীক্ষ্য পীড়িতমজঃ সহসাবতীর্য্য
সগ্রাহমাশু সৰসঃ কৃপয়োজ্জহাৰ।
গ্ৰাহাদ্বিপাটিতং মুখাদৰিণা গজেন্দ্ৰং
সম্পশ্যতাং হৰিৰমুমুচদুচ্ছ্ৰিয়ানাং ॥২৬৩

[ ২৬৩ ]

গ্ৰাহগ্ৰস্ত হুয়া গজেন্দ্ৰে শৰণ
লৈলা ত্ৰাহি হৰি বুলি।
তাহাঙ্ক তেখনে ৰাখিলন্ত আসি
হাতে ধৰি চক্ৰ তুলি ॥

গজেন্দ্ৰে সৰোবৰত পানী খাওঁতে গ্ৰাহৰ হাতত পৰি এৰাব নোৱাৰি "হে হৰি মোক উদ্ধাৰ কৰা" বুলি ভগৱানত আশ্ৰয় লয়; ভগৱানে আতুৰত পৰা গজেন্দ্ৰৰ কাকুতিত তুষ্ট হৈ হাতত চক্ৰ লৈ (চক্ৰেৰে গ্ৰাহৰ মুখ ফালি) গ্ৰাহৰ হাতৰপৰা গজেন্দ্ৰক ৰক্ষা কৰে।

সংসাৰ কূপে পতিতং বিষয়ৈর্মুষিতেক্ষণং।
গ্ৰস্তং কালাহিনাত্মানং কোহন্যস্ত্ৰাতুমীশ্বৰঃ॥
প্ৰসীদ পৰমানন্দ প্ৰসীদ পৰমেশ্বৰ।
আধিব্যাধি ভুজঙ্গেন দষ্টং মামুদ্ধৰ প্ৰভো ॥২৬৪

[ ২৬৪ ]

কাল গ্ৰাহে ধৰি সবাকো গিলয়
চেতন নাহিকে মনে।

আহি হৰি বুলি পশিয়ো শৰণ
অভয় হৰি চৰণে ॥

গজেন্দ্ৰক গ্ৰাহে ধৰাৰদৰে কালে সকলোকে মনে মনে গ্ৰাস কৰে অৰ্থাৎ গম নোপোৱাকৈ আয়ু টুটি আহি সকলোৰে মৃত্যু ওচৰ চপাই দিছে; কিন্তু কাৰো হলে তত চপা নাই অৰ্থাৎ মৰণ ওচৰ চাপিছে বুলি কেয়ে গম পোৱা নাই, এতেকে বিলম্ব নকৰি "হে হৰি মোক ৰক্ষা কৰা.' বুলি ভগৱানৰ অভয় চৰণত আশ্ৰয় লোৱা অৰ্থাৎ কাতৰভাৱে ভগৱানক ভজা; তেতিয়াহলে তেওঁ মৃত্যুৰ হাতৰপৰা তোমাক উদ্ধাৰ কৰিব।

[ ২৬৫ ]

ভৃত্য ভয়হাৰী অপৰ দেৱতা
নাহি হৰি সমসৰ।
প্ৰপন্ন জনৰ জানিবাহা হৰি
বজ্ৰৰ যেন পঞ্জৰ ॥

প্ৰপন্ন—শৰণাগত, আশ্ৰিত।

পঞ্জৰ—পিজৰা, বাহা, কঙ্কাল, বা জকা।

বজ্ৰ—ইন্দ্ৰৰ কুলিশ, বিষ্ণুৰ চক্ৰ, শিৱৰ ত্ৰিশূল, বৰ কঠিন অৰ্থতো বজ্ৰ শব্দ ব্যৱহাৰ হয়।

ঈশ্বৰৰ বাহিৰে আশ্ৰিতক অভয় দিওঁতা আন কোনো দেৱতা নাই, ভগৱান আশ্ৰিতজনৰ বজ্ৰৰ পিজৰাৰদৰে অৰ্থাৎ ইন্দ্ৰৰ বজ্ৰেৰে

তৈয়াৰ হোৱা, বাহাত থকা জন্তুৰ ৰক্ষক যেনে সেই দুৰ্ভেদ্য পিজৰাটো, সেইদৰে ভগৱানত একান্তমনে শৰণ লোৱা লোকৰ পক্ষেও ভগৱান তেনে বজ্ৰৰ পিজৰাৰদৰে [ ভগৱানত আশ্ৰয় লোৱাজনৰ কালৈকেও ভয় নাথাকে। ]

[ ২৬৬ ]

**হৰিৰ সেৱাত নাহিকে প্ৰয়াস**
**জানিবা নিশ্চয় কৰি।**
**নাম মাত্ৰ লৈলে হোৱন্ত সন্তুষ্ট**
**কিনো কৃপাময় হৰি ॥**

ভগৱন্তক ভজিবলৈ কোনো প্ৰকাৰ শাৰীৰিক দুখ-কষ্ট সহিব নালাগে, ইয়াক নিশ্চয়কৈ জানিবা। একান্তমনে তেওঁৰ নাম উচ্চাৰণ কৰিলে ভগৱান সন্তুষ্ট হয়, ঈশ্বৰ এনে দয়াময়।

[ ২৬৭ ]

**শুনিয়ো চতুৰ মহন্তসকল**
**ফুৰা হৰি গুণ গাই।**
**দুৰ্ঘোৰ কলিত হৰিনাম বিনে**
**আন মতে গতি নাই ॥**

ঘোৰ—দাৰুণ, ভয়লগা।

( সেই কাৰণে ) হে বুদ্ধিমান সাধুসকল, শুনা, তোমালোকে সদায় হৰিৰ নাম, গুণ, কীৰ্ত্তন কৰা; ( কিয়নো ) এই পাপ-তাপে

ভৰা ভয়লগা কলিকালত হৰিনাম লোৱাৰ বাহিৰে ধৰ্ম্মৰ অন্যান্য পন্থাৰে মুক্তি লাভ কৰিব নোৱাৰি। [হৰিনাম শ্ৰৱণ-কীৰ্ত্তনেই কলিকালৰ মুক্তি লাভৰ একমাত্ৰ উপায়।]

[ ২৬৮ ]

**ঘোৰ কলিযুগে যত ধৰ্ম্ম কৰ্ম্ম**
**সবে কৰিলেক দূৰ।**
**যিজনে কেৱল হৰিনাম লবে**
**পুৰুষ সিটো চতুৰ॥**

মিছা, প্ৰৱঞ্চনা, কাম ক্ৰোধ আদিয়ে পূৰ্ণ ভয়লগা কালকালত তপ, জপ, যাগ, যজ্ঞ আদি যত ৰকমৰ ধৰ্ম্ম-কৰ্ম্ম আছে, সকলোবোৰ বিফল অৰ্থাৎ সেইবোৰ নিয়মমতে আচৰণ কৰিব নোৱাৰি বাবে তাৰ কোনো এটাইও আজি-কালি শুভ ফল দিব নোৱাৰে। কলিকালৰ নিমিত্তে হৰিনামেই উপযোগী; কিয়নো তাক লবলৈ কোনো ধৰা বন্ধা নিয়ম নহলেও হয়। সেই কাৰণে যি মানুহে আন ধৰ্ম্ম-কৰ্ম্ম এৰি একান্তমনে কেৱল হৰিনামকে লয়, তেৱেঁই বুধিয়ক।

[ ২৬৯ ]

**বিষয় সম্বন্ধ ইন্দ্ৰিয়ৰ সুখ**
**সমস্ত যোনিত পায়।**
**পৰম দুৰ্ল্লভ হৰিৰ ভকতি**
**মনুষ্যত্ত পৰে নাই॥**

সমস্ত যোনিত পায়—গৰু, মহ, কুকুৰ, চৰাই, আদি সমস্ত জন্মতে ভোগ কৰিব পায়।

[ পশু, পক্ষী, কীট, পতঙ্গ আদি বস্তুত জন্মৰ মূৰত জীৱে নৰতনু লাভ কৰে। মানুহৰ বিবেচনা শক্তি আছে, দয়া, ক্ষমা আদি কোমল বৃত্তিবোৰ আছে, অন্যান্য জীৱৰ সেইবোৰ নাই; কিন্তু ভাৰ্য্যা-পুত্ৰ আদিৰ সম্বন্ধ আৰু চৰ্ব্ব্য, চৌষ্য, লেহ্য, পেয়, ঘ্ৰাণ, স্পৰ্শ আদি ইন্দ্ৰিয়ৰ সুখ সকলো জীৱৰে আছে।

মানুহৰ অন্তৰত দয়া, ধৰ্ম্ম, ভক্তি আদি কোমল বৃত্তিবোৰ আৰু বিবেচনা শক্তি থকা বাবে মানুহে ভগৱানক ভজিব পাৰে, অন্যান্য জীৱে নোৱাৰে।

সকলো জন্মতে ইন্দ্ৰিয় সুখ পাব পাৰি; কিন্তু অসংখ্য জন্মৰ পাচত বৰ কষ্ট কৰি লাভ কৰা মানৱ জন্মতহে ভগৱানৰ ভক্তি পাব পাৰি; অন্যান্য জন্মত জীৱৰ ভক্তি লাভ নহয়।

[ ২৭০ ]

**মনুষ্য জনম লভিবাৰ ফল**
**হৰিৰ কীৰ্ত্তন মাত্ৰ।**
**হৰিৰ কীৰ্ত্তন কৰি মহাসুখে**
**হোৱে ভকতিৰ পাত্ৰ॥**

ভগৱানৰ নাম-গুণ কীৰ্ত্তন কৰিবৰ কাৰণেই জীৱৰ মানৱ জন্ম; অৰ্থাৎ অনেক জন্মৰ পাচত মানৱ জন্ম ধৰি ভগৱানক ভক্তি কৰি মুক্তি লভিবাৰ উদ্দেশ্যেই ঈশ্বৰে জীৱক শেষত নৰজন্ম দিছে।

সেই কাৰণে জনা লোকসকলে এই জন্মত ঈশ্বৰৰ নাম-গুণ-কীৰ্ত্তন কৰি মহাসুখে ভগৱানক ভক্তি কৰিব পৰা হয়, অৰ্থাৎ ভগৱানৰ নাম লৈ তেওঁৰ ৰসময় ভক্তিত মোহ গৈ তেওঁক ভক্তি কৰি থাকে।

[ ২৭১ ]

হৰি. গুণনাম শ্ৰৱণ কীৰ্ত্তনে
কৰয় চিত্ত নিৰ্ম্মল।
হৰিৰ চৰণে কেৱল ভকতি
লভিবাহা সুমঙ্গল॥

ভগৱানৰ নাম গুণ, শ্ৰৱণ-কীৰ্ত্তন কৰিলে মানুহৰ অন্তৰৰ বেয়া ভাৱবোৰ আঁতৰে, অন্তৰ বিশুদ্ধ হয়; আৰু কেৱল তেওঁৰ চৰণত ভক্তি কৰিলেই তাৰ ফলত সুমঙ্গল অৰ্থাৎ ধৰ্ম্ম, অৰ্থ; কাম, মোক্ষৰূপ চতুৰ্ব্বৰ্গ সাধন হয় বা জীৱে মুক্তি পায়।

[ ২৭২ ]

কালগ্ৰস্ত হুয়া ভৈলো অচেতন
বয়স গোৱাইলো হেলে।
বান্ধৱ কৃষ্ণৰ নাম নলৈলোহো
হৰি ভকতৰ মেলে॥

কালগ্ৰস্ত হুয়া—মৃত্যুৰ হাতত পৰি বা কলিকালৰ মোহত পৰি। কলিকালৰ লোভ, মোহ আদিৰ গৰাহত পৰি জ্ঞান হেৰুৱালোঁ; নিজক পাহৰিলোঁ; আৰু মিছাতে বিষয় সুখত মতলীয়া হৈ

এলাহত দিন কটালোঁ। মই মোহ এৰি হৰি ভক্তৰ সঙ্গ লৈ প্ৰিয়তম কৃষ্ণৰ নাম-গুণ নললোঁ।

[ ২৭৩ ]

তুমি নিত্য নিৰ- ঞ্জন নাৰায়ণ
আমিও অংশ তোমাৰ।
তথু সেৱা চোৰ পায়া মহামায়া
মুহিলে মন আমাৰ ॥

হে কৃষ্ণ, তুমি নিত্য অৰ্থাৎ সৃষ্টিৰ আদি কালৰপৰা সদায় আছা আৰু থাকিবা, তুমি নিৰ্ম্মল, মোৰ আত্মাও তোমাৰেই অংশ; (কিন্তু) তোমাক নভজাৰ কাৰণে মায়াই সুবিধা পাই মোৰ মন মুগ্ধ কৰি মোক বিষয়ত আবদ্ধ কৰি ৰাখিলে।

[ ২৭৪ ]

কিনো অপৰাধ কৰি আছো আমি
বান্ধৱ মাধৱ প্ৰাণ।
নাম ধৰি ডাকো হিয়াত থাকিয়া
কেনে নেদা সন্নিধান ॥

হে প্ৰাণ স্বৰূপ প্ৰিয়তম বন্ধু মাধৱ, মই তোমাৰ ওচৰত কি অপৰাধ কৰিছোঁ কব নোৱাৰোঁ; তোমাক নাম কাঢ়ি মই মাতি থাকোঁ, অথচ তুমি মোৰ অন্তৰত থাকিও উত্তৰ নিদিয়া।

# নিন্দা

[ ২৭৫ ]

মহন্তসবৰ কেৱল জীৱন
হৰিৰ নাম মঙ্গল।
হেন হৰিনাম নলৈয়া কলিত
কৰিলা জন্ম বিফল॥

ভগৱন্তৰ মঙ্গলময় নামেই সাধুসকলৰ প্ৰাণস্বৰূপ অৰ্থাৎ সাধুসকলে ভগৱানৰ নাম নোলোৱাকৈ থাকিব নোৱাৰে। এনে মুক্তি-দাতা কলিকালৰ সহজ সাধ্য ভগৱানৰ নাম যি নলয় তাৰ জন্ম অসাৰ্থক কৰা হয় অৰ্থাৎ তেওঁ কলিকালত জন্ম ধৰাই তেওঁৰ মিছা।

[ ২৭৬ ]

হৰিৰ পৰম প্ৰিয়তম নাই
হৰি ভকতত পৰে।
হেন ভকতক যি জনে নিন্দয়
হৰিকেসে নিন্দা কৰে॥

ভক্তে, ভগৱন্তৰ পৰম প্ৰিয়তম অৰ্থাৎ ভগৱানে ভক্তক যিমান ভাল পায় আন কাকো সিমান ভাল নাপায়, দুয়ো প্ৰায় একেই

বা ভক্ত ভগৱানৰে অভিন। এতেকে এনে ভক্তক যি নিন্দা কৰে সি ভগৱানকে নিন্দা কৰা হয়।

[ ২৭৭ ]

হৰি ভকতৰ দোষ নধৰয়
যম কাল আৰ কলি।
ইসব কথাক যিটো নমানয়
তিনিতো কৰিয়া বলী॥

যম, কাল আৰু কলিয়ে ভক্তৰ কোনো দোষ ধৰিব নোৱাৰে অৰ্থাৎ বিৰক্ত ভক্তসকলে বেদাদিৰ বহিৰ্ভূত হৈ চলিলেও সিবিলাকক কোনো দোষে স্পৰ্শ কৰিব নোৱাৰে—[ভক্তসকলে শাস্ত্ৰাদিৰ নিৰ্দ্দিষ্ট নিয়ম লঙ্ঘন কৰাৰ ফলত সেই দোষতে যমে, কালে বা কলিয়ে সুবিধা পাই ভক্তৰ মুক্তিৰ পথ ভেটিব নোৱাৰে।] এই কথা যি বিশ্বাস নকৰে সেইবিলাক মানুহ যম, কাল কলিতকৈও বেচি বলী অৰ্থাৎ কঠোৰ।

[ ২৭৮ ]

হৰি ভকতৰ ছিদ্ৰ নধৰয়
দুষ্ট শিৰোমণি কলি।
হেন ভকতৰ কিঞ্চিত ছিদ্ৰক
সজ্জনে থাকে আকলি॥

আকলি—দেখি।

মিছা, বেশ্যা, শঠতাত শ্ৰেষ্ঠ কলিকালে হৰি-ভক্তৰ দোষ ধৰিব নোৱাৰে অৰ্থাৎ কলিকালৰ পাপবোৰে হৰি-ভক্তক স্পৰ্শ কৰিব নোৱাৰে। এনে ভক্তই কোনো লৌকিক বা বেদাচাৰ লঙ্ঘন কৰিলে কিন্তু সজ্জন বা পণ্ডিত নাম ধাৰী সকলে তাক এৰি নিদিয়ে অৰ্থাৎ সেই বিষয় তেওঁলোকৰ বদনাম গাই ফুৰে।

[ ২৭৯ ]

হৰিৰ চৰণ সদা আৰাধন্ত
ব্ৰহ্মা হৰ পুৰন্দৰ।
হেন হৰি পদে শৰণ নলৱে
কিনো বুদ্ধিহীন নৰ॥

পুৰন্দৰ—ইন্দ্ৰ।

ব্ৰহ্মা, হৰ, ইন্দ্ৰ আদি ডাঙৰ ডাঙৰ দেৱতাসকলে ভগৱানক সদায় উপাসনা কৰে; কিন্তু মানুহ হৈ এনেহেন হৰিচৰণত আশ্ৰয় নলয়—কি বুদ্ধিহীন!

[ ২৮০ ]

মৃত্যুৰ মুখত সদায়ে পৰিয়া
আছয় যিসব নৰে।
সিটো নিদাৰুণ হৰি নাম গুণ
কীৰ্ত্তন কেনে নকৰে॥

নিদাৰুণ—নিৰ্দ্দয়, কঠোৰ, মৰম নথকা।

যিসকল মানুহে মৃত্যুৰ মুখত পৰি আছে, অৰ্থাৎ কেতিয়া মৰে ঠিক নাই, সেই নিদাৰুণ (অৰ্থাৎ নিজ আত্মাৰ প্ৰতি বা নিজলৈ মৰম নথকা) সকলে হৰিনাম-কীৰ্ত্তন কৰি আত্মাৰ সদ্গতি সাধিবলৈ কিয় যত্ন নকৰে।

[ ২৮১ ]

ভাৰত ভূমিত জনম লভিয়া
নভজে হৰি চৰণে।
সিটো জ্ঞানশূন্য পশুতো অধম
জনম লভিলে কেনে॥

যি এই ভাৰতবৰ্ষত নৰজন্ম ধৰি হৰিক নভজে সি জ্ঞানহীন পশুতকৈও অধম, কিম্বা সি এই পৃথিৱীত জন্ম ধৰিলে? [ পৃথিৱীত নৰজন্ম ধৰাৰ বা কি সাৰ্থক হল?]

[ ২৮২ ]

মুকুতি সুখক তেজি মহাজনে
সদা ৰামনাম ধৰে।
হেন ৰামনাম মুখত তেজিয়া
কুমতি মনুষ্যে মৰে॥

মৰে—পাপত ডুব যায়।

ৰামনাম এনে ৰসময় অৰ্থাৎ ৰামনাম একান্তমনে লৈ থাকিলে হৃদয়ত এনে আনন্দ লাগে, যে সন্ত-সাধুসকলে মুক্তি-সুখকো কামনা নকৰি নিষ্কাম ভাবে সদায় ৰামনামকো শ্ৰৱণ-কীৰ্ত্তন কৰে ; দুৰ্ম্মতি মানুহে এনে ৰসময় মধুৰ ৰামনামকো মুখত উচ্চাৰণ নকৰি অৰ্থাৎ একান্তমনে শ্ৰৱণ-কীৰ্ত্তন নকৰি পাপত ডুব যায়।

[ ২৮৩ ]

মুকুতি সুখক তেজি মহাজনে
ৰামনাম কৰে আশা।
হেন হৰিনাম নলৈয়া কেমনে
মৰে মলমতি নাশা॥

মলমতি—পাপমতি।

নাশা—নিজক নাশ কৰোঁতা, নিজৰ অমঙ্গল কৰোঁতা।

সাধুসকলে মুক্তি-সুখকো ত্যাগ কৰি কেৱল ঈশ্বৰৰ নাম লৈ থাকিবলৈ সেই নাম পাবলৈ ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰে, এনে মঙ্গলময় আৰু আনন্দদায়ক ভগৱানৰ নাম একান্তমনে নলৈ নিজৰ অহিত কৰোঁতা পাপমতি লোকে কিয় পাপত ডুব যায় অৰ্থাৎ সংসাৰ বন্ধনত আবদ্ধ হয়, কব নোৱাৰোঁ।

[ ২৮৪ ]

মুখ ভৰি ভৰি বোলা হৰি হৰি
অক্ষয় পুণ্যক সঞ্চা।

ৰাম নাভাবিয়া আন আচৰিয়া
কেনে আপোনাক বঞ্চা ॥

অক্ষয় পুণ্য—যি পুণ্যৰ ফলত জীৱে পৰজন্মত সুখৰ ঠাই পায় আৰু তাৰপৰা নামিব নালাগে, অৰ্থাৎ ক্ষয়হীন পুণ্য।

[ হৰিনাম লোৱা তাৰ পুণ্যৰ ফলত মৃত্যুৰ পাচত জীৱে যি স্থান পায় ( মুক্তি ) তাৰপৰা আৰু জীৱ ঘূৰি আহিব নালাগে ; সেই নিমিত্তে হৰিনাম লোৱা পুণ্য অক্ষয় পুণ্য ] হে ভাই, মুখেৰে আন কথা নকৈ মুখভৰি কেৱল হৰিনামকে লৈ অক্ষয় পুণ্য সঞ্চয় কৰা। ভগৱানক নাভাবি বিষয় চিন্তা কৰি বা অন্য দেৱ-দেৱীক উপাসা কৰি নিজক সেই অক্ষয় পুণ্যৰপৰা কিয় বঞ্চনা কৰা।

[ ২৮৫ ]

হৰি কীৰ্ত্তনৰ সময় যিজনে
থাকে আন কথা পাতি।
অন্তকালে নিয়া যমদূতে ধৰি
কৰে তাক উগ্ৰ শাস্তি ॥

ভগৱানৰ নাম-গুণ-কীৰ্ত্তন কৰা সময়ত যি মানুহে তালৈ পিঠি দি আন কথা পাতি ( বিষয় চৰ্চ্চা কৰি ) থাকে, মৃত্যুৰ পাচত সেই জীৱক যমদূতে কঠোৰ দণ্ড দিয়ে।

[ ২৮৬ ]

বেদৰ ৰহস্য হৰিৰ কীৰ্ত্তন
নুশুনিলে সাৱধানে।

যমৰ কিঙ্কৰে তপত শলাক
বাহৰে তাহাৰ কাণে ॥

বাহৰে—সুমাই দিয়ে।

বেদত যদিও ধৰ্ম্মৰ নানা-কথা আছে, তথাপি তাৰ সাৰ ভাগ হৈছে হৰিৰ নাম-গুণ-কীৰ্ত্তন। যি মানুহে এনে পৱিত্ৰ হৰিৰ নাম একান্তমনে শ্ৰৱণ-কীৰ্ত্তন নকৰে, সেই মানুহ মৰিলে যমদূতে সেই জীৱৰ কাণত তপত শলা সুমাই দিব।

মনুষ্য জন্ম সংপ্ৰাপ্য ন নাম গ্ৰহণং হৰেঃ।
কুৰ্য্যাৎ কদাপি চান্যেন হৃদৃশঃ স নৰাধমঃ ॥
ন তৎ কৰোতি সা মাতা ন পিতা নাপি বান্ধৱঃ।
যৎ কৰোতি হৃষীকেশঃ সন্তুষ্টঃ শ্ৰদ্ধয়াৰ্চ্চিতঃ ॥
(২৮১—২৮৯)

[ ২৮৭ ]

আনন্দ সমুদ্ৰ হৰিৰ কীৰ্ত্তন
যিটোজনে নেদে চিত্ত।
সিটো মূঢ়মতি হৰিৰ দুৰ্ল্লভ
প্ৰসাদে ভৈলা বঞ্চিত ॥

হৰিৰ নাম-কীৰ্ত্তন কৰিলে হৃদয়ত অপাৰ আনন্দ জন্মে। এনে আনন্দ জন্মা হৰিৰ কীৰ্ত্তনত যি মানুহে মন নলগায় সেই পাপমতিয়ে

হৰিৰ দুৰ্ল্লভ কৃপাৰপৰা বঞ্চিত হয়, অৰ্থাৎ যি হৰিৰ কৃপা বৰ কষ্ট কৰিহে লাভ কৰিব পৰা যায় তেনে অনুগ্ৰহৰপৰা বঞ্চিত হয়।

[ ২৮৮ ]

মুকুত সকলো হৰিৰ কীৰ্ত্তনে
কৰন্ত সদায়ে ৰতি।
হেন কীৰ্ত্তনত যিটো চিত্ত নেদে
যায় সিটো অধোগতি ॥

মুক্তাত্মাসকলে হৰি নাম-গুণ-কীৰ্ত্তনত সদায় ৰত থাকে; এনে আনন্দদায়ক নাম-কীৰ্ত্তনত যি মন নিদিয়ে সেইলোক অধোগতি যায় অৰ্থাৎ তাৰ মুক্তি লাভ নহয়।

[ ২৮৯ ]

কলিত জনম লভিয়া হৰিৰ
নামত নকৰে ৰতি।
সিটো মূঢ়মতি আন কেন মতে
সাধিবে আপোন গতি ॥

[ কলিকালৰ বিহিত ধৰ্ম্ম হৈছে নাম-ধৰ্ম্ম; তপ, জপ, যাগ, যজ্ঞ আদি অন্য যুগৰ ধৰ্ম্ম, এইবোৰ কলিকালৰ সাধ্য ধৰ্ম্ম নহয়। ] যি মানুহে কলিকালত উপজি হৰিনামত ৰতি নকৰে অৰ্থাৎ নাম

ভাল পাই লবলৈ অভ্যাস নকৰে, সেই অজ্ঞানলোকে আন আৰু কি উপায়ে নিজৰ হিত বা মুক্তি সাধন কৰিব ?

শব্দ ব্ৰহ্মণি নিষ্ণাতো ন নিষ্ণাতোহপৰে যদি ।
শ্ৰমস্তস্য শ্ৰমফলং হ্যধেনুমিব ৰক্ষতঃ ॥২৯০

[ ২৯০ ]

শব্দ ব্ৰহ্মৰ পাৰ ভৈল যিটো
কৃষ্ণত ভকতি নাই ।
তাৰ মাত্ৰ শ্ৰম শ্ৰমে মাত্ৰ ফল
যেন ৰাখে বাঞ্জী গাই ॥

শব্দৰূপ ব্ৰহ্ম তত্ত্ব লাভ কৰিও যি লোকে ভগৱানক ভক্তি নকৰে, তেওঁৰ ভগৱানক জনাৰ একো লাভ নহয়; বাঁজী গাইক পোহ-পাল দিয়া বৃথা শ্ৰমৰ দৰে তেওঁৰ ব্ৰহ্ম জানাও বৃথা শ্ৰম হয়—ফলৰ ভিতৰত কেৱল শ্ৰমহে। [ ঈশ্বৰ কি বস্তু তাক জানিলে নহয়, তেওঁক ভক্তি কৰিলেহে জনাৰ ফল। ]

বৰ্ণাশ্ৰমাচাৰবতা পুৰুষেন পৰঃ পুমান্ ।
বিষ্ণুৰাৰাধ্যতে পন্থা নান্যত্তত্তোষকাৰকঃ ॥
মাতৃবৎ পৰিৰক্ষন্তং সৃষ্টিসংহাৰকাৰকম্ ।
যো ন পূজয়তি বিষ্ণুং তং বিষ্কাদ্ ব্ৰহ্মঘাতকম্ ॥

মায়া মোহিত চিত্তেন পাপিষ্ঠাস্তে নৰাধমাঃ।
ত্যক্ত্বা কৃষ্ণস্য নামানি ভ্ৰমন্তি সৰ্ব্বযোনিযু ॥

(২১১—২১৭)

[ ২৯১ ]

ৰাজা প্ৰজা জানি- লেক ভক্তি পথ
শঙ্কৰৰ মত শুদ্ধ।
সিটো মত লাৰি আন আচৰয়
পৰম সিটো মুগুধ ॥

মুগুধ—মূঢ়।

শ্ৰীমন্ত শঙ্কৰে প্ৰচাৰ কৰা মতটো অৰ্থাৎ নাম-ধৰ্ম্মৰ ভক্তি পথটো সেই কালৰ ৰজা-প্ৰজা সকলোৱে নিৰ্ম্মল বুলি বুজিব পাৰিছিল আৰু গ্ৰহণ কৰিছিল। তেনে বিশুদ্ধ মত বদলাই যি আন ৰকমে চলে সেই লোক অতি মূৰ্খ।

[ ২৯২ ]

আপুনি পণ্ডিত নুহি মহন্তক
নোপাসিলে কদাচিত।
তথাপিতো গুৰু বোলাৱে কৃষ্ণৰ
মায়ায়ে হুয়া মোহিত ॥

এনে লোকো আছে, যি নিজে শাস্ত্ৰাদি পঢ়ি অভিজ্ঞতা লাভ কৰা নাই আৰু সন্ত সাধুৰ লগত থাকি সিসকলৰ উপদেশ

আৰু আহি লৈ চলি ঈশ্বৰৰ তত্ত্বজ্ঞানো লাভ কৰা নাই, তথাপি পৰমেশ্বৰৰ মায়াত মোহ গৈ অৰ্থাৎ ধন, জন, মান, যশৰ আশাত প্ৰলুব্ধ হৈ নিজক ধৰ্ম্মৰ উপদেষ্টা বুলি অহঙ্কাৰ কৰি ফুৰে।

[ ২৯৩ ]

নাজানে শাস্ত্ৰক শিষ্যৰ সংশয়
নপাৰে দূৰ কৰিত।
তাৰ উপদেশে আনো নতৰয়
আপোনে ভৈল বঞ্চিত ॥

এই গুৰু নামধাৰী লোকসকলে নিজে শাস্ত্ৰ নাজানে—শিষ্যৰ মনৰ সন্দেহো ভঞ্জন কৰি দিব নোৱাৰে। সেই কাৰণে এইসকলৰ উপদেশত তেওঁলোকৰ শিষ্যসকলে গতি লাভ কৰিব নোৱাৰে আৰু নিজেও অহঙ্কাৰৰ ফলত মুক্তি পথৰপৰা বঞ্চিত হয়; অৰ্থাৎ নিজে সাধুসঙ্গ লাভ কৰি যত্ন কৰি শাস্ত্ৰাদি পঢ়িলে আৰু উপদেশ ললে অন্ততঃ নিজৰ জন্ম সফল কৰিব পাৰিলেহেঁতেন, তেওঁলোক তাৰপৰাও বঞ্চিত হল।

[ ২৯৪ ]

শাস্ত্ৰমত এৰি যি কথা কহয়
কেৱল পাষণ্ড নয়।
আছোক কৃষ্ণক পাইবে কদাচিত
নুগুচে সংসাৰ-ভয় ॥

নয়—যুক্তি, ব্যাখ্যা।

ধৰ্ম্ম সম্বন্ধে শাস্ত্ৰৰ বিহিত মত এৰি যি কথা কোৱা যায়, তাক পাষণ্ড যুক্তি বা ব্যাখ্যা বুলিব পাৰি অৰ্থাৎ সি পৰমাৰ্থ মূলক কথায়েই নহয়, কেৱল স্বাৰ্থাসিদ্ধিৰ নিমিত্তে কোৱা বিষয়ৰ কথাহে; এইবোৰেৰে মানুহে ভগৱানক পাব দূৰত থাওক, সংসাৰ ভয় অৰ্থাৎ ৰোগ, শোক, জৰা, ব্যাধিৰ চিন্তা আদিয়েই মানুহৰ দূৰ নহয়।

[ ২৯৫ ]

অন্ন যোনি কিছু নকৰে বিচাৰ
জাতি কুল ভৈল ভ্ৰষ্ট।
বৈষ্ণৱৰ বেশ ধৰিয়া ফুৰয়
বেদ পথ কৰি নষ্ট॥

শাস্ত্ৰ নজনা, সাধুসঙ্গ লাভ নকৰা আৰু গুৰু বেলাই ফুৰা কিছুমান লোকে মুখত সৰ্ব্বজীৱত সমভাৱ দেখুৱা ভাও জুৰি আত্মতুষ্টিৰ নিমিত্তে য'তে ত'তে খাই ফুৰে; আৰু ইন্দ্ৰিয় সুখৰ নিমিত্তে পৰ-দাৰগমন ৰূপ মহাপাপ আচৰণ কৰে। এইদৰে এইসকল লোকে চলাত বহুতৰ জাতি-কুল ভ্ৰষ্ট হল অৰ্থাৎ সমাজত ব্যভিচাৰ চলিল। এই মানুহবিলাকে কেৱল বৈষ্ণৱৰ ভেশ লৈ বেদ-বিহিত নিয়ম লঙ্ঘন কৰি ফুৰে।

[ ২৯৬ ]

হৰি হৰি হৰি কিনো ভৈল ইটো
কৃষ্ণৰ মায়াৰ বল।

হৰি ভকতিৰ পথত কপট
পাতিলেক অমঙ্গল ॥

বল—প্ৰভাৱ।

হৰি হৰি কি বল? কৃষ্ণৰ মায়াৰ কি প্ৰভাৱ? ভগৱানৰ মায়াৰ প্ৰভাৱ তই তেওঁৰ ভক্তিৰ পথত ওপৰত কোৱা এই কপটৰূপ বিঘিনি স্থাপন কৰিলে।

[ ২৯৭ ]

শাস্ত্ৰৰ বিচাৰ নজানে ভকতি
পৰমাৰ্থ অতি মূঢ়।
হৰি কথা ছলে কৰ্ণত কুমন্ত্ৰ
কহয় কৰিয়া গূঢ় ॥

ওপৰত কোৱা গুৰু নামধাৰী লোকসকলে শাস্ত্ৰৰ তত্ত্ব নাজানে, ঈশ্বৰক ভক্তি কেনেকৈ কৰিব লাগে তাক নাজানে, ধৰ্মৰ গূঢ় তত্ত্ব কি তাকো নাজানে; তেওঁলোকে ঈশ্বৰৰ কথা কওঁ বুলি ছল কৰি অতি গুপুতভাৱে কাণৰ ওপৰত বেয়া কথাহে শিক্ষা দিয়ে।

য এনং পুৰুষং সাক্ষাদাত্ম প্ৰভৱমীশ্বৰং।
ন ভজন্ত্যৱজানন্তি স্থানভ্ৰষ্টাঃ পতন্ত্যধঃ ॥

২৯৮ ]

চাৰিও জাতিৰ নিজ পিতৃ কৃষ্ণ
জানিয়া যিটো নভজে।

এহি পাপে নিজ ধৰ্ম্ম ভ্ৰষ্ট হুয়া
ঘোৰ নৰকত মাজে ॥

ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ এই চাৰিও জাতিৰ অৰ্থাৎ সকলো মানুহৰ ঈশ্বৰ পিতৃৰূপ ; যি মানুহে এই ঈশ্বৰৰ তত্ত্ব লৈ তেওঁক' ভক্তি নকৰে, তেওঁ ঈশ্বৰক নভজাৰ ফলত ধৰ্ম্মৰ পৰা পিছলি পৰি অৰ্থাৎ অনাচাৰী হৈ পাপত ডুব যায়—পাপ কাম নকৰি থাকিব নোৱাৰা হয়।

অপুনৰ্জ্জন্মনি জন্ম ভাৰতে লভতে নৰঃ।
যস্তৎ কৰোতি বিফলং স শোচ্যঃ সৰ্ব্বজন্তুষু ॥

[ ২৯৯ ]

হৰিৰ চৰণে নভজে নকৰে
আপোন দুঃখ খণ্ডিত ॥
পৰমাৰ্থ তত্ত্ব বিচাৰি কৰিয়ো
কেমনে সিটো পণ্ডিত ॥

যি মানুহে ভগৱানৰ ওচৰত আশ্ৰয় নলয় আৰু তাকে কৰি সংসাৰৰ দুখ খণ্ডন নকৰে অৰ্থাৎ মুক্তিলাভ নকৰে, সেই লোক পণ্ডিত হলেও আচলতে তেওঁক জ্ঞানী লোক কেনেকৈ বুলিব পাৰি ? অৰ্থাৎ শাস্ত্ৰাদি পঢ়ি সকলো জানি ভগৱানক ভক্তি কৰি যদি মুক্তিকে লাভ কৰিব নোৱাৰে, তেন্তে তেওঁ জ্ঞানলাভ কৰাৰ ফল কি হল ?

[ ৩০০ ]

আপোনাৰ জন্ম ভাৰত ভূমিত
সভিলেক যিটো নৰ।
হৰিক নভজি কৰিল বিফল
সিটো শোচ্য সমস্তৰ ॥

শোচ্য—( শৌচ-শুদ্ধি, পৱিত্ৰতা ) পৱিত্ৰ কৰিবলগীয়া, শোচনীয়।

যি বহুত জন্মৰ কৰ্ম্মৰ ফলত এই পৃথিৱীত মানুহ হৈ জন্মিল, সি যদি হৰিক ভজি মনুষ্য জন্ম লাভৰ উদ্দেশ্য মুক্তি সাধনকে নকৰি তাক অথলে খেদায়, তেন্তে সেই লোক সকলো জীৱৰে পৱিত্ৰ কৰিবলগীয়া অৰ্থাৎ সি আটাইতকৈ শোচনীয় বা ঘৃণনীয়।

তানানয়ধ্বমসতো বিমুখান্মুকুন্দ-
পাদাৰবিন্দ মকৰন্দ ৰসাদজস্ৰং।
নিষ্কিঞ্চনৈঃ পৰমহংসকুলৈ ৰসজ্ঞৈ-
ৰ্জুষ্টাদগৃহে নিৰয়বৰ্ত্মনি বদ্ধতৃষ্ণান্ ॥
( ৩০১—৩০২ )

[ ৩০১ ]

হৰিৰ চৰণ নভজি কেৱলে
পোষে পুত্ৰ-ভাৰ্য্যা মাত্ৰ।

যম ৰাজা বুলি- লন্ত সেহি জন
যম যাতনাৰ পাত্ৰ ॥

যি মানুহে ঈশ্বৰত শৰণ লৈ তেওঁক চিন্তা নকৰি কেৱল ভাৰ্য্যা-পুত্ৰক পোহে অৰ্থাৎ নিজৰ পৰিয়ালৰ খোৱা-লোৱা আদিৰ বিষয়কে চিন্তা কৰি দিন নিয়ায়, যম ৰজাই সেই মানুহক তেওঁ পাপীক দিয়া যাতনাৰ যোগ্য বুলি কয়; অৰ্থাৎ সেই জীৱ নৰক ভোগৰহে উপযুক্ত। [পৰিজন পালন নিন্দা কৰা নাই। ঈশ্বৰ চিন্তা এৰি বিষয় চিন্তাত ৰত থকাবোহে নিন্দা কৰিছে।]

[ ৩০২ ]

হৰিৰ চৰণ নিচিন্তি চিন্তয়
বিষয়ক দিনে ৰাতি।
শাস্ত্ৰৰ সম্মতে জানা সেহি জন
ভৈল নিজ আত্মঘাতী ॥

যি মানুহে ঈশ্বৰক নাভাবি সদায় বিষয় চৰ্চ্চা কৰে অৰ্থাৎ মাটি-বাৰী, তিৰী-ছলি আদিৰ কথাকে চিন্তা কৰে, শাস্ত্ৰমতে সেইলোক আত্মঘাতী হল; অৰ্থাৎ হৰিক নভজাৰ ফলত সেই জীৱে মুক্তিলাভ কৰিব নোৱাৰি, সংসাৰত ঘুৰি নানা দুখ-দুৰ্গতি ভোগ কৰিবলগা হয়।

## প্ৰাৰ্থনা

[ ৩০৩ ]

তুমি সৰ্ব্বসাক্ষী আত্মা হৃষীকেশ
জানাহা মোৰ চিত্তক।
শৰণাগতক মই আতুৰক
উপেক্ষা কৰা কিসক ॥

উপেক্ষা কৰা—ফিৰি নোচাৱা, বিমুখ কৰা, হেলা কৰা।

হে প্ৰভু, মই কি কৰোঁ, কি ভাবোঁ, সকলোকে তুমি দেখিছা; তুমি মোৰ আত্মা আৰু তুমিয়েই মোৰ ইন্দ্ৰিয়বোৰৰ অধিপতি, মোৰ অন্তৰত কি ভাৱ উদয় হয় তাক তুমি জানা। মই বাসনাৰ অধীন হোৱাৰ ফলত সংসাৰত লটিঘটি হৈ আতুৰ আৰু তোমাৰ ওচৰত আশ্ৰিত; (তাক তুমি ভালদৰে জানিব পাৰিছা, এনেস্থলত) কিয় তুমি মোক ফিৰি নোচোৱা?

নৰকে পচ্যতে জন্তুঃ যমেন পৰিভাষিতঃ।
কিং ত্বয়া ন চিন্তিতো দেৱঃ কেশৱঃ কেশীনাশনঃ ॥
নৈবোপযাস্ত্যপচিতিং কবয়স্তবেশ।
ব্ৰহ্মায়ুষাপি কৃতমৃদ্ধমুদশ্চৰন্তি।
যোঽন্তৰ্ব্বহিস্তনুভৃতামশুভং বিধুন্ব-
ন্নাচাৰ্য্য চৈত্য বপুষা স্বগতিং ব্যনক্তি ॥ ৩০৩—৩০৪ )

[ ৩০৪ ]

হে কৃষ্ণদেৱ মই আতুৰক
চৰণে কৰা উদ্ধাৰ।

তিনি তাপময় সংসাৰ নিকাৰ

সহিতে নপাৰো আৰ ॥

তিনিতাপ—আধ্যাত্মিক, আধিভৌতিক আৰু আধিদৈৱিক এই তিনি তাপ।

আধ্যাত্মিক তাপ—আত্মীয় বিয়োগ কষ্ট।

আধিভৌতিক—শাৰীৰিক পীড়া।

আধিদৈৱিক—স্বৰগৰপৰা অাদিৰ দৰে দৈৱিক বিপদ।

হে প্ৰভু, মই সংসাৰ ভয়ত বৰ আতুৰ; তোমাৰ চৰণত মোক আশ্ৰয় দি এই সংসাৰৰপৰা মোক মুক্তি দিয়া। তিনি তাপে ভৰা সংসাৰৰ দুখ কষ্ট আৰু মই সহিব নোৱাৰোঁ।

নমঃ কৃষ্ণায় দেৱায় ব্ৰহ্মণে সৰ্ব্বসাধিনে।
হৃষীকেশায় যোগায় হ্যমহং শৰণঃ গতঃ
নান্যং বদামি ন শৃণোমি ন চিন্তয়ামি।
নান্যং স্মৰামি ন ভজামি ন চাশ্ৰয়ামি ॥
ভক্ত্যা ত্বদীয় চৰণাম্বুজমন্তৰণে।
শ্ৰীশ্ৰীনিবাস পুৰুষোত্তম! দেহি দাস্যম্ ॥

(৩০৫—৩১০)

[ ৩০৫ ]

বাহিৰে ভিতৰে তুমি হৰি গুৰু

আছাহা চৈতন্য ৰূপে।

দিয়োক সুমতি তুমি বিনে গতি

নাহিকে কৈলো স্বৰূপে ॥

হে প্ৰভু, তুমি চাৰিওফালে আৰু মোৰ অন্তৰতো চৈতন্য ৰূপে সকলোতকৈ শ্ৰেষ্ঠ হৈ আছা ; মই নিশ্চয়কৈ বুজিব পাৰিছোঁ, তোমাৰ বাহিৰে মোৰ গতি নাই অৰ্থাৎ তুমি মোক মুক্তি নিদিলে আনে দিব নোৱাৰে ; এতেকে মোক প্ৰভু সুমতি দিয়া, অৰ্থাৎ মোৰ চিন্তা সৎ কৰা বা তোমাৰ অভিমুখী কৰা।

[ ৩০৬ ]

হৰি ও হৰি করুণা সাগৰ
কৰিয়ো কৃপা আমাক।
প্ৰিয়তম আত্মা সখা ইষ্ট গুৰু
মানিয়া আছো তোমাক॥

হে করুণাসাগৰ হৰি, মোক কৃপা কৰা ; তুমিয়েই মোৰ প্ৰিয়তম আত্মা ; তোমাকেই মই পৰম বন্ধু উপাস্য গুৰু বুলি ধৰি লৈছোঁ।

[ ৩০৭ ]

হে হৰি মোক দুৰাচাৰ বুলি
নকৰিবা পৰিহাৰ।
তুমি বিনে মহা পতিত পাৱন
কোন দেৱ আছে আৰ॥

হে হৰি, তুমি মোক পাপী বুলি আশ্ৰয় নিদিয়াকৈ নাথাকিবা, কিয়নো তোমাৰ বাহিৰেনো মহাপাপীক উদ্ধাৰ কৰোঁতা আৰু কোন আছে ?

[ ৩০৮ ]

নমো নমো ৰাম কৃষ্ণ প্ৰভু দেৱ
তুমি মোৰ নিজ গতি।
হুয়োক সদায় যিমতে ৰহয়
তোমাত নিৰ্ম্মল ৰতি॥

হে কৃষ্ণদেৱ প্ৰভু, মই তোমাক নমস্কাৰ কৰোঁ, তুমিয়েই মোৰ আশ্ৰয়। প্ৰভু, মোৰ প্ৰতি কৃপালু হোৱা, যাতে তোমাত মোৰ নিৰ্ম্মল ভাৱ থাকে অৰ্থাৎ প্ৰভু, তুমি মোৰ প্ৰতি এনে কৃপাবান হোৱা, যাতে সদায় তোমালৈ মোৰ অকপট ভক্তি থাকে।

[ ৩০৯ ]

চৰণত ধৰো কাতৰ কৰোহো
ইবাৰ নেৰিবা হৰি।
পতিত পাৱন দেৱ নাৰায়ণ
নাহিকে তোমাত সাৰ॥

"হে হৰি, তোমাৰ চৰণত ধৰো আৰু অতি কাতৰ হৈ প্ৰাৰ্থনা কৰোঁ—আগৰ জন্মত মোৰ যি হবৰ হল, এই জন্মত আৰু মোক সংসাৰত পেলাই নথবা অৰ্থাৎ মায়াত আৱদ্ধ ৰাখি মোক আৰু সংসাৰত নাৰাখিবা; প্ৰভু, পতিতক পবিত্ৰ কৰোঁতা, তোমাৰ সমান আৰু আন কোনো দেৱতা নাই।

[ তুমি পতিতপাৱন বুলি জানি তোমাক আশ্ৰয় কৰিছোঁ; এইবাৰ যেনে তেনে মোক উদ্ধাৰ কৰিবা। ]

[ ৩১০ ]

নমো নমো কৃষ্ণ তোমাৰ ভকতি
মুকুতিকো কৰি বলে।
মোৰ তাকে মন দিয়োক শৰণ
অৰুণ চৰণ তলে ॥

মুকুতিকো কৰি বলে—মুক্তিতকৈ শ্ৰেষ্ঠ।
মোৰ তাকে মন—মোৰ মনে তাকে পাবলৈ বাঞ্ছা কৰক।

হে কৃষ্ণ, মই তোমাক মুৰ দোৱাঁই সেৱা কৰোঁ। তোমাৰ ভক্তি মুক্তিতকৈও শ্ৰেষ্ঠ অৰ্থাৎ ভক্তসকলে মুক্তিকো পাচ কৰি তোমাৰ ভক্তি লাভ কৰিবলৈহে যত্ন কৰে। প্ৰভু, তোমাৰ পদ পঙ্কজত মোক আশ্ৰয় দিয়া, মোৰ মনেও তাকে ( ভক্তি ) পাবলৈ বাঞ্ছা কৰে।

শ্ৰীৰাম নাৰায়ণ বাসুদেৱ গোবিন্দ বৈকুণ্ঠ মুকুন্দ কৃষ্ণ।
শ্ৰীকেশৱানন্ত নৃসিংহ বিষ্ণো। মাং ত্ৰাহি সংসাৰ ত্ৰিতাপ ক্লিষ্টম্ ॥
( ৩১১—৩১৬ )

[ ৩১১ ]

এ ভৱ সাগৰে মজি নাৰায়ণ
আতুৰ ভৈলো অপাৰ।
দীন অনাথক তুমি কৃপাময়
চৰণে কৰা উদ্ধাৰ ॥

দীন—দৰিদ্ৰ, ভক্তিহীনজন।
["অনাথক"ৰ ঠাইত "অপাৰ্থক" শব্দ কোনো কোনো ঠাইত পোৱা যায়।

অপাৰ্থক—প্ৰাৰ্থনা নকৰোঁতা ; পাপমতি।

হে নাৰায়ণ, মই এই সংসাৰত ডুব গৈ বৰ আতুৰ হলোঁ ; অৰ্থাৎ নিৰুপায়ত পৰিলোঁ। হে কৃপাময়, তুমি এই ভক্তিহীন পাপমতিক তোমাৰ চৰণত আশ্ৰয় দি সংসাৰৰ পৰা উদ্ধাৰ কৰা। [ তুমি কৃপাময়, মই ভক্তিহীন পাপমতি, কৃপা কৰি তুমি মোক তোমাৰ চৰণত আশ্ৰয় দি সংসাৰৰপৰা মোক উদ্ধাৰ কৰা বা মুক্তি দিয়া। ]

[ ৩১২ ]

হে হৰি তযু মায়ায়ে আমাক
ভাণ্ডিছে কৰি কপট।
দূৰ কৰা মায়া চাপোহো তোমাৰ
চৰণ ছত্ৰ নিকট ॥

[ মোৰ ঘৰ, মোৰ মাটি, মোৰ পুত্ৰ, মোৰ কন্যা এই যে 'মোৰ' 'মোৰ' ভাব, এই ভাবেই মায়া। মায়াক ভগৱানেই সৃষ্টি কৰিছে। 'মোৰ ভাব' বা মায়াত পৰিয়েই মানুহে একান্ত মনে ভগৱানক ভাবিব নোৱাৰে। আনকি "মোৰ ভাৱ" বেচি হোৱাৰ কাৰণে ঈশ্বৰৰ নাম লবলৈ ধৰোঁতেও সংসাৰৰ ভাব আদি লগ ধৰে আৰু মনটোক চাৰিওফালে দৌৰায় লৈ ফুৰায়। এই কাৰণে কৈছে, ] হে হৰি, তুমি প্ৰজন কৰা মায়াই মোক কপট ভাবে ঠগাইছে ; অৰ্থাৎ মই মায়াত পৰাত একান্তমনে সৰলচিত্তে তোমাৰ নাম লব নোৱাৰাত পৰিছোঁ।

এতেকে প্ৰভু, কৃপা কৰি মোৰ মনৰ সেই মায়া দূৰ কৰা; তেহে মই তোমাৰ চৰণৰূপ ছত্ৰ কাষ চাপিব পাৰিম অৰ্থাৎ তোমাক একান্ত মনে ভাবি শান্তি লাভ কৰিব পাৰিম।

[ ৩১৩ ]

পতিত পাৱন ৰাম নাৰায়ণ
চৰণে মোক উদ্ধাৰা।
আমি পতিতত পতিত পাৱন
নামৰ পৰীক্ষা কৰা॥

হে ৰাম, নাৰায়ণ আদি নাম ধৰোঁতা পতিত পাৱন, মোক তোমাৰ চৰণত আশ্ৰয় দি এই সংসাৰৰপৰা উদ্ধাৰ কৰা বা মুক্তি দিয়া। মই পতিত, মোক পবিত্ৰ কৰি তোমাৰ নাম যে পতিতপাৱন অৰ্থাৎ তোমাৰ নাম লঙ্গে যে পতিতো পবিত্ৰ হয় তাৰ চিনাকি দিয়া।

[ ৩১৪ ]

পতিত পাৱন প্ৰভু নাৰায়ণ
প্ৰসিদ্ধ সমস্তজনে।
আমি মহাপাপী শৰণ পশিলো
ৰাখিয়ো নিজ চৰণে॥

হে প্ৰভু নাৰায়ণ, তুমি পতিত পাৱন বুলি সকলোতে বিখ্যাত। মই মহাপাপী, মই একান্তমনে তোমাৰ আশ্ৰয় মাগিলোঁ, প্ৰভু, তোমাৰ চৰণত মোক ঠাই দি ৰাখা: অৰ্থাৎ তোমাক যাতে মই চিন্তা আৰু ধাৰণা কৰিব পাৰোঁ, তেনে কৃপা মোক কৰা।

[ ৩১৫ ]

হে হৰি মই অনাথক দয়া
কৰিয়োক একবাৰ।
কৃপাৰেস তিতি অৰুণ বৰণ
চৰণ ভৈল তোমাৰ ॥

অৰুণ—ৰঙা, সিন্দূৰ, কুঙ্কুম।

হে হৰি, মই নিৰাশ্ৰয় ; [ কতবাৰ নৰতনু ধৰিলোঁ, কিন্তু তোমাৰ ভজিব পৰা মোক কৃপা নকৰিলা ; ] এইবাৰলৈ প্ৰভু মোক কৃপা কৰা ; তুমি কৃপাময়, কৃপা তোমাৰ চৰণেদি বৈ পৰিছে—কৃপা-ৰসত তোমাৰ চৰণ ভিজি ৰঙা হৈ উঠিছে।

[ ৩১৬ ]

কৃপাৰ সাগৰ দৈৱকী নন্দন
পূৰিয়ো মনৰ কাম।
ভকতৰ সঙ্গ সদা নুগুচোক
মুখে তুৱা গুণ নাম ॥

হে দয়াৰ সাগৰ, দৈৱকীনন্দন, ভগৱান, মই সদায় যেন ভকতৰ সঙ্গ (সাধুসঙ্গ) পাওঁ আৰু সিসকলৰ লগত থাকি যেন সদায় তোমাৰ নাম-গুণ লৈ থাকিব পাৰোঁ, এই মোৰ একান্ত অভিলাষ পূৰ্ণ কৰা।

অপৰাধং সহস্ৰাণি ক্ৰিয়ন্তেঽহৰ্নিশংময়া ।
দাসোঽহমিতি মাং মত্বা ক্ষমস্ব পৰমেশ্বৰ ॥
নমঃ কৃষ্ণায় নিত্যায় পৰমেশায়ানন্তমূৰ্ত্তয়ে ।
অচিন্ত্যায় দৈৱায় শুদ্ধায় ত্বামহং শৰণং গতঃ ॥
গোবিন্দ দয়াশীল দামোদৰ
গোপাল নাৰায়ণ নিৰাকাৰ ।
হৰে কৃপাময় কুৰু কৃপা মাং
প্ৰপন্নং দীনং ময়ি ভক্তিহীনং ॥

৩১৭—৩২৪

[ ৩১৭ ]

কোটি কোটি ঘোৰ অপৰাধ নিতে
কৰো আমি দুৰাশয় ।
হে হৰি মোক দাস হেন মানি
ক্ষমিয়োক কৃপাময় ॥

ঘোৰ—অমোঘ, ডাঙৰ ।
দুৰাশয়—পাপাশয়, বেয়া মতলব থকা ।

মই পাপাশয় অৰ্থাৎ মোৰ মন সদায় পাপলৈ ঢাল লয়; তাৰ ফলতেই মই দিনে দিনে অসংখ্য অমোঘ অপৰাধ কৰোঁ। হে কৃপাময় হৰি, মোক তোমাৰ দাস ভাবি অৰ্থাৎ সেৱকৰূপে গ্ৰহণ কৰি মোৰ সেইবোৰ দোষ ক্ষমা কৰা। [তোমাৰ চৰণত মই একান্তে শৰণ লওঁ, সৰ্ব্বদোষ ক্ষমা কৰি মোক পবিত্ৰ কৰা আৰু তোমাৰ চৰণত আশ্ৰয় দিয়া।]

[ ৩১৮ ]

অনাদি অনন্ত অচিন্ত্য ঈশ্বৰ
তুমিসে নিত্য নির্ম্মল।
গুচায়ো কুমতি ভজোহো কেৱল
তোমাৰ পদ কমল॥

হে প্ৰভু, তোমাৰ আদি নাই, তোমাৰ অন্ত নাই, তোমাক চিন্তা কৰি নাপায়; তুমি সবাতকৈ ডাঙৰ, তুমি নিত্য আৰু তুময়েই নির্ম্মল। মই একমাত্র তোমাৰ পাদ-পদ্মতেই আশ্রয় ললোঁ; অর্থাৎ কেৱল তোমাকেই ভাবিম বুলি ঠিক কৰিলোঁ; প্ৰভু, মোৰ অন্তৰৰ বেয়া ভাববোৰ আঁতৰোৱা; অর্থাৎ যাতে মোৰ মন তোমাৰ চিন্তা এৰি অন্য ফালে নাযায় তেনে কৃপা কৰা।

[ ৩১৯ ]

হে ভগৱন্ত ভজোহো তোমাৰ
অভয় পদ কমলে।
মই অনাথক ৰাখিয়ো ঈশ্বৰ
অৰুণ চৰণ তলে॥

হে ভগৱন্ত, তোমাত আশ্রয় ললে সংসাৰ ভয় গুচে, সেই কাৰণে মই তোমাত আশ্রয় ললোঁ। তুমি সকলোতকৈ ডাঙৰ, তোমাতকৈ বৰ আৰু কোনো নাই। মই নিৰাশ্রয়; মই তোমাৰ ওচৰত আশ্রয় মাগিছোঁ—মোক তোমাৰ ৰাতুলৰ চৰণত স্থান দিয়া।

[ ৩২০ ]

হে কৃষ্ণ কৃপা ময় প্ৰভু মোৰ
কৰা কৃপা এহিমান।
তোমাৰ চৰণে ৰহোক আমাৰ
সদায় নিৰ্ম্মল জ্ঞান ॥

নিৰ্ম্মল জ্ঞান—পবিত্ৰভাব বা ভক্তি।

হে কৃপাময় কৃষ্ণ প্ৰভু, মোক এই ফেৰা মাত্ৰ কৃপা কৰা, যেন তোমাৰ চৰণত মোৰ নিৰ্ম্মল ভক্তি থাকে অৰ্থাৎ মই যেন অকপট ভাৱে তোমাক চিন্তা কৰি থাকিব পাৰোঁ।

[ ৩২১ ]

জয় জগবন্ধু জগত কাৰণ
নাৰায়ণ নিৰাকাৰ।
কেৱল তোমাৰ চৰণ পঙ্কজে
ৰহোক ৰতি আমাৰ ॥

হে জগতৰ বন্ধু, জগতৰ উৎপত্তিৰ কাৰণ, নিৰাকাৰ নাৰায়ণ প্ৰভু, তোমাৰ নামৰ জয় হওক, মই তোমাৰ ওচৰত আন একো নামাগোঁ, কেৱল তোমাৰ চৰণত ৰতি অৰ্থাৎ মই যেন তোমাক ভাবি ভাল পোৱা হওঁ ইয়াকে কামনা কৰোঁ।

[ ৩২২ ]

দীন দয়াশীল দেৱ দামোদৰ
দীনক নেৰিবা মোক।
হেন কৃপা কৰা তয়ু পদে মোৰ
সহজ ৰতি মিলোক॥

ৰতি—ৰাগ; একান্ত অনুৰাগ।

হে দীন দয়াময় দামোদৰ দেৱ, মই ভক্তি ভাৱত অতি দাৰিদ্র অৰ্থাৎ মোৰ অন্তৰত তোমালৈ অলপো অনুৰাগ জন্মা নাই; মোক এনে কৃপা কৰা, যেন তোমাৰ পদত মোৰ একান্ত অনুৰাগ জন্মে অৰ্থাৎ তোমাৰ চিন্তা যেন মোৰ স্বাভাৱিক হৈ উঠে।

[ ৩২৩ ]

তোমাৰ চৰণ সেৱাৰ গোবিন্দ
নাজানো একো উপায়।
যিমতে সেৱাত ৰহিবো কৰুণা
কৰিতে হৰি যুৱায়॥

হে গোবিন্দ, তুমি জ্ঞানময়, মই অজ্ঞান; তোমাৰ চৰণ কেনেকৈ সেৱা কৰিব লাগে অৰ্থাৎ তোমাক কিৰূপে ভাবিব লাগে মই তাৰ নিয়ম কাৰণ নাজানোঁ; হে অজ্ঞান আন্ধাৰ হৰণ-কৰোঁতা হৰি, মই তোমাৰ সেৱাত কিৰূপে থাকিব পাৰোঁ অৰ্থাৎ যাতে মই তোমাক চিন্তা কৰি থাকিব পাৰোঁ তেনে কৃপা মোক কৰা।

[ ৩২৪ ]

হে প্ৰাণহৰি দান্তে তৃণ ধৰি
মাগোহো তোমাৰ পাৱে ।
মোৰ মন মজি তোমাৰ নামত
ৰহোক হৰি স্বভাৱে ॥

হে প্ৰাণহৰি, মই অতি কাতৰভাৱে তোমাৰ চৰণত প্ৰাৰ্থনা কৰোঁ, যেন মোৰ মন আপোনা আপুনি তোমাৰ নামত মজি থাকে ; অৰ্থাৎ মোৰ মনে যেন সদায় তোমাৰ নাম লৈ থাকা হয় ।

অথ কথঞ্চিৎ স্খলন-ক্ষুৎ-পতন-জৃম্ভণ-দুৰৱস্থাদিষু বিবশানাং নঃ স্মৰণায় জৰা-মৰণদশায়ামপি সকল-কশ্মল নিৰশনানি তৱ গুণকৃত নামধেয়ানি বচন-গোচৰাণি ভৱন্তিতি ॥ ৩২৫—৩২৬

[ ৩২৫ ]

জৰ তাপ পীড়া মৰণ সময়ে
কৰা হৰি কৃপা মোক ।
তযু গুণ নাম শ্ৰৱণ স্মৰণ
বচন গোচৰ হোক ॥

জৰ—জৰা । গোচৰ হোক—শুনিবলৈ পাওক ।

হে হৰি, মোৰ বৃদ্ধাৱস্থাত, তাপ পোৱা সময়ত, বেমাৰত আৰু মৰা কালত এনে কৃপা কৰা যেন সেই সেই সময়ত তোমাৰ

নাম মোক আনে শুনায়, মই নিজে যেন তোমাৰ নাম শুনিবলৈ পাওঁ, মনত ধাৰণা কৰিব পাৰোঁ আৰু যেন মুখেৰে তোমাৰ নাম উচ্চাৰণ কৰিব পাৰোঁ।

[ ৩২৬ ]

গোপিনীৰ ধন ব্ৰজৰ জীৱন
মোহন ৰাম গোবিন্দ।
পৰম সাদৰে শিৰে তুলি ধৰোঁ
তযু পদ অৰবিন্দ ॥

অৰবিন্দ—ৰঙাপদ্ম, পদ্ম।

হে গোপিনীৰ আৰাধনাৰ ধন, ব্ৰজবাসীৰ জীৱন স্বৰূপ মোহন ৰাম গোবিন্দ, তোমাৰ পাদপদ্ম বা ৰাতুল চৰণ মই অতি সাদৰেৰে মূৰত তুলি লওঁ অৰ্থাৎ একান্ত মনে মই তোমাৰ আশ্ৰয় লওঁ।

তত্ৰৈব গঙ্গা যমুনা চ তত্ৰ
গোদাবৰী তত্ৰ সৰস্বতী চ।
সৰ্ব্বাণি তীৰ্থাণি বসন্তি তত্ৰ
যত্ৰাচ্যুতোদাৰ কথাপ্ৰসঙ্গঃ ॥

## নাম মহিমা

[ ৩২৭ ]

কৃষ্ণৰ পৰম নিৰ্ম্মল উদাৰ
কথাৰ যৈত প্ৰকাশ।
গঙ্গা আদি কৰি যত তীৰ্থ আছে
তৈতেসে কৰে নিবাস ॥

যি ঠাইত কৃষ্ণৰ অতি বিশুদ্ধ উদাৰ কথাৰ আলাপ হয় অৰ্থাৎ য'ত ভগৱানৰ গুণ চৰিত্ৰ ভক্তসকলে একান্ত মনে শ্ৰৱণ কীৰ্ত্তন কৰে তাত গঙ্গা, যমুনা, গোদাবৰী আদি সকলো তীৰ্থ মিলে অৰ্থাৎ তীৰ্থাদি দৰ্শন কৰিলে যি ফল পোৱা যায়, হৰিৰ গুণ-চৰিত্ৰ হোৱা ঠাইত থাকিলেও সেই ফলকে পোৱা যায়।

শ্ৰীৰাম নাম ভৱসাগৰদুৰ্গপাৰং, শ্ৰীৰাম নাম ভগৱজ্জনহীনবিত্তং।
শ্ৰীৰাম নাম মলকাননচিত্ৰভানুঃ শ্ৰীৰাম নাম মনসোৎসৱ ভদ্ৰভদ্ৰং ॥
(৩২৮—৩২৯)

[ ৩২৮ ]

শ্ৰীৰাম নাম ভকত জনৰ
মহাধন হীৰা বিত্ত।
সংসাৰ সাগৰ তাৰ দুৰ্গপাৰ
শ্ৰীৰাম নাম নিশ্চিত।

ভক্তৰ মনত ভগৱানৰ নাম দুৰ্মূল্য হীৰা আদি বিত্তৰ দৰে আৰু সংসাৰৰূপ সাগৰৰ পাৰত থকা দুৰ্গ স্বৰূপ; অৰ্থাৎ সাগৰৰ পাৰৰ দুৰ্গত থাকিলে যিদৰে সমুদ্ৰৰ উৎপাতৰপৰা ৰক্ষা পোৱা যায়, সংসাৰত থাকি ভগৱানৰ নাম ল'লেও মানুহক সংসাৰৰ মায়া-মোহে স্পৰ্শ কৰিব নোৱাৰে।

[ ৩২৯ ]

শ্ৰীৰাম নাম মল অৰণ্যৰ
বাড়ৱ আগনি সম।

শ্ৰীৰাম নাম মনৰ উৎসৱ
ভদ্ৰতো ভদ্ৰ উত্তম ॥

মল—পাপ ।

ভগৱানৰ শ্ৰীৰাম নাম পাপৰূপ অৰণ্যৰ বাড়ৱ অগ্নিৰ দৰে অৰ্থাৎ দাবাগ্নি উঠিলে যিদৰে অৰণ্য পুৰি ছাই কৰে, ভগৱানৰ নাম একান্ত মনে ললেও সেইদৰে পাপ ক্ষয় হয়। শ্ৰীৰাম নাম আনন্দদায়ক আৰু সি অতি উত্তম পৱিত্ৰ বস্তু অৰ্থাৎ এই পৱিত্ৰ নাম একান্ত মনে ললে মানুহৰ অন্তৰত কোনো তাপ থাকিব নোৱাৰে।

নাৰায়ণো নাম স মানৱানাং প্ৰসিদ্ধঃ চৌৰঃ কথিতঃ পৃথিব্যাং।
অনেক জন্মাৰ্জ্জিত পাপৰাশিং, হৰত্যশেষং স্মৃতিমাত্ৰ কেৱলম্ ॥ (৩৩০)

[ ৩৩০ ]

নাৰায়ণ নাম নৰ সমস্তৰ
প্ৰসিদ্ধ চৌৰ বিশেষ।
অনেক জন্মৰ সাঞ্চিত পাতক
স্মৰণে হৰে নিঃশেষ ॥

চৌৰ—চোৰ।

ভগৱানৰ নাৰায়ণ আদি নাম সকলো মানুহৰ পক্ষে বিখ্যাত চোৰ দৰে; কিয়নো এই নাম একান্ত মনে ললে, নামে মানুহৰ বহুত জন্ম পৰা সঞ্চিত হৈ অহা সকলো পাপ চুৰ কৰি লৈ যায় বা নাশ কৰে।

আদি  ৰামস্ত ৰামস্ত হুতভুক্ হুতবায়ু সখঃ।
পৰমঃ পৰমো ধৰ্ম্মোঽধৰ্ম্মাৰণ্যং দহেদলম্ ॥ (৩৩১)

[ ৩৩১ ]

ৰাম শব্দৰ 'ৰ' পদ ভৈল
প্ৰচণ্ড বহ্নি নিশ্চয়।
'ম' বায়ু সমে অধৰ্ম্ম অৰণ্য
দহিয়া ভস্ম কৰয় ॥

ভগৱানৰ 'ৰাম' নামৰ 'ৰা' পদ তেজাল জুইৰ দৰে, আৰু 'ম' বায়ু স্বৰূপ; বনত জুই লগা সময়ত বতাহ মেলিলে বন অতি শীঘ্ৰে পুৰি ছাই হোৱাৰ দৰে ভগৱানৰ ৰাম নামৰ 'ৰা' আৰু 'ম' লগ লগাই একান্ত মনে ললে অধৰ্ম্ম ৰূপ বন অৰ্থাৎ পাপবোৰ নাশ হয়।

[ ৩৩২ ]

কুকথা পাষণ্ড সংবাদ বিবাদ
পৰ্ব্বত অতি নিষ্ঠুৰ।
ৰাম কৃষ্ণ নাম বজ্ৰক প্ৰহাৰি
কৰা তাক মসিমূৰ ॥

বকবকণীয়া কথা কোৱা, কুকথা কৈ ফুৰা আৰু তাকে লৈ হাই কাজিয়া কৰা আদি অভ্যাস পাৰ হব নোৱাৰা পৰ্ব্বতৰ দৰে; (অৰ্থাৎ উক্ত বেয়া অভ্যাস এৰা বৰ টান); কিন্তু বজ্ৰৰ প্ৰহাৰত পৰ্ব্বত চূৰ্ণ হোৱাৰ দৰে "ৰাম-কৃষ্ণ" নাম জপ কৰিলে এই কু-অভ্যাস-বোৰ আঁতৰি যায়; তুমি সেই বজ্ৰ সদৃশ "ৰাম-কৃষ্ণ" নাম জপ কৰি এই কু-অভ্যাসবোৰ এৰা।

[ ৩৩৩ ]

অপাৰ আনন্দ ৰস ৰাম নাম
মুখত থাকে যাহাৰ।
মুকুতি সুখক থৰে পাশ কৰি
আন সুখ কোন চাৰ ॥

যাৰ মুখত সদায় অপাৰ আনন্দ ৰসযুক্ত ৰাম নাম থাকে অর্থাৎ যি লোকে অপাৰ আনন্দ দিবপৰা ৰাম নাম সদায় লয়, তেওঁ অন্য বিষয় সুখ বিচাৰিব দূৰত থাওক, মুক্তি সুখকো কাতি কৰি থয় অর্থাৎ তেওঁ ৰাম নাম ৰসত মোহ গৈ ভগৱানৰ ওচৰত ধন জন কামনা কৰিব দূৰত থাওক মুক্তি সুখকো বাঞ্চা নকৰে।

[ ৩৩৪ ]

যিটো মহাজনে ঈশ্বৰ কৃষ্ণৰ
ভজয় পদ কমল।
কুল উদ্ধাৰিল আপোন তৰিল
তাৰেসে জন্ম সফল ॥

যি সাধুলোকে ভগৱান কৃষ্ণৰ পদ সেৱা কৰে অর্থাৎ যি লোকে ভগৱন্তত চিত্ত সমর্পণ কৰে তেওঁ নিজেতো উদ্ধাৰ হয়েই (তদুপৰি) বংশৰ অন্য লোককো ত্ৰাণ কৰে অর্থাৎ তেওঁক দেখি পৰিয়ালৰ অন্য লোকেও ভগৱানক উপাসনা কৰি তৰিব পাৰে, গতিকে সেই সাধু লোকৰ নৰ-জন্ম ধৰাৰ সম্ফল হল বুলিব পাৰি।

[ ৩৩৫ ]

সুদৃঢ় বিশ্বাস কৰি যিটোজন
সদা ৰাম নাম গাৱে।
তাক বাপদায় দিয়া দুষ্ট কলি
দূৰত দূৰ পলায়ে॥

বাপদায় দিয়া—ধৰ্ম্মৰ পিতা বুলি, শ্ৰেষ্ঠ বুলি স্বীকাৰ কৰি বশ হৈ।

ভগৱানেই সকলো, তেওঁক ভজিলে সকলো, দুখ-দুৰ্গতি খণ্ডন হয়, সংসাৰৰণৰা উদ্ধাৰ হব পাৰি; এনে দৃঢ় বিশ্বাস কৰি যিলোকে ভগৱানৰ নাম লয়, সেই লোকক কলিয়ে ধৰ্ম্মপিতা বুলি (শ্ৰেষ্ঠ জ্ঞান কৰি) দূৰত বিদূৰ হৈ আঁতৰি যায়।

[ ৩৩৬ ]

অলপ অক্ষৰ ৰাম কৃষ্ণ নাম
কোমলতো সুকোমল।
ৰাম কৃষ্ণ নাম সবাৰো সুহৃদ
মঙ্গলৰো সুমঙ্গল॥

ভগৱানৰ 'ৰাম' 'কৃষ্ণ' আদি নাম অলপ আখৰেৰে গঠিত হোৱা আৰু অতি কোমল অৰ্থাৎ এই নাম লবলৈ অতি সহজ। এই নামে জীৱক গতি দিয়ে, গতিকে ই সকলোৰে হিতকাৰী বন্ধু আৰু অতি মঙ্গলদায়ক।

[ ৩৩৭ ]

মুকুত সবাৰে মনক টানিয়া
আনয় হৰিৰ গুণে।

এক প্ৰাণ হুয়া মহন্ত সকলে
গাৱয় কহয় গুনে

হৰিৰ গুণ চৰিতে জীৱন্মুক্তসকলৰো মন টানি আনে; অৰ্থাৎ হৰি-গুণ চৰিত ইমান ৰসযুক্ত আৰু আনন্দদায়ক যে, যি জীৱন্মুক্ত পুৰুষসকলে হৰিক ভবাৰ আৰু দৰকাৰ নাই, তেনে পুৰুষেও হৰিৰ গুণ চৰিত নাগাই থাকিব নোৱাৰে; সেই কাৰণে সাধুসকলে একেলগে মিলি হৰিৰ নাম-গুণ গায় আৰু আলাপ কৰে।

[ ৩৩৮ ]

হৰিৰ নামৰ অনন্ত প্ৰভাৱ
কোনে কহি পাৰে সীমা।
সংসাৰ বিনাশে হৰিক প্ৰকাশে
নামৰ মহা মহিমা ॥

প্ৰভাৱ—তেজ, সামৰ্থ্য, মহিমা, শক্তি।

ভগৱানৰ নামৰ শক্তিৰ শেষ নাই, তেওঁৰ নামৰ মহিমাৰ কথা কৈ কোনেও শেষ কৰিব নোৱাৰে; নামৰ এনে মহা শক্তি যে, ই সংসাৰ ভয় ( জন্ম-মৃত্যুৰ ভয় ) নাশ কৰে আৰু হৰিক প্ৰকাশ কৰে অৰ্থাৎ একান্ত মনে নাম লৈ থাকিলে মানুহৰ বিষয় বাসনা নাশ হয় আৰু তাৰ ফলত হৰিৰ দৰ্শন ঘটে।

[ ৩৩৯ ]

হৰিৰ নামৰ অনন্ত মহিমা
জানি মহাজনে গান্ত।

আপোন নামৰ মহিমাক হৰি
আপুনি অন্ত নপান্ত ॥

ভগৱানৰ নাম ললে পাপ, তাপ, শোক, ভয় দূৰ হয়, মানুহৰ, অন্তৰৰ অসৎ ভাৱ আঁতৰে, জীৱ পৱিত্ৰ হয়, এইদৰে ভগৱানৰ নামৰ মাহাত্ম্য স্বয়ং ভগৱানেও নিজ মুখে কৈ শেষ কৰিব নোৱাৰে; সন্ত মহন্তসকলে ঈশ্বৰৰ নামৰ প্ৰভাৱ বুজিব পাৰে, আৰু তেওঁৰ নাম অহৰ্নিশে শ্ৰৱণ-কীৰ্ত্তন কৰে।

[ ৩৪০ ]

হৰিৰ নামত একোৰে বিঘিনি
নাহিকে জানা নিশ্চয়।
আন ধৰ্ম্ম যত তাহাৰ বিঘিনি
নামেসে দূৰ কৰয় ॥

হৰিৰ নাম শ্ৰৱণ কীৰ্ত্তন কৰাৰ কোনো ধৰা বন্ধা নিয়ম নাই দেখি ব্যৱস্থা লঙ্ঘন কৰা আদি দোষে সেই নাম লোৱা ফলৰপৰা জীৱক বঞ্চিত কৰিব নোৱাৰে। নাম ধৰ্ম্মৰ বাহিৰে অন্যান্য বিবোৰ পূজা-সেৱা কৰা ধৰ্ম্মপথ আছে, সেইবোৰ নিৰ্দ্দিষ্ট বিধান থকা; বিধিমতে এই পূজা নকৰিলে যি দোষ ঘটে, নামে সেই দোষ খণ্ডন কৰে বা কৰিব পাৰে। [ শ্ৰাদ্ধ, হোম আদি কৰাৰ পাচত নাম ধৰাৰ প্ৰথাৰ কাৰণ এইটোৱে। ]

যন্নাম সংকীর্ত্তনতো নিশাচৰা দ্ৰৱন্তি ভূতাঃপপযান্তি চাৰয়ঃ।
নাশং তথা সম্প্ৰতি যান্ত্যসত্যং ধৰ্ম্মাদি সত্যং ভৱতীহ বিষ্ণুঃ॥
(৩৪১—৩৪৩)

[ ৩৪১ ]

ৰাম নাম মহা প্ৰমত্ত সিংহৰ
ধ্বনি শুনি ৰিণি ৰিণি।
পাপময় যত মাতঙ্গ পলায়
মিলিল হেৰা বিঘিনি॥

প্ৰমত্ত—বলী।
মাতঙ্গ—হাতী।
হেৰা—এই।

যিদৰে হাতীয়ে বৰ সিংহৰ গোজৰণি দূৰৰপৰা শুনি "এই বিপদ পালেহি" বুলি পলাই ফাট মাৰে, সেইদৰে ৰাম নামৰ উচ্চাৰণ শুনিলে পাপযুক্ত কামবোৰ ভয়ে ভয়ে আঁতৰি যায়; অৰ্থাৎ যি একান্ত মনে ৰাম নাম উচ্চাৰণ কৰে, তাক পাপে চুব নোৱাৰে।

[ ৩৪২ ]

ৰাম কৃষ্ণ নাম কীৰ্ত্তন বাড়ৱ
অগনিৰ শিখা লাগি।
অসুৰ ৰাক্ষস পাষণ্ড পিশাচ
পলাই দশদিশ ভাগি॥

বাড়ৱ অগনি—হাবিত আপুনি উঠা জুই।

হাবিত বাড়ৱাগ্নি জ্বলিলে তাত থকা অসুৰ, ৰাক্ষস আদি যেনি পায় তেনি পলোৱাৰ দৰে ৰাম নামৰ কীৰ্ত্তন হলে তাৰ গুণত ৰোগ, শোক, তাপ, পাপ, দুখ আদি আঁতৰি যায়। অৰ্থাৎ হৰিৰ নাম একান্ত মনে কীৰ্ত্তন কৰিলে সংসাৰ দুখে জীৱক পীড়া কৰিব নোৱাৰে, কোনো পাপেও চুব নোৱাৰে।

[ ৩৪৩ ]

জয় জগজীৱ জগত কাৰণ
জয়তি জগনিবাস।
তোমাৰ ভকতি ৰসে মুকুতিকো
কৰে অতি উপহাস ॥

জগজীৱ—জগতৰ জীৱন।
জয়তি—জয়যুক্ত।
জগনিবাস—জগতেই যাৰ বাসস্থান, ভগৱান।
উপহাস কৰে—ঠাট্টা কৰে, ফিৰি নাচায়।

হে জগতজীৱন স্বৰূপ, জগতৰ উদ্ভৱৰ মূল সৰ্ব্বব্যাপী ভগৱান, তোমাৰ নামৰ জয় হওক; তোমাক ভক্তি কৰিলে যি ৰস জন্মে, সি মুক্তিকো উপহাস কৰে অৰ্থাৎ তোমাৰ নামত প্ৰেম উপজিলে মুক্তিলৈ মানুহে নাচাৱে, [ মুক্তি আদিৰ কামনা মনত উদয় নহয় ]।

কৃষ্ণেতি মঙ্গলং নাম যস্য বাচি প্ৰবৰ্ত্ততে।
ভস্মী ভবতি ৰাজেন্দ্ৰ! মহাপাতক কোটয়ঃ॥ ( ৩৪৪ )

[ ৩৪৪ ]

কৃষ্ণ নাম ইটো পৰম মঙ্গল
যাহাৰ থাকে বাক্যত।
সিটো পুৰুষৰ ভস্ম হুয়া যায়
মহাপাপ কোটি শত ॥

যাৰ মুখত পৰম মঙ্গলময় কৃষ্ণ নাম থাকে অৰ্থাৎ যিসকলে সমন্বতে ঈশ্বৰৰ নাম উচ্চাৰণ কৰে, সেই মানুহৰ অসংখ্য মহাপাপ থাকিলেও সেইবোৰ নাশ হয় অৰ্থাৎ সেই মানুহৰ আৰু পাপ কাম কৰিবলৈ প্ৰবৃত্তি নজন্মা হয় আৰু ক্ৰমে তেওঁ পবিত্ৰ হৈ উঠে।

[ ৩৪৫ ]

পৰম উজ্বল হৰি নাম ৰত্ন
কণ্ঠতো যিটো পিন্ধয়।
তাহাৰ পুৰুষ যতেক আছয়
সবাকে শোভা কৰয় ॥

যি মানুহে পৰম পবিত্ৰ হৰি-নাম ৰূপ উজ্বল ৰত্ন ( মণি ) গলত পিন্ধে অৰ্থাৎ যি মানুহে অহৰ্নিশে সুপবিত্ৰ হৰি-নাম লয়, সেই লোকে পিতৃ, পিতামহ, পুত্ৰ, নাতি আদি সকলো পুৰুষ শুৱনি কৰে অৰ্থাৎ বংশৰ গৌৰব বঢ়ায়।

মুক্তানামপি সিদ্ধানাং নাৰায়ণপৰায়ণঃ।
সুদুৰ্লভঃ প্ৰশান্তাত্মা কোটিষ্বপি মহামুনে॥ (৩৪৬)

[ ৩৪৬ ]

পৰম প্ৰশান্ত নাৰায়ণ পৰ
মুক্তৰো মাজে বিৰল।
এহিমানে মাত্ৰ পুৰুষাৰ্থ সাৰ
হৰিৰ সেৱাৰ বল॥

ভগৱানত প্ৰীতি থকা লোক অতি শান্তিযুক্ত, এনে শান্তি থকা বা আত্ম-আনন্দলাভ কৰা লোক জীৱন্মুক্তসকলৰ ভিতৰতো কম; হৰিপদ সেৱাৰ বলত লাভ কৰা এই আত্ম-প্ৰসাদেই জীৱৰ পৰম পুৰুষাৰ্থ অৰ্থাৎ জীৱে আত্ম-আনন্দ লাভ কৰিবৰ উদ্দেশ্যেহে হৰি-পদ সেৱা কৰে।

যথা ন তে ভূৰিভৱাৰতাৰ ভাৰাৱসন্নস্য হৰেৰ্বিত্ৰী।
অন্তৰ্হিতস্য স্মৰতি বিসৃষ্টা কৰ্ম্মাণি নিৰ্ব্বাণ বিড়ম্বিতানি॥
(৩৪৭—৩৫০)

[ ৩৪৭ ]

ধৰ্ম্মে পৃথিবীৰ আগত কহিলা
মহাভাগৱত ধৰ্ম্ম।
মুকুতি সুখৰ কেৱল আশ্ৰয়
জানা মাধৱৰ কৰ্ম্ম॥

ভাগৱত ধৰ্ম্ম—অহিংসাত্মক কৰ্ম্মযোগমূলক ধৰ্ম্ম।

ধৰ্ম্মে মহাভাগৱতৰ ধৰ্ম্মৰ কথা পৃথিবীৰ আগত কৈছিল যে, মাধৱৰ কৰ্ম্মেই মুকুতি সুখৰ কেৱল আশ্ৰয়। বেদ ঈশ্বৰৰ বাণী, বেদান্ত বেদৰ তাৎপৰ্য্য আৰু মহাভাগৱত পুৰাণ বেদান্তৰেই সাৰ সংগ্ৰহ; গতিকে ইয়ো ঈশ্বৰৰ বাণী। ধৰ্ম্ম অৰ্থে ঈশ্বৰ' তেওঁ নিজে মহাভাগৱতৰ ধৰ্ম্মৰ কথা পৃথিবীৰ লোকসকলক কওঁতে এইদৰে কৈছিল যে, মুক্তিৰ সুখ কেৱল মাধৱৰ কৰ্ম্ম কৰিলেই পোৱা যায়; অৰ্থাৎ মাধৱৰ নাম-গুণ শ্ৰৱণ-কীৰ্ত্তন কৰিলেই মুক্তিলাভ কৰিব পাৰি।

[ ৩৪৮ ]

কৃষ্ণ গুণ নাম ধৰ্ম্মেসে পৰম
মঙ্গলৰো সুমঙ্গল।
কৃষ্ণৰ কীৰ্ত্তন ৰসেসে কেৱল
মুকুতি সুখৰ ফল॥

কৃষ্ণৰ নাম-গুণ কীৰ্ত্তন পৰম ধৰ্ম্ম আৰু সি অতি মঙ্গলপ্ৰদ; কৃষ্ণৰ নাম-গুণ কীৰ্ত্তনত ওপজা ৰস বা আনন্দই মুক্তি সুখৰ ফল স্বৰূপ। মুক্তিসুখতেই আনন্দ; আনন্দ ওপজে নাম কীৰ্ত্তনত; নাম কীৰ্ত্তনত ওপজা আনন্দ মুক্তিসুখৰ ফলস্বৰূপ।

[ ৩৪৯ ]

যিহেতু কৃষ্ণৰ কীৰ্ত্তন ধৰ্ম্মত
নাহিকে পাত্ৰ নিয়ম।

কেৱল কৃষ্ণৰ কীৰ্ত্তনে কৰয়
সমস্তকে নৰোত্তম ॥

কৃষ্ণৰ নাম-গুণ কীৰ্ত্তনত ধৰ্ম্মৰ পাত্ৰ-অপাত্ৰ ( ই কৰিব পাৰে, সি অমুক জাতিৰ, কৰিব নোৱাৰে ইত্যাদি ) ভেদ নাই, আৰু একো বন্ধা ধৰা নিয়মো নাই ; অৰ্থাৎ সন্ধ্যা সময়ত কীৰ্ত্তন কৰিব পায়, দুপৰীয়া বা আবেলি কৰিব নাপায়, এইদৰে বহিব লাগে, আঠু কাঢ়িলে নহয় ইত্যাদি নিয়ম নাই; সেই কাৰণে এই ধৰ্ম্ম অতি উত্তম। কৃষ্ণৰ এই গুণ-কীৰ্ত্তন কৰাৰপৰাই সকলোৱে পৱিত্ৰ হৈ উৎকৃষ্ট লোক হব পাৰে।

[ ৩৫০ ]

অন্যত্ৰ সাধনে কোন বিচক্ষণ
জনক মোক্ষ দিৱয়।
কৃষ্ণৰ জন্মৰ কৰ্ম্মৰ কীৰ্ত্তনে
মুকুতিকো বিড়ম্বয় ॥

অন্যত্ৰ সাধনে—ধৰ্ম্মৰ অন্য পন্থ ধৰি ; অন্য দেৱ-দেৱীক উপাসনা কৰি। বিচক্ষণ জন – বুধিয়ক. পণ্ডিত, চতুৰ।

মুক্তিৰ অধিকাৰী কেৱল ভগৱান। জ্ঞান-বুদ্ধি থকা শাস্ত্ৰজ্ঞ পণ্ডিতসকলে অন্য দেৱ-দেৱীক উপাসনা কৰিলে সেই দেৱ-দেৱীসকলে তেওঁ মুক্তি দিব নোৱাৰে। কৃষ্ণৰ লীলা চৰিত্ৰ গাওঁতাজনে অৰ্থাৎ যি একান্তমনে হৰিৰ নাম-গুণ শ্ৰৱণ কীৰ্ত্তন কৰে, তেওঁ ভগৱানৰ ভক্তি ৰসত ইমান মোহ যায় যে মুক্তিৰ নিচিনা কাম্য বস্তুকো তেওঁ ঘূৰি নাচায়, মুক্তি এনেই পাচত লাগি আছে।

[ ৩৫১ ]

ৰামনাম ইটো দুগুটি অক্ষৰ

বলৰ নাহিকে সীমা ।

মুকুতি সুখকো কৰিলা অধীন

আছোক আন মহিমা ॥

ভগৱানৰ নাম "ৰাম" এই শব্দৰ আখৰ দুটাৰ বলৰ সীমা নাই ; ইয়াৰ আন মাহাত্ম্যৰ কথাই নকওঁ, ই মুক্তিসুখকো অধীন কৰে ; অৰ্থাৎ ৰামনামৰ ৰসত ভকত ইমান তৃপ্ত হয় যে, তেওঁ মুক্তিলৈ নভবা স্বত্বেও মুক্তি তেওঁৰ পাচে পাচে লৰ ধৰে বা ভকতে নিকাম ভাবে ৰামনাম লোৱা স্বত্বেও তেওঁ মোক্ষ লাভ কৰে ।

[ ৩৫২ ]

যিটো ৰুদ্ৰদেৱে পৰম লীলায়ে

জগতক সংহাৰন্ত ।

ৰামৰ নামৰ তেহো হুয়া বশ্য

দিনে ৰাতি সুমৰন্ত ॥

[ ব্ৰহ্মা, বিষ্ণু, ৰুদ্ৰ এই তিনিটা ভগৱানৰ শক্তি ; ভগৱানেই ৰুদ্ৰৰূপে জগতৰ সংহাৰ কাৰ্য্য কৰে । পুৰাণত এই ৰুদ্ৰক ভক্ত দেৱতা কল্পনা কৰি ভগৱানৰ পৰম ভক্তৰূপে বৰ্ণনা কৰিছে । সেই কাৰণে এই ঘোষাত কৈছে ] যি ৰুদ্ৰদেৱে আচৰিত উপায়ে জগতৰ সংহাৰ কাৰ্য্য সাধন কৰে, সেই অশেষ ক্ষমতাপন্ন মহাদেৱে ৰাম নামত বশ হৈ অৰ্থাৎ ৰামনামৰ ৰসত মোহ গৈ সদায় সেই নাম লৈ ফুৰে ।

[ ৩৫৩ ]

নাৰদ সনত- কুমাৰ অনন্ত
শুকমুনি আদি কৰি।
মুকুতি সুখক ঠেলি ৰামনাম
সদায় ফুৰে সুমৰি ॥

ৰামনাম এনে ৰসযুক্ত আৰু আনন্দদায়ক যে, নাৰদ, সনতকুমাৰ, অনন্ত, শুকদেৱ আদি মুনিসকলে মুক্তিসুখকো ত্যাগ কৰি অৰ্থাৎ নিষ্কামভাৱে সদায় ৰামনামকে লৈ আনন্দ কৰে।

পৰমাত্মা পৰব্ৰহ্ম সচ্চিদানন্দ বিগ্ৰহঃ।
পৰংজ্যোতি পৰংধাম পৰাকাষ্ঠা পৰাৎপৰঃ ॥
জগতঃ সৰ্ব্ববেদাংশ্চ সৰ্ব্বমন্ত্ৰাংশ্চ পাৰ্ব্বতি।
তস্মাৎ কোটিগুণং পুণ্যং ৰামনাম্নৈব লভ্যতে ॥ (৩৫৪)

[ ৩৫৪ ]

ইটো ৰামনাম আপোনাৰ গুণে
ঈশ্বৰক কৰে বশ্য।
এতেকে জানিবা ৰামনাম বিনে
শাস্ত্ৰৰ নাহি ৰহস্য ॥

ৰহস্য—সাৰ তত্ত্ব।

ৰাম-নামৰ এনে গুণ যে, ইয়াক একাত্মমনে ললে ই ঈশ্বৰকো

নাম লওঁতাৰ ( ভক্তৰ ) অধীন কৰে, অৰ্থাৎ ভগৱানৰ নাম-গুণ একান্ত-মনে কীৰ্ত্তন কৰিলে, সেই ভক্তজন ভগৱানৰ অতি প্ৰিয়পাত্ৰ হয়; গতিকে ভগৱানে ভক্তৰ ইচ্ছাধীন হবলৈ বাধ্য হয়। এই কাৰণে ৰাম নামেই সকলো শাস্ত্ৰৰ সাৰতত্ত্ব; অৰ্থাৎ সকলো শাস্ত্ৰে নাম-ধৰ্ম্মকেই সাৰ বুলি স্থিৰ কৰিছে।

[ ৩৫৫ ]

চৈতন্য ঈশ্বৰ আদিত্য যাহাৰ
হিয়াত ভৈলা প্ৰকাশ।
কালমেঘ প্ৰায় অবিদ্যা আন্ধাৰ
তাহাৰ হোৱে বিনাশ ॥

চৈতন্য ঈশ্বৰৰূপে আদিত্য যাৰ অন্তৰত প্ৰকাশ হয়, তাৰ অন্তৰৰ কলা মেঘৰদৰে অবিদ্যাৰূপ আন্ধাৰ নাশ হয় অৰ্থাৎ সূৰ্য্য উদয় হলে যিদৰে কলা মেঘৰদৰে আন্ধাৰ গুচে, সেইদৰে যি চৈতন্যময় ঈশ্বৰক হিয়াত উপলব্ধি কৰে, তেওঁৰ অন্তৰৰপৰা অজ্ঞান আঁতৰ হয়।

[ ৩৫৬ ]

ভালুক বান্দৰ ৰাক্ষস তৰিল
ৰামক কৰিয়া সেৱ।
হেনয় পৰম কৃপালু দেৱতা
ৰাম বিনে নাহি কেৱ ॥

ভগৱান এনে কৃপালু যে তেওঁ ৰাম অৱতাৰ ধৰোঁতে ভালুক বান্দৰ, ৰাক্ষস প্রকৃতিৰ লোকবিলাকেও তেওঁক ভক্তি কৰি গতিলাভ কৰিছিল। ভগৱানৰ বাহিৰে এনে দয়াময় দেৱতা আৰু কোনো নাই।

নিগু´ণ কৃষ্ণদেৱস্য গুণাণি কীর্ত্তনং কুৰু।
এষো ধৰ্মঃ সনাতনঃ জানাতীতি শ্ৰীশঙ্কৰঃ ॥ (৩৫৭)

[ ৩৫৭ ]

নিৰ্গুণ কৃষ্ণৰ গুণক প্ৰকাশ
কৰিলা শ্ৰীশঙ্কৰে।
শ্ৰৱণ কীৰ্ত্তন কৰি মহাসুখে
পাপীয়ো সংসাৰ তৰে ॥

শ্ৰীমন্ত শঙ্কৰদেৱে সত্ত্ব, ৰজ, তম গুণাতীত ভগৱানৰ লীলা-চৰিত প্ৰকাশ কৰি তেওঁৰ উপাসনাৰ পন্থা উলিয়ালে; সেই কাৰণে আজি পাপীসকলেও ভগৱান নাম-গুণ, শ্ৰৱণ-কীৰ্ত্তন কৰিঅনায়াসে আজি পাপীসকলেও ভগৱানৰ নাম-গুণ, শ্ৰৱণ-কীৰ্ত্তন কৰি অনায়াসে গতিলাভ কৰে।

[ ৩৫৮ ]

পৰম ঈশ্বৰ কৃষ্ণ দেৱতাৰ
গুণৰ নাহিকে অন্ত।
ইহাৰ তত্ত্বক জানিবা কেৱলে
শঙ্কৰে মাত্ৰ জানন্ত।

পৰমেশ্বৰ কৃষ্ণ দেৱতাৰ গুণৰ সীমা নাই। আমাৰ দেশৰ সেই সময়ৰ জ্ঞানীসকলৰ ভিতৰত কেৱল শ্ৰীশঙ্কৰদেৱে পৰমেশ্বৰৰ তত্ত্ব পাইছিল। গতিকে তেওঁ প্ৰচাৰকৰা নাম-ধৰ্ম্ম সত্য আৰু সনাতন,]

[ ৩৫৯ ]

ৰাম কৃষ্ণ হৰি গোপাল গোবিন্দ
মুকুন্দ মধু-মুৰাৰি।
ভকতৰ ধন হৃদয় ৰঞ্জন
ব্ৰজজন অধিকাৰী॥

মধু-মুৰাৰি—মধু আৰু মুৰ দৈত্যৰ অৰি; ভগৱানে এই দুই দৈত্যক মাৰিছিল, সেই কাৰণে তেওঁক "মধু-মুৰাৰি" বোলে।

হে ৰাম কৃষ্ণ হৰি গোপাল গোবিন্দ মুকুন্দ মধুমুৰাৰি, তুমি ভক্তৰ পৰম প্ৰিয় বস্তু আৰু তেওঁলোকৰ হৃদয়ত আনন্দ দিওঁতা; তুমিয়েই কৃষ্ণ অৱতাৰত ব্ৰজৰ লোকসকলৰ অধিপতি আছিলা।

[ ৩৬০ ]

ৰাম অনন্ত প্ৰভু ভগৱন্ত
ভকত ভয় ভঞ্জন।
নিত্য নিৰঞ্জন দানৱ গঞ্জন
সজ্জন জন ৰঞ্জন্॥

হে প্ৰভু ৰাম, তুমি অনন্ত অৰ্থাৎ তোমাৰ শেষ নাই; তুমি ভগৱন্ত অৰ্থাৎ তুমিয়েই জগতৰ ঐশ্বৰ্য্যৰ গৰাকী; তুমি ভক্তক অভয় দিওঁতা; তুমি নিত্য অৰ্থাৎ তুমি সদায় আছা; তুমি নিৰ্ম্মল আৰু দানৱ-দমনকাৰী; আৰু তুমিয়েই সাধুসকলক আনন্দ দিওঁতা।

[ ৩৬১ ]

ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰঘুপতি
ৰাঘৱ ৰঘুনন্দন।
অনাদি অনন্ত শিৱ সনাতন
অচ্যুত জগবন্দন॥

হে ৰাম ৰঘুপতি ৰাঘৱ ৰঘুনন্দন, তুমি অনাদি, তুমি অনন্ত তুমি মঙ্গলময়, তুমি নিত্য, তুমি বিনাশ শূন্য আৰু তুমিয়েই জগতবাসীৰ বন্দ্য।

[ ৩৬২ ]

দৈৱকীনন্দন ৰাম নাৰায়ণ
জগত কাৰণ ৰাম।
সৰ্ব্বদেৱ শিৰো- মণি নাৰায়ণ
সমস্ত সুখৰ ধাম॥

ধাম—মূল কাৰণ, স্থান, গৃহ।

[ ভগৱানে দৈৱকীৰ উদৰত কৃষ্ণৰূপে জন্মিছিল ; সেই কাৰণে কৈছে ] হে দৈৱকীনন্দন নাৰায়ণ ৰাম, তুমি জগতৰ কাৰণ অৰ্থাৎ তোমাৰ পৰাই জগত উদ্ভৱ হৈছে ; আৰু ইন্দ্ৰ, বায়ু, বৰুণ আদি যত দেৱতা আছে সকলো দেৱতাৰ ভিতৰত তুমিয়েই শ্ৰেষ্ঠ ; আৰু প্ৰভু, তুমি ইহ-পৰকালৰ সকলো সুখৰ স্থান অৰ্থাৎ তোমাক সেৱা কৰিলে সকলো প্ৰকাৰ সুখ পোৱা যায়।

[ ৩৬৩ ]

নিৰাকাৰ নিৰা ময় নৰোত্তম

নাৰায়ণ নিৰঞ্জন ॥

মুকুন্দ মুৰাৰি ভয় ভয়হাৰী

ভকত জন ৰঞ্জন ॥

নিৰাময়—নিঃ+আময় ( ৰোগ ) = ৰোগশূন্য, জড়া-ব্যাধিহীন।

হে আকাৰহীন, ৰোগ জড়া-ব্যাধিহীন ( অতীত ) নৰোত্তম, নাৰায়ণ, নিৰঞ্জন, মুকুন্দমুৰাৰি, তুমি ভৱভয় হৰণ কৰোঁতা অৰ্থাৎ তোমাৰ নাম লৈয়ে সংসাৰী লোকে সকলো ভয় দূৰ কৰিব পাৰে বা জন্মৰ হাত সাৰে, আৰু তুমি ভকতৰ হৃদয়ত আনন্দ দিওঁতা অৰ্থাৎ তোমাক ভাবি ভকতে হৃদয়ত অপাৰ আনন্দ পায়।

বাসুদেৱ বাসুদেৱ বাসুদেৱেতি যো বদেৎ।
বৎসং গৌৰিৱ ধাৱন্তমনুধাবতি পৃষ্ঠতঃ॥ ( ৩৬৪ )

[ ৩৬৪ ]

মাধৱৰ নাম বৎস প্ৰায় ভৈল

ভক্তে তাঙ্ক লৈয়া যান্ত।

বেদৰ ঈশ্বৰ হৰি ধেনু যেন

তাৰ পাছে পাছে যান্ত ॥

ভগৱন্তৰ নাম গাইৰ দামুৰীৰ দৰে; ভক্তে সেই নামৰূপ দামুৰি লৈ যায় আৰু বেদৰ উক্ত কৰা ঈশ্বৰ হৰি গাইৰদৰে সেই নামৰূপ

দামুৰীৰ পাছে পাছে যায়; অৰ্থাৎ যিদৰে দামুৰি লৈ গলে গাইজনী পাছে পাছে যায়, সেইদৰে দামুৰি সদৃশ ভগৱানৰ নাম ভকতে একান্তমনে লগে গাই স্বৰূপ ভগৱান ৰব নোৱাৰি ভক্তৰ লগে সগে ফুৰে বা ভক্তৰ হিয়াত দেখা দিয়ে।

তেঽপি পূজ্যাস্তেঽপি ধন্যা স্ত এব সুহৃদো জনাঃ।
স্মৰন্তঃ স্মাৰয়ন্তো যে হৰের্নাম কলৌ যুগে॥
(৩৬৫—৩৬৮)

[ ৩৬৫ ]

তাৰা সবে পূজ্য তাৰা সবে ধন্য
তাৰাসে সুহৃদ জন।
কলি যুগে হৰি আনকো বোলাৱে
আপুনি কৰে কীৰ্ত্তন॥

(ভগৱানে কৈছে) সেই সকলেই পূজনীয় লোক, সেই সকলেই ধন্য আৰু সেই সকলেই আমাৰ প্ৰিয়তম বন্ধু—যিসকলে এই কলিকালত নিজে হৰি-নাম-গুণ কীৰ্ত্তন কৰে আৰু আনৰ হতুৱাইও কীৰ্ত্তন কৰোৱায়।

[ ৩৬৬ ]

হৰিক বান্ধৱ বুলিয়া যিজনে
কৰয় হৰি কীৰ্ত্তন॥
সমস্ত শাস্ত্ৰৰ তত্ত্বক জানিল
জানা সেহি মহাজন

ধৰ্ম্ম সম্বন্ধীয় সকলো শাস্ত্ৰৰ শেষ সিদ্ধান্ত হৰিনাম-কীৰ্ত্তন। যি মানুহে হৰিকেই পৰম প্ৰিয়তম বুলি ধৰি হৰিৰ নাম গুণ-কীৰ্ত্তন কৰে সেই লোকেই ধৰ্ম্ম সম্বন্ধীয় সকলো শাস্ত্ৰ জনাৰদৰে হয়; আৰু তেওঁকেই সন্ত বা সাধু বোলে।

[ ৩৬৭ ]

যেৱে হৰিপদে শৰণ পশিলো
হৰিনাম লৱে মুখে।
হৰিৰ প্ৰসাদ পাৱয় সিজনে
মায়াক তৰয় সুখে॥

যিজনে ভগৱন্তৰ চৰণত আশ্ৰয় লৈ যেতিয়া তেওঁৰ নাম একান্ত মনে কীৰ্ত্তন কৰে, সেই লোকে তেতিয়া ভগৱানৰ কৃপা পায়, আৰু অতি অনায়সে সংসাৰ মায়াৰ হাত সাৰে।

[ ৩৬৮ ]

ধন্য কলিযুগ ধন্য ৰাম নাম
ধন্য ধন্য নৰকায়া।
ভাগ্যহীন জানো জপি ৰাম নাম
তৰয় দুষ্টৰ মায়া॥

এই কলিযুগ ধন্য, ৰামনাম ধন্য আৰু এই মানৱ জন্মও ধন্য; কিয়নো এই কলিকালত দুখী দৰিদ্ৰ লোকেও অল্প খৰচ বহুল পূজা-পাতাল নকৰাকৈ কেৱল ৰামনাম জপ কৰিয়েই অতি কষ্টেৰে এৰাক

নোৱাৰা মায়াৰ হাত অনায়াসে এৰাব পাৰে বা মায়াময় সংসাৰৰপৰা উদ্ধাৰ হব পাৰে।

[ ৩৬৯ ]

কলিৰ লোকৰ ভাগ্যৰ মহিমা
কোনে কহি পাৰে পাৰ।
হৰি গুণ নাম কলিৰ স্বধৰ্ম্ম
সমস্ত শাস্ত্ৰৰ সাৰ॥

এই কলিকালত জন্মলাভ কৰা লোকৰ সৌভাগ্যৰ মহিমাৰ কথা কৈ কেৱে শেষ কৰিব নোৱাৰে; কিয়নো সকলো শাস্ত্ৰৰ সাৰ স্বৰূপ অতি সহজ হৰিৰ নাম-গুণ শ্ৰৱণ-কীৰ্ত্তন কৰাই কলিৰ নিজা ধৰ্ম্ম; অৰ্থাৎ অন্যান্য যুগত ঈশ্বৰক উপাসনা কৰাৰ নানা ৰকমৰ কষ্টসাধ্য ক্ৰম আৰু ব্যৱস্থা আছে, কলিকালত কিন্তু হৰিৰ নাম-গুণ শ্ৰৱণ-কীৰ্ত্তন কৰাই ধৰ্ম্ম; ই অতি সহজ। স্ত্ৰী, শূদ্ৰ সকলোৱে অনায়াসে লব পাৰে, গতিকে কলিত জন্মা লোকসকলেই পৰম ভাগ্যবান।

[ ৩৭০ ]

হৰি কথা ৰস নিৰ্ম্মল অমৃত
যিটো জনে পান কৰে।
সংসাৰ মধ্যত সি সি জন মাত্ৰ
সফল জনম ধৰে॥

যি মানুহে হৰি-কথা ৰসস্বৰূপ নিৰ্ম্মল অমৃত পান কৰে অৰ্থাৎ যি হৰি-কথা আলাপন কৃৰি অমৃতোপম সুখ উপভোগ কৰে, সংসাৰত এইসকল লোকৰ জন্মই সাৰ্থক; [জীৱে অনেক জন্মৰ পাছত সকলো জন্মৰ কৰ্ম্মফল স্বৰূপ বুদ্ধি বিবেচনা সম্পন্ন মানৱ-জন্ম গ্ৰহণ কৰে। এই জন্মত হৰিক ভজিলে জীৱে মোক্ষ লাভ কৰিব পাৰে। যি মানুহে এই জন্মত হৰিক ভজি জন্মলাভৰ উদ্দেশ্য সাধন কৰে, তেওঁলোকৰ জন্মই সাৰ্থক]।

শ্ৰীভাগৱতং মূলাধাৰা মোক্ষাদয়স্তস্য নিৰ্ঝৰাঃ।
ভগৱদ্ভক্তি নদী তস্যা বহতীহ বৈকুণ্ঠান্মধুৰা॥

(৩৭১—৩৭২)

## বস্তু প্ৰকাশ

[৩৭১]

হৰিনাম ৰসে বৈকুণ্ঠ প্ৰকাশে
প্ৰেম অমৃতৰ নদী।
শ্ৰীমন্ত শঙ্কৰে পাৰ ভাঙ্গি দিলা
বহে ব্ৰহ্মাণ্ডক ভেদি॥

হৰি-নাম-ৰস বৈকুণ্ঠৰ বস্তু অৰ্থাৎ বৈকুণ্ঠত ভক্তসকলে হৰি-নাম অহৰহ লৈ থকাত তাত সদায় নাম-ৰস ওপজে। বৈকুণ্ঠত হৰিৰ এই প্ৰেমৰূপ অমৃতৰ নৈ সদায় বয় অৰ্থাৎ বৈকুণ্ঠবাসীসকল সদায় কৃষ্ণ-প্ৰেমত মতলীয়া। নৈৰ পাৰ ভাঙি দিলে যিদৰে তাৰ পানী

বাগৰি বহুত পথাৰ তল নিয়ায়, সেইদৰে শাস্ত্ৰৰ মাজত লুকাই থকা বৈকুণ্ঠৰ বস্তু কৃষ্ণ-প্ৰেম শ্ৰীমন্ত শঙ্কৰে শাস্ত্ৰ মথি উলিয়াই দিয়াত গোটেই জগতত সি বিস্তাৰিত হৈ পৰিছে।

[ ৩৭২ ]

গোবিন্দৰ প্ৰেম অমৃতৰ নদী
বহে বৈকুণ্ঠৰ পৰা।
চাৰি পুৰুষাৰ্থ তাহাৰ নিঝৰা
হৰিনাম মূল ধাৰা॥

চাৰি পুৰুষাৰ্থ—ধৰ্ম্ম, অৰ্থ, কাম, মোক্ষ।

এই চাৰি বিধ পুৰুষাৰ্থৰ প্ৰত্যেক বিধৰে সৰল ব্যাখ্যা দিয়া হল।

হৰিৰ প্ৰেমৰূপ অমৃতৰ নৈ বৈকুণ্ঠৰপৰা বয় অৰ্থাৎ বৈকুণ্ঠৰ বস্তু হৰি-প্ৰেম, নৈৰ আকাৰে পৃথিৱীলৈ নামি আহাৰদৰে শাস্ত্ৰৰ মাজেদি পৃথিৱীত প্ৰকাশ হয়; নৈৰ মূল ধাৰাৰদৰে হৰিনামেই হৈছে কৃষ্ণ-প্ৰেম জন্মাব প্ৰধান অৱলম্বন আৰু নৈতপৰা নিঝৰাৰদৰে ধৰ্ম্ম, অৰ্থ, কাম, মোক্ষই হৈছে তাৰ লগত লাগি অহা ফল অৰ্থাৎ হৰিনাম কীৰ্ত্তন কৰিলে হৰি-প্ৰেম জন্মে আৰু ধৰ্ম্ম, অৰ্থ, কাম, মোক্ষ চতুৰ্ব্বৰ্গ সাধন হয়।

[ ৩৭৩ ]

হৰিভক্তি দান দিয়া জগতক
তৰিলা সংসাৰ সিন্ধু।

হেনয় কৃপালু শঙ্কৰ বিনায়
নাহি নাহি আৰ বন্ধু ॥

শ্ৰীমন্ত শঙ্কৰে জগতৰ লোকক হৰিক কেনেকৈ ভক্তি কৰিব লাগে তাক দেখুৱাই সকলোকে সংসাৰ-সাগৰৰপৰা উদ্ধাৰ কৰিলে ; গতিকে শঙ্কৰৰ বাহিৰে এনেকুৱা কৃপালু বন্ধু আৰু নাই।

[ ৩৭৪ ]

হৰি ভকতিৰ পাতিলন্ত হাট
শঙ্কৰে জগত জুৰি।
ৰামনাম ৰত্নে বিকায়া জগতে
চলয় বৈকুণ্ঠ পূৰী ॥

হাটত দোকান পাতাৰদৰে শ্ৰীমন্ত শঙ্কৰে গোটেই জগততে হৰি ভক্তিৰ সত্ৰ-সচং স্থাপন কৰিলে ; মহাজনে দোকানীৰ হতুৱাই বস্তু বিক্ৰী কৰোৱাৰদৰে শঙ্কৰে সত্ৰ-সচত্ত থকা আচাৰ্য্যসকলৰ হতুৱাই জগতবাসীত ৰামনাম ৰূপ ৰত্ন বিক্ৰী কৰোৱাই নিজে বৈকুণ্ঠলৈ গুচি গল। [ ইয়াত বিক্ৰয়ৰ বস্তু ৰামনাম, আৰু শিষ্যৰ ভাব-ভক্তি তাৰ মূল্য। ]

[ ৩৭৫ ]

শ্ৰীমন্ত শঙ্কৰ হৰি ভকতৰ
জানা যেন কল্পতৰু ॥
তাহান্ত বিনায় নাই নাই নাই
আমাৰ পৰম গুৰু ॥

হৰিভক্তৰ পক্ষে শ্ৰীমন্ত শঙ্কৰে কল্পতৰু বৃক্ষৰদৰে অৰ্থাৎ হিন্দুৱে কল্পনা কৰা স্বৰ্গত থকা কল্পতৰু বৃক্ষত যি খোজা যায় তাকে পোৱাৰদৰে কৃষ্ণভক্তৰ পক্ষে শ্ৰীমন্ত শঙ্কৰো তেনে কল্পতৰুৰূপী কৃপালু; ভক্তসকলে ভক্তিভাৱে পৰমাৰ্থতত্ত্ব বিষয়ক যি খোজে, তেওঁ তাকে সেইসকলক দিয়ে অৰ্থাৎ শ্ৰীমন্ত শঙ্কৰৰ প্ৰচাৰিত ধৰ্মত সুদৃঢ় বিশ্বাস কৰি যেয়ে যি ভাৱে ভাৱনা কৰে, তাৰে সেই ভাব সিদ্ধি হয়: সেইকাৰণে গ্ৰন্থকাৰে কৈছে, তেৱেঁই মোৰ পৰম গুৰু; তেওঁত বাজে আৰু মোৰ আন উপাস্য দেৱতা নাই।

## নিবেদন

জীৱনং সৰ্ব্বভূতানাং জনকস্ত্বং জগদ্গুৰো।
তন্মায়ালীনতাং প্ৰাপ্তা ত্বয়ৈব জনিতা প্ৰভো॥ ( ৩৭৬—৩৭৯ )

[ ৩৭৬ ]

কতনো অমোঘ অপৰাধ হৰি
কৰিয়া আছো প্ৰচুৰ।
বুদ্ধিত থাকিয়া নেদেহা সুবুদ্ধি
কৃপাৰ হুয়া ঠাকুৰ॥

হে হৰি, মই নজনাৰ কাৰণে কিমান অপৰিমিত গুৰুতৰ দোষ কৰিছোঁ তাৰ সীমা নাই, তুমি পৰম কৃপালু ঠাকুৰ হৈ বুদ্ধিত থাকি অৰ্থাৎ আত্মাৰূপে হিয়াত অধিষ্ঠান কৰিও কিয় মোক ভাল বুদ্ধি নিদিয়া অৰ্থাৎ ভালমতে নচলোৱা ?

[ ৩৭৭ ]

যিহেতু তোমাৰ চৰণ পঙ্কজে
নভজিলো নাৰায়ণ।
সিহেতু অনাদি অবিদ্যা আমাৰ
কৰিল জ্ঞান উচ্ছন্ন॥

অবিদ্যা—অজ্ঞান, মায়া।
অনাদি—অপৰিমিত, ঘোৰ।

হে নাৰায়ণ, মই তোমাৰ চৰণ পঙ্কজত আশ্ৰয় নোলোৱাৰ কাৰণে ঘোৰ অজ্ঞানে (মায়াই) মোৰ জ্ঞান নাশ কৰিলে অৰ্থাৎ তোমাৰ সেৱা পূজা নকৰাত মায়াই সুবিধা পাই মোৰ জ্ঞান ঢাকি পেলালে বা মোহত পৰি মই তোমাক পাহৰিলোঁ।

[ ৩৭৮ ]

তুমি নিজ পিতৃ গুৰু ইষ্টদেৱ
নভজো তোমাৰ পাৱে।
এহি দোষে মোক যমদূতে ধৰি
যাতনা দুখ ভুঞ্জাৱে॥

হে হৰি, তুমিয়েই মোৰ পিতৃ; অৰ্থাৎ তোমাৰ পৰাই মই জন্ম লাভ কৰিছোঁ, তুমি মোৰ গুৰু আৰু পূজনীয়জন আৰু তুমিয়েই মোৰ আৰাধনাৰ ধন; তথাপি মই তোমাৰ আশ্ৰয় নলওঁ বা তোমাক নাভাবোঁ; এই দোষৰ কাৰণে যমদূতে মোক যাতনা দিয়ে অৰ্থাৎ তোমাক নভবাৰ ফলত মই সংসাৰত আয়াযাত কৰি অশেষ কষ্ট ভোগ কৰোঁ।

[ ৩৭৯ ]

তুমি প্ৰিয় আত্মা পৰম দেৱতা
তোমাক ভৈলো বিমুখ।
এতেকে তোমাৰ মায়ায়ে আমাক
দিলেক সংসাৰ দুখ ॥

হে প্ৰভু, তুমি মোৰ প্ৰিয়তম আত্মা আৰু সৰ্ব্বদেৱ শ্ৰেষ্ঠ, তথাপি মই তোমালৈ পিঠি দিলোঁ অৰ্থাৎ মই তোমাক ভাবিবলৈ এৰিলোঁ ; মই তোমাক নভবাৰ কাৰণে তোমাৰ সৃজিত মায়াই মোক আগুৰি ধৰিলে আৰু নানা প্ৰকাৰ সংসাৰ-কষ্ট দিলে।

## কলিধৰ্ম্ম নিৰ্ণয়

কৃতাদিষু প্ৰজা ৰাজন্ কলাবিচ্ছন্তি সম্ভৱং।
কলৌ খলু ভবিষ্যন্তি নাৰায়ণপৰায়ণাঃ ॥৩৮০

[ ৩৮০ ]

সত্যাদিৰ লোকে কলিত জনম
বাঞ্ছা কৰে নিৰন্তৰ।
হৰিগুণ গায়া নিশ্চয় কলিত
হৈবে নাৰায়ণপৰ ॥

সত্যাদিৰ লোকে—সত্য, ত্ৰেতা দ্বাপৰ প্ৰভৃতি যুগৰ লোক।

সত্য, ত্ৰেতা, আদি যুগৰ লোকসকলে কলিকালত এই পৃথিৱীত

জন্মিবলৈ সদায় ইচ্ছা কৰে, কিয়নো কলিকালত জন্মি জীৱে হৰিনাম লৈ হৰি-পৰায়ণ হব পাৰে, সেই কাৰণে তেওঁলোকে ইচ্ছা কৰে, যেন তেওঁলোকে কলিত জন্মি হৰিৰ নাম লৈ হৰি-পৰায়ণ হব।

ঘোৰে কলিযুগে প্ৰাপ্তে সৰ্ব্বধৰ্ম্মবিবৰ্জ্জিতাঃ।
নাৰায়ণপৰাঃ মৰ্ত্ত্যাস্তে কৃতাৰ্থা ন সংশয়ঃ ॥৩৮১

[ ৩৮১ ]

ঘোৰ কলিযুগে পাইলে সৰ্ব্ব ধৰ্ম্ম
বৰ্জ্জিত ভৈলা নিশ্চয়।
নাৰায়ণ পৰ ভৈলে কৃতকৃত্য
হোৱয় নাহি সংশয় ॥

ঘোৰ কলিকাল উপস্থিত হল; সকলো ধৰ্ম্ম-কৰ্ম্ম বৰ্জ্জিত হল অৰ্থাৎ পুণ্যাৰ্থে কৰা তপ, জপ, যাগ, যজ্ঞ আদি লোপ পালে। এই কালত নাৰায়ণপৰ অৰ্থাৎ নাৰায়ণক ভাল পাই তেওঁৰ নাম-গুণ, শ্ৰৱণ-কীৰ্ত্তন কৰিলে কৃতাৰ্থ হোৱা যায় অৰ্থাৎ ফললাভ স্বৰূপ মুক্তিলাভ হয়, তাৰ অলপো সংশয় নাই।

[ ৩৮২ ]

হৰি নাম গুণ কীৰ্ত্তন কলিৰ
কল্মষ কৰি বিনাশ।
অনায়াসে ঘোৰ সংসাৰ তৰিয়া
পাৱয় হৰিৰ পাশ ॥

কল্মষ—পাপ ।

হৰিৰ নাম গুণ কীৰ্ত্তন কৰিলে কলিৰ পাপ নষ্ট হয় অৰ্থাৎ মিছা, ফাঁকি, প্ৰৱঞ্চনা আদিয়ে লোকক পীড়িব নোৱাৰে, তাৰ ফলত জীৱে ৰোগ, শোক, তাপ আদিয়ে পীড়া কৰা সংসাৰৰপৰা অনায়াসে উদ্ধাৰ হৈ ভগৱানক পাব পাৰে।

[ ৩৮৩ ]

সমস্ত শাস্ত্ৰৰ পৰম নিৰ্ণীত
হৰিগুণ নাম মাত্ৰ।
কলিৰ পৰম মলিন মনুষ্য
সি ধৰ্ম্মৰ ভৈল পাত্ৰ॥

বেদ-বেদান্ত আদি বিবোৰ শাস্ত্ৰ আছে, সকলোবোৰ শাস্ত্ৰতে কেৱল হৰিৰ নাম গুণ কীৰ্ত্তনকে সাৰ ধৰ্ম্ম বুলি স্থিৰ কৰিছে। এনে উৎকৃষ্ট আৰু সহজ ধৰ্ম্ম আচৰণৰ পাত্ৰ হল কলিকালৰ পাপী মানুহ-বিলাক; অৰ্থাৎ কলিকালৰ নানাৰূপ পাপৰ মাজত থকা লোকবিলাকে সহজ আৰু নিৰ্ম্মল হৰিৰ নাম-গুণ কীৰ্ত্তন আচৰণ কৰিবলৈ পালে।

[ ৩৮৪ ]

কলিৰ লোকক পৰম কৃপালু
কৃষ্ণে কৰিলন্ত দায়া।
মোৰ গুণ-নাম গায়া মহা সুখে
তৰোক দুষ্টৰ মায়া।

পৰম দয়ালু ভগৱানে কলিকালৰ লোকবিলাকৰ নিমিত্তে দয়া কৰি এই ব্যৱস্থা কৰিলে যে, "মোৰ নাম-গুণ গায়েই লোকসকলে ঘোৰ মায়াৰ হাত সাত সাৰক" অৰ্থাৎ দয়াময় ভগৱানে নেওঁৰ নাম-গুণ লৈ কলিৰ লোকে ঘোৰ মায়াৰ হাত সাৰিব পৰা ব্যৱস্থা কৰিলে।

অচিন্ত্যকীৰ্ত্তিং সুশ্লোকাং বিততাঙ্ঘ্ৰিসাঙ্কৌ।
তমোনয়া ভৱিষ্যন্তি হ্যগাৎ স্বপদীমীশ্বৰঃ ॥৩৮৫

[ ৩৮৫ ]

কলিৰ মনুষ্য ভৈল ভাগ্যহীন
পাপ সাগৰত মজি।
হেন পাপীসবো কৃষ্ণ গুণ গায়া
তৰয় কৃষ্ণক ভজি ॥

কলিকালৰ লোকবিলাকে যুগধৰ্মৰ ফলত পাপত ডুব গৈ অধোগামী হল; কলিৰ এনে পতিত পাপীসকলেও কৃষ্ণত আশ্ৰয় লৈ আৰু তেওঁৰ নাম-গুণ শ্ৰৱণ-কীৰ্ত্তন কৰি মোক্ষ লাভ কৰে।

[ ৩৮৬ ]

কলিৰ লোকৰ যি ভাগ্য মিলিল
কহিয়া অন্ত নাপায়।
নিৰন্তৰে লোক নাৰায়ণপৰ
হোৱে হৰি গুণ গাই ॥

( কলিকাল নানা পাপযুক্ত হলেও বিশেষ কষ্টসাধ্য কাম নকৰাকৈ অতি সহজে হৰিনাম শ্ৰৱণ-কীৰ্ত্তন কৰি মোক্ষলাভ কৰিব পাৰি যেতিয়া—কলিকালত জন্মা লোকৰ ভাগ্যৰ কথা কৈ শেষ কৰিব নোৱাৰি ; এই কালৰ লোকে ভগৱানৰ নাম-গুণ কীৰ্ত্তন কৰি সদায় হৰিপৰায়ণ হয় ।

[ ৩৮৭ ]

মুকুত কোটিৰ মাজত দুৰ্ল্লভ
জানা নাৰায়ণপৰ ।
কলিযুগে হেন নাৰায়ণপৰ
হৈবে লোক নিৰন্তৰ ॥

বহুত জীৱন্মুক্ত পুৰুষৰ মাজতো ভগৱৎ ভক্ত লোক বিৰল অৰ্থাৎ মানুহে নানা প্ৰকাৰ কষ্টকৰ সাধন কৰি জীৱন্মুক্ত অৱস্থা লাভ কৰিব পাৰে, ভগৱানক ভক্তি কৰি ভক্তিৰসত আপ্লুত হৈ থকা লোকহে বৰ কম ; কিন্তু কলিকালত লোকে একান্ত মনে হৰিৰ নাম লৈয়ে সদায় এনে হৰিপৰায়ণ হব পাৰে ।

যত্ৰ সংকীৰ্ত্তনেনৈৱ সৰ্ব্বস্বাৰ্থোপলভ্যতে ।
নহ্যতঃ পৰমো লাভো দেহিনাং ভ্ৰাম্যতামিহ ॥৩৮৪

[ ৩৮৮ ]

কলিত হৰিৰ কীৰ্ত্তনত সুখে
সৰ্ব্ব পুৰুষাৰ্থ পায় ।

হৰিৰ কীৰ্ত্তন বিনায় কলিত
আন মহা লাভ নাই ॥

কলিকালত হৰিৰ নাম কীৰ্ত্তন কৰিলে অতি অপ্ৰয়াসে ধৰ্ম্ম, অৰ্থ, কাম, মোক্ষ আদি লাভ হয়। ভগৱানৰ নাম কীৰ্ত্তনৰ বাহিৰে কলিকালত আন একোতে লাভ নাই অৰ্থাৎ আন কোনো উপায়ে কলিকালত জীৱ তৰিব নোৱাৰে।

[ ৩৯০ ]

কলিৰ মলত মজিলো গোবিন্দ
গতি নাই মোৰ আন ॥
তোমাৰ নামত কৰিলো আশ্ৰয়
জানিয়া ধৰ্ম্ম প্ৰধান।

হে গোবিন্দ, মই কলিৰ পাপত ডুব গলোঁ; তোমাৰ বাহিৰে আৰু মোৰ অন্য গতি (আশ্ৰয়) নাই; সেই কাৰণে তোমাৰ নাম-গুণ, শ্ৰৱণ-কীৰ্ত্তনকে প্ৰধান ধৰ্ম্ম বুজি তাকে নিশ্চয় কৰি ধৰিলোঁ।

চিদাদিত্যো হৃদাকাশে সদা ভাতি নিৰন্তৰং।
উদয়াস্ত মনো নাস্তি কথং সন্ধ্যামুপাস্মহে ॥

[ ৩৯১ ]

চৈতন্য আদিত্য হৃদয় আকাশে
সৰ্ব্বদায়ে প্ৰকাশয়।

উদয়াস্ত নাই সন্ধ্যা উপাসনা

কৰিবো কোন সময় ॥

( ব্ৰহ্মতত্ত্ব লাভ কৰা ভক্তে কৈছে ) সূৰ্য্য আকাশত উঠাৰদৰে মোৰ হৃদয়ত চিত্তস্বৰূপে ভগৱানে দেখা দিছে, মই সদায় তেওঁক বোধ কৰিব পাৰিছোঁ বা তেওঁক দেখা পাইছোঁ। সূৰ্য্যৰ উদয়-অস্ত আছে, কিন্তু মোৰ চিৎৰূপ সূৰ্য্যৰ উদয়াস্ত নাই— সদায় তেওঁ মোৰ হিয়াত জিলিকি আছে; গতিকে গধূলি ৰাতি-পুৱা ভেদে কোনো সময়ত মই সন্ধ্যা উপাসনা কৰিম ? [ নিজ আত্মাক ভগৱানক দৰ্শন কৰা সাধকে ভগৱৎ দৰ্শনত পৰিতুষ্ট হৈ ঈশ্বৰ প্ৰেমত তন্ময় হৈ থাকে ; নিত্য-নৈমিত্তিক কৰ্ম্ম কৰা সিবিলাকৰ একো আৱশ্যক নাথাকে। ]

[ ৩৯২ ]

যিহেতু গোবিন্দ নিজ যশ প্ৰিয়

ভকত বৎসল হৰি।

সিহেতু সদায় নাম গুণ শুনি

থাকন্ত আনন্দ কৰি ॥

ভকতবৎসল—ভক্তৰ প্ৰতি স্নেহপৰায়ণ, ভক্তক ভাল পোৱা।

ভক্তক ভাল পোৱা ভগৱানে তেওঁৰ নাম-গুণ-কীৰ্ত্তন কৰা শুনিলে ভাল পায় ; সেই কাৰণে ভক্তে তেওঁৰ নাম কীৰ্ত্তন কৰিলে তাক অতি আনন্দ মনে সদায় শুনি থাকে।

[ ৩৯৩ ]

পৰম নিৰ্ম্মল ধৰ্ম্ম হৰি যশ

জগত পাৱনকাৰী।

তাতেসে আপোন যশত সন্তুষ্ট
ঈশ্বৰ প্ৰভু মুৰাৰি ॥

হৰিৰ গুণ-কীৰ্ত্তন অতি নিৰ্ম্মল ধৰ্ম্ম, ই জগতক পবিত্ৰ কৰে; সেই কাৰণে মুৰ দৈত্য বিনাশকাৰী প্ৰভু ঈশ্বৰ তেওঁৰ যশ গান শুনিলে সন্তুষ্ট হয়; অৰ্থাৎ ভগৱান দয়াময়, তেওঁৰ নাম-গুণ কীৰ্ত্তনত লোকৰ পাপৰূপ অসুৰ দূৰ হয়, লোক পৱিত্ৰ হয়; তেওঁৰ নাম-গুণ কীৰ্ত্তন কৰি লোকবিলাক পৱিত্ৰ হোৱা দেখিলে দয়াময় ভগৱান পৰিতুষ্ট হয়।

## কৃষ্ণৰ পুৰুষ লক্ষণ

ত্ৰিগম্ভীৰং সপ্তৰক্তং পঞ্চদীৰ্ঘং ষড়ুন্নতং।
যঃ স্মৰেদ্দেৱদেৱস্য তস্য সৰ্ব্বত্ৰ মঙ্গলং ॥ ৩৯৩—৩৯৭

[ ৩৯৩ ]

ঈশ্বৰ কৃষ্ণৰ শুনিয়োক মহা
পুৰুষ লক্ষণ সাৰ।
ত্ৰি গম্ভীৰ সপ্ত ৰক্ত পঞ্চ দীৰ্ঘ
উন্নত ছয় প্ৰকাৰ ॥

[ ভগৱান নিৰাকাৰ হলেও ভক্তি পথৰ প্ৰথম পথিকসকলে তেওঁক নিৰাকাৰ ভাৱে ধাৰণ কৰিবলৈ টান পায়; সেই কাৰণে হিন্দু শাস্ত্ৰত প্ৰথমে সাকাৰ ভাৱে ভাবিবলৈ ব্যৱস্থা আছে। এই গ্ৰন্থতো

এই কাৰণেই পুৰুষাকাৰ ভাৱে ভগৱানক চিন্তা কৰিবলৈ এইদৰে কৈছে ; ] ভগৱানৰ পুৰুষ আকৃতিৰ মূল কথা শুনা, তেওঁৰ গাম্ভীৰ্য্য তিনি প্ৰকাৰ, শৰীৰৰ সাত অঙ্গ ৰঙা, পাঁচ অঙ্গ দীৰ্ঘ আৰু ছয় অঙ্গ উন্নত।

[ ৩৯৪ ]

গমন গম্ভীৰ বচন গম্ভীৰ
গম্ভীৰ নাভি কমল।
এহি ত্ৰিগম্ভীৰ স্মৰণে কৃষ্ণৰ
মিলয় মহা মঙ্গল ॥

ভগৱানৰ গমন আৰু কথা গম্ভীৰ, তেওঁৰ নাভিও দ। তেওঁৰ এই তিনি প্ৰকাৰ গম্ভীৰ্য্য স্মৰণ কৰিলে লোকৰ মহা মঙ্গল হয়।

[ ৩৯৫ ]

অৰুণ নয়ন অধৰ দশন
অৰুণ কৰ চৰণ।
নখ ৰেখাচয় অৰুণ কৃষ্ণৰ
স্মৰণে দুখ তৰণ ॥

ভগৱানৰ চকু, ওঁঠ, দাঁত, হাত, চৰণ নখ আৰু শৰীৰৰ ওপৰত থকা ৰেখাবোৰ ৰঙা ; এই ভাৱে এইবোৰ অঙ্গ ভাবিলে লোক দুখ পৰা উদ্ধাৰ হব পাৰে।

[ ৩৯৬ ]

সুদীৰ্ঘ নয়ন গ্ৰীবা বাহু পদ
আৰৱ আঙ্গুলিচয়।

এহি পঞ্চ দীৰ্ঘ স্মৰণে কৃষ্ণৰ
মিলে মহা মহোদয় ॥

ভগৱানৰ চকু, যাৰ, বাহু, পদ আৰু আঙুলিবোৰ দীঘল ; তেওঁৰ শৰীৰৰ দীঘল এই পাঁচ অঙ্গ মনত ধাৰণা কৰিলে জীৱৰ পৰম ভাগ্য মিলে।

[ ৩৯৭ ]

কন্ধ উন্নত ভ্ৰূৰ নাসা পদ
উন্নত নখ হৃদয়।
এহি ছয় স্থান উন্নত কৃষ্ণৰ
স্মৰণে মোক্ষ মিলয় ॥

ভগৱানৰ কান্ধ, ভ্ৰু, নাক, পদ, নখ, আৰু বুক এই ছয় অঙ্গ ওখ ( পিঠি দেখিবলৈ বিতোপন )। ভগৱানক এই ভাৱে ধাৰণা কৰিব পাৰিলে, তাৰ ফলতে শেষত মুক্তিলাভ কৰিব পাৰি।

## যুগধৰ্ম্ম

কৃতে যদ্ধ্যায়তো বিষ্ণু ত্ৰেতায়াং যজতো মখৈঃ।
দ্বাপৰে পৰিচৰ্য্যায়াং কলৌ তদ্ধৰিকীৰ্ত্তনাৎ ॥৩৯৮

[ ৩৯৮ ]

মিনতি বচন বোলো সৰ্ব্বজন
শুনিয়ো শাস্ত্ৰৰ মৰ্ম্ম।

আপোন কুশল চাৱা যেৱে তেৱে
নেৰিবাহা যুগধৰ্ম্ম ॥

মিনতি ভাবে মই সকলোকে কওঁ, শাস্ত্রৰ সাৰ তত্ত্ব শুনা—যদি তোমালোকে নিজৰ মঙ্গল কামনা কৰা, তেন্তে কলিকালৰ যুগধৰ্ম্ম হৰিনাম কীৰ্ত্তন কৰিবলৈ নেৰিবা অৰ্থাৎ হেলা নকৰি সদায় হৰি-নাম কীৰ্ত্তন কৰিবা।

[ ৪৯৯ ]

সত্য যুগে ধ্যান ত্ৰেতা যুগে যজ্ঞ
দ্বাপৰ যুগত পূজা।
কলিত হৰিৰ কীৰ্ত্তন বিনাই
আৰৰ নাহিকে দুজা ॥

দুজা—দ্বিতীয়।

লোকৰ তেজ, বল, বুদ্ধি আয়ুস অনুসাৰে সত্য যুগত ধ্যান, দ্বাপৰত পূজা আৰু ত্ৰেতাযুগত যজ্ঞ কৰি ঈশ্বৰ আৰাধনা কৰা ব্যৱস্থা আছিল; কিন্তু কলিৰ অল্পায়ু লোকসকলৰ নিমিত্তে সহজসাধ্য হৰি-নামৰ বাহিৰে ঈশ্বৰক ভাবা আৰু দ্বিতীয় উপায় নাই।

হৰেঃ কীৰ্ত্তনমুৎসৃজ্য ধৰ্ম্মমন্যচ্চৰেৎ কলৌ।
ন কিঞ্চিৎ ফলমাপ্নোতি শ্ৰম এব হি কেৱলং ॥৫০০

[ ৪০০ ]

কলিত হৰিৰ কীৰ্ত্তন বিনায়
অন্যত্ৰ ধৰ্ম্ম আচৰে।

মিছাতে কেৱল শ্ৰম মাত্ৰ পাৱে
একোৱে ফল নধৰে ॥

কলিকালৰ আচৰণীয় ধৰ্ম হৈছে হৰিনাম। ইয়াক নকৰি যি অন্য ধৰ্ম আচৰণ কৰে, নিয়ম আৰু সংযম পালন কৰিব নোৱাৰাৰ ফলত তেওঁ ধৰ্মৰ নামে কেৱল কষ্টহে ভোগ কৰে—ফল হলে একো নহয়।

[ ৪০১ ]

কলিত হৰিৰ কীৰ্ত্তন এৰিয়া
আনমতে চাহে গতি।
যেন কুলবধূ নিজ স্বামী তেজি
ভজে গৈয়া উপপতি ॥

কলিকালত হৰিনাম কীৰ্ত্তন নকৰি আন ধৰ্ম আচৰণ কৰাতো কুলবধূয়ে নিজৰ স্বামী এৰি উপপতি ভজাৰদৰে হয়; অৰ্থাৎ তিৰোতাই উপপতিৰ লগত সহবাস কৰিলে যেনে ব্যভিচাৰ ঘটে আৰু তাৰ ফলত ইহ-পৰকাল নষ্ট হয়, সেইদৰে এই কালৰ সহজসাধ্য হৰিনাম নলৈ অন্য দেৱ-দেৱীক পূজা কৰিলেও লোকৰ পৰিশ্ৰমহে সাৰ হয়; এই জন্মতো শান্তি নাপায় আৰু মৃত্যুৰ পাচতো মুক্তি নাপায়।

[ ৪০২ ]

সংসাৰ তৰিতে ইচ্ছা আছে যাৰ
কৰিও হৰি কীৰ্ত্তন।

পৰম নিৰ্ম্মল গতি পাই সুখে
ছিণ্ডিয়ো কৰ্ম্ম বন্ধন ॥

যাৰ এই সংসাৰৰপৰা উদ্ধাৰ হবৰ ইচ্ছা আছে ( অৰ্থাৎ যি মুক্তি লাভ কৰিব খোজে, সেইসকলে, ) এই যুগধৰ্ম্ম হৰিনাম কীৰ্ত্তন কৰা ; হৰিনাম কীৰ্ত্তনৰ ফলত মহ সুখে পৱিত্ৰ গতি লাভ কৰি অৰ্থাৎ ঈশ্বৰৰ কৃপা পাই কৰ্মৰ হাত এৰা বা জন্ম-মৃত্যুৰ হাত সাৰা।

[ ৪০৩ ]

সকল নিগম কল্পতৰু তাৰ
ফল মহাভাগৱত ।
সেহি ফল ৰস হৰি গুণ যশ
পিয়োক সাধু সঙ্গত ॥

ঈশ্বৰৰ তত্ত্বথকা সকলো নিগম শাস্ত্ৰৰূপ কল্পতৰু ; ফল মহাভাগৱত শাস্ত্ৰ; আৰু হৰিৰ নাম-গুণ-যশ এই ফলৰ ৰসস্বৰূপ সাধুসকলে এই হৰিৰ নাম-গুণ কীৰ্ত্তন কৰি থাকে ; এতেকে সন্তৰ সঙ্গ লৈ হৰিনাম কীৰ্ত্তন কৰি তাৰ ৰস পান কৰা ; অৰ্থাৎ মহাভাগৱত পুৰাণ সকলো নিগম শাস্ত্ৰৰ ভিতৰত শ্ৰেষ্ঠ ; ই হৰিৰ নাম-গুণেই ভৰা ; সাধুসকলে এই হৰিনাম সদায় লয় ; এতেকে তুমি ভাগৱতৰ এই হৰিনাম সাধুৰ লগত একান্ত মনে লোৱা।

[ ৪০৪ ]

পৰম কৃপালু শ্ৰীমন্ত শঙ্কৰ
লোকক কৰিলা দয়া ।

হৰিৰ নিৰ্ম্মল ভকতি প্ৰকাশ
কৰিলা শাস্ত্ৰক চায়া ॥

পৰম কৃপালু শ্ৰীমন্ত শঙ্কৰে জীৱৰ প্ৰতি পৰম কৃপালু হৈ হিন্দুৰ বেদ-বেদান্ত আদি শাস্ত্ৰ মন্থন কৰি হৰিৰ পৱিত্ৰ ভক্তি উলিয়ালে, আৰু তাক লোক সমাজত প্ৰচাৰ কৰিলে।

## ঈশ্বৰ নিৰ্ণয়

কৃষ্ণ এব পৰো দেৱঃ প্ৰধানঃ পুৰুষেশ্বৰঃ।
আত্মা সমস্তভূতানাং সতাং পৰমবান্ধৱঃ ॥৪০৫

[ ৪০৫ ]

প্ৰকৃতি পুৰুষ দুইৰো নিয়ন্তা মাধৱ।
সমস্তৰে আত্মা হৰি পৰম বান্ধৱ ॥

বৈদান্তিক মত :—এইমতে আত্মা উদাসীন আৰু অকৰ্ত্তা; সমস্ত কৰ্ত্তৃত্ব মায়াৰ (প্ৰকৃতিৰ)। সাংখ্যবাদীসকলে প্ৰকৃতি-পুৰুষ এই মুল তত্ত্ব স্বীকাৰ কৰি সমস্ত কৰ্ত্তৃত্ব প্ৰকৃতিৰ বোলে। আত্মা উদাসীন। বেদান্ত ইয়াতকৈও এখোপ ওপৰলৈ গৈছে।

সত্ত্ব, ৰজ তম এই তিনি গুণৰ সমান অৱস্থাই প্ৰকৃতি; জীৱা-আই পুৰুষ। এই দুয়োটাই ব্ৰহ্মৰপৰা ভিন; অৰ্থাৎ ব্ৰহ্ম নিগু'ণ; ৰহ্মাণ্ডত তেওঁ থাকিলেও ব্ৰহ্মাণ্ডত আৰু সৃষ্টি কাৰ্য্যত তেওঁ নিৰ্লিপ্ত; তেওঁৰ ইচ্ছাত জীৱাত্মা আৰু প্ৰকৃতিৰ দ্বাৰাইহে সৃষ্টি কাৰ্য্য সমাধা

হৈছে। সেই কাৰণে পুৰুষ আৰু প্ৰকৃতিক সৃষ্টি কাৰ্য্য কৰিবলৈ নিয়ম লগাই দিওঁতা পৰমেশ্বৰ। পৰমাত্মাৰপৰা অভিন্ন হয় যেতিয়া তেওঁৰ সমান আমাৰ প্ৰাণৰ বন্ধুও নাই অৰ্থাৎ তেৱেঁই আমাৰ প্ৰিয়তম বন্ধু।

## স্মৰণ

[ ৪০৬—৪০৭ ]

হে কৃষ্ণ, তযু পাৱে পশিলো শৰণ।
মই অনাথৰ নাথ তুমি নাৰায়ণ॥
নাৰায়ণ হৰি ৰাম গোপাল গোবিন্দ।
ভজোহোঁ তোমাৰ দুই পদ অৰবিন্দ॥

হে কৃষ্ণ, মই তোমাৰ চৰণত আশ্ৰয় ললোঁ; নাৰায়ণ, মই অনাথ, তুমিয়েই মোৰ আশ্ৰয় বা গৰাকী।

হে নাৰায়ণ, হৰি, ৰাম, গোপাল, গোবিন্দ, তোমাৰ পাদপদ্মত মই আশ্ৰয় লওঁ।

## নমস্কাৰ

[ ৪০৮—৪১১ ]

নমো হৰি নাৰায়ণ ৰাম ৰাম ৰাম।
সৰ্ব্ব ধৰ্ম্ম শিৰোমণি তুৱা গুণ নাম॥
বন্দোহো গোবিন্দ ৰাম মুকুন্দ মাধৱ।
যাক সুমৰণে তৰি পাপ পৰাভৱ॥

নমো কি নমো ৰাম নমো নাৰায়ণ।
অনাদি অনন্ত সন্ত শিৱ সনাসন ॥
জয় নমো নাৰায়ণ দৈৱকী নন্দন।
পৰম পুৰুষ সদাশিৱ সনাতন ॥

হে হৰি, নাৰায়ণ, ৰাম, তোমাক মই প্ৰণাম কৰোঁ; তোমাৰ নাম গুণ কীৰ্ত্তন ধৰ্ম্ম সকলো ধৰ্ম্মতকৈ শ্ৰেষ্ঠ।

হে গোবিন্দ, ৰাম, মুকুন্দ, মাধৱ, মই তোমাক বন্দনা কৰোঁ; কিয়নো তোমাৰ নাম স্মৰণ কৰিলেই পাপ নাশ কৰি উদ্ধাৰ হব পাৰোঁ; অৰ্থাৎ মুক্তি লাভ কৰিব পাৰোঁ।

হে নাৰায়ণ, ৰাম, মই তোমাক নমস্কাৰ কৰো; তুমি অনাদি অনন্ত, সত্য, মঙ্গলময় আৰু নিত্য।

হে দৈৱকীনন্দন, নাৰায়ণ, তোমাৰ নামৰ জয় হওক; মই তোমাক নমস্কাৰ কৰোঁ; তুমিয়েই পৰমেশ্বৰ সদামঙ্গলময় আৰু সনাতন।

## উপদেশ

[ ৪১২ ]

হৰিবোল হৰিবোল কৰি মন স্থিৰ।
তেৱেসে সফল হোৱে মনুষ্য শৰীৰ ॥

[ অনেক জন্মৰ পাচত বুদ্ধি বিবেচনাযুক্ত মানুহ জন্ম ধৰা যায়, আন জন্মত জ্ঞান নাকাৰ বাবে হৰিক ভজিব নোৱাৰি; মানুহ জন্মত যদি জ্ঞান-বুদ্ধি পাইয়ো হৰিক ভজা নাযায়, তেন্তে সংসাৰৰ

পৰা মুক্তি লাভ কৰিব নোৱাৰি ; গতিকে জন্ম বিফলে যায়। ]
হে ভাই, সকলোৱে মন স্থিৰ কৰি একান্ত মনে হৰি-নাম স্মৰণ কৰা হৰি-নাম কীৰ্ত্তন কৰিলেহে নৰজন্ম সফল হয়।

[ ৪১৩—৪১৪ ]

হৰি গুণ গাৱ ভাই কৰিয়া উৎসৱ।
গুণতেসে তুষ্ট গুণ-লুবুধ মাধৱ ॥
আনন্দ কৰিয়া হৰি গুণ গাৱা যেৱে ॥
ভৱ-সিন্ধু তৰিয়া হৰিক পাইবা তেৱে ॥

হে ভাই, আনন্দ কৰি হৰিৰ নাম-গুণ কীৰ্ত্তন কৰা ; গুণ কীৰ্ত্তনত ভোল যোৱা ভগৱানে তেওঁৰ গুণ কীৰ্ত্তন শুনিলেই তুষ্ট হয়।

আনন্দ মনে হৰিৰ নাম-গুণ কীৰ্ত্তন কৰিলে সংসাৰ-সাগৰ পাৰ হৈ অৰ্থাৎ মুক্তি লাভ কৰি ভগৱানক পাব পাৰি।

[ ৪১৫ ]

হৰি গুণ নাম গাৱ আনন্দ কৰি মনে।
চিন্তামণি তনু ভাই বিফল কৰা কেনে ॥

চিন্তামণি—বাঞ্ছিত ফলপ্ৰদ মণি ; ( কথিত আছে, যে এই মণি যাৰ ঘৰত থাকে তেওঁ যি ইচ্ছা কৰে তাকে পায় ; ) স্পৰ্শ মণি, ব্ৰহ্ম চিন্তাত সৰ্ব্বকামপ্ৰদ মণি স্বৰূপ।

আনন্দমনে হৰিৰ নাম-গুণ কীৰ্ত্তন কৰা চিন্তামণিস্বৰূপ শৰীৰ পাই তাক কিয় বিফল কৰা, অৰ্থাৎ চিন্তামণিৰ স্পৰ্শত বাঞ্ছিত ফল পোৱাৰ দৰে ইচ্ছা কৰিলে যি শৰীৰেৰে ( তাৰ ভিতৰত বৃত্তিবোৰ

সংযত কৰি ) বাঞ্চিত ফল লাভ কৰিব পাৰি, তেনে তনু কিয় অধলে খেদোৱা।

[ ৪১৬—৪১৭ ]

আন পৰিহৰি হুয়া হৰিক মনে ধৰ।
হৰিগুণ গায়া ভাই জন্ম সফল কৰ ॥
লৈয়ো হৰিনাম সাতে পাঞ্চে হুয়া সাজু।
আপোন হুৰে পলাইবেক কালমায়া বাজু ॥

আপোন হুৰে—নিজে নিজে।

কালমায়া বাজু—কালৰ মায়াৰূপ বন্ধন।

বাজু—বন্ধন ; বাহুত মেৰাই পিন্ধা অলঙ্কাৰ বিশেষ।

অন্য দেৱ-দেৱীৰ পূজা সেৱা ত্যাগ কৰি কেৱল হৰিকে আশ্ৰয় কৰা, আৰু ভাই, তেওঁৰ নাম গুণকে গাই তাৰ ফলত মুক্তি লাভ কৰি তোমাৰ নৰজন্ম সফল কৰা।

পাঁচ, সাতজন লগলাগি অৰ্থাৎ সাধুৰ লগত থাকি হৰিনাম কীৰ্ত্তন কৰা ; হৰিনাম কীৰ্ত্তন কৰিলে কলিকালৰ পাপবোৰ আৰু অজ্ঞান আপোনা আপুনি আঁতৰিব।

[ অপৰ অৰ্থ—চক্ষু, নাক, কাণ আৰু মুখ এই সাত দুৱাৰ সংযত কৰি হাতত পাঁচ আঙ্গুলিৰে নাম জপ কৰা ; কলিকালৰ পাপবোৰ আৰু অবিদ্যা আপুনি আঁতৰিব। ]

[ ৪১৮—৪২১ ]

চেতন লভিয়া ভাই ভজিয়ো হৰিক।
আন পৰিহৰি হুয়ো ভকতি ৰসিক ॥

নৈয়ো হৰি নাম গুণ বিঘিনি বিহীন।
আনন্দে ভজিয়ো ৰাম কিবা ৰাতি দিন॥
ৰাম কৃষ্ণ ৰাম কৃষ্ণ বোল ভাই মুখে।
ৰাম কৃষ্ণ সুমৰি বসিয়া থাক সুখে॥
ৰাম কৃষ্ণ হৰি বোল তেজি ভয় লাজ।
হৈৰন্ত বেকত হৰি হৃদয়ৰ মাজ॥

হে ভাই, মোহ দূৰ কৰি তত্ত্বজ্ঞান লাভ কৰি হৰিক আশ্ৰয় কৰি আৰু অন্য কামনা এৰি ভক্তিক ভাল পোৱা হোৱা অৰ্থাৎ ভগৱানক ভক্তি কৰা।

মঙ্গলময় হৰিৰ নাম গুণ কীৰ্ত্তন কৰা, ৰাতি দিনে অভেদে আনন্দ মনে ৰাম নাম উচ্চাৰণ কৰা।

হে ভাই, মুখেৰে সদায় ৰাম কৃষ্ণ নাম উচ্চাৰণ কৰা আৰু ৰাম কৃষ্ণকে মনত ধৰি আনন্দ মনে বহি থাকা অৰ্থাৎ মুখেৰে ৰাম-কৃষ্ণ নাম উচ্চাৰণ কৰা, অন্তৰত তেওঁক ধাৰণা কৰা।

হে ভাই, কালৈকো ভয় নকৰি আৰু তুমি লাজ নকৰি ৰাম, কৃষ্ণ, হৰি আদি ভগৱানৰ নাম উচ্চাৰণ কৰা; তেওঁৰ নাম ললেই তোমাৰ অন্তৰত তেওঁ দেখা দিব অৰ্থাৎ ভগৱানক তুমি অন্তৰত অনুভৱ কৰিব পাৰিবা।

[ ৪২২—৪২৪ ]

যিটো ৰাম কৃষ্ণ হৰি বোলয় সৰ্ব্বথা।
তাৰ সঙ্গ এৰি হৰি যাব আৰ কোথা॥

ৰাম কৃষ্ণ বোল ভাই ৰাম কৃষ্ণ বোল।
কোটি কোটি ব্ৰহ্মাণ্ড নামৰ নোহে মোল ॥
ৰাম কৃষ্ণ ভাবিতে ছুটয় কালপাশ।
সদা ৰাম হৰি বোল তেজিয়া আলাস ॥

কালপাশ—যমৰ জৰী, যমৰ অধীনতা যমৰ যাতনা।

যি মাহুহে সদায় ৰাম-কৃষ্ণ হৰি আদি নাম উচ্চাৰণ কৰে, হৰি তেওঁৰ লগে লগে ফুৰে অৰ্থাৎ তেওঁ হৰিক সদায় অনুভৱ কৰিব পাৰে।

ভাই, ৰাম কৃষ্ণ নাম সদায় লোৱ' ভগৱানৰ নাম ইমান অমূল্য বা ডাঙৰ বস্তু, যে কোটি কোটি ব্ৰহ্মাণ্ডও তাৰ সমান নহয়।

ভগৱানক ভক্তি কৰিলে যমৰ অধীনতা বান্ধ ছিণ্ডে; অৰ্থাৎ মৃত্যুৰ হাত সাৰা যায় বা মুক্তি পোৱা যায়, গতিকে এলাহ এৰি সদায় ৰাম হৰি আদি ঈশ্বৰৰ নাম লোৱা।

[ ৪২৫ ]

হৰি গুৰু পদ সেৱা খাণ্ডা ডাঠি ধৰা।
মন বৈৰী কাটি সুখে ভৱ নদী তৰা ॥

খাণ্ডা—তৰোৱাল।

ভগৱানৰ পদসেৱা ৰূপ তৰোৱাল টানি ধৰি তৰোৱালেৰে শত্ৰুক কাটাৰ দৰে ভগৱানৰ পদসেৱা ৰূপ ভক্তিৰে মনক বশ কৰি বিষয় বাসনাপূৰ্ণ সংসাৰ-নদী উদ্ধাৰ হোৱা অৰ্থৎ মুক্তি লাভ কৰা।

[ ৪২৬—৪৩০ ]

ৰাম কৃষ্ণ নিৰঞ্জন নিৰাময় হৰি।
সদা ৰাম কৃষ্ণ ভাবি যায়ো ভৱ তৰি ॥

তজিয়ো হৰিক যেৰে চেতন আছয়।
তেৰেসে এৰাইবা সুখে সংসাৰৰ ভয় ॥
ৰাম কৃষ্ণ ভাবিয়ো মিলোক মহাভাগ।
ৰাম কৃষ্ণ ভাবিতে কৃষ্ণক পাইবা লাগ ॥
হৰিৰ নামৰ ভাই লেৰিবা ভৰসা।
সকল ধৰ্ম্মৰ হৰি নাম মাজে বাসা ॥
সন্ত উপদেশে হৰি চৰণে ভজিয়ো।
হৰি নাম নিৰমল আনন্দে মজিয়ো ॥

নিৰাময়—নিৰ্ব্বিকাৰ।

ভগৱানৰ ৰাম কৃষ্ণ নিৰঞ্জন, নিৰ্ব্বিকাৰ, হৰি আদি নাম সদায় একান্ত মনে ভাবি মুক্তি লাভ কৰা।

গাত যেতিয়ালৈ চৈতন্য থাকে, তেতিয়ালৈ হৰিক চিন্তা কৰা, তেহে সংসাৰত জন্ম ধৰাৰ ভয় (সংসাৰত নানা ৰূপৰ দুখ-লালাত পোৱাৰ ভয়] অনায়াসে এৰাব পাৰিবা অৰ্থাৎ মুক্তি লাভ কৰিব পাৰিবা।

ভগৱানক চিন্তা কৰা, তোমাৰ সৌভাগ্য উদয় হব; ভগৱানক ভাবোঁতে ভাবোঁতে তেওঁক দৰ্শন পাবা অৰ্থাৎ তেওঁৰ সত্বা অনুভৱ কৰিব পাৰিবা।

হে ভাই, হৰিনামৰ আশ্ৰয় লেৰিবা। ভগৱানৰ নাম-কীৰ্ত্তন সকলো ধৰ্ম্মতে আছে, এতেকে হৰিনাম কীৰ্ত্তন কৰিলে সকলো ধৰ্ম্ম আচৰণ হয়, গতিকে হৰিনামত তুমি বিশ্বাস কৰিবা।

সাধু অৰ্থাৎ সৎ গুৰুৰ উপদেশ লৈ হৰি চৰণত আশ্ৰয় লোৱা, আৰু সেইমতে হৰিনাম লৈ নিৰ্ম্মল আনন্দত মগ্ন হোৱা।

[ ৪৩১ ]

ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম।
জনম সফল হোক জপ অবিৰাম ॥

ভগৱানৰ ৰাম কৃষ্ণ নাম সদায় জপ কৰা ; তেওঁৰ নাম জপ কৰিলে তোমাৰ জন্ম সফল হব অৰ্থাৎ সংসাৰৰপৰা মুক্তি লাভ কৰিব পাৰিবা।

[ ৪৩২ ]

মাধৱৰ ৰঙা দুই চৰণে ধৰিয়া ॥
ৰাম নাম ৰস পিয়ো অঞ্জলি ভৰিয়া ॥

ভগৱানত একান্ত মনে আশ্ৰয় লৈ পনীয়া বস্তু আঞ্জলি ভৰাই পান কৰাৰ দৰে, তেওঁৰ নাম কীৰ্ত্তন কৰি নাম ৰস ( ভক্তি ৰস ) পান কৰা।

[ ৪৩৩ ]

গুণময় সাধ্য সাধনক পৰিহৰি।
কৃষ্ণ কথা ৰস পিয়ো কৰ্ণাঞ্জলি ভৰি ॥

সত্ত, ৰজ, তম গুণময় তপ, জপ, যাগ, যজ্ঞ আদি বৰ কষ্টসাধ্য ; ইয়াক ত্যাগ কৰি সহজসাধ্য ভগৱানৰ চৰিত কথা কাণেৰে শুনি, ভক্তি ৰস পান কৰা অৰ্থাৎ ভগৱানৰ কথা শুনি তেওঁৰ ভাৱত তন্ময় হোৱা।

[ ৪৩৪ ]

যত জীৱ ৰাশি ফুৰে কুশলক চাই।
হৰি নাম বিনে আন মহা লাভ নাই

সকলো জীৱেই নিজৰ মঙ্গল কামনা কৰে আৰু সেই অৰ্থে নানা কাম কৰে, কিন্তু যিমানেই ধৰ্ম্মাৰ্থে অন্য কাম নকৰক, হৰিনামৰ বাহিৰে অন্যত মানুহৰ মঙ্গল নহয় অৰ্থাৎ কলিকালত মানুহে ধৰ্ম্মৰ অন্য পথ অৱলম্বন কৰি মুক্তি লাভ কৰিব নোৱাৰে।

[ ৪৩৫ ]

**হৰি নাম গাওঁতে কিঞ্চিতো নাহি দুখ।**
**গুচে ভয় মিলয় পৰমানন্দ সুখ॥**

**গুচে ভয়**—সকলো প্ৰকাৰ ভয় গুচে; সংসাৰ ভয় গুচে।

হৰিনাম লোৱাত গাত অলপো দুখ ভাগৰ নালাগে; নাম লোৱাৰ ফলত মানুহৰ সকলো প্ৰকাৰ ভয় গুচে আৰু জীৱে মৃত্যুৰ হাত সাৰে; নাম লোৱাৰ ফলত জীৱৰ হৃদয়ত অপাৰ আনন্দ সুখো জন্মে।

[ ৪৩৬ ]

**হৰি কীৰ্ত্তনত যাৰ মিলয় সন্তোষ।**
**সৰ্ব্ব সুখভাগী হোৱে হৰে কলি দোষ॥**

যি মানুহে হৰিনাম কীৰ্ত্তন কৰি মনলৈ সন্তোষ আনিব পাৰে তেওঁ ধন, ভাৰ্য্যা, পুত্ৰ, আদি সংসাৰৰ সকলো প্ৰকাৰ সুখ পোৱা হবে হয়, আৰু তেওঁক কলিকালৰ একো দোষে পীড়া কৰি নোৱাৰে।

[ ৪৩৭ ]

কৈয়ো হৰি নাম ভাই তেজিয়া আলাস ॥
মিলিবে মঙ্গল গুচিবেক ভৱ পাশ ॥

হে ভাই, এলাহ এৰি হৰি নাম-গুণ কীৰ্ত্তন কৰা, হৰি-নাম গুণ-কীৰ্ত্তন কৰিলে তোমাৰ সকলো প্ৰকাৰ মঙ্গল হব, তুমি মুক্তিলাভ কৰিব পাৰিবা।

[ ৪৩৮ ]

যিটো জনে ফুৰে সদা হৰি গুণ গায়া।
হৰিৰ কৃপাত সিটো সুখে তৰে মায়া ॥

যি মানুহে সদায় হৰিৰ নাম-গুণ কীৰ্ত্তন কৰে, সেই লোকে ভগৱানৰ কৃপাত বিষয়ৰ আশা ত্যাগ কৰিব পাৰে।

[ ৪৩৯ ]

ৰাম নাম লৈয়ো ভাই আলাস নকুৰ।
নিকট চাপিয়া আছে যমৰ কিঙ্কৰ ॥

ভাই, হেলা নকৰি সদায় ভগৱানৰ নাম লোৱা, কিয়নো মৃত্যু তোমাৰ পাছতে লাগি আছে, তোমাৰ কেতিয়া মৰণ হয় ঠিক নাই।

শৃণ্বতঃ শ্ৰদ্ধয়া নিত্যং গৃণতশ্চ স্ব চেষ্টিতম্।
কালেনানতিদীৰ্ঘেন ভগৱান্ বিশতে হৃদি ॥৪৪০

[ ৪৪০ ]

কৃষ্ণকথা শুনে গাৱে যিটো শ্ৰদ্ধা কৰি।
অল্পকালে হিয়াত প্ৰৱেশ হন্ত হৰি ॥

যি মানুহে শ্ৰদ্ধা কৰি ভগৱানৰ কথা শুনে আৰু তেওঁৰ নাম-গুণ কীৰ্ত্তন কৰে, সেই মানুহৰ অন্তৰত অলপ দিনৰ ভিতৰতে ভগৱানে দৰ্শন দিয়ে অৰ্থাৎ তেওঁ ভগৱানৰ সত্তা অনুভৱ কৰিব পাৰে।

[ ৪৪১ ]

অপাৰ আনন্দ ৰস ৰাম-কৃষ্ণ বাণী।
ৰাম কৃষ্ণ নাম মুখে নছাৰিবা জানি ॥

ভগৱানৰ ৰাম-কৃষ্ণ আদি নাম কীৰ্ত্তন কৰিলে হৃদয়ত অপাৰ আনন্দ-ৰস জন্মে ; ইয়াকে জানি সদায় তেওঁৰ নাম নোলোৱাকৈ নাথাকিবা।

[ ৪৪২ ]

জপ ৰামনাম ভাই ভাৱকসকল।
ৰামনাম বিনে নাই পৰম মঙ্গল ॥

( মানুহৰ মন স্থিৰ নাথাকে ; সদায় যি কোনো বিষয় ভাবি থাকে। সেই কাৰণে "ভাৱক" বুলি সম্বোধন কৰি কৈছে ), হে ভাবুক ভাই-সকল, সদায় ৰামনাম জপ কৰি থাকা ; ৰামনামৰ বাহিৰে পৰম মঙ্গলদায়ক কোনো বস্তু নাই।

[ ৪৪৩ ]

ভাবিও ভাৱক ভাই ৰাম নাম সাৰ।
নিগমে নকহে ৰাম নাম বিনে আৰ ॥

হে চিন্তাশীল ভাই, ৰাম নাম চিন্তা কৰা ; ৰাম নামেই সকলো ধৰ্ম্মৰ সাৰ ; ভগৱৎ তত্ত্ব থকা শাস্ত্ৰত ৰাম নাম কীৰ্ত্তনৰ বাহিৰে আনক শ্ৰেষ্ঠ বুলি নকয়।

[ ৪৪৪ ]

**কৃষ্ণ-পদ-সেৱা সুখ পৰম দুৰ্ল্লভ।**

**হৰি সেৱা বিনে আন সকল সুলভ॥**

অন্যান্য সাংসাৰিক খন্তেকীয়া সুখ মানুহে অলপ যত্ন কৰিয়েই লাভ কৰিব পাৰে, কিন্তু হৰিক চিন্তা কৰি পোৱা সুখ যেই সেইটিহে পাব পাৰে।

[ ৪৪৫ ]

**কৃষ্ণ পাদ-পদ্ম ভৈল যাহাৰ আশ্ৰয়।**

**তাহাৰেসে গুচয় নিঃশেষ দুঃখচয়॥**

যি মানুহে ভগৱানক আশ্ৰয় কৰি তেওঁক চিন্তা কৰে, সেইলোকৰ সংসাৰৰ সকলো প্ৰকাৰ দুখ-কষ্ট দূৰ হয় অৰ্থাৎ তেওঁ মুক্তিলাভ কৰে।

[ ৪৪৬ ]

**হৰি কীৰ্ত্তনত ভাই নকৰিবা হেলা।**

**এহিসে ৰাখিব ঘোৰ সঙ্কটৰ বেলা॥**

[ সংসাৰখন দুখ-বিপদ-জড়া ব্যাধিৰে পূৰ্ণ ; হৰিনাম লোৱা অভ্যাস থাকিলে এইবোৰ সঙ্কট-অৱস্থাত মানুহ স্থিৰ থাকিব পাৰে। ] হে ভাই, হৰি নাম কীৰ্ত্তন কৰিবলৈ হেলা নকৰিবা ; সঙ্কটৰ সময়ত এই নাম কীৰ্ত্তনেহে তোমাক ৰক্ষা কৰিব।

[ ৪৪৭ ]

**হৰিপদ পঙ্কজত পশিয়োঁ শৰণে।**

**দিয়োক একান্ত চিত্ত কৃষ্ণৰ কীৰ্ত্তনে॥**

ভগৱানৰ চৰণ পদ্মত আশ্ৰয় লোৱা আৰু তেওঁৰ নাম-গুণ কীৰ্ত্তনত মন দিয়া ; অৰ্থাৎ ভগৱানত বিশ্বাস কৰি একান্তমনে তেওঁৰ নাম লোৱা।

[ ৪৪৮ ]

দুৰ্ল্লভতো দুৰ্ল্লভ হৰি গুণ নাম।
জানিয়া কীৰ্ত্তন কৰা তেজি আন কাম॥

হৰিৰ নাম-গুণ অতি দুৰ্ল্লভ অৰ্থাৎ যেই সেইটিৰহে হৰিৰ নামত প্ৰীতি ওপজে ; ইয়াক জানি আন চিন্তা এৰি তেওঁৰ নাম-গুণ কীৰ্ত্তনত মন দিয়া।

[ ৪৪৯ ]

হৰি গুণ কীৰ্ত্তন কলিৰ নিজ ধৰ্ম্ম।
জানিবা সমস্ত শাস্ত্ৰৰ তত্ত্ব মৰ্ম্ম॥

হৰিৰ নাম-গুণ কীৰ্ত্তনেই কলিকালৰ উপযোগী ধৰ্ম্ম ; ধৰ্ম্মৰ অন্যান্য যিবোৰ উপায় আছে, সেইবোৰ আন যুগৰ ; আমাৰ সকলো ধৰ্ম্ম-শাস্ত্ৰৰ সাৰ তত্ত্ব এইয়ে।

[ ৪৫০ ]

ৰাম নাম লৈয়া পাপীজন তৰে সুখে।
হেন ৰাম নামৰ ভাণ্ডাৰ ভৈল মুখে॥

ভগৱানৰ যি ৰাম নাম লৈ মহা মহা পাপীসকলে অতি অপ্ৰয়াসে সংসাৰৰপৰা উদ্ধাৰ হব পাৰে, তেনে ৰামনামৰ ভড়াল হৈছে

মানুহৰ মুখ ; নাম লবলৈ ইয়াতকৈ আৰু মানুহৰ কি সুবিধা হব পাৰে ?

[ ৪৫১ ]

যি মুখে বুলিবা ৰাম সিমুখে ভাণ্ডাৰ।
সদায় ভাবিয়ো ৰাম ভয় নাহি আৰ ॥

যি মুখেৰে ৰামনাম লোৱা যয় সেই মুখেই ৰাম নামৰ ভাণ্ডাৰ ; নাম লবলৈ অন্য ঠাইলৈ নাম বিচাৰি যাব নালাগে। এতেকে সদায় ৰামনাম লৈ ভগৱানক ভাবা, সংসাৰৰ কোনো প্ৰকাৰ ভয়ে তোমাক ছুব নোৱাৰে।

[ ৪৫২ ]

ভাবিতে ভাবিতে ৰাম ৰস চড়ে আতি।
আনন্দে ভাবিয়ো ৰাম কিবা দিবা ৰাতি ॥

ভগৱানৰ নাম একান্ত মনে একেবাৰে জপ কৰিলে নামত প্ৰীতি জন্মে, আৰু পাছলৈ নাম লবলৈ এনে ভাল লগা হয়, যে যিমানে লোৱা যায় সিমানে আৰু বেছিকৈ লবলৈ মন যোৱা হয় ; এতেকে এনে ৰসযুক্ত নাম সদায় আনন্দমনে জপ কৰা।

[ ৪৫৩ ]

অনন্ত ৰসৰ নিধি ৰাম কৃষ্ণ নাম।
মুখ ভৰি ভৰিয়া সদায় বোলা ৰাম ॥

ভগৱানৰ ৰাম কৃষ্ণ নাম ভক্তি ৰসৰ অনন্ত সাগৰ স্বৰূপ অৰ্থাৎ ৰাম কৃষ্ণ নাম জপ কৰোঁতে কৰোঁতে হৃদয়ত অপাৰ আনন্দ জন্মে ;

এতেকে এনে আনন্দদায়ক ভগৱানৰ নাম মুখ ভৰি অৰ্থাৎ যিমান পাৰা লোৱা।

[ ৪৫৪ ]

সদায়ে ভাবিতে ৰাম যাৰ ৰস বাঢ়ে।
ৰাম কৃষ্ণ নামে তাৰ কাহাক নছাৰে॥

সদায় ৰাম কৃষ্ণ নাম লওঁতে লওঁতে যাৰ নামত ৰস জন্মে, তাৰ ফলতে সেইলোক নিজেতো উদ্ধাৰ হয়েই তেওঁৰ অতীত আৰু ভবিষ্যত বংশও উদ্ধাৰ হয়।

[ ৪৫৫ ]

হৰি সেৱা বিনে আৰ সকলো অসাৰ।
এহিমানে মাত্ৰ সৰ্ব্ব শাস্ত্ৰৰ বিচাৰ॥

ভগৱানৰ পূজা সেৱাই হৈছে মনুষ্য জীৱনৰ মুখ্য কৰ্ম; আন যত দেখা সকলো কৰ্মৰ ফল অনিত্য, এইবোৰে জীৱক বন্ধন কৰে; সকলো ধৰ্ম্মশাস্ত্ৰৰ এয়ে সাৰ তত্ত্ব।

[ ৪৫৬ ]

নামৰ ভাণ্ডাৰ মুখে ভৈল কত ভাগে।
আনন্দে ভাবিয়ো ৰাম যাৰ যত লাগে॥

কত ভাগ্যৰ ফলত মানুহৰ মুখেই ৰাম নামৰ ভঁড়াল হল, এতেকে

যাৰ যিমান ইচ্ছা সিমানে ভগৱানক চিন্তা কৰি মুখেৰে তেওঁৰ ৰাম কৃষ্ণ আদি নাম লোৱা।

[ ৪৫৭ ]

**মনে মুখে এক কৰি সদা বোলা ৰাম।**
**লভিবা পৰমানন্দ দূৰ হৈবে কাম॥**

একান্ত মনে অকপট ভাবে সদায় ৰাম নাম জপ কৰা। তাকে কৰিলে তোমাৰ অন্তৰত আনন্দ জন্মিব আৰু অন্তৰৰপৰা বিষয় বাসনা আঁতৰি যাব।

[ ৪৫৮ ]

**ৰাম কৃষ্ণ নাম যাৰ মুখে ভৈলা গীত।**
**নামৰ প্ৰসাদে সিটো ভৈল কৃতকৃত্য॥**

যি সদায় ভগৱানৰ ৰাম কৃষ্ণ আদি নাম হেঁপাহেৰে লয়, সেই লোকে নাম লোৱাৰ গুণতে কৃতাৰ্থ হয়; অৰ্থাৎ ভগৱানৰ প্ৰতি ভক্তি জন্মিলে তেওঁৰ হৃদয়ত আনন্দ জন্মে আৰু শেষত তেওঁ মুক্তি লাভ কৰিব পাৰে।

[ ৪৫৯ ]

**ৰাম কৃষ্ণ ৰাম কৃষ্ণ বোলা ভাই ঝান্টে।**
**নচলিবা তেৰেসে দুৰ্ঘোৰ যম বাটে॥**

ঝান্টে—শীঘ্ৰে।

ভাই, শীঘ্রে ৰাম-কৃষ্ণ নাম একান্তমনে লোৱা, তেহে ভয়ঙ্কৰ মৃত্যুৰ বাটেদি নচলা হব অৰ্থাৎ মৰণৰ হাত সাৰিব পাৰিবা বা মুক্তি লাভ হব।

[ ৪৬০ ]

ৰাম কৃষ্ণ নাম ৰসে চিত্তক তিজাৰ।
বোলা ৰাম কৃষ্ণ হৰি তেজি লাজ ভাৱ॥

হে ভাই, লাজ ভাব এৰি ৰাম-কৃষ্ণ নাম একান্ত মনে লোৱা আৰু ৰাম-কৃষ্ণ নাম একান্ত মনে লৈ তেওঁৰ নামত তোমাৰ প্ৰীতি জন্মোৱা।

[ ৪৬১ ]

ৰাম কৃষ্ণ নামেসে স্বধৰ্ম্ম ভৈলা যাৰ।
যম কাল মায়াৰ গুচিল অধিকাৰ॥

যি ৰাম-কৃষ্ণ আদি ভগৱানৰ নাম কীৰ্ত্তনকেই ধৰ্ম্ম বুলি বিশ্বাস কৰি একান্তমনে নাম-কীৰ্ত্তন কৰা অভ্যাস কৰে, সেই মানুহ যম, কাল আৰু মায়াৰ হাত সাৰে অৰ্থাৎ তেওঁ মৃত্যুৰ হাত সাৰে; কলিকালৰ দোষবোৰে তেওঁক চুব নোৱাৰে আৰু মায়াতো তেওঁৰ আসক্ত নহয়।

[ ৪৬২ ]

ৰাম কৃষ্ণ নাম যাৰ থাকয় মুখত।
যম যম-দূতক নেদেখে স্বপনত॥

যি মানুহে সদায় ৰাম-কৃষ্ণ নাম লয়, সেই মানুহৰ মৃত্যুলৈ অলপো ভয় নাথাকে। (তেওঁলোকে সদায় নাম লোৱাৰ ফলত মায়াৰ হাত সৰাব কাৰণে বিষয়লৈ সিবিলাকৰ অলপো মোহ নাথাকে, গতিকে মৃত্যুভয়ে পীড়িব নোৱাৰে।)

[ ৪৬৩ ]

**ৰাম কৃষ্ণ নাম সদা লবে যিটো নৰে।**
**যম ৰাজা তাহাৰ লিখন দূৰ কৰে॥**

যি মানুহে সদায় ভগৱানৰ ৰাম-কৃষ্ণ আদি নাম লয়, যম ৰজাই সেই লোকৰ ভাগ্যত লিখা দুখ-কষ্ট মচি পেলায় অৰ্থাৎ সদায় ৰাম-কৃষ্ণ আদি নাম লোৱাৰ ফলত মানুহৰ পূৰ্ব্ব জন্মৰ কৰ্ম্মফলত বেয়া হবলগীয়া থাকিলেও বেয়া হব নোৱাৰে, সি ভালত পৰিণত হয়।

[ ৪৬৪ ]

**ৰাম কৃষ্ণ নাম সদা ফুৰে যিটো গাই।**
**তাহাৰেসে সমস্ত বিঘিনি ভৈলা ছাই।**

যি মানুহে সদায় ৰাম-কৃষ্ণ নাম গায়, সেই লোকৰ সকলো প্ৰকাৰ দৈহিক অসুখ নষ্ট হয় অৰ্থাৎ সদায় নাম লোৱাৰ ফলত মানুহৰ হবলগীয়া আপদ ঘটিব নোৱাৰে।

## মহিমাযুক্ত উপদেশ

[ ৪৬৫ ]

**ৰাম কৃষ্ণ নাম যাৰ মুখত থাকয়।**
**তাহাৰেসে জানিবা মিলিল মহোদয়॥**

যাৰ মুখত ৰাম-কৃষ্ণ নাম থাকে অৰ্থাৎ সদায় যি ভগৱানৰ নাম লয়, তাৰেই মহাভাগ্য উদয় হয় অৰ্থাৎ ভগৱানৰ তত্ত্ব লাভ হয় আৰু তাৰ ফলত মুক্তিলাভ কৰিব পাৰে।

[ ৩৬৬ ]

ৰাম কৃষ্ণ কীৰ্ত্তন স্বভাৱ ভৈলা যাৰ ।
সিটো ভৈলা হৰিৰ হৰিয়ো ভৈলা তাৰ ॥

যি ভগৱানৰ নাম কীৰ্ত্তন নকৰি থাকিব নোৱাৰা হয়, তেওঁ হৰিক এৰিব নোৱাৰা হয়, আৰু হৰিয়েও তেওঁক এৰিব নোৱাৰা হয় অৰ্থাৎ সেই লোক ভগৱানৰ সৈতে মিলি যোৱাৰ দৰে হয়।

[ ৪৬৭ ]

ৰাম কৃষ্ণ নামক সততে যিটো গাৱে।
তাঙ্ক হৰি ৰাখিয়া ফুৰন্ত সৰ্ব্বভাৱে ॥

যি লোকে সদায় ভগৱানৰ নাম লৈ থাকে, তেওঁক ঈশ্বৰে সকলো প্ৰকাৰে ৰক্ষা কৰে অৰ্থাৎ ভগৱানৰ নাম লোৱাৰ ফলত সেইলোকক সংসাৰৰ দুখ-বিপদে পীড়িব নোৱাৰে আৰু অন্তকালতো মুক্তি লাভ কৰে।

[ ৪৬৮ ]

ৰাম কৃষ্ণ নাম যিটো সততে স্মৰে।
হৰিৰ পৰম প্ৰিয় ভৈল সিটো নৰে ॥

যি লোকে সদায় ভগৱানৰ নাম স্মৰণ কৰে, সেইলোক হৰিৰ অতি প্ৰিয়পাত্ৰ হয় অৰ্থাৎ সেইলোকে ভগৱানক লাভ কৰে বা ভগৱান তেওঁৰ হিয়াত উদয় হয়।

## উপদেশ

[ ৪৬৯ ]

**ৰাম বুলি তৰে মহা মহা অন্ত্যজাতি।**
**যিটো নাম নলৱে হীনতো হীন আতি॥**

ৰাম নামৰ এনে মাহাত্ম্য, যে মহা অন্ত্য জাতিও যদি এই নাম লয়, তথাপি একান্ত মনে নাম লোৱাৰ ফলত পবিত্ৰ হৈ মুক্তি লাভ কৰিব পাৰে; যি মানুহে ভগৱানৰ নাম নলয় সি অতি উচ্চ জাতিত আৰু উচ্চ বংশত জন্মিলেও অতি তলত পৰি থাকে, তেওঁ মুক্তি লাভ কৰিব নোৱাৰে।

[ ৪৭০ ]

**ৰাম কৃষ্ণ বুলিয়া সংসাৰ সুখে তৰে।**
**ৰাম কৃষ্ণ নুবুলি জনম ঝুটা কৰে॥**

ঝুটা—মিছা, বৃথা।

ঝুঠা—চুৱা, উচ্ছিষ্ট।

একান্ত মনে ৰাম-কৃষ্ণ নাম লৈ অতি অপ্ৰয়াসে জীৱে মুক্তি লাভ কৰে আৰু এই নাম নোলোৱাৰ ফলত জীৱৰ এই মানৱী জন্ম অথলে যায়।

[ ৪৭১ ]

**ৰাম কৃষ্ণ নুবুলি তৰিবা কিসে সমে।**

**ৰাম নাম নলৈলে ধৰিয়া নিবে যমে ॥**

কলিৰ পৰম ধৰ্ম্ম ভগৱানৰ ৰাম-কৃষ্ণ আদি নাম নলৈ এই কালত কিহেৰে মুক্তি লাভ কৰিবা ? ভগৱানৰ নাম নললে তোমাক যমে ধৰি নিব অৰ্থাৎ তুমি মৃত্যুৰ অধীন হৈ থাকিবা—মুক্তি লাভ কৰিব নোৱাৰিবা।

[ ৪৭২ ]

**হৰিকো প্ৰকাশ কৰে ৰাম কৃষ্ণ নামে।**

**হেন নাম নলৈয়া মৰয় কোন কামে ॥**

ভগৱানৰ ৰাম-কৃষ্ণ আদি নাম লওঁতে লওঁতে তেওঁৰ দৰ্শন মিলে ; অৰ্থাৎ ঈশ্বৰক নিজৰ হিয়াত অনুভৱ কৰিব পৰা হয়, ভগৱানক প্ৰকাশ কৰিব পাৰা এনে শক্তিমান নাম নলৈ কিয় লোকে নিজৰ অনিষ্ট কৰে।

[ ৪৭৩ ]

**গাৰো ভোট যৱনে হৰিৰ নাম লয়।**

**হেনয় হৰিৰ নাম সজ্জনে নিন্দয় ॥**

গাৰো, ভোট আৰু জাতিভেদ নমনা মুছলমান, ইংৰাজ আদিয়ে হৰিৰ নামৰ মহিমা বুজি নাম কীৰ্ত্তন কৰে। এনেকুৱা পৰম উপাদেয় সহজসাধ্য ভগৱানৰ নামক, নিজকে সজ্জন বোলাই ফুৰা কোনো কোনো লোকে নিন্দা কৰে। ইয়াতকৈ দুখৰ কথা কিবা আছেনে?

---

৪৭৩, ৪৭৪, ৪৭৫ এই তিনিটা ঘোষাত থকা সজ্জন শব্দটো নিজক সজ্জন বুলি অভিমান সুৰত ব্যৱহাৰ কৰিছে।

[ ৪৭৪ ]

**হৰিনামে কৰে অন্ত্য জাতিকো মুকুত ।**
**সজ্জনে নামক নিন্দে কিনো অদভুত ॥**

ভগৱানৰ নাম এনে শক্তিমান, যে জ্ঞানত অতি তলত পৰি থকা অনাৰ্য্যলোককো ই মুক্তি দিয়ে। এনে শক্তিমান পৰম পৱিত্ৰ নামকো উচ্চ শ্ৰেণীৰ আৰ্য্যলোকে বা পণ্ডিতে নিন্দা কৰে, ই কি আচৰিত কথা। অৰ্থাৎ ইয়াতকৈ আচৰিত কথা আৰু কি হব পাৰে?

[ ৪৭৫ ]

**মহাপাপী তৰে হৰিনামৰ কীৰ্ত্তনে ।**
**হেন নাম নলৈয়া সজ্জন ভৈল কেনে ॥**

গো-বিপ্ৰ বধকাৰী মহাপাপীসকলেও যদি একান্ত মনে হৰিৰ নাম-কীৰ্ত্তন কৰে, তেন্তে মুক্তি লাভ কৰিব পাৰে,—এনে পৰম পৱিত্ৰ নামলৈ হেলা কৰি বা তাক নলৈ মানুহে কেনেকৈ নিজক সজ্জন বুলি অভিমান কৰে কব নোৱাৰো।

[ ৪৭৬ ]

**দুখময় ক্ষুদ্ৰ বিষয়ক আশা কৰি ।**
**একান্তে নভজে পূৰ্ণানন্দ মহা হৰি ॥**

বিষয় দুখৰ কাৰণ, যিমানে ধন-ভাৰ্য্যা-পুত্ৰ আদিৰ বিষয় চিন্তা কৰা যায়, সিমানে নানা অসুখ আৰু অশান্তি আহে, আৰু ই দুদিনীয়া, আজি আছে কালি নাই। হৰি আনন্দময়, তেওঁক ভজিলে

আনন্দ লাভ হয়। কিছুমান দুৰ্ব্বোধ লোকে এই সামান্য বিষয়কে আশা কৰি একান্তমনে সেই আনন্দময় ভগৱানক নভজে।

[ ৪৭৭ ]

আপুনি নলৱে নাম আনকো নিন্দয়।
কোটি জনমক লাগি দুৰ্ঘোৰ সঞ্চয় ॥

এই দুৰ্ব্বুধীয়া লোকসকলে নিজেতো নাম নলয়েই, আনে লোৱা শুনিলেও নিন্দা কৰে; তাৰ দ্বাৰা কোটি জন্মলৈ দুৰ্ঘোৰ পাপ সাঁচে; অৰ্থাৎ নামক নিন্দা কৰাৰ ফলত তেওঁ বহুত জন্ম পাছলৈও অপকৰ্ম্ম কৰি নানা লাঞ্ছনা ভুঞ্জে।

[ ৪৭৮ ]

হৰিনামে কৰে সংসাৰৰ বন্ধ ছেদ।
হেন নামে নাহি ইচ্ছা কিনো ভৈলা খেদ।

হৰিৰ নামে সংসাৰৰ বন্ধন ছেদন কৰে অৰ্থাৎ একান্তমনে হৰিনাম ললে বিষয় বাসনা দূৰ হয়; এনে পৰম উপকাৰী নাম লবলৈ মানুহৰ অনিচ্ছা হল, ইয়াতকৈ আৰু কি বেজাৰৰ কথা আছে?

( ৪৭৯ ]

ৰাম কৃষ্ণ হৰি নাম নিগম নিগূঢ়।
সদা নুসুমৰে কেনে পাপমতি মূঢ় ॥

নিগম—নিবৃত্তিমূলক শাস্ত্ৰ।
নিগম নিগূঢ়—নিগম শাস্ত্ৰত থকা ৰহস্য।

পৰমেশ্বৰৰ তত্ত্ব থকা শাস্ত্ৰৰে সাৰ তত্ত্ব হৈছে ভগৱানৰ ৰাম-কৃষ্ণ আদি নাম। এনে পবিত্ৰ নাম অজ্ঞান পাপীসকলে কিয় সদায় নলয়।

[ ৪৮০ ]

হৰিপদ সেৱা সুখ ভকতে জানয়।
আন জনে তাৰ গন্ধ মাত্ৰো নপাৱয় ॥

হৰিত আশ্ৰয় লৈ তেওঁৰ নাম-গুণ শ্ৰৱণ-কীৰ্ত্তন কৰিলে আৰু তেওঁত ভক্তি জন্মিলে যি সুখ জন্মে, তাক কেৱল সেৱা-সুখৰ আস্বাদ পোৱা ভক্তসকলেহে অনুভৱ কৰিব পাৰে, সেৱা সুখ নোপোৱা অভ-কতে সেই সেৱা-সুখ অনুভৱ কৰিব দূৰত থাওক, তাৰ গোন্ধও নাপায়।

[ ৪৮১ ]

হৰিপদে শুদ্ধ ভাৱে যিজনে ভজয়।
হৰিনাম লৈয়া সুখে দুৰ্গতি তৰয় ॥

যি মানুহে অকপট ভাৱে হৰিত আশ্ৰয় লয় আৰু তেওঁৰ গুণ চৰিত্ৰ কীৰ্ত্তন কৰে সেই লোকে হৰি নাম লৈয়েই সংসাৰৰ দুখ-দুৰ্গতিৰপৰা উদ্ধাৰ হয় বা মুক্তি লাভ কৰে।

[ ৪৮২ ]

মানৱী জনম পাই হৰি নভজিলা।
অৱশেষে হৈবাহা ভাই তৃণ-তৰু-শিলা ॥

হে ভাই, কত জন্মৰ পাচত এই মানৱী জন্ম পাইও ভগৱানক পূজা-সেৱা নকৰিলা, ইয়াৰ ফলত তুমি পৰজন্মত নিশ্চয় গছ-বন, শিল আদি হৈ এই সংসাৰত লালাট ভুঞ্জিব লাগিব।

[ ৪৮৩ ]

হৰি কীৰ্ত্তনক যিটোজনে হেলা কৰে।
আপোনাক আপুনি বঞ্চিলে সিটো নৰে॥

যিলোকে এই হেন মানৱ জন্ম পাইও হৰিৰ নাম-গুণ কীৰ্ত্তন কৰিবলৈ হেলা কৰে, সি ইচ্ছা কৰি নিজক নিজে ঠগোৱা হয়; অৰ্থাৎ জ্ঞান-বুদ্ধিসম্পন্ন মানুহে ইচ্ছা কৰিলে হৰিক আশ্ৰয় কৰি মুক্তি লাভ কৰিব পাৰে। কিন্তু তাকে নকৰিলে ইচ্ছা কৰি মানুহে নিজক সংসাৰত বন্ধ কৰা হ

[ ৪৮৪ ]

মনুষ্য শৰীৰ পাই হৰিক নভজে।
এহি মান দোষে ঘোৰ নৰকত মজে॥

যি লোকে মানৱ জন্ম পায়ো কৃষ্ণক অকপট ভাৱে পূজা নকৰে, সি এই দোষৰ বাবে মুক্তি লাভ কৰিব নোৱাৰি সংসাৰত আবদ্ধ হৈ নানা দুখ-দুৰ্গতি ভোগ কৰে।

[ ৪৮৫ ]

মৃত্যুৰ মুখত পৰি নভজে হৰিক।
সিটো অধমৰ জীৱনত ধিক ধিক॥

যি অলপতে মৰিব লাগিব তেনে মৰণশীল লোকে পৰজন্মৰ চিন্তা নকৰে, এনে নীচ প্ৰকৃতিৰ লোক মানৱ জন্ম ধৰা ধিক্কাৰ, মিছাতে মানৱ জন্ম ধৰিলে—তাৰ একো সাৰ্থক নহল।

[ ৪৮৬ ]

হৰি পদে নভজে শাস্ত্ৰৰ সাৰ বুজি।
বেঙ্কা মুৰা যমদূতে তাক ফুৰে খুজি॥

সকলো ধৰ্ম্মৰ সাৰ তত্ব হৈছে হৰিক চিন্তা কৰা; যিলোকে এনে ত্ৰাণকৰ্ত্তা ভগৱানৰ নাম চিন্তা নকৰে, সেইলোকক কুৰূপ যমদূতে ধৰি নি শাস্তি দিবলৈ বিচাৰি ফুৰে অৰ্থাৎ মৃত্যুৰ পাচত সেই লোকে মুক্তি লাভ কৰিব নোৱাৰি সংসাৰত পুনঃ পুনঃ জন্মি নানাৰূপ দুখ-কষ্ট ভোগ কৰে।

[ ৪৮৭ ]

নৰতনু পায়া হৰি নভজে যি নৰে।
সংসাৰৰ অনন্ত যোনিত ভ্ৰমি মৰে॥

কত জন্মৰ সুকৃতিৰ ফলত যিলোকে মানৱ জন্ম গ্ৰহণ কৰিও হৰিক নাভাবে, সেই লোকে মুক্তি লাভ কৰিব নোৱাৰি বাসনাৰ অধীন হোৱাৰ ফলত নানা জীৱৰূপে পুনঃ পুনঃ সংসাৰত জন্মি অশেষ দুৰ্গতি ভোগ কৰে।

[ ৪৮৮ ]

দুৰ্ল্লভ শৰীৰ পাই হৰি নভজিল।
দুৰ্ঘোৰ সংসাৰে সিটো চিত্ত নিমজিল॥

মনুষ্য জনম লাভ কৰা বৰ কঠিন, অশেষ জন্মৰ পাচত নানা সুকৃতি গোট খালেহে জীৱে মানৱ জন্ম পায়; এনে কষ্ট কৰি পোৱা মনুষ্য জন্ম লাভ কৰি যি লোকে ভগৱানক নাভাৰে, সেই লোকৰ চিত্ত বিষয়-সুখতে লিপ্ত থাকে আৰু ফলত পুনঃ পুনঃ জন্মি সেই বিষয়তে পৰি নানা কষ্ট ভোগ কৰে।

[ ৪৮৯ ]

কলি যুগে হৰি নাম নকৰে কীৰ্ত্তন।
আপোনাক আপুনি বঞ্চিলে সিটো জন॥

কলি যুগৰ ধৰ্ম্ম হৈছে হৰি নাম কীৰ্ত্তন, যি এই যুগধৰ্ম্মৰ আচৰণ নকৰে, তেওঁ নিজে ইচ্ছা কৰি নিজক বঞ্চনা কৰাৰ দৰে হয়।

[ ৪৯০ ]

হৰি ভক্তি হৰি নাম নলৱে সাক্ষাত।
আপোনাক আপুনি কৰিল আত্মঘাত॥

সাক্ষাত—সন্মুখত, বৰ্ত্তমানে, সম্প্ৰতি।

যি লোকে ভগৱানক আশ্ৰয় কৰি বৰ্ত্তমানে তেওঁৰ নাম-গুণ কীৰ্ত্তন নকৰে, সেই লোক আত্মঘাতী হোৱাৰ দৰে হয় অৰ্থাৎ নিজেই নিজক অধোগামী কৰে।

[ ৪৯১ ].

ব্ৰহ্মাৰ প্ৰাৰ্থনী ইটো নৰকায়া পায়া।
নভজিলে হৰিক বঞ্চিলে বিষ্ণুমায়া॥

নৰ জন্মত হৰিক ভক্তি কৰি ভক্তিৰস পান কৰিব পাৰি দেখি ব্ৰহ্মা আদি দেৱসকলেও এনে নৰতনু পাবলৈ ভগৱানক প্ৰাৰ্থনা কৰে ।. কিন্তু জীৱে এনে ব্ৰহ্মাৰ বাঞ্ছনীয় মানুহ জন্ম পায়ো ভগৱানক ভক্তি নকৰে। সেই সুবিধাতে জীৱক ভগৱানৰ সৃজিত মায়াই আগুৰি মুক্তিৰপৰা বঞ্চিত কৰে, অৰ্থাৎ মায়াত পৰি জীৱে ভগৱানক ভক্তি নকৰা বাবে জীৱে মুক্ত হব নোৱাৰি সংসাৰত পুনঃ পুনঃ জন্মি ঘুৰি মৰে ।

[ ৪৯২ ]

একান্ত শৰণে যিটো নভজিলে হৰি ।
দুৰ্ঘোৰ যাতনা ভুঞ্জিবেক মৰি মৰি ॥

যি লোকে একান্ত মনে ভগৱানক চিন্তা নকৰে, সেই লোকে সংসাৰৰ পৰা মুক্তি লাভ কৰিব নোৱাৰে—পুনঃ পুনঃ সংসাৰত জন্মি আৰু মৰি সংসাৰত নানা দুখ-কষ্ট ভোগ কৰে ।

[ ৪৯৩ ]

হৰি পদ সেৱা সৰ্ব্ব শাস্ত্ৰৰ নিৰ্ণয় ।
মূঢ়মতি মনুষ্যে ইহাক নজানয় ॥

ভগৱানৰ সেৱা-পূজা কৰাই সকলো ধৰ্ম্মশাস্ত্ৰৰ সাৰ তত্ত্ব, অজ্ঞান মানুহে কিন্তু ইয়াক নাজানে।

[ ৪৯৪ ]

হৰিকো কৰয় বশ্য কীৰ্ত্তন ভকতি ।
হেননাম নধৰিয়া যায় অধোগতি ॥

হৰিৰ নাম-গুণ কীৰ্ত্তন কৰিলে আৰু একান্ত মনে তেওঁক ভক্তি কৰিলে তেওঁ ভক্তৰ অধীন হয় অৰ্থাৎ ভকতে তেওঁক সততে অনুভৱ কৰিব পৰা হয়; এনে পৰম প্ৰিয়তম ভগৱানৰ নাম নলৈ লোক অধোগামী হয় অৰ্থাৎ বিষয়ত আৱদ্ধ থাকি নানা কষ্ট ভোগ কৰিব লগা হয়।

[ ৪৯৫ ]

ৰাম কৃষ্ণ হৰি নাম মুখে থাকে যাৰ।
সেহিসে হৰিৰ প্ৰিয় হৰি ভৈলা তাৰ ॥

যি সদায় ভগৱানৰ ৰাম-কৃষ্ণ আদি নাম একান্ত মনে লয়, সেই লোক হৰিৰ অতি প্ৰিয় হয় আৰু হৰিও সেই লোকৰ অতি প্ৰিয় হয় অৰ্থাৎ সেই লোকে হৰিক নাভাবি থাকিব নোৱাৰা হয় আৰু হৰিও সেই লোকৰ অন্তৰত দেখা নিদি থাকিব নোৱাৰে।

## মহিমা

[ ৪৯৬ ]

ৰাম কৃষ্ণ হৰি যিটো সততে বোলয়।
সিটো মহাজনে মুকুতিকো নগণয় ॥

যি সদায় ভগৱানৰ ৰাম-কৃষ্ণ আদি নাম লয়, সেই লোকৰ নামত এনে ৰস জন্মে, যে তেওঁ মুক্তি পদকো শ্ৰেষ্ঠ বুলি গণ্য নকৰে। নাম ৰসতে তেওঁ সদায় বিভোল হৈ থাকে।

[ ৪৯৭ ]

ৰাম কৃষ্ণ নাম ভকতৰ মহাধন।
সদা নাম লৱয় আনন্দ কৰি মন ॥

ৰাম কৃষ্ণ আদি ভগৱানৰ নামেই ভকতৰ মনত মহা মূল্যৱান ধনৰ স্বৰূপ; ভক্তে নামৰ বাহিৰে সংসাৰত অন্য বস্তু কামনা নকৰে; সেয়ে ভক্তসকলে পৰমানন্দ মনে নাম কীৰ্ত্তন কৰে।

[ ৪৯৮ ]

অনন্ত নাৰদ শুক সনতকুমাৰ।
তাৰা গাৱে হৰি যশ জ্ঞানি যোগ সাৰ ॥

অনন্ত—সৰ্পৰাজ, ব্ৰহ্মাৰ আদেশত পাতাললৈ যায় আৰু পৃথিবীক মূৰৰ ওপৰত ধৰি থাকে; তেওঁ সেই কঠোৰ তপস্যা কৰিছিল।
নাৰদ—ব্ৰহ্মাৰ মানস পুত্ৰ, ব্ৰহ্মাই তেওঁক সৃষ্টি কাৰ্য্যৰ ভাৰ লবলৈ কোৱাত তেওঁৰ ঈশ্বৰ সাধনাত বিঘ্নি হব বুলি সেই ভাৰ গ্ৰহণ নকৰিলে। ব্ৰহ্মাৰ শাপত তেওঁ গন্ধৰ্ব্ব আৰু মানুহ জন্ম পায়। তেওঁ পৰম হৰিভক্ত আছিল।
শুক—বেদব্যাসৰ পুত্ৰ। তেওঁ এজন ঋষি। পৰীক্ষিতক ভাগৱত শুনাইছিল।
সনতকুমাৰ—ব্ৰহ্মাৰ মানস পুত্ৰ; তেওঁ মহা তপস্বী আৰু ধৰ্ম্মজ্ঞ। অন্যান্য ঋষি-মুনিসকলে তেওঁক বৰ মান্য কৰিছিল।

অনন্ত, নাৰদ, শুক, সনতকুমাৰ আদি ভক্তসকলে হৰিৰ নাম-গুণ

শ্ৰৱণ কীৰ্ত্তনকে যোগসাৰ জানি সদায় একান্ত মনে হৰি নাম কীৰ্ত্তন কৰে। হৰিনাম এনে পবিত্ৰ আৰু উপকাৰী।

[ ৪৯৯ ]

**হৰিনাম কীৰ্ত্তনৰ শব্দ তুমুল।**
**আনন্দৰ ভৰে হোৱে ভকত আকুল ॥**

আনন্দৰ ভৰে—আনন্দত, সন্তোষৰ কাৰণে।

হৰিনাম কীৰ্ত্তনৰ গুৰু গম্ভীৰ শব্দ ভক্তসকলে শুনি আনন্দত আকুল হয় অৰ্থাৎ তেওঁলোকৰ হিয়া আনন্দত নধৰা হয়।

[ ৫০০ ]

**ৰাম-কৃষ্ণ নামৰ দেখিয়ো কেনে বল।**
**অধমকো কৰে নামে পৰম নিৰ্ম্মল ॥**

ৰাম কৃষ্ণ নামৰ বল কেনে চোৱা, এই নামকীৰ্ত্তন কৰিলে ই অধমকো সংসাৰৰপৰা মুক্তি দিয়ে অৰ্থাৎ অতি পাপী সকলেও যদি নাম কীৰ্ত্তন কৰে, সেইসকলেও তাৰ ফলত মুক্তিলাভ কৰে।

[ ৫০১ ]

**হৰিনামে নাহিকে নিয়ম অধিকাৰী।**
**ৰাম বুলি ভৰে মিৰি অহম কছাৰী ॥**

ভগৱানৰ নাম লবলৈ কোনো ধৰা-বন্ধা নিয়ম নাই, আৰু অন্যান্য বীজমন্ত্ৰ লোৱাৰ দৰে তাৰ অধিকাৰী অনধিকাৰী ভেদো নাই ; অৰ্থাৎ এই মন্ত্ৰ এই জাতিয়ে লব পাৰে, সেই জাতিয়ে নোৱাৰে;

এনে কোনো নিয়মো নাই, ৰাম নাম উত্তম আৰু সকলোৱে লব পৰা, যে তাক অনাৰ্য্য মিৰি, অহম, কছাৰি আদিয়েও একান্ত মনে লৈ মুক্তি লাভ কৰিব পাৰে।

[ ৫০২ ]

ৰাম কৃষ্ণ নাম সম নাহিকে বান্ধৱ।
ৰাম কৃষ্ণ নামে মিলে পৰম উৎসৱ ॥

ভগৱানৰ ৰাম-কৃষ্ণ আদি নামৰ বাহিৰে ভকতৰ প্ৰিয় বস্তু নাই। এই ৰাম-কৃষ্ণ নাম একান্ত মনে ললে মনত বৰ আনন্দ লাগে।

[ ৫০৩ ]

ভকত জনৰ হৰি নামেসে সৰ্ব্বস্ব।
মুকুতিকো ঠেলি আগ হোৱে হৰি যশ ॥

ভগৱন্তৰ সেৱকসকলৰ মনত ভগৱানৰ নামেই সকলো সৰ্ব্বস্ব; অৰ্থাৎ ভক্তে নামৰ বাহিৰে একো কামনা নকৰে। তেওঁলোকে আনকি মুক্তিলৈকো পিঠি দি হৰিৰ গুণ কীৰ্ত্তনকেহে আগ কৰে অৰ্থাৎ হৰিৰ নাম গুণ গায়।

[ ৫০৪ ]

ৰাম কৃষ্ণ নামেসে ছিণ্ডয় কৰ্ম্মবন্ধ।
মিলয় সমস্ত সুখ পৰম আনন্দ ॥

ভগৱানৰ ৰাম কৃষ্ণ নাম একান্ত মনে ললে জীৱে কৰ্ম্মত হাত সাৰিব পাৰে অৰ্থাৎ জন্ম মৃত্যুৰ হাত সাৰিব পাৰে আৰু তেওঁ সকলো প্ৰকাৰ সুখ পোৱাৰ দৰে হয়—তেওঁৰ মনত অপাৰ আনন্দ ওপজে।

[ ৫০৫ ]

ৰাম কৃষ্ণ ভাবিতে তেজয় কাল-সাপে।

হৰি ভকতক দুখ দিবে কাৰ বাপে ॥

সাপে বস্তু গিলাৰদৰে কালেও জীৱক গ্ৰাস কৰে, কালৰ হাতত পৰি জীৱে পুনঃ পুনঃ জন্ম লাভ কৰি নানা লালাট ভুঞ্জে; কিন্তু একান্ত ভকতে ৰাম কৃষ্ণ নাম ললে সংসাৰত ভ্ৰমি ফুৰিব নালাগে। হৰিভক্ত ইমান তেজস্বী, ইমান শক্তিমান, যে তাক কেৱে কষ্ট দিব নোৱাৰে।

[ ৫০৬ ]

হৰিৰ কীৰ্ত্তন শুনি হুয়া মহাভয়।

কাল মৃত্যু দুয়ো থৰ-থৰিয়া কাম্পয় ॥

হৰিনাম কীৰ্ত্তনৰ ইমান প্ৰভাৱ, যে কীৰ্ত্তনৰ ধ্বনি শুনিলে কাল আৰু মৃত্যুয়ে অতি ভয় পাই থৰথৰি কঁপে, অৰ্থাৎ একান্ত মনে নাম কীৰ্ত্তন কৰিলে কালে গ্ৰাস কৰিব নোৱাৰে, বা কালৰ বুকুত জীৱে আৰু জন্ম লাভ নকৰে, আৰু তেওঁক মৃত্যুৱেও চুব নোৱাৰে; কিয়নো একান্ত মনে নাম লোৱাৰ ফলত জীৱ মুক্ত হৈ যায়।

[ ৫০৭ ]

কেমনে জানিব হৰি নামৰ মহিমা।

ব্ৰহ্মা হৰ অনন্তে নপান্ত যাৰ সীমা ॥

যি হৰিৰ নামৰ মাহাত্ম্য ব্ৰহ্মা, হৰ, অনন্ত আদিয়েও নাপায়, তেনে হৰিনামৰ মাহাত্ম্য আমি কেনেকৈ বুজিম? অৰ্থাৎ হৰিৰ

নাম-কীৰ্ত্তনত জীৱৰ, যে কি সৌভাগ্য উদয় হয় তাক প্ৰকাশ কৰা দূৰত থাওক, ক্ষুদ্ৰমতি মনুষ্যে অনুভৱ কৰাই টান।

[ ৫০৮ ]

**হৰি-গুণ-নাম-যশ ভকতি উত্তম ।**
**যাৰ ধ্বনি শুনি কম্পে কলি কাল যম॥**

হৰিৰ নাম-গুণ-কীৰ্ত্তন ভক্তি অতি উত্তম; ই এনে শক্তিমান যে, হৰিনামৰ ধ্বনি শুনিলেই কলিৰ দোষবোৰ ভয়ত কঁপি দূৰলৈ যায়, কাল আৰু মৃত্যুও আঁতৰে অৰ্থাৎ জন্ম-মৃত্যুৰপৰা জীৱ মুক্ত হয়।

নাম্নোঽস্য যাবতী শক্তিঃ পাপনিৰ্হৰণে হৰেঃ।
তাৱৎ কৰ্ত্তুং ন শক্নোতি পাতকং পাতকী নৰঃ ॥৫৯

[ ৫০৯ ]

**হৰিনামে যত পাপ সংহাৰিতে পাৰে।**
**ততেক পাতকী পাপ কৰিতে নপাৰে ॥**

হৰিনাম কীৰ্ত্তন পৱিত্ৰকাৰী আৰু শক্তিমান, যে ই জীৱৰ যিমান পাপ নষ্ট কৰি জীৱক পৱিত্ৰ কৰিব পাৰে, জীৱে সিমান পাপ কৰিবকে নোৱাৰে।

[ এই ঘোষাত হৰি-নামৰ পাপ ক্ষয় কৰিব পৰা শক্তিৰ কথাহে কোৱা হৈছে। হৰিনামে পাপক্ষয় কৰিব পাৰে বুলি ইয়াৰ দ্বাৰাই লোকক পাপ আচৰিবলৈ কোৱা নাই। ]

[ ৫১০ ]

ৰামকৃষ্ণ গোপাল গোবিন্দ যদুমণি ।
ৰাম কৃষ্ণ নাম মহা পাপৰ আগনি ॥

অগ্নিয়ে মহাবন পুৰি ছাই কৰিব পৰাৰদৰে ভগৱানৰ ৰাম কৃষ্ণ গোপাল গোবিন্দ যদুমণি আদি নামে পাপ নষ্ট কৰিব পাৰে; অৰ্থাৎ একান্তমনে ৰাম কৃষ্ণ আদি ভগৱানৰ নাম ললে পাপ নাশ হয়।

[ ৫১১ ]

ৰাম কৃষ্ণ নামৰ মহিমা অদভুত ।
নিকট চাপিয়া কি কৰিলে যমদুত ॥

ৰাম কৃষ্ণ নামৰ ইমান অদ্ভুত মহিমা, যে যমদূতে ওচৰ চাপি একো কৰিব নোৱাৰে অৰ্থাৎ মৃত্যু ওচৰত থাকিও ধৰিব নোৱাৰে— জীৱ মুক্ত হয়।

[ ৫১২ ]

ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ সাৰ ।
ভাবিতে পৰম সুখ ভয় নাহি আৰ ॥

ভগৱানৰ ৰাম কৃষ্ণ আদি নামেই সকলো ধৰ্ম্মৰ সাৰ স্বৰূপ। একান্ত মনে এই নাম ললে মনত পৰম সুখ জন্মে আৰু মনৰপৰা সংসাৰৰ ভয় ( জন্ম মৃত্যুৰ ভয় ) আঁতৰি যায়।

[ ৫১৩ ]

ৰাম কৃষ্ণ নাম সৰ্ব্ব সুখৰ নিবাস।
ৰাম কৃষ্ণ ভাবিতে কৃষ্ণৰ পায় পাশ॥

ৰাম কৃষ্ণ আদি ভগৱানৰ নাম ললেই সকলো প্ৰকাৰ সুখ পোৱা যায় আৰু এই নাম চিন্তা কৰোঁতে কৰোঁতে সংসাৰৰপৰা মুক্তিলাভ কৰি ভগৱানৰ ওচৰলৈ যাব পৰা যায়।

[ ৫১৪ ]

আপোন নামৰ সঙ্গ নছাৰন্ত হৰি।
যেই নাম সেই হৰি জানা নিষ্ট কৰি॥

ভগৱান তেওঁৰ নামৰ লগতে থাকে অৰ্থাৎ একান্ত মনে তেওঁৰ নাম ললে তেওঁক লাভ কৰিব পৰা যায়; ভগৱান নামৰপৰা বেলেগ নহয়; নামেই ভগৱান তাক নিশ্চয় জানিবা।

[ ৫১৫ ]

ৰাম নাম সম ধৰ্ম্ম নাহিকে নিগমে।
যিটো সদা বোলে ৰাম কি কৰিব যমে॥

ভগৱানৰ তত্ত্ব থকা ভাগৱত, বেদান্ত আদি শাস্ত্ৰত ৰাম নাম কীৰ্ত্তনকেই সকলো প্ৰকাৰ ধৰ্ম্মপথৰ ভিতৰত শ্ৰেষ্ঠ বুলি ব্যাখ্যা কৰিছে; এনে সৰ্ব্বশ্ৰেষ্ঠ ধৰ্ম্ম ৰামনাম সদায় শ্ৰৱণ-কীৰ্ত্তন কৰিলে যমে একো কৰিব নোৱাৰে অৰ্থাৎ জীৱ মুক্ত হয় [ ৰামনাম উপলক্ষ্য মাত্ৰ—নাম মানে সকলো নাম। ]

[ ৫১৬ ]

হৰি চৰণত প্ৰেম মিলিল যাহাৰ ।
আন কোন সম্পত্তি হৰিয়ো ভৈল তাৰ ॥

যি লোকে হৰিৰ নাম লওঁতে লওঁতে তেওঁক ভাল পোৱা হল, বিশ্ব ব্ৰহ্মাণ্ডৰ স্বামী ভগৱান তেওঁৰেই হয় –সংসাৰৰ ধন জন আদি তেওঁলোকৰ মনত অতি তুচ্ছ।

[ ৫১৭ ]

কৰ্ণাঞ্জলি পিয়ো হৰি চৰণ অমৃত ।
হৰিৰ নিকট পাৱে হৈৱে কৃতকৃত্য ॥

একান্ত মনে হৰিৰ নাম-গুণ শ্ৰৱণ কৰি লওঁতা ভক্তই কৰ [illegible] ৰস পান কৰে; যি এইদৰে [illegible] ভক্তি কৰিব পাৰে সিয়ে হৰিক লাভ কৰিব পাৰে আৰু নিজেও ধন্য হয় বা মনুষ্য জনম সাৰ্থক বোধ কৰে।

[ ৫১৮ ]

মাধৱৰ নাম-গুণ কীৰ্ত্তন কৰিয়া ।
হৰিক পাৱয় সুখে মৃত্যুক তৰিয়া ॥

ভগৱানৰ নাম-গুণ কীৰ্ত্তন কৰি জীৱে মৃত্যুৰ হাত সাৰি বা মুক্তি লাভ কৰি ভগৱানক লাভ কৰে।

[ ৫১৯ ]

হৰিনাম কীৰ্ত্তনত নাহি একো হানি ।
শুনন্তে অমৃত স্ৰৱে ৰাম কৃষ্ণ বাণী ॥

হৰিৰ নাম কীৰ্ত্তন কৰিবলৈ একোৰে খৰচ নাই অৰ্থাৎ এনেই (ধূপ, দীপ, নৈবেদ্য, ফল-মূল অভাৱেও একান্ত মনে তেওঁৰ নাম ললেই হয়।) ৰাম-কৃষ্ণ আদি নাম একান্তমনে শুনি থাকিলে কাণত অমৃত বৰষা যেন লাগে অৰ্থাৎ ভগৱানত ভক্তি জন্মিলে তেওঁৰ নাম যিমানে শুনা যায়, সিমানে শুনি থাকিবলৈ মন যায়।

[ ৫২০ ]

**যাৰ মুখে ৰাম বাণী আসে সৰসৰি।**
**জানিবা নিশ্চয় তাৰ বশ্য ভৈল হৰি॥**

(ভগৱানৰ নামত প্ৰীতি নজন্মিলে মানুহৰ মুখৰপৰা অহৰহ নাম নোলায়, সেয়ে কৈছে) যাৰ মুখৰপৰা সদায় সৰসৰি নাম ওলায়, ভগৱান সেই লোকৰ বশ্য হব বুলি অৰ্থাৎ সেই লোকে ভগৱানক উপলব্ধি কৰিলে বুলি নিশ্চয় জানিবা।

[ ৫২১ ]

**হৰি যাৰ বশ্য ভৈল তাৰ কিবা বৈল।**
**হৰিৰ কৃপাৰ পাত্ৰ সি সি জন ভৈল॥**

ভগৱানক চিন্তা কৰোঁতে কৰোঁতে যি লোকে ভগৱানক লাভ কৰিব পাৰে; তেওঁৰ সংসাৰত লাভ কৰিব লগা আৰু একো বস্তু বাকী নাথাকে; কিয়নো এই বিশ্বখনেই ভগৱানৰ, ভগৱানক পালেই গোটেই বিশ্বৰ বস্তুকে পোৱাৰ দৰে হয়। সেই লোকে ভগৱানৰ কৃপাৰ পাত্ৰ অৰ্থাৎ সেই লোকে যিহকে বাঞ্ছা কৰে ভগৱানৰ কৃপাত তাকে পায়।

[ ৫৫২ ]

যি কৃষ্ণ নামৰ কল্লোল ৰোল শুনি।

বেঙ্কামুৰা যমদূতে পলায় আপুনি ॥

ভগবান এনে শক্তিমান, যে তেওঁৰ ৰাম কৃষ্ণ আদি নাম একান্ত মনে উচ্চাৰণ কৰিলে কুন্দ্ধচ যমদূতে ভয়তে আঁতৰি যায় অর্থাৎ জীৱৰ মৃত্যুভয় আপোন-আপুনি দূৰ হয়।

## আত্ম উপদেশ

[ ৫২৩ ]

হৰিনাম এৰি মন কি কাম কৰস।

মায়া-মোহজালে পৰি মিছাত মৰস ॥

হে মন, জন্ম-মৃত্যু ভয় বিনাশন পৰম অমৃত তুল্য হৰিনাম কীর্ত্তন নকৰি কিয় বহি থাক? হৰিনাম কীৰ্ত্তন নকৰি এইদৰে সংসাৰৰ মায়া মোহত আৱদ্ধ হৈ অনাহকত সংসাৰত আত্মঘাত কৰি নানা প্ৰকাৰ দুখ-দুৰ্গতিহে ভোগ কৰে।

[ ৫২৪ ]

হৰিনাম ধৰ মন আলাস নকৰ।

আশা নামে নদী মাজে মিছাতে নমৰ ॥

হে মন, এলাহ এৰি হৰিনাম কীৰ্ত্তনত মন দে, নদীৰ সোঁতত উটি যোৱাৰদৰে আশাত আৱদ্ধ হৈ কিয় মিছাতে সংসাৰত আত্মঘাত কৰি কষ্টভোগ কৰ?

[ ৪৫৫ ]

ৰাম নাম লৈয়ো মন ৰাম নাম লৈয়ো।
মিছা আশা লাজ মন পাশ কৰি থৈয়ো ॥

হে মন, একান্ত মনে ৰাম নাম লোৱা, হৰিনাম লবলৈ লাজ নকৰিবা আৰু নাম লওঁতে বিষয় আশাও মনত ঠাই নিদিবা।

[ ৫২৬ ]

ৰাম কৃষ্ণ বোল মন ৰাম কৃষ্ণ বোল ॥
অসাৰ সংসাৰ সুখ তাৰ আশা ভোল।

হে মন, একান্ত মনে মনে ৰাম-কৃষ্ণ নাম কীৰ্ত্তন কৰা, সংসাৰ-সুখ অনিত্য—আজি আছে কালি নাই—হৰি-নাম লৈ সেই অস্থায়ী সুখ পাহৰি পেলোৱা।

[ ৫২৭ ]

হৰিপদে ভজ মন হৰিপদে ভজ।
ঘোৰ আশা-নদী মাজে মিছাত নমজ ॥

হে মন, একান্ত মনে হৰিক চিন্তা কৰা, নদীত পৰি ডুবি মৰাৰ দৰে সংসাৰৰ দুৰ্ঘোৰ আশাত আৱদ্ধ হৈ অনাহকতে লটি ঘটি নহবা।

[ ৫২৮ ]

ৰাম নাম লৈয়ো মন তেজ আশা আন।
ভকতৰ সঙ্গে পাতা নামৰ দোকান ॥

হে মন, অন্য আশা এৰি একান্ত মনে ৰামনাম লোৱা আৰু

ভক্তৰ লগত নামৰ দোকান পাতা অৰ্থাৎ হৰি-গুণ আলাপন কৰা বা ধন দি দোকানৰ বস্তু কিনা দৰে ভক্তক ভক্তি কৰি তেওঁৰপৰা ভগৱানৰ তত্ত্ব লাভ কৰা।

[ ৫২৯ ]

ভজ মন্ন কপট তেজিয়া হৰি পায়।
সৰ্ব্বসাক্ষী হৰিত কপট নুযুৱায় ॥

সৰ্ব্বসাক্ষী—সৰ্ব্বদৰ্শী।

কপট—ভণ্ডামী, বেঁকাভাব।

হে মন, কপট ভাব এৰি মুখে পেটে একে হৈ একান্ত মনে হৰিক চিন্তা কৰা; ভগৱান সৰ্ব্বদৰ্শী অৰ্থাৎ তেওঁ অন্তৰ-বাহিৰ সকলো দেখিছে; তেওঁৰ লগত কপটতা নাথাটে।

[ ৫৩০ ]

গোপাল গোবিন্দ ৰাম বোল পাপী মন।
অন্যায় নকৰ লগে চৈধ্য সাক্ষী* জন ॥

সদায় পাপ কামলৈ ঢাপ খাব খোজা হে মন, তই সদায় ভগৱানৰ গোপাল গোবিন্দ ৰাম নাম আদি উচ্চাৰণ কৰ; কপট ভাবে তই নাম নলবি আৰু বেয়া কাম নকৰিবি; কিয়নো তোৰ চাৰিওফালে চৈধ্যজনা সাক্ষীয়ে দেখি আছে, সিবিলাকৰ হাতত তই ধৰা পৰিবি।

---

* চৈধ্য সাক্ষী—সূৰ্য্য, চন্দ্ৰ, বায়ু, বৰুণ, অগ্নি, আকাশ, পৃথিৱী, হৃদয়, যম, দিন, ৰাতি, উভয় সন্ধ্যা আৰু ধৰ্ম্ম।

[ ৫৩১ ]

·ৰাম কৃষ্ণ হৰি মন বুলিয়ো যতনে।
ব্ৰহ্মাৰ দুৰ্লভ নাম তাৰে হেলা কেনে॥

ব্ৰহ্মাৰ দুৰ্লভ—পৰম ·বাঞ্ছিত।

হে মন, একাণপতীয়া ভাবে তই ৰাম কৃষ্ণ নাম উচ্চাৰণ কৰ। হৰিনাম ব্ৰহ্মাৰো কামনাৰ বস্তু; ইয়ালৈ তোৰ কিয় হেলা অৰ্থাৎ হেলা কৰি ইয়াক নোলোৱালৈ কিয় থাক?

[ ৫৩২ ]

মন বোল ৰাম কৃষ্ণ পৰম আনন্দে।
মুকুতি তেজিয়া জপে সনক সনন্দে॥

হে মন, পৰম আনন্দ মনে ৰাম কৃষ্ণ নাম উচ্চাৰণ কৰ, ৰাম কৃষ্ণ নাম এনে ৰসপূৰ্ণ, যে সনক, সনন্দ আদি মুনিসকলে মুক্তিকো কামনা নকৰি ভগৱানৰ নামকে একান্তমনে লয়।

## প্ৰাৰ্থনা

[ ৫৩৩ ]

হে প্ৰাণবন্ধু কৃষ্ণ কৃপাৰ ঠাকুৰ।
অণু এক দয়া কৰা মায়া হোক দূৰ॥

হে প্ৰাণ বন্ধু, কৃপাৰ ঠাকুৰ কৃষ্ণ, মোক অতি সামান্য পৰিমাণ কৃপা কৰা—মোৰ বিষয় বাসনা দূৰ হওক অৰ্থাৎ বিষয়ৰ হাত সাৰি

যাতে তোমাক ভাবিব পাৰোঁ, সেই অৰ্থে তোমাৰ অপাৰ কৰুণাৰ সামান্য পৰিমাণ মোক কৃপা কৰা।

[ ৫৩৪ ]

**জয় জয় কৃপাময় দেৱ যদুপতি।**

**তোমাৰ চৰণে মাগোঁ অমূল্য ভকতি ॥**

হে কৃপাময়, যদুপতিদেৱ, তোমাৰ নামৰ জয় হওক; তোমাৰ নাম লৈ, তোমাৰ পদত অমূল্য ভক্তি জন্মিবলৈ কামনা কৰোঁ।

[ ৫৩৫ ]

**হে হে পৰমানন্দ কৃষ্ণ কৃপাসিন্ধু।**

**ভকতি আনন্দ ৰস মাগো এক বিন্দু ॥**

হে পৰমানন্দ কৃপাৰ সাগৰ কৃষ্ণ, তোমাৰ পদত ভক্তি জন্মিলে তাৰপৰা হোৱা আনন্দ ৰস অলপ পাবলৈ তোমাৰ ওচৰত প্ৰাৰ্থনা কৰোঁ। (কৃপা কৰা প্ৰভু, যাতে তোমাৰ পদত মোৰ ভক্তি জন্মে)

[ ৫৩৬ ]

**পতিত পৰিয়া ৰৈলো এভৱ সাগৰে।**

**পতিত পাৱন নাম ভৈল কিবা তৰে ॥**

মই পতিত, এই সংসাৰৰূপ সাগৰত পৰি ৰলোঁ আৰু সাগৰ ঢৌত তল ওপৰ হোৱাৰদৰে বিপদ-আপদত হাবাথুৰি খাব ধৰিছোঁ তুমি পতিত পাৱন, তুমি যদি মোৰদৰে পতিতক উদ্ধাৰেই নকৰ তেন্তে তোমাৰ পতিত পাৱন নাম নো কিয় হল? অৰ্থাৎ পতি পাৱন নামৰ সাৰ্থকতা ক'ত হল?

[৫৩৭]

**অৰুণ চৰণে মই পাপীকো তৰিয়ো।**
**পতিত পাৱন নাম সফল কৰিয়ো॥**

হে প্ৰভু, তোমাৰ ৰঙা চৰণত মোৰদৰে পাপীৰ ভক্তি জন্মাই মোক মুক্তি দিয়া, ইয়াকে কৰি তুমি যে পতিত পাৱন এই নামৰ সাৰ্থক কৰা।

[৫৩৮]

**আতুৰ ভৈলোহো হৰি বিষয় বিকলে।**
**কৰিয়ো উদ্ধাৰ মোক চৰণ কমলে॥**

বিষয় বিকলে—বিষয় জালাত ভোগ বাসনাত লটিঘটি হৈ।

হে হৰি, মই বিষয় জালাত পৰাত মোৰ বল বুদ্ধি ক্ষীণ হৈছে; অৰ্থাৎ মই নিজৰ শক্তি হেৰুৱাইছোঁ। নিজে চেষ্টা কৰি ভোগ-বাসনাৰ হাত সাৰিব নোৱাৰাত পৰিছোঁ। তোমাৰ চৰণত মই আশ্ৰয় ললোঁ; তোমাৰ চৰণ-পদ্মত আশ্ৰয় দি মোক এই সংসাৰৰ মায়া বন্ধনৰ পৰা মুক্ত কৰা।

[৫৩৯]

**হে কৃষ্ণ কৃষ্ণ নাথ কৰা পৰিত্ৰাণ।**
**তনু নাৱ বুৰি আসে নাহিকে গিয়ান॥**

হে মোৰ স্বামী কৃষ্ণ, মোক এই সংসাৰৰপৰা উদ্ধাৰ কৰা; নাও বুৰি অহাৰ দৰে মোৰ দেহ (ইন্দ্ৰিয়াদি) বিষয়ত পোত গৈছে, তথাপি মোৰ চেতনা উদয় হোৱা নাই অৰ্থাৎ তোমাক চিন্তা কৰি

বিষয়ৰপঁৰা মুক্ত হবলৈ যত্ন কৰিব লাগে বুলি মোৰ ভাব হোৱা নাই। ( নাইবা ) মই মৃত্যুৰ ক্ষালৈলৈ গতি কৰিছোঁ ; অৰ্থাৎ মোৰ বয়স বাঢ়ি গৈছে, তথাপি তোমাক ভজি মুক্তিলাভৰ কাৰণে যত্ন কৰিব লাগে বুলি মোৰ ভাব হোৱা নাই।

[ ৫৪০ ]

নাম-ধন দিয়া মোৰে কিনা বনমালী।
দাস পাই নলৱা কমন ঠাকুৰালি ॥

ঠাকুৰালি—( ঠাকুৰ—গৰাকী ) স্বামীত্ব।

হে বনমালী, নাম ধন দি মোক কিনা, অৰ্থাৎ তোমাৰ নাম জপোৱা কৰা ; মই একান্ত মনে তোমাৰ চৰণত আশ্ৰয় লব খোজোঁ, তথাপি তুমি কৃপা নকৰাৰ কাৰণে তোমাৰ সেৱক হব নোৱাৰোঁ, এনে দাস পায়ো তুমি গ্ৰহণ নকৰা—ই নো তোমাৰ কেনে ৰকমৰ ঠাকুৰালি? অৰ্থাৎ ইয়াক নো তুমি আমাৰ স্বামীত্ব গ্ৰহণ কৰা বুলি কেনেকৈ কওঁ ?

[ ৫৪১ ]

নিজ দাস কৰি হৰি মোৰে কিনা কিনা।
আন ধন নলাগয় নাম-ধন বিনা ॥

হে হৰি, মোক তোমাৰ দাস কৰি কিনি লোৱা, কিন্তু ইয়াৰ মূল্য মোক নামহে লাগিব, আন ধন নলাগে ; অৰ্থাৎ প্ৰভু, তোমাৰ নামত মোৰ প্ৰীতি জন্মোৱা, তাৰ ফলত যেন মই তোমাৰ সেৱক হৈ থাকিব পাৰোঁ।

[ ৫৪২ ]

**জয় জয় ৰাম কৃষ্ণ শৰণ তোমাৰ।**
**কৃপাৰ সাগৰ কৃপা কৰা একবাৰ॥**

হে হৰি, তোমাৰ মঙ্গলময় ৰাম কৃষ্ণ নামক আশ্ৰয় কৰিলোঁ; কৃপাৰ সাগৰ হৰি, মোক এবাৰ কৃপা কৰা—যাতে তোমাৰ নাম লৈ মুক্তিলাভ কৰিব পাৰোঁ।

[ ৫৪৩ ]

**দিয়োঁ দৰশন পাৱে পশিলো শৰণ।**
**ভকত জনৰ ধন তুমি নাৰায়ণ॥**

হে নাৰায়ণ, তোমাৰ চৰণত মই আশ্ৰয় ললোঁ—মোক দৰ্শন দিয়া; তুমি ভক্তৰ হৃদয়ৰ ধন স্বৰূপ অৰ্থাৎ তুমি ভক্তৰ হিয়াত সদায় থাকা, মোক ভক্তি দান কৰা, যাতে ময়ো তোমাক মোৰ হৃদয়ত উপলব্ধি কৰিব পাৰোঁ।

[ ৫৪৪ ]

**যাদৱ যাদৱ যাদৱ যাদৱ দেৱ।**
**তুমি বিনে সুহৃদ বান্ধৱ নাহি কেৱ॥**

হে যাদৱদেৱ, তোমাৰ বাহিৰে মোৰ সুহৃদ বন্ধু কেৱ নাই, অৰ্থাৎ তোমাকেই পৰম প্ৰিয়তম বুলি আশ্ৰয় কৰিলোঁ।

[ ৫৪৫ ]

**কেমনে পাইবো হৰি চৰণ তোমাৰ।**
**দুৰ্ঘোৰ মায়ায়ে মন মুহিলে আমাৰ॥**

হে হৰি, মই তোমাৰ চৰণ কিমতে ভজিম অৰ্থাৎ একান্ত মনে মই তোমাক কেনেকৈ চিন্তা কৰিম? মোৰ মন যে দুৰ্ঘোৰ মায়াই আৱদ্ধ কৰি থৈছে অৰ্থাৎ বিষয়ৰ চিন্তাত মোৰ মন আৱদ্ধ থকাত মই তোমাক এক চিত্ত মনে যে ভাবিব নোৱাৰাত পৰিছোঁ।

[ ৫৪৬ ]

ৰাম বুলি তৰিবে দঢ়াই আছো মন।
তুমি হৰি দীনবন্ধু পতিত পাৱন ॥

ৰাম নাম একান্ত মনে জপ কৰি মুক্তি লাভ কৰিম বুলি দৃঢ় বিশ্বাস কৰি আছোঁ, কিয়নো প্ৰভু, তুমি দুখহাৰী, দুখীয়াৰ বন্ধু আৰু পতিতক উদ্ধাৰ কৰোঁতা।

[ ৫৪৭ ]

পতিত পাৱন ৰাম কৃষ্ণ কৃপাসিন্ধু।
আমি পতিতক নছাৰিবা দীনবন্ধু ॥

হে পতিতপাৱন ৰাম কৃষ্ণ, তুমি কৃপাময়; মই পতিত; হে দুখীয়াৰ পৰম বন্ধু, মোক ত্যাগ নকৰিবা অৰ্থাৎ দাস বুলি মোক তোমাৰ চৰণত ঠাই দিবা।

[ ৫৪৮ ]

হা হৰি মোৰ প্ৰাণজীৱন মুৰাৰি।
অনাথৰ নাথ ভকতৰ ভয়হাৰী ॥

হে মুৰ নামক দৈত্য বিনাশকাৰী, মোৰ প্ৰাণ আৰু জীৱন

স্বৰূপ হৰি, তুমি অনাথৰ নাথ আৰু ভকতৰ সংসাৰ ভয় নাশ কৰোঁতা। তোমাত মই একান্তে শৰণ ললোঁ, মোক আশ্ৰয় দিয়া।

## প্ৰশংসা

[ ৫৪৯ ]

শ্ৰীৰাম নামে ৰতি মিলিল যাহাৰ।
সিটো ভগ্যৱন্তে পাইলে সংসাৰৰ পাৰ॥

যি লোক ভগৱানৰ নামক ভালপোৱা হয় আৰু সদায় তেওঁৰ নাম লৈ থাকে, সেই লোকেই ভাগ্যৱান—তেওঁ সংসাৰ-সাগৰ পাৰ হোৱাৰদৰে হল অৰ্থাৎ তেওঁ জন্ম-মৃত্যুৰ হাত সাৰিল।

[ ৫৫০ ]

হৰি গুণ ভকতৰ কৰ্ণৰ ভূষণ।
যিটো সদা বোলে নাম সি সি মহাজন॥

হৰি-গুণ-নাম শ্ৰৱণ ভক্তৰ কাণৰ অলঙ্কাৰ স্বৰূপ ; অৰ্থাৎ ভক্তে ভগৱানৰ নাম-গুণ শুনিবলৈ ভাল পায় ; ইয়াকে জানি যি লোকে সদায় ভগৱানৰ নাম লয়, সেই লোকেই সাধুলোক।

[ ৫৫১ ]

নিত্যানন্দময় ৰাম ভকতৰ ধন।
হৰি বিনে আন ধন সবে অকাৰণ॥

ৰাম নাম নিত্যানন্দময় অর্থাৎ ভগৱানৰ নাম একান্ত মনে ললে সদায় আনন্দ পোৱা যায়; সেয়ে সি ভক্তৰ বৰ আদৰৰ সামগ্ৰী। ভগৱানৰ বাহিৰে আন সকলো বস্তু অনিত্য—আজি আছে, কালি নাই।

[ ৫৫২ ]

আন ধৰ্ম্ম নাহি হৰিনামক উপাম।
হৰিৰ বল্লভ যিটো সদা বোলে ৰাম॥

হৰিৰ বল্লভ—হৰিৰ প্ৰিয়পাত্ৰ।

হৰিৰ নাম কীৰ্ত্তন কৰা ধৰ্ম্মৰ লগত আন কোনো ধৰ্ম্ম তুলনা হব নোৱাৰে। যি লোকে হৰিৰ নাম লওঁতে লওঁতে হৰিৰ প্ৰিয়পাত্ৰ হয়, সি সদায় তেওঁৰ নাম নোলোৱাকৈ থাকিব নোৱাৰে।

[ ৫৫৩ ]

কৃষ্ণ নাম সদায়ে আনন্দে যিটো ধৰে।
বংশ সমে তৰয় হৰিকো বশ্য কৰে॥

যি লোকে সদায় আনন্দ মনে কৃষ্ণনাম লয়, সেইলোকে নিজেতো উদ্ধাৰ হয়েই, তদুপৰি তেওঁৰ বংশৰ লোকেও তেওঁৰ আহি লৈ নাম কীৰ্ত্তন কৰি মুক্তিলাভ কৰে আৰু হৰিকো তেওঁ বশ কৰাবপৰা হয়; অৰ্থাৎ একান্ত মনে নাম লোৱাৰ ফলত যেতিয়াই ইচ্ছা যেতিয়া তেওঁ ভগৱানক উপলব্ধি কৰিব পাৰে।

[ ৫৫৪ ]

হৰি গুণ গাৱে যিটো কৰিয়া নিশ্চয়।
হৰিক সুহৃদ পাৱে মৃত্যু কোন ভয়॥

যি লোকে নামধৰ্মকে নিশ্চয় কৰি লৈ হৰিৰ নাম-গুণ কীৰ্ত্তন কৰে, সেই লোকে হৰিক বন্ধুৰূপে পায়—দুখ-বিপদত বন্ধুৱে দেখা দি সহায় কৰাৰদৰে হৰিকো সকলো অৱস্থাতে পায়—সেইলোকৰ মৃত্যুলৈকো ভয় নাই।

[ ৫৫৫ ]

যাৰা সবে হৰিগুণ গাৱয় হৰিষে।
তাপ দূৰ হোৱে যেন অমৃত ৰৰিষে॥

যিসকলে আনন্দমনে হৰিৰ নাম-গুণ কীৰ্ত্তন কৰে, সেইসকলৰ দৈৱিক, আধিদৈৱিক আৰু আধিভৌতিক আদি যত তাপ আছে সকলোবোৰ নাশ হয় আৰু সেইসকলৰ ওপৰত অমৃত বৰষাৰদৰে সদায় মঙ্গলহে হয়।

[ ৫৫৬ ]

ৰাম কৃষ্ণ হৰি নাম পৰম অমৃত।
যিটো মহাজনে লোৱে হোৱে কৃতকৃত্য॥

পৰম অমৃত তুল্য ৰাম কৃষ্ণ হৰি নাম যি সাধুলোকে একান্ত মনে লয়, তেৱেঁই মানৱ জন্মৰ কাম কৰি সফল লাভ কৰা হয়।

[ ৫৫৭ ]

হৰিগুণ কীৰ্ত্তন স্বভাৱ ভৈল যাৰ।
সংসাৰত দুৰ্ল্লভ থাকিল কিবা তাৰ॥

যাৰ হৰি-গুণ কীৰ্ত্তন কৰাই স্বভাৱ হল অৰ্থাৎ যি হৰি গুণ

কীৰ্ত্তন নকৰি থাকিব নোৱাৰা হল, সেই লোকৰ আৰু সংসাৰত পাবলৈ আটকীয়া বস্তু একো নাথাকিল অৰ্থাৎ সকলোকে পোৱাৰ দৰে হল।

[ ৫৫৮ ]

কিনো ভাগ্য কিনো ভাগ্য কলিৰ প্ৰজাৰ।

হৰিগুণ কীৰ্ত্তনেসে ধৰ্ম্ম ভৈল যাৰ ॥

কলিকালত জন্মা লোকসকলৰ কি পৰম ভাগ্য যে আন যুগৰ ব্যয় আৰু কষ্টসাধ্য কঠোৰ তপ-জপ, যাগ-যজ্ঞ নকৰি কলিকালৰ বিহিত সহজসাধ্য হৰিনাম-গুণ কীৰ্ত্তন কৰিয়েই উদ্ধাৰ হব পাৰে।

[ ৫৫৯ ]

হৰিগুণ নামক কীৰ্ত্তন যিটো কৰে।

কলিৰ দোষক বঞ্চিলেক সিটো নৰে ॥

যি লোকে কলিকালত হৰিৰ নাম-গুণ কীৰ্ত্তন কৰে, সেইলোক কলিকালৰ মিছা, বেশ্যা, শঠতা আদি দোষবোৰক বঞ্চনা কৰাৰদৰে হয় অৰ্থাৎ একান্ত মনে হৰিৰ নাম-গুণ কীৰ্ত্তন কৰাৰ ফলত সেই দোষবোৰে সেই লোকক চুব নোৱাৰে।

[ ৫৬০ ]

ৰাম নাম লৈয়া পাপীজনো তৰে সুখে ॥

হেন হৰি নামৰ ভাণ্ডাৰ ভৈল মুখে ॥

ৰামনামৰ ইমান শক্তি যে, ইয়াক একান্ত মনে ললে পাপী-লোকবিলাকেও সংসাৰৰপৰা উদ্ধাৰ হব পাৰে। এনে শক্তিমান

নামৰ ভঁৰাল হৈছে মুখ; অৰ্থাৎ মানুহে নাম লবলৈ ইচ্ছা কৰিলেই মুখৰ পৰা নাম আপোন-আপুনি ওলাই পৰে।

( ৫৬১ )

যিসব চতুৰ নৰে বিষ্ণুক ভজয়।
পৰম কৃতাৰ্থ ভৈল সিটো মহাশয়॥

যিসকল বুধিয়কলোকে একান্ত মনে বিষ্ণুক উপাসনা কৰে, তেওঁলোকে তাৰ ফলত কৃতাৰ্থ হয় অৰ্থাৎ মুক্তি-লাভ কৰে।

## কলিধৰ্ম্ম

( ৫৬২ )

ৰাম কৃষ্ণ নাম ভকতৰ নৱনিধি।
কলিযুগে বেকত কৰিল কোন বিধি॥

ৰাম কৃষ্ণ নাম ভক্তৰ মনত মহামূল্য ঐশ্বৰ্য্যৰদৰে, এই পৰম বস্তু হৰিনাম কীৰ্ত্তনৰ পদ্ধতিটো কলিযুগত যি প্ৰকাশ কৰিলে অৰ্থাৎ লোকসমাজত প্ৰচাৰ কৰিলে, তেওঁ পৰম উপকাৰী বিধাতাস্বৰূপ।

( ৫৬৩ )

ধন্য ধন্য কলিৰ লোকৰ মহাভাগ।
সৰ্ব্ব ধৰ্ম্ম ঠেলি ৰাম নাম ভৈল আগ॥

কলিত জন্মা লোকৰ ভাগ্যকে প্ৰশংসা কৰিব লাগে, কিয়নো সৰ্ব্ব-ধৰ্ম্মশ্ৰেষ্ঠ ৰামনামেই কলিকালৰ নিমিত্তে বিহিত হৈছে—লোকসকলে এই সহজসাধ্য নাম-গুণ কীৰ্ত্তন কৰিয়েই তৰিব পাৰে।

( ৫৬৪ )

কলিত কীৰ্ত্তন যিটো কৰে হৰিনাম ॥

তাৰ আৰ আচৰিবে নাথাকিল কাম ॥

যি লোকে এই কলিকালত একান্ত মনে হৰিনাম কীৰ্ত্তন কৰে ধৰ্ম্ম সম্বন্ধে তেওঁ সকলো কাম কৰাৰদৰে হয় অৰ্থাৎ আত্মাৰ সদ্গতিৰ অৰ্থে তেওঁৰ কৰিবলগীয়া আৰু একো কাম বাকী নাথাকে।

( ৫৬৫ )

নাহিকে কলিত ধৰ্ম্ম কীৰ্ত্তনৰ সম।

যিটো গাৱে হৰি গুণ সি সি নৰোত্তম ॥

হৰিনাম কীৰ্ত্তনৰ সমান কলিত আৰু একো ধৰ্ম্মকৃত্য নাই। যি লোকে একান্ত মনে হৰি নাম-গুণ কীৰ্ত্তন কৰে, তেৱেঁই মানৱ-শ্ৰেষ্ঠ বা মহাপুৰুষ।

( ৫৬৬ )

কলিত কীৰ্ত্তনে মিলিবেক মহাভাগ।

সংসাৰক তৰি মাধৱক পাইবা লাগ ॥

কলিকালত হৰিনাম কীৰ্ত্তন কৰিলে মহা ভাগ্যোদয় হয় অৰ্থাৎ মুক্তিলাভ কৰিব পাৰি; যদি একান্ত মনে তুমি নাম-কীৰ্ত্তন কৰা, তেন্তে মুক্তিলাভ কৰিব পাৰিবা।

## নাম

( ৫৬৭ )

কেশৱ কমলাকান্ত অনন্ত অনাদি।

নিত্য নিৰঞ্জন শুদ্ধ বুদ্ধ বেদবাদী ॥

বুদ্ধ—মুক্ত। বেদবাদী—পৰমেশ্বৰ, বেদ যাৰ মুখৰ বাণী।

হে প্ৰভু, তুমি কেশৱ, কমলাকান্ত, অনন্ত, অনাদি, নিত্য, নিৰঞ্জন, শুদ্ধ, মুক্ত আৰু তুমিয়েই বেদ কৰ্ত্তা।

( ৫৬৮ )

জয় জয় জগত জনক জগজীৱ।
অনন্ত অচ্যুত সনাতন সদাশিৱ ॥

হে জগত উদ্ভৱ কৰোঁতা, জগতৰ প্ৰাণীসমূহৰ প্ৰাণস্বৰূপ, তোমাৰ নামৰ জয় হওক, তোমাৰ অন্ত নাই, তুমি অক্ষয়, তুমি, চিৰকাল আছা, তুমি সদা মঙ্গলময়।

( ৫৬৯—৫৭২ )

ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ নাম।
ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ নাম ॥
গোপাল গোবিন্দ ৰাম কৃষ্ণ নাৰায়ণ।
কমললোচন হৰি পতিত পাৱন।
ৰাম নাৰায়ণ হৰি ৰাম নাৰায়ণ।
ৰাম কৃষ্ণ নাৰায়ণ শিৱ সনাতন ॥
গোপাল গোপীনাথ গোবিন্দ মাধৱ।
জীৱৰ জীৱন যদুনন্দন যাদৱ ॥

হে প্ৰভু, তোমাৰ নাম ৰাম কৃষ্ণ। তুমি গোপাল, গোবিন্দ, নাৰায়ণ, কমললোচন, হৰি আৰু পতিত পাৱন। তুমি ৰাম, তুমি

নাৰায়ণ, তুমিয়েই শিৱ আৰু সনাতন। হে গোপাল, গোবিন্দ, গোপীনাথ, মাধৱ, তুমি প্ৰাণস্বৰূপ, তুমিয়েই যদুনন্দন আৰু যাদৱ।

## তাৎপৰ্য্য

[ ৫৭৩ ]

বৈকুণ্ঠৰ কল্পতৰু ভাগৱত শাস্ত্ৰ।
ইহাৰ উত্তম ফল হৰিনাম মাত্ৰ ॥

ভাগৱত শাস্ত্ৰ বৈকুণ্ঠৰ কল্পতৰু বৃক্ষস্বৰূপ অৰ্থাৎ বৈকুণ্ঠত থকা কল্পতৰুত যি খোজা যায় তাকে যেনেকৈ পোৱা যায়, ভাগৱত শাস্ত্ৰতো ধৰ্ম্ম-অৰ্থ-কাম-মোক্ষ আদিৰ নাইবা জ্ঞান, ভক্তি, কৰ্ম্ম আদিৰ বিহকে বিচৰা যায় তাকে পোৱা যায়; আৰু গছৰ ফল যেনে ভাগৱতৰ সাৰো তেনে হৰিনাম।

[ ৫৭৪ ]

হৰি নামে হৰি নামে হৰি নামে গতি।
হৰি নামে ভকতৰ কেৱল ভকতি ॥

হৰিনাম লৈয়েই গতি বা মুক্তি লাভ কৰিব পাৰি; সেয়ে ভক্তৰ কেৱল হৰিনামতেই ভক্তি অৰ্থাৎ ভক্তে শ্ৰদ্ধাৰে সৈতে একান্ত মনে হৰিনামকে মাত্ৰ ধ্যান আৰু ধাৰণা কৰে।

[ ৫৭৫ ]

কৃষ্ণ পাদপদ্ম দুই মোৰ নিজ গতি।
হৰি নাম বিনে আন নজানো ভকতি ॥

কৃষ্ণৰ চৰণেই মোৰ আশ্ৰয়; তেওঁৰ নাম লোৱাৰ বাহিৰে মোৰ আন ভক্তি নাই।

[ ৫৭৬ ]

ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ সাৰ ॥
ৰাম কৃষ্ণ বিনে ঝুঁঠা আৱৰ বিচাৰ ॥

ভগৱানৰ ৰাম কৃষ্ণ নামেই শ্ৰেষ্ঠ, ৰাম-কৃষ্ণ নামৰ বাহিৰে শাস্ত্ৰৰ অন্য মত বা বিচাৰ মই বিশ্বাস নকৰোঁ।

[ ৫৭৭ ]

শ্ৰীৰাম নাম ভকতৰ ধন সাৰ।
সংসাৰ সাগৰে ৰাম নাম দুৰ্গপাৰ ॥

শ্ৰীৰামনাম ভক্তৰ শ্ৰেষ্ঠ ধন, অৰ্থাৎ ভক্তে ভগৱানৰ নামকে বাঞ্ছা কৰে আৰু ৰামনামেই সংসাৰ সাগৰ দুৰ্গৰ পাৰ স্বৰূপ; অৰ্থাৎ দুৰ্গৰ ভিতৰত থাকিলে যিদৰে শত্ৰুৰ আক্ৰমণৰপৰা নিজক ৰক্ষা কৰিব পাৰি, সেইদৰে ৰামনাম একান্ত মনে শ্ৰৱণ-কীৰ্ত্তন কৰিলেও বিষয়-বাসনাৰ হাত সাৰিব পাৰি অৰ্থাৎ নিষ্কাম ভাৱে কাম কৰি মুক্তি লাভ কৰিব পাৰি।

[ ৫৭৮ ]

হৰিনাম কীৰ্ত্তনেসে পৰম মঙ্গল।
পাৱয় পৰমানন্দ গুচে কৰ্ম্মমল ॥

কৰ্ম্মমল—কৰ্ম্মৰ বাসনা; বাসনা থকা কৰ্ম্ম কৰি পোৱা ফল।

হৰিনাম কীৰ্ত্তন কৰিলে জীৱৰ পৰম ভাগ্য উদয় হয়—জীৱে পৰম আনন্দ লাভ কৰে আৰু তাৰ ফলত কৰ্ম্মৰ হাত সাৰে বা মুক্তি পায় অৰ্থাৎ হৰিনাম একান্ত মনে ললে জীৱে নিষ্কাম ভাৱে কৰ্ম্ম কৰিবলৈ বাধ্য হয়, তাৰ ফলত জীৱ মুক্ত হয়—কৰ্ম্মত বাসনা নথকাত জীৱে সংসাৰত ঘূৰি কষ্টভোগ কৰিব নালাগে।

[ ৫৭৯ ]

ব্ৰহ্মা হৰে ভজন্ত হৰিৰ দুই পাৱে।
মুকুত সকলো সদা ৰামনাম গাৱে॥

সৃষ্টি সৃজনকাৰী ব্ৰহ্মা, সংহাৰকাৰী হৰ আদি পৰম ভক্তসকলে হৰিক চিন্তা কৰে আৰু যিসকল জীৱমুক্ত পুৰুষ, সেই সকলেও সদায় হৰিনামকে লয়—হৰিনাম এনে ৰসময়ী।

## বিৰক্তি

[ ৫৮০ ]

বিষয়ৰ আশা ভঙ্গে ভক্তৰ হৰিষ।
দেখয় বিষয় সুখ বিষ্ঠাৰ সদৃশ॥

ধন ভাৰ্য্যা পুত্ৰ আদিৰপৰা যিমানে সম্বন্ধ ছিঙে, ভক্তসকলে সিমানে আনন্দ পায় অৰ্থাৎ বিষয়লৈ ভক্তৰ মন যিমানে নোযোৱা হয়, ভক্তে মনত সিমানে ৰং পায়; কিয়নো তেওঁলোকে বিষয় সুখক বিষ্ঠাৰ দৰে ঘৃণনীয় বুলি ধৰে। ভগৱৎ প্ৰাপ্তিৰ চেষ্টাকে তেওঁলোকে মনুষ্য জন্মৰ প্ৰধান কৰ্ম্ম বুলি বিশ্বাস কৰে।

[ ৫৮১ ]

বিষয়ৰ সুখ যত সকলে অসাৰ।
জানিবা ভকতে তাক কৰে পৰিহাৰ ॥

ভক্তসকলে বিষয়-সুখ অসাৰ জানি তাক পৰিত্যাগ কৰে। আৰু ভগৱানক একান্ত মনে ভজনা কৰে।)

## স্তুতি

[ ৫৮২ ]

মুৰাৰি মধুৰিপু মাধৱ ৰাম।
তুমি ভকতৰ ধৰ্ম্ম অৰ্থ মোক্ষ কাম ॥

হে মুৰ অসুৰ সংহাৰকাৰী ( দৰ্পহাৰী ), মধুদৈত্য নাশকাৰী ( মায়া গুচাওঁতা ), লক্ষ্মীপতি ( ঐশ্বৰ্য্যৰ অধিপতি ), ৰাম ( দেহত ৰমণ কৰি থাকোঁতা ), তুমি ভক্তৰ ধৰ্ম্ম-অৰ্থ-কাম-মোক্ষস্বৰূপ অৰ্থাৎ তুমি ভক্তৰ চতুৰ্বৰ্গ সাধন কৰোঁতা।

[ ৫৮৩ ]

মুৰাৰি মনোহৰ ভগৱন্ত দেৱ।
তুমি বিনে পতিতৰ গতি নাহি কেৱ ॥

হে মুৰাৰি, মনোহৰ মূৰ্ত্তিধৰোঁতা ভগৱন্ত দেৱ, তোমাৰ বাহিৰে আৰু পতিতৰ কোনো গতি নাই অৰ্থাৎ তুমি পতিতক উদ্ধাৰ নকৰিলে আন কোনে উদ্ধাৰ কৰিব নোৱাৰে।

## কৃপা

[ ৫৮৪ ]

কৃপাৰ সাগৰ কৃপাময় কৃপানিধি।

তুয়া গুণ-নাম ভকতৰ সৰ্ব্বসিদ্ধি ॥

হে কৃপাৰ সাগৰ, কৃপাময়, কৃপানিধি, তোমাৰ গুণ-নাম কীৰ্ত্তনেই ভক্তৰ সৰ্ব্বসিদ্ধি স্বৰূপ অৰ্থাৎ ভক্তে তোমাৰ গুণ-নাম লৈয়েই ধৰ্ম্ম-অৰ্থ-কাম-মোক্ষ সাধন কৰে।

[ ৫৮৫ ]

কিনো কৃপাময় দেৱ প্ৰভু যদুৰায়।

মুখ মাজে থৈলা নাম সৰ্ব্বক্ষণে পায় ॥

হে প্ৰভু যদুপতি, তুমি কি দয়াময়। তোমাৰ নাম বিচাৰি অন্ত ঠাইলৈ যাব নালাগে, আমাৰ মুখতে তোমাৰ নাম থৈ দিছা। যেতিয়াই নাম লবলৈ আমি ইচ্ছা কৰোঁ তেতিয়াই নিজৰ মুখতেই তোমাৰ নাম পাওঁ।

## ঈশ্বৰ নিৰ্ণয়

একং স দেৱো ভয়-দুঃখহন্তা, পৰঃ পৰেষাং ন ততোঽস্তি চান্যঃ।

স্ৰষ্টা স পাতা স তু চান্তকৰ্ত্তা, বিষ্ণুঃ সমস্তাখিলসাৰভূতঃ ॥

[ ৫৮৬ ]

কৃষ্ণ এক দেৱ দুখহাৰী কাল মায়াদিৰো অধিকাৰী

কৃষ্ণ বিনে শ্ৰেষ্ঠ দেৱ নাহি নাহি আৰ।

**সৃষ্টি স্থিতি অন্তকাৰী দেৱ তাস্ত বিনে আন নাহি কেৱ**
**জানিবা বিষ্ণুসে সমস্ত জগতে সাৰ ॥**

ৰোগ, শোক, ভয়, দুখ আদিৰপৰা উদ্ধাৰ কৰোঁতা দেৱতা কেৱল এক কৃষ্ণ অৰ্থাৎ ভগৱানেহে কেৱল এইবোৰৰ পৰা জীৱক উদ্ধাৰ কৰিব পাৰে আৰু কাল মায়া আদিৰ গৰাকী কেৱল তেওঁ অৰ্থাৎ মৃত্যু আৰু মায়াৰপৰা তেওঁহে জীৱক হাত সৰাব পাৰে ; তেওঁতকৈ আৰু শ্ৰেষ্ঠ দেৱতা কোনো নাই ; সৃজন-পালন আৰু সংহাৰ কৰোঁতা দেৱতাও কৃষ্ণই, তেওঁৰ বাহিৰে আৰু কোনো নাই। ভগৱানেই সমুদায় জগতৰ সাৰস্বৰূপ।

[ ৫৮৭ ]

**নমো নমো নিত্য নিৰঞ্জন নাৰায়ণ শিৱ সনাতন**
**অনাদি অনন্ত নিৰ্গুণ গুণ নিয়ন্তা।**
**পৰম পুৰুষ ভগৱন্ত নাহি পূৰ্ব্বাপৰ আদি অন্ত**
**তুমিসে চৈতন্য সমস্ত ভৱ ভাৱন্তা ॥**

নিত্য—সদায় থকা, সত্য। নিৰঞ্জন—নিৰ্ম্মল। নাৰায়ণ—নাৰ—(জল) হৈছে, অয়ন—(আশ্ৰয়) যাৰ ; বিষ্ণুৰ অংশাৱতাৰ।
শিৱ—মঙ্গলময়।
পূৰ্ব্বাপৰ—পূৰ্ব্বে আৰু পৰে।
সনাতন—অতি পুৰণি শাশ্বত, চিৰস্থায়ী।

তুমি নিত্য, নিৰ্ম্মল, মঙ্গলময়, চিৰস্থায়ী আদি-অন্তহীন ; আৰু তুমি সত্ত্ব, ৰজ, তম গুণৰ অতীত, অথচ এই তিনি গুণৰ তুমিয়েই নিয়ামক অৰ্থাৎ এই তিনি গুণ তুমিয়েই আমাৰ অন্তৰত দিছা।

তুমি প্ৰভু, পৰম পুৰুষ ভগৱান—তোমাৰ আগতে কেৱে নাছিল আৰু পাচলৈও কেৱে নহব, তোমাৰ জন্ম নাই আৰু মৃত্যুও নাই—তুমিয়েই প্ৰভু জগত চৈতন্ত স্বৰূপে আৰু সংসাৰৰ সকলো ভাব ভাবোঁতা অৰ্থাৎ চৈতন্যৰূপে থাকি তুমিয়েই সংসাৰ চলাইছা, প্ৰভু, মই তোমাক নমস্কাৰ কৰোঁ।

[ ৫৮৮ ]

ব্ৰহ্মা মহাদেৱ লক্ষ্মীদেৱী কায়বাক্য মনে স্থিৰ কৰি
পৰম আনন্দে চৰণ সেৱন্ত যাৰ।
সদা জন্ম-মৃত্যু জৰাহীন শ্ৰীমন্ত সুন্দৰ গুণনিধি
বিষ্ণুত বিনায় কোন দেৱ আছে আৰ॥

সৃষ্টি সৃজনকাৰী ব্ৰহ্মা, সংহাৰকাৰী মহাদেৱ আৰু সংসাৰৰ ঐশ্বৰ্য্যৰ গৰাকিণী লক্ষ্মীদেৱীয়ে যাক সকলোৰে মূল বুলি স্থিৰ কৰি হৃদয় মনে দেহে যোগে পূজা কৰে আৰু যি কোনো কালে নজন্মে, বুঢ়া নহয়, যি সদায় আছে আৰু যি অতি ধুনীয়া, সকলো গুণৰ অধি-কাৰী স্বৰূপ সেই ভগৱান বিষ্ণুৰ বাহিৰে কোন ডাঙৰ দেৱতা আছে?

য ঐশ্ৰুতিঃ শ্ৰুতিপুটে শমলং পুণাতি
প দাৱনেঙন-জলঞ্চ বচঞ্চ শাস্ত্ৰং।
ভূঃ কালভৰ্জ্জত ভগাপি যদ জ্ব্‌ পদ্ম-
স্পৰ্শোত্থশক্তিৰভিবৰ্ষতি নোঽখিলাৰ্থান্॥৫৮৯

[ ৫৮৯ ]

যাৰ পাদোদকে দেৱী গঙ্গা যাৰ বাক্য হুয়া আছে বেদ
পৰম পতিতো তৰয় যাহাৰ নামে।
সৃষ্টি স্থিতি প্ৰলয়ৰ যিটো পৰম কাৰণ নাৰায়ণ
হেন ঈশ্বৰক নভজয় কোন কামে ॥

যাৰ পদজলৰপৰা গঙ্গাদেৱী জন্মিছে, যাৰ মুখৰপৰা বেদ ওলাইছে; যাৰ নাম লৈ মহাপাপীয়ো মুক্তিলাভ কৰিব পাৰে আৰু যি সংসাৰৰ বস্তু সৃজন, পালন আৰু সংহাৰ কৰিছে, এনে ঈশ্বৰক কিয় মানুহে নভজে? অৰ্থাৎ গঙ্গা পবিত্ৰ তীৰ্থ, সেই গঙ্গা বিষ্ণুৰ পদজলৰপৰা হৈছে, বেদ ধৰ্মৰ মূল গ্ৰন্থ, সেই বেদো ভগৱানৰ মুখৰপৰা ওলাইছে; ভগৱান এনে ডাঙৰ বস্তু যে অতি পাপিষ্ঠজনেও তেওঁৰ নাম একান্ত মনে লৈ মুক্তিলাভ কৰিব পাৰে। ভগৱানেই এই সংসাৰ সৃজন কৰিছে, ভগৱানেই পালন কৰিছে আৰু ভগৱানেই সংহাৰ কৰিছে—তেওঁ এনে ডাঙৰ বস্তু, তথাপি কিয় যে লোকে তেওঁক চিন্তা নকৰে কব নোৱাৰোঁ।

পাৰং পৰং বিষ্ণুৰপাৰপাৰং পৰং পাৰমপাৰৰূপী।
স ব্ৰহ্মপাৰঃ পৰপাৰভূতঃ সঃ পাৱাণামপি পৰপাৰঃ ॥৫১০

[ ৫৯০ ]

অপাৰ সংসাৰ সিন্ধু আৰ বিষ্ণুসে পৰম পাৰ যত
পাৰ আশে তাত পৰম পৰমাত্মাৰূপে।

তেন্তে তুমি জানা ব্ৰহ্মপাৰ পৰপাৰভূত যত পাৰ
তাসম্বাৰ পাৰ বিষ্ণুসে পাৰ স্বৰূপে ॥

পৰপাৰভুত—অপৰ পাৰত থকা। পাৰ—কাষ, অন্ত সীমা, উদ্ধাৰৰ উপায়; আশ্ৰয়।

এই সংসাৰখন অপাৰ সাগৰৰ দৰে; এই অপাৰ সাগৰৰ আন যত পাৰ বা আশ্ৰয় আছে, তাৰ ভিতৰত পৰমাত্মা ৰূপে জগত জুৰি থাকা বিষ্ণুৱেই পৰম পাৰ বা অপাৰ সাগৰৰ শ্ৰেষ্ঠ উদ্ধাৰ কৰ্ত্তা; তেনেহলে অপাৰ সংসাৰৰ অপাৰ পাৰত থকা জীৱবোৰৰ বিষ্ণুৱেই মাত্ৰ আশ্ৰয় অৰ্থাৎ বিষ্ণুৱেই কেৱল সংসাৰী জীৱৰ উদ্ধাৰ কৰ্ত্তা; তুমি সেই ব্ৰহ্মপাৰ বা শ্ৰেষ্ঠ আশ্ৰয় অৰ্থাৎ বিষ্ণুক জানিবলৈ যত্ন কৰা।

অশুভা চ শুভা চেতি দ্বিধা স হেতুভেদতঃ।
অশুভা মহতাং কোপাৎ শুভা মহদনুগ্ৰহাৎ ॥৫৯১

[ ৫৯১ ]

সুবাসনা দুৰ্ব্বাসনা দুই বন্ধৰ মোক্ষৰ মূল হেতু
শুনা যেনমতে উপজয় পুৰুষত।
সন্তৰ কৃপাত সুবাসনা সুখে পুৰুষক পাৱে জানা
হোৱে দুৰ্ব্বাসনা সন্তৰ মন কোপত ॥

বাসনা দুবিধ—সুবাসনা আৰু দুৰ্ব্বাসনা। ভগৱন্তৰ ভক্তি কামনা কৰাক সুবাসনা আৰু সংসাৰ কামনা কৰাক দুৰ্ব্বাসনা বোলে। সুবা-

সনাৰ ফলত জীৱে মোক্ষ লাভ কৰে অৰ্থাৎ মুক্তি পায় আৰু দুৰ্ব্বাসনাৰ ফলত জীৱ সংসাৰত বন্ধ হয় অৰ্থাৎ পুনঃ পুনঃ সংসাৰত জন্মে আৰু মৰে। এই সুবাসনা আৰু দুৰ্ব্বাসনা লোকৰ অন্তৰত কেনেকৈ ওপজে শুনা—সাধুক সেৱা কৰিলে অৰ্থাৎ সাধুলোকৰ আশ্ৰয় ললে লোকৰ অন্তৰত সুবাসনা অৰ্থাৎ ভগৱৎ ভক্তিৰ ইচ্ছা জন্মে, সাধু বিতুষ্ট হলে অৰ্থাৎ সাধুৰ সৎগুণবোৰলৈ পিঠি দিলে দুৰ্ব্বাসনা জন্মে, সাধুসেৱা নকৰাৰ ফলত জীৱে মুক্তি নাপাই সংসাৰত ঘূৰি ফুৰে।

## তাৎপৰ্য্য

[ ৫৯২ ]

মহন্তৰ বাক্য যিটো কৰে তাক সুবাসনা অনুসাৰে
সন্তৰ কৃপাত ভজে গোবিন্দৰ পাৱে।
যিটো মহন্তক নিন্দা কৰে তাক দুৰ্ব্বাসনা বেঢ়ি ধৰে
কৃষ্ণক ভজিবে নপাৰয় মূঢ় ভাৱে॥

যি মানুহে সাধুৰ উপদেশ মতে চলে, তেওঁৰ হিয়াত সৎভাৱৰ উদয় হয়; আৰু সাধুৱে তেওঁক আশ্ৰয় লোৱা লোকৰ ব্যৱহাৰত সন্তুষ্ট হৈ তেওঁক হৰিভক্তিৰ তত্ত্ব উপদেশ দিয়াৰ ফলত, সেই লোকে ভগৱানক ভজিব পৰা হয়। যি মানুহে সাধুৰ গুণক আদৰ নকৰি তেওঁক নিন্দা কৰে, সেই মানুহৰ অন্তৰত অসৎ ভাৱবকে

উদয় হয় আৰু তাৰ ফলত সেই লোক হৰিভক্তি তত্ত্বৰপৰা বঞ্চিত হয়; তেওঁৰ অন্তৰত অজ্ঞান দূৰ নহয় আৰু ভগৱানক ভজিব নোৱাৰে।

[ ৫৯৩ ]

কৃষ্ণপদ মাত্ৰ সেৱা কৰে সমস্ত কামনা পৰিহৰে
বেদ ব্যৱহাৰ কদাচিতো নলঙ্ঘয়।
কৃষ্ণপদ সেৱা সুখ মনে কৰে অনুভৱ সৰ্ব্বক্ষণে
ইহাকে মহন্ত বুলিয়া জানা নিশ্চয় ॥

বেদ ব্যৱহাৰ—বেদত উল্লিখিত এক হৰি আৰু নামধৰ্ম্ম।

যি মানুহে সংসাৰ কামনা ত্যাগ কৰি কেৱল কৃষ্ণক ভাৱে, বেদবিহিত ভগৱন্তৰ পদ সেৱা-সুখ ( ভগৱানক ভাবি পোৱা সুখ বা ৰস ) সদায় অন্তৰত অনুভৱ কৰে, তেওঁকেই মহন্ত বুলি নিশ্চয়কৈ জানিবা। উদাহৰণ—

বেদস্তুতি :—"চাৰি বেদে কহে নিস্ত কৰি। সদা ডাকি বোলা হৰি হৰি ॥"
শুক ভটিমা :—(১) "বেদ বিচাৰি বেকত কৰু হৰিনাম।"
(২) "চাৰিবেদ শিৰোমণি মাজে যো হৰি চৰণ বিকাশ।"

সৰ্ব্বাঃ সম্পত্তয়স্তস্য সন্তুষ্টং যস্য মানসং।
উপানদ্‌ গূঢ়পাদস্য ন স্থু চৰ্ম্মাবৃতেব ভূঃ ॥৫১৪

[ ৫৯৪ ]

শুনিয়ো সজ্জন শাস্ত্ৰৰ সাৰ সকল সম্পত্তি জানা তাৰ
হৰি ভক্তিৰসে সন্তোষ মন যাহাৰ।
চৰ্ম্মৰ নিৰ্ম্মিত পানৈযুৰি চৰণ ঢাকিলে যিটো জনে
যেন সবে ভূমি চৰ্ম্মাবৃত ভৈলা তাৰ ॥

পানৈ—পাদুকা।

হে সাধু, শাস্ত্ৰৰ সাৰ শুনা, যি লোকৰ মন হৰিভক্তি ৰসত সন্তুষ্ট অৰ্থাৎ ভগৱানক ভক্তি কৰোঁতে কৰোঁতে যাৰ অন্তৰত হৰি প্ৰেম উপজে, সংসাৰৰ সকলো বস্তু তেওঁ পোৱাৰদৰে হয়; কিয়নো ছালৰ তৈয়াৰী জুতা পিন্ধিলে যিদৰে জুতা পিন্ধি খোজ দিয়া সকলো মাটি ছালেৰে ঢাক খোৱাৰ দৰে হয়, সেইদৰে লক্ষ্মীপতি হৰিক ভক্তি তেওঁক ল্যাভ কৰিলে সংসাৰৰ সকলো বস্তু পোৱাৰ দৰে অনুভৱ নহৈ নাথাকে।

অন্তৰেকো বহিৰ্নানা অন্তৰ্বোধো বহিৰ্জড়ঃ।
অন্তস্ত্যাগী বহিঃ সঙ্গী লোকে বিচৰ ৰাঘৱ ॥৫৯৫

[ ৫৯৫ ]

অন্তৰত এক ঈশ্বৰক দেখিয়োক নানা বাহিৰত
অন্তৰত বোধ বহিৰত জড় প্ৰায়।
বুদ্ধিত সমস্তে তেজিয়োক বাহিৰত সঙ্গ দেখায়োক
এহি ভাবে ৰাম লোকত ফুৰা বেৰাই ॥

ৰাম—মানুহক কৰা সম্বোধন।

হৃদয়ত থকা আত্মাৰূপী ঈশ্বৰক বাহিৰত থকা জগতৰ সকলো বস্তুতে আছে বুলি তুমি ভাবা, তোমাৰ আত্মাৰূপী ভগৱান সকলোতে আছে, তুমি মনতেহে অনুভৱ কৰিবা, বাহিৰত কিন্তু সকলোবোৰ জড় বুলি সেইবোৰৰ মমতা ত্যাগ কৰিবা। এইদৰে নিজৰ পৰিমাৰ্জ্জিত

বুদ্ধিৰ বলত জগতৰ সকলো বস্তুৰ মোহ ত্যাগ কৰিবা, কেৱল মানুহক দেখুৱাবলৈ যে সেইসকলৰ লগত লগ থকা দেখুৱাবা। ভাই, সমস্ত জগতত ভগৱানৰ স্বত্তা অনুভৱ কৰি, মোহ ত্যাগ কৰি সংসাৰ কৰা।

[ ৫৯৬ ]

অবিৰক্ত ভকতৰ বেদ লঙ্ঘিবাৰ দোষ
জানিবাহা হৈবেক নিশ্চয়।
পৰম বিৰক্ত যিটো কৃষ্ণৰ ভকত ভৈলা
তাৰ একো নাহিকে নিৰ্ণয় ॥

হৈবেক—'ইহাক' পাঠান্তৰ।

বিধি-বিধানবোৰ সংসাৰী লোকৰ পক্ষেহে ; সেয়ে সংসাৰত আসক্তি থকা লোকে বেদবিহিত কৰ্ম্ম নকৰিলে দোষ হয় ; যি ভক্ত পৰম বিৰক্ত অৰ্থাৎ যাৰ সংসাৰ-আসক্তি সমূলি নাই, তেওঁৰ পক্ষে বিধি বিধান পালন কৰা নকৰা একো নাই অৰ্থাৎ তেওঁ বেদবিহিত কৰ্ম্ম নকৰিলেও দোষ নঘটে। সেই পুৰুষ জীৱন্মুক্ত।

তাবৎ কৰ্ম্মাণি কুৰ্ব্বীত ন বিৰজ্যেত যাবতা।
মৎ কথা শ্ৰৱণাদেৰ শ্ৰদ্ধা যাবন্নজায়তে ॥৫৯৭

[ ৫৯৭ ]

তাৱত কৃষ্ণৰ ভক্ত নৰে ভক্তি অবিৰোধী কৰ্ম্ম কৰে
কৃষ্ণৰ কথাত ৰতি যাৱে নুপজয়।

যেৱে ভৈল কৃষ্ণ কথা ৰত নিত্য নৈমিত্তিক আদি যত
কথাৰ বিৰোধী জানিয়া সবে তেজয় ॥

নাম কীৰ্ত্তন, সাধুসেৱা, দান, দৰিদ্ৰ পূজা আদি কৰ্ম্মবোৰ হৰি-ভক্তি উদ্দীপক ; ভক্তৰ যেতিয়ালৈ ভগৱানৰ কথাত ৰতি নজন্মে অৰ্থাৎ ভগৱানৰ কথা অহৰ্নিশে শুনি থাকিবলৈ মন যোৱা নহয়, তেতিয়ালৈ হৰিভক্তসকলে হৰিভক্তি উদ্দীপক এই কৰ্ম্মবোৰ কৰে ; কিন্তু যেতিয়া এই ভক্তসকলৰ কৃষ্ণকথাত ৰতি জন্মে অৰ্থাৎ সংসাৰৰ সকলোকে পাছ কৰি কেৱল কৃষ্ণ কথাকে শুনি আৰু ভণি থাকা সিবিলাকৰ অভ্যাস হয়, তেতিয়া সেইসকলে দৈনিক আচৰণীয় ক্ৰিয়াকাণ্ড ( সন্ধ্যা, নিত্যহোম, তিনি প্ৰসঙ্গ আদি ) ত্যাগ কৰে। [ দৈনিক আচৰণীয় কৰ্ম্মবোৰ নিয়মাধীন। যাৰ হৰিকথাত শ্ৰদ্ধা জন্মিছে বা যি সদায় কৃষ্ণক ভাবি কৃষ্ণৰ লগত নিজ আত্মাৰ পৰিচয় হৈছে, তেওঁৰ পক্ষে নিয়মাধীন নিত্যকৰ্ম্মবোৰ হৰিভক্তিৰ বিৰোধী, অৱশ্যে তেওঁ ইচ্ছা কৰি এইবোৰ কৰ্ম্ম ত্যাগ নকৰে, ভক্ত সেই অৱস্থাত পৰিলে নিত্যকৰ্ম্মবোৰৰ ফালে তেওঁৰ দৃষ্টি নপৰা হয়, কৰ্ম্মবোৰ আপোনা-আপুনি এৰা পৰে। ]

তপন্তু তপৈঃ প্ৰপতন্তু পৰ্ব্বতাদটন্তু তীৰ্থানি পঠন্তু চাগমান্ ।
যজন্তু যাগৈৰ্ব্বিবদন্তু বাদৈৰ্হৰিং বিনা নৈব মৃতিং তৰন্তি ॥৫৯৮

[ ৫৯৮ ]

সমস্ত তপক আচৰোক পৰোক পৰ্ব্বতে উঠি যত
তীৰ্থত ভ্ৰমোক পঢ়োক বেদ নিশ্চয়।

যজ্ঞোক সমস্তে যজ্ঞচয় যোগক জ্ঞানোক সমস্তয়
হৰি বিনে কদাচিতো মৃত্যু নতৰয় ॥

যত ৰকমৰ তপ আছে সকলোকে যদি আচৰণ কৰে, তীর্থ দর্শন কৰি পুণ্য সঞ্চয় কৰিবলৈ যিমান পর্ব্বত, যিমান তীর্থ আছে, সেই-বোৰত যদি উঠ-নমা কৰে বা তপ কৰি যদি পর্ব্বতৰপৰা বাগৰি পৰি মৰে, বেদবোৰ যদি অধ্যয়ন কৰে, বিষ্ণুযজ্ঞ, অশ্বমেধযজ্ঞ আদি যত প্ৰকাৰ যজ্ঞ আছে, যদি সেই যজ্ঞবোৰ কৰে আৰু হঠযোগ, লয়যোগ আদি যিমান প্ৰকাৰ যোগ আছে, সেই যোগবোৰ যদি অভ্যাস কৰে, তথাপি হৰিক উপাসনা নকৰিলে বা তেওঁক নভজিলে লোকে মুক্তিলাভ কৰিব নোৱাৰে।

## মহিমাযুক্ত উপদেশ

'নাৰায়ণায় নম' ইত্যয়মেব সত্যং
সংসাৰ ঘোৰ বিষসংহৰণায় মন্ত্রং।
শৃণ্বন্তু লুব্ধমতয়ো মুদিতাঃ সৰাগ-
মুচ্চৈস্তৰামুপদিশাম্যহমূৰ্দ্ধবাহুঃ ॥৫৯৯

[ ৫৯৯ ]

ব্যাস নিগদতি লুব্ধমতি শুনিয়ো আনন্দে কর্ণপাতি
দেওঁ উপদেশ ঊর্দ্ধবাহু উচ্চ কৰি।

এহিমানে মাত্র মহা মন্ত্র সংসাৰ দুৰ্ঘোৰ বিষহাৰী
নমো নাৰায়ণ বুলিয়োক মুখ ভৰি ॥

মুক্তমতি—লুভীয়া, মোহাচ্ছন্ন।

বেদ পুৰাণকৰ্ত্তা ব্যাসে কৈছে—হে লুভীয়া লোক, আনন্দমনে কাণপাতি শুনা, মই হাত দাঙি উপদেশ দিওঁ, অৰ্থাৎ মই দৃঢ়ভাৱে সৈতে কওঁ—এই মায়াময় সংসাৰৰ দুখ-যন্ত্ৰণা নিবাৰণকাৰী হৰিনামেই একমাত্ৰ মহামন্ত্ৰ ; এতেকে মুখ ভৰি অৰ্থাৎ মনে বাক্যে 'নমো নাৰায়ণায়' ( হে নাৰায়ণ, তোমাক নমস্কাৰ কৰোঁ ) বোলা। [একমনে নাৰায়ণক পূজিলে সংসাৰৰ দুখ-যন্ত্ৰণাই পীড়িব নোৱাৰে। ]

নিগমকল্পতৰোৰ্গলিতং ফলং শুকমুখাদমৃতদ্ৰৱসংযুতং।
পিবত ভাগৱতৰসমালয়ং মুহুৰহো ৰসিকা ভুবি ভাবুকাঃ ॥৬৩০

( ৬০০ )

সকল নিগম কল্পতৰু তাৰ ফল মহাভাগৱত
শুক মুখে আসি ভূমিত ভৈল বিদিত।
যগত চতুৰ যিটো জন কৃষ্ণৰ চৰণে দিয়া মন
পৰম সন্তোষে পিয়োক ফল অমৃত ॥

ঈশ্বৰ নিৰূপক শাস্ত্ৰবোৰ কল্পতৰু বৃক্ষস্বৰূপ, সেই শাস্ত্ৰবোৰৰ সাৰ ভাগ মহাভাগৱত পুৰাণ কল্পতৰু বৃক্ষৰ ফলস্বৰূপ। এই মহাভাগৱত শুকে পৃথিবীত প্ৰচাৰ কৰিছিল। ৰস লব জানা যি চতুৰ লোক,

তেওঁ ভগৱানৰ চৰণত মন ৰাখি পৰম আনন্দে এই অমৃতোপম ফলৰ ৰস পান কৰক অৰ্থাৎ মহাভাগৱত একান্তমনে পাঠ কৰি ভগৱদ্ ভক্তিৰস গ্ৰহণ কৰক।

স্মৰ্ত্তব্যঃ সততং বিষ্ণুৰ্ব্বিস্মৰ্ত্তব্যো ন জাতুচিৎ।
সৰ্ব্বে বিধিনিষেধাঃ স্যুৰেতয়োৰেৱ কিঙ্কৰাঃ ॥৬০১

[ ৬০১ ]

হৰিক সততে স্মৰা প্ৰজা সমস্ত পুণ্যৰ ইসে ৰাজা
হৰি সুমৰিলে সিজয় পুণ্য কিঙ্কৰ।
নাপাসৰিবাহা কদাচিত শুনা কথা ইটো বিপৰীত
হৰি পাসৰিলে সিজে পাপ নিৰন্তৰ ॥

হে লোকসকল, সদায় ভগৱানক চিন্তা কৰা, এয়ে সকলো পুণ্য কাৰ্য্যৰ ভিতৰত শ্ৰেষ্ঠ; অৰ্থাৎ ভগৱানক সদায় চিন্তা কৰাতকৈ ডাঙৰ পুণ্য কাম আৰু নাই; হৰিক চিন্তা কৰিলে পুণ্য লগতে লাগি আছে। কেতিয়াও তুমি ভগৱানক নাপাহৰিবা; কিয়নো হৰিক পাহৰিলে তাৰ বিপৰীত অৰ্থাৎ পাপ হয়।

ৰাম ৰামেতি ৰামেতি ৰমে ৰামে মনোৰমে।
সহস্ৰ নাম তুল্যং ৰাম নাম বৰাননে ॥

[ ৬০২ ]

শুনিয়ো পাৰ্ব্বতী তুমি এৰে ৰাম ৰাম ৰাম বোলা যেৱে
তোমাৰ বদন হৈবেক শ্ৰেষ্ঠ অমূল্য।

ৰাম ৰাম ৰাম ৰাম বুলি ৰামত ৰমোহো সৰ্ব্বক্ষণে
জানা ৰামনাম সহস্ৰ নামৰ তুল্য ॥

মহাদেৱে পাৰ্ব্বতীক কৈছে—হে পাৰ্ব্বতী, তুমি মোৰ কথা শুনা, তুমি যদি ভগৱানৰ ৰামনাম একান্তমনে লোৱা তেন্তে তোমাৰ মুখ অতি অমূল্য হব অৰ্থাৎ তোমাৰ মুখশ্ৰী আৰু অপূৰ্ব্ব কান্তিযুক্ত হব ; মই সেই কাৰণে "ৰাম ৰাম" বুলি সদায় ৰামনাম ৰসত ডুব যাই থাকোঁ; কিয়নো ভগৱানৰ এক 'ৰাম' নাম অন্য হাজাৰ নামৰ সমান।

কিং তাত বেদাগমশাস্ত্ৰবিস্তৰৈস্তীৰ্থৈৰনেকৈৰপি কিং প্ৰয়োজনম্।
যস্তাত্মনো বাঞ্ছসি মোক্ষকাৰণং গোবিন্দ গোবিন্দ ইতি স্ফুটং ৰত ॥৬০৩

[ ৬০৩ ]

বেদাগম আদি কৰি যত বিস্তৰ শাস্ত্ৰত নাহি কাজ
বিস্তৰ তীৰ্থত নাহি কিছু প্ৰয়োজন।
সংসাৰ তৰিতে খোজা যেৱে আপোন মোক্ষৰ হেতু তেৱে
গোবিন্দ গোবিন্দ বেকত বোলা বচন ॥

বেদ, আগম আদি যিবোৰ শাস্ত্ৰ আছে সেই বহুল শাস্ত্ৰৰ বিশেষ দৰকাৰ নাই আৰু বহুত তীৰ্থ আদি পৰ্য্যটন কৰাবো আৱশ্যক নাই ; যদি তুমি মুক্তিলাভ কৰিব খোজা, তেন্তে নিজ মুক্তিৰ উপায় 'গোবিন্দ' নাম একান্তমনে উচ্চাৰণ কৰা।

অপি চেৎ সুদুৰাচাৰো ভজতে মামনন্যভাক্ ।
সাধুৰেব স মন্তব্যঃ সম্যগ্ ব্যৱসিতো হি সঃ ॥৬০৪॥

[ ৬০৪ ]

মাধৱে বোলন্ত ধনঞ্জয় মহা দুৰাচাৰো আতিশয়
আন দেৱ তেজি মোকেসে মাত্ৰ ভজয় ।
তাকেসে পৰম সাধু বুলি মানিবা মনত সৰ্ব্বক্ষণে
যিহেতু সম্যকে কৰিলে মোক আশ্ৰয় ॥

শ্ৰীকৃষ্ণে কৈছে—হে ধনঞ্জয়, যদি মহাপাপীসকলে কেৱল মোকে মুক্তিদানৰ গৰাকী বুলি জানি আন দেৱ-দেৱী এৰি মোক মাত্ৰ ভজে, সেইসকলকে তুমি পৰম সাধু বুলি সদায় জানিবা, কিয়নো তেওঁলোকে কেৱল মোকে সম্পূৰ্ণৰূপে বিশ্বাস কৰিলে।

ক্ষিপ্ৰং ভৱতি ধৰ্ম্মাত্মা শশ্বৎ শান্তিং নিযচ্ছতি ।
কৌন্তেয় প্ৰতিজানীহি ন মে ভক্তঃ প্ৰণশ্যতি ॥ (৬০৫—৬০৬)

[ ৬০৫—৬০৬ ]

ভক্তিৰ মহিমা অদভুত অধৰ্ম্ম ত্যজিয়া ধৰ্ম্মচিত্ত
হোৱে শীঘ্ৰ মোক ভজি জানা কুন্তীসুত ।
আক যি কুতৰ্কী নমানয় তথা গৈয়া বায়া বাদ্যচয়
বাহুমেলি কৰা অঙ্গীকাৰ অদভুত ॥

মোহোৰ পৰম ঈশ্বৰৰ দুৰাচাৰ ভক্তো নোহে নষ্ট
কিন্তু সিটো ভক্ত কৃতাৰ্থ আতি হোৱয়।
তোমাৰ প্ৰগল্‌ভ প্ৰৌঢ়ি শুনি সমস্ত কুতৰ্ক পৰিহৰি
গুৰুত্বে তোমাত কৰিবে সবে আশ্ৰয় ॥

বায়া বাদ্যচয়—নানা বাদ্য বজায়, ঢাক-ঢোল পিতি।
অঙ্গীকাৰ অদভুত—দৃঢ় বাক্য।
কিন্তু—বৰং।
প্ৰগল্‌ভ—সাহসী, নিৰ্ভীক, প্ৰতিভান্বিত।
প্ৰৌঢ়ি—সামৰ্থ্য, প্ৰতিভা, অধ্যৱসায়, জ্ঞানগৰ্ভ কথা।

হে কুন্তীসুত, ভক্তিৰ মহিমা অদ্ভুত—মোক ভক্তি কৰি লোকে অধৰ্ম্ম এৰি ধৰ্ম্মপ্ৰাণ হয় অৰ্থাৎ মোক ভক্তি কৰাৰ ফলত মানুহৰ হৃদয়ৰ বেয়া ভাববোৰ আঁতৰি যায় আৰু অন্তৰ বিশুদ্ধ হৈ উঠে। যি কূট অৰ্থকাৰীয়ে বা তাৰ্কিকে মোৰ এই কথা বিশ্বাস নকৰে তুমি তালৈ গৈ ঢাক-ঢোল পিতি হাত দাঙি টানকৈ কোৱা—"মোৰ পৰমেশ্বৰৰ কদাচাৰী সেৱকো বিফল মনোৰথ নহয়, বৰং তেওঁ ভক্তিৰ গুণত সফলকাম হয় বা মুক্তি লাভ কৰে।" তোমাৰ এই সাহসী জ্ঞানগৰ্ভ কথা শুনি তাৰ্কিকসকলে সকলো কুতৰ্ক এৰি তোমাৰ কোৱা কথাৰ শ্ৰেষ্ঠতা বুজিব আৰু তোমাত আশ্ৰয় কৰিব, অৰ্থাৎ তুমি কোৱা কথা বিশ্বাস কৰি লব।

মাং হি পাৰ্থ ব্যপাশ্ৰিত্য যেঽপি স্যুঃ পাপযোনয়ঃ।
স্ত্ৰিয়ো বৈশ্যাস্তথা শূদ্ৰাস্তেঽপি যান্তি পৰাং গতিং ॥৬০৭

[ ৬০৭ ]

আমাৰ নিৰ্ম্মল ভকতিত  ছুৰাচাৰো তৰে কোন চিত্ৰ
আমাক ভজিয়া চাণ্ডালো তৰে সংসাৰ।
স্ত্ৰী বৈশ্য শূদ্ৰ আদি যত  বিষয়ত সদা মাত্ৰ ৰত
মোকে ভজি সুখে ইসবো হোৱে উদ্ধাৰ ॥

মোৰ নিৰ্ম্মল ভক্তি ধৰি অৰ্থাৎ মোক ভজি কদাচাৰী লোকে উদ্ধাৰ হোৱা একো আচৰিত কথা নহয়, যি কৰ্ম্মহীন চাণ্ডাল সিয়ো মোক একান্ত মনে ভজি মুক্তিলাভ কৰে; আৰু সদায় বিষয়ত আবদ্ধ থকা তিৰোতা আৰু শূদ্ৰ জাতীয় লোকসকলেও মোতে একান্ত মনে আশ্ৰয় লৈ মনৰ আনন্দে সংসাৰৰ পৰা উদ্ধাৰ হয় বা মুক্তি লাভ কৰে।

কিং পুনৰ্ব্ৰাহ্মণাঃ পুণ্যা ভক্তা ৰাজৰ্ষয়স্তথা।
অনিত্যমসুখং লোকমিমং প্ৰাপ্য ভজস্ব মাং ॥৬০৮

[ ৬০৮ ]

ব্ৰাহ্মণ ক্ষত্ৰিয় পুণ্যতনু  মোক ভজি তৰিবেক পুনু
আত অদভুত নাহিকে কোন সংশয়।
ৰাজঋষি তনু আছা পাই  অনিত্য অসুখ লোক জানি
আতি শীঘ্ৰে মোক ভজা সখি ধনঞ্জয় ॥

পূৰ্ব্ব জন্মৰ সুকৃতিৰ ফলত জন্ম লাভ কৰা ব্ৰাহ্মণ ক্ষত্ৰিয়ে ( যদিও আগেয়ে মোক ভজি উচ্চ কুলত জন্ম লাভ কৰিছে তথাপি ) পুনৰায় মোক ভজিহে মুক্তিলাভ কৰিব পাৰিব। ইয়াত কোনো সংশয় নাই আৰু তাত আচৰিত হবলগাও একো নাই। হে সখি ধনঞ্জয়, তুমি ৰাজঋষি হব পৰা শৰীৰ পাইছা অৰ্থাৎ তুমি ক্ষত্ৰিয় কুলৰ ৰাজবংশত উপজিছা; ইচ্ছা কৰিলে তুমি ( ৰাজৰ্ষি ) পদ লাভ কৰিব পাৰা। এতেকে সংসাৰৰ অনিত্য আৰু অশান্তিৰ ঠাই জানি, সোনকালে তুমি মোত একান্ত মনে আশ্ৰয় কৰা।

মন্মনা ভব মদ্ভক্তো মদ্‌যাজী মাং নমস্কুৰু।
মামেবৈষ্যসি সত্যং তে প্ৰতিজানে প্ৰিয়োঽসি মে ॥৬০৯

[ ৬০৯ ]

মোত মাত্ৰ সদা দিয়া মন মোৰ ভক্ত হোৱা সৰ্ব্বক্ষণ
মোকে পূজা মাত্ৰ মোক কৰা নমস্কাৰ।
কহিলো তোমাত সত্যবাণী পাইবা সুখে মোক মহামানী
তুমি প্ৰিয়তম সুহৃদ সখি আমাৰ ॥

কহিলো সত্যবাণী—নিশ্চয়কৈ কলোঁ।

হে সখি, সদায় মোতে মন ৰাখি মোকে অহৰ্নিশে ভক্তি কৰা; মোকে মাত্ৰ পূজা কৰা আৰু সেৱাও মাত্ৰ মোকে কৰা। হে মহামানী, তুমি মোৰ প্ৰিয়তম সুহৃদ সখি, তোমাক নিশ্চয়কৈ কলোঁ,

একান্ত মনে মোক ভক্তি কৰিলে অন্তকালত তুমি মোত অনায়াসে লীন যাব পাৰিবা।

মষ্যাসক্তমনাঃ পাৰ্থ যোগং যুঞ্জন্ মদাশ্ৰয়ং।
অসংশয়ং সমগ্ৰং মাং যথা জ্ঞাস্যামি তৎ শৃণু ॥৬১০

[ ৬১০ ]

ভগৱন্ত দেৱ নিগদতি শুনিয়ো অৰ্জ্জুন মহামতি
তোমাত কহওঁ পৰম ইটো ৰহস্য।
ঐশ্বৰ্য্য বিভূতি বলে সমে জানে মোক যিটো নৰোত্তমে
সিয়ো ভৈলা মোৰ ময়ো ভৈলো তাৰ বশ্য ॥

ঐশ্বৰ্য্য—অণিমা, লঘিমা, ব্যাপ্তি, প্ৰকাম্য, মহিমা, ঈশিত্ব, বশিত্ব, কামাবশায়িতা আদি অষ্টবিধ শক্তি।

বিভূতি—ঐশ্বৰ্য্য।

ঐশ্বৰ্য্য-বিভূত—অনিমা, লঘিমাদি শক্তি।

বল—প্ৰভাৱ।

ভগৱানে অৰ্জ্জুনক কৈছে—হে মহামতি অৰ্জ্জুন, তোমাত এই তত্ত্ব-কথা কওঁ শুনা, যি মহাপুৰুষে অনিমা আদি শক্তিৰে সৈতে অৰ্থাৎ সেইবোৰ শক্তিৰ প্ৰভাৱত প্ৰভাৱান্বিত হৈয়ো মোক ভাৱে, সেই পুৰুষ মোৰ আৰু মই তেওঁৰ বশ হোৱা বুলি বুজিবা।

যো মামেবমসংমূঢ় জানাতি পুৰুষোত্তমং।
স সৰ্ব্ববিদ্ ভজতি মাং সাৰ্ব্বভাবেন ভাৰত ॥৬১১

[ ৬১১ ]

অসম্মূঢ়ভাৱে যিটো জন উত্তম পুৰুষ মোক জানে
তাকে সৰ্ব্ববেত্তা বুলিয় সখি অৰ্জ্জুন।
সিটো সমস্তকে পৰিহৰি কায়মনোবাক্যে যত্ন কৰি
ভজয় আমাক পুৰুষ সিটো নিপুণ ॥

অসম্মূঢ়ভাৱে—জ্ঞান লাভ কৰি; নিশ্চয় কৰি।
সৰ্ব্ববেত্তা—সৰ্ব্বজ্ঞ সকলো জানা।

ভগবান শ্ৰীকৃষ্ণই কৈছে—হে সখি অৰ্জ্জুন, যি লোকে জ্ঞান লাভ-কৰি অৰ্থাৎ মোৰ তত্ত্ব জানি মোক পুৰুষোত্তম বুলি ধাৰণা কৰিব পাৰে, তেওঁকেই সৰ্ব্বজ্ঞ বুলিবা; সেই চতুৰলোকে সংসাৰৰ সকলোকে (ভাৰ্য্যা-পুত্ৰ-ধন) এৰি একান্ত মনে মোতে আশ্ৰয় কৰে বা মোক উপাসনা কৰে।

অহং সৰ্ব্বস্য প্ৰভৱো মত্তঃ সৰ্ব্বং প্ৰবৰ্ত্ততে।
ইতি মত্বা ভজন্তে মাং বুধা ভাৱসমন্বিতাঃ ॥১১২

[ ৬১২ ]

মোত হন্তে হোৱে চৰাচৰ মোহেসে প্ৰৱৰ্ত্তে নিৰন্তৰ
ইহাকে অৰ্জ্জুন জানে যিটো মহাজন।
পৰম বিবেকী সিটো জন মোৰ ভাৱযুক্ত হুয়া মন
মোকে মাত্ৰ ভজে শ্ৰৱণ কৰি কীৰ্ত্তন ॥

চৰাচৰ—সমস্ত, ব্ৰহ্মাণ্ড।

প্ৰবৰ্ত্তে—চলে।

মোৰ ভাৱে যুক্ত হুয়া—মোত একান্ত চিত্ত হৈ।

হে অৰ্জ্জুন, মোৰ পৰা সমস্ত জগত ব্ৰহ্মাণ্ড সৃষ্টি হৈছে আৰু মোতে সদায় ব্ৰহ্মাণ্ড চলিছে, যি ইয়াক জানে তেৱেঁই পৰম বিবেকী বা সুবুদ্ধিমান (তত্ত্বজ্ঞানী), তেওঁ মোৰ শ্ৰেষ্ঠতা বুজিব পাৰি, মোতে জ্ঞান ৰাখি, মোৰ নাম শ্ৰৱণ-কীৰ্ত্তন কৰি মোকে ভজে।

মচ্চিত্তা মদ্‌গতাঃ প্ৰাণাঃ বোধয়ন্তঃ পৰস্পৰং।
কথয়ন্তশ্চ মাং নিত্যং তুষ্যন্তি চ ৰমন্তি চ॥ ৬১৩

[ ৬১৩ ]

মোতেসে কেৱলে দিয়া চিত্ত মোতে মাত্ৰ প্ৰাণ অৰ্পি নিত
অন্যো অন্যে মিলি মোকেসে বোধ কৰাৱে।
মোকে মাত্ৰ কহে সৰ্ব্বক্ষণে পৰম সন্তোষ লভি মনে
আনন্দ সাগৰে মজি ৰহে প্ৰেমভাৱে॥

শ্ৰীকৃষ্ণে অৰ্জ্জুনক কৈছে—

অন্য দেৱ-দেৱীৰ উপাসনা এৰি যি কেৱল মোতে মন ৰাখি সদায় মোতে প্ৰাণ অৰ্পণ কৰে; আৰু দুই চাৰিজন লগ হৈ মোৰ স্বৰূপ বুজাবলৈ যত্ন কৰে আৰু মোৰ কথা সদায় কোৱা-মেলা কৰে, তেওঁ মোৰ ভক্তি-ভাৱত পৰম সন্তোষে আনন্দ সাগৰত মজি থাকে।

সততং কীৰ্ত্তয়ন্তো মাং যতন্তশ্চ দৃঢ়ব্ৰতাঃ।
নমস্যন্তশ্চ মাং ভক্ত্যা নিত্যযুক্তা উপাসতে ॥৬১৪

[ ৬১৪ ]

ৰহস্যক জানে যিটো লোকে সততে কীৰ্ত্তন কৰে মোকে
ধৰি দৃঢ়ব্ৰত কৰি যত্ন বিপৰীত।
মোৰ সৰ্ব্বোত্তম দুই পাৰে কৰে নমস্কাৰ ভক্তি ভাৰে
তাৰ মোৰ এৰা এৰি নাহি কদাচিত ॥

ৰহস্য—গূঢ়তত্ত্ব।

শ্ৰীকৃষ্ণে অৰ্জ্জুনক কৈছে—

যি লোকে মোৰ গূঢ়তত্ত্ব জানে, তেওঁ সদায় অসম্ভৱ যত্ন কৰি আৰু কঠোৰ ব্ৰত আচৰণ কৰি মোৰ নাম-গুণ সদায় কীৰ্ত্তন কৰে; আৰু মোৰ সৰ্ব্বোৎকৃষ্ট দুই পাৰত অতি ভক্তি ভাৱে নমস্কাৰ কৰে; তেনেকুৱা ভক্তৰ লগত মোৰ সমূলি এৰা এৰি নাই অৰ্থাৎ সেই ভক্তৰ লগত মই সদায় এক হৈ থাকোঁ।

ভক্ত্যা মামভিজানাতি যাবান্ যশ্চাস্মি তত্ত্বতঃ।
ততো মাং তত্ত্বতো জ্ঞাত্বা বিশতে তদনন্তৰং ॥৬১৫—৬১৬

[ ৬১৫ ]

মাধৱে বোলন্ত অৰ্জ্জুনত শুনা ইটো পৰমাৰ্থতত্ত্ব
ভকতেসে মোৰ মহিমা জানে নিঃশেষ।

তত্ত্বৰূপে সখি জানি মোক   তৰিয়া দুৰ্ঘোৰ দুখ শোক
অন্তকালে গৈয়া আমাত হোৱে প্ৰবেশ ॥

পৰমাৰ্থ তত্ত্ব—ব্ৰহ্মজ্ঞানৰ আঁতিগুৰি; সাৰকথা।
নিঃশেষ—আঁতিগুৰি মাৰি, সুন্দৰকৈ।

তত্ত্ব—ব্ৰহ্ম; মূলা প্ৰকৃতি, মহৎ, অলঙ্কাৰ, মন পঞ্চতন্মাত্ৰ, পঞ্চ মহাভূত, পঞ্চ জ্ঞানেন্দ্ৰিয়, পঞ্চ কৰ্ম্মেন্দ্ৰিয় এই চতুৰ্ব্বিংশতি প্ৰকাৰ।

শ্ৰীকৃষ্ণে অৰ্জ্জুনক কৈছে—এই সাৰ কথা শুনা, মোৰ মহিমা আঁতিগুৰি মাৰি কেৱল ভক্তেহে জানে (যি মোক ভক্তি কৰি পোৱা নাই, সি মোৰ কথা নাজানে)। সখি, ভক্তে মোক ব্ৰহ্ম বুলি ধাৰণা কৰি অতি কষ্টদায়ক সংসাৰৰ দুখ-শোকৰ হাত সাৰি মৃত্যুৰ পাছতে মোতে প্ৰবেশ কৰে।

[৩১৬]

কৃষ্ণ নিগদতি সব্যসাচী   পৰামাৰ্থ তত্ত্ব লৈয়ো বাছি
সুদৃঢ় বিশ্বাসে শৰণ লৈয়ো আমাত।
মোতে মাত্ৰ সদা দিয়া চিত্ত   গায়ো মোৰ গুণ-নাম-গীত
সকল শাস্ত্ৰৰ কহিলো সাৰ সাক্ষাত ॥

সব্যসাচী—(সব্য=বাম, সচ=ক্ষপণ কৰা) বাওঁহাতে শৰ ক্ষেপক, অৰ্জ্জুন।

শ্ৰীকৃষ্ণে কৈছে—হে সব্যসাচী, ব্ৰহ্মজ্ঞানৰ আঁতিগুৰি বাছি লোৱা, তুমি দৃঢ় বিশ্বাসে মোত আশ্ৰয় লোৱা (ময়ে সকলো, মোক ভজিলে

সকলো সাধন ভজন হয়); মোতে সদায় মন ৰাখি মোৰ নাম-গুণ অহর্নিশে গোৱাঁ; তোমাৰ আগত সকলো শাস্ত্ৰৰ এই সাৰকথা কলোঁ।

## ছবি

ভগৱন্তক্তিযুক্তস্য তৎপ্ৰসাদাদাত্মবোধতঃ।
সুখং বন্ধবিমুক্তিঃ স্যাদিতি গীতাৰ্থসংগ্ৰহঃ ॥৬১৭

(৬১৭)

ভগৱন্ত ভক্তিযুক্ত পুৰুষ আত্মবোধ
মাধৱৰ প্ৰসাদে নিলয়।
কৃষ্ণৰ কৃপাত তেৱে গুচয় সংসাৰ ভয়
এহিমানে গীতাৰ নিৰ্ণয় ॥

ভগৱন্তত ভক্তি থকা লোকৰ ঈশ্বৰৰ কৃপাত আত্মজ্ঞান জন্মে; অৰ্থাৎ নিজ আত্মাক তেওঁ চিনি পায়; আৰু তেতিয়া ভগৱানৰ কৃপাত সেইলোকৰ সংসাৰ বন্ধনৰ (পুনঃ পুনঃ সংসাৰত জন্মা আৰু মৰা) ভয় গুচে; গীতা শাস্ত্ৰৰ এয়ে সিদ্ধান্ত।

শ্ৰীৰাম নামাখিলমন্ত্ৰবীজং সঞ্জীৱনী চেন্মনসি প্ৰবিষ্টং।
হলাহলম্বা প্ৰলয়ানলং বা মৃত্যোৰ্মুখং বা বিশতাং কুতো ভয়ম্ ॥৬১৮

[ ৬১৮ ]

জানা শ্ৰীৰাম নাম নিজ সমস্ত শাস্ত্ৰৰ মূল বীজ
সঞ্জীৱনী প্ৰায় যাৰ মনে প্ৰবেশয় ।
যদি হলাহল পান কৰে প্ৰলয় বহ্নিত যদি পৰে
মৃত্যুৰ মুখত প্ৰবেশিলে নাহি ভয় ॥

সকলো ধৰ্ম্ম শাস্ত্ৰৰ মূল বীজ শ্ৰীৰাম নাম, আৰু ই যাৰ মনত প্ৰবেশ কৰে ( যি ইয়াক সুদৃঢ় ভাৱে বিশ্বাস কৰে, ) তাৰ পক্ষে সঞ্জীৱনী মণি সদৃঢ়; সঞ্জীৱনী মণি পিন্ধিলে যিদৰে মৃত্যুলৈ ভয় নাথাকে, সেইদৰে যি ৰামনাম বিশ্বাস কৰি একান্ত মনে লয়, তেওঁ যদি বিষ খায়, প্ৰলয় বহ্নিত পৰে আৰু মৃত্যুৰ মুখত উপস্থিত হয়, তথাপি তেওঁ ভয় নকৰে। কিয়নো তেওঁ আত্মাৰ বিনাশ নোহোৱা কথা জানে, আৰু ভগৱানক দৃঢ় বিশ্বাস কৰি তেওঁৰ নাম লৈ থাকিলে মৃত্যুৰ পাচত ভগৱানৰ আশ্ৰয় নেহেৰাৱা আৰু মৃত্যুৰ হাত সাৰা কথা তেওঁ জানে আৰু বিশ্বাস কৰে।

ন তথা ভাতি পূৰ্ণেন্দুৰ্ন পূৰ্ণো দুগ্ধসাগৰঃ ।
ন লক্ষ্মীবদনং কান্তং স্পৃহাহীনং যথা মনঃ ॥৫১১

[ ৬১৯ ]

পূৰ্ণশশী পূৰ্ণদুগ্ধসিন্ধু সিমন্ত প্ৰকাশ নকৰয়
কমনীয় লক্ষ্মী বদনো সিমত নয় ।
ঈশ্বৰ কৃষ্ণৰ পাদপদ্ম ভক্তি স্পৃহাহীন ভৈল সিটো
সিটো মন গোট যিমতে শোভা কৰয় ॥

পূর্ণিমাৰ জোন অতি নির্ম্মল, তৰপূৰ এৰাঁ গাখীৰৰ সাগৰ অতি মনোহৰ আৰু লক্ষ্মী আইৰ মুখশ্ৰী অতি বিতোপন বুলি আমি ভাবোঁ; কিন্তু যি লোকে একো কামনা নাৰাখি কেৱল ভগৱানৰ নামত মোহ গৈ তেওঁৰ পাদপদ্ম ভজে বা তেওঁক উপাসনা কৰে, সেই ভক্তৰ মন তাতকৈ বেছি নির্ম্মল আৰু শুৱনি।

কীৰ্ত্তনং শ্ৰীমুকুন্দস্য যস্যাং দিশি বিৰাজতে।
নত্বা তাং দিশমানন্দঘনে নন্দতি মানৱাঃ ॥৬২০

[ ৬২০ ]

শ্ৰীমুকুন্দৰ নাম গুণ কীৰ্ত্তন প্ৰকাশ যি দিশত
সি দিশত প্ৰতি নমস্কাৰ যিটো কৰে।
চিদানন্দ ঘন স্বৰূপত ঈশ্বৰ কৃষ্ণত নিত্যাগত
পৰম আনন্দ কৰে সিটো সাধু নৰে ॥

চিদানন্দ—আনন্দ দিওঁতা চৈতন্যস্বৰূপ ভগৱান।
নিত্যাগত—নিতৌ অহা, সদায় থকা বা উদয় হোৱা।
ঘন—মেঘ।

ভগৱানৰ নাম-গুণ কীৰ্ত্তন যিকালে হয়, সেইকালে যি মানুহে সেৱা কৰে ( অৰ্থাৎ ভগৱানৰ নাম-গুণ কীৰ্ত্তন শুনিলে ভক্তি উদ্ৰেক হোৱা যাৰ স্বভাৱ হয় ), সেই সাধু নৰে পূৰ্ব্বৰপৰা ভগৱানক ভাবা আৰু ধাৰণা কৰা অভ্যাস থকাৰ গুণে সদায় উদয় হোৱা ঘনস্বৰূপ চিদানন্দ ঈশ্বৰ কৃষ্ণত পৰম আনন্দ কৰে অৰ্থাৎ আকাশত মেঘ দেখি

মনুৰে পেখন ধৰাৰ দৰে সেই মানুহে চৈতন্যস্বৰূপে ভগৱানৰ নাম শুনিলেই পৰম আনন্দ কৰে।

হৰিভক্তি ৰাজমার্গে গুৰুপদ নখচন্দ্রিকা দ্যোতে।

শ্রুতি জননী পদ পদ্ধতিমনুসৰতাং ন কুতঃ স্খলনং ॥৬২১

[ ৬২১ ]

হৰিভক্তি ৰাজমার্গ গুৰু- পদ নখ-চন্দ্র প্রকাশিত
শ্রুতি জননীৰ পদ পথ অনুসৰি।
ফুৰো হুয়া আমি আনন্দিত স্খলন নাহিকে কদাচিত
মহাজন সবে জানিবা নিশ্চয় কৰি ॥

ৰাজমার্গ—ৰাজবাট, বহল বাট, ভাল উপায় শ্রেষ্ঠ পন্থ।

গুৰুপদ নখচন্দ্র প্রকাশিত—গুৰুৰ চৰণৰ নখচন্দ্রৰে পোহৰ হোৱা অর্থাৎ গুৰুৰ চৰণ বা গুৰু পদসেৱা।

( ভগৱানে কৈছে :—

বেদৰ নির্দ্দিষ্ট বিধানমতে হৰিভক্তিৰ বহল বাটটো গুৰুৰ পদ নখচন্দ্রৰদ্বাৰা প্রকাশিত অর্থাৎ হৰি ভক্তিৰ প্রশস্ত উপায় গুৰুপদ সেৱা; মই সেই গুৰুৰ লগতে আনন্দমনে ফুৰোঁ, তেওঁৰ আৰু মোৰ এৰ এৰি নাই; হে সাধুসকল, এই কথা নিশ্চয়কৈ জানিবা [ ভক্ত ভগৱানৰে অভিন, ভক্তহে গুৰুপদৰ যোগ্য; ভক্তক কর্ণধাৰ গুৰু কৰি আশ্রয় ললে বা তেওঁৰ পদ সেৱা কৰিলে তেওঁৰ কৃপাত ভগৱানৰ স্বৰূপ লাভ হয়। ]

# নিন্দা

[ ৬২২ ]

শ্ৰীমন্ত শঙ্কৰে প্ৰকাশিলা গোবিন্দৰ নাম গুণ যশ
জগতৰ লোকে পৰম আনন্দে গাৱে।
হেনয় শঙ্কৰ গুৰু বিনে কমন কাৰণে আন জনে
লোকৰ মাজত আপুনি গুৰু বোলাৱে॥

শ্ৰীমন্ত শঙ্কৰদেৱে বেদ, বেদান্ত, পুৰাণ আদি শাস্ত্ৰ মথি ভগৱানৰ নাম-গুণ যশেই কলিৰ অল্পায়ু লোকৰ পক্ষে উপযোগী বুলি প্ৰকাশ কৰিলে, তাকে জগতৰ লোকে সত্য বুলি আশ্ৰয় কৰিলে; (এতেকে শঙ্কৰেহে সকলোৰে গুৰু) এনে শঙ্কৰ গুৰুক এৰি কি কাৰণে আন লোকৰ মাজত নিজক গুৰু বুলি চিনাকি দিয়ে? [অৰ্থাৎ শঙ্কৰেহে গুৰু, গুৰুনামধাৰী লোকসকল উপদেষ্টা মাত্ৰ।]

তিষ্ঠতি বিষ্ণোৰ্নাম সহস্ৰং জিহ্বা ৰটতি বিৰুদ্ধমজস্ৰং।
প্ৰায়ো বুদ্ধি ৰসদা সক্তা কুলটা জাৰপতাবনুৰক্তা॥৬২৩

[ ৬২৩ ]

বিষ্ণুৰ সহস্ৰ নাম সদা আছন্ত জিহ্বায়ে তাক এৰি
সদায়ে বিৰোধ বচন মাত্ৰ ৰটয়।
বুদ্ধি বিষ্ণু তত্ত্ব পৰিহৰি অসন্ত বস্তুত ৰতি কৰি
যেন বেশ্যা জাৰপতিত মাত্ৰ ৰময়॥

বুদ্ধি—( বুধ—জ্ঞান কৰ+ক্তি) জ্ঞান, বোধ, নিশ্চয়াত্মিকা মনোবৃত্তি।
অসন্ত—অসৎ, মন্দ।
জাৰ—উপ, অন্য ; জাৰপতি—উপপতি।

ভগৱানৰ সহস্ৰ নাম অতি অলপ আয়াসতে মুখেদি সব সবে আছে এনে সহজ নাম লব এৰি কুমতি মানুহে সদায় কেৱল বিপৰীত কথা কৈ গাই ফুৰে ; জ্ঞান ভগৱানৰ তত্ত্ব ; এই শাশ্বত বস্তুৰ চিন্তা এৰি বেশ্যাই উপপতিত সদায় মন ৰাখাৰদৰে এই কুমতি লোকসকলে অসৎ বস্তুৰ কথাহে ভাবে।

নৃদেহমাদ্যং সুলভং সুদুৰ্লভং প্লবং সুকল্পং গুৰু কৰ্ণধাৰং।
ময়ানুকুলেন নভস্বতেৰিতং পুমান্ ভৱাব্ধিং ন তৰেৎ স আত্মহা ॥৪০২

[ ৬২৪ ]

সমস্তৰ আদি নৰতনু উদ্যম কোটিয়া নপায় পুনু
কোনো ভাগ্যোদয়ে পায়া নাৱ দৃঢ় আতি।
গুৰু ভৈলা আত কৰ্ণধাৰ কৃষ্ণ ভৈল অনুকুল বায়ু
তথাপি সংসাৰ নতৰয় আত্মাঘাতী ॥

উদ্যম কোটিয়ো—অনেক চেষ্টা কৰিও।
কোনো ভাগ্যোদয়ে—কিবা সৌভাগ্যৰ ফলত।

ধৰ্ম, অৰ্থ, কাম, মোক্ষ সাধনৰ মূল ভেটি নৰতনু, মনুষ্য জন্মৰ বাহিৰে আন জন্মত এই চাৰিবিধ লাভ কৰিব নোৱাৰি ; এই জন্ম অবাবত কটালে হাজাৰ চেষ্টা কৰিও, পৰজন্মত আৰু মানৱী কায়া পোৱা টান—কিবা সৌভাগ্যৰ গুণত এই নৰতনু স্বৰূপ কঠিন নৌকা

পোৱা হৈছে। এই নাৱৰ গুৰিয়াল হৈছে মন্ত্ৰদাতা গুৰু আৰু ভগৱান হৈছে গুৰুৰ লগত সহায়কাৰী অনুকূল বতাহৰ নিচিনা; সংসাৰত এনে আশ্ৰয়দাতা বা চলাওঁতা গুৰু পোৱাত আৰু সহায়কাৰী ভগৱান থকাতো আত্মঘাতীয়ে (নিজে নিজৰ অপকাৰ কৰোঁতাই) মুক্তিলাভ নকৰে (মুক্তিৰ নিমিত্তে চেষ্টা নকৰে)। [ইয়াতকৈ আৰু আচৰিত কথা কি আছে ?]

শ্ৰুতি-স্মৃতী মমৈবাজ্ঞে যস্তূল্লঙ্ঘ্য প্ৰবৰ্ত্ততে।
আজ্ঞা চ্ছেদী মম দ্বেষী মদ্ভক্তোঽপি ন বৈষ্ণৱঃ ॥৬২৫

[ ৬২৫ ]

**মাধৱে বোলন্ত শ্ৰুতি স্মৃতি মোৰ আজ্ঞা বাণী জানা নিষ্ঠ**
**যিটো জনে আৰু উলঙ্ঘিয়া প্ৰৱৰ্ত্তয়।**
**ভৈল সিটো মোৰ আজ্ঞা ছেদী মোক দ্বেষ কৰিলেক আতি**
**মোৰ ভক্ত হন্তো বৈষ্ণৱ সিটো নোহয় ॥**

ভগৱানে কৈছে,—শ্ৰুতি-স্মৃতি শাস্ত্ৰ মোৰ আদেশ বাক্য; ইয়াক নিশ্চয়কৈ জানিবা; যি লোকে মোৰ এই বাক্য উলঙ্ঘন কৰি অৰ্থাৎ উক্ত শাস্ত্ৰ নামানি চলে, তেওঁ মোৰ আজ্ঞা নামানা হয় আৰু মোক অতিকৈ হিংসা কৰা হয়। তেওঁ ভক্ত হব পাৰে কিন্তু বৈষ্ণৱ নহয়। [বিচুমান এনে সংসাৰী ভকত আছে, তেওঁলোকে ভক্তিৰ নাম কৰি বেদবিহিত কৰ্মবোৰ কৰিব নোখোজে, সেই সকলকে লক্ষ্য কৰি কৈছে,

মোৰ ভক্ত নাম লৈ বিষয় আসক্তি গুচাব আগতে, বেদপথ নামানিলে বৈষ্ণৱ হব নোৱাৰে।

কিং বিদ্যয়া বাহ্যগুণৈশ্চ তেষাং যজ্ঞৈশ্চ দানৈশ্চ তপোভিৰুগ্রৈঃ।
যেষাং ন ভক্তিৰ্ভবতীহ কৃষ্ণে জগদ্‌গুৰো মোক্ষ সুখপ্ৰদে চ॥

[ ৬২৬ ]

যত উগ্র তপ জ্ঞান গুণ যাগ যোগ যজ্ঞ দান পুণ্য
কিবা প্ৰয়োজন সাধিবেক তাসম্বাৰ।
কৃষ্ণ জগতৰ গুৰু নিষ্ঠ সুখ মোক্ষ পদ দেৱ ইষ্ট
তাহান চৰণে ভকতি নাহিকে যাৰ॥

কৃষ্ণ নিশ্চয় জগতৰ গুৰু আৰু তেওঁ মোক্ষ সুখ দিওঁতা ইষ্ট দেৱতা, তেওঁৰ চৰণত যাৰ ভক্তি নাই তেওঁ যিমান প্ৰকাৰ কষ্টদায়ক তপ, কষ্টাৰ্জ্জিত জ্ঞান; গুণ আৰু নানা সম্ভাৰ গোটাই ব্ৰত কৰি কৰা যাগ-যজ্ঞ আৰু নানা কৌশল অৱলম্বন কৰি কৰা যোগ আছে, সেইবোৰে তেওঁৰ একো হিত সাধিব নোৱাৰে।

অগ্রে কশ্চিদস্তি কিঞ্চিদভিতঃ কেনাপি পৃষ্ঠেকৃতঃ।
সংসাৰ শিশুতাৰ যৌৱন জৰাভাৰাৱতাবাদয়ঃ॥৬২৭

[ ৬২৭ ]

শিশুৰ বিষয় আশা আগ যুৱা সেৱা কৰে পায়া লাগ
বৃদ্ধে ভোগ কৰি পিঠি দিলে বিষয়ক।

হৰি ভকতিক পৰিহৰি বৃদ্ধে বিষয়ক টৈৰ কৰি
পুনু পালটিয়া নিৰিখি আছে কিসক ॥

শিশুৱে আগলৈ বিষয় সুখ ভোগ কৰিব বুলি আশা কৰে, ডেকা-সকলে যৌৱন বয়সত ভৰি দি বিষয় সুখ ভোগ কৰে আৰু বুঢ়া-সকলে বিষয় সুখ কৰি তালৈ পিঠি দিয়ে; (শিশু আৰু ডেকাই বাৰু হৰিভক্তি নকৰে নাই) কিন্তু বিষয় সুখলৈ পিঠি দিয়া বুঢ়া সকলেও হৰিভক্তি নকৰে, যে কিয় পুনঃ বিষয়ৰ ফালে টৈৰ কৰি চায় কব নোৱাৰোঁ।

বালস্তবহ মন্যতাং বৰ'সি প্ৰাপ্তো যুবা সেৱতাং।
বৃদ্ধস্তৰিষয়াৰহিষ্কৃত ইব ব্যাবৃত্য কি পশ্যতি ॥৬২৮

[ ৬২৮ ]

বালকে কৰোক বহুমান যুবায়ে সেৱোক পাৰেমান
বৃদ্ধে বিষয়ৰ বহিৰ্ভূত হুয়া গৈল।
ভোগ কৰিবাক নপাৰয় তথাপিতো আশা নছাৰয়
হৰি হৰি হৰি কিনো বিপৰীত ভৈল ॥

লৰায়ে বাৰু বিষয়লৈ বৰ আশা কৰে—কৰোক, ডেকাই যিমান পাৰে বিষয় ভোগ কৰোক, বুঢ়াতো বিষয়ৰ বাহিৰ হল, তেওঁলোকে (শক্তিৰ

অভাবত ) বিষয় ভোগ কৰিব নোৱাৰে, তথাপিতো বিষয়ৰ আশা নেৰে, হৰি ! হৰি !! হৰি !!? ই কি আচৰিত কথা !

নাপি ভোক্তুং ন চ ত্যক্তুং শক্নোতি বিষয়ান্ জৰী ।
অস্থির্নির্দ্দশনশ্চৈব জিহ্বয়া লেঢ়ি কেৱলম্ ॥৬২৯

[ ৬২৯ ]

বৃদ্ধসবে জানা বিষয়ক ভোগ কৰিবাক নপাৰয়
ভক্তিহীন বৃদ্ধে তেজিতে সমর্থ নয় ।
দশনবিহীন কুক্তা যেন হাড় চোবাইবাক নপাৰয়
জিহ্বা লৰবৰ কৰি মাত্ৰ চেলেকয় ॥

বুঢ়াসকলে বিষয় ভোগ কৰিবলৈ অসমর্থ, ( তথাপি ) ভক্তিহীন বুঢ়াসকলে বিষয় আশা এৰিব নোৱাৰে ; তেওঁলোকে দাঁতসৰা কুকুৰে হাড় চোবাব নোৱাৰি চেলেকি তাৰ হেপাহ পলুৱাবদৰে বিষয় ভোগ কৰিব নোৱাৰি পুত্ৰ, দাৰা ধন আদিলৈ চাই আৰু সেইবোৰ নাৰি-চাৰিয়ে মনৰ হাবিলাস পলুৱায় ।

সূচকঃ শূকৰশ্চৈব দ্বাবেতৌ বিধিনির্ম্মিতৌ ।
সূচকঃ শুদ্ধ্যতে সাধুন্ গ্ৰাম্যশ্চ শূকৰো যথা ॥৬৩০

[ ৬৩০ ]

বৈষ্ণৱ নিন্দুক সূচকক বিষ্ঠা লুঠা গ্ৰাম্য শূকৰক
বিধাতায়ে দুইকো স্ৰজিলন্ত দয়াতৰে ।

সূচকে জানিবা নিৰন্তৰে সাধু সমস্তক শুদ্ধি কৰে
যিমতে শূকৰে গ্ৰাম্যক শোধন কৰে ॥

সূচক—নিন্দুক, খলুৱা।

সৃজনকৰ্ত্তাই মৰম কৰি বৈষ্ণৱ, নিন্দুক, খলুৱাক আৰু বিষ্ঠা খাই ফুৰা গাৱঁলীয়া গাহৰিক সৃজন কৰিলে ; ( কিয়নো ) গাহৰিয়ে গাৱঁৰ বিষ্ঠা খাই গাওঁ পৰিষ্কাৰ কৰাৰদৰে বৈষ্ণৱ; নিন্দুক, খলুৱাইয়ো সাধুসকলক বিশুদ্ধ কৰে অৰ্থাৎ সাধুসকলক নিন্দা কৰি চাৰিওফালে ৰটি ফুৰাত সাধুসকলে সাৱধানে চলি আৰু বিশুদ্ধ হৈ উঠে।

মৃগ-মীন-মহাসাধুনাং তৃণ-জলসন্তোষবিহিতবৃত্তীনাং।
লুব্ধকৈবৰ্ত্তপিশুনাঃ অকাৰণ বৈৰিণো জগতি ॥৬৩১

[ ৬৩১ ]

মৃগ মীন মহা সাধু নৰে মনৰ সন্তোসে তৃণ জলে
হিংসা শূন্য হুয়া থাকয় জীৱন ধৰি ।
তথাপিতো ইটো ত্ৰিতয়ৰ কৈৱৰ্ত্ত পিশুন ব্যাধসব
ইটো জগতত তিনি অকাৰণে বৈৰী ॥

হৰিণ, মাছ, আৰু মহন্তই কাৰো একো অপকাৰ নকৰি প্ৰকৃতিয়ে দিয়া তৃণ-জল ভোগ কৰি জীয়াই থাকে, তথাপি এই তিনিও বিধৰ অৰ্থাৎ হৰিণ, মাছ আৰু সাধুৰ—ব্যাধ, কৈৱৰ্ত্ত আৰু খলুৱা ইহঁত তিনিও অকাৰণে শত্ৰু।

## ভাবাৰ্থ

ন ব্ৰহ্মণঃ স্বপৰভেদমতিস্তব স্যাৎ
সৰ্ব্বাত্মনঃ সমদৃশঃ স্বসুখানুভূতে।
সংসেৱ্যতাং সুৰতৰোৰিব তে প্ৰসাদঃ
সেৱানুৰূপঃ মুনয়ো ন বিপৰ্য্যয়োঽত্ৰ ॥৬৩২—৬৩৩

[ ৬৩২ ]

সমস্তৰে আত্মা নাৰায়ণ আত্মা-সুখে ৰতি সৰ্ব্বক্ষণ
এহি হেতু হৰি সমস্ত প্ৰাণীত সম।
তাঙ্ক যিটো ভজে সুখে তৰে নভজি সংসাৰে মজি মৰে
কৃষ্ণক বিষম বোলয় কোন অধম ॥

ভগৱান সমস্ত প্ৰাণীৰ আত্মা, তেওঁৰ সদায় আত্মা-সুখতে ৰতি (অৰ্থাৎ তেওঁ নিজানন্দ, সকলো প্ৰাণীৰ অন্তৰত আত্মাৰূপে আছে যেতিয়া তেওঁ সকলো আত্মাৰ সুখ ভাল পোৱা হৈছে), এই কাৰণে ভগৱান সকলো প্ৰাণীতে সমান অৰ্থাৎ তেওঁ কাকো ভাল পোৱা, কাকো ভাল নোপোৱা নহয়; সেই আত্মাৰূপী ভগৱানক যি সুখৰ বা আনন্দৰ আশাৰে ভজে, তেওঁ অতি অনায়াসে মুক্তি লাভ কৰে, যি তেওঁক নভজে, সি মুক্তি লাভ কৰিব নোৱাৰি সংসাৰত ঘূৰি ফুৰে ; এনে অৱস্থাত ভগবানক কোন অধমে অসমদৰ্শী (কাকো আপোন, কাকো পৰ দেখা) বোলে ?

## আত্মনিন্দা

[ ৬৩৩ ]

হৰিসে কেৱল সঞ্চা মাত্ৰ ৰাম ৰাম ৰাম ৰাম ৰাম
তান্ত বিনে মিছা যত দেখি শুনি মানে।
তাক যিটো মিছা কৰি আশ ৰাম ৰাম ৰাম ৰাম ৰাম
দুৰাচাৰ মন মৰস কেনে অজ্ঞানে ॥

ৰাম ৰাম ৰাম হৰিয়েই ( ভগৱানৰ নামেই ) কেৱল মাত্ৰ সত্য বস্তু তাৰ বাহিৰে সকলো মিছা ; হে দুৰাচাৰ মন, সেই অসত্যক আশা কৰি ৰামনাম নলৈ কিয় অজ্ঞানত পৰি মৰ ?

[ ৬৩৪ ]

হৰি সত্য নিত্য ভগৱন্ত নাহি পূৰ্ব্বাপৰ আদি অন্ত
তাহান চৰিত্ৰ পৰম আনন্দ ৰস।
তাক এৰি মন দুৰাশয় যতেক বিষয় বিষময়
তাঙ্ক আশা কৰি সংসাৰে মজি মৰস ॥

ঈশ্বৰেই সত্য, নিত্য আৰু জগতৰ গৰাকী ; তেওঁৰ আদি-অন্ত নাই তেওঁৰ আগেয়ে কোনো জন্মা নাছিল আৰু পাচতো কোনো নজন্মিব ; তেনে সত্য ঈশ্বৰক ভজনা নকৰি হে দুষ্টবুদ্ধি মন বিষে ভৰা বিষয়ক আশা কৰি কিয় তাত মোহ গৈ থাক ?

# মহিমা

'ৰা' শব্দোচ্চাৰণে নৈব মুখান্নির্ষ্যাতি পাতকং।
পুণ্যং প্ৰবিষ্টং ভৱতি মকাৰস্ত কপাটকং॥

[ ৬৩৫ ]

'ৰা' শব্দক উচ্চৰন্তে ৰাম ৰাম ৰাম ৰাম ৰাম
মুখ হন্তে বাজ হুয়া পলায় পাপ মানে।
পুণ্যমানে হোৱে অভ্যন্তৰ ৰাম ৰাম ৰাম ৰাম ৰাম
'ম' বুলি আতি কপট মায়াৰ টানে॥

ৰাম নামৰ ইমান মাহাত্ম্য যে 'ৰা' শব্দ উচ্চাৰণ কৰা মাত্ৰে মানুহৰ হৃদয়ৰ পাপবোৰ ওলাই যায় আৰু তাৰ লগে লগে পুণ্য শৰীৰৰ ভিতৰত প্ৰবেশ কৰে, 'ম' বুলিলেই হৃদয়ৰ দুৱাৰ বন্ধ হয়, পুণ্য ওলাব নোৱাৰে অৰ্থাৎ 'ৰাম' নামৰ গুণত মানুহৰ হৃদয় পবিত্ৰ হয়।

কৃষ্ণঃ প্ৰিয়তমশ্চাত্মা যতো ন ভয়মণ্বপি।
ইতি বেদক বৈ বিদ্বান্ যো বিদ্বান্ স গুৰুৰ্হৰিঃ॥৬৩৬

[ ৬৩৬ ]

কৃষ্ণ প্ৰিয়তম আত্মা নিজ ৰাম ৰাম ৰাম ৰাম ৰাম
যাক হন্তে অণুমাত্ৰকো ভয় নুশুনি।
আকো যিটো জানে সেহিজন ৰাম ৰাম ৰাম ৰাম ৰাম
বিদ্যাৱন্ত গুৰু সেহিসে হৰি আপুনি॥

( কৃষ্ণ সকলোৰে অন্তৰত আত্মাৰূপে আছে, এতেকে ) কৃষ্ণ সকলোৰে নিজ প্ৰিয়তম আত্মা, তেওঁক চিন্তা কৰিলে সংসাৰ-ভয় নাথাকে ; যিজনে এই আত্মাতত্ত্ব জানে, সেইজনেই বিদ্বান, গুৰু আৰু তেওঁ নিজে ভগৱানৰ নিচিনা ( ভক্ত ভগৱানৰে অভিন )।

ৰাম ত্বত্তোঽধিকং নাম ষচ্চুক্তেৱ নৰন্তৰেৎ।
বিনাপি সেতু নিৰ্ম্মাণমপাৰং ভৱসাগৰং ॥৬৩৭—৬৩৮

[ ৬৩৭ ]

অনন্ত শকতি তুমি ৰাম লক্ষ্মণ সুগ্ৰীৱ বিভীষণ
হনুমন্ত আদি মহা মহা বীৰগণে।
আনি তৰু লতা পৰ্ব্বতক কতেক যোজন সমুদ্ৰক
সেতু বান্ধি পাৰ ভৈলাহা মহা যতনে ॥

হে প্ৰভু, তুমি অনন্ত শক্তিপূৰ্ণ ৰাম অৰ্থাৎ তুমিয়েই ৰামৰূপে অৱতাৰ হৈ লক্ষ্মণ, সুগ্ৰীৱ, বিভীষণ, হনুমন্ত, আদি মহা মহা বীৰসকলৰ দ্বাৰা গছ, লতা, পৰ্ব্বত, আনি মহা যত্ন কৰি কেবা যোজন বহল সাগৰত সেতু বান্ধি পাৰ হৈছিলা।

[ ৬৩৮ ]

হে প্ৰাণ প্ৰভু ৰঘুপতি ৰাম ৰাম ৰাম ৰাম ৰাম
তোমাত যুগুত কৰিয়া নাম চাৰ।

বিনা সেতু বন্ধ কৰি নৰে  ৰাম ৰাম ৰাম ৰাম ৰাম
অপাৰ সংসাৰ সমুদ্ৰৰ হোৱে পাৰ ॥

হে প্ৰাণপ্ৰভু ৰঘুপতি, তোমাত কৰি তোমাৰ নামৰ গুণ চাৰ (বেচি), কিয়নো তুমি সেতু বান্ধিহে সাগৰ পাৰ হৈছিলা, কিন্তু লোকে সেতু নাবান্ধাকৈ তোমাৰ নাম একান্ত মনে লৈয়েই সংসাৰৰূপ অপাৰ সাগৰ পাৰ হয় অৰ্থাৎ মুক্তি পায়।

কৃষ্ণঃ কৃষ্ণঃ কৃষ্ণ ইত্যন্তকালে জল্পন্ জন্তুঃ জীবিতং যো জহাতি।
আদ্যঃ শব্দঃ কল্প্যতে তস্য মুক্ত্যৈ ব্ৰীড়া নম্ৰৌ তিষ্ঠতোঽন্যশব্দৌ ॥৬৩৯

[ ৬৩৯ ]

কৃষ্ণ কৃষ্ণ কৃষ্ণ বুলি যিটো  অন্তকালে নিজে প্ৰাণ তেজে
আদ্যৰ শব্দে মুকুতি তাঙ্ক দিৱয়।
আৰু কিবা বস্তু দিব বুলি  আৰ দুই পদে লজ্জা হুয়া
ঋণী ভৈলোঁ বুলি দমাই মাথা থাকয় ॥

ভগৱানৰ 'কৃষ্ণ' নামৰ এনে মাহাত্ম্য, যে যিজনে মৃত্যুৰ সময়ত "কৃষ্ণ কৃষ্ণ কৃষ্ণ" বোলে, তেওঁক প্ৰথম কৃষ্ণপদে মুক্তি দিয়ে; বাকী দুই কৃষ্ণপদে একো দিব নোৱাৰি সেই জীৱৰ ওচৰত ঋণী থাকিলোঁ বুলি লাজ পায়। [ মুক্তিতকৈ জীৱৰ বাঞ্ছনীয় আৰু ভগৱানে দিব পৰা বস্তু বা পদ নাই; সেই মুক্তি জীৱে একান্তমনে ভগৱানৰ নাম ললেই পায়।

## শঙ্কা

তৎ পদমূলে প্রবিষ্টস্য কৃতান্তভয়াভাবঃ কিয়ানয়ং লাভঃ।
যত্তদ্ভক্ত সঙ্গ এব সকল পুরুষার্থ শ্রেণী শিরসি নৰ্ত্তিনৰ্ত্তি ॥ ৬৪০

[ ৬৪০ ]

হে কৃষ্ণ তয়ু পদ মূলে একান্তমনে শৰণ লোৱে যিটো
কোন লাভ হৈটো এৰাইবে কালৰ ভয়।
তয়ু ভকতৰ সঙ্গগোটে সৰ্ব্ব পুরুষার্থ বাখি শিৰে
চড়িয়া কৌতুকে অত্যন্ত নৃত্য কৰয় ॥

এৰাইবে কালৰ ভয়—মুক্তিলাভ কৰিব।

হে কৃষ্ণ, তোমাৰ চৰণত একান্তমনে যি শৰণ লয়, তেওঁৰ পক্ষে মৃত্যুৰ পাচত মুক্তি লাভ কৰিব, ই একো বিশেষ লাভ নহয়, কিয়নো তোমাৰ ভক্তৰ লগতে ধৰ্ম, অৰ্থ, কাম, মোক্ষ চাৰি পুৰুষাৰ্থ আনন্দে নাচি থাকে; অৰ্থাৎ ভক্তে তোমাৰ নাম গুণ কীৰ্ত্তন কৰি অপৰিমেয় আনন্দ পায় (ভক্তৰ ভক্তিয়েই লক্ষ্য)। চাৰি পুৰুষাৰ্থ ভক্তৰ লগত আপোনা-আপুনি লগ পায়।

সুৰৱৰগম্যাত্মতত্ত্ব নিগমায় তবাবতারে চৰিত-
মহামৃতাব্ধি পৰিবৰ্ত্তন পৰিশ্রমনাঃ।
ন পৰিলসন্তি কেচিদপবৰ্গমপীশ্বৰ তে
চৰণ সৰোকহং সকুল সঙ্গবিসৃষ্ট গৃহাঃ ॥ ৫ ॥

[ ৬৪১ ]

পৰম দুৰ্ব্বোধ আত্ম তত্ত্ব          তাৰ জ্ঞান অৰ্থে হৰষিত

লীলা অৱতাৰ ধৰা তুমি কৃপাময়।

তাহান চৰিত্ৰ সুধা সিন্ধু          তাত ক্ৰীড়া কৰি দীনবন্ধু

চাৰি পুৰুষাৰ্থ তৃণৰ সম কৰয়॥

আত্মা কি, আত্মাৰ স্বৰূপ কি ইত্যাদি বিষয় আতিশয় জনা অতি কষ্টসাধ্য; তাক জনাবৰ অৰ্থে হে হৰি, তুমি যুগে যুগে নানা ৰূপ-লীলা অৱতাৰ ধৰা; তোমাৰ সেই লীলা অৱতাৰৰ চৰিত অমৃতৰ সাগৰৰ স্বৰূপ (সেইবোৰ আলোচনা কৰিলে অপৰিমেয় ৰস পোৱা যায়)। হে দীনবন্ধু, তুমি সেই চৰিত্ৰবোৰৰ ভিতৰতে আছা, তোমাৰ সেই লীলা-মালাই (চৰিত্ৰই) চাৰি পুৰুষাৰ্থক তৃণৰ সমান তুচ্ছ কৰে অৰ্থাৎ তোমাৰ সেই লীলা-মালা আলোচনা কৰিলে যি ৰস জন্মে, সি ধৰ্ম, অৰ্থ, কাম, মোক্ষ চাৰি পুৰুষাৰ্থকো চেৰ পেলায়।

নৈবং বিয়ঃ পুৰুষাকাৰ উৰুক্ৰমস্য পুংসাং

তদঙ্ঘ্ৰি ৰজসা জিত ষড় গুণানাং।

চিত্ৰং বিদূৰবিগতঃ সকৃদাদদতি

যন্নামধেয়মধুনা জহাতি বন্ধং ॥৬৪২

[ ৬৪২ ]

উৰুক্ৰম পদৰেণু সেৱি          ছয় উৰ্ম্মি জিনিলেক যিটো

সিটো পুৰুষৰ জানিবা আশ্চৰ্য্য নাই।

তাকেসে আশ্চৰ্য্য বুলি ধৰি যাৰ নাম একবাৰ স্মৰি
চণ্ডালো সম্প্ৰতি সংসাৰ বন্ধ এৰায় ॥

উৰুক্ৰম—বিষ্ণু, বামনদেৱ।
ছয়ঊৰ্ম্মি—শোক, মোহ, জৰা, মৃত্যু, ভোক আৰু পিয়াহ।
সংসাৰ বন্ধ এৰায়—মুক্তি পায়।

(ভক্তই প্ৰথমতে সাকাৰ ভাৱে ভগৱানক উপাসনা কৰে) যি ভগৱানৰ কল্পিত (শাস্ত্ৰ নিৰ্দ্দেশিত) মূৰ্ত্তিক হৃদয়ত চিন্তা কৰি শোক, মোহ, জৰা, মৃত্যু, ভোক আৰু পিয়াহ, এই ছয় উৰ্ম্মি জয় কৰে, সি মুক্তিলাভ কৰা একো আচৰিতৰ কথা নহয়; কিন্তু আচৰিত সেইটোৱেই, যাৰ নাম চাণ্ডালেও একান্তমনে এবাৰ উচ্চাৰণ কৰিয়েই মুক্তি লাভ কৰিব পাৰে।

স্থানে হৃষীকেশ তৱ প্ৰকীৰ্ত্ত্যা জগৎপ্ৰহৃষ্যত্যনুৰজ্যতে চ।
ৰক্ষাংসি ভীতানি দিশো দ্ৰৱন্তি সৰ্ব্বে নমস্যন্তি চ সিদ্ধসংঘাঃ ॥ ৬৪৩

[ ৬৪৩ ]

কৃষ্ণক বোলন্ত ধনঞ্জয় তোমাৰ কীৰ্ত্তনে কৃপাময়
আতি অনুৰাগে জগতে কৰে হৰিষ।
তোমাৰ কীৰ্ত্তন অগনিৰ শিখায়ে দগধ হুয়া আতি
ৰাক্ষস পিসাচ পলাই যায় দশোদিশ ॥

অর্জ্জুনে ভগৱানক কৈছে—হে কৃপাময়, তোমাৰ নাম-গুণ কীৰ্ত্তন কৰি জগতবাসীয়ে তোমাৰ প্ৰেমত আনন্দ কৰে; তোমাৰ নাম-কীৰ্ত্তনৰূপ অগ্নিশিখাত ৰাক্ষস-পিশাচ দগ্ধ হৈ যেনি পায় সেনি পলাই যায়; অৰ্থাৎ একান্তমনে নাম কীৰ্ত্তন কৰিল পাপ থাকিব নোৱাৰে।

প্ৰায়েণ মুনয়ো ৰাজন্ নিবৃত্তা বিধিষেধতঃ।
নৈৰ্গুণ্যস্থা ৰমন্তে স্ম গুণানুকথনে হৰেঃ ॥৬৪৪—৬৪৬

## ভাবাৰ্থ

[ ৬৪৪ ]

**ভক্তি সৰোবৰে কৃষ্ণ পাদ- পঙ্কজত পৰি নিৰন্তৰে**
**পৰম আনন্দে ভকত ভ্ৰমৰ জাকে।**
**কৃষ্ণযশ-ৰস মধুপানে মত্ত হুয়া আতি সাৱধানে**
**ৰামনাম ৰাজহংস ৰাৱ শুনি থাকে ॥**

সৰোবৰত পদ্ম ফুল ফুটে, ভ্ৰমৰবিলাকে সেই পদ্মত পৰি মধুপানত মত্ত হৈ পৰম আনন্দে সদায় ভ্ৰমি থাকে আৰু সেই সৰোবৰত ৰাজহাঁহৰ মাত শুনিবলৈ পোৱা যায়। সেইদৰে ভক্তসকলে একান্তমনে ভগৱানত ভক্তি কৰোঁতে সেই ভক্তিৰূপ সাগৰত ভগৱানক দেখা পায় আৰু তেওঁলোকৰ মন ভগৱানৰ চৰণত লাগি ভ্ৰমৰে মধু-পান কৰাৰ দৰে ভগৱানৰ নাম-গুণ ৰসত মোহ যায় আৰু তেওঁলোকৰ অন্তৰত ৰামনামৰ ধ্বনি উঠে। (ভক্তে নিজ হৃদয়ত ৰামনামৰ ধ্বনি শুনিবলৈ পায় বুলি কয়।)

[ ৬৪৫ ]

ঐকান্তিক মহা মুনি যত নিৰ্বৰ্ত্তিয়া বিধি নিষেধত
নিৰ্গুণ ভাৱত স্থিতি হুয়া নিৰন্তৰে।
জানি পুৰুষাৰ্থ সাৰ তত্ত্ব কৃষ্ণ কথামৃত সাগৰত
কথনে মথনে সদায় ৰমণ কৰে।

নিৰ্বৰ্ত্তিয়া—পালটি, ফিৰি, ঘূৰি।

ৰমণ কৰে—আনন্দ কৰে।

ঐকান্তিক মহা মুনিসকলে বিধি-নিষেধৰ পৰা ফিৰি আহি অৰ্থাৎ প্ৰবৃত্তি মাৰ্গৰ নিয়ম আদিৰ বাহিৰ হৈ সদায় সত্ত্ব, ৰজ, তম গুণৰ অতীত হৈ থাকে আৰু কৃষ্ণ নামকেই সকলো পুৰুষাৰ্থৰ সাৰ মানি কৃষ্ণকথা কৈ আৰু আলোচনা কৰি কৃষ্ণকথা ৰূপ অমৃত-সাগৰত সদায় ডুব গৈ পৰম আনন্দ লাভ কৰে।

[ ৬৪৬ ]

হৰিৰ গুণৰ দেখা বল লভিবেক যিটো মোক্ষফল
তাহাৰ সবাৰো মনক আনয় টানি।
এতেকে নিপুণ যিটো জন কৃষ্ণৰ চৰণে দিয়া মন
হৰিৰ গুণক নছাৰিবা সাৰ জানি॥

হৰিৰ নাম-গুণ কীৰ্ত্তনৰ ইমান বল, যে যিবিলাকে হৰিৰ নাম গুণ শ্ৰৱণ-কীৰ্ত্তনৰ ফলত মুক্তিলাভ কৰে, তেওঁলোকৰ মনো হৰিৰ নাম কীৰ্ত্তনে আকৰ্ষণ কৰি আনে অৰ্থাৎ তেওঁলোকৰ মুক্তিত সন্তুষ্ট

নহৈ হৰিৰ নাম-গুণ কাৰ্ত্তনকে কৰি থাকিবলৈ ভাল পায়। (হৰিৰ নাম কীৰ্ত্তন কৰোঁতে কৰোঁতে নামত ৰতি বাঢ়িলে ভক্তসকলৰ অন্তৰত একো কামনা নথকা হয়; কেৱল ভক্তি ৰসতে আনন্দ লভি নাম-কীৰ্ত্তন কৰি থাকে।) এতেকে তোমালোকৰ ভিতৰত যি চতুৰ লোক, (অৰ্থাৎ হে নিপুণলোকসকল;) হৰিৰ নাম গুণেই সকলো শাস্ত্ৰৰ সাৰ জানি, কৃষ্ণৰ চৰণত মন ৰাখি হৰিৰ নাম-গুণ কীৰ্ত্তন কৰিব নেৰিবা।

পৰিনিষ্ঠাপি নৈৰ্গুণ্যে উত্তম শ্লোকলীলয়া।
গৃহীত চেতা ৰাজৰ্ষে আখ্যানং যদধীতবান্ ॥৬৪৭

[ ৬৪৭ ]

শুক নিগদতি পৰীক্ষিত যদি আমি নিৰ্গুণত স্থিত
তথাপি উত্তম শ্লোকৰ মহিমা গুণে।
কৰিলেক মোৰ বশ্য চিত্ত ভাগৱত গ্ৰন্থ বিপৰীত
পৰম আনন্দে পঢ়িলোঁ মই আপুনি ॥

বিপৰীত—মাহাত্ম্যপূৰ্ণ, আচৰিত। উত্তম শ্লোক—ভাগৱত শাস্ত্ৰ।

শুক মুনিয়ে পৰীক্ষিতৰ আগত কৈছে, মই যদিও নিৰ্গুণত আছোঁ, অৰ্থাৎ সত্ত্ব, ৰজ, তম কোনো গুণে যদিও মোক পীড়া কৰিব নোৱাৰে, তথাপি হৰিৰ নাম-গুণ গাথা লালিত্য আৰু ৰসপূৰ্ণ শ্লোক থকা গুণে মাহাত্ম্যপূৰ্ণ ভাগৱত গ্ৰন্থে মোৰ হৃদয় অধিকাৰ কৰিলে বা মোৰ মন টানি নিলে; মই নিজে পৰম আনন্দে সেই গ্ৰন্থ পাঠ কৰিলোঁ।

তদহং তেঽভিধাস্যামি মহাপৌরুষিকো ভবান্।
যত্র শ্রদ্দধতাম্‌াশু স্যান্মুকুন্দে চ সতী মতিঃ॥ ৬৪৮

[ ৬৪৮ ]

তোমাত কহিবো সেহি শাস্ত্র তুমি আক শুনিবাৰ পাত্র
মহাপুৰুষৰ সেৱক তুমি সম্প্ৰতি।
ই শাস্ত্ৰত শ্ৰদ্ধা মাত্ৰকত মুকুন্দৰ পাদ পঙ্কজত
আতি শীঘ্ৰে তাৰ হোৱে জানা সতী মতি॥

তুমি বৰ্ত্তমানে ভগৱানৰ উপাসক, তুমি সেই শাস্ত্ৰ শুনিবৰ উপ-যুক্ত লোক; তোমাৰ আগত সেই মহা ভাগৱত শাস্ত্ৰৰ কথা কম; এই শাস্ত্ৰত শ্ৰদ্ধা হোৱা মাত্ৰে অৰ্থাৎ এই শাস্ত্ৰ একান্তমনে শ্ৰৱণ কৰাৰ ফলত ভগৱানৰ চৰণ-পদ্মত জীৱৰ অতি সোনকালে সুমতি জন্মে।

জ্ঞানীহ বিশ্ববিলয়োদ্ভৱ বৃত্তিহেতুঃ কৰ্ম্মণ্যস্ত বিচিত্ৰাণি হৰিশ্চকাৰ।
যস্ত্বঙ্গ গায়তি শৃণোত্যনুমোদতে বা ভক্তি র্ভবেদ্ভগৱতি হ্যপবৰ্গমাৰ্গে॥
( ৬৪৯ )

[ ৬৪৯ ]

সৃষ্টি স্থিতি প্ৰলয়ৰ হেতু অনন্ত বিচিত্ৰ কৰ্ম্ম হৰি
কৰা যিটো তাক গাৱে শুনে প্ৰশংসয়।
অপৱৰ্গ দাতা ভগৱন্ত তাহান চৰণ পঙ্কজত
তিনিৰো নিশ্চয় উত্তম ভক্তি হোৱয়॥

অপবৰ্গদাতা—মুক্তিদাতা।

স্ৰজন, পালন আৰু সংহাৰৰ নিমিত্তে পৰমেশ্বৰে যি অসংখ্য আচৰিত আচৰিত কাম কৰে, সেইবোৰ কথা যি কয়, যি শুনে আৰু যি প্ৰশংসা কৰে, এই তিনিবো মুক্তিদাতা ভগৱানৰ চৰণ-পঙ্কজত উত্তম ভক্তি হয়।

## মহিমা

নামৈকং যস্য বাচি স্মৰণপথগতং শ্ৰোত্ৰমূলং গতং বা।
শুদ্ধং বা শুদ্ধবৰ্ণং ব্যৱহিতৰহিতং তাৰয়ত্যেব সত্যঃ।
তচ্চেদ্দেহ দ্ৰৱিণ জনতা লোভপাষণ্ড মধ্যে।
নিক্ষিপ্তং স্যাং ন খলু ফলদং শীঘ্ৰমেবাত্ৰ বিপ্ৰং॥৬২০—৬৫৩

[ ৬৫০ [

হৰিকীৰ্ত্তনৰ তাপ লাগি পলায় পাপ দশোদিশে ভাগি
হেৰা পাইলো বুলি ভয়ত ভিৰি লৰবে।
ব্ৰহ্মাণ্ড ভিতৰে নপাই ঠাই আৰ ব্ৰহ্মাণ্ডক পলাই যায়
নামে খেদি নেন্ত ব্ৰহ্মাণ্ডোপৰি বাগৰে॥

জুইৰ যেহি তাপত মানুহ থাকিব নোৱাৰি আঁতৰি যোৱাৰ দৰে, হৰিৰ নাম-কীৰ্ত্তনত কাম, ক্ৰোধ, লোভ, মোহ, মিছা, প্ৰৱঞ্চনা, ফাঁকি আদি পাপবোৰ থাকিব নোৱাৰি আঁতৰ হয়; যি নাম-কীৰ্ত্তন কৰে, তাৰ গাৰপৰাতে এই পাপবোৰ যায়েই, তাৰ ঘৰৰ ওচৰৰ লোকৰ, দেশৰ আৰু পৃথিবীৰ পৰাও সেই পাপবোৰ বিলোপ হয়; অৰ্থাৎ তেওঁৰ আদৰ্শ লৈ আন মানুহো শুদ্ধ হয়।

[ ৬৫১ ]

পাচে পাচে হৰিনামে খেদে  একো ব্ৰহ্মাণ্ডত স্থান নেদে
মহা মহা পাতকৰ গৰ্ব্ব ভৈল চূৰ
এবে কৈক যাবো বুলি ডৰি  কাম্পে পাপ সব তৰতৰি
হৰিনামে পাই দহি কৰিলো চূৰ ॥

হৰিনামে পাপক পাচে পাচে খেদে, পাপৰ দোষ জানি কোনো ব্ৰহ্মাণ্ডতে তাক কোনোৱে ঠাই নিদিয়ে—তাতেই পাপৰ অহঙ্কাৰ চূৰ হয়; শেষত কলৈ যাব বুলি ভয় কৰি তৰতৰি কঁপে, হেন সময়তে হৰি নামে তাক লগ পাই পুৰি ভস্ম কৰে; অৰ্থাৎ হৰিনাম কীৰ্ত্তনৰ ফলত ক'তো পাপ থাকিব নোৱাৰে, য'তে পাপ প্ৰবেশ কৰিব খোজে, হৰিনামে ত'তে তাক মসিমূৰ কৰে।

[ ৬৫২ ]

নামে পুৰুষক শুদ্ধ কৰি  ৰৈল নাম তাতে ভৰি পূৰি
ধৰ্ম্মময় তনু ভৈ গৈল হৰি ভকত।
হৰিৰ কৰুণা ভৈল তাক  উচ্চ কৰি দিয়া হৰি তাক
পৰম সন্তোষে নাচে আতি আনন্দত ॥

আৰে একান্ত মনে হৰিনাম লওঁতে লওঁতে জীৱ শুদ্ধ হয়; কিন্তু তেতিয়াও আৰে নাম নেৰৈ নেৰে—একান্ত মনে নামকে লৈ থাকে; এইদৰে নাম লওঁতে লওঁতে সেই জীৱৰ শৰীৰ ধৰ্ম্মময় হৈ উঠে। এই অৱস্থাক জীৱৰ প্ৰতি ভগৱানৰ কৃপা হোৱা বোলা যায়; তেতিয়া

সেই লোকে তাহঁককৈ হৰিনাম উচ্চাৰণ কৰি পৰম সন্তোষে অতি আনন্দ লাভ কৰে; গোটেই জগতকে ব্ৰহ্মময় দেখে।

[ ৬৫৩ ]

শুদ্ধে বা অশুদ্ধে এক নাম শুনে বা ভণে বা মনে স্মৰে
অপৰাধ হীন পুৰুষক সঙ্গে তাৰে।
দেহ ধন জন অৰ্থ লোভে পাষণ্ড বুদ্ধিয়ে যিটো লোৱে
সিটো হৰিনামে তৰিতে শীঘ্ৰে নপাৰে।

শুদ্ধ অৱস্থাতে হওক বা অশুদ্ধ অৱস্থাতে হওক, যি কেৱল ভগৱানৰ এক নাম (অন্য দেৱ-দেৱীৰ উপাসনা এৰি) একান্ত মনে নিৰন্তৰ ভাৱে মনত চিন্তা কৰে; সেই লোকৰ অশুদ্ধ অৱস্থাত নাম লোৱা বাবে দোষ নহয়, বৰং সেই নাম লোৱাৰ ফলত লোকে মুক্তি লাভহে কৰিব পাৰে; যি মানুহে দুষ্টবুদ্ধি হৈ বা মতিভ্ৰম হৈ নিজৰ দেহৰ কুশল হওক বুলি বা ধন, জন বাঢ়োক বুলি (অৰ্থাৎ সেইবোৰৰ আশাত) হৰিনাম লয়, তেওঁ সেই নাম লোৱাৰ ফলত সোনকালে মুক্তি লাভ কৰিব নোৱাৰে।

## স্তুতি

বিদিতোঽসি ভবান্ সাক্ষাৎ পুৰুষঃ প্ৰকৃতেঃ পৰঃ।
কেৱলানুভবানন্দ স্বৰূপঃ সৰ্ব্ববুদ্ধিদৃক্‌॥৬৫৪

[ ৬৫৪ ]

বসুদেৱ নিগদতি হাসি সাক্ষাতে বিদিত ভৈলা আসি
তুমিসে পুৰুষ প্ৰকৃতিতো কৰি পৰ ।
সমস্ত জীৱৰ বুদ্ধি সাক্ষী কেৱল আনন্দ অনুভৱ
স্বৰূপ সুখৰ সাগৰ দেৱ ঈশ্বৰ ॥

পুৰুষ-প্ৰকৃতিত কৰি পৰ—পুৰুষ-প্ৰকৃতিৰ বাহিৰে ; দুয়োবো ওপৰত বা দুয়োবো নিয়ামক ;

ভগৱান শ্ৰীকৃষ্ণৰ জন্মত বসুদেৱে অতি সন্তোষ লভি হাঁহি মাৰি কৈছিল—তুমি পুৰুষ-প্ৰকৃতিৰ নিয়ামক পৰম ব্ৰহ্ম, তুমি মোৰ চকুৰ আগত দেখা দিলা, আৰু হে দেৱ ঈশ্বৰ, তুমি সমস্ত জীৱৰ বুদ্ধি স্বৰূপ, সাক্ষী স্বৰূপ ( সকলোকে তুমি দেখা ) আনন্দ স্বৰূপ অৰ্থাৎ তোমাক চিন্তা কৰিলে আনন্দ আৰু সুখ স্বৰূপ কেৱল তোমাক অনুভৱ কৰিব পাৰি।

তাপত্ৰয়েণাভিহতস্য ঘোৰে সন্তাপ্যমানস্য ভবাধ্বনীশ ।
পশ্যামি নান্যৎ শৰণং তবাঙ্ঘ্রিদ্বন্দ্বাৎ পত্ৰাদমৃতাভিবৰ্ষাৎ ॥৬৫৫

[ ৬৫৫ ]

হে কৃষ্ণ যত জীৱ নিত্য তিনি তাপে হুয়া সন্তাপিত
দুৰ্ঘোৰ সংসাৰ তাপত পৰি আছয় ।
তযু পদ শ্বেতছত্ৰ প্ৰায় অমৃত বৰিষে সৰ্ব্বদায়,
তাৰ ছায়া বিনে নেদেখো আৰ আশ্ৰয় ॥

তিনি তাপ—আধ্যাত্মিক, আধিদৈৱিক আৰু আধিভৌতিক।

হে কৃষ্ণ, সকলো জীৱ সদায় তিনি তাপত সন্তাপিত হৈ দুখপূৰ্ণ সংসাৰত কষ্টভোগ কৰি আছে; তোমাৰ চৰণ ৰগা ছাতিৰদৰে শান্তিপ্ৰদ, সেই চৰণে সদায় অমৃতোপম শান্তি দিয়ে অৰ্থাৎ একান্ত মনে তোমাৰ চৰণত আশ্ৰয় ললে শান্তি পোৱা যায়, সেই চৰণত আশ্ৰয় বাহিৰে আৰু অন্য গতি নাই।

দৰ্শনং বো হি ভূতানাং দুষ্প্ৰাপ্যঞ্চাপি দুৰ্লভং।
ৰজস্তমঃ স্বভাৱানং যন্ন প্ৰাপ্তে যদৃচ্ছয়া ॥৬৫৫

[ ৬৫৬ ]

বলি নিগদতি যদুপতি ৰাম ৰাম ৰাম ৰাম ৰাম
কিনো কৃপা কৰিলাহা মোক নাৰায়ণ।
দেৱৰো দুৰ্লভ অতিশয় ৰাম ৰাম ৰাম ৰাম ৰাম
গৃহতে থাকিয়া দেখিলো তযু চৰণ ॥

ভগৱানে বামন অৱতাৰ ধৰি দান মাগি বলিক ছলনা কৰাৰ সময়ত বলিৰাজে কৈছিল—হে যদুপতি নাৰায়ণ, তুমি মোক কি কৃপা কৰিলা; তোমাৰ চৰণ দেৱতাৰো দুৰ্লভ, অৰ্থাৎ দেৱতায়ো বহুত আৰাধনা কৰিহে তোমাক লাভ কৰিব পাৰে, তুমি তেনে দুৰ্লভবস্তু হোৱা স্বত্বেও মই মোৰ নিজৰ ঘৰতে থাকি তোমাৰ সেই দুৰ্লভ চৰণ দেখা পালোঁ।

## শৰণ

শোক পঙ্কনিমগ্নং যঃ সাংখ্যযোগোপদেশতঃ।
উজ্জহাৰাৰ্জ্জুনং ভক্তং স কৃষ্ণঃ শৰণং মম ॥৬৫৮

[ ৬৫৭ ]

শোক মোহ মহা পঙ্কমাজে অৰ্জ্জুন মগন ভৈলা দেখি
পৰম ঈশ্বৰ দৈৱকী-নন্দনন্দন।
কৃপায়ে ঈশ্বৰে তত্ত্ব কহি উদ্ধাৰিলা নিজ ভকতক
হেন ঈশ্বৰৰ চৰণে লৈলো শৰণ॥

কুৰুক্ষেত্ৰ সমৰত অৰ্জ্জুনে নিজৰ জাতি বিজৰ লগত যুদ্ধ কৰিব লগা হোৱা দেখি যেতিয়া শোকত মগ্ন হয়, তেতিয়া দৈৱকী আৰু নন্দৰ আনন্দদায়ক পুত্ৰৰূপে অৱতীৰ্ণ হোৱা পৰমেশ্বৰে অৰ্জ্জুনক শোক সাগৰৰ পৰা উদ্ধাৰ কৰিছিল, সেই ভগৱানৰ চৰণত মই আশ্ৰয় লওঁ।

## নমস্কাৰ

শ্ৰীকৃষ্ণ কৃষ্ণ-সখ বৃষ্ণ্যষভাব-ধ্ৰুগ্ৰাজন্য বংশদহনানপবৰ্গবীৰ্য্য।
গোবিন্দ গোদ্বিজ সুৰাৰ্ত্তিহৰাবতাৰ যোগেশ্বৰাখিলগুৰো ভগৱন্নমস্তে ॥৬৫৮

[ ৬৫৮ ]

হে কৃষ্ণ ধনঞ্জয় সখা বৃষ্ণিকুলে শ্ৰেষ্ঠ দুষ্ট ৰাজা
বংশৰ দহন অনন্ত বীৰ্য্য গোবিন্দ।

গো-বিপ্ৰ দেৱ দুঃখহাৰী        যোগেশ্বৰ সমস্তৰ গুৰু
নমো ভগৱন্ত তয়ু পদ অৰবিন্দ ॥

যোগেশ্বৰ—যোগীজন বাঞ্ছিত।

হে ধনঞ্জয় সখা কৃষ্ণ, বৃষ্ণিকুলৰ শ্ৰেষ্ঠ, দুষ্ট ৰজাৰ (কংসৰ) বংশ ধ্বংসকাৰী অনন্ত শক্তিমান গোবিন্দ, গো-ব্ৰাহ্মণৰ দুখ হৰণ কৰোঁতা যোগেশ্বৰ, নিখিল বিশ্বৰ গুৰু ভগৱন্ত, তোমাৰ চৰণ-পদ্মত মই সেৱা কৰোঁ।

## প্ৰাৰ্থনা

ব্ৰহ্মাদি তৃণ পৰ্য্যন্তং ভূতগ্ৰাম চতুৰ্ব্বিধং।
চৰাচৰমিদং বিশ্বং প্ৰসুপ্তং যস্য মায়য়া ॥৮৫॥

[ ৬৫৯ ]

ব্ৰহ্মা আদি কৰি যত জীৱ        ৰাম ৰাম ৰাম ৰাম ৰাম
মায়া শয্যামাজে আছয় ঘুমুটি যাই।
তুমিসে চৈতন্য সনাতন        ৰাম ৰাম ৰাম ৰাম ৰাম
আমি অচেতন নিয়োক নাথ জগাই ॥

ব্ৰহ্মা আদি কৰি যিমান দেৱতা, গন্ধৰ্ব্ব, মনুষ্য জীৱ আছে সকলো-বিলাক মায়াৰ টোপনিত পৰি আছে। অৰ্থাৎ সকলোকে মায়াই আগুৰি আছে (সেই জীৱৰ ভিতৰত ময়ো এটা, মোকো মায়াই মোহি আছে, তুমি মাত্ৰ চৈতন্য আৰু সনাতন ; হে নাথ, মই মায়াৰদ্বাৰা অচেতন অৱস্থাত পৰি আছোঁ, মোক তুমি তোমাৰ ওচৰলৈ জগাই নিয়া।

দৃষ্টং জনং সম্পতিতং বিলেঽস্মিন্ কালাহিনা ক্ষুদ্রসুখোরুতর্ষে।
সমুদ্ধবৈণং কৃপয়া বর্গবচোভি ৰাসিঞ্চ্য মহানুভাৱঃ॥৬৬০

[ ৬৬০ ]

ক্ষুদ্র সুখে বহু আশা কৰি ভৱকূপে জীৱ আছে পৰি
কাল সৰ্পে দংশি হৰিল চেতন তাৰ ।
মোক্ষৰূপ তযু বাক্যামৃত কৃপায়ে সিঞ্চিয়া প্ৰতিনিত
দয়াময় কৃষ্ণ কৰিয়ো মোক উদ্ধাৰ ॥

কাল সৰ্প—মাৰাত্মক সাপ, বিষাল সাপ।

জীৱে সামান্য গৃহসুখৰ আশা কৰি ভগৱন্তক চিন্তা নকৰাৰ ফলত সংসাৰ বন্ধন এৰাব নোৱাৰি সংসাৰত পুনঃ পুনঃ জন্মি আৰু মৰি ঘূৰি আছে, বিষাল সৰ্পে দংশন কৰি চেতন হেৰুৱাৰ দৰে জীৱক মায়াই আগুৰি থকাত জীৱৰ চৈতন্য উদয় হোৱা নাই। হে কৃষ্ণ, তোমাৰ বাক্যামৃত মোক্ষ স্বৰূপ অৰ্থাৎ তোমাৰ উপদেশ মতে চলিলে মোক্ষ লাভ হয়, ; হে দয়াময় কৃষ্ণ, তুমি মোৰ প্ৰতি কৃপাবৃষ্ট হৈ অমৃত ছটিয়াই অচেতনক সচেতন কৰাৰ দৰে, মোৰ হতুৱাই তোমাৰ বাক্য পালন কৰোৱাই মোক চেতন অৰ্থাৎ উদ্ধাৰ কৰা।

সোঽন্তঃ সৰস্যাৰুবলেনগৃহীত আৰ্ত্তো দৃষ্ট্বা গৰুত্মতি হৰিংখ উপাত্ত চক্ৰং
উৎক্ষিপ্য সাম্বুজকৰং গিৰমাহ কৃষ্ণনাৰায়ণাখিল গুৰো ভগৱন্নমস্তে॥৬৬১

[ ৬৬১ ]

সৰোবৰে গ্ৰাহে ধৰি আছে গজেন্দ্ৰে পীড়াক পায়া পাচে
আকাশে গৰুড় স্কন্ধে চক্ৰে ধৰি হৰি।

দেখি সুবৰ্ণৰ পদ্ম হৰি  বোলে দুঃখে আৰ্ত্তনাদ কৰি
নমো ভগৱন্ত গুৰু লৈয়ো দাস কৰি ॥

গজেন্দ্ৰে সৰোবৰত পানী খাওঁতে যেতিয়া গ্ৰাহে গজেন্দ্ৰক কামোৰ মাৰি ধৰিছিল, গজেন্দ্ৰে গ্ৰাহৰ মুখৰপৰা এৰাব নোৱাৰি শেষত কষ্ট পাই ওপৰলৈ চাওঁতে হৰিয়ে চক্ৰ হাতত লৈ গৰুড়ৰ কান্ধত আকাশত থকা দেখা পালে; হৰিক দেখি বা ভগৱানলৈ তেওঁৰ মনত পৰাত শুঁৰেৰে সুবৰ্ণৰ পদ্ম তুলি "হে ভগৱন্ত, তোমাক নমস্কাৰ কৰোঁ।—মোক সেৱক কৰি লোৱা" বুলি চিঞৰি অতি দুঃখে কৰলৈ ধৰিলে। [গজেন্দ্ৰ উপাখ্যান।] (সেইদৰেময়ো মায়াৰ গ্ৰাহত পৰিছোঁ; হে ভগৱান, যেন ইয়াৰপৰা উদ্ধাৰ কৰি তোমাৰ দাস কৰি লোৱা।)

## অনুতাপ

কৃষ্ণ ত্বদীয় পদ-পঙ্কজপঞ্জৰান্তে অদ্যৈব মে বিশতু মানসৰাজহংসঃ।
প্ৰাণপ্ৰয়াণ-সময়ে কফ-বাত-পিত্তৈঃ কণ্ঠাবৰোধনবিধৌ স্মৰণং কুতস্তে ॥
৬৬২—৬৬৩

[ ৬৬২ ]

মধুৰিপু ৰাম ৰঘুপতি  তুমি ভকতৰ নিজগতি
তোমাৰ চৰণে শৰণ কৰিলো সাৰ।
নমো দেৱ দীন দুঃখহাৰী  দয়াশীল দামোদৰ প্ৰভু
আমি দুঃখিতক চৰণে কৰা উদ্ধাৰ ॥

হে মধু নামৰ দৈত্য বিনাশকাৰী ৰঘুপতি ৰাম, তুমি ভক্তৰ আশ্ৰয়, তোমাৰ চৰণৰ আশ্ৰয়কে মই নিশ্চয় কৰিলোঁ, অৰ্থাৎ একান্ত মনে তোমাৰ চৰণতে মই আশ্ৰয় ললোঁ; হে দুখীয়াৰ দুখ হৰণ কৰোঁতা দয়াশীল দামোদৰ প্ৰভু, তোমাক নমস্কাৰ কৰোঁ, মই এই সংসাৰৰ মায়াত পৰি বৰ দুখ পাইছোঁ, প্ৰভু তোমাৰ চৰণত আশ্ৰয় দি মোক উদ্ধাৰ কৰা।

[ ৬৬৩ ]

হে কৃষ্ণ তযু পাদপদ্ম পঞ্জৰ ভিতৰে মোৰ মন
ৰাজহংস পশি থাকোক প্ৰভু সৰ্ব্বথা।
প্ৰাণ প্ৰয়াণৰ সময়ত কফ বাত পিত্ত আদি যত
কণ্ঠ নিৰোধনে তোমাৰ চৰণ কথা॥

পঞ্জৰ—পিজৰা, বাহা।

প্ৰাণ প্ৰয়াণৰ সময়ত—মৃত্যুকালত।

হে কৃষ্ণ, তোমাৰ চৰণ-পদ্মৰূপ বাহত মোৰ মনৰূপ ৰাজহাঁহ সদায় সোমাই থাকক অৰ্থাৎ বাহত ৰাজহাঁহ থকাৰদৰে মোৰ মন তোমাৰ চৰণ চিন্তাত থাকক। মোৰ শৰীৰৰপৰা জীৱ ওলাই যোৱা সময়ত যেতিয়া কফ, বাত, পিত্ত আদিয়ে মোৰ কণ্ঠৰোধ কৰিব, সেই সময়ত যেন প্ৰভু, তোমাৰ কথা মোৰ মনত পৰে।

মুকুন্দাঙ্ঘ্ৰি দ্বয়স্য সঙ্গমনিশঃ স্বামেৱ সঞ্চিন্তয়ন্
সন্তঃ সন্তি যতো যতো গতমদাস্তানাশ্ৰমানাৱহন্।
নিত্যং তন্মুখপঙ্কজাদ্বিগলিতং তৎপুণ্যগাথামৃত-
স্ৰোতসংপ্লৱঃ সংপ্লুতো নৱহৰে নশ্যাম্যহং দেহভৃৎ॥৬৬৪

[ ৬৬৪ ]

হে কৃষ্ণ পুত্ৰ পত্নী সঙ্গ তেজি তযুপদ চিন্তি নিত্ত
গৰ্ব্বশূন্য সন্তসবৰ আশ্ৰমে যাইবো।
তাসম্বাৰ মুখপদ্ম মাজ হুইবে তযু কথামৃত নদী
তাতে মগ্ন হুয়া দেহাৰ হাত এৰাইবো॥

হে কৃষ্ণ, পুত্ৰ-পত্নী সঙ্গ ত্যাগ কৰি, সদায় তোমাৰ চৰণক চিন্তা কৰি অহঙ্কাৰ শূন্য সাধুসকলৰ আশ্ৰমলৈ যেন মই যাব পাৰো। সেইসকলৰ মুখপদ্মৰপৰা তোমাৰ অমৃতময় কথাৰ নদী বৈ পৰে, মই সেই নদীত ডুব গৈ ( তেওঁসকলে কৰা তোমাৰ কথাৰ ৰস পান কৰি ) যেন দেহাৰ হাত এৰিব পাৰো, অৰ্থাৎ মুক্তিলাভ কৰিব পাৰো ( প্ৰভু মোক সেই কৃপা কৰা। )

## তাৎপৰ্য্য

চতুৰ্ণাং বেদানাং হৃদয়মিদমাকৃষ্য বিধিনা
চতুৰ্ভিৰ্ব্বৰ্ণৈ র্যৎ স্ফুটমঘটি নাৰায়ণপদং।
তদেতদ্ গায়ন্তো বয়মিহ চিদাত্মানমধুনা
পুণীমো জানীমো ন হৰি পৰিতোষায় কিমপি॥৬৬৫

[ ৬৬৫ ]

চাৰিও বেদৰ চাৰি অক্ষৰ সাৰ কাঢ়ি আনি ব্ৰহ্মাদেৱে
বেকত কৰিয়া লৈলা নাৰায়ণ বাণী।

সেহি নাৰায়ণ নাম লৈয়া   শুদ্ধ কৰো আমি চিত্ত কায়া
হৰি সন্তোষৰ কাৰণ আন নাজানি ॥

ঋগ্, যজুঃ, সাম, অথৰ্ব্ব এই চাৰি বেদৰ সাৰ স্বৰূপ চাৰিটা অক্ষৰ ব্ৰহ্মাই আনি "নাৰায়ণ" কথাষাৰ প্ৰকাশ কৰিছে। ভগৱানক সন্তুষ্ট কৰিবলৈ আন একো আমি উপায় নাপাই সেই ( নাৰায়ণ ) কথা একান্ত মনে লৈ দেহ-মন শুদ্ধ কৰোঁ।

একং শাস্ত্ৰং দৈৱকীপুত্ৰগীতমেকো দেৱো দৈৱকীপুত্ৰ এৱ।
কৰ্ম্মোহপ্যেকং তস্য দেৱস্য সেৱা মন্ত্ৰোহপ্যেকো তস্য দেৱস্য নাম ॥৬৬৬

[ ৬৬৬ ]

একেখানি মাত্ৰ নিষ্ঠ শাস্ত্ৰ   দৈৱকীনন্দনে কৈলা যাক
দেৱো একমাত্ৰ দৈৱকী দেৱীৰ সুত।
দৈৱকী পুত্ৰৰ পদ সেৱা   কৰ্ম্মো একো এহিমানে মাত্ৰ
মন্ত্ৰো এক তান নাম মাত্ৰ অদভুত ॥

অদভুত—মাহাত্ম্যযুক্ত।

দৈৱকীনন্দন শ্ৰীকৃষ্ণে যি শাস্ত্ৰ কৈছে সেয়ে একমাত্ৰ সত্য শাস্ত্ৰ; শ্ৰীকৃষ্ণৰূপে দৈৱকীৰ গৰ্ভত ওপজা দৈৱকী পুত্ৰই একমাত্ৰ দেৱতা; দৈৱকী পুত্ৰ শ্ৰীকৃষ্ণৰ পদ সেৱাই একমাত্ৰ কৰ্ম্ম আৰু মন্ত্ৰ ( অন্ত নাই)। এক তেওঁৰ মাহাত্ম্যযুক্ত নাম হে। ( একান্ত মনে নাম জপৰদ্বাৰা সকলো সিদ্ধ হয়। )

ধৌতাত্মা পুৰুষঃ কৃষ্ণপাদমূলং ন মুঞ্চতি।
মুক্তঃ সৰ্ব্বপৰিক্লেশঃ পান্থঃ স্বশৰণং যথা ॥৬৬৭

[ ৬৬৭ ]

কৃষ্ণযশে ধৌত চিত্ত হুয়া সমস্তে ক্লেশক তৰি পুনু
কৃষ্ণ দাসে কৃষ্ণ চৰণ মূল নেৰয় ।
সকলে সম্পূৰ্ণ নিজ গৃহ পথিকসকলে পায়া পুনু
দুঃখ এ ই যেন সিটো গৃহ নছাৰয় ॥

যেনেকৈ হত দূৰৈৰপৰা অহা পথিকে খোৱা-বোৱা আদি সকলো সম্পূৰ্ণ থকা নিজ ঘৰখন পালে দুখ-ভাগৰ পাহৰে আৰু ঘৰ এৰি অন্ত ঠাইলৈ যাব নোখোজে, তেনেকৈ ভগৱৎ ভক্তে ভগৱানৰ গুণ-গানেৰে চিত্ত শুদ্ধ কৰি মায়াৰপৰা জন্মা সকলো দুখৰপৰা এবাৰ উদ্ধাৰ হব পাৰিলেই ( অৰ্থাৎ নিস্পৃহ ভাবে ভক্তি কৰিব পাৰিলেই বা ভক্তিৰস পালেই ) পুনৰ আৰু ভগৱানৰ সেই চৰণ নেৰে।

[এই ঘোষাত জগতৰ মায়াবদ্ধ জীৱক পথিক বুলিছে আৰু ভগৱানৰ আশ্ৰয়ক জীৱৰ অনন্ত সুখপূৰ্ণ ঘৰ বোলা হৈছে । ]

সৰ্ব্বোপনিষদো গাবো দোগ্ধা গোপালনন্দনঃ।
পাৰ্থো বৎসঃ সুধীৰ্ভোক্তা দুগ্ধং গীতামৃতং মহৎ ।৬৬৮

[ ৬৬৮ ]

সকল উপনিষদে ধেনু দোগ্ধা ভৈলা তাৰ নন্দসুত
তাৰ বৎস ভৈল কুন্তীসুত ধনঞ্জয় ॥

দুগ্ধ ভৈল মহা গীতামৃত কৃষ্ণৰ চৰণে দিয়া চিত্ত
সুবুদ্ধি সকলে সন্তোষে পান কৰয় ॥

উপনিষদ শাস্ত্ৰবোৰ গাইৰ দৰে, নন্দসুত শ্ৰীকৃষ্ণ সেই গাইক খীৰোৱা গোৱালৰ স্বৰূপ, কুন্তীসুত ধনঞ্জয় সেই গাইৰ দামুৰিৰ দৰে আৰু তাৰ গাখীৰ অমৃতময় গীতা শাস্ত্ৰখন। উপনিষদ শাস্ত্ৰবোৰ ভগৱৎ তত্ত্বেৰে ভৰা। অৰ্জ্জুনৰ প্ৰশ্নত শ্ৰীকৃষ্ণে সেই উপনিষদবোৰ উদ্ঘাটন কৰি তাৰ তত্ত্ব স্বৰূপ অমৃতময় গীতা শাস্ত্ৰখন কৈছে। বুদ্ধি-মানসকলে ভগৱানত মন ৰাখি পৰম সন্তোষে সেই গীতাৰস পান কৰা। ( গীতা পাঠ কৰি তাৰ তত্ত্ব বুজা। ]

## বস্তু প্ৰকাশ

আদৌ কৃতে যুগে ধৰ্ম্মো নৃণাং হংসইতি স্মৃতিঃ।
কৃতকৃত্যঃ প্ৰজা জাতা তস্মাৎ কৃতযুগঃ স্মৃতঃ ॥৬৬৯

[ ৬৬৯ ]

আদি সত্য যুগে শুদ্ধ ধৰ্ম্ম আছিলেক মাত্ৰ হৰিনাম
দেৱসবে গুপ্ত কৰিলে কৰি কপট।
হেন হৰিনাম ব্যক্ত কৰি সমস্তে লোকক উদ্ধাৰিলা
শ্ৰীমন্ত শঙ্কৰে ভাঙ্গিলা সবাৰো পট ॥

পট—ঢাকনি, আৱৰণ।
পট—ছবি, মূৰ্ত্তি।

সত্য, ত্রেতা, দ্বাপৰ, কলি এই চাৰি যুগ। সত্য যুগ আদি; এই সত্য যুগত হৰিনামেই একমাত্ৰ শুদ্ধ ধৰ্ম্ম আছিল। জীৱে এই ধৰ্ম্ম আচৰণ কৰি মুক্তি লাভ কৰিছিল। পাচত অন্যান্য যুগত দেৱতা-সকলে নানা আৱৰণ দি সেই শুদ্ধধৰ্ম্ম হৰিনাম-কীৰ্ত্তন লুকাই থলে। বৰ্ত্তমানে শ্ৰীমন্ত শঙ্কৰে শাস্ত্ৰাদি মন্থন কৰি দেৱতাসকলে দিয়া নানা দেৱদেৱীৰ পূজাৰ আৱৰণবোৰ ভেদ কৰিলে, অৰ্থাৎ সেই মূৰ্ত্তিবোৰ ৰহিত কৰিলে, আৰু আদিকালৰ সেই শুদ্ধধৰ্ম্ম হৰিনাম প্ৰকাশ কৰি তেওঁলোকে মুক্তি দিলে বা সকলোৰে নিমিত্তে মুক্তিৰ পথ প্ৰকাশ কৰিলে।

## আশ্ৰয়

[ ৬৭০ ]

মহো জানা আমি চাৰি জাতি চাৰিও আশ্ৰমী নোহো আতি
নোহো ধৰ্ম্মশীল দান ব্ৰত তীৰ্থগামী।
।কন্তু পূৰ্ণানন্দ সমুদ্ৰৰ গোপীভৰ্ত্তা পদকমলৰ
দাসৰ দাসৰ তান দাস ভৈলো আমি॥

চাৰি আশ্ৰম—ব্ৰহ্মচৰ্য্য, গাৰ্হস্থ্য, বানপ্ৰস্থ, যতি।

ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ চাৰি জাতিৰ ভিতৰত কোনো জাতি বুলি মই গৌৰব বোধ নকৰোঁ। ব্ৰহ্মচৰ্য্য, গাৰ্হস্থ্য আদি চাৰি আশ্ৰমৰ কোনো আশ্ৰমৰ ধৰ্ম্ম পালনো নকৰো বা সেইবোৰ সম্বন্ধে একো নাভাবোঁ; দান কৰা, ব্ৰত আচৰণ কৰা, তীৰ্থ পৰ্য্যটন কৰা ধৰ্ম্মপৰা-য়ণো মই নহওঁ, কিন্তু ভৰপূৰ আনন্দ সাগৰ স্বৰূপ একান্ত ভক্ত গোপী-

সকলৰ স্বামীৰ অৰ্থাৎ শ্ৰীকৃষ্ণৰ যি সেৱক, সেই সেৱকৰ সেৱকহে মই হলোঁ অৰ্থাৎ মই একো নিবিচাৰোঁ ; কেৱল মোক ভগৱন্তক ভক্তৰ পদ-সেৱাহে লাগে—সেয়ে মোৰ জাতি, আশ্ৰয়, ব্ৰত আৰু ধৰ্ম।

## প্ৰশংসা

শ্লোকঃ স ধন্যঃ স শুচিঃ স বিদ্বান্
মখৈস্তপোভিঃ স গুণৈৰ্ব্বৰিষ্ঠঃ।
জ্ঞাতা স দাতা স তু সত্য বক্তা
যস্যাস্তি ভক্তিঃ পুৰুষোত্তমাখ্যে॥

[ ৬৭১ ]

সেহি ধন্যলোক শুচিমন্ত সৰ্ব্বগুণে শ্ৰেষ্ঠ বিদ্যাৱন্ত
যজ্ঞে তপে আতি সি সি জন শুদ্ধমতি।
সে সি জন মহাদাতা জ্ঞানী সি সি সত্যবাদী মহামানী
পুৰুষোত্তমত আছয় যাৰ ভকতি॥

মহামানী—শ্ৰেষ্ঠজন।

যি মানুহৰ ভগৱানত অচলা ভক্তি আছে, তেৱেঁই ধন্য অৰ্থাৎ তেওঁৰ মানৱজন্ম ধৰাই সাৰ্থক হৈছে। তেওঁ শুচিও। ভক্তৰ অন্তৰত অজ্ঞানতা নাথাকে, গতিকে তেওঁ সৰ্ব্বগুণত শ্ৰেষ্ঠ বিদ্যাৱন্ত লোকৰ দৰে। যাগ যজ্ঞ কৰিলে আৰু তপ কৰিলে মানুহৰ হৃদয় শুদ্ধ হয়; ভক্তৰ হৃদয় শুদ্ধ, গতিকে যজ্ঞ, তপত তেওঁ শুদ্ধমতিৰ দৰে; দাতা, জ্ঞানী,

সত্যবাদীলোক, মহামানী, ভক্ত দুখীয়া হলেও কাকো একো দান কৰিব নোৱাৰিলেও আৰু বিষয় বুদ্ধি নাথাকিলেও তেওঁ ব্ৰহ্মক জনাৰ কাৰণে শ্ৰেষ্ঠজন হৈ উঠে।

## কীৰ্ত্তন প্ৰশংসা

যস্যাং দিশি মহাভক্তাঃ শ্ৰীমৎকমললোচনং।
কীৰ্ত্তয়ন্তি নমস্কৃত্য তাং দিশং স্বয়মচ্যুত॥

[ ৬৭২ ]

যি দিশত মহা ভক্তসবে শ্ৰীমন্ত কমললোচনক
পৰম সন্তোষে কীৰ্ত্তন যিটো কৰয়।
সিদিশক নমস্কাৰ কৰি দুৰ্ঘোৰ-সংসাৰ সুখে তৰি
আপুনি অচ্যুত স্বৰূপ সিটো হোৱয়॥

শ্ৰীমন্ত কমল-লোচনক—সকলো গুণযুক্ত পৰম সুন্দৰ ভগৱানৰ নামক। যিটো—যি ( কীৰ্ত্তনৰ বিশেষণ )।

যিফালে মহা সাধুসকলে পৰম সুন্দৰ ভগৱানৰ নাম পৰম সন্তোষে কীৰ্ত্তন কৰে, যিলোকে সেই কীৰ্ত্তনক উদ্দেশ্য কৰি সেইফালে নমস্কাৰ কৰে [ অৰ্থাৎ হৰি কীৰ্ত্তন ধ্বনি শুনোতে যাৰ নামত প্ৰেম ওপজে, ( বহুত দিন একান্তমনে নাম লোৱাতহে এই অৱস্থা ঘটে )। সেই লোকে মায়াময় কষ্টসাধ্য সংসাৰৰপৰা উদ্ধাৰ হৈ নিজে ভগৱানৰ স্বৰূপ হয় অৰ্থাৎ হৰিনাম শুনিলে প্ৰেম ওপজা লোক জীৱন্মুক্ত আৰু সোঽহং ভাবৰ ( নিজে ঈশ্বৰবোধ হোৱা হয় )।

ৰমানন্দ পদদ্বন্দ্ব মকৰন্দ মধুব্ৰতাঃ।
যস্যাং দিশি বিৰাজন্তে সা গঙ্গা শতশঃ প্ৰভা ॥ ৬৭৩

[ ৬৭৩ ]

ৰমানন্দ পদ যুগলৰ মকৰন্দ মধুব্ৰত প্ৰায়
ভকতসকল যি দিশত প্ৰকাশয়।
সিদিশ জানিবা গঙ্গাদেৱী অনেক প্ৰবাহৰূপে আতি
পৰম নিৰ্ম্মল স্বৰূপে শোভা কৰয় ॥

ৰমানন্দ—[ৰমা—লক্ষ্মী+আনন্দ] বিষ্ণু।
মকৰন্দ—ফুলৰ মধু ফুলৰ ৰেণু। ইয়াত—মধুলোভী।
মধুব্ৰত—ভোমোৰা।

বিষ্ণু চৰণৰ ভক্তসকল মধুলোভী ভোমোৰাৰদৰে পৃথিবীৰ যি ঠাইত থাকে, সেই ঠাই পবিত্ৰ সলিলা গঙ্গাদেৱীয়ে কেইবা সোঁত হৈ হৈ পৰম পবিত্ৰ জল স্বৰূপে শোভা কৰে; অৰ্থাৎ মধুলোভী ভোমোৰা ফুলত পৰি থকাৰদৰে, ভগৱানৰ পদসেৱা ৰসত মুগ্ধ ভকতসকল কৃষ্ণ ধ্যানতে মগ্ন থাকে। এনে ভক্ত পৃথিবীৰ যি ঠাইত থাকে, সেই ঠাই গঙ্গাৰ পবিত্ৰ জলে শুদ্ধ কৰাৰদৰে পৰিশুদ্ধ হৈ উঠে।

কীৰ্ত্তনং জায়তে যত্ৰ ভূভাগে শ্ৰীমধুদ্বিষঃ।
তদ্ধূলীধাৰয়ন্ মূৰ্দ্ধা সাক্ষাৎ শ্ৰীকৃষ্ণবল্লভঃ ॥৬৭৪

[ ৬৭৪ ]

শ্ৰীমধুদ্বিষ ঈশ্বৰৰ কীৰ্ত্তন মঙ্গল নিৰন্তৰ
সিটো ভূমিভাগে শুদ্ধৰূপে হোৱে জাত।

তাৰ ধূলি যিটো শিৰে ধৰে নিশ্চয়ে জানিবা সিটো নৰে
কৃষ্ণৰ পৰম বল্লভ হোৱে সাক্ষাত ॥

মধুৰিষ—মধুসূদন।

যি ঠাইত মধুসূদন হৰিৰ মঙ্গলময় নাম-কীৰ্ত্তন অকপট ভাৱে হয়, যি লোকে পৰম ভক্তিভাৱে সেই ঠাইৰ ধূলি মূৰত লয়, সেই লোক নিশ্চয় জানিবা সাক্ষাতে ভগৱানৰ পৰম প্ৰিয়পাত্ৰ হয়; অৰ্থাৎ ভগৱানৰ কীৰ্ত্তন হোৱা ঠাইলৈ গলে মানুহৰ ভগৱানলৈ ভক্তি জন্মে আৰু তাৰ সাধুসকলৰ লগত একান্তমনে হৰিকীৰ্ত্তন কৰিবলৈ প্ৰবৃত্তি জন্মে, তাৰ ফলত তেওঁ ভগৱানৰ প্ৰিয়পাত্ৰ হৈ উঠে।

পানেন তে দেব কথা সুধায়াঃ প্ৰবৃদ্ধ ভক্ত্যা বিশদাশয়া যে।
বৈৰাগ্যসাৰং প্ৰতিলভ্য বোধং যথাঞ্জসা চক্ষুৰকুণ্ঠদৃষ্টং ॥৬৭৫

[ ৬৭৫ ]

হে দেৱ মহেশ্বৰ হৰি তযু কথামৃত পান কৰি
বঢ়ায়া ভকতি মনক শুদ্ধ কৰয়।
বৈৰাগ্যেসে সাৰ ভৈল যাৰ হেনয় বোধক লভি সুখে
পৰম নিৰ্ম্মল বৈকুণ্ঠ গৈয়া পাৱয় ॥

হে সৰ্ব্বদেৱ শ্ৰেষ্ঠ ভগৱান, যিজনে তোমাৰ নাম-গুণ কীৰ্ত্তনৰূপ অমৃত পান কৰি অৰ্থাৎ একান্তমনে তোমাৰ নাম-কীৰ্ত্তন কৰি ৰস পাই তোমাৰ প্ৰতি বেচি ভক্তিমান হয়, আৰু তাৰ ফলত নিজৰ মনৰ কলুষ দূৰ কৰি শুদ্ধ হয়, আৰু যাৰ বৈৰাগ্যই সাৰ হয় অৰ্থাৎ বিষয়

বাসনা যাৰ অন্তৰৰপৰা নাইকিয়া হয় [ ভগবানে যেনে অৱস্থাতে ৰাখে তাতে সন্তুষ্ট থাকা হয় সেই লোক মৃত্যুৰ পাচত বৈকুণ্ঠ পায় অৰ্থাৎ ভগবান থাকা পুৰীতে গৈ বাস কৰিবলৈ পায়।

[ ৬৭৬ ]

মহন্তসবৰ সঙ্গ লৈয়া হৰিত একান্ত চিত্ত দিয়া
পৰম আনন্দে গায়ো হৰি গুণ নাম।
সহজে কৃপালু দেৱ হৰি লৈবা আপোনাৰ দাস কৰি
হৰিদাস হৈলে হৈবা ভাই পূৰ্ণকাম ॥

ভক্তসকলৰ লগ লৈ ভগবানত একান্ত মন ৰাখি পৰম আনন্দে ভগবানৰ নাম গুণ কীৰ্ত্তন কৰা; ইয়াকে কৰিলে অদপতে কৃপালু হোৱা ভগবানে তেওঁৰ সেৱক কৰি লব অৰ্থাৎ তেওঁৰ অনুগ্ৰহত তুমি তেওঁৰ চৰণত মন ৰাখিব পাৰিবা, আৰু তেতিয়া ( হৰিৰ সেৱক হলে ) তোমাৰ মনৰ কামনা পূৰ্ণ হব অৰ্থাৎ মুক্তিলাভ কৰিব পাৰিবা।

## নামাত্ৰয়

[ ৬৭৭ ]

কৃষ্ণ নিগদতি অৰ্জ্জুনত দেহাদিক আমি অতিক্ৰমি
হৈয়া আছো শুদ্ধ ব্ৰহ্মতো কৰি উত্তম।
এতেকেসে জানা ইটো লোকে বেদতো প্ৰখ্যাত হুয়া আছে
মোৰ নাম ইটো প্ৰসিদ্ধ পুৰুষোত্তম ॥

অতিক্ৰমি—জয় কৰি।

শ্ৰীকৃষ্ণে অৰ্জ্জুনত কৈছে—মই দেহাদিক ( মন, সুখ, দুখ, মায়া, ষড়রিপু আদিক ] জয় কৰি ব্ৰহ্মাতকৈ উত্তম হৈছোঁ, সেই কাৰণে মই এই লোকসমাজত আৰু বেদত পুৰুষোত্তম নামে খ্যাত হৈছোঁ অৰ্থাৎ সকলোৱে মোক পুৰুষোত্তম বোলে। শ্ৰীকৃষ্ণে নিজে নিজক ঈশ্বৰ বুলি প্ৰকাশ কৰিছিল।

## উপদেশ—গুৰু মাহাত্ম্য

[ ৬৭৮ ]

যিটো মহামতি গুৰুজনে হৰিভক্তি পথ উপদেশ
দিয়া দুঃখময় সংসাৰক পাৰ কৰে।
হেনয় পৰম গুৰু ঋণ সুজিবাক প্ৰতি জানা নিজে
অন্যত্ৰ উপায় নাহি অঞ্জলিত পৰে॥

যি সদাশয় গুৰুৱে ভগৱানক ভক্তি কৰাৰ নিয়মৰ বিষয়ে নানা উপদেশ ( জ্ঞান) দি জীৱক দুঃখপূৰ্ণ সংসাৰৰপৰা পাৰ কৰে অৰ্থাৎ মুক্তি দিয়ে, তেনে পৰম উপকাৰী গুৰুক কৰপুটে অতি ভক্তিভাৱে সেৱা কৰি ধাৰ সুজিবলৈ চেষ্টা নকৰিলে, ধাৰ সুজাৰ আৰু আন উপায় নাই।

[ ৬৭৯ ]

হৰি ভক্তি দাতা গুৰু ঋণ সুজিবাক যিটো অহঙ্কাৰী
অনেক যতনে মনত আলচে মাত্ৰ।

ঋণ সুজিবাক নপাৰয় জানিবাহা সিটো দুৰাশয়
উপলা সদৃশ বিনোদৰ ভৈলা পাত্ৰ ॥

উপলা—শিল, প্ৰস্তৰ।

বিনোদ—আমোদ, খেলা।

বিনোদৰ পাত্ৰ—হাঁহিয়াতৰ পাত্ৰ, খেলৰ বিষয়ভূত।

যি অভিমানী শিষ্যে, হৰিভক্তি পথ দেখাওঁতা গুৰুৰ ধাৰ সুজিবলৈ বহুত পুৰুষাৰ্থ কৰি (অৰ্থাৎ ধন, সোণ আদি দি) বহুত কথা মনত আলোচনা কৰে, সেই লোকৰ সেই ভাৱটো দুষ্টবুদ্ধিৰ পৰাহে হোৱা বুলিব পাৰি; কাৰণ তেওঁ কেতিয়াও হাজাৰ পুৰুষাৰ্থ কৰিও গুৰুৰ ধাৰ সুজিব নোৱাৰে, তেওঁ শেষত খেমালি কৰা শিলগুটিৰ দৰে খেমালিৰ বস্তু বা হাঁহিয়াতৰহে পাত্ৰ হয়।

[ ৬৮০ ]

হৰি যেন ইটো কৃপাময় ভক্ত গুৰুজনো সেহি নয়
দুয়োজন এক শৰীৰত মাত্ৰ ভিন্ন।
কৃপাৰসে তুষ্ট হুয়া চিত্ত লোকৰ হিতক চিন্তি নিত
নিজ গুণে তুষ্ট দুয়ো অহঙ্কাৰে হীন ॥

হৰিৰ দৰে ভক্তগুৰুও কৃপাময়; সেয়ে ভগৱান আৰু ভক্তি-পথ দেখাওঁতা ভক্তগুৰু দুয়ো এক বস্তু, কেৱল আকাৰতহে বেলেগ। এই গুৰু কৃপা-ৰসতে তুষ্ট চিত্ত হৈ (অৰ্থাৎ ভক্তগুৰুৰ কৃপা বৈ পৰা, তেওঁ নিজে নিজে সকলোৰে প্ৰতি সন্তুষ্ট হৈ সদায় জীৱৰ মঙ্গল চিন্তা কৰি থাকে। ভগৱান আৰু ভক্তগুৰু দুয়ো নিজে নিজে সন্তুষ্ট হয় আৰু দুয়োৰো গাত অহঙ্কাৰ নাই।

## খেদ

নাম্নামকাৰি বহুধা নিজসৰ্ব্বশক্তি-
  স্তত্ৰাৰ্পিতানবিহিতঃ স্মৰণেহপি কালঃ।
এতাদৃশী তব কৃপা ভগৱন্মমৈব
  দুৰ্দ্দৈৱমীদৃশমিহজনি নানুৰাগঃ॥৬৮১

[ ৬৮১ ]

আপোন নামক বহুতৰ কৰি নিজ সৰ্ব্ব শক্তি দিয়া
  কালৰ নিয়ম নিবিহিলা স্মৰণত।
এতাদৃশী তব কৃপা হৰি মোহোৰ দুৰ্দ্দৈৱ দেখা কিনো
  অনুৰাগ প্ৰভু নভৈলা তযু নামত॥

বহুতৰ—নানা, শত সহস্ৰ।

কালৰ নিয়ম নিবিহিলা স্মৰণত—একান্তমনে নাম স্মৰণ কৰিলে কালৰ বা মৃত্যুৰ হাতত পৰিব লগা নিয়ম নকৰিলা।

হে প্ৰভু, তুমি তোমাৰ নিজ নাম বহুত কৰি (ৰাম, কৃষ্ণ, গোপাল, হৰি আদি) সেই নামক তোমাৰ সৰ্ব্বশক্তি দি [তোমাৰ যিবোৰ শক্তি আছে, তোমাৰ নামবোৰত সেইবোৰ শক্তি ৰাখি] নাম স্মৰণত কালৰ নিয়ম নিবিহিলা অৰ্থাৎ যেয়ে তোমাৰ সৰ্ব্বশক্তি থকা নাম একান্তমনে লয়, সেয়ে কালৰ হাত বা মৃত্যুৰ হাত এৰাব পৰা কৰিলা; হে সৰ্ব্বদুখ হৰণ কৰোঁতা হৰি তোমাৰ কৃপা এনে; কিন্তু প্ৰভু, মোৰ দুৰ্ভাগ্য কেনে চোৱাচোন—তোমাৰ তেনে সদায় লব পৰা নামতো মোৰ অনুৰাগ নহল অৰ্থাৎ তোমাৰ মায়াৰ হাত সাৰিব পৰা শক্তিসম্পন্ন নামকো ভাল পাই মই নামলোৱা অভ্যাস কৰিব নোৱাৰিলোঁ।

ন বঞ্চিতো বতাত্মক্রক্ পুণ্যেন মহতা ভুবি।
লব্ধাপবর্গং মানুষ্যং বিষয়েষ বিসর্জ্জতে ॥৬৮২

[ ৬৮২ ]

কত মহা দুঃখে পুণ্য কৰি অপবৰ্গ যোগ্য নৰতনু
পায়া পৃথিবীত বিষয়ত মজি ৰৈল।
ইটো খেদ হৰিসেৱা তেজি আপোনাক আত্মঘাত কৰি
সিটো মহাপাপী আপুনি বঞ্চিত ভৈল ॥

অপবৰ্গ—মুক্তি, সংসাৰ-বন্ধমোচন, জীৱাত্মা পৰমাত্মাৰ মিলন, ফলসিদ্ধি।

জীৱে কত জন্মত নানা কষ্ট কৰি পুণ্য সঞ্চয় কৰি মুক্তিলাভ কৰিব পাৰা এই নৰতনু পালে; (অন্যান্য জন্মত জীৱৰ বুদ্ধি বিবেচনা শক্তি কম থকাত ভগৱানক ভক্তি কৰিব নোৱাৰে; মানৱ জন্মত ভগৱানক ভাবিব পৰা শক্তি পায় (জীৱে বহুত জন্মৰ সুকৃত কৰ্ম্মফল স্বৰূপ এনে নৰতনু পালে ], কিন্তু হে হৰি, এইটো বৰ বেজাৰৰ কথা যে, এনে নৰতনু পায়ো জীৱে ভগৱানক সেৱা নকৰি ভাৰ্য্যা, পুত্ৰ, ধন আদি বিষয়ত মোহ গৈ এই পৃথিবীত ৰল অৰ্থাৎ মুক্তিলাভ কৰিব নোৱাৰিলে; সেইলোক মহাপাপী, তেওঁ নিজে নিজৰ অনিষ্ট কৰি মুক্তি-সুখৰপৰা বঞ্চিত হল।

## ভাগৱত প্ৰশংসা

ৰাজন্তে তাবদন্যানি পুৰাণানি সতাংগণে।
যাবদ্ভাগৱতং নৈব শ্ৰূয়তেঽমৃতসাগৰং ॥৬৮৩

[ ৬৮৩ ]

ভাৰত পুৰাণ আদি যত প্ৰকাশ কৰয় নানামত
যত মহাজনসবৰ সভা মধ্যত।
পৰম আনন্দ ৰসময় কোটি সূৰ্য্যসম প্ৰকাশয়
মহা ভাগৱত নোহন্ত যেৱে বেকত ॥

কোটি সূৰ্য্যসম প্ৰকাশয় — কোটি সূৰ্য্যসম প্ৰকাশ পোৱা।

পণ্ডিতসকলে সাধুসকলৰ সমাজত মহাভাৰত, পুৰাণ আদি নানা ভাৱে ব্যাখ্যা কৰি সকলোৰে মনত তেতিয়ালৈ আনন্দ দিয়ে, যেতিয়ালৈ পৰম আনন্দদায়ক ৰসযুক্ত কোটি সূৰ্য্যৰদৰে প্ৰকাশ কৰা মহাভাগৱত শাস্ত্ৰ ব্যাখ্যা কৰা নহয় অৰ্থাৎ কোটি সূৰ্য্যৰদৰে জিলিকা পৰম আনন্দদায়ক ভগৱানৰ ভক্তিৰসে ভৰা মহাভাগৱতৰ আগত মহাভাৰত অন্যান্য পুৰাণ আদি একো নহয়, মহাভাগৱত পুৰাণহে সকলো ভক্তি গ্ৰন্থৰ ভিতৰত শ্ৰেষ্ঠ।

## পৰম পুৰুষাৰ্থ

[ ৬৮৪ ]

একান্তিনো যস্য ন কিঞ্চনাৰ্থং
বাঞ্ছন্তি যে বৈ ভগৱৎ প্ৰপন্নাঃ।
অত্যদ্ভুতং তচ্চৰিতং সুমঙ্গলং
গায়ন্তি আনন্দ সমুদ্ৰমগ্নাঃ ॥৬৮৩

একান্ত ভকত যাৰা হয় কিছু অৰ্থ তাৰা নবাঞ্ছয়
মহা অদভুত হৰিগুণ নামময় ।
পৰম মঙ্গল কৃষ্ণ যশ যাতপৰে আন নাহি ৰস
পৰম আনন্দ সমুদ্ৰে মজি ৰহয় ॥

অদভুত — মাহাত্ম্যপূৰ্ণ ।
হৰিগুণ নামময় — হৰিগুণ নামযুক্ত ।

হৰিনাম এনে মাহাত্ম্যপূৰ্ণ যে যিসকল একান্ত ভক্ত, সেইসকলে মাহাত্ম্যপূৰ্ণ হৰিনামতে একান্ত আসক্ত থাকে ; অন্য ধন, ঐশ্বৰ্য্য একো ভগৱানৰ ওচৰত কামনা নকৰে, অৰ্থাৎ তেওঁলোকে নিষ্কাম ভাৱে কেৱল ভগৱানৰ নামকে লৈ থাকে । ভগৱানৰ গুণ কীৰ্ত্তন পৰম মঙ্গলময় আৰু একান্তমনে নাম কীৰ্ত্তন কৰিলে যি ৰস ওপজে, সেই ৰসৰ লগত একোৰে তুলনা নহয় ; সাধুসকলে ভগৱানৰ নাম লৈ সদায় পৰম আনন্দ সাগৰত ডুব গৈ থাকে ।

## ঘোষা ছন্দ

### শৰণ

(৬৮৫)

যাদৱ যদুনন্দন মাধৱ মধুসূদন ।
তুমি নিত্য নিৰঞ্জন নাৰায়ণ তোমাত লৈলো শৰণ ॥
ইবাৰ কৰুণাময় হৰি কমলাপতি
মোৰে নছাৰিবা নাৰায়ণ ।

অৰুণ চৰণ তলে হৰি কমলাপতি

সত্যে সত্যে পশিলো শৰণ ॥ ৬৮৬

ইবাৰ—অন্ত জন্মত।

তোমাক একান্তমনে ভক্তি মুক্তি লাভ কৰিব নোৱাৰিলোঁ; ইবাৰ—(এই জন্মত) প্ৰভু সত্যে সত্যে তোমাৰ আশ্ৰয় লৈছোঁ, মোক ত্যাগ নকৰিবা অৰ্থাৎ সেৱক কৰি লবা।

[ ৬৮৭ ]

হৰি চৰণত শৰণ লৈলো এ হৰি নাৰায়ণ ॥

মানৱী জনম সম্ফল কৈলো এ হৰি নাৰায়ণ ॥

মানৱী জনম সম্ফল কৈলো—মানৱ জন্ম হৰিক ভজিৱ পাৰি দেখি মানৱ জন্মতো হৰিক ভজিবলৈহে পোৱা বুলিব পাৰি; হৰিক ভজিলে সেই কাৰণে মানৱ জন্ম সফল হয়।

গোপাল গোবিন্দ যদুনন্দন।

কৃষ্ণৰ চৰণে লৈলো শৰণ ॥ ৬৮৮

ৰাঘৱৰ অভয় চৰণে।

সত্যে সত্যে পশিলো শৰণে ॥ ৬৮৯

অভয় চৰণ—ভগৱানত আশ্ৰয় ললে সংসাৰ ভয় গুচে, সেই কাৰণে অভয় চৰণ বোলে

ৰামৰ চৰণে শৰণ লৈলো।

মানৱী জনম সম্ফল কৈলো ॥ ৬৯০

হৰি ও হৰি চৰণে লাগো।
অভয় চৰণে শৰণ মাগো ॥ ৬৯১
ৰাম ৰঘুপতি ৰঘুনন্দন।
তোমাৰ চৰণে লৈলো শৰণ ॥ ৬৯২

ভজন

গোপীনাথ গোবিন্দ ৰাম কৃষ্ণ হৰি।
ভজোহো তোমাৰ পদ কমলত ধৰি ॥ ৬৯৩
ভজো গোবিন্দ তোমাৰ পায়।
মোক নছাৰিবা সেৱক দায় ॥ ৬৯৪

দায় — সম্পত্তি। সেৱকদায়— সেৱকৰূপ সম্পত্তি। ( দায়— দায়ক, গৰাকী ) সেৱকৰ স্বামী। মই তোমাৰ সেৱকৰূপ সম্পত্তি, তুমি মোৰ গৰাকী; মোক নছাৰিবা।

ৰাম কৃষ্ণ গোপীনাথ গোবিন্দ।
সেৱোহো তযু পদ অৰবিন্দ ॥ ৬৯৫
প্ৰণতপালক দেৱ গোবিন্দ।
ভজোহো তযু পদ অৰবিন্দ ॥ ৬৯৬

প্ৰণতপালক—সেৱকক ৰক্ষা কৰোঁতা।

মোৰ প্ৰভু নাৰায়ণ এ
হৰি হৰি তোমাৰ চৰণ মনে ভজো ॥
তোমাক নভাজ ভৱ সিন্ধু মাজে মাজো ॥৬৯৭

ভৱসিন্ধু মাজে মজো—সংসাৰ সাগৰত ডুব যাওঁ, বিষয়ত পোত যাওঁ।

ভুৱন মোহন ৰাম ভজিলো তোমাৰ পাৱ।
মহা মহা পাপী যাৰ নাম জপি উত্তম পদক পায় ॥ ৬৯৮

ৰাম কৃষ্ণ নাৰায়ণ নিৰঞ্জন নিৰাকাৰ
নিৰ্ব্বিকাৰ নিৰাময় হৰি।
চিদানন্দ সদানন্দ পুৰুষ পৰমানন্দ
ভজো তুৱা চৰণত ধৰি।
হৰি ৰাম বিভু প্ৰভু অনন্ত দৈত্যাৰি ॥ ৬৯৯

নিৰ্ব্বিকাৰ—স্বভাৱৰ সলনি নহয়, সদায় একে ভাৱে যি থাকে।
নিৰাময়—নিঃ+আময় (ৰোগ) নীৰোগ; ৰোগ নোহোৱা; তিনি তাপে পীড়িব নোৱাৰা।
চিদানন্দ—চিৎ (জ্ঞান) স্বৰূপ আৰু আনন্দ।
বিভু—ঈশ্বৰ।
দৈত্যাৰি—নানা অৱতাৰ ধৰি দৈত্য দমন কৰোঁতা।

## নমস্কাৰ

দীনবন্ধু ৰাম দয়াশীল দেৱ।
তুৱা পদ কমল সদায় কৰো সেৱ ॥৭০০
মোৰ প্ৰভু ৰাম কৰুণা সাগৰ।
আমি দুঃখিতক নছাৰিবা দামোদৰ ॥৭০১

মধুৰিপু ৰাম কমললোচন।
তুৱা গুণ নাম ভৱ ভয় বিমোচন ॥ ৭০২

মধুৰিপু—মধুদৈত্য বিনাশকাৰী
ভৱ-ভয়—সংসাৰ ভয়, জন্ম-মৃত্যু ভয়।

বন্দো মাধৱ মধুৰিপু ৰাম।
তুৱা পদ কমল পদ যুগল হৰিএ ॥৭০৪

## উপদেশ

পিয়ু পিয়ু পিয়ু অমিয়া মাধুৰী হৰি নাম ৰাম ৰাম।
দূৰতে তেজিয়া থৈয়ো আন যত কাম ৰাম ৰাম ॥৭০৪

অমিয়া—অমৃতোপম। পিয়ু—পান কৰা।
মাধুৰী—মধুৰতা, শোভা।

ৰাম কৃষ্ণ ৰাম কৃষ্ণ বোলা ভাই এ
সকল নিগমে ওহি সাৰ।
সুমৰিতে হৰি বশ্য হোৱে ভাই এ
সুখে পায় ভৱ নদী পাৰ ॥৭০৫

ওহি—এই (হৰিনাম

সুখে পায় ভৱ নদী পাৰ—অনায়াসে সংসাৰৰূপ নদীৰ পাৰ পায়; অৰ্থাৎ সংসাৰৰপৰা উদ্ধাৰ হব পাৰে।

ভাল উপায় পাইলো ভাই এ
ৰাম নাম নিগম ৰহস্য ।
একচিত্ত মনে ভাব ভাই এ
যাৰে নাম তাকে কৰা বশ্য ॥৭০৬

নিগম ৰহস্য—নিগমৰ গুপ্ত মন্ত্ৰ।

যাৰে নাম তাকে কৰা বশ্য—ভগৱানৰ নামৰ মহিমা এনে, যে নাম একান্তমনে ললে সেই নামে ভগৱানক নাম লওঁতাৰ অধীন কৰে অৰ্থাৎ ঈশ্বৰৰ নাম একমনে ললে ভগৱান সন্তুষ্ট হয় আৰু তেওঁ ভক্তৰ হিয়াত দেখা দিয়ে।

ৰাম কৃষ্ণ হৰি বুলিয়ো মুখে ।
হৰিপদে মন মজায়ো সুখে ॥৭০৭
ৰাম বুলি ফুৰা বাহু আছাৰি ।
কপটৰ মোট পেলোৱা ফাৰি ॥৭০৮

মন মজায়ো সুখে—পৰম আনন্দে মন মগ্ন কৰা।

মন মুকলি কৰি হৰি নাম লোৱা ; আৰু কপটৰ ঢাকোন অৰ্থাৎ মনৰ কপটভাব ত্যাগকৰা ( একান্তমনে হৰিনাম লৈ নিৰ্ভয়ে সংসাৰত ফুৰা )।

ভজ ভগৱন্ত ভকতি ভাৱে ।
নাম লৈয়া গতি পতিতো পাৱে ॥৭০৯

মহাপাপীও হৰিনাম লৈ মুক্তিলাভ কৰে, এতেকে ভক্তি ভাৱে ভগৱানক ভাৱা।

ৰাম নাম খানি ফুৰিয়ো গায়া।
কি কৰিবেক তাক হৰিৰ মায়া ॥৭১০
ৰাম নাম খানি লৈয়োক ডাটি।
হেলায়ে মাৰিয়ো যমৰ ঘাটি ॥৭১১

ঘাটি—থান।

ৰাম নাম একান্ত মনে ল'লে ভগবানৰ সৃষ্ট মায়াই আগুৰি ৰাখিব নোৱাৰে, মায়াৰ বান্ধোন ছিণ্ডি যায়। ৰাম নাম-দৃঢ়ভাৱে উচ্চাৰণ কৰা, ইয়াকে কৰি অতি সহজে যমক পৰাজয় কৰিব পাৰিবা অৰ্থাৎ মৃত্যু তৰিব পাৰিবা বা মুক্তি পাবা।

মুখে ৰাম নাম গা'ৱ।
মায়াৰ বাঝু মাৰিয়া যাৱ ॥৭১২

বাঝু—গ্ৰাস, বন্ধন।

একান্তমনে ৰাম নাম লোৱা, আৰু ইয়াকে কৰি মায়াৰ গৰাহৰ পৰা বা বান্ধোনৰ পৰা মুক্ত হৈ মুক্তিলাভ কৰা।

ৰাম কৃষ্ণ নাম জপ সঘনে।
হৰিৰ চৰণ নেৰিবা মনে ॥৭১৩
ৰাম কৃষ্ণ ৰাম কৃষ্ণ বোলা।
আশা সমুদ্ৰৰ মন তোলা ॥৭১৪

আশা সমুদ্ৰৰ মন তোলা—সংসাৰৰ আশাৰূপ সাগৰৰ পৰা মনক

অৰ্থাৎ বিষয়ত লিপ্ত হোৱা মনক উদ্ধাৰ কৰা—মনক বিষয় ভাবৰ-পৰা আনা।

ৰাম কৃষ্ণ হৰি বুলিয়ো ঝাণ্টে।
মিলিবে মৰণ হাটে কি বাটে ॥৭১৫

ঝাণ্টে—শীঘ্ৰে।

কেতিয়া মৰণ মিলে ঠিক নাই, বেগেতে ভগৱানৰ ৰাম কৃষ্ণ নাম লোৱা।

## মহিমা

হৰিত শৰণ লৈয়া যিটোজন এ
হৰিৰ চৰিত্ৰ শ্ৰৱণ কীৰ্ত্তন কৰে।
দুৰ্ঘোৰ অপাৰ সংসাৰ সাগৰ এ,
সিটো মহাজনে আতি অপ্ৰয়াসে তৰে ॥৭১৬

অপ্ৰয়াসে তৰে—বিনাকষ্টে, অতি সহজে পাৰ হয় বা উদ্ধাৰ হয় নাইবা জন্ম-মৃত্যুৰ হাত সাৰে।

ৰাম কৃষ্ণ ৰাম কৃষ্ণ বোলা ভাই এ,
পৰম যতনে তেজিয়া যত অন্যায়।
তোমাক মই ভাণ্ডো, তুমি মোক ভাণ্ডা এ,
চৈধ্যয় সাক্ষীক ভাণ্ডিবা কোন উপায় ॥৭১৭

তেজিয়া যত অন্যায়—বিষয় বাসনা এৰি।

তোমাক মই ভাণ্ডো, তুমি মোক ভাণ্ডা—মই তোমাক ঠগো, তুমি মোক ঠগা বা ফাঁকি দিয়া।

চৈধ্য সাক্ষী—ইন্দ্ৰ, চন্দ্ৰ, সূৰ্য্য, ধৰ্ম্ম আদি।

ভাৰতবৰিষ ধন্য কলিযুগ
হৰি হৰি হৰি হৰি এ,
হৰি হৰি হৰি ব্ৰহ্মাৰ প্ৰাৰ্থনী নৰতনু অনুপাম।
হৰিত একান্তে শৰণ পশিয়ো হৰি হৰি হৰি হৰি এ,
হৰি হৰি হৰি ধৰ্ম্ম শৰোমণি
ঘুষিয়ো হৰিৰ নাম ॥৭১৮

ভাৰতবৰিষ—ভাৰতবৰ্ষ; পৃথিবী। পৃথিবীত জন্মি নাম লৈ মুক্তি পাব পাৰি, সেয়ে ই ধন্য।

ব্ৰহ্মাৰ প্ৰাৰ্থনী নৰতনু—মানৱ জন্মত হৰিৰ নাম লৈ ভক্তি কৰিব পাৰি দেখি ব্ৰহ্মায়ো মানৱ জন্ম বাঞ্ছা কৰে; সেই কাৰণে মানৱ জন্ম ব্ৰহ্মাৰো বাঞ্ছনীয়।

অনুপাম—অতুলনীয়, তুলনা কৰিব নোৱাৰা।

## আত্ম-উপদেশ

বিচাৰি দেখহ পামৰ মনাই এ
ইহ পৰলোকে হৰিসে সুহৃদ বন্ধু ৰাম ৰাম ॥
মজিয়া ৰহস সুহৃদ মনাই এ
হৰিগুণ নাম অপাৰ আনন্দ সিন্ধু ৰাম ৰাম ॥৭১৯

**মনাই**—মন।

নিচিন্তি আছস কমনে মনাই এ,
সুখৰ সাগৰ হৰিত নকৰি ৰতি ৰাম ৰাম,
আলাস তেজিয়া ভজিয়ো মনাই এ,
ভৃত্য-ভয়হাৰী হৰিে পৰম গতি ৰাম ৰাম ॥৭২০

**ভৃত্য-ভয়হাৰী**—শৰণাগতক ৰক্ষা কৰোঁতা।

ৰাম কৃষ্ণ ৰাম কৃষ্ণ বোলৰে পামৰ মন,
ভুলিয়া কমনে পাপীৰ মৰ।
যাৰ মায়াপাশে বন্দী হুয়াছ পামৰ মৰ,
তান দুই চৰণত ধৰৰে পামৰ মন,
ভুলিয়া কমনে পাপী ॥৭২১

**ভুলিয়া কমনে পাপীৰ মৰ**—ভগৱানৰ নাম নলৈ কিয় মায়াত আবদ্ধ হৈ সংসাৰত নানা লাগাট ভুঞ্জ।

গোবিন্দ বোল মনাই, মুকুন্দ বোল মনাই,
ব্ৰহ্মা হৰে যাত শৰণ পশয়,
আনৰ কোন বঢ়াই ॥৭২২

**আনৰ কোন বঢ়াই**—আনৰ কথা কি! অন্তৰ কথা বেচি আৰু কি কম!

বিৱয় বিকলে নমৰ মন।
দায়ে চিন্তিয়ো হৰিৰ চৰণ ॥৭২৩

বিকল—অসমৰ্থ, বিহ্বল।

বিষয় বিকলে—বিষয়ৰ বিহ্বলতাত অৰ্থাৎ বিষয়ত পৰি বিহ্বল হৈ।

নিগম নিগূঢ় হৰিৰ নাম।
নলৈয়া মন কৰ কোন কাম ॥৭২৪

নিগম নিগূঢ়—ভাগৱত আদি নিগম শাস্ত্ৰৰ গুপ্ত ৰহস্য।

ভৱসিন্ধু সেতু হৰি হৰণ।
যমকাল মায়া দুঃখ তৰণ ॥৭২৫

ভৱসিন্ধু সেতু হৰি চৰণ—হৰিৰ ধ্যান সংসাৰৰূপ সাগৰৰ সাঁকো স্বৰূপ; সাঁকোৰে পানী পাৰ হোৱাৰদৰে হৰিনাম লৈ বা তেওঁক ধ্যান কৰি মুক্তিলাভ কৰিব পাৰি।

কপট আচাৰ তেজিয়ো মন।
কেৱলে ভজিয়ো হৰি চৰণ ॥৭২৬

কপট আচাৰ—কপট ভাব; মুখেৰে নাম লোৱা, অন্তৰত তেওঁক নাভাবা।

কৈতব তেজিয়া ভজিয়ো হৰি॥
তেবেসে হৰি লৈবে দাস কৰি ॥৭২৭

কৈতব তেজি—কপট ভাব এৰি।

মায়াৰপৰা কপট ভাব জন্মে, সেয়ে মায়াৰ হাত সাৰাও হব পাৰে।

হৰিৰ আশ্ৰয় নেৰিবা ভাই।
ঐকান্তিক সুখ তেৱেঁসে পাই ॥৭২৮

ঐকান্তিক সুখ—অক্ষয় সুখ, পৰম সুখ।

একান্তে হৰিত কৰিয়ো গতি।
হৰিসে নিজে ভকতৰ গতি ॥৭২৯

হৰিসে নিজ ভকতৰ গতি—ভক্তৰ গতিদাতা হৰিয়েই বা ভক্তৰ আৰাধ্য হৰিয়েই।

সৰ্ব্ব পুৰুষাৰ্থ কৈতৱ জান।
হৰি মাত্ৰ সত্য বেদ প্ৰমাণ ॥৭৩০

কৈতৱ—মিছা, অসত্য।

মায়াৰ জগতৰ আন সকলো পুৰুষাৰ্থই কপট অৰ্থাৎ মিছা বা অসত্য। মায়াৰ বান্ধোন এৰি একমনে ভগৱানক ভাবিব পৰাটোৱেই তাৰে কাম। বেদে প্ৰমাণ কৰা অৰ্থাৎ বেদত থকা হৰিয়েই মাত্ৰ সত্য, আন সকলো মিছা বা বালিৰ সাঙ্বদৰে।

পৰম শ্ৰেয়ঃ হৰি ভকতি।
জানি হৰিপাৱে কৰিয়ো ৰতি ॥৭৩১
হৰিগুণ নাম কৰিয়ো সাৰ।
নিজ যশপ্ৰিয় জগ আধাৰ ॥৭৩২

জগ-আধাৰ—জগতেই যাৰ আধাৰ, সৰ্ব্বব্যাপক ভাৱে জগতত থকা জগতৰ কাৰণ ভগৱান।

বিধিৰ ঈশ্বৰ হৰি ভকতি।
গায়ো হৰিযশ নিৰ্ম্মল মতি ॥৭৩৩

বিধিৰ ঈশ্বৰ হৰি ভকতি—হৰি ভকতিয়েই সকলো বিধিৰ ঈশ্বৰ
অৰ্থাৎ হৰি ভকতিত কোনো বিধি বিধান নাই।

লৈয়ো একে মাত্ৰ সাধু সঙ্গতি।
তেৱেসে নিৰ্ম্মল হৈব ভকতি ॥৭৩৪
যাৱত কৈতৱ নেৰস মন।
তাৱত নাপাইবি হৰি চৰণ ॥৭৩৫

কৈতৱ—কপট ভাব জন্মায়, মস্না।

কৈতৱ অসত্য জ্ঞান ভাল কৰি।
ভজিয়ো হৰিক কৈতৱ এৰি ॥৭৩৬
হৰিত বিনায় সবে কৈতৱ।
ভজ হৰিপাৱে কৰি উৎসৱ ॥৭৩৮
দুৰ্ঘোৰ সংসাৰ নিকাৰ জানি।
নেৰিবা মুখে সদা ৰাম বাণী ॥৭৩৯
তেৱেসে হৰিৰ পাইবা আশ্ৰয়।
ভজিয়ো হৰি তেজি লাজ ভয় ॥৭৪০

তেজি লাজ ভয়—ভগৱানত আশ্ৰয় কৰি তেওঁৰ নাম লবলৈ লাজ

মকৰিবা আৰু তেওঁক ভজিলে একোলৈ ভয় নাথাকে ;

( তেওঁ অভয় ) সেই নিমিত্তে নির্ভয় মনে বা নিঃশঙ্ক চিত্তে ভগবানক আশ্রয় কৰা।

নিৰ্গুণ হৰিৰ গুণক গায়া।
পৰমানন্দ পাইবা তেজি মায়া ॥৭৪১

নিৰ্গুণ—সত্ত্ব, ৰজ, তম গুণাতীত।

হৰি গুণ নাম নিগম তত্ত্ব।
মুকুত সবাৰো মুখ্য সন্মত ॥৭৪২

মুকুত সবাৰো মুখ্য সন্মত—জীৱন্মুক্ত পুৰুষসকলেও সম্পূর্ণৰূপে সর্থমন কৰা।

জানি হৰিপদে নেৰিয়ো আশ।
কহে মূঢ়মতি মাধৱ দাস ॥৭৪৩

মাধৱ দাস—মাধৱৰ সেৱক।

ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ।
ৰাম কৃষ্ণ ৰাম কৃষ্ণ বোলা মন ভাই।
হৰিয়ো সন্তোষ হয়, গুচয় সংসাৰ ভয়।
হৰিপদ সেৱা সুখ পায়, হৰি ৰাম ॥৭৪৪

গুচয় সংসাৰত ভয়—সংসাৰত জন্মি দুখ লালাট ভুঞ্জাৰ ভয়।

## নিন্দা

হৰিৰ নামৰ কীৰ্ত্তন সুখ।
নজানে যিজনে হৰি বিমুখ ॥৭৪৫

ভগবানক ভাল নোপোৱা মানুহে হৰিনাম ললে কেনে সুখ পোৱা যায়, তাক নাজানে।

নকৰে কীৰ্ত্তন যিটো পামৰ।
সিজন অধীন ভৈল যমৰ ॥৭৪৬

হৰিক ভাল নোপোৱা লোকে হৰিনাম নলয় আৰু সেই লোকে অন্ত মৃত্যুৰ হাত সাৰিব নোৱাৰে।

হৰি গুণ নাম নলবে মুখে ॥
যমৰ যাতনা ভুঞ্জিবে দুঃখে ॥৭৪৭
নকৰে কীৰ্ত্তন হৰি নামৰ।
কি কাৰ্য্যে মনুষ্য ভৈল পামৰ ॥৭৪৮

কিকাৰ্য্যে—কিয় ? কি বাবদ ?

হৰি কীৰ্ত্তনত নকৰে ৰতি।
পশুতো অধম সিটো কুমতি ॥৭৪৯
নুফুৰে সদা হৰিগুণ গায়া।
জানিবা মুহিলে হৰিৰ মায়া ॥৭৫০

ভগবানৰ সৃষ্ট মায়াই মোহত অৰ্থাৎ মায়াত পৰাত মানুহে একান্ত মনে হৰিৰ নাম লব নোৱাৰে।

হৰি কীৰ্ত্তনত নিদিলে চিত্ত।
সিটো ভাগ্যশূন্য ভৈল বঞ্চিত ॥ ৭৫১

দুৰ্ল্লভ মানৱ জন্ম লাভ কৰি যি হৰিৰ নাম কীৰ্ত্তনত মন নিদিয়ে, তাক দুৰ্ভগীয়াহে বুলিব লাগে কিয়নো সি মানৱ জন্মত হৰিক ভজি লাভ কৰিব পৰা মুক্তিৰপৰা বঞ্চিত হল।

## আত্মনিন্দা

তুমি প্ৰাণ প্ৰিয়তম সুহৃদ পৰম দেৱ
প্ৰাণ প্ৰভু পীতাম্বৰ এ
তুমিসে কেৱলে আত্মা মোৰ।
তোমাক নজানি জড় মিছা শৰীৰক মই
প্ৰাণ প্ৰভু পীতাম্বৰ এ
আত্মা বুলি ভৈলো সেৱা চোৰ
প্ৰাণ বন্ধু কিনো মই অজ্ঞানী দুৰ্যোৰ হৰি এ ॥৭৫২

তোমাক নাজানি জড় মিছা শৰীৰক মই আত্মা বুলি সেৱা-চোৰ হলো। তুমি আত্মাৰূপে মোৰ হৃদয়ত আছা, ইয়াক জানিবলৈ চেষ্টা নকৰি কেৱল জড় অস্থায়ী শৰীৰকে আত্মা বুলি ভাবি অহঙ্কাৰত তোমাৰ পদসেৱা নকৰিলো বা তোমাক চিন্তা নকৰিলো।

## খেদ

দুৰ্ব্বাৰ দুঃসঙ্গ দুৰ্ব্বাসনা দুষ্ট
হৰি হৰি হৰি হৰি এ
অনাদি অবিদ্যা আপুনি ভৈলো মোহিত।
অনাত্মা দেহক আত্মা বুদ্ধি কৰি
হৰি হৰি হৰি হৰি এ
তুমি পৰমাত্মা ঈশ্বৰে ভৈলো বঞ্চিত।
আত্যন্তিক সুখ তযু পদসেৱা
হৰি হৰি হৰি হৰি এ
তাকে সুখ মানি মগ্ন ভৈল মোৰ চিত্ত ॥৭৫৩

অনাদি—ঘোৰ।
অবিদ্যা—মায়া, অজ্ঞান।
দুৰ্ঘোৰ—ভয়ানক, বৰ বেচি।
ঘোৰ—ভয়ানক।
নিকাৰ—লালাট।
আত্মাবুদ্ধি কৰি—আত্মজ্ঞান কৰি।

হে হৰি, বৰ দুখ কৰি নিবাৰণ কৰিব পৰা কুসঙ্গ-কুবাসনাৰ দ্বাৰা কলুষিত ঘোৰ মায়াত পৰিয়েই মোহ গলোঁ আৰু যি দেহ, আত্মা নহয়, তেনে দেহকে আত্মা বুলি ধৰি অহঙ্কাৰতে তোমাৰ পদ-সেৱা নকৰিলোঁ আৰু তাৰ ফলত তোমাক ভজিলে যি সুখ পোৱা যায়, সেই সুখৰ পৰাও বঞ্চিত হলোঁ। সংসাৰ মায়াময়; ইয়াৰ মোহত

পৰিলে সংসাৰত ঘোৰ নিকাৰ ভুঞ্জিব লাগে ; অথচ মোহত পৰি ইয়াকে সুখ বুলি মোৰ চিত্ত তাত মগ্ন হল অৰ্থাৎ মোৰ মনটো বিষয়তে সদায় গোটখাই ৰল, কোনোমতে তাক তোমাৰ সেৱাত লগাব নোৱাৰো।

তুমি শুদ্ধ বুদ্ধ নিত্য নিৰ্ম্মল নিৰ্গুণ দেৱ
মোৰ প্ৰভু নাৰায়ণ এ
স্বৰূপ আনন্দে সদা সুখী
হৰি হৰি তুমি নিজানন্দে সদা সুখী
আমি মূঢ়মতি ঘোৰ অবিদ্যা সাগৰে মজি
মোৰ প্ৰভু নাৰায়ণ এ
তোমাক নজানি ভৈলো দুঃখী
হৰি হৰি স্বৰূপ নজানি ভৈলো দুঃখী হৰি এ ॥৭৫৪

বুদ্ধ —জ্ঞানী।
নিৰ্গুণ—সত্ত্ব, ৰজ, তমোগুণাতীত।
স্বৰূপ আনন্দ—আনন্দ স্বৰূপ, জ্ঞানানন্দ, আনন্দময়।
অবিদ্যা সাগৰে মজি—অজ্ঞানত ডুব গৈ।
স্বৰূপ নজানি—তোমাৰ তত্ত্ব নাপাই।

অখণ্ডিত সদা শুদ্ধ চৈতন্য শক্তিৰ বলে
মোৰ প্ৰভু নাৰায়ণ এ
তুমি দূৰ কৰি আছা মায়া,
হৰি হৰি তোমাৰ নিকটে নাহি মায়া।

তোমাক নভজো পদে মায়ায়ে মুহিলে মোক
মোৰ প্ৰভু নাৰায়ণ এ
আৰে কৃপাময় কৰা দয়া
হৰি হৰি মায়াক নিবাৰি কৰা দয়া হৰি এ ॥৭৫৫

হে নাৰায়ণ প্ৰভু, তুমি অবিভাজ্য অৰ্থাৎ তোমাক ভাগ কৰিব নোৱাৰি। তুমি গোটেই বিশ্বতে পূৰ্ণ জ্ঞানময়ৰূপে বিয়পি আছা; তুমি সদায় নিৰ্ম্মল, তোমাক একোৱে কেতিয়াও কলুষিত কৰিব নোৱাৰে আৰু তোমাৰ জ্ঞানময় শক্তিৰে তুমি মায়াক দূৰ কৰিছা অৰ্থাৎ তুমিয়েই জ্ঞানস্বৰূপ দোষ মায়া বা অজ্ঞান তোমাৰ ওচৰলৈ আহিব নোৱাৰে। মোক মায়াই মুহি ৰাখিছে সেয়ে তোমাক ভজিব নোৱাৰোঁ; প্ৰভু, মই সেইটো অনুভৱ কৰিব পাৰিছোঁ। এতিয়া তোমাৰ সৃষ্ট সেই মই মায়াক মোৰ গাৰ পৰা আঁতৰাই নি মোক কৃপা কৰা, মই একান্তমনে তোমাৰ পদ সেৱা কৰোঁ।

দৈৱকী নন্দন দেৱ দৈৱকী নন্দন দেৱ
দীনবন্ধু দামোদৰ এ
হৰি হৰি চৰণে উদ্ধাৰ কৰা মোক।
প্ৰাণ বন্ধু ইবাৰ নেৰিবা হৰি মোক।
ভকতি মিনতি স্তুতি প্ৰণতি নজানো মই,
দীনবন্ধু দামোদৰ এ
হৰি হৰি আৰে মোৰ কোন গতি হোক,
প্ৰাণ বন্ধু মোৰ মন তোমাত ৰহোক হৰি এ ॥৭৫৬

**প্ৰাণবন্ধু ইবাৰ নেৰিবা হৰি মোক**—মই কতবাৰ সংসাৰত জন্মিলোঁ, কতবাৰ মৰিলোঁ, তাৰ সীমা নাই, কোনো জন্মতে মই তোমাক ভক্তি মুক্তি লাভ কৰিব নোৱাৰিলো বা কোনো জন্মতে তুমি মোক উদ্ধাৰ নকৰিলা ; হে প্ৰাণবন্ধু হৰি, এইবাৰ কিন্তু মোক উদ্ধাৰ নকৰি নাথাকিবা।

হে কৃষ্ণ তুমি নিজ আত্মা প্ৰিয়তম গুৰু
মোৰ প্ৰভু নাৰায়ণ এ
পৰম ঈশ্বৰ ভয়হাৰী।
হৰি হৰি তুমি ইষ্টদেৱ ভয়হাৰী।
এতেকে জানিয়া তযু চৰণে শৰণ লৈলোঁ।
মোৰ প্ৰভু নাৰায়ণ এ
নছাৰিবা ইবাৰ মুৰাৰি।
হৰি হৰি লৈলো মোক মায়াক নিবাৰি হৰি ॥৭৫৭

**ইষ্টদেৱ**—অভীষ্ট দেৱতা, উপাস্য দেৱতা, দীক্ষাগুৰু।

মনুষ্য যোনিৰ কৰ্ম্মে নিঃশেষ যোনিত ফুৰি
দীনবন্ধু দামোদৰ এ
হৰি হৰি বাৰে বাৰে ভুঞ্জিলো অপাৰ
দীনবন্ধু কতবা ভুঞ্জিলো নাহি পাৰ।
ইবেলি তোমাৰ দুই চৰণে শৰণ লৈলো
দীনবন্ধু দামোদৰ এ

হৰি হৰি নকৰিবা মোক পৰিহাৰ।
প্ৰাণবন্ধু চৰণত ৰাখিয়ো ইবাৰ হৰি এ ॥৭৫৮

ভুঞ্জিলো অপাৰ—ঢেৰ লালাচ ভোগ কৰিলোঁ।

মনুষ্য যোনিৰ······যোনিত ফুৰি—মানৱ জন্ম লাভ কৰি কুকৰ্ম কৰি তাৰ ফলত অসংখ্য যোনি ভ্ৰমণ কৰি অৰ্থাৎ নানা জীৱৰূপে পৃথিবীত জন্ম লাভ কৰিছোঁ।

পুনু পুনু নৰতনু লভিয়া তোমাক তেজি
দীনবন্ধু দামোদৰ এ
হৰি হৰি সংসাৰে ভ্ৰমিলো অসংখ্যাত
দীনবন্ধু কতবা কৰিলো আয়াযাত
ইবেলি কৰুণাময় তোমাৰ কিঙ্কৰ ভৈলো
দীনবন্ধু দামোদৰ এ
হৰি হৰি ৰতি মোৰ ৰহোক তোমাত।
প্ৰাণবন্ধু চৰণত কৰো প্ৰণিপাত ॥ ৭৫৯

কিঙ্কৰ—দাস, সেৱক।
ৰতি মোৰ ৰহোক তোমাত—তোমাক মই ভালপোৱা হওঁ।

মাধৱ মুকুন্দ মুৰাৰি কি গতি হইল আমাৰ
মায়াৰ ৰচনা আশানদী মাজে
মজিয়া নপাইলো পাৰ ॥ ৭৬০

হে মাধৱ মুকুন্দ মুৰাৰি, মোৰ গতি হলে অৰ্থাৎ মই কি দুখ অৱস্থাত পৰিলোঁ। পুনঃ পুনঃ সংসাৰত জন্মি মায়াৰূপৰূপী হোৱা আশাৰূপ নদীৰ মাজত ডুব গৈ নদীৰ পাৰ নাপাই আতুৰত পৰাৰবে আশাত আবদ্ধ হৈ মই কতো আশ্ৰয় নাপালোঁ; অৰ্থাৎ মায়া এবাৰ নোৱাৰাৰ বাবে তোমাক ভজিব নোৱাৰি মই ৰব লটি-ঘটি হলোঁ।

## মহিমা

ৰাম নামেসে অমিয়া জুৰে।
ভকত জনৰ মনোৰথ পূৰে ॥ ৭৬১

অমিয়া জুৰে—অমৃত বৈ পৰে।

ৰাম নামতেই অমৃত বৈ পৰে। ভকতসকলে এই ৰসযুক্ত নাম লৈ কামনা সিদ্ধি কৰে

ভাল ভৰষা পায়া আছি হৰি করুণাময়
ৰাম কৃষ্ণ কৃপাৰ ঠাকুৰ।
ৰাম বুলিতে পাপী তৰে হৰি করুণাময়
সকল আপদ হোৱে দূৰ ॥ ৭৬২
ভকতসবে ৰাম নাম গাৱে।
কালমায়া ডৰে তৰতৰাৱে ॥ ৭৬৩

ডৰে—ভয়ত।

তৰতৰাৱে—থৰথৰি কঁপে।

## করুণা

জয় জগজীৱ মোৰ প্ৰাণ
মোৰ প্ৰাণধন বান্ধৱ মুৰাৰি।
শ্ৰৱণে আনন্দে শুনিলো গোবিন্দ
তুমি দীন দুঃখহাৰী ॥ ৭৬৪
মোৰ জীৱধন গোপীনাথ
প্ৰাণ গোপীনাথ পশিলো শৰণে।
মোৰ প্ৰাণ মজিয়া ৰহোক
তোমাৰ চৰণে ॥ ৭৬৫
দুগুটি অক্ষৰ ৰাম নাম
শ্ৰীৰাম নাম মজিয়া মাধুৰী ঝুৰে।
অতি সুকোমল পৰম মঙ্গল
সবে মনোৰথ পূৰে ॥৭৬৬

দুই আখৰীয়া "ৰাম" নাম একান্তমনে ললে অমৃত ৰসপূৰ্ণ মাধুৰ্য্য সৰি পৰে অৰ্থাৎ মনত অমৃত সদৃশ ৰস ওপজে; এই নাম অতি সহজ আৰু ইয়াক ললে মানুহৰ সকলো মনস্কামনা পূৰ্ণ হয়।

জয় জয় নিত্য নিৰঞ্জন
দেৱ শিৱ সনাতন
পৰম অভয় তোমাৰ চৰণ।
তাপ তিনি বিনাশন ॥৭৬৭

তাপ তিনি—আধ্যাত্মিক, আধিদৈৱিক, আধিভৌতিক এই তিনি তাপ

দয়াশীল দেৱ দামোদৰ তুমি দীনজন বন্ধু।
পতিত পাৱন তুমি কৃপাময়
কেৱল করুণা সিন্ধু ॥৭৬৮

দয়াশীল—দয়াকৰা স্বভাৱ

কেৱল করুণাসিন্ধু—সকলোকে তুমি দয়াহে কৰা

হৰি হৰি হৰি এ হৰি হৰি হৰি
তুমি কৃপাময় দীন দুঃখ বিনাশন।
ভৃত্যভয়হাৰী জানিয়া তোমাৰ
চৰণে লৈলো শৰণ ॥৭৬৯

ভৃত্য ভয়হাৰী—সেৱকৰ ভয় হৰণকৰোঁতা। একান্তমনে ভগৱানৰ সেৱক হলে বা তেওঁক আশ্ৰয় ললে একোলৈকে ভয় নাথাকে; সেয়ে ভগৱানক ভৃত্যভয়হাৰী বোলে।

হে কৃষ্ণ দয়াশীল, দয়া নছাৰিবা মোক
অজ্ঞান তিমিৰ নাশিয়া বিজ্ঞান
প্ৰদীপ প্ৰভু দিয়োক ॥৭৭০

হে দয়াশীল কৃষ্ণদেৱ, মোক মৰম নকৰাকৈ নাথাকিবা—মোৰ

হৃদয়ৰ অজ্ঞান আন্ধাৰ দূৰ কৰি অৰ্থাৎ মায়া আঁতৰাই, বিজ্ঞানৰূপ চাকি মোৰ হৃদয়ত জ্বলোৱা অৰ্থাৎ আত্মতত্ত্বৰ জ্ঞান মোৰ হৃদয়ত দিয়া, যাতে মই তোমাক চিনিব পাৰোঁ।

ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম
ৰাম কৃষ্ণ ৰাম কৃষ্ণ অগতিৰ গতি,
অচিন্ত্য অনন্ত সুখৰ সাগৰ,
কৃষ্ণৰ পদ ভকতি ॥৭৭১

ৰাম কৃষ্ণ, ৰাম কৃষ্ণ আদি ভগৱানৰ নাম অগতিৰ গতি স্বৰূপ অৰ্থাৎ মহা মহা পাপীসকলে এই নাম একান্তমনে জপ কৰি মুক্তি লাভ কৰে; এই নাম অচিন্ত্য (ভগৱান অচিন্ত্য হোৱা বাবে) চিন্তা কৰি পাৰ নাপায়; আৰু ভগৱানৰ পদসেৱা ভক্তি অনন্ত সুখৰ স্বৰূপ অৰ্থাৎ এই ভক্তিত অপাৰ সুখ পোৱা যায়।

হে প্ৰাণ কৃষ্ণ প্ৰভু দেৱ
প্ৰাণ কৃষ্ণদেৱ দীনক কৰিয়ো দায়া,
পৰম তাপিতে মাগোহো তোমাৰ
শীতল চৰণ ছায়া ॥৭৭২

পৰম তাপিতে চৰণ ছায়া—মই নানাবিধ তাপে তাপিত প্ৰভু তোমাৰ চৰণৰ চেঁচা ছাঁয়া মাগিছোঁ অৰ্থাৎ চোকা ৰ'দৰ তাপ পোৱা লোকে গছৰ চেঁচা ছাঁয়া বিচৰাৰদৰে মই সংসাৰত তাপত দগ্ধ হৈ তোমাৰ আশ্ৰয় মাগিছোঁ (প্ৰভু, দয়া কৰি মোক আশ্ৰয় দিয়া)।

প্ৰাণ প্ৰিয়তম যদুদেৱ দিয়োঁ মোক এহি দান
কৰায়ো তোমাৰ চৰণ সেৱাৰ
সন্তোষ অমিয়া পান ॥৭৭৩

সন্তোষ অমিয়া পান—সন্তোষৰূপে অমৃত দিয়া।

নমো ৰাম কৃষ্ণ সদাশিৱ
সদাশিৱ কৃষ্ণ তুমি জগতৰ পতি
অপাৰ ৰহিত মাগোহো ভকতি
চৰণে কৰি প্ৰণতি ॥৭৭৪

অপায় ৰহিত... ...ভকতি,

তোমাৰ ভক্তি বিঘ্নবিহীন অৰ্থাৎ বিধি ব্যৱস্থা মানি তোমাক ভক্তি কৰিব নালাগে দেখি তোমাৰ সেৱা-পূজা কৰাত একো বিঘ্নি নহয়, সকলোৱে অতি সহজে তোমাক ভক্তি কৰিব পাৰে।

জগত গুৰু নাৰায়ণ
জগত গুৰু নাৰায়ণ
মোৰ প্ৰভু ৰাম কৃষ্ণ ৰাম
হৰি ওঁ হৰি ৰাম কৃষ্ণ ৰাম ॥৭৭৫
ৰাম কৃষ্ণ নিৰঞ্জন ৰাম কৃষ্ণ নিৰঞ্জন
দীনবন্ধু নাৰায়ণ এ
তুমিতো প্ৰভু অগতিৰ গতি ॥৭৭৬
গোপীনাথ গোপীনাথ মোৰে কমলাকান্ত

মোৰ প্ৰভু ৰাম নাৰায়ণ

অভয় চৰণ পাই পশিলোঁ শৰণ ॥৭৭৭

কমলাকান্ত—লক্ষ্মীপতি, ভগৱান।

অনাদি অনন্ত হৰি এ জীৱন বন্ধু

ৰাম কৃষ্ণ কৰুণা সাগৰ

অনাথৰ নাথ দয়াশীল দামোদৰ ॥৭৭৮

জীৱনবন্ধু—প্ৰাণবন্ধু, প্ৰিয়তম।

কৰুণা সাগৰ—দয়াময়।

পৰম পুৰুষ হৰি এ পৰমানন্দ

পৰম কাৰণ নাৰায়ণ।

ভকতৰ ধন তযু অৰুণ চৰণ।

অনন্ত অচ্যুত সদাশিৱ সনাতন ॥৭৭৯

পৰম কাৰণ—আদি কাৰণ, জগতৰ যি মূল।

অৰুণ চৰণ—ৰঙা পদ, ভগৱানৰ দুই পদ ৰঙা বুলি কল্পনা কৰা হয়।

জয়তি জগত গুৰু এ গুণৰ নিধি

নিত্য নিৰঞ্জন নিৰাকাৰ

তোমাৰ চৰণে সদা শৰণ আমাৰ ॥৭৮০

জয়তি—জয়যুক্ত।

দৈৱকী নন্দন প্ৰভু এ পৰম গুৰু

দয়াশীল দেৱ নিৰঞ্জন

তুম্বা পদ কমলে মজোক মোৰ মন ॥৭৮১
জগত জীৱন যদু এ যাদৱানন্দ
জগত কাৰণ যদুপতি
তুমিসে কেৱল নিজ ভকতৰ গতি ॥৭৮২

তুমিসে…ভকতৰ গতি। তুমিয়ে মাত্ৰ তোমাৰ ভক্তৰ গতি অৰ্থাৎ তোমাৰ ভক্তে কেৱল তোমাকেহে ভাবে।

ভকত বৎসল প্ৰভু এ ভকত বন্ধু
ভকত ৰঞ্জন ভয়হাৰী
ভকতৰ নিজ গতি তুমিসে মুৰাৰি ॥৭৮৩
পতিত জনৰ গতি এ জগতপতি
পতিতপাৱন ভগৱন্ত
পৰম ঈশ্বৰ দেৱ অনাদি অনন্ত ॥৭৮৪

## তাৎপৰ্য্য

করুণাময় ৰাম করুণাময়
কৰিয়ো কৃপা যেন উচিত হয় ॥৭৮৫
তুমিসে ৰাম কৃপা ৰসৰ নিধি
তোমাৰ কৃপা বিনে নাহিকে সিদ্ধি ॥৭৮৬
তোমাৰ কৃপাকেসে কৰিছো আশা
অৰুণ পদতলে দিয়োক বাস ॥৭৮৭

সহজে তুমি ৰাম করুণা সিন্ধু।
তোমাত বিনে আন নাহিকে বন্ধু ॥৭৮৮
তোমাৰ কৃপালেশে আমাৰ গতি
কহয় মাধৱ মূৰুখ মতি ॥৭৮৯

কৃপালেশ—দয়াৰ অতি সামান্য অংশ।
মূৰুখমতি—সামান্য বুদ্ধি, একো নাজানা।

কিমতে ভকতি কৰিবো তোমাত হৰি এ
মই মূঢ়মতি নজানো তাৰ উপায় ৰাম ৰাম।
মহা বলৱন্ত দুৰ্ব্বাসনা ঘোৰ হৰি এ
আমাৰ মনক তেজিয়া দূৰ নাযায় ৰাম ৰাম ॥৭৯০
তোমাৰ মায়ায়ে মন মুহি আছে হৰি এ
অজ্ঞান আন্ধাৰে পৰিয়া পাৰ নপাওঁ ৰাম ৰাম
অভয় চৰণে শৰণ পশিলো হৰি এ
তুৱা গুণ নাম ভকতি প্ৰদীপ চাওঁ ৰাম ৰাম॥

ভকতি প্ৰদীপ—যেনেকৈ চাকিৰ পোহৰত আন্ধাৰ দূৰ হয়, তেনেকৈ ভক্তি জন্মিলে অজ্ঞান বা মায়া আঁতৰে; সেয়ে ভক্তি প্ৰদীপৰ লগত তুলনা কৰিছে।

ভকতি মিনতি প্ৰণতি নজানে হৰি এ
মোত পৰে জ্ঞানশূন্য হীনমতি নাই ৰাম ৰাম॥
তুমি প্ৰভু কৃপা ৰসৰ সাগৰ হৰি এ
দিয়া মোক তুৱা পদ-ছায়া তলে ঠাই ৰাম ৰাম ॥৭৯২

হৰি এ করুণা সিন্ধু, জীৱন বন্ধু, গতি মতি তুমি নাৰায়ণ
তুৱা গুণ নাম ভকতৰ মহা ধন ॥৭৯৩
পতিত বুলিয়া মোক হৰি হৰি এ ৰাম
তেজিতে নপাৰা নাৰায়ণ।
পৰম করুণা গুণে হৰি হৰি এ ৰাম
নাম ধৰিছা পতিত পাৱন ॥৭৯৪
দয়াৰ ঠাকুৰ হুয়া দয়া কেনে নকৰাহা
ৰাম কৃষ্ণ নাৰায়ণ দীন দয়াময় ॥৭৯৫
মোকে কৃপা কৰা হৰি এ
দান্তে ধৰোঁ তৃণ, মাথে ধৰোঁ তৃণ
তুমি কৃপাময়ক নজানো এত দিন ॥৭৯৬

দান্তে ধৰোঁ তৃণ—অতি কাতৰ ভাৱে।

মোক কৃপা কৰা এ, ঐ বন্ধু ৰাম, প্ৰাণ বন্ধু ৰাম
নেৰোক মুখে ৰাম-কৃষ্ণ নাম।
মোক কৃপা কৰা এ ॥৭৯৭
পতিত পাৱন বুলি নাৰায়ণ এ,
পৰম পতিতে ডাকয় আতুৰ হৈয়া,
তয়ু বেদ বাণী আমি আছো শুনি এ,
মহা পাপী তৰে তয়ু গুণ নাম লৈয়া ॥৭৯৮
তুৱা গুণ নাম অমৃত আশায় এ,
তোমাৰ চৰণে বিকা গৈলো মূঢ়মতি।

চৰণত ধৰো কাতৰ কৰো এ
মই অনাথক নছাৰিবা যদুপতি ॥৭৯৯
তোমাৰ সেৱক ভৈলো নাৰায়ণে এ
নিশ্চয় তোমাৰ দিবাক লাগে প্ৰসাদ।
নিজ ভৃত্য কৰি লৈয়ো গোপীনাথ এ,
তযু কৃপা যাৰ মিলয় কোন প্ৰমাদ ॥৮০০

প্ৰসাদ—কৃপা, দয়া।
প্ৰমাদ—ভুল, ভয়, বিঘিনি।

হে দয়াশীল দেৱ দামোদৰ এ
তোমাৰ চৰণে বোলোহো কাকুতি বাণী
মোক নিজ দাস কৰি লৈলে হৰি এ
কহিয়ো কৃপাল কি হয় তোমাৰ হানি ॥৮০১
পৰম কৃপালু হৈয়া যদুপতি এ
কোন অপৰাধে মোক ভৃত্য পৰিহৰা।
শাস্ত্ৰতো প্ৰসিদ্ধ অজ্ঞানতো হৰি এ
যিটো নাম লৱে তাকে মোৰ বুলি ধৰা ॥৮০২

শাস্ত্ৰত প্ৰসিদ্ধ আছে অৰ্থাৎ স্পষ্টকৈ লিখা আছে, যি একান্ত মনে তোমাৰ নাম লয়, তাক তুমি তোমাৰ দাস কৰি লোৱা।

জ্ঞানশূন্য অতি পশু পক্ষী জাতি এ
তাকো অনুগ্ৰহ কৰি আছা কৃপাময়।
আকে জানি হৰি শৰণে পশিলো এ
আমাক তোমাৰ তেজিতে উচিত নয় ॥৮০৩

ৰাম অৱতাৰত ভগৱানে বনৰ বান্দৰ ৰাক্ষস, বিভীষণ আদি আৰু সম্পাতি আদি পক্ষীক কৃপা কৰি মুক্তি দিছিল।

তোমাৰেসে নিজ ভৃত্য ভৈলো হৰি এ,
কৃপাৰ সাগৰ তুমি মোৰ নিজ স্বামী।
মই অনাথক নবঞ্চিবা হৰি
তযু সেৱা ৰস আশা কৰি আছো আমি ॥৮০৪
বেদৰ গুপুত বিত্ত নাৰায়ণ এ
দৈৱকীত হন্তে সাক্ষাতে ভৈলা বিদিত।
জীৱৰ তাৰণ হেতু নাৰায়ণ এ
প্ৰচাৰিলা নিজ যশ ধৰ্ম্ম বিপৰীত ॥৮০৫

বেদৰ ভিতৰত লুকাই থকা ভগৱান বস্তু দৈৱকীৰ গৰ্ভত জন্ম লাভ কৰিলে; আৰু তেওঁ জীৱ উদ্ধাৰ হবৰ নিমিত্তে তেওঁৰ আচৰিত নাম-গুণ কীৰ্ত্তনৰ গৌৰৱ লোকত প্ৰচাৰ কৰিলে।

ভকতৰ বশ্য হইবাৰ শঙ্কায় এ
যোনো মোক তুমি দাস পৰিহৰা হৰি।
ইটো শঙ্কা হৰি দূৰতে তেজিয়া এ
লৈয়োক তোমাৰ ভৃত্যৰ অধীন কৰি ॥৮০৬

হে প্ৰভু, তুমি ভক্তৰ অধীন হব লগা ভয়তে যদি মোক তুমি তোমাৰ সেৱক কৰি লব নোখোজা, তেন্তে সেই আশঙ্কা এৰি মোক তোমাৰ ভক্তৰ অধীনকে কৰা।

তোমাৰ গুণৰ মহিমা দেখিয়া
আন যত কাম দূৰতে তেজিয়া থৈলো।

তযু পদ সেৱা ৰসক আশায় এ ·
তোমাৰ একান্ত ভৃত্যৰ কিঙ্কৰ ভৈলো ॥৮০৭
সহজ কৃপালু গুণক প্ৰকাশি এ
ধৰি আছা হৰি ভকত বৎসল নাম।
ধেনু যেনমতে বৎসক পালয় এ,
তুমি সেহিমতে ভকতক পালা ৰাম ॥৮০৮
আমি যত জীৱ তোমাৰ পালন,
হৰি হৰি হৰি হৰি এ,
তুমিসে পালিয়া ফুৰা হুয়া অন্তৰ্য্যামী।
আৰে যেৱে নিজ ভৃত্য বুলি পালা,
হৰি হৰি হৰি হৰি এ,
তেৱেসে কৃপাল কৃতকৃত্য হওঁ আমি ॥৮০৯

তুমিসে……অন্তৰ্য্যামী।

আমাৰ মন বুজি তুমিয়েই আমাক পালন কৰি থাকা।

তুমি যাক পালা সিয়ো জন আমি
হৰি হৰি হৰি হৰি এ,
সংসাৰ নিকাৰ ভুঞ্জিয়া ফুৰো বহুত।
তোমাৰ অধীন হুয়া কেনে আমি
হৰি হৰি হৰি হৰি এ
ভৈলোহো স্বতন্ত্ৰ ইটো কিনো অদভুত ॥৮১০

আমি তোমাৰ পাল•ীয়, অৰ্থাৎ আমাক তুমি পালন কৰিব লাগে; এনে স্থলত সংসাৰত আৱদ্ধ হৈ আমি নানা প্ৰকাৰ দুখ-দুৰ্গতি ভোগ

কৰোঁ। আমি জীৱ যত আছোঁ সকলোবিলাক তোমাৰে অধীন, এনে স্থলত আমি যে স্বতন্ত্ৰীয়া ভাবে চলি যন্ত্ৰণা ভোগ কৰোঁ, এইটোহে বৰ আচৰিত কথা। আমি তোমাৰ অধীন যেতিয়া, আমি নিজ ইচ্ছা মতে চলিব নোৱাৰা উচিত আছিল, তুমি কিয় আকৌ তোমাৰ প্ৰভুত্ব এৰিলা ?

**তোমাক পৰম ঈশ্বৰ নমানি, হৰি হৰি হৰি হৰি এ**
**মহা অহঙ্কাৰে দ্ৰোহ আচৰিলো আমি।**
**আৰে তযু পদে শৰণ পশিলোঁ, হৰি হৰি হৰি হৰি এ**
**মই দ্ৰোহিয়াৰ দোষ ক্ষমা কৰা স্বামী ॥৮১১**
**দাস হুয়া তযু সেৱা নকৰিলো হৰি হৰি হৰি হৰি এ,**
**ইটো ঘোৰ অপৰাধৰ চিকিৎসা নাই।**
**তুমি পুনু প্ৰভু সহজ কৃপালু হৰি হৰি হৰি হৰি এ,**
**শৰণ পশিলো ক্ষমিবে প্ৰভু যুৱাই ॥ ৮১২**

চিকিৎসা—প্ৰতিকাৰ, প্ৰায়শ্চিত্ত।
তুমি পুনু……প্ৰভু যুৱাই।

তুমি আকৌ সহজতে কৃপাবান, প্ৰভু, মই তোমাৰ সেৱক হলোঁ, মোৰ দোষ তুমি ক্ষমা কৰা উচিত।

**মই অজ্ঞানীৰ যতেক অজ্ঞান, হৰি হৰি হৰি হৰি এ,**
**কথা কহি কোনে সীমা কৰিবেক তাক।**
**ইটো মোৰ ঘোৰ দোষ পৰিহৰি হৰি হৰি হৰি হৰি এ**
**কৃপাময় কৃষ্ণ চৰণে ৰাখা আমাক ॥৮১৩**

প্ৰিয়তম আত্মা ঈশ্বৰ দেৱতা, হৰি হৰি হৰি হৰি এ,
কৃষ্ণেসে সুহৃদ বান্ধৱ গুৰু আমাৰ।
কৃষ্ণৰ চৰণ পঙ্কজ বিনাই, হৰি হৰি হৰি হৰি এ,
মই অনাথৰ গতি নাহি নাহি আৰ ॥৮১৪

## প্ৰাৰ্থনা

অচিন্ত্য অনন্ত শকতিৰ পতি, হৰি হৰি হৰি হৰি এ,
তুমি কৃপাময় দেৱ অগতিৰ গতি।
তুমি সত্য সনাতন সদাশিৱ, হৰি হৰি হৰি হৰি এ,
তোমাৰ চৰণে মাগোহো নিৰ্ম্মল ৰতি ॥৮১৫

অচিন্ত্য……পতি।

তুমি অচিন্ত্য অৰ্থাৎ তোমাক চিন্তা কৰি পাৰ নাপায় আৰু অনন্ত শক্তিৰ মূল বা সৰ্ব্বশক্তিমান।

হে হৰি মোৰ মুখে নছাবোক, হৰি হৰি হৰি এ,
পৰম নিৰ্ম্মল তযু গুণ নাম যশ।
কৰা কৃপা কৃষ্ণ মনত মিলোক, হৰি হৰি হৰি হৰি এ,
তযু পদ সেৱা পৰম অমিয়া ৰস ॥৮১৬

আময়াৰস—অমৃতৰ দৰে সোৱাদ ৰস ; এৰিব নোৱাৰা ভাব।

জয় জয় ৰাম করুণা সাগৰ এ
মোক নাৰায়ণ ইবাৰ কৰিয়ো দায়া।
অভয় চৰণে শৰণ পশিলোঁ এ
প্ৰভু দামোদৰ দূৰ কৰা মোৰ মায়া ॥৮১৭

যাদৱ যদুনন্দন মুকুন্দ মুৰবিনাশী।
অবিদ্যা সাগৰে মজিলোঁ মাধৱ, উদ্ধাৰ কৰিয়ো আসি ॥৮১৮

অবিদ্যা সাগৰে মজিলোঁ—মায়াত ডুব গলোঁ।

জীৱন যাদৱ ৰায়, সেৱোহোঁ তোমাৰ পায়,
ৰাম নেৰিবা নফৰ দায়, তুৱা পাৱে ৰতি
যিমতে কৰিবো, দিয়োক নাথ উপায় ॥৮১৯

নফৰ—দাস, ভৃত্য।

নেৰিবা নফৰ দায়—জগতৰপৰা দাসক উদ্ধাৰ নকৰি নাথাকিবা।

যাদৱ জয় যদুপতি তোমাৰ চৰণে লাগো।
শ্ৰৱণকীৰ্ত্তন নিৰ্ম্মল ভকতি কাকুতি কৰিয়া মাগো ॥৮২০

চৰণে লাগো—চৰণত ধৰোঁ।

দীন দয়াশীল যাদৱ সেৱক লৈয়ো উদ্ধাৰি।
দান্তে তৃণ কৰো চৰণত ধৰো
নেৰিবা মোক মুৰাৰি ॥৮২১

দান্তে ... ধৰো—অতি কাতৰ হৈ তোমাৰ চৰণত আশ্ৰয় লওঁ বা তোমাক ভাবোঁ।

কৰুণাময় কৰুণাসাগৰ কৃপাৰ কৰুণা সিন্ধু
তোমাৰ কৃপাৰ আমি নোহো পাত্ৰ
তুমি পুনু দীনবন্ধু ॥৮২২

প্ৰভু, তুমি কৰুণাময়, কৰুণাসাগৰ আৰু তোমাৰ কৃপা সাগৰৰ পানীৰদৰে অন্ত নোহোৱা; কিন্তু মই তোমাৰ দয়াৰ যোগ্য নহওঁ, তুমি আকৌ দুখীয়াৰ বন্ধু, ই কেনে কথা! অৰ্থাৎ তোমাৰ দয়া হৈব পৰা,

মই ভক্তি ভাৰত অতি দুখীয়া (মোৰ অন্তৰত তোমালৈ ভক্তি নাই)। তুমি দুখীয়াৰ বন্ধু যেতিয়া মোক তুমি কৃপা কৰি ভক্তি দিয়া উচিত আছিল, মই তোমাৰ কৃপা নোপোৱা অৰ্থাৎ তোমাক ভক্তি কৰিব নোৱাৰাতো আচৰিত হবলগীয়া।

ৰাম কৃষ্ণ হৰি গোবিন্দ, দীন দয়াশীল স্বামী।
তোমাৰ চৰণে সহজ বাসনা, শৰণ মাগোহো আমি ॥৮২৩

সহজ বাসনা—সহজ ইচ্ছা; অভ্যাসত আহা।

মোৰ প্ৰাণ বন্ধু গোবিন্দ, সেৱক কৰিয়া লৈয়ো।
আন একো কাম নমাগো তোমাৰ
ভৃত্যৰ সঙ্গত থৈয়ো ॥৮২৪
জয় যদুপতি যাদৱ, তুমি অগতিৰ গতি
দান্তে তৃণ ধৰি তোমাৰ চৰণে
মাগোহো সাধু সঙ্গতি ॥৮২৫

সাধু সঙ্গতি—সাধুসঙ্গ।

ৰাম কৃষ্ণ হৰি গেবিন্দ, সেৱক ভৈলো তোমাৰ,
অভয় চৰণে শৰণ পশিলো চুৰিয়ো মায়া হামাৰ ॥৮২৬

চুৰিয়ো—ছিঙা, ভাঙা।

গোবিন্দ গোপাল গোপীনাথ, দয়া নছাৰিবা মোৰে।
অপাৰ সংসাৰ, আৰ নাহি পাৰ, মজিলোঁ এ দুঃখ ঘোৰে ॥৮২৭

সংসাৰ অপাৰ, ইয়াৰ পাৰ ন'ই অৰ্থাৎ বিষয় বাসনাৰ শেষ নাই, বাসনাই জীৱক সংসাৰত ঘুৰাই লৈ ফুৰায়।

হৰি হৰি হৰি ৰাম কৃষ্ণ ৰাম নাৰায়ণ নাৰায়ণ।

কৰা হৰি মোৰ মায়া উপশম নাৰায়ণ নাৰায়ণ ॥৮২৮

উপশম—লাঘৱ, জয় কৰিব পৰা।

গোপীনাথ ইবাৰ মোকে নেৰিয়ো

তযু মায়াজাল জঞ্জাল গুচায়া চৰণে শৰণ দিয়ো ॥৮২৯

তযু মায়াজাল......দিয়া।

তুমি তনা মায়াজালৰূপ বাধা আঁতৰাই তোমাৰ চৰণত মোক আশ্ৰয় দিয়া, মই তোমাক একান্তমনে ভাবিব পাৰা কৰ।

গোপাল গোপাল পালয় কৃপাময়।

তুৱা পাৰে মোৰ ৰতি মতি যেন নছাৰয় ॥৮৩০

ৰাম ৰাঘৱ ৰঘুপতি এ, তুমি দেৱ অগতিৰ গতি না এ

তুৱা পদ কমলৰ মকৰন্দ ৰসে ৰতি।

কৰিয়া থাকোক মোৰ মতি না এ ॥৮৩১

মকৰন্দ—ফুলৰ মৌ; ৰেণু।

জয় যাদৱ যদুপতি এ,

তুৱা পাৰে পশিলো শৰণ না এ

ভাল কথা শুনি আছি, মনে লৈলো সাৰ বাছি,

তুৱা নাম পতিত পাৱন না এ ॥৮৩২

প্ৰাণ বান্ধৱ মাধৱ এ, দয়াশীল দৈৱকী নন্দন না এ

তুমি দেৱ দীনবন্ধু, কেৱলে করুণাসিন্ধু

কৰোঁ তযু চৰণে বন্দন না এ, ॥৮৩৩

চিদানন্দ ৰাম সদানন্দ হৰি
নিত্যানন্দ কৃষ্ণ মোক লৈয়ো দাস কৰি ॥৮৩৪

হৰি তুমি আনন্দ সিন্ধু
হামো ভিক্ষাৰী মাগো এক বিন্দু ॥৮৩৫

হে হৰি, তুমি আনন্দ সাগৰস্বৰূপ আনন্দময় ; মই ভিক্ষাৰী, তোমাৰ ওচৰত একবিন্দু আনন্দ খুজিছোঁ ।

মধুৰিপু ৰাম ৰঘুপতি তোমাৰ চৰণে মোৰ গতি ॥৮৩৬

অৰুণ চৰণে দিয়ো ছায়া ৰাম ৰাম ।
তেবেসে তৰিবো তয়ু মায়া ৰাম ৰাম ॥৮৩৭

দান্তে তৃণ ধৰি চৰণত লাগো ।
তয়ু কৃপা ৰসৰ কণিকা এক মাগো ॥৮৩৮

দয়া কৰা দয়া কৰা মোৰহে ৰাম ।
তোমাৰ চৰণে হৰি, হৃদয় পঙ্কজে ধৰি
মুখে লৈবো তুৱা গুণ নাম এ যদুমণি এ ॥৮৩৯

ৰাম কৃষ্ণ বুলি অনাথে ডাকয় এ হৰি নাৰায়ণ ।
অনাথক দয়া কৰা কৃপাময় এ হৰি নাৰায়ণ ॥৮৪০

নাৰায়ণ নৰায়ণ নাৰায়ণ নাৰায়ণ জয় নাৰায়ণ ।
তোমাৰ অৰুণ চৰণ পঙ্কজে নিমজোক মৰি মন ॥৮৪১

নিমজোক—মোহ য'ক, ডুব য'ক ।
মেৰি—মোৰ ।

নাৰায়ণ নাৰায়ণ তুৱা চৰণে আমাৰ ।
মজোক মন জয় ৰাম ॥৮৪২

# প্ৰাৰ্থনা—নিবেদন

এ ৰাম ৰাম ৰাম জয় পৰমানন্দ।
পীয়ো তযু চৰণকমল মকৰন্দ ॥৮৪৩
এ ৰাম কৃষ্ণ ৰাম নাৰায়ণ।
তযু পদকমলে মজোক মেৰি মন ॥৮৪৪
এ ৰাম ৰাম কৃষ্ণ ৰাম নিৰঞ্জন।
তুমিসে ঈশ্বৰ দেৱ ভকত ৰঞ্জন ॥৮৪৫

ভকত ৰঞ্জন—ভকতক আনন্দ দিওঁতা।

এ ৰাম ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম।
তুমি গুণ নিয়ন্তা নিৰ্গুণ গুণ ধাম ॥৮৪৬

গুণ নিয়ন্তা—সত্ব ৰজ তম এই তিনি গুণ চলাওঁতা।
গুণধাম—সৰ্বগুণৰ আধাৰ।

ৰাম কৃষ্ণ ৰাম হৰি ৰামচন্দ্ৰ ৰাম ৰাম
শ্ৰীৰাম দেৱ ৰঘুপতি।
হে প্ৰভু ৰঘুনাথ, প্ৰাণমো দমায়া মাথ
তুমি মোৰ হৈবা নিজ গতি হৰি ৰাম
ৰঘুকুল নন্দন মুৰাৰি ॥৮৪৭

দমায়া মাথ—মুৰদোৱাই।

গোপাল গোবিন্দ ৰাম, গোপাল গোবিন্দ ৰাম,
গোপাল গোবিন্দ জয় ৰাম।

তোমাৰ চৰণে হৰি কেৱল ভকতি বিনে,
মোৰ আৰ নাহি আন কাম হৰি ৰাম ॥৮৪৮

গোপীনাথ গোপীনাথ গোপীনাথ গোপীনাথ
গোপীনাথ গোপীনাথ হৰি।
তোমাৰ অভয় দুই চৰণে শৰণ লৈলো
লৈয়ো মোক নিজ দাস কৰি হৰি ৰাম ॥৮৪৯

## নামছন্দ

কৃষ্ণ ৰাম কৃষ্ণ ৰাম ॥৮৫০

কৃষ্ণ কৃষ্ণ ৰাম জয় জয় ৰাম ॥৮৫১

কৃষ্ণ হৰি ৰাম হৰি ৰাম ৰাম ৰাম।
অনন্ত অচ্যুত সনাতন নাৰায়ণ প্ৰাণ ॥৮৫২

গোবিন্দ গোবিন্দ গোবিন্দ গোবিন্দ
গোবিন্দ ৰাম মুৰাৰি।
অনন্ত কোটি ব্ৰহ্মাণ্ডৰ হৰি অধিকাৰী ॥৮৫৩

অনন্ত কোটি ব্ৰহ্মাণ্ড—ব্ৰহ্মাই সৃষ্টি কৰা জগত অনন্ত কোটি অৰ্থাৎ অসংখ্য। সূৰ্য্য সৌৰ জগতৰ অধিপতি। বুধ, শুক্ৰ, মঙ্গল, পৃথিবী, শনি, বৃহস্পতি, ইন্দ্ৰ, বৰুণ এইবোৰ গ্ৰহ মিলি সৌৰজগত; এই জগত অণ্ডাকৃতিৰ। আকাশত দেখা নক্ষত্ৰবোৰো একোটা একোটা সূৰ্য্যৰদৰে আৰু একোখন জগতৰ কেন্দ্ৰাধিপতি, এইদৰে বিশ্বত কিমান যে জগত আছে; তাৰ সংখ্যা কৰা টান। জগতকে ইয়াত ব্ৰহ্মাণ্ড বুলিছে।

গোবিন্দ ৰাম মুৰাৰি মুকুন্দ ৰাম মুৰাৰি।
ভকতি ৰোচন দুখ বিমোচন, ভকতৰ ভয়হাৰী ॥৮৫৪

ৰোচন—ৰুচি জনক
দুখবিমোচন—দুখ হৰণকৰোঁতা।

পৰম পুৰুষ পৰব্ৰহ্ম আনন্দ পৰম গুৰু মুৰাৰি।
অনাদি অনন্ত অচ্যুত গোবিন্দ ভকতৰ ভয়হাৰী ॥৮৫৫
জয় যাদৱ এ, মোৰে প্ৰাণ জীৱৰ জীৱন নাৰায়ণ।
ভকতৰ ধন তযু অৰুণ চৰণ ॥৮৬৬
ৰাম কৃষ্ণ ৰাম কৃষ্ণ হৰি, ৰাম কৃষ্ণ ৰাম কৃষ্ণ হৰি,
ৰাম কৃষ্ণ ৰাম কৃষ্ণ হৰি জয় নাৰায়ণ ॥৮৫৭
ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম
ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম এ হৰি নাৰায়ণ ॥৮৫৮
ৰাম ৰাম ৰাম ৰাম ৰাম
ৰাম কৃষ্ণ হৰি নাৰায়ণ ॥৮৫৯
ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম
ৰাম ৰাম হৰি হৰি হৰি ॥৮৬০
হৰি হৰি ৰাম ৰাম কৃষ্ণ ৰাম ৰাম ৰাম ৰাম।
শ্ৰীৰাম জয় জয় ৰাম ॥৮৬১
ৰাম ৰাম ৰাম ৰাম গোপাল। জীৱৰ জীৱন যদুৰায় ॥৮৬২
ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ জয় ৰাম জয় ৰাম ॥৮৬৩
দীন দয়াশীল দেৱ দামোদৰ হৰি দামোদৰ।
দামোদৰ দামোদৰ দেৱ দামোদৰ ॥৮৬৪

দীনদয়াশীল—দুখীয়াক দয়া কৰাই যাৰ স্বভাৱ।

অনাদি অনন্ত সদাশিৱ সনাতন হৰি এ
নিত্য নিৰঞ্জন হৰি নিত্য নিৰঞ্জন।
নিত্য নিৰঞ্জন নিত্য নিৰঞ্জন হৰি নিত্য নিৰঞ্জন ॥৮৬৫
মুৰাৰি মধুৰিপু ৰাঘৱ এ ৰাম ৰঘুপতি।
ৰাম ৰাম ৰাম হৰি ৰাম ৰাম ৰাম ॥
ৰাম ৰাম ৰাম নাৰায়ণ জয় নাৰায়ণ ॥৮৬৬
যাদৱ যদুপতি মাধৱ এ,
ৰাম ৰাম কৃষ্ণ নাৰায়ণ হৰি নাৰায়ণ।
নাৰায়ণ নাৰায়ণ হৰি নাৰায়ণ ॥৮৬৭
ৰাম কৃষ্ণ গোবিন্দ, গোপীনাথহৰি গোপীনাথ।
গোপীনাথ গোপীনাথ হৰি গোপীনাথ ॥৮৬৮
করুণা সাগৰ মোৰ বান্ধৱ এ,
ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম ॥৮৬৯
ৰাম ৰাম ৰাম ৰাম গোবিন্দ,
ৰাম ৰাম ৰাম ৰাম হৰি ৰাম ৰাম ৰাম ৰাম ॥৮৭০
ৰাম কৃষ্ণ হৰি গোপাল গোবিন্দ মুকুন্দ ৰাম মুৰাৰি ॥৮৭১
ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ।
ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম।
ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম ॥৮৭২
ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম গোবিন্দ জয় ৰাম ॥৮৭৩
ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম হৰি ৰাম কৃষ্ণ ৰাম।
ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম ॥৮৭৪
হৰি ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম।

পতিত পাৱন হৰি গুণে অনুপাম ৮৭৫

অনুপাম—অতুলনীয়, তুলনা কৰিব নোৱাৰা।

মোৰ প্ৰভু নাৰায়ণ কৃষ্ণ ৰাম।
ভকত বৎসল হৰি গুণে অনুপাম ॥৮৭৬

ৰাম কৃষ্ণ নাৰায়ণ ৰাম হৰিৰেহে
প্ৰভুৰেহে ৰাম ৰাম ৰাম ॥৮৭৭

মুকুন্দ মাধৱ মুৰাৰি মধুৰিপু, জগতজীৱন ৰাম হৰি হৰি॥৮৭৮

জয়তি যদুপতি জগত জীৱন,
যাদৱ মাধৱ ৰাম হৰি হৰি ॥৮৭৯

পৰম পুৰুষ ৰাম জয় জয় ॥৮৮০

ৰাম ৰাম কৃষ্ণ ৰাম ৰাম কৃষ্ণ।
ৰাম ৰাম কৃষ্ণ ৰাম ৰাম হৰি হৰি ॥৮৮১

ৰাম ৰাম ৰাম ৰাঘৱ ৰঘুপতি।
প্ৰণতপালক দেৱ হৰি হৰি,
প্ৰপন্নতাৰক দেৱ জয় জয় ॥৮৮২

প্ৰণত—সেৱক।
প্ৰপন্ন—শৰণাগত, আশ্ৰিত।

হৰিতো হৰি হৰি হৰিতো হৰি হৰি।
হৰিতো হৰি হৰি ৰাম জয় জয় ॥৮৮৩

কৃষ্ণদেৱ তুমি প্ৰভু দীন দুখহাৰী।
ভকতৰঞ্জন ভয় ভঞ্জন মুৰাৰি ॥৮৮৪

গোপাল গোপীনাথ গোবিন্দ ৰাম ৰাম।
গোবিন্দ ৰাম কৃষ্ণ গোবিন্দ ৰাম ॥৮৮৫

গোবিন্দ ৰাম গোবিন্দ ৰাম।
গোপাল গোবিন্দ ৰাম ৰাম ॥৮৮৬

হৰি হৰি হৰি ৰাম গোবিন্দ।
মুৰাৰি মুকুন্দ জয় ৰাম॥৮৮৭

ৰাম কৃষ্ণ হৰি ৰাম ৰাম। গোপাল গোবিন্দ জয় ৰাম ॥৮৮৮

ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম। অমিয়া মাধুৰি তযু নাম ॥৮৮৯

ৰাম কৃষ্ণ ৰাম কৃষ্ণ জয়। ৰাম কৃষ্ণ দীনদয়াময় ॥৮৯০

যাদৱ মাধৱ দীনদয়াল। দৈৱকীনন্দন ৰাম গোপাল ॥৮৯১

ৰাম ৰঘুপতি পৰমানন্দ। পৰম পুৰুষ দীনবন্ধু গোবিন্দ ৮৯২

মোৰে ইষ্টদেৱ যাদৱৰায়। সেৱা কৰিবাৰ নামেসে উপায়॥’৯৩

গোবিন্দ জয় কৃষ্ণ জগত জীৱন ৰাম ॥৮৯৪

সহজানন্দ হৰি স্বৰূপানন্দ ॥৮৯৫
হৃদয়ানন্দ হৰি পৰমানন্দ।

সহজানন্দ—আনন্দই যাৰ সহজ, সদায় আনন্দ হৈ থকাই যাৰ স্বভাৱ। স্বৰূপানন্দ – আনন্দস্বৰূপ। নিজ স্বৰূপ বুজি যি আনন্দময় হৈ থাকে।

গোপাল গোবিন্দ ৰাম মাধৱ।
ভকত জনৰ তুমি বান্ধৱ ॥৮৯৬

গোপাল গোবিন্দ গৰুড়কেতু।
ভকতৰ ধন জীৱন হেতু ॥৮৯৭

গৰুড়কেতু— গৰুড়ধ্বজ, গৰুড় যাৰ কেতু ( পতাকা ), বিষ্ণু।

ৰাম নিৰঞ্জন নিৰাময়। জয় জগন্নাথ দয়াময় ॥৮৯৮

গোবিন্দ গোবিন্দ গোবিন্দ ৰাম।

পতিত পাৱন তোমাৰ নাম ৮৯৯

হৰি ৰাম শ্ৰীৰাম বামন পৰশুৰাম ॥৯০০

মুকুন্দ মুৰাৰি দীন দয়াশীল হৰি ৰাম ॥৯০১

কমললোচন দুখমোচন মুৰাৰি ৰাম ৯০২

মোচন—মোচোঁতা, গুচাওঁতা।

ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম।

ৰাম নাৰায়ণ ৰাম কৃষ্ণ ৰাম ॥৯০৩

বনমালী গোবিন্দ ৰাম কৃষ্ণ হৰি ॥৯০৪

জীৱৰ জীৱনধন মুকুন্দ মুৰাৰি নাৰায়ণ ॥৯০৫

ৰাম কৃষ্ণ হৰি অনন্ত মুৰাৰি এ হৰি নাৰায়ণ ॥

ভকতজনৰ দুখ ভয়হাৰী এ হৰি নাৰায়ণ ॥৯০৬

নমো নাৰায়ণ নমো নাৰায়ণ।

নিৰঞ্জন নিৰাকাৰ নিৰ্ব্বিকাৰ নিৰাময়

নৰোত্তম সম সনাতন ॥৯০৭

ৰাম হৃষীকেশ গোবিন্দ হৃষীকেশ ৯০৮

গোবিন্দ ৰাম গোবিন্দ ৰাম কৃষ্ণ গোবিন্দ ৰাম ॥৯০৯

এ ৰাম ৰাম কৃষ্ণ ৰাম নাৰায়ণ ॥৯১০

হৰি ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম ॥৯১১

ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম ৰাম নাৰায়ণ ॥৯১২

জয় ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ হৰি ॥৯১৩

ৰাম কৃষ্ণ ৰাম কৃষ্ণ শিৱ সনাতন।

তুমিসে গোবিন্দ ভকতৰ নিজ ধন ॥৯১৪

জয় হৰি ৰাম জয় ৰাম।

পৰম মঙ্গল মাধৱৰ গুণ নাম জয় হৰি ৰাম ॥৯১৫

কৃষ্ণ কৃষ্ণ ৰাম জয় জয় ৰাম।

মধুমুৰমথন মুৰাৰি হৰি ৰাম, কৃষ্ণ কৃষ্ণ ৰাম ॥৯১৬

মধুমুৰমথন—মধু আৰু মুৰদৈত্যক মৰ্দ্দন অৰ্থাৎ নাশ কৰোঁতা।

ৰাম কমলাপতি তুমি অগতিৰ গতি।

ভকতি মিনতি স্তুতি নাজানো পামৰ মতি ॥৯১৭

পামৰ মতি—পাপী, পাপলৈ মন কৰোঁতা।

গোপাল জয় ৰাম। গোবিন্দ জয় ৰাম ॥৯১৮

গোপাল গোবিন্দ ৰাম কৃষ্ণ মুকুন্দ ॥৯১৯

গোবিন্দ গোবিন্দ দৈৱকী নন্দন হৰি ৰাম নাৰায়ণ ॥৯২০

হৰি ৰাম শ্ৰীৰাম জয় জয় ৰাম ৰাম ॥৯২২

গোপাল গোবিন্দ মুকুন্দ ৰাম ॥৯২১

এ ৰাম জয় ৰাম জয় ৰাম জয় ৰাম।

ও হৰি ৰাম ৰাম জয় জয় ৰাম ॥৯২৩

শিৱ শিৱ শিৱ শিৱ শিৱ। শিৱ সনাতন জগজীৱ ॥৯২৪

মাধৱ মাধৱ মাধৱ মধুৰিপু।

মুৰাৰি এ হৰি হৰি ৰাম।

গোবিন্দ কৃষ্ণ হৰি হৰি ৰাম ॥৯২৫
নাৰায়ণ নিৰঞ্জন নিৰাকাৰ নিৰাময়,
মুৰাৰি এ হৰি ৰাম ॥৯২৬
প্ৰাণ গোপাল দীনবন্ধু নাৰায়ণ ॥৯২৭
হে হে পৰম গুৰু হৰি পুৰুষোত্তম হৰি পুৰুষোত্তম
পুৰুষোত্তম পুৰুষোত্তম জয় পুৰুষোত্তম ॥৯২৮
ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ জয় নাৰায়ণ ॥৯২৯
মোৰ প্ৰভু নাৰায়ণ পৰমানন্দ হৰি পৰমানন্দ।
পৰমানন্দ পৰমানন্দ হৰি পৰমানন্দ ॥৯৩০
ৰাম কৃষ্ণ ৰাম কৃষ্ণ প্ৰভু দেৱ নাৰায়ণ নাৰায়ণ।
নাৰায়ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ প্ৰভু দেৱ ॥৯৩১
ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম।
পতিতপাৱন হৰি গুণে অনুপাম ॥৯৩২
গোপাল গোবিন্দ হৰি ৰাম ৰাম ৰাম।
ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম ৰাম ॥৯৩৩
পৰম পুৰুষ শিৱ সনাতন।
অনন্ত অচ্যুত নিত্য নিৰঞ্জন ॥৯৩৪
ৰাম নিৰঞ্জন ওঁ ৰাম নিৰঞ্জন।
নিৰাকাৰ হৰি এ ৰাম ॥৯৩৫
ৰাম সদাশিৱ ওঁ ৰাম সদাশিৱ,
সনাতন প্ৰভুৰে ৰাম ॥৯৩৬

ওঁ—প্ৰণৱ. ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ।

ৰাম দয়াশীল মোৰ প্ৰভু,
দয়াশীল দেৱ দীন-বন্ধুৰে ৰাম ॥৯৩৭
হৰি হৰি পৰমানন্দ প্ৰভু পীতাম্বৰ হৰি পীতাম্বৰ
পীতাম্বৰ পীতাম্বৰ প্ৰভু পীতাম্বৰ ॥৯৩৮
হৰি হৰি ৰাম বান্ধৱ হৰি ৰাম,
হৰি হৰি এ নাৰায়ণ জয় গোবিন্দ ৰাম ॥৯৩৯
পৰমানন্দ জয় পৰমানন্দ হৰি হৰি,
হৰি হৰি হৰি হৰি এ,
হৰি এ পৰমানন্দ জয় পৰমানন্দ ॥৯৪০
কমলাকান্ত জয় কমলাকান্ত কমললোচন বনমালী।
হৰি এ বনমালী এ কমলাকান্ত জয় কমলাকান্ত ॥৯৪১
দামোদৰ প্ৰভু দামোদৰ দৈৱকীনন্দন দীনবন্ধু
হৰি এ দীনবন্ধু দামোদৰ ॥৯৪২
জগত জীৱন ৰাম ৰঘুপতি জগত জীৱন ৰাম,
হৰি হৰি জগত জীৱন ৰাম।
জগত জীৱন ৰাম যদুপতি, জগত জীৱন ৰাম,
হৰি হৰি, জগত জীৱন ৰাম ॥৯৪৩
জগত জীৱন ৰাম জগত জীৱন ৰাম, জগত জীৱন ৰাম
জগতৰ সুমঙ্গল তুৱা গুণ নাম ॥৯৪৪
মধুসূদন দেৱ মধুসূদন দেৱ।
তুমি বিনে অগতিৰ গতি নাহি কেৱ ॥৯৪৫
ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম হৰি হৰি।

ৰামতে ৰমোহো অবিৰাম ৰাম ৰাম ॥৯৪৬
ৰাম নাম ধৰ্ম্ম অনুপাম হৰি হৰি ।
পূৰা ভকতৰ মনকাম ৰাম ৰাম ॥৯৪৭
কলি যুগে ৰাম নাম সাৰ হৰি হৰি ।
ৰাম নাম বিনে নাহি আৰ ৰাম ৰাম ॥৯৪৮
ৰাম বুলি পাৰে ভৱ পাৰ হৰি হৰি ।
ৰাম নাম জগত উদ্ধাৰ ৰাম ৰাম ॥৯৪৯
ৰাম নাম অমূল্য ৰতন হৰি হৰি ।
ৰাম নাম বিনে নাহি ধন ৰাম ৰাম ॥৯৫০
ৰাম নামে মুক্তি বিড়ম্বন হৰি হৰি ।
জপ ৰাম নাম অনুক্ষণ ৰাম ৰাম ॥৯৫১
ৰাম নাম ভকতি সুগম হৰি হৰি ।
ৰাম নাম পাতকৰ যম ৰাম ৰাম ॥৯৫২
ৰাম নাম ধৰ্ম্মতে উত্তম হৰি হৰি ।
নাহি ভক্তি ৰাম নাম সম ৰাম ৰাম ॥৯৫৩
ৰাম নাম ধৰ্ম্ম শিৰোমণি হৰি হৰি ।
ৰাম নাম পাপৰ অগনি ৰাম ৰাম ॥৯৫৪
ৰাম নাম মৃত্যুসঞ্জীৱনী হৰি হৰি ।
ৰাম নাম ঘুষিয়োক ছান্দি ৰাম ৰাম ॥৯৫৫

মৃত্যুসঞ্জীৱনী—মৃতকক জীওৱা, অমৰ কৰোঁতা, মুক্তিদাতা।
ছান্দি—গোহৰ কৰি, শব্দ কৰি, উচ্চস্বৰে।

জগন্নাথ জগন্নাথ জগন্নাথ জগন্নাথ জগন্নাথ জগন্নাথ হৰি ।
হৰি ৰাম জগন্নাথ জগন্নাথ হৰি ॥৯৫৬
নিৰঞ্জন নিৰঞ্জন নিৰঞ্জন নিৰঞ্জন নিৰঞ্জন নিৰঞ্জন হৰি ।
নিৰঞ্জন নিৰঞ্জন নিৰঞ্জন নিৰঞ্জন নিৰঞ্জন নিৰঞ্জন হৰি ।
হৰি ৰাম নিৰঞ্জন নিৰঞ্জন হৰি ॥৯৫৭
গোপাল গোপাল গোপাল গোপাল
গোপাল গোপাল গোপাল ৰাম ।
গোপাল গোপাল গোপাল
গোপাল গোপাল গোপাল ৰাম ॥৯৫৮
ৰাম হৰি হৰি ৰাম হৰি হৰি ৰাম হৰি হৰি ৰাম ।
ৰাম হৰি হৰি ৰাম হৰি হৰি ৰাম হৰি হৰি ৰাম ॥৯৫৯
গোবিন্দ ৰাম গোবিন্দ ৰাম গোবিন্দ ৰাম ।
গোবিন্দ ৰাম গোবিন্দ ৰাম গোবিন্দ ৰাম ।
গোবিন্দ ৰাম গোবিন্দ ৰাম গোবিন্দ ৰাম হৰি ।
গোবিন্দ গোবিন্দ গোবিন্দ গোবিন্দ
গোবিন্দ গোবিন্দ গোবিন্দ গোবিন্দ
গোবিন্দ গোবিন্দ গোবিন্দ গোবিন্দ ৰাম ।
মুকুন্দ মুৰাৰি মুকুন্দ মুৰাৰি মুকুন্দ মুৰাৰি
মুকুন্দ মুৰাৰি মুকুন্দ মুৰাৰি মুকুন্দ মুৰাৰি হৰিহে
হৰি হৰি হৰি হৰি হৰি হৰি হৰি ৰাম শ্ৰীৰাম ॥৯৬০
ৰাম কৃষ্ণ হৰি ৰাম কৃষ্ণ হৰি ৰাম,
কৃষ্ণ হৰি ৰাম কৃষ্ণ হৰি ৰাম কৃষ্ণ হৰি ৰাম কৃষ্ণ হৰি ৰাম

ৰাম কৃষ্ণ হৰি মুকুন্দ মুৰাৰি মাধৱ মধুসূদন
হৰি হৰি যাদৱ যদুনন্দন ॥৯৬১
ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম
ৰাম ৰাম ৰাম হৰি হৰি হৰি ৰাম ৰাম ৰাম ॥৯৬২
হৰি হৰি হৰি হৰি হৰি হৰি হৰি হৰি হৰি হৰি হৰি এ
প্ৰাণবন্ধু হৰি হৰি হৰি এ মোৰ প্ৰাণধন হৰি এ
অনাদি অনন্ত প্ৰভু ভগৱন্ত ভজো চৰণত ধৰি এ
হৰি হৰি ভজো চৰণত ধৰি এ
পতিত পাৱন প্ৰভু নাৰায়ণ সেৱক লৈয়ো উদ্ধাৰি।
দীনবন্ধু সেৱক লৈয়ো উদ্ধাৰি, গোবিন্দ জয় ৰাম ॥৯৬৩
মুৰাৰি মুকুন্দ ৰাম মুৰাৰি মুকুন্দ ৰাম
মুৰাৰি মুকুন্দ ৰাম জয়।
সুমৰণে পাপ ক্ষয় মিলে মহা মহোদয়
দুখচয় গুচে শোক ভয় হৰি ৰাম ॥৯৬৪
ৰাম কৃষ্ণ গোবিন্দ ৰাম কৃষ্ণ গোবিন্দ ৰাম কৃষ্ণ গোবিন্দ
হৰি, বনমালী বাসুদেৱ পদ্মনাভ জনাৰ্দ্দন।
মাধৱ মুকুন্দ মুৰাৰি হৰি ৰাম ॥৯৬৫
মাধৱ মধুৰ মুৰতি মধুসূদন, দনুজদমন দুখহাৰী।
পীতাম্বৰ ধৰ, শ্যাম সুন্দৰ হৰি
জয় জয় মুকুন্দ মুৰাৰি হৰি ৰাম ॥৯৬৬
ৰাম জয় হৰি জয় ৰাম কৃষ্ণ ৰাম হৰি জয় ॥৯৬৭

ৰাম কৃষ্ণ যিটো সততে সুমৰে তাৰ আৰ কাক ভয়।
সকল ধৰ্ম্মৰ উপৰে বসিয়া ৰাম নাম প্ৰকাশয় ॥৯৬৮

মধুৰ—সুন্দৰ, ধুনীয়া।

ৰাম কৃষ্ণ নাম কীৰ্ত্তন বিনায় কৃত্য শেষ নাথাকয়।
ৰাম কৃষ্ণ নাম কীৰ্ত্তনে কৃষ্ণৰ কৃপাৰ মন্দিৰ হয় ॥৯৬৯
ৰাম কৃষ্ণ নাম কীৰ্ত্তন প্ৰভাৱে সংসাৰ সুখে তৰয়।
ৰাম কৃষ্ণ নাম কীৰ্ত্তনে সমস্ত বিঘিনি নাশ কৰয় ॥৯৭০

প্ৰভাৱ—বল।

ৰাম কৃষ্ণ নাম ৰসক লভিয়া মুকুতিকো নগণয়।
ৰাম কৃষ্ণ নাম পৰম আনন্দ সমুদ্ৰে মজি থাকয় ॥৯৭১

মুকুতিকো নগণয়—মুক্তিৰ বিষয় নাভাবে।

ৰাম কৃষ্ণ নাম কীৰ্ত্তন প্ৰসাদে হৰিৰ বল্লভ হয়।
ৰাম কৃষ্ণ নাম কীৰ্ত্তন কৰিয়া হৰিকো বশ্য কৰয় ॥৯৭২

নাম কীৰ্ত্তন প্ৰসাদে– নাম কীৰ্ত্তনৰ গুণত।
বল্লভ—প্ৰিয়পাত্ৰ।

ৰাম হৰি জয় ৰাম হৰি
গোপাল গোবিন্দ ৰাম হৰি জয় ॥৯৭৩
ৰাম হৰি জয় ৰাম হৰি জয় ৰাম ॥৯৭৪
এ হৰি হৰি ৰাম জয়। ৰাম হৰি জয় ৰাম গোবিন্দ ॥৯৭৫
ৰাম জয় জয় ৰাম জয়।
মুকুন্দ মুৰাৰি ৰাম হৰি জয় ॥৯৭৬

হৰিনাম মানুহৰ অন্তৰতে আছে, সি মুখেদি ওলায় অৰ্থাৎ ঈশ্বৰত ভক্ত হলে হৃদয়ৰপৰা ঈশ্বৰৰ নাম উঠি মুখেদি বাজলৈ ওলায় প্ৰকাশ হয়। আৰু ঈশ্বৰৰ এই নামে মৰণা মৰাৰ দৰে বিষয়-বাসনা গচকে আৰু তাতে বাসনাৰ সৈন্যবোৰ অৰ্থাৎ কাম, ক্ৰোধ আদি ৰিপুবোৰ দুৰ্ব্বল হয়।

পাপ বিপক্ষক সংহৰি নামে খলখলি·হাসে।
সকল ধৰ্ম্মৰ উপৰে বসিয়া হৰিৰ নাম প্ৰকাশে ॥৯৯৪
মুকুতি সুখক বশ্য কৰি হৰিনামে আনন্দত নাচে।
পুৰুষে সহিতে সখিত্ব কৰিয়া চলয় হৰিৰ কাছে ॥৯৯৫

হৰিনামে মুক্তি-সুখক বশ কৰি আনন্দ কৰে, অৰ্থাৎ হৰিনাম ললে মুক্তি লগতে লাগি আছে; আৰু নামে জীৱাত্মাৰ সৈতে মিলি ভগৱানৰ ওচৰ পায়; (ভক্তিমাৰ্গত হৰিৰ চৰণ পোৱাই শেষ সীমা।)

আপোন নামৰ মহিমা দেখিয়া হৰিৰ আনন্দ চড়ে।
যিটো নাম লয় হৰি তাৰ হয়,
ই পুনু ৰহস্য বৰে ॥৯৯৬
হৰি গুণ নাম ভাবিয়া পুৰুষে ৰহয় হৰিৰ পাশে।
হৰিৰ চৰণ হৃদয়ে ধৰিয়া কহয় মাধৱ দাসে ॥৯৯৭

ৰহয় হৰিৰ পাশে—ভক্তৰ জীৱাত্মা ঈশ্বৰৰ সৈতে মিলি এক হৈ থাকে; অৰ্থাৎ সমাধি লাভ কৰে। হৰিৰ চৰণ লাভ কৰি ভক্তিৰস পান কৰি থাকে।

## খেদ

এ ভাৱক ভাই ভজ ভগৱন্ত ভক্তিভাৱে।
ভগৱন্ত ভজিয়া পৰম গতি পাৱে ॥৯৯৮

## পদ

ভগৱন্ত নভজি চলয় যমঠাৱে।
ভগৱন্ত ভকতক শমনে নধাৱে ॥৯৯৯

চলয় যম ঠাৱে—যম পুৰিলৈ যায়, মৃত্যুৰ হাতত পৰে ; মুক্তি নাপায়।
শমনে নধাৱে—যমে খেদি নাযায় বা নধৰে ; নমৰে।

ভগৱন্তক ভজিয়া জনম বাহুৰাৱে।
আন যত সবে মিছা ভক্তিৰ অভাৱে ॥১০০১

জনম বাহুৰাৱে—জন্ম কটায়, জন্ম ধন্য হয় ( অধিকাৰী )।

জানিয়া ভজিয়ো ভাই ভগৱন্ত পাৱে।
এহু ৰস মাধৱ মূৰুখমতি গাৱে ॥১০০১

অন্ত

## খেদ

ঘোষা—হৰি হৰি হৰি হৰি হৰি হৰি হৰি কি কাম কৰিলোঁ।
ম্মী।

সঙ্গ লৈয়া তোমাক নভজি ভৈলো কিনো অধোগামী ॥৯৭৭

অধোগামী—পতিত।

পদ—নিজ দাস হুয়া সেৱাক তেজিলোঁ।

এহি দোষে ঘোৰ আপদে মজিলোঁ ॥৯৭৮

তুমি সিসুহৃদ আত্মা প্ৰিয়তম।

তথাপি তোমাক নভজো কি মই অধম ॥৯৭৯

তুমি নিজ পিতৃ গুৰু ইষ্ট মোৰ।

মই মন্দমতি ভৈলো সেৱাচোৰ ॥৯৮০

গুৰু ইষ্ট—উপাস্য গুৰু বা দেৱতা।

সেৱাচোৰ—সেৱা পৰিত্যাগী, দাস ভাৱে ভগৱানৰ সমুখ নোহোৱা, ঈশ্বৰলৈ পাছ দিয়া।

অধমকো তাৰে তোমাৰ ভকতি।

তথাপি তোমাক নভজো কুমতি ॥৯৮১

ইষ্টদেৱ বুলি তোমাক নধৰোঁ।

নিকাৰ ভুঞ্জিয়া সংসাৰতে মৰোঁ ॥৯৮২

তুমিসে কেৱল কৰুণা সাগৰ।

তোমাক নভজো কি মই পামৰ ॥৯৮৩

পামৰ—অধম, নীচ।

এৰে কৃপাময় দিয়োক শৰণ।
দোষ মৰিষণ তোমাৰ চৰণ ॥৯৮৪

হে কৃপাময়, মোক আশ্ৰয় দিয়া, কিয়নো তোমাৰ ললে তুমি দোষ ক্ষমা কৰা।

ইবাৰ ঈশ্বৰ নাছাৰিবা মোক।
মোৰ মন মজি তোমাতে ৰহোক ॥৯৮৫
মোৰ প্ৰাণ হৰে জীৱন প্ৰাণ হৰে।
হৰিৰে ৰাম ৰাম কৃষ্ণ হৰে ॥৯৮৬
কৃষ্ণ হৰি এ প্ৰাণ হৰি এ। হৰি এ ৰাম ৰাম ৰাম
হৰিৰে হৰিৰে ৰাম ৰাম, জয় জয় হৰি নাৰায়ণ
গোবিন্দ এ জয় কৃষ্ণ ৰাম, জয় ৰাম জয় ৰাম ॥৯৮
হৰি হৰি ৰাম বান্ধৱ হৰি ৰাম।
হৰি হৰি এ নাৰায়ণ জয় গোবিন্দ ৰাম ॥৯৮৯
ৰাম কৃষ্ণ গোবিন্দ। হৰি ৰাম গোবিন্দ জয় ॥৯
গোবিন্দ কৃষ্ণ ৰাম ৰাম ৰাম।
গোবিন্দ গোবিন্দ ৰাম ৰাম ॥৯৯১
গোবিন্দ মাধৱ প্ৰাণ বান্ধৱ।
ৰাম কৃষ্ণ হৰি জয় ॥৯৯২
হিয়াৰ মাজে নামৰ ভাণ্ডাৰ মুখে বাজে হয়।
ৰাম নামে মৰণা মাৰে পাপ কটকৰ ক্ষয় ॥৯৯৩

কটক—সৈন্য।